বেণুধৰ শৰ্ম্মা ৰচনাৱলী

(চতুৰ্থ খণ্ড)

টোকোৰা বাহৰ কুটা

মুখ্য সম্পাদক ঃ
শ্রীযজ্ঞেশ্বৰ শৰ্ম্মা

সম্পাদক ঃ
শ্রীঅজিতকুমাৰ শৰ্ম্মা

ভূমিকা ঃ
ডঃ মহেন্দ্র বৰা

টোকোৰা বাহৰ কুটা

শ্ৰীকেশৱ মহন্ত



BENUDHAR SHARMA RACHANAWALI : Vol. IV —TOKORA BAHOR KOOTA, a rare collection of valuable reference materials including documents, pictures, reports, letters etc. by PADMABHUSAN Benudhar Sharma, published with the assistance of the Government of India vide Sanction No. F. 7-116/83-L. G. Cell, Ministry of Education dated 20.3.85.

প্ৰথম সংস্কৰণ : ১ নবেম্বৰ, ১৯৮৭

প্ৰকাশক : বেণুধৰ শৰ্ম্মা স্মাৰক ন্যাসৰ হৈ
শ্ৰী অজিতকুমাৰ শৰ্ম্মা

অবিহনা :

পৰিবেশক : মানুহ প্ৰকাশন,
সুৰাগপুৰ, বিহাবাৰী,
গুৱাহাটী-৭৮১০০৮

মুদ্ৰক : হেমকোষ প্ৰিণ্টাৰ্ছ, শিলপুখুৰী,
গুৱাহাটী-৭৮১০০৩

প্ৰকাশকৰ নিবেদন

"বেণুধৰ শৰ্ম্মা ৰচনাৱলী"ৰ প্ৰথম, দ্বিতীয় আৰু তৃতীয় খণ্ড (যথাক্ৰমে, 'মজিয়াৰপৰা মেজলৈ', 'বুৰঞ্জীৰ সঁফুৰা' আৰু 'চন্দন চ'ৰা') ওলোৱাৰ পাচতে এতিয়া চতুৰ্থ খণ্ড 'টোকোৰা বাহৰ কুটা' পাঠক-সকলৰ হাতত দিবলৈ পোৱাটো আমাৰ সৌভাগ্যৰ কথা। প্ৰথম তিনিখণ্ডেৰে সৈতে এই খণ্ডৰ অৱশ্যে এটা কথাত মিল নাই। আগৰ কেইখণ্ড হ'ল স্বৰ্গীয় বেণুধৰ শৰ্ম্মাই নিজে লেখা ৰচনা, কিন্তু এই খণ্ড ঘাইকৈ হ'ল তেখেতে সংগ্ৰহ কৰা সাহিত্যিক সম্পদ। টোকোৰা চৰায়ে নানান ঠাইৰপৰা কুটা কঢ়িয়াই আনি এক বিতোপন, কলা-সুলভ, মজবুত বাহ সজাৰ দৰেই স্বৰ্গীয় বেণুধৰ শৰ্ম্মাইও বিভিন্ন স্থানৰ পৰা বুটলি আনি অলেখ মল্যবান সম্পদেৰে 'টোকোৰা বাহ'টো সাজি থৈ গৈছে, যাতে ভবিষ্যতে আগ্ৰহী লোকে "পানীত বুৰ মাৰি" এই বাহৰ পৰা "সোণৰ বেজী" উলিয়াব পাৰে।

১৯৫৯ চনৰপৰা ১৯৬৯ চনলৈ এই কেইবছৰতে শ্ৰীযুত পদ্ম বৰকটকী সম্পাদিত "আমাৰ প্ৰতিনিধি" আৰু "নতুন প্ৰতিনিধি"ত, আৰু ডঃ বীৰেন্দ্ৰকুমাৰ ভট্টাচাৰ্য্য সম্পাদিত "ৰামধেনু"ত ধাৰাবাহিক-ভাবে 'টোকোৰা বাহৰ কুটা' প্ৰকাশ হৈছিল। তদুপৰি এই সংগ্ৰহৰ ভাগেখিনি 'কুটা' অপ্ৰকাশিত অৱস্থাত থাকি গৈছে। বৰ্তমান সংকলনত প্ৰকাশিতখিনিৰ লগতে অপ্ৰকাশিত অংশবো কিছু যোগ দিয়া হৈছে। সম্পাদক বৰকটকীয়ে কোৱামতে "জীৱনত শুনা, দেখা, গমপোৱা বহু সৰু সৰু কথা আৰু ঘটনাবে ভৰা "টোকোৰা বাহৰ কুটা" অসমীয়া সাহিত্যত নোবেল পুৰস্কাৰ বিজয়ী অান্দ্ৰে জীদৰ বিখ্যাত দিনপঞ্জীৰ দৰেই আপুৰুগীয়া আৰু অদ্বিতীয় সাহিত্য।"

ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ জন্মীনাথ বেজবৰুৱা অধ্যাপক আৰু বৰ্তমান অসমীয়া সাহিত্য সভাৰ সভাপতি ডঃ মহেন্দ্ৰ বৰাদেৱে এই সংকলনৰ ভূমিকা লিখি দি সহায় কৰাৰ বাবে তেখেতলৈ আমাৰ আন্তৰিক কৃতজ্ঞতা জনাওঁ।

এই 'বচনাবলী'ৰ প্ৰথম খণ্ডতেই উল্লেখ কৰা হৈছে যে 'বেণুধৰ শৰ্মা বচনাবলী' বাইজৰ হাতত দিয়াৰ উপৰিও বৰ্ত্তমান প্ৰকাশনৰ আন এটি উদ্দেশ্য হ'ল স্বৰ্গীয় "বেণুধৰ শৰ্ম্মা স্মৃতি-নিধি" প্ৰতিষ্ঠা কৰা আৰু সমুদায় বচনাবলীৰ বাবদ পোৱা বয়েল্টিৰ ধন উক্ত স্মৃতি-নিধিত আনুষ্ঠানিকভাবে জমা ৰাখি অসমীয়া ভাষা-সাহিত্য তথা জাতীয় জীৱনৰ উন্নতিকল্পে যথাবিহিত কামত লগাই স্বৰ্গীয় দেউতা বেণুধৰ শৰ্মাৰ ইচ্ছা পূৰণ কৰা।

গুৱাহাটী,
১৫ অক্টোবৰ, ১৯৮৭।

শ্ৰীঅজিতকুমাৰ শৰ্মা
সম্পাদক আৰু প্ৰকাশক।

বেণুধৰী ৰচনাৰ গুৰি কথা

আধুনিক অসমীয়া গদ্য সাহিত্যৰ বুৰঞ্জীত বেণুধৰ শৰ্মাই এখন বিশেষ আসন অধিকাৰ কৰি আছে। তেওঁ প্ৰৱৰ্তন কৰা অসমীয়া গদ্যৰীতিক বেণুধৰী গদ্য বুলি নিঃসংশয়ে ক'ব পাৰি।

আধুনিক যুগৰ বা জোনাকী যুগৰ অসমীয়া সাহিত্যিকসকলৰ কাল অনুসৰি একেবাৰে ধৰা-বন্ধাকৈ নহ'লেও তিনি ভাগত ভাগ কৰিব পাৰি। প্ৰথম ভাগত বেজবৰুৱা, হেম গোসাঁইকে আৰম্ভ কৰি কমলা-কান্তলৈকে, দ্বিতীয় ভাগত কালিৰাম মেধি, দুৰ্গেশ্বৰ শৰ্মা, বঘু চৌধাৰী, অম্বিকাগিৰী আৰু দুগৰাকীমান, তৃতীয় ভাগত পৰে বৰভূইকঁপৰ অলপ আগে আগে ওপজা দুৱৰা, সূর্য্য ভূঞা, বাণী কাকতী, বেণু শৰ্মা, লক্ষ্মী ফুকন, কৃষ্ণ সন্দিকৈ, বত্ন বৰকাকতী, পদ্ম চলিহা, মিত্রদেৱ মহন্ত, মহাদেৱ শৰ্মা, দণ্ডী কলিতা, মহী বৰা, চিন্তা পাটগিৰী, ইন্দ্রেশ্বৰ বৰঠাকুৰ, পজিৰুদ্দিন আহম্মদ, তুলসী প্রসাদ দত্ত, প্রেমধৰ চলিহাকে আদি কৰি সাহিত্যিকসকল। এই তৃতীয় দলৰ সাহিত্যিকসকলৰ প্রায় প্রত্যেকজনকে একোটা বিশেষ ক্ষেত্রত কৃতকার্য্যতাৰ কাৰণে অনুশীলন কৰা (specialisation) দেখা যায়। প্রত্যেক দলতে অৱশ্যে অনেক সৰুফুটীয়া সাহিত্যিকো আছে।

তৃতীয় ভাগত পৰা যতীন দুৱৰাই ওৰে জীৱন কাব্যৰে সাধনা কৰিলে। অধ্যাপক ভূঞা আৰু কাকতীয়ে ক্রমে বুৰঞ্জী আৰু সমালোচনা তথা ভাষাতত্ত্বৰ গৱেষণাত কৃতিত্ব লাভ কৰিলে। লক্ষ্মী ফুকনে সাংবাদিক জীৱন লৈ গল্পকে লেখিলে; কৃষ্ণ সন্দিকৈয়ে প্রাচীন ভাৰতীয় সংস্কৃতিৰ গৱেষণাৰপৰা মাজে মাজে অলপ সময় আঁতৰি গৈ অসমীয়া ভাষাৰ ভালেখিনি সমালোচনাৰ প্রবন্ধ ৰচনা কৰিলে, বত্ন বৰকাকতীয়ে কবিতা আৰু সমালোচনাতে গোটেই সময় নিয়োগ কৰিলে; পদ্ম চলিহাই নাটক আৰু সঙ্গীতত ভালেখিনি অবিহণা যোগালে; মিত্রদেৱ মহন্তইও পৌৰাণিক নাট আৰু ধেমেলীয়া নাটৰ ক্ষেত্রত অসমীয়া সাহিত্যৰ দাৰিদ্র্য ভালেখিনি ঘুচালে, মহাদেৱ শৰ্মাই শিশু সাহিত্যৰ আৰম্ভণি কৰি দিলে ঃ দণ্ডী কলিতাই ব্যঙ্গ আৰু হাস্য

ৰসাত্মক কবিতাত বেজবৰুৱা আৰু চন্দ্ৰ বৰুৱাৰ ধাৰা জীয়াই ৰাখিলে; মহী বৰাই হাস্যৰসৰ গল্প লিখিলে; চিন্তাহৰণ পাটগিৰী সামাজিক উপন্যাসৰ লেখক, ইন্দ্ৰেশ্বৰ বৰঠাকুৰৰ কৃতিত্ব কেইবাখনিও পৌৰাণিক নাট আৰু ভালেখিনি কবিতাত, প্ৰেমধৰ চলিহাই অসমৰ দাঁতি-কামৰীয়া ভাইসকলৰ বিষয়ে গোন প্ৰথমে প্ৰবন্ধ লিখি বাট দেখুৱালে, পদ্মিকান্দিন আহোম্মদে ঘাইকৈ যুবজীমূলক নাট ৰচনা কৰি অসমীয়া ৰঙমঞ্চৰ দাবী ভালেখিনি পূৰণ কৰিলে। লক্ষ্মীধৰ-প্ৰসন্নলাল-জ্যোতিপ্ৰসাদ-বিষ্ণু ৰাভা এই তৃতীয় দল আৰু আধুনিকসকলৰ মাজতে থিয় দিছে।

বেণুধৰ শৰ্মাৰ সমসাময়িক সকলৰ সৰহ ভাগেই চাকৰি বা ব্যৱসায় কিবা এটা কৰিছিল, শৰ্মাৰ একমাত্ৰ চাকৰি আছিল সাহিত্য-সেৱা। স্কুলত পঢ়া কালত শিৱসাগৰৰ ছাত্ৰসমাজৰপৰা ওলোৱা হাতেলিখা আলোচনীতে তেওঁ সাহিত্যসেৱাৰ সিদ্ধিৰস্ত হয়। তেতিয়াই তেওঁৰ দুটামান গদ্যপ্ৰবন্ধ, দুই-এটা গল্প আৰু কেইটামান কবিতা প্ৰথমে "আলোচনী" নামে ডিব্ৰুগড়ৰপৰা ওলোৱা মাহিলী কাকতত প্ৰকাশ হয়। সেই কিশোৰ কালৰ লেখাৰপৰাই তেওঁ মানুহক আকৰ্ষণ কৰিবপৰা ভাষাৰ অধিকাৰী বুলি চিনাকি দিছিল। তেওঁ কবি নাম ল'ব পাৰিলেইহেঁতেন অতি সহজে। গল্প লিখক ৰূপেও তেওঁ জন-প্ৰিয়তা আজিব পাৰিলেহেঁতেন, কিয়নো তেওঁৰ "মৰমৰ কাৰেং" বোলা সংগ্ৰহটোত কেইবাটাও ভাল ভাল গল্প আছে। "কংগ্ৰেছৰ কাচিয়লি ৰ'দত'ৰ কিছুমান চৰিত্ৰ আৰু গাঁৱলীয়া জীৱনৰ পৰ্য্যবেক্ষণ ক্ষমতাই তেওঁৰ গাত থকা ঔপন্যাসিকৰ গুণ সূচায়।

কিন্তু তেওঁ যিকৰা, জতুৱা অসমীয়া গদ্যত লেখিম বুলি প্ৰতিজ্ঞা কৰি ল'লে আৰু সেই উদ্দেশ্যে এটা গদ্য-ৰীতিৰ গৰাকী হ'বলৈ চেষ্টা কৰাত লাগিল। একেদিনাই এনে গদ্য ৰীতিৰ অধিকাৰী হোৱা নাই। স্কুলত পঢ়া অৱস্থাতে তেওঁ ইংৰাজী সাহিত্যৰ বিখ্যাত পুথি 'ৰবিঞ্চন ক্ৰুচ'ৰ ভালেখিনি অনুবাদ কৰে। কলিকতাৰ কলেজত পঢ়িবলৈ গৈ সেই অনুবাদৰ কাম গোৱালপৰীয়া বন্ধু গিৰীন্দ্ৰনাথৰ সৈতে লগলাগি শেষ কৰে। অসমৰ আন ঠাইৰ লিখকৰ দৰে গোৱালপৰীয়া ছাত্ৰ-লেখক এজনেও যে উজনি অসমৰ মানুহৰ দৰেই সুন্দৰ অসমীয়া লিখিব পাৰে এইটোও প্ৰমাণ হ'ল। অৱশ্যে এই অনুবাদৰ সৰহখিনি

বেণুধৰ শৰ্মাৰ, আৰু গোটেই অনুবাদতেই তেওঁৰ হাতৰ চিন আছে। বঙ্কিমচন্দ্ৰ চুটৰ অনুবাদে তেওঁক সাহিত্যিক সমাজলৈ আনিলে আৰু অসমীয়া শিশু-সাহিত্যৰ এগৰাকী বাইকটীয়া বুদ্ধি তেওঁ আদৰ পালে। সেই সময়ত হেমচন্দ্ৰ গোস্বামীৰ সম্পাদিত "অৰুণ" আৰু মহাদেৱ শৰ্মাৰ দুই-এখন পুথিৰ বাহিৰে অসমীয়াত শিশু-সাহিত্য বুলিবলে একো নাই। ইতিমধ্যে তেওঁৰ "আপদীয়া বঙ্গমাতাৰ অমঙ্গলীয়া কাহিনী" বোলা অনুবাদ "বাঁহী"ত প্ৰকাশ হয়। ইয়াৰ উপৰিও সেই সময়তে ইংৰাজী ভাষাৰ বিখ্যাত ছাৰ্লক হ'মছৰ কাহিনীবোৰৰ ডালেখিনি অসমীয়ালৈ তৰ্জমা কৰে। বিষয়বস্তু আৰু ৰচনা-ৰীতি এই দুয়োটাৰ ওপৰতেই মানুহে এই ডিটেক্‌টিভ কাহিনীবোৰ বিচাৰি খোচাৰি পঢ়িবলৈ ধৰিলে। সমাজত এক শ্ৰেণী পাঠকে হত্যা-ডকাইতি আদি ভীষণ উত্তেজনাপূৰ্ণ ঘটনাৰ কাহিনী ভাল পায়। ছাৰ্লক হ'মছৰ কাহিনী সংযত, উচ্চত। এসময়ত বঙালী ডিটেকটিভ উপন্যাস পঢ়া মানুহ যথেষ্ট আছিল, এতিয়াও আছে। এনে পাঠকৰ কাৰণে ছাৰ্লক হ'মছৰ গল্পবোৰ আমোদদায়ক আৰু শিক্ষাপ্ৰদ।

শৰ্মাৰ এই অনুবাদবোৰত ঘৰুৱা অসমীয়া শব্দ আৰু অসমীয়া ঠাচৰ ব্যৱহাৰ উল্লেখযোগ্য। অনুবাদ কৰি তেওঁ গদ্যৰীতিৰ ধাৰ দিবলৈ আৰম্ভ কৰিছিল। তেওঁ "তম্বু" নিদি "তামীঘৰা" শব্দ ব্যৱহাৰ কৰিছিল। শোভাযাত্ৰা নুবুলি ছজপাতি যোৱা বুলিছিল। অসমীয়া থলুৱা উপযুক্ত শব্দ থাকোতে আন শব্দ এটা ব্যৱহাৰ কিয় কৰিব লাগে? য'ত সংস্কৃতীয়া শব্দৰ ব্যৱহাৰ উপযোগী আৰু অপৰিহাৰ্য্য তাত তেওঁ 'কাজমায়াদিৰো অধিকাৰী' শব্দগুচ্ছ ব্যৱহাৰ কৰিছে। বেজবৰুৱাই কোৱাৰ দৰে বঙালী নাও হগন্নিত ডুবে, অসমীয়া নাও লুইতত 'বুৰে'। চুৰা কৰিলে বুজাবলৈ 'বিতামিলে', গাৰে চেতন আহিছে ঠাইত গা 'চেবাইছে'। এই আচহুৱা যেন লগা শব্দবোৰো সংস্কৃতৰপৰা অহা অপভ্ৰংশই যদিও এইবোৰ শব্দ অসমত হে বিশেষকৈ প্ৰচলিত। অসমীয়া মানুহে 'পানী', 'জুই', 'জোন' বোলে, বঙালী-সকলে যথাক্ৰমে জল, আগুণ, চাঁদ বোলে। অসমীয়া মানুহৰ এনে কিছুমান বৈশিষ্ট্য আছে। ভাষাৰ এই বৈশিষ্ট্যবোৰ ৰক্ষাৰ কাৰণে শৰ্মা সদায় সচেতন। তেওঁৰ এই ভাবটো ইমান তীক্ষ্ণ আছিল যে

বহতে তেওঁৰ এইটো দোষ বুজিয়েই ভাবিছিল। তেওঁ যে সুমথিৱা টেঙাটোক 'কমলা' বুলিলে বৰ বেয়া পায়, এই কথা এটা কাহিনী হৈ পৰিছিল।

শৰ্মা কলিকতাত পঢ়ি থাকোতে এবাৰ তাতে লক্ষ্মীনাথ ফুকন আৰু নকুল চন্দ্ৰ ভূঞাও আছিল। তিনিও বন্ধু লগ লাগিল। তেওঁ-লোকে ঠিক কৰিলে মপাঁচাৰ এটা গল্পকে তিনিও অসমীয়ালৈ তৰ্জমা কৰিব, এটা নিৰ্দিষ্ট সময়ৰ ভিতৰতে। যেনে কথা তেনে কাম। তিনিও নিজৰ নিজৰ ভাওনি একেলগে আনি মিলালে। তিনিওটা গল্প সেই সময়ৰ "আলোচনী"ত ওলাইছিল। শৰ্মাৰ সেই তৰ্জমা গল্পটো "মৰমৰ কাৰেঙত" ছপা হৈছে। অনুসন্ধিৎসু ছাত্ৰই তিনিওটা মিলাই চালে শৰ্মাৰ অনুবাদৰ বিশেষত্ব ক'ত ভালকৈ ধৰিব পাৰিব।

বেণুধৰ শৰ্মাৰ গদ্য সাধনাৰ এই উমেদাৰী (Probation) কালছোৱা তেওঁৰ কাৰণে বিশেষ সহায়ক হ'ল।

"আমাৰ ভাষাটো বৰ্তমান ভটীয়নি সোঁতত উটি যোৱা কাঠৰ দৰে; পুৱণি চিন-চকৰ মাৰি কোনোবা ফালে গতি কৰিছে। আৰু বহুদিনেকৰ পিচত কি ৰূপ ধৰেগৈ ক'ব নোৱাৰি। তথাপি আশাই ৰখাদীল একোটা বান্ধে বাবে অসমীয়া ভাষা নমৰে; এদিন নহয় এদিন আকৌ মেঘে গজালি গাজিব বুলি দৃঢ় বিশ্বাস হৈছে।" বেণু শৰ্মাই অসমীয়া ভাষাৰ ব্যৱহাৰ সম্পৰ্কে তেওঁৰ আশঙ্কা আৰু আশাৰ কথা চমুকৈ এইদৰে প্ৰকাশ কৰি গৈছে। তেওঁ যি বিপদৰ আশঙ্কা কৰিছিল সেইবোৰ যেন অসমীয়া ভাষালৈ আহিব নোৱাৰে সেই উদ্দেশ্যে তেওঁ সাহিত্যিক জীৱনৰ প্ৰথম ছোৱাত বিশেষকৈ মন্ত্ৰ দৈছিল।

তেওঁৰ এই যত্নৰ ফলস্বৰূপে আমি তেওঁৰ কাপৰপৰা পাওঁ ব্ৰহ্মপুত্ৰৰ বৰ্ণনা---"দৈয়াওৰ গৰাই গৰাই লুংলুঙীয়া বাট; দুই নৈৰ মুখলৈকে জুটুলা-জুটুলী গছ, বগৰী-বিৰিণাই পাৰখন ছাটি থৈছে। মিৰি গাৱঁৰ গৰুটো-ছাগলীটো তাতেই চৰেগৈ। দৈয়াওৰ পূব পাৰে বহু গাঁও। গাঁওখনত মানুহে যেনেকৈ ঘিটঘিটাই থাকে বিৰ্জাডৰ হাবিতো তেনেকৈ বনৰীয়া হাতীয়ে চিঞৰি থাকে।------"।

"তেতিয়া ভৰ দুপৰ। ছাঁটোৰ ওপৰতে মূৰটো পৰিছে। কেউ-পিনে নিজান---জিলীয়ে যা কৰা নাই কাউৰীয়েও কা কৰা নাই।—"

"কাঁচিয়নি ৰ'দত তৰাৰতীয়ে যেতিয়া চুলিবোৰ জেলাই-লাইকে ডাঁৰত মেলি দিয়ে, তেতিয়া ৰ'দত জিলিঙনি পৰি যিটো জিকমিকনি উঠে তাক দেখিলে এনেকুৱাহে লাগে যেন ওৰ-যাৰ খোজা মছোৱা গোম সাপৰ চকুৰ তিৰবিৰণিহে ওলাইছে। তেজত বন্দী হোৱা তেলিনী পকৰাৰ দৰে ৰজাৰ মনটোও সেই জিকমিকনিতে বন্দী হ'ল।"——

বেণুধৰ শর্মাৰ ৰচনাৰ ৰীতিটো ওপৰত দিয়া নমুনাৰ পৰাই অলপ ধৰিব পাৰি। "প্রসাদ" গুণটো গদ্যৰ প্রধান গুণ, পাঠকে লেখকৰ বক্তব্য স্পষ্টকৈ বুজি পাব লাগে। পঢ়ি যাওঁতে কাণত বাক্যৰ ভাৰসাম্য ধৰিবপৰা হ'ব লাগে। তদুপৰি অসমীয়া শব্দ আৰু জতুৱা ঠাঁচৰ ব্যৱহাৰে লেখকৰ বিশিষ্টতা পাঠকৰ আগত দাঙি ধৰে। এই গুণটো সৰহভাগ অসমীয়া গদ্যলিখকৰ গাত নাই, অথবা অতি কম।

দীঘলীয়া অনুশীলনৰ মূৰত নিজকে এটা বিশেষ গদ্যৰীতিৰ গৰাকী বুলি জানি হে তেওঁ বুৰঞ্জী আৰু জীৱনীমূলক প্রবন্ধত হাত দিলে। তেওঁৰ গ্রন্থ আৰু প্রবন্ধসমূহে অকল যে পুৰণি কথাকে সামৰিছে, এনে নহয়; আধুনিক অসমৰো সামাজিক, ৰাজনৈতিক আৰু সাংস্কৃতিক বুৰঞ্জীৰ সাহটো তেওঁৰ ৰচনাৰ মাজত সোমাই আছে। "মজিয়াৰপৰা মেজলৈ" আৰু "কাঁচিয়নি ৰ'দ"ৰ জিলিঙনিত তেওঁৰ নিজৰ জীৱনতকৈও অসমৰ আধুনিক বুৰঞ্জীৰ কথাহে সৰহ। বহুতে আত্মজীৱনী নিজক যহাবলৈ আৰু বঢ়াবলৈ ৰচনা কৰে। শর্মাদেৱৰ লেখা এনেবিধৰ আত্মজীৱনীৰ শাৰীত নপৰে। তেওঁৰ "অর্ঘ্যাৱলী"ত মহাৰাণী আৰু মহাত্মাক লগ লগোৱা আধুনিক অসমৰ সকলো বিষয়তে মূৰজিলিকা ব্যক্তিসকলক লগ পায়। দেশপ্রেমিক, কবি, সাহিত্যিক, সাংবাদিক, ৰাজনৈতিক নেতা, শিক্ষাবিদ, সমাজ-কর্মী, স্বাধীনতা-সংগ্রামী—ইয়াত কোন নাই? 'অর্ঘ্যাৱলী' আধুনিক অসমৰ বুৰঞ্জী, আচল বুৰঞ্জী। এই সকল লোকৰ কথা নাজানিলে আধুনিক অসম বুজিব নোৱাৰি। এইদৰে জীৱনৰ আলেখ্য লেখা দস্তৰটো আধুনিক অসমীয়া সাহিত্যত প্রথমে ইন্দীৰৰ বকৰাই "জীৱনাদর্শ"ত দেখুৱালে যেন লাগে। "অর্ঘ্যাৱলী"ৰ জীৱনীবিলাক স্তোত্র নহয়, চিত্র হে। কোনো কোনো চৰিত্রৰ ছিদ্রও দেখুৱাই গৈছে।

কাৰোবাৰ আকৌ দুই চাৰিটা কথাৰপৰাই গোটেই চৰিত্ৰৰ ভিতৰখন ওলাই পৰিছে। অসমীয়া সাহিত্যত চৰিত্ৰপুথি বহুত আছে সঁচা, কিন্তু সৰহ ভাগেই অলৌকিক কাহিনীৰে পূৰ্ণ, অৱশ্যে ভক্তৰ কাৰণে সেয়া ভাত-মাছ। সাধাৰণ মানুহৰ কাৰণে জীৱনী বিশ্বাসযোগ্য হ'ব লাগে আৰু প্ৰশংসিত জনৰ মানৱ-সুলভ দোষ-দুৰ্বলতাৰ কথাও দুই-এটা থাকিব লাগে। মানুহ দেৱতা নহয়, ঋষিয়ো নহয়। ঋষিৰো স্খলন আছে কেতিয়াবা। তদুপৰি বুৰঞ্জী হ'লেও ৰসেহে মানুহক তৃপ্তি দিয়ে। ৰস যে অকল কাব্যৰ থাকে, এনে নহয়। সাহিত্য মাত্ৰকৰে ৰস এটা অপৰিহাৰ্য্য গুণ। এই ৰসেই বেণুধৰ শৰ্মাৰ বুৰঞ্জীমূলক প্ৰবন্ধবোৰকো মানুহৰ মন টানিবপৰা কৰিছে। "দেশ-দ্ৰোহী কোন ?" প্ৰবন্ধত লেখকৰ নতুন দৃষ্টিভঙ্গী সকলোৱে জনা কথা। সমসাময়িক বহুতলোকৰ প্ৰশংসা পোৱা পিতৃ বুঢ়াগোহাঁই পূৰ্ণানন্দও ঘিণ্ণাই ৰৱফুকনৰ আগত নিস্প্ৰভ, এই কথা বেণুধৰ শৰ্মাৰ প্ৰবন্ধতহে পাঠকে দেখিলে। বিষয়টো অৱশ্যে তৰ্কাতীত নহয়।

বেণুধৰ শৰ্মাৰ গদ্যত বিশেষকৈ গোহাঞিৰকৰা আৰু জম্বোদৰ ৰৱাৰ প্ৰভাৱ লক্ষ্য কৰিব পাৰি। সত্যনাথ ৰৱায়ো জতুৱা ঠাঁচ আৰু অসমীয়া ঘৰুৱা শব্দৰ ব্যৱহাৰৰ কথা সদায় দোহাৰিছিল। অৱশ্যে তেওঁৰ বাক্য অতি সৰল আৰু বিধৰা। হেম গোসাঞিক বেণুধৰে বৰ উচ্চ স্থান দিছিল আৰু হেম গোসাঞিৰ জীৱনৰ প্ৰেৰণাই তেওঁক বুৰঞ্জী-চৰ্চ্চাত একেদেৰ শৰণীয়া হ'বলৈ সাহ আৰু শক্তি দিছিল যেন লাগে। সেই গুণে তেওঁৰ ৰচিত হেম গোসাঞিৰ জীৱনী তথ্যপূৰ্ণই নহয়, উদ্দীপকো। অসমীয়া সাহিত্যৰ তিনিখন জীৱনী, অনন্দৰাম ঢেঁকীয়াল ফুকন, আনন্দৰাম বৰুৱা আৰু বেণুধৰৰ হেম গোসাঞি। হেম গোসাঞিৰ সাহিত্যৰ সম্পৰ্কে যদিও বেচি কথা নাই, তথাপি ইয়াত আধুনিক অসমীয়া ভাষা-সাহিত্যৰ সংগ্ৰামৰ কাহিনী ডাঙৰকৈ আঁকি দিছে।

আধুনিক অসমীয়া জীৱনৰ আৰম্ভণিৰ পুৰুষ মণিৰাম দেৱানৰ কথা বেণুধৰেই অসমত প্ৰথম প্ৰচাৰ কৰে আৰু অনেক কাল অনুসন্ধান কৰি বিভিন্ন তথ্য-পাতি গোটাই দেৱানৰ কথা লিখি গৈছে। ইয়াকে আজম লৈ পৰৱৰ্ত্তী অনেক গৱেষক সাহিত্যিকে লিখিছে আৰু লিখিব।

অসম তথা ভাৰতীয় সংস্কৃতিৰ বুৰঞ্জীৰ পিনৰপৰা বিশেষ গুৰুত্ব-পূৰ্ণ গ্ৰন্থ হ'ল শৰ্মাদেউৰ দক্ষিণপাট সত্ৰৰ বুৰঞ্জী। আমাৰ সমাজৰ প্ৰাণস্বৰূপ সত্ৰবিজাকৰ বিষয়ে লিখা গ্ৰন্থ এয়ে প্ৰথম। এই গ্ৰন্থৰ আদৰ অকণ অসমতে নাথাকি ভাৰতৰ আন আন ঠাইৰ পণ্ডিতকো সমল-পাতি যোগাব। মাজুলী আজি আগৰ শান্তমিদমাশ্রমপদম্ হৈ থকা নাই। তথাপি মাজুলীৰ সত্ৰ বাদ দি অসমৰ সাংস্কৃতিক জীৱনৰ কথা ভাবিব নোৱাৰি।

বেণুধৰৰ সাহিত্যৰ বিষয় বস্তু আৰু গদ্যৰীতিৰ মূলতে তেওঁৰ গভীৰ দেশপ্ৰেম। সদিয়াৰপৰা ছত্ৰশাললৈ তেওঁ নুফুৰা, গচকি নোপোৱা গাওঁ-চহৰ নাছিল। যদ্যেকে তেওঁ গৈছিল তাতে তেওঁ সেই ঠাইৰ মানুহ, সংস্কৃতি, বুৰঞ্জীৰ বুকুত সোমাই লৈ সুখ পাইছিল আৰু মানুহে দিয়া লাও-কোমোৰা, মানিমুনি বাৰৰিৰ লগতে সেই সেই ঠাইৰ সোঁৱৰণী লৈ আহি নিজৰ ৰচনাত জ্ঞাতসাৰে বা অজ্ঞাত-সাৰে সানি দিছিল। অসমীয়া গাঁৱলীয়া জীৱনৰ এনে অনবদ্য অভিজ্ঞতা থকা মানুহ অসমত আৰু নাই বুলিলেও হয়। আমি সকলোৱেই carpet knight, মহাত্মা গান্ধীয়ে দুখ কৰিছিল—আজিৰ শিক্ষিত ডেকাই do not feel poetry about their village home. বেণুধৰ ইয়াৰ ব্যতিক্ৰম। অসমৰ আচাৰ-ব্যৱহাৰ, শিক্ষা-উৰা, পুথি-পাজিৰ লগতে অসমৰ জতুৱা মাতকথা বেণুধৰৰ জীৱনৰ অতি চেনেহৰ বস্তু আছিল। মাত এৰিলেই জাত এৰে—এই বুলি কেতিয়াবা কেতিয়াবা তেওঁ কয়। দেশৰ বস্তু দেশৰ মানুহেই যদি আদৰ নকৰে, আন কোনে কৰিব? বনৰীয়া বোদাই পহু মাৰি নুখুৱায় এইটো ফকৰা প্ৰায়েই মাতে।

দেশৰ মাত, জতুৱা ঠাঁচ, শব্দ এইবোৰত দেশৰ ঘাই কালিকা থাকে। দেশৰ ভাষা দেশৰ আত্মজীৱনী। দেশৰ নিজৰ মাতেই দেশৰ কবিতা—এইটো বেণুধৰৰ দৃঢ় বিশ্বাস আছিল। সেই বিশ্বাস বুকুত বান্ধি বেণুধৰে অসমক গদ্য সাহিত্য এটি দি গ'ল যাৰ আদৰ অসমীয়া মানুহে আজি নহয় কাইলৈ কৰিব লাগিব। অসমীয়া ল'ৰা-বুঢ়া সকলোৱেই তেওঁৰ আনন্দবাহী গদ্য সাহিত্যৰ ৰস উপভোগ কৰিবপৰা।

'টোকোৰা বাহৰ কুটা' নামৰ আপুৰুগীয়া সংগ্ৰহটিও হ'ল বেণুধৰী সাহিত্যৰ আন এটি সম্পদ। বুঢ়ী আইতাৰ মঠিয়াৰ দৰে টোকোৰা চৰাইৰ কুটাত নোহোৱা বস্তু নাই। সাহিত্য হিচাপে এইখিনিৰ মূল্য কম হ'ব পাৰে। কোনো জনৰ ডায়েৰীৰ এখিলা পাত, কোনো কবিৰ এখন চিঠি, বাতৰি-কাকতৰ এডোখৰ উদ্ধৃতি, মহাত্মা গান্ধীক দিয়া অভিনন্দন কপি,—এইবোৰৰ মাজেদি ডাৱৰৰ সুৰঙাই ওলোৱা ৰ'দৰ দৰে ব্যক্তি আৰু সমাজৰ ডাঙৰখিনি কথা ওলাই পৰে। বেণুধৰৰ বুৰঞ্জী প্ৰতিভাৰ নিদৰ্শন স্বৰূপেও এই সংগ্ৰহটিৰ মূল্য আছে। জনা লোকে বান্ধিৰপৰা সোণ কমোৱাদি ইয়াৰ পৰা নতুন তথ্য আবিষ্কাৰ কৰিব পাৰে। পাততে দিয়া বাৰেমিহঙি শাকৰ দৰে ইয়াৰ গোন্ধো আছে, সোৱাদো আছে—অৱশ্যে সুস্থ স্বাভাৱিক নাক জিভাৰ কাৰণে। বজাৰৰ ফৰ্দ এখনৰো কদৰ আছে। টোকোৰা চৰাইৰ বাহত সোণৰ বেজী থাকে বুলি এটা জনবিশ্বাস আছে।

শ্ৰীযজ্ঞেশ্বৰ শৰ্মা
মুখ্য সম্পাদক

ভূমিকা

'বেণুধৰ শর্মা ৰচনাৱলী'ৰ এইটো খণ্ডৰ 'ভূমিকা' এখন লেখাৰ ভাৰ মোৰ ওপৰত দি সিজনাৰ সুযোগ্য পুত্ৰ ৰাজ্যসভাৰ প্ৰাক্তন সদস্য—বেণুধৰী ভাগিনীত ত'ৰ ৰৰমেলৰ তাহানিৰ মেলুৰে—শ্ৰদ্ধেয় অজিতকুমাৰ শর্মাৰ চিঠি এখন নবীনে বাতি কৰি আনিছিল। নবীনক দেখিয়েই সুধিলোঁ, "তুমি নবীন নোহোৱা জানো?" উত্তৰ দিলে হাঁহি হাঁহি, "হয়।" সেই হাঁহিটোত বহুত কথা সোমাই আছিল। নবীনে তাহানি নিজৰ নামটো জোটাইছিল—নবিন। এই নবীন সেই নবীন, যাৰ নামৰ বকিয়াবে গৈ বেণুধৰ শর্মাৰ সুৰাগমণি-নিয়ৰকদমৰ সুবাস লোৱাৰ সৌভাগ্যটো ঘটিছিল—১৯৫৫ চনৰ পৰা ১৯৬০ চনলৈকে। মোৰ মনৰ পটত ভাহি উঠা বেণুধৰ শর্মাৰ সেই তেতিয়াৰ ছবিখন কবিতা এটা লেখি 'চিত্ৰবন'ত দিছিলোঁ। পাচত 'জাতিস্মৰ'তো জাপি থৈছিলোঁ। তাত বেণুধৰ শর্মাৰ ছবিখন এনেকুৱাকৈ আঁকিছিলোঁ ঃ

অলপীয়া গোঁফ আছে দাড়ি হ'লে চিকুণায় চফল ডেকাৰ দৰে
তুমি-আমি হাৰ মানো দুয়োগালে গোলাপৰ তেজ টুকি থোৱা আছে
ওঁঠত জিলিকে হাঁহি চকুতো বিৰিঙে সেয়া যেন জোনাক-জেউতি
ভৈয়ামৰ গাম বুলি দিয়া নগাৰ লাখুটি লৈ আবেলি বিহাস কৰে

সেই কবিতাটোত মই সাঁচি থৈছিলোঁ, মানুহ বেণুধৰক—লেখক বেণুধৰ হয়তো লুকাই পৰিছিল। আজি নতুনকৈ চিন্তা কৰিছোঁ, কোনজন বেণুধৰ ডাঙৰ—মানুহজন নে লেখকজন? বেণুধৰ শর্মা নামটোৰ আঁৰত সোমাই আছে দুয়োজনৰ পৰস্পৰস্পৰ্ধী ৰূপটো। মোৰ ধাৰণা, এই নামটোৱে চিনাকিটো দাঙি ধৰে, এজন শ্যামদেশীয় যঁজাৰ—যাক জৰাসন্ধক দুছিৰাকৈ ফালি পেলোৱাৰ লেখীয়াকৈ ফালি চোৱাৰ উপায় নাই। কাৰণ, মানুহ হিচাপে, তেওঁ 'মজিয়াৰ পৰা মেজলৈ' আৰু মেজৰ পৰা মুধচলৈ যোৱা চিৰকালৰ তীৰ্থযাত্ৰী। আৰু, লেখক হিচাপে, তেওঁ একাধাৰে সাহিত্যিক, সাংবাদিক, ৰৰঞ্জীবিদ্ আৰু বহুত কিবাকিবি।

এই মানুহজনক সুঁৱৰিবলৈ ল'লেই, তেওঁৰ লাখুটিডালৰ কথা নুসুঁৱৰি মোৱাৰি। চাচিজৰ জগত তেওঁৰ চিগাৰটো, ষ্টেজিনৰ জগত তেওঁৰ পাইপটো আৰু চেম্বাৰলেইনৰ জগত তেওঁৰ ছাতিটোৰ যি গুণঠি-খাপদৰিৰ সম্বন্ধটো আছিল, বেণুধৰ শৰ্মাৰ জগতো তেওঁৰ লাখুটিডালৰ সম্বন্ধটো তেনেই একে ধৰণৰ আছিল। লাখুটিডালৰো নিজৰ ৰঙীয়াকৈ বুৰঞ্জীৰ এপিঠি আছে। এবাৰ তেওঁ গৈছিল, কোহিমালৈ। কোনোবা এখন মেলত নগা আৰু অসমীয়াৰ তাহানি-কলীয়া আহ-যাহৰ বা-বাতৰি থকা বুৰঞ্জীৰ থুনপাক গোটেইটো মুকলিকৈ মেলি ধৰিলে। সেই মেলত বিদ্রোহী ফিজোৰ এপৰাকী ভায়েক ৰহি আছিল। উঠি আহি তেওঁ শৰ্মাক সম্বন্ধ ধৰিলে— 'ভৈয়ামৰ গাম', উপহাৰ দিলে এডাল ৰাইডাং-বেতৰ লাখুটি। সেইদিন ধৰি সেই লাখুটিডাল তেওঁৰ জীৱনৰ পৰম বান্ধৈ হৈ উঠিছিল। আনকি, শুবৰ সময়তো তেওঁ সেইডাল আলফুলকৈ কাষতে থৈ দিছিল—জানোচা লাখুটিডাল উজাগৰে থাকিবলগীয়া হয়।

বিদ্রোহী ফিজোৰ ভায়েকে যে তেওঁক 'ভৈয়ামৰ গাম' বুলি সম্বন্ধ ধৰিছিল, সেইষাৰ তৰাং ভাৰপ্রৱণতাৰ উৰণীয়া এজাক কুৰাৰা বতাহ মাথোন নাছিল। শৰ্মা ডাঙৰীয়াই এদিন মোক নিজৰ মুখেৰে কৈছিল, এইটো উপাধিয়েই তেওঁ আটাইতকৈ জীৱনৰ লগত ৰজিতা খোৱা যেন পাইছিল। মোৰ ধাৰণা, ৰজিতা খোৱাই নহয়—জানক-নেজানক, ফিজোৰ ভায়েকে যেন তেওঁৰ জীৱনৰ সত্য মূল্যাংকন এটা দাঙি ধৰিছিল। তেওঁ ওৰেটো জীৱন মনৰ মাজত পুহি ৰখা বাসনাটো আছিল—লুইতৰ পাৰৰ এই ভৈয়ামখনৰ উন্নতি, ভাৰতীয় জাতীয় জীৱনত এই ভৈয়ামে পাৰলগীয়া মৰ্যাদাৰ স্বীকৃতি আৰু খানবান হৈ পৰা অসমীয়া জাতিৰ আৰ্থ-সামাজিক জীৱনৰ পৰিপুষ্টি। দেশভক্ত তৰুণৰাম ফুকনে কংগ্রেছৰ ঘাই সুতিটোৰ পৰা আঁতৰি আহি অসমতো 'স্বৰাজিষ্ট' দলৰ পাতনি মেলাৰ কথা সকলোৱে জানে। কিন্তু, বেণুধৰ শৰ্মায়ো যে নিজৰ ৰঙীয়াকৈ এটা নতুন দলৰ, ওৰা পাতিছিল, সেইষাৰ কথা আমি বহুতেই কিজানি পাহৰি পেলালোঁ নাইবা নেজানোৱেই। দলটোৰ নাম থৈছিল, 'ঘৰফলীয়া কংগ্রেছ'। তেওঁ জানিছিল, অসমৰ গাঁৱে-ভুঁয়ে সোমাবলৈ হ'লে স্বাধীনতা-যুঁজ আৰু জাতীয়তাবাদৰ কথাখিনি গাঁৱলীয়া মানুহে বুজি পোৱা ভাষা-

টোৰে ক'ব লাগিব—ইংৰাজী-হিন্দী-মওলা ৰাষ্ট্ৰেমিছলি ভাষাৰে ক'ব নহ'ব। স্বাধীনতাৰ অনুপ্ৰেৰণা জনতাৰ জীৱনলৈ পৰিত্ৰতাৰে কঢ়িয়াব নোৱাৰি, ভাষাবেহে বোৱাই দিব পাৰি। এইখিনিতে কৈ থও, ভাষা শব্দটো মই আভিধানিক অৰ্থত ব্যৱহাৰ কৰা নাই, ঔপচাৰিক অৰ্থতহে ব্যৱহাৰ কৰিছোঁ। অৱশ্যে, আভিধানিক অৰ্থ-টোকো আৰ কবি ধৰিব খোজা নাই। কোনভাল তাঁৰত কেনেকৈ আঙুলি বুলালে, বীণৰ সুৰে জনগণৰ হৃদয় পৰশি যায়গৈ—সেই কথাষাৰ বেণুধৰ শৰ্মাই বঢ়িয়াকৈ জানিছিল। তেওঁৰ সমকালৰ ভাৰতীয় কংগ্ৰেছৰ নেতাসকলে খিটো ভাষাৰে জাতীয়তাবাদৰ ঢৌ তুলি কোটি কোটি ভাৰতীয়ক পাশ্চাত্যৰ পৰা ধাৰ কৰা জীৱন-আদৰ্শৰ পৰা আঁতৰাই আনিছিল, অসমৰ সীমিত পৰিধিৰ লক্ষ-লক্ষ অসমীয়াক সেইটো ভাষাৰেই অনুপ্ৰাণিত কৰি জাতীয়তাবাদী জীৱন-আদৰ্শৰ মেৰঘৰলৈ সুস্তাওবি তুলি আনিছিল। ভৈয়ামৰ গাম বেণুধৰ শৰ্মাই গঢ়ি তোলা ঘৰফলীয়া কংগ্ৰেছ আৰু গুজৰাটী-মাৰাঠী জাতীয়তা-বাদৰ নিয়াৰিত গড় লৈ উঠা নিখিল ভাৰত কংগ্ৰেছৰ ধ্যান-ধাৰণাৰ প্ৰভেদ সেইখিনিতে জলজলীয়া। কলিকতাত নৱোন্মেষৰ আদৰ্শত দীক্ষিত বেণুধৰ শৰ্মাই তেওঁৰ শলিসিয়ান বুদ্ধিৰে এষাৰ কথা চুকি পাইছিল, সমকালৰ ভাৰতীয় ৰাজনীতিত স্বাধীনতা-লাভৰ প্ৰেৰণাৰে ভাৰতীয় জাতীয়তাবাদ দুটা বেলেগ খাতেদি প্ৰবাহিত হৈছিল। এটা আছিল, মূলতঃ গুজৰাটী জাতীয়তাবাদ—যাৰ শীৰ্ষতম অভিব্যক্তি ঘটিছিল গান্ধীজীৰ জীৱন-আদৰ্শত। আনটো আছিল, মূলতঃ বংগ-দেশীয় জাতীয়তাবাদ—যাৰ শেষতম অভিব্যক্তি ঘটিছিল, নেতাজীৰ জীৱন-আদৰ্শত। অসমৰ ৰাজনীতিত দুয়োটা বৈকল্পিক জাতীয়তা-বাদৰ মাজত থকা জীৱন-আদৰ্শৰ বিৰোধে ৰূপ লৈছিল, কমৰীৰ নবীনচন্দ্ৰ বৰদলৈ আৰু দেশভক্ত তৰুণৰাম ফুকনৰ মতানৈক্যত। বেণুধৰ শৰ্মাই গোনপটীয়াকৈ কোনোজনৰে মতবাদ অনুসৰণ নকৰিছে। তেওঁ গঢ়ি তুলিছে, এদল নতুন ধৰণৰ তলস্টিয়াৰ—চিংফৌ-থহন্তা মেধি, মুগী তলস্টিয়াৰ, গুলিৰাম গগৈবৰুৱা আৰু সোমৰৰ কাপ্তানৰ লেখীয়া উদুলিমুদুলি অনেক ঘৰফলীয়া কংগ্ৰেছী।

এওলোক খিটো চাটৰ মানুহ আছিল, তেনেকুৱা মনৰ পথাৰত পোনে পোনে নিৰহনিপানী গান্ধীবাদৰ কঠিয়া পাৰিবলৈ লোৱা হ'লে,

অসমত অাঞ্চলিকতাবাদৰ গথাৰ 'দুদিনমতে-ছিন পৰিজেহেঁতেন'। 'মকৰা গেজালৰ দেখীয়া' মানুহৰ মনে সেই ভাৰধাৰাৰ প্ৰসাৰজনৰ বাট আগচি ধৰিলেহেঁতেন। অকল সেয়ে নহয়, স্বাধীনতা-লাভৰ দোকমোকালিত অসমে অকলশৰীয়াকৈ গ্ৰুপিং পৰিকল্পনাৰ বিৰুদ্ধে মুঁজ দি জিকিবও নোজোৰিলেহেঁতেন। আনকি, সেই মুঁজখন যে দিবঁ লাগে, সেইষাৰ কথাও নেজানিলেহেঁতেন। বেণুধৰ শৰ্মাই ছেগ চাই মাটিডৰাৰ গুণ পৰখি সাঁচতীয়া ৰসীতৰা-কপৌশালিৰ কঠিয়াসিচি অসমত জাতীয়তা-ৰাজৰ বিকাশ লহপহীয়া কৰি তুলিছিল। শৰ্মাৰ সেই ঘৰফলীয়া কংগ্ৰেছৰ ভল্লপ্টিয়াৰজাক কোনটো পোতনিৰ মানুহ আছিল, তাৰ এটা ফটফটীয়া আভাস তেওঁৰ ৰাজনৈতিক জীৱনৰ লাখুটিস্বৰূপ ডঙুৱা সোমৰক আৰু মোখোৰাৰ ছবি দুখনত এবি খৈ গৈছে। মখমলৰ শেল দিয়া চিমলাই চুবিয়া পিন্ধা সোমৰৰে বাটে-পথালিয়ে যেতিয়াই-তেতিয়াই 'মহাত্মা গান্ধীকি জয়' ধ্বনি দি ফুৰিছিল। তাকে দেখি এদিন কোনোবা এজনী গাভৰুৱে খেংচালি কৰি সুধি পেলাইছিল, "হেৰ' চিমলাই, তই যে চেঁচু ফালি চিঞৰি ফুৰিছ, স্বৰাজ নো কাহানিকৈ পাবি?" কথাষাৰ শুনিয়েই স্বৰাজবলিয়া সোমৰৰে কুঁজৰ মূৰত কিমান শোধাইছিল থাউকতে, "আইতী অ', তোকে যেনিবা এতিয়া নিওঁ বুলিলো। নিওঁ বুলিলেই জানো নিব পাৰিম? তয়ে বা যাবি? আজি লংটো, কাইলৈ দালচেনিকণ, পৰহিলৈ জাকিট চোলা এটা, চৌথাদিনালৈ গান্ধ-তেল একণ দিলেহে তোৰ মনটো ঘৰৰ হ'বলা? তাৰ পাচতহে তই যোৱা-নোযোৱা কথা।" এই মনটো সেই মনটো, যিটো মনে সন্ধি-সমাসৰ জেওৰা দিয়া ভাগৱতৰ সংস্কৃত ভাষাত থকা ভাৰতবৰ্ষৰ চিনাকিটো 'কিৰাত, হূণ, পুলিন্দ, পুক্কস, আভীৰ, শুম্ভ, যৱন, খস'ৰ দেশ বুলি ক'লে, হৃদয়ৰ সঁহাৰি দিবলৈ টান পায়। সঁহাৰি দিয়ে তেতিয়া, যেতিয়া মহাপুৰুষে ভাঙি আনি কয়, এইধন সেইবোৰ মানুহৰ 'অসম মুলুক' য'ত বাস কৰে—'কিৰাত, কছাৰী, খাসি, গাৰো, মিৰি' আৰু 'যৱন, কংক, গোৱাল' সঁহাৰি ইত্যাদি। বেণুধৰ শৰ্মাই সেই মানুহমুঠিয়ে হৃদয়ৰ দিব পৰাকৈ গান্ধীবাদৰ মূল্যবোধ ভাঙি আনি অসমীয়াৰ ৰাজ-নৈতিক চেতনা-ভূঁইত কই দিলেহি। এয়ে তেওঁৰ ঘৰফলীয়া কংগ্ৰেছ।

আৰু এষাৰ কথা। শৰ্মাই সম্ভৱতঃ বুজি পাইছিল, কোনো জাতিৰেই আত্ম-প্ৰতিষ্ঠাৰ ভাবনা-ধাৰণাই আৰু আচল পোতনিটো নেপায়, যেতিয়ালৈকে সি তাৰ অদূৰ আৰু সুদূৰ অতীতৰ সুহৃৱি-কেইটাৰ মাধুৰী চুকি নেপায়। অৱশিষ্ট ভাৰতত তেতিয়া ১৮৫৭ চনৰ তথাকথিত 'চিপাহী বিদ্ৰোহ'ৰ বুৰঞ্জী নতুনৰ পোহৰত ব্যাখ্যাত হ'বলৈ ধৰিছে, ভাৰতৰ প্ৰথম স্বাধীনতা সংগ্ৰাম বুলি। ৰাষ্ট্ৰিছ যুগৰ ভাৰত বুৰঞ্জীয়ে সেই সংগ্ৰামৰ নায়ক-নায়িকাসকলক প্ৰজাৰ শাস্তিত অশান্তিৰ কঠিয়া পৰা কেইটামান বিদ্ৰোহী বুলি আঁকি দেখুৱাইছিল। তাতে ভাৰতীয় বুদ্ধিজীৱী পতিয়ন যাবলৈ লৈছিল। এই কিম্বিংখা লগোৱা কুথাষাৰৰ ভেদ ভাঙি দিলে, পিছত হিন্দু মহাসভাৰ ওৰ পতা ৰীৰ সাভাৰকৰে। তেওঁৰ 'হিষ্ট্ৰী অব্ দ্য ইণ্ডিয়াজ্ ফাৰ্ষ্ট ৱৰ অব্ ইণ্ডিপেণ্ডেন্স' ততালিকে নিষিদ্ধ গ্ৰন্থৰ তালিকাভুক্ত হৈ পৰিছিল। লাহে লাহে দুই-এজন ইংৰাজ বুৰঞ্জীবিদেও নতুন ব্যাখ্যাটোৰ প্ৰতি সঁহাৰি জনাবলৈ লোৱাত অনেক দলিল-দস্তাবেজে ধাৰণাটোক গজগজীয়া কৰি তুলিলে---সেইখন দৰাচলতে স্বাধীনতাৰ প্ৰথম সংগ্ৰামেই আছিল। বাহাদুৰ শ্বাহ, ৰাণিসৰ ৰাণী, তান্তিয়া টোপী প্ৰভৃতি ৰীৰ-ৰীৰাংগনাৰ কাহিনী স্বাধীনতা-সংগ্ৰামৰ বোধন-শংখ হৈ পৰিল। বংগদেশত অক্ষয়কুমাৰ মৈত্ৰ আৰু গিৰিশ চন্দ্ৰ ঘোষে ইমানদিনে বাঙালী বুদ্ধি-জীৱীৰ মনত বাহ লৈ থকা নৱাব ছিৰাজদৌল্লাক জাতীয় ৰীৰ হিচাপে প্ৰতিষ্ঠা কৰিলে। অসমৰ ৰৰঙনিৰ কথা ভাৰতীয় বুৰঞ্জীবিদ্সকলে চকুৰ পচাৰ নপৰা ক্ষন্তেকলৈয়ো মনত নেপেলালে। সৰহ কি, আজিকোপতি ভাৰত বুৰঞ্জীৰ পৰ্বতীত অসমৰ মুতিটো অকণো সজনি নোহোৱাকৈ ছঁয়াময়া হৈয়েই ৰৈছে। 'যাৰ গো মেলত নাই, সি গোধীয়া'। নহ'লেনো, আনকি মহাত্মা গান্ধীয়েও কথাৰ লাচতে অসমীয়া জাতিক পিঙাৰী বুলি কৈ 'হিমালয়সদৃশ ভুল' এটা কৰিবলৈ পাহৰিছিল নে? বেণুধৰ শৰ্মাই মণিৰাম দেৱানৰ জীৱনৰ সকলো তথ্য-পাতি ফঁহিয়াই-জুকিয়াই সিজনাক অসমৰ ভাগৰ অৰিহণা বুলি জাতীয় ৰীৰৰ সোণৰ সিংহাসনত বহুৱালে। অতদিনে বংগদেশত ছিৰাজদৌল্লাক মইমতীয়া দুশ্চৰিত্ৰ বুলি ভাবি অহা নৱাবক যেনেকৈ অক্ষয়কুমাৰ মৈত্ৰই তান্তিয়া টোপী আৰু অযোধ্যাৰ নৱাবৰ শাৰীত থৈ পাটত তুলিলে, অতদিনে অসমত মণিৰাম ভণ্ডাৰীবৰুৱাক মই-

ভাৰতীয়া স্বাৰ্থান্বেষী বুলি ভাবি অহা দেৱানক তেনেকৈ বেণুধৰ শৰ্মাই সেইসকলক জাতীয় বীৰৰ শাৰীত থৈ অসমীয়া মানুহৰ মনৰ শিওৰী ধৰত থাপিলে। অকল সেয়ে নহয়, শৰ্মাই বেলিমাৰৰ বুৰঞ্জীক 'সাতাৱন ছাল'লৈ ৰূপান্তৰিত কৰি সেইছোৱা বুৰঞ্জীক ভাৰতৰ প্ৰথম স্বাধীনতা সংগ্ৰামৰ জগত লণ্ডণ-গাঁঠি দি ভাৰতীয় জাতীয়তাবাদৰ চোতালত অসমীয়াৰ আজ্ঞাৰ মুতিটো পোহৰাই তুলিলে। আকৌ, ঋষাৰ কথা শিৱাজী, বাহাদুৰ ৰাহ, তাম্ভিয়া টোপী প্ৰভৃতি আচহুৱা নামৰ ৰকিয়া গচকি অসমীয়া মানুহৰ কাণত শুন-নুশুনকৈহে পেলাবগৈ লাগিলহেঁতেন, সেইষাৰ কথা থাউকতে অসমীয়াক বুজাব পৰাকৈ লাচিত বৰফুকন, মণিৰাম দেৱান, বাহাদুৰ গাঁওবুঢ়া, দুতিৰাম বৰুৱা— এইসকলৰ পটিটো চিকুণাই সেন্দুৰী আলি বান্ধি দিলে। অসমীয়াই সেইটো আজিৰে, উজাই-ভটিয়াই অতীতৰ গৌৰৱ আৰু মহাত্মাই আঙুলিয়াই দেখুওৱা পঁয়ালগা বৰ্তমানটোৰ পয়মালৰ পাৰ্থক্য সল-সলীয়াকৈ বুজি পোৱা হ'ল। এয়ে বেণুধৰ শৰ্মাৰ ঘৰফলীয়া কংগ্ৰেছৰ নজহা-নপমা কীৰ্তি।

এই মানুহজনৰ জীৱনৰ সুখ-দুখৰ, ফৰকাল ৰ'দৰ দিনবোৰৰ আৰু গোমা বতৰৰ বহুতো কথাই মই নিবিড়ভাবে জানো। সিবি-লাকৰ ইটো-সিটোৰ চিটিকনি পৰি অনেক সৰুসুৰা ঘটনাই গোটেই মানুহজনক উদঙাই ধৰিছিল। যেনিবা অকণমানি পানীডোবাতে আকাশ থহি পৰে! তেনেকুৱা সৰুসুৰা ঘটনা কিছুমানৰ আঁত ধৰি মানুহজনৰ জীৱনৰ প্ৰতি থকা দৃষ্টিভংগীটোৰ সৈতে সিজনাৰ নখ-ছবি এখন আঁকি উলিওৱাৰ চেষ্টা এটা কৰি চাব খুজিছোঁ। ১৯৪৫ চনৰ শেষৰ কোনোবা এটা মাহৰ কথা। শিৱসাগৰ নগৰৰ কালীপ্ৰসাদ স্মৃতি ভৱনত এখন সভা হৈছিল—জ্ঞানোদ্দীপিকা সভাৰ উদ্যোগত। সভাখনৰ উদ্দেশ্য আছিল, শিৱসাগৰ চৰকাৰী হাইস্কুলৰ হেডমাষ্টৰ ৰাজেন বৰুৱাৰ প্ৰতি স্মৃতি-তৰ্পণ। স্বৰ্গীয় বৰুৱা এসময়ত বেণুধৰ শৰ্মাৰো ইংৰাজী শিক্ষক আছিল। শৰ্মাই সেইদিনা নৱৰত্ন সভাৰ পুৰণি কথাৰ চুমহিটো উদঙাই ধৰিছিল। এই নৱৰত্ন সভা সেই নৱৰত্ন সভা নাছিল। নৱম শ্ৰেণীৰ তীখৰ নজন ছাত্ৰৰ ভিতৰপকীয়া সভাহে আছিল। শৰ্মা নিজে আছিল, কালিদাস। কালিদাসৰ কাম আছিল, শ্ৰেণী বহি থাককেই বা নেথাকক, কিবা

এটা টেটকুটীয়া কথাৰ পাতনি মেলা। তাৰ পাচত, শংকু বেতালভট্টৰ খলপা বাগৰি কথাষাৰ ধন্বন্তৰী দুৰ্গাধৰ বকৰাৰ গাত লঙেগৈ। লগে লগে যেই কথা সেই কাম। এবাৰ এজন মেহমেহীয়া বন্ধুক জোকাই বং চাবৰ মন গ'ল। কালিদাসে উলিয়ালে, অমুকৰ দেখোন স্বাস্থ্যটো বেয়া হৈ অহা দেখিছোঁ। তাক সোধাচোন, সি বাহিৰ ফুৰিবলৈ যাওঁতে সক পানী চুবলগীয়া হয় নেকি? ধন্বন্তৰীয়ে কথাষাৰত শেষ চাবমোহৰটো মাৰি দিলে। সেইদিনাৰ পৰা নৱৰত্নৰ কাম হ'ল, নিতৌ সেই সহপাঠীজনক ফুচফুচাই, ৰজনজনাই, আঁৰকৈ, গহীনাই নানা প্ৰকাৰে সেই কথাষাৰ সোধা। লাহে লাহে সহপাঠী-গৰাকী গুকাই-খীণাই তেনেই মুজুৰা পৰি আহিল। স্বৰ্গীয় বকৰাই উৰহী গছৰ ওৰটো পাই নৱৰত্নৰ আঙাইকেয়োজনকে নিজৰ কোঠালৈ মাতি নিলে। বকৰাৰ বুজনিয়ে হেনো কালিদাস ওৰফে বেণুধৰ শৰ্মাৰ জীৱনলৈ এটা ডাঙৰ পৰিবৰ্তন আনি দিলে। তেওঁ গম পালে, দুৰ্বলচিতীয়া মানুহক সহানুভূতিৰে উদগণি দিব পৰাতহে মনুষ্যত্বৰ সাৰ্থকতা। বেণুধৰ শৰ্মাই সেই শোক-সভাত আৰু বহুত কিবাকিবি কৈছিল। তেতিয়া সেইবোৰ বুজি পোৱাৰ বয়স মোৰ হোৱা নাছিল—মহো তেতিয়া নৱম শ্ৰেণীৰে ছাত্ৰ। কৈছিল নে কোৱা নাছিল জানো, পৰৱৰ্তী জীৱনত যে মানুহৰ চৰিত্ৰৰ ছিদ্ৰ থাউকতে ধৰিব পৰা এই মানুহজনে সহানুভূতিৰ মনোভংগীটোকে লেখক-জীৱনৰ লাইখুটা কৰি লৈছিল।

শৰ্মা ভোজনবিলাসী যে আছিলেই, অসমীয়া জা-জলপানৰ প্ৰতি তেওঁৰ এটা গভীৰ আকৰ্ষণ আছিল। ১৯৬৩ চনমানৰ কথা। শিৱসাগৰত কালীপ্ৰসাদ স্মৃতি ভৱনৰ কাষৰ চোতালত বিহু সন্মিলনী হৈছিল। গুৱাহাটীৰ পৰা আহিছিল, শৰ্মা ডাঙৰীয়া। গোৱালপাৰাৰ পৰা আহিছিলোঁ, মই। সভাৰ শেষত আমাৰ দুজনক ভৱনৰ ভিতৰলৈ মাতি নি দুখন চাৰি পাৰি বহুৱাই মজিয়াতে বিহু-জলপানৰ যোগান ধৰিলেহি। জলপানৰ আকাৰ-প্ৰকাৰ দেখিয়েই মই ডেকা মানুহটো উচপ্ খাই উঠিছিলোঁ: এখন কাঁহীত ঘিৰাটি এখন ধোলাচপৰীয়া পিঠা, আন এখন কাঁহীত টেকেলিমুখীয়া পিঠা এখনেৰে সৈতে সাত-আঠ ধৰণৰ পিঠা, এটা হাতীমুজীয়া বাটিত দিচাংমুখৰ দৈৰে সৈতে এবাটি চিৰা, আৰু কাষত এলোটাকৈ পানী। মই ধোলাচপৰীয়া

পিঠাখনৰ এচকল খায়েই বাকীখিনিৰ জুতিহে ল'লোঁ। কিন্তু, সেই সত্তৰ বছৰৰ ডেওনা গড়কিৰলৈ মোৰা মোৰ কাষৰ ডেকা---ডেকা নুবুলি কি বুলিম, চিৰকুমাৰীয়া ডেকা---অতিথিগৰাকীয়ে এফালৰ পৰা কাঁহী শুদা কৰি নিবলৈ ধৰিলে। অৱশেষত, চিৰা-জলপানো গোটেই-খিনি খাই শেষ কৰোঁতে-নোকৰোঁতেই বিলনীয়া গৰাকীয়ে আৰু এভাগ দৈ-চিৰা যাচিলেহি; সেইখিনিৰো সদ্ব্যৱহাৰ কৰি উঠিহে শৰ্মাই লোটাটোলৈ হাত মেলিলে। তাৰ পাচত, সিগৰাকীৰ মুখত যিটো তৃপ্তিৰ হাঁহি দেখা পাইছিলোঁ---তাৰ সোঁৱৰণী মোৰ মনৰ পটৰ পৰা মচ নেখায়।

আন এবাৰৰ কথা। ১৯৭৪ চনৰ নৱেম্বৰ মাহ। আমি গৈছিলোঁ, কেৰালাৰ এর্ণাকুলাম্ চহৰত নিখিল ভাৰত লেখক সংঘৰ অধি-বেশনলৈ। দুপৰীয়া আমাক এটা তামিঘৰালৈ লৈ গ'ল। তাতে হাতে হাতে কাঁহী লৈ থিয়ৈ-থিয়ৈ খোৱাৰ আয়োজন। দুয়োপিনে দুশাৰী খোৱা বস্তু, এপিনে সামিষ, আনপিনে নিৰামিষ। শৰ্মা ডাঙৰীয়া নিৰামিষৰ ভাগলৈ গ'ল; মই সিটো ভাগলৈ। অলপ পাচতে, মোৰ কাণত পৰিলহি---"হেৰা, এইপিনে বৰ নিচলাহে; তেনেই ভিকহু। তোমালোকৰ পিনে চোন গোটেই উভৈনদী। গ'লে বেয়া হ'বনেকি, সেইপিনলৈ?" মই ক'লোঁ, "আহক। মই সহায় কৰি দিওঁ।" এইবুলি কৈয়েই মই তেখেতৰ কাঁহীত এটা কুকুৰাৰ ঠেং আৰু দুইটুকুৰামান কোমল চাই মওহ তুলি দিলোঁ। লগতে ভজা মাছ দুচকলমান। তেখেতে প্ৰসন্ন হাঁহি এটা মাৰি ক'লে, "বুজিছা, বিদেশে নিয়মং নাস্তি।" অলপ ৰৈ গহীনাই ক'লে, "তুমি আকৌ এইবোৰ কথা উলিয়াই নুফুৰিবাগৈ।" মই ক'লোঁ, "ওঁ-হো, আপুনি ভয় নকৰিব।" আজি সেই প্ৰতিজ্ঞা ভংগ কৰিছোঁ। কাৰণ, তেখেতৰ মুখত এষাৰ কথা শুনিছিলোঁ, 'দেৱতাৰ ৰং মানুহৰ খং' মানুহৰ সাজটো পিন্ধি থকালৈকে ভালেমান কথা অখ্যাতিৰ লেখত পৰেগৈ। সাজটো সেলোকাই দেৱতা হৈ পৰাৰ পাচত উভতি চাই সাজটোৰ জোখ ল'ব পাৰি। বেগুধৰ শৰ্মা আছিল, সম্পূৰ্ণ সংস্কাৰমুক্ত পুৰুষ।

এবাৰ তেখেত মোৰ ঘোৰালপাৰাৰ ভেৰোণীয়া ঘৰত আলহী হৈছিলগৈ। ভাত-পানী খাই উঠি ওৰে নিশা কথাৰ সাগৰত সেই আলহীগৰাকীয়ে মোক স্মৃতিকথাৰ জোৱাৰেৰে বুৰাই পেলাইছিল।

বাতি দুই বাজিছিলগৈ, তথাপি চৰিত তোলা শেষ হোৱা নাছিল বাজহুৱাকৈ ক'ব নোৱৰা ভালেমান কথা মোৰ টোকাবহীত টুকি থৈ দিছোঁ। তাকে দেখি, মোক কৈছিল—"সোনকালে মেমেজিবা দেই। উজুটি খোৱাৰ সম্ভাৱনা।" সেইডাগ কথা 'দক্ষিণপাট সত্ৰৰ বুৰঞ্জী'ত সামৰিব লাগিছিল যদিও জানি-শুনি নেসামৰিলে, জানোচা মানুহৰ খণ্ডে পুথিখনৰ বাকীখিনি কথাকো আগচি ধৰে।

ওৱাহাটীৰ চেনিকুঠীত থোপনি লোৱাহি দিনবোৰৰ কথা। মাজে-সময়ে লক্ষ্য কৰিছিলোঁ, তেখেতৰ ঘৰলৈ উজান যজাৰৰ মানুহৰ সমাগম ঘটে। লগত সৰু সৰু ল'ৰা-ছোৱালী। কথাটো কি, ভূ লৈ গম পালোঁ—শৰ্মাৰ ঘৰৰ চেকী। মহানগৰীৰ আগত যুগৰ নাগৰিকসকলক চেঁকী বোলা বস্তুটোৰ লগত চিনাকি কৰি দিয়াটোৱেই উদ্দেশ্য। বিহুৰ সময়ত, পূজাৰ বতৰত, উছৱ-সমাৰোহৰ পৰত বজকলা জা-জলপানেৰে আদৰি সুধিব—এইমান কথা শৰ্মাৰ ঘৰত নচলিব। সেইকাৰণেই, তেখেতৰ ঘৰলৈ চহৰীয়া জীৱনৰ আপুকগীয়া বস্তু সেই চেঁকীটোৰ আগমন ঘটিছিল। তেখেতৰ বোৱাৰীয়েকে, যদিও যোৰহাটৰ এজন সম্ভ্ৰান্ত ডাক্তৰৰ জীয়াৰী, চেঁকী দিয়ে আৰু তেখেতৰ সহধৰ্মিনীয়ে খুবলিত তিওৱা চাউল গুপাই দিয়ে। ইপিনে দ'ৰা-জীৱৰ মাচিয়াত বহি বেণুধৰ শৰ্মাই সাহিত্য-চৰ্চা কৰে নাইবা অৰণ্ডে-দৰণ্ডে ঘুৰি সিজনাৰ টোকোৰা বাহলৈ কুটা কঢ়িয়াই ফুৰে।

আনন্দচন্দ্ৰ আগৰৱালাৰ জন্ম-শতবাৰ্ষিকী উপলক্ষে তেজপুৰৰ আৱৰ্ত ভৱনৰ বাকৰিতে সিজনাক শেষবাৰলৈ দেখা পাইছিলোঁ। সেইবাৰ মন কৰিছিলোঁ, জীৱন-ধুমুহাই জুৰুলা কৰি পেলোৱা এজন মানুহ। গালে-মুখে একোছা দাড়ি। মোৰ সমুখত ভাহি উঠিছিল, তেখেতে যাৰ জীৱন-চৰিত লেখি থৈ গৈছে, সেই সিংহপুৰুষ গঙ্গা-গোবিন্দ ফুকনৰ এৰি যোৱা প্ৰতিমূৰ্তি; সেইদিনাও বাতি দুই বাজিছে। ভাত-পানী খাবলৈ ডাক পৰাই নাই। মন কৰিছিলোঁ তেখেতৰ চকুহাল অলপ যেন কুঁৱলী-কুঁৱলী। ক'ব পৰা নাছিলোঁ, জীৱনৰ কি বিষাদে তেখেতক আগুৰি ধৰিছিলহি। দুখটো বোধকৰোঁ এইটোৱেই আছিল, তেখেতক সকলোৱে বাতি টোপনি খটি কৰি পঢ়া-শুনা কৰিবলৈ হাক দিছিল। তাৰ মাজতে মোলৈ বাতৰি এটা দি পঠিয়ালে, তেখেতৰ পুথি-পাঁজিবোৰ বেচি পেলাব খুজিছে। মিলহৰ

আপুৰুগীয়া বিপৰ্ট'ন ৰূপ চাবি শ পালে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ পুথি-উঁবালক দিব খোজে। মই জানিছিলোঁ, এইখন পুথি আৰু ৰে'ডৰ বুৰঞ্জীৰ প্ৰতিলিপিটো বেণুধৰ শৰ্মাৰ আত্মাত-কৈয়ো আলোন। যি কি নহওক, মিলছৰ বিপৰ্ট ডিব্ৰুগড় বিশ্ব-বিদ্যালয়ৰ অসমীয়া বিভাগৰ পুথি-ভঁবাললৈ অনা হ'ল। সেইখনৰ কোনো কোনো পৃষ্ঠাত সি থোৱা বেণুধৰ শৰ্মাৰ মন্তব্যবোৰৰ আঁত ধৰিয়েই 'সাতাত্তম ছাল' আৰু 'মণিৰাম দেৱান' পুথি দুখনৰ বুৰবুৰণি ক'ত, উমান পোৱা যায়।

'দেৱাজিৰ কবি ৰত্নকান্ত ৰৰকাকতীয়ে বেণুধৰ শৰ্মাৰ মূৰত উপাধি এটা দিঞাইছিল—'বুৰঞ্জী-সূৰ্য্য'; পিচে, ৰজনজনা নহ'ল। সেইকাৰণে, জগৰীয়া কোমো নহয়। সেই বিতোপন উপাধিটোৰ গাতেই লেঠা। সি শৰ্মা মানুহজনৰ গোটেইখিনি প্ৰতিভাক সামৰি লোৱা নাছিল—মাজোন এটা দিশৰ ওপৰতহে পোহৰ পেলাইছিল। তদুপৰি, সি যেন আন এষাৰ কথা গজগজীয়া কবিবলৈ ওলায়—বেণুধৰ শৰ্মা দৰাচলতে সাহিত্যিক নাছিল; বুৰঞ্জীবিদহে আছিল। [redacted]তাই সুধিবৰ মন যায়, কিয় বুৰঞ্জী জানো সাহিত্য নহয়? চ[redacted]লে দেখোন সাহিত্যৰ নবেল বঁটা লাভ কৰিছিল, সমকালৰ বুৰঞ্জী লেখিয়েই। যি তেওঁৰ 'ৰৰ মেময়াৰ্ছ'ৰ ছটা খণ্ড নপঢ়াকৈ থকা নাই, তেওঁ অস্বীকাৰ নকৰে—নবেল বঁটা সমিতিৰ নিৰ্ভুল সিদ্ধান্ত। কি অপূৰ্ব সাহিত্য সি! কি এক অনিৰ্বচনীয় জীৱন-বোধ ফুটি উঠিছে তাত! আনুপুংখিকৰ প্ৰতি গভীৰ শ্ৰদ্ধা। মানৱীয় প্ৰমূল্যৰ প্ৰতি মহত্তম মমত্ববোধ সেই গ্ৰন্থখনৰ আটাইতকৈ মূল্যবান গুণ। শৰ্মাৰ 'মণিৰাম দেৱান'খনো তেনেকুৱা ধৰণৰে সাহিত্যকীৰ্তি। বেলেগ এইখিনিতেই যে, শৰ্মাৰ পুথিখনত পাদটীকাৰ প্ৰাচুৰ্য নাই। কিন্তু, চাচিলৰ পুথিখনত থকাদৰেই প্ৰাসংগিক কথাৰ বিতং আলোচনাপূৰ্ণ পৰিশিষ্ট 'মণিৰাম দেৱান'খনৰো বৈশিষ্ট্য। অসমত সোণ কমোৱা ধৰণ সম্পৰ্কীয় আলোচনী, অসমৰ লো পুং, মহঙৰ লোণ ইত্যাদিৰ আলোচনা থকা পৰিশিষ্টকেইখন আপুনি একোখন স্বতন্ত্ৰবীয়া পুথি। সকলোখিনি মিলি অপূৰ্ব সাহিত্যিক গুণসমৃদ্ধ গ্ৰন্থ সেইখন। কোনো কোনোৱে আকৌ সেইষাৰ কথাতে আঁউজি ক'ব খোজে, 'ওঁ, মণিৰাম দেৱানখন সাহিত্যহে—বুৰঞ্জী নহয়'! আচল কথাষাৰ হ'ল, তেওঁ

টীকা-ভাষ্যৰ চৰীয়া মণি এগাল কঁকালে-ভিতিয়ে পিন্ধাই বুৰঞ্জীৰ সহজ কথাবোৰকে পাণ্ডিত্যগন্ধী ইতিহাস কৰি তোলা নাছিল। কিন্তু, সেয়া পাণ্ডিত্যবিহীনও নাছিল। নাছিল যে নাছিলেই, 'আৰ ছিগা চুলি, ভাৰ ছিগা চুলি, বান্ধি যাওঁ নেযেৰী খোপা'ৰ লেখীয়া বহুত 'গবেষণা-গ্ৰন্থ'ৰ মূল্য নেওচি গৈছিল।

বেণুধৰ শৰ্মাৰ বুৰঞ্জীমূলক ৰচনাৱলীৰ বিষয়ে আলোচনা কৰিবলৈ ল'লেই, দুজন লেখকলৈ মনত পৰে। এজন গিবন, আনজন গাডিনাৰ। গিবনৰ 'ডিক্লাইন এণ্ড ফল অব্ ৰোমান এম্পায়াৰ'খন যিদৰে চিত্ৰ-ৰূপময় আৰু হৃদয়-পৰশা ভাষাৰে লেখা এটা জাতিৰ জীৱন-বৃত্তান্ত, শৰ্মাৰ 'সাতাৱন ছাল'খনো সেইদৰে একেটা চিত্ৰৰূপময় আৰু হৃদয়-পৰশা ভাষাৰে লেখি উলিওৱা এটা জাতিৰ জীৱন-কাহিনী। তাতে যোগ হৈছিল, গাডিনাৰৰ ৰীতিটো। গাডিনাৰৰ লিখনি অত্যন্ত যুক্তি প্ৰধান অথচ ইংগিতময়। শৰ্মাৰ 'কংগ্ৰেছৰ কাঁচিয়লি ৰদ'ত'খন সেইটো ৰীতিৰ পাগত উঠা সৃষ্টি। সিখনৰ গদ্যৰীতি অত্যন্ত তজবজীয়া। একোষাৰ কথাই বিজুলীৰ চমক জগাই যায়। মোৰ নিজৰ ৰবীয়াকৈ ক'বলৈ হ'লে, শৰ্মাৰ সাহিত্যিক-জীৱনৰ সৰ্বশ্ৰেষ্ঠ কীৰ্তি এখন সৰু ৰচনাৰ লেখীয়া এটি বুৰঞ্জীমূলক প্ৰবন্ধ—'দেশদ্ৰোহী কোন?' এইখন যেনিবা অসমীয়া হৈ ওপজা এজন লিটন্ ষ্ট্ৰেচীয়ে লেখা! ইয়াত আছে, এটা সুতীক্ষ্ণ মনোভংগী—যিটো সৰ্বজনগ্ৰাহ্য ধ্যান-ধাৰণাৰ বিপৰীতমুখী, সুবিন্যস্ত তথ্যৰ সমাৱেশ—যেন কোনোবা নিপুণ সেনাপতিয়ে চালনা কৰা এটা সৈন্যবাহিনী, ক্ষুৰধাৰ যুক্তি—যেন কোনোবা সব্যসাচীৰ অভাকিত আবিৰ্ভাৱত ভিত্তিঠৰ নোৱাৰি সামান্য পদাতিকৰ পৰা মহাৰথী-অতিৰথীলৈকে সকলো শত্ৰুসৈনাই প্ৰাণৰক্ষা কৰিবলৈ চাপলি মেলিছে। সদৌ শেষত, এই ৰচনাখনৰ ছত্ৰে ছত্ৰে জুমুকি মাৰিছেহি, এজন কালাপাহাৰ—যাক ইংৰাজীত আখ্যা দিয়া হয়, 'ডিষাংকাৰ'। এই ৰচনাখনত আছে, ভাষা আৰু ভাবনাৰ হৰগৌৰী-বসতি; এনে এটা শব্দ নাই, যিটো সোজোকাই থ'ব অথবা সলাই বেলেগ কিবা এটা ব্যৱহাৰ কৰিব পাৰি।

বেণুধৰ শৰ্মাই অসমীয়া সাহিত্যক যিটো শ্ৰেষ্ঠ সম্পদ দি থৈ গৈছে, সেয়া হ'ল ভাষাৰ কালিকা। তেওঁৰ বুৰঞ্জীৰ গজীয়া-ভঁৰাল চলাথ কৰি অনেক অচল শব্দ ঘঁহি-মাজি চিকচিকীয়া কৰি নাইবা

'তোৰ মুখৰ মোৰ মুখৰ মাত' বুটলি আনি লেখাৰ ভাষাত থাপি নাইবা তাৰো নাটনি দেখিলে নিজৰ বৰীয়া শব্দৰ সোণাৰিলালত বিদেশী শব্দক চিনিব নোৱৰাকৈ অসমীয়া ভাওনি-ঘাপ দি অসমীয়া ভাষাটোকে উভেনদী শব্দৰ খৰ সুঁতি কৰি তুলিলে। তেওঁ ভাঙি উলিওৱা অসমীয়া শব্দবোৰত ইংৰাজীৰ মল শব্দবোৰৰ গোন্ধ-ভাপ তেনেই মচ খাই নোহোৱা হৈ পৰিছিল। তেওঁৰ কাৰণে ষ্টেডিয়াম হ'ল গৈ আৰং-পথাৰ, পেকেটটো এটা বাতি, নিউজ-বিলটাৰ হ'ল বাতৰি-যোগনিয়াৰ, চাবমেৰিণৰ ভাওনি শিহ-জাহাজ, ডাৰ্ব-ৰ'টো এটা ইলিম। সিবিলাকৰ কিছুমান বৈ গ'ল, আৰু কিছুমান তাহানি 'অৰুনোদই'ৰ লতা-পনিয়ল (আঙুৰ) আৰু ডাক-পখিলী (পোষ্ট-কার্ড)ৰ লেখীয়া শব্দবোৰ সময়ৰ হাতে যিদৰে মচি পেলালে, সেইদৰে সময়ৰ সুৰুঙাৰে সৰকি পৰিল। এষাৰ কথা কিন্তু খাটাংকৈ ক'ব পাৰি, তেওঁৰ ভাষা অনুকৰণ কৰিব পৰা দ্বিতীয়জন অসমীয়া লেখক নাই। আগতো নাই, পাচতো নাই। বহুতে তেওঁৰ ভাষাৰ অগ্রসূৰী হিচাপে সাহিত্যৰথী বেজৰবৰুৱালৈ আঙুলিয়ায়। আমি কিন্তু থাউকতে মানি ল'বলৈ টান পাওঁ। বেজৰবৰুৱাৰ লিখনিত বেণুধৰ শর্মাৰ আগলি-বতৰা আছিল, সঁচা; কিন্তু বেণুধৰ শর্মাৰ গোটেই ভাষাটোৰ পটি নাছিল। বেজৰবৰুৱাই ফৰকাল হাঁহিমিহলি ৰচনাসমূহত 'তোৰ মুখত মোৰ মুখৰ মাত'ষাৰ নিশ্চয়কৈ আছিল; কিন্তু বেজৰবৰুৱাই নিৰহ-নিপানী অসমীয়া শব্দৰ নাটনি দেখিলে, বিদেশী শব্দও হাঁকুটি-য়াই আনিবলৈ তোচ্ নকৰিছিল। বেণুধৰ শর্মাই হাঁহিৰ চাঁট দিবলৈ বুলিয়েই সেই মাতষাৰ আতোল্-তোল্কৈ আদৰি অনা নাছিল। গহীনে-চঞ্চলে সকলো ধৰণৰ ৰচনাতে বেণুধৰ শর্মাই সেই মাতষাৰক অনবদ্য স্থিতিস্থাপকতা প্রদান কৰিছিল। বেজৰবৰুৱা কিন্তু ভাষাৰ যাদুকৰ হিচাপে ভাষাৰ প্রায় তিনিটামান স্তৰত বিচৰণ কৰিছিল। 'তত্ত্বকথা'ত সিগৰাকী গুৰুঘৰীয়া ভাষাৰ শিল্পী; কৃপাবৰী সাহিত্যমুঠিত একেগৰাকী লেখকেই ৰাইজৰ চোতালৰ মানুহ; আৰু 'মোৰ জীৱন সোঁৱৰণ'খনত সিগৰাকীৰ ভাষা ভৱিষ্যতলৈ থৈ যোৱা চানেকি-পুথিৰ অসমীয়া—যেনিবা সিধাই সোণাৰিয়ে নিয়াৰিত থৈ সাজি দিয়া থুৰি-বাটিটো, য'ত অসমীয়া মানুহৰ সকলো ধৰণৰ ভাবনা-ধাৰণা গুৰু-চণ্ডালীৰ ছাঁ নপৰাকৈ টুকি থ'ব পাৰে। বেজৰবৰুৱাৰ 'সভাপতিৰ

আভভাষণখনৰ' বণাচ্য ভাষাই সিগৰাকীৰ চতুর্থ তৰপৰ ভাষাটো, যিটো ভাষা সম্পৰ্কে এগৰাকী কবি-সমালোচকে ৰবীন্দ্রনাথৰ বাংলা ভাষা সম্পৰ্কে কোৱা কথাষাৰৰ প্রতিধ্বনিৰ লেখীয়াকৈ ক'বৰ মন যায়, 'বেজবৰুৱা অসমীয়া সাহিত্যৰ প্রথমজন ইংৰাজ লেখক'। ইখনৰ বাক্য-গাঁথনিত, শব্দ-চয়নত আৰু পৰিবেশন ৰীতিত যি কোনো খ্যাতিমান ইংৰাজ লেখক ৰমন্যাসিকধর্মী ভাষাৰ চানেকি এটা পোৱা যায়। বেণুধৰ শর্মাৰ ভাষাটোত সেই, ধৰণৰ ভাষাৰ বর্ণালী পাবলৈ নাই। তেওঁৰ ভাষা সকলোতে ধামখুমীয়া আৰু, কোনো অশ্রদ্ধা নেদেখুৱাকৈ ক'ব পাৰি, ঠায়ে ঠায়ে আঞ্চলিক আনুগত্যেৰেও দোষদুষ্ট। তথাপি স্বীকাৰ কৰিব লাগিব, তেওঁৰ 'দেশদ্রোহী কোন' শিতানৰ ৰচনাখন সকলো সমালোচনাৰ ঊর্ধত।

বহুতে ক'ব খোজে, বেণুধৰী ভাষাৰ উত্তৰ-সাধকজন হ'ল, সত্যেন বৰকটকী। কিন্তু, কথাষাৰত শতকৰা শতাংশ সত্যৰ মাধুৰী নাই। বৰকটকীয়ে বেণুধৰী গদ্যৰ অনুশীলনহে কৰিছিল, অনুসৰণ কৰিব পৰা নাছিল। সেয়ে, বৰকটকীৰ ভাষাত ঠায়ে-ঠায়ে শুষ্ক-চণ্ডালীয়েও ভুমুকিয়াবলৈ পাহৰা নাই। আকৌ, কেতিয়াবা বাক্য-গাঁথনিত শব্দৰ খাতিৰত শব্দ ব্যৱহাৰ কৰি ভাষাক খোৰাবলৈয়ো দিয়া হৈছে। বৰকটকীৰ 'ফুলবিবী' আৰু 'হাকিমৰ টিঘিলঘিলনি' দুখনত কিন্তু বেণুধৰী ভাষাৰ অনুশীলনে অনুসৰণৰ পদলি গচকি গৈছিলহি; 'নাপলেয়ঁ বোনাপার্ট' আৰু 'আডলফ্ হিটলাৰ' দুখনত বৰকটকী উভতি গ'লগৈ। বেণুধৰ শর্মাৰ লিখনিত ভাষাই ক'তো ভাবক আগচি ধৰা নাই। মাথোন 'মণ্ডলতিৰ কণ্ঠীমালা'খনত এঠাইত এটা পাইছিলোঁ: "হোমছে চাৰিখনমান তামোল খাবৰ পৰ ৰাটছনৰ নঙলামুখতে থিয়াথিয়ি কৰি আছিল।" সেইখিনিতে শর্মাৰ ভাষাই অতিমাত্রিকতাৰ থিয়গৰাত থিয় দিছেগৈ। তেনেকুৱা দুই-এটা ব্যতিক্রমৰ বাহিৰে, তেওঁৰ আন সকলো ৰচনাতে ভাব আৰু ভাষা ওণ্ঠি-খান্দৰিৰ লেখীয়াকৈ ইটো-সিটোৰ লগত খাঁজ খাই পৰিছে। 'হেমকোষ' আৰু 'চন্দ্রকান্ত অভিধান'ত নথকা অন্ততঃ এহেজাৰ শব্দেৰে তেওঁৰ ৰচনাৱলী ঠাহ খাই আছে। গ্রীয়াৰ্চ্চনে যদি আমাৰ ভাষাত দেশী-বিদেশী আৰু তৎসম-তদ্ভৱ শুদ্ধৰ পিয়ল লওঁতে শর্মাৰ ৰচনাৱলীৰ ওপৰত চকু ফুৰাবলৈ পালেহেঁতেন, তেনেহ'লে বিজানি তেওঁৰ হিচাপটোত স্বতন্ত্র-

ৰীয়া দেশজ শব্দৰ শতকৰা হাৰটো আৰু অলপ বাঢ়িলহেঁতেন— সংস্কৃতীয়া শব্দৰ হাৰ টুটি কিজানি দহ-পোন্ধৰৰ ঘৰতহে থমকিল-হেঁতেনগৈ। তেওঁৰ ভাষাৰ কালিকা এইখিনিতে যে, একেটা ভাষাই বিভিন্ন ৰূপৰ ভাববস্তুৰ বাহন হিচাপে ব্যৱহাত হৈছে; অথচ তেওঁৰ নিজস্ব ধৰণৰ শব্দচয়ন আৰু বাক্য-গাঁথনিৰ সৈতে ভাষাই ক'তো ভাবক নিয়ন্ত্রিত কৰিবলৈ যোৱা নাই। মাথোন ভাব-প্রকাশৰ উপ-যোগীকৈ অ'ত-ত'ত সৰু একোটা মোচৰ দি ভাষাৰ বান্ধোনটো সলাই পেলাইছে। তাৰেই 'কংগ্রেছৰ কাঁচিয়লি ৰ'দত'খনৰ ভাষা ফ্রংফণ্ডীয়া ৰ'দকাঁচলিৰে যেনেকুৱাকৈ ফৰকাল হৈ পৰিছে, 'মজিয়াৰ পৰা মেজলৈ'খনৰ ভাষা মাঘমহীয়া কুঁৱলীৰে তেনেকুৱাকৈ ছিলমিল হৈ পৰিছে, 'মণিৰাম দেৱান'খনৰ ভাষা যেনেকুৱাকৈ ফৰিকুটা ৰাতিৰ নিচিনা কোমল পোহৰেৰে সজাল হৈ উঠিছে, 'সাতাত্তৰ ছাল'খনৰ ভাষা তেনেকুৱাকৈ মেঘ-ধুঁৱলীয়া ৰাতিৰ আকাশৰ লেখীয়া বিজুলী-চমকেৰে তিৰবিৰাই উঠিছে। যাক বোলে 'ষ্টাইল', সেই বস্তুটোৰ গুণাগুণ উপমাৰ গা'ত আঁউজিহে দিব পাৰি। সেইকাৰণে, সেইটো ৰীতিৰেই তাৰ মূল্যাকণ কৰিছোঁ। সম্পূর্ণ গদ্যৰ ভাষাত ক'বলৈ হ'লে, ক'ব পাৰোঁ—তেওঁৰ ভাষা স্থিতিস্থাপকতা গুণেৰে গুণান্বিত আছিল; ভাববস্তুৰ প্রয়োজনে তেওঁৰ লিখনিৰ ভাষাত থকা স্বাভাৱিক স্পন্দনৰ অকণো সালসলনি নঘটাইছিল। সলনি হৈছিল মাথোন ভাষাৰ বান্ধোন আৰু গাঁথনি—যাক ধাৰ কৰা ভাষাৰে আঙুলিয়াই দেখুৱাব-লগীয়া হ'লে ক'ব লাগিব 'পেটার্ণ' নাইবা তাৰ পাৰিভাষিক শব্দ 'ৰূপকল্প'টোৰে। তাকে অৱলম্বনস্বৰূপে লৈ সলনি হৈ পৰে, প্রতিটো সৃষ্টি কৰ্মৰ প্রবাহ। ক'ৰবাত হয়তো সেয়া কুলু-কুলুকৈ বৈ যোৱা নিজৰাৰ লেখীয়া, আৰু ক'ৰবাত হয়তোবা গম্ভীৰ গতিৰে গৈ থকা এখন শান্ত নদীৰ নিচিনা।

বেণুধৰ শর্মাৰ ভাষাত দুটা বস্তু বিচাৰি পাবলৈ নাই। এটা হ'ল, ভমকাকুলীয়া বাক্য—যাক কোৱা হয়, 'ষ্টাব্‌লেষ্ট পেচ্ছেজ'। আনটো হ'ল, সন্ধিসিদ্ধ আৰু সমাসবদ্ধ আৰু প্রত্যয়ান্তিক শব্দৰ পয়োভৰ। সেইকাৰণেই, তেওঁৰ ভাষাই মগজুতকৈ হৃদয়ৰ দুৱাৰতহে পোনতে টকৰিয়াই যায়। এইটো গুণৰ আধাৰতে তেওঁ পোনতে এজন সাহিত্যশিল্পী, তাৰ পাচতহে বুৰঞ্জীলেখক। বুৰঞ্জীৰ

লগতে 'ৰাংগতা'ৰ চিকমিকনিটোৱো সাৱটাসাৱটি অনস্বীকাৰ্য।

'টোকোৱা বাহৰ কুটা' বেণুধৰ শৰ্মাৰ টোকাবহী আৰু গন্ধীয়া-ভঁৰালত থকা অসমৰ অদূৰ আৰু সুদূৰ অতীতৰ বুৰঞ্জীৰ লগত সম্পৰ্কিত নানা দলিল, চিঠি-পত্ৰ আৰু আনৰ দিনপঞ্জীৰ নমুনা-পৃষ্ঠাৰ সংকলন। সিবিলাকৰ গাঁথনিত কোনো সম্পাদনাৰ আভাস নাই। বহুধিনি উপকৰণ 'যথা দৃষ্টং তথা লিখিতং' জাতীয়। কিন্তু, এই সংগৃহীত সম্পদসমূহ অনায়াসে অসম বুৰঞ্জীৰ এখন মূল্যবান আকৰ-গ্ৰন্থ বুলি বিবেচিত হ'ব পাৰে। সিবিলাকৰ সংকলনে এষাৰ কথা প্ৰমাণ কৰে, শৰ্মাৰ বুৰঞ্জীমূলক ৰচনাসমূহত ইতিহাসৰ কোনবোৰ দিশে কেনেধৰণে গুৰুত্ব লাভ কৰিছিল। ইয়াত সন্নিৱিষ্ট কেইবাখনো দলিল 'মণিৰাম দেৱান' প্ৰণয়নৰ সময়ত প্ৰত্যক্ষ সূত্ৰ হিচাপে ব্যৱহৃত হৈ গৈছে। ধাৰণা হয়, ইবিলাকক উপকৰণস্বৰূপে লৈ বেণুধৰ শৰ্মাই অসমৰ এখন আৰ্থ-সাংস্কৃতিক বুৰঞ্জী ৰচনাৰ পৰিকল্পনা এটা মনৰ ভিতৰতে পুহি ৰাখিছিল। তেওঁ যে কেইটামান বিষয়ত স্পষ্ট সিদ্ধান্তত ইতিমধ্যে উপনীত হৈছিল, তাৰ ৰিণকি-ৰিণিকি প্ৰমাণ এটা পোৱা যায়, 'বুৰঞ্জীৰ দুটামান মৌসৰা কথা' শিতানৰ সিদ্ধান্তকেইটাই। ডঃ ৰাণীকান্ত কাকতিৰ যি কোনো ভৱিষ্যত জীৱনীকাৰে দুটামান কথাৰ যোগান ধৰিব পাৰিব, 'লক্ষ্মীনাথ বেজবৰুৱাৰ এটি টোকা' (পৃঃ ৩৮-৪০) আৰু 'সত্যনাথ বৰাৰ চিঠি' (পৃঃ ১০৬) শিতান দুটাৰ কথাখিনিয়ে। ঠিক তেনেদৰে, অসমত সুকীয়া বিশ্ববিদ্যালয়ৰ উকমুকনিটো কেতিয়াৰ পৰা কেনেদৰে কাৰ যোগেদি আৰম্ভ হৈছিল, তাৰো ৰুত্তান্ত 'অসম বিশ্ববিদ্যালয়' (পৃঃ ১৩০-১৩১) সম্পৰ্কীয় সম্পাদকলৈ দিয়া চিঠিখনত সুন্দৰকৈ দাঙি ধৰা হৈছে।

'টোকোৱা বাহৰ কুটা' ভালেমান টোকা পণ্ডিত হেমচন্দ্ৰ গোস্বামীৰ গন্ধীয়া-ভঁৰালৰ পৰা চপাই অনা কুটা নহয়—মণি-মুকুতা। ইংৰাজী, অসমীয়া আৰু বাংলাত লিখা এই টোকাবোৰে উদঙাই ধৰিছে এষাৰ কথা জল্‌জল্-পট্‌পট্‌কৈ—বেণুধৰ শৰ্মাৰ ওৰেটো জীৱনৰ চালিকা-শক্তি আছিল, ঐকান্তিক স্বদেশপ্ৰেম। উপকৰণাকৈ চালে, পুথিখন বিহু-উৰুকাৰ দিনা খোৱা এশ-এবিধ শাকৰ বাৰেমিহলি আজাখন যেন লাগিব পাৰে। দৰাচলতে, পুথিখন তাৰে লগৰীয়া বাৰেমিহলি উপ-কৰণেৰে ঠাহ খাই আছে। ভৱিষ্যতৰ গৱেষণাকাৰী ছাত্ৰৰ কাৰণে

এয়া এক অমূল্য আকৰ-গ্ৰন্থ। ইখনৰ সমনীয়া পুথি এখন তাহানি দেখিছিলোঁ, ডঃ ভূঞাই যুগুতাই থোৱা 'হিষ্টৰিয়ানহু হেভাৰছেকু'খন। পাৰ্থক্যটো এইখিনিতে যে, বেণুধৰ শৰ্মাৰ পুথিখনত আছে, কম্বাবলৈ সময় নোহোৱা সোণৰ চেকুৱা; আৰু ডঃ ভূঞাৰ সেই আজিকোপতি অপ্ৰকাশিত পুথিখন আছে, জুখি-মাখি সজাই থোৱা সোণ! যি কি নহওক, শৰ্মাৰ পুথিখনত ওপচ খাই আছে, কেইবাখনো আজিলৈকে অপ্ৰকাশিত মূল্যবান ফলিৰ পাঠ আৰু পোহৰ-ছবিত, তুলি থোৱা ভালেমান পেৰা-কাকত। এটি অতি দুৰ্লভ সম্পদ বিচাৰি পাইছোঁ। সেয়া হ'ল 'অসম ৰজাৰ জীয়ৰী মান ৰজাৰ কুঁৱৰীৰ চিঠি'খন (পৃঃ ৩৬-৩৭)। চিঠিখনৰ বিষয়বস্তু, উপকৰণাকৈ চালে, সাধাৰণ সমাচাৰযুক্ত। কিন্তু, সিখনৰ আঁৰত লুকাই আছে মাটিৰ তলেদি বৈ যোৱা ফল্গুৰ লেখীয়াকৈ হৃদয়তলিত পুহি ৰখা স্বদেশলৈ মচিব নোৱৰা ধাউতিসনা মৰম। এই চিঠিখনত (পৃঃ ৩৬-৩৭) অসম বুৰঞ্জীয়ে নজনা কথা গজগজীয়া প্ৰমাণ পোৱা যায়। ডামো আই-দেউৰ নামটো তেন্তেহ'লে ধনেশ্বৰী আইদেউ আছিল। তেওঁক মান ৰজাই জী বুলিহে প্ৰতিপালন কৰিছিল! অৱশেষত, তেওঁক এজন মানদেশৰ আলহী অসমীয়া ৰাজকোঁৱৰলৈ বিয়া দি দুয়োকে তাতে থাপি থৈছিল। ইয়াত সংকলিত বুৰঞ্জীৰ কেঁচামালখিনি নিশ্চয়কৈ এৰা-বোটলা ধৰণৰ বস্তু নহয়। সৰহ কি, বুৰঞ্জীৰ দৃষ্টিত যি কোনো সংগ্ৰহালয়ৰ কাৰণে অকল এই চিঠিখনেই লাখটকীয়া সংগ্ৰহ বুলি বিবেচিত হ'ব পাৰে। পুথিখন 'টোকোৱা বাহৰ কুটা' নুবুলি 'গন্ধীয়া-ভঁৰালৰ মাণিকীমধুৰি' বুলিহে ক'বৰ মন যায়। কোনোবাই সুধি দিব পাৰে, "ৰ'বাচোন, নামটো অপুদ্ঘতীয়া নহ'বগৈ জানো? ভুলটো টনকি চোৱাচোন। গন্ধীয়া-ভঁৰালত পুথি-পাঁজিহে থাকে। তাত আকৌ মাণিকীমধুৰিৰ লেখীয়া কণিজহাৰ গছি ক'ত বিচাৰি পাব?" মোৰ উত্তৰটো হ'ল, জানি-শুনিয়েই কৈছোঁ। ধানৰ কথা কোৱা নাই; কৈছোঁ, তাৰ মলমজাই থকা গোন্ধখিনিৰ কথা। শৰ্মাৰ ভাষাৰ 'ষ্টাইল' সেইটোৱেই। শব্দৰ আভিধানিক অৰ্থ নেওচি গৈ তাৰ গাঁটোতকৈ ছাঁটোহে লেখে। 'মণিৰাম দেৱান'ত শব্দ এটা আছে—'অপুদ্ঘতীয়া'। শব্দটোৰ আভিধানিক অৰ্থ হ'ল—অমংগলীয়া। বেণুধৰ শৰ্মাই তাতে মোচোৱা এটা দি শব্দটোক তাৰ ঔপচাৰিক

অর্থেৰে সজাই তুলিছে, 'আচহৰা'---কোনো কালে নুশুনা। এইষাৰ কথাৰ পম খেদিব নেজানিলে, বেণুধৰ শর্মাৰ ৰচনাৱলীৰ ৰস উপভোগ কৰিব নোৱাৰি।

শেষত, কেইষাৰমান কথা থোৱতে কৈ থওঁ। এক, তেওঁৰসকলো ধৰণৰ লেখাই লেখিলে; ৰৰকৈ নেলেখিলে মাথোন কবিতা। গতিকে, তেওঁৰ প্রাণৰ বন্ধুজন আছিল---'শেৱালি'ৰ কবি ৰত্নকান্ত বৰবাকতী। আকৰৰ আৰু বীৰবলৰ লেখীয়া। দুই, অসমীয়া সাহিত্যৰ বুৰঞ্জীত তেওঁক লৈ এটা ডাঙৰ সমস্যা---তেওঁ কোনটো যুগৰ লেখক? 'জোনাকী যুগৰ' নে 'আৱাহন-বাঁহী'ৰ যুগৰ, নে 'ৰামধেনু যুগ'ৰ? তিনি, যদি তেওঁৰ কাৰণে হেম গোস্বামী লেখক-জীৱনৰ আদর্শ আছিল, তথাপি তেওঁ পণ্ডিত হ'বলৈ বিচৰা নাছিল। অথচ, তেওঁৰ জীৱনত পাণ্ডিত্যৰ সকলো লক্ষণেই আছিল। নাছিল মাথোন ৰুচি। ঘৰুৱা জীৱনত তেওঁ পিয়াঁজ-জলকীয়া মিহলাই ভাজি দিয়া কণী-পিঠাখনতকৈ নিমখ এজেৰা লৈ সিজোৱা কণীটোহে খাবলৈ বেচি ভাল পাইছিল। সেইকাৰণেই নেকি, তেওঁৰ লেখাত পাদটীকা-প্রসংগ উল্লেখন ইত্যাদিৰ খকৰামুকুটি নাছিল। কাৱোবাৰ মন গ'লে, সুধি আহিবগৈ---কণীকেইটা কাৰ ঘৰৰ পৰা অনা। তেওঁ ৰচিদ-পত্র গোটেইখিনি উবুৰিয়াই দিবহি, অমুক দোকানৰ পৰা অমুকে কিনি আনিছিলগৈ। চাৰি, তেওঁৰ লেখাত বিচাৰি পোৱা যায়---সময়ৰ নখৰ আঁচোৰ নলগা এজন চিৰকলীয়া ডেকাল'ৰা। ক'ৰ খোজা কথাবোৰ ধামখুমীয়া, কোৱাৰ ধৰণটো তজবজীয়া, আৰু তাৰ ভাষাৰ চৰুটো সদায় আভঁজুৱা। ক'বলৈ পাহৰিছো, চৰুটো মাটিৰ---আঞ্চলীয়া মাটিৰ।

জীৱন ফুকন নগৰ, ডিব্রুগড়
অক্টোবৰ ২২, ১৯৮৭।

মহেন্দ্র বৰা

সূচী-পত্ৰ

		পৃষ্ঠা
(ক)	প্ৰকাশকৰ নিবেদন	ক
(খ)	বেণুধৰী ৰচনাৰ গুৰি কথা — শ্ৰীযজ্ঞেশ্বৰ শৰ্মা	(গ)
(গ)	ভূমিকা---ডঃ মহেন্দ্ৰ ৰৰা	(ট)
১।	অলিখিত চিঠি ঃ কৃপাৰৰ ৰৰৰকুৱৰা	১
২।	অভাউসা সভাৰ সম্পাদক গুণাভিৰাম বৰুৱাৰ গোহাৰি	৬
৩।	স্নাতকোত্তৰ শিক্ষাত উত্তীৰ্ণ প্ৰথম কুৰিজন অসমীয়া	৮
৪।	ৰসৰাজলৈ সাহিত্য সভাৰ অভিনন্দন পত্ৰ	১০
৫।	পাৰ্ৱতিপ্ৰসাদ বৰুৱাৰ কবিতা আৰু চিঠি--	১২
৬।	বুৰঞ্জীৰ দুটামান মৌসৰা কথা	১৯
৭।	গুৱাহাটী একতা সভাৰ বিষয়ে	২১
৮।	মহাত্মা গান্ধীলৈ দেশভক্ত ফুকনৰ চিঠি	২৩
৯।	আনন্দৰাম বৰুৱাৰ বিষয়ে চাৰ সুৰেন্দ্ৰনাথ বন্দোপাধ্যায়	২৬
১০।	প্ৰথম অসমীয়া আলোচনী 'অৰুনোদই'ৰ এখিলা	২৭
১১।	চকা চৰাই খেদা ৰাভা গীত	২৮
১২।	স্বৰ্গদেও জয়ধ্বজ সিংহই গোৱা গীত	৩০
১৩।	নৰনাৰায়ণে গোৱা গীত	৩১
১৪।	নৰোত্তম দাসে গোৱা গীত	৩১
১৫।	উৰিয়া বিহু নাম	৩২
১৬।	সৰস্বতী গোৱা	৩২
১৭।	গান্ধীজীলৈ যোৰহাট নগৰবাসীৰ অভিনন্দন	৩৩
১৮।	কলিকতা এ এছ এল ক্লাবৰ সভা	৩৪
১৯।	এ এছ ক্লাবৰ অধিবেশন	৩৫
২০।	অসম ৰজাৰ জীয়ৰী মান-ৰজাৰ কুঁৱৰীয়ে দিয়া চিঠি	৩৬
২১।	লক্ষ্মীনাথ বেজবৰুৱাৰ এটি টোকা ঃ অসম সাহিত্য সভাৰ সভাপতি পদৰ বাবে বাণীকান্ত কাকতীৰ নাম প্ৰস্তাৱ	৩৮

২২। এগৰাকী জার্মান পণ্ডিতৰ চিঠি ৪০
২৩। কোচবিহাৰৰ মহাৰজাৰ ডায়েক ভিকটৰ নিৰেন্দ্র নাৰায়ণৰ চিঠি ৪১
২৪। শিৱনাথ ভট্টাচার্য্যৰ চিঠি ঃ হেম গোসাঁইলৈ ৪৩
২৫। "জোনাকী"ৰ জাননী ৪৩
২৬। 'বিজুলী'ত 'জোনাকী'ৰ সমালোচনা ৪৪
২৭। ফণিধৰ চলিহাৰ চিঠি ৪৫
২৮। সোণাপুৰ (কামৰূপৰ) নাম কেনেকৈ হ'ল ৫১
২৯। কছাৰীসকলৰ ফৈদসমূহ ৫২
৩০। কাছাৰত কামৰূপীয়া ব্রাহ্মণ ৫২
৩১। হেৰম্ব দেশৰ গোত্র ৫৩
৩২। কাছাৰত কন্বশাখীয় ব্রাহ্মণ ৫৩
৩৩। শ্রীশঙ্কৰদেৱ ধর্ম্মাচার্য্য হোৱা শক ৫৪
৩৪। কোচবিহাৰৰ মহাৰজাৰ অসমীয়া মহাভাৰত প্রকাশৰ চেষ্টা ৫৪
৩৫। অসমৰ বিষয়ে দুজন বঙালী লেখকৰ উক্তি ৫৫
৩৬। ৰাধিকাপ্রসাদ বৰুৱাৰ "দৈনন্দিন লিপি" ৫৬
৩৭। কন্যা বাৰমাহী গীত ৫৯
৩৮। হিন্দুৰ দেৱদেৱী আদিৰ আহোম প্রতিশব্দ ৬৪
৩৯। কৃষ্ণদাস ভাণ্ডাৰী বৰুৱাৰ শ্রাদ্ধৰ ফর্দ্দ ৬৬
৪০। লক্ষ্মীনাথ বেজবৰুৱাৰ চিঠি ৭১
৪১। গুণাভিৰাম বৰুৱাৰ চিঠি ৭৫
৪২। ৰিক্‌খুন উৎসৱ ৭৭
৪৩। বেণুধৰ ৰাজখোৱাৰ চিঠি ৭৮
৪৪। এখন পুৰণি মাটি বেচা দলিল ৭৯
৪৫। মাটি বন্ধকী পত্র---১৭৯২ খ্রীঃ ৮০
৪৬। মনুষ্যক্রয় খত ঃ ১৭০৭ শক ৮১
৪৭। হাটবৰৰ নাগশংকৰ দেৱালয়ৰ ফলি ৮১
৪৮। আনন্দৰাম বৰুৱাৰ পূর্বপুৰুষ মাণিক নাম পোৱাৰ চিঠি ৮২
৪৯। অশ্বক্রান্ত-উমানন্দ-কামাখ্যাৰ লাখেৰাজ-নিষ্কিখেৰাজ মাটি ৮৩
৫০। পহুমৰীয়া গোসাঁইৰ ফলি ৮৪
৫১। শ্রীশ্রীচন্দ্রকান্ত সিংহৰ দিনৰ ফলি ৮৫

৫২। আসাম এছচিয়েছনৰ প্ৰথম বছেৰেকীয়া অধিবেশন ৮৬
৫৩। চন্দ্ৰকুমাৰ আগৰৱালাৰ চিঠি ৮৯
৫৪। তুলসীৰাম বৰুৱাৰ চিঠি (১৮৯৬) ৯২
৫৫। ৰায়বাহাদুৰ জগন্নাথ বৰুৱাই এডেনৰপৰা দিয়া চিঠি ৯৩
৫৬। বিলাতৰ অভিষেকৰ উৎসৱত জগন্নাথ বৰুৱা ৯৪
৫৭। চোকা সমালোচনা, চোকা উত্তৰ ঃ ডাঃ হৰেকৃষ্ণ দাসৰ চিঠি ৯৮
৫৮। ঔপন্যাসিক বৰদলৈ ১০০
৫৯। পদ্মেশ্বৰ নাওবৈচা ফুকন ১০২
৬০। ১৯২০ চনত কলিকতাত পতা অসমীয়া সম্মিলনীৰ জাননী ১০৩
৬১। ১৯১৭ চনত কলিকতা কংগ্ৰেছলৈ আসাম এছছিয়েছনৰ প্ৰতিনিধি ১০৪
৬২। জগন্নান বৰুৱাৰ চিঠি ১০৫
৬৩। শ্ৰীশ্ৰী আউনীআটী সত্ৰাধিকাৰৰ চিঠি ১০৫
৬৪। সত্যনাথ বৰাৰ চিঠি ১০৬
৬৫। আনন্দৰাম ঢেঁকীয়াল ফুকনৰ "অসমীয়া ল'ৰাৰ মিত্ৰ" ছপাবলৈ ধনেৰে সহায় কৰাসকলৰ নাম ১০৭
৬৬। বিলাতৰপৰা লেখা জানাদাভিৰাম বৰুৱাৰ চিঠি ১০৮
৬৭। গৰ্ডন-গোসাঁই ঃ এক অধ্যায় ১১০
৬৮। গৰ্ডনে হেম গোসাঁইলৈ দিয়া টোকা ১১৫
৬৯। দেবীচৰণ বৰুৱাই লেখা প্ৰৱন্ধ ১১৬
৭০। যোৰহাটৰ স্বৰ্গীয় লোকেশ্বৰ সিংহ বুঢ়াগোহাঁইৰ আবেদন পত্ৰ ১১৭
৭১। অসমীয়া এণ্ট্ৰেন্স কৰ্চ সম্বন্ধে জগন্নাথ বৰুৱা ১২১
৭২। কটন কলেজ পতাৰ পূৰ্ব্বে উচ্চশিক্ষাত বিঘিনি ১২২
৭৩। ৰাধানাথ ফুকনৰ এচ ডি চি পদ প্ৰত্যাখ্যান ১২৪
৭৪। কলিকতাত অসমীয়া ছাত্ৰৰ সমস্যা ১২৫
৭৫। ৰঘুনাথ চৌধাৰীৰ "কেতেকী" ১২৭
৭৬। আব্দুল মজিদৰ এখন চিঠি ১২৭
৭৭। অসমীয়া পুথিৰ তালিকা ঃ কনকলাল বৰুৱাৰ চিঠি ১২৯
৭৮। অসম বিশ্ববিদ্যালয় ঃ উপেন্দ্ৰনাথ বৰুৱাৰ চিঠি ১৩০
৭৯। ইন্দীবৰ বৰুৱাৰ স্পষ্টবাদিতা ১৩২

৮০। সার্বজনিক সভাৰ হৈ জগন্নান বৰুৱাৰ আবেদন ১৩৩
৮১। অসম বুৰঞ্জীৰ উপকৰণ—কামৰূপৰ দেৱালয় ১৩৭
৮২। তেজপুৰ অঞ্চলৰ দেৱালয় ১৩৮
৮৩। কন্দ্রসিংহৰ কাৰেঙত সঙ্গীত চর্চ্চা ১৩৯
৮৪। ৰামমিশ্র ৰৰদেউৰীক দিয়া তামৰ ফলি ১৪১
৮৫। জয়ধ্বজ সিংহ স্বর্গদেৱৰ সঙ্গীতপ্রিয়তা ১৪১
৮৬। ডেৰিদ স্কটে ৰছদ খোজা গোহাৰিপত্র ১৪৩
৮৭। মণিৰাম দেৱানৰ চিঠি ১৪৪
৮৮। পুৰণি ডায়েৰীৰ সোৱাদ ১৪৫
৮৯। মায়ামৰাৰ উৎপত্তি ১৫৭
৯০। সত্রাধিকাৰৰ গৃহী হোৱাৰ ইচ্ছা ১৫৮
৯১। গোস্বামী উপাধি কেনেকৈ আহিল ১৬০
৯২। দেশনেতা কুলধৰ চলিহা প্রশস্তি ১৬১
৯৩। জয়সাগৰ পুখুৰী উৎসর্গা ১৬২
৯৪। পাদুৰী 'মুৰ'ৰ ডায়েৰী এপাত ১৬৩
৯৫। "বাতৰি"ৰ বাতৰি ১৬৫
৯৬। ৰাজনৈতিক অপৰাধত দণ্ড পোৱা প্রথম অসমীয়া মহিলা ১৬৬
৯৭। মণ্টেগুৰ হাতত আসাম এছোছিয়েছনৰ স্মাৰক-পত্র ১৬৮
৯৮। অসম ছাত্র সন্মিলনীৰ অধিবেশন ঃ ১৯১৬ চন ১৭০
৯৯। অসম ছাত্র সন্মিলনৰ যোৰহাট অধিবেশন (১৯১৭) ১৭৪
১০০। 'শেৱালী' কবিলৈ বেজবৰুৱাৰ চিঠি ১৭৭
১০১। চিপাহী বিদ্রোহৰ দিন আদালতী ভাষাৰ নমুনা ১৭৮
১০২। 'আসাম নিউচ' ঃ সাদিনীয়া ইংৰাজী বাতৰিকাকত ১৮২
১০৩। আসাম নিউচ'ৰ জাননীৰ চানেকি ১৮৫
১০৪। জ্যোতিপ্রসাদৰ 'জয়মতী' কথা ছবি ঃ বেজবৰুৱাৰ মন্তব্য ১৮৬
১০৫। বৰলাটৰ হাতত দুজন অসমীয়া ছাত্রৰ অভিনন্দন পত্র (১৮৭২ খ্রীঃ) ১৮৯
১০৬। মহৰজা চাহ কোম্পানীৰ চুপাৰিণ্টেণ্ডেণ্ট সোমেশ্বৰ শর্মা ১৯১
১০৭। হলিৰাম ফুকনৰ 'অসম বুৰঞ্জী' ১৯৩
১০৮। যাদুৰাম ডেকা বৰুৱাৰ জীৱনী ১৯৩
১০৯। ফণিধৰ চলিহাৰ ডায়েৰী ১৯৪

১১০। আসাম মহিলা সন্মিলনীৰ দ্বিতীয় বছেৰেকীয়া অধিবেশন (১৯২৯) ২০৩
১১১। তিনি মুতিৰ সংযোগ আৰু অসমীয়া ভাষা ২০৮
১১২। কনকলাল বৰুৱাৰ চিঠি ২১০
১১৩। হিতেশ্বৰ বৰবৰুৱাৰ চিঠি ২১১
১১৪। সত্যনাথ বৰাৰ চিঠি ২১১
১১৫। 'হেমকোষ' সম্পৰ্কে দুলালচন্দ্ৰ চৌধুৰীৰ চিঠি ২১২
১১৬। "উষা" সম্পৰ্কে পদ্মনাথ গোহাঞিবৰুৱাৰ চিঠি ২১৩
১১৭। কটন কলেজৰ প্ৰিন্সিপেল চুড্‌মার্চনৰ চিঠি ২১৬
১১৮। ৰায়বাহাদুৰ পৰ্ণ্ডৰাম খাউণ্ডৰ চিঠি ২১৮
১১৯। চন্দ্ৰ আগৰৱালাৰ কবিতা-চিঠি ২১৮
১২০। অসমীয়া সদাগৰ ভোলানাথ বৰুৱাৰ চিঠি ২১৯
১২১। দেশভক্ত তৰুণৰাম ফুকনলৈ ৰুটিছৰ ভয় ২১৯
১২২। ফ্ৰাচেংমুন গোহাঞি কেনেকৈ মৰিল ২২১
১২৩। শ্ৰীকৃষ্ণই কোনজন কামৰূপাধিপতিক বধ কৰিছিল ২২১
১২৪। কচাৰী পৰিয়াল বা বংশৰ অৰ্থ ২২২
১২৫। কচাৰী ৰজাৰ মাণিক উপাধি ২২২
১২৬। কমতাপুৰ নাম কিয় হ'ল ২২৩
১২৭। "স্বৰ্গদেৱৰ কৰতলীয়া" ২২৩
১২৮। ৰায়াবাহাদুৰ ঘনশ্যাম বৰুৱাৰ চিঠি ২২৫
১২৯। 'ৰূপহী' বোলছবিৰ বিষয়ে কুলধৰ চলিহাৰ অভিমত ২২৬
১৩০। ডঃ বাণীকান্ত কাকতীক সম্বৰ্দ্ধনা ২২৮
১৩১। ই এ গেইটৰ চিঠি ২২৯
১৩২। অগ্নিকবি কমলাকান্তৰ চিঠি ২৩০
১৩৩। হেমচন্দ্ৰ বৰুৱাৰ চিঠি ২৩২
১৩৪। ৰাধানাথ চাংকাকতীৰ চিঠি ২৩৩
১৩৫। কামৰূপ জিলাৰ প্ৰথম এম এ অম্বিকাচৰণ ভট্টাচাৰ্য্যৰ চিঠি ২৩৪
১৩৬। লক্ষেশ্বৰ শৰ্মাৰ চিঠি ২৩৫
১৩৭। 'নতুন প্ৰতিনিধিৰ' সম্পাদকলৈ বেণুধৰ শৰ্মাৰ চিঠি ২৩৭
১৩৮। চন্দ্ৰধৰ বৰুৱালৈ অম্বিকাগিৰীৰ মুকলি চিঠি ২৪১
১৩৯। অসম সাহিত্য সভাৰ সম্পাদকীয় টোকা ঃ

(ক) শ্রীমান কৃষ্ণকান্ত সন্দিকৈ ২৪২
(খ) শ্রীযুত শৰৎচন্দ্র গোস্বামীৰ অৱসৰ গ্রহণ ২৪৪
(গ) কামৰূপ সঞ্জীৱনী সভা ২৪৬
১৪০। ১৯২৭/২৮ চনত আসাম সাহিত্য সভাৰ বাজেট ২৪৭
১৪১। গৌৰীপুৰৰ ৰজা প্রভাতচন্দ্র বৰুৱালৈ অভিনন্দন ২৪৮
১৪২। কলিকতাৰ অ ভা উ সা সভাৰ গুৰিয়াল ৰমাকান্ত ৰৰকাকতী ২৪৯
১৪৩। কলিকতাত অসমীয়া মাঘবিহু (১৯২১) ২৫৩
১৪৪। গণেশ হাজৰিকাৰ চিঠি ২৫৫
১৪৫। গোলাপ চন্দ্র বৰুৱাৰ চিঠি ২৫৬
১৪৬। "আসাম বন্তি"ৰ বাতৰিৰ নমুনা ২৫৭
১৪৭। ১৯১২ চনৰ এখন ঐতিহাসিক চিঠি ২৫৭
১৪৮। দুর্গাধৰ ৰৰকটকীৰ চিঠি ২৬২
১৪৯। হেমকোষ উদ্ধাৰৰ প্রস্তুতি
(ক) ঘনশ্যাম বৰুৱাৰ চিঠি ২৬৩
(খ) দুলাল চন্দ্র চৌধুৰীৰ চিঠি ২৬৫
১৫০। গর্ডনৰ অসমীয়া প্রীতি ২৬৬
১৫১। মুকলিমুৰীয়া গোসাঁইৰ চিঠি ২৬৭
১৫২। গুৱাহাটীত অসমীয়া ভাষাৰ প্রচাৰ ২৬৮
১৫৩। ৰসৰাজ বেজবৰুৱাৰ চিঠি ২৭০
১৫৪। মথুৰামোহন বৰুৱাৰ চিঠি ২৭০
১৫৫। গোবিন্দ বেজবৰুৱাৰ চিঠি ২৭২
১৫৬। কর্মবীৰ ৰৰদলৈৰ চিঠি ২৭৩
১৫৭। ৰত্নেশ্বৰ মহন্তৰ চিঠি ২৭৫
১৫৮। অসমৰ ভূঁইকঁপ আৰু অমঙ্গলীয়া উৎপাতৰ আঁতিগুৰি ২৮০
১৫৯। হাতী চিকাৰৰ অভিধান ২৮৫
১৬০। অসমৰ প্রখ্যাত হাতী-ধনীসকলৰ নাম ২৮৮
১৬১। হাতী চিকাৰৰ গীত ২৮৮
১৬২। মোৰ ফাইলত থকা পুৰণি কুঁজি-থেকেৰা ২৯০
১৬৩। পদ্মনাথ গোহাঞিবৰুৱাৰ চিঠি ২৯০
১৬৪। ৰত্নকান্ত গোহাঞিবৰুৱাৰ চিঠি ২৯২

১৬৫। অমিয়কুমাৰ দাসৰ চিঠি ২৯৭
১৬৬। লক্ষ্মীনাথ ফুকনৰ চিঠি ২৯৮
১৬৭। ডঃ সূর্য্যকুমাৰ ভূঞাৰ চিঠি ৩০৫
১৬৮। নীলমণি ফুকনৰ চিঠি ৩০৮
১৬৯। মোহনৰাম শইকীয়াৰ চিঠি ৩০৯
১৭০। পার্বতিপ্রসাদ বৰুৱাৰ চিঠি ৩১১
১৭১। হেম গোসাঁইৰ বৰপুতেক শৰৎ গোসাঁইৰ চিঠি ৩১২
১৭২। দক্ষিণাকান্ত বৰুৱাৰ চিঠি ৩১২
১৭৩। শশীচন্দ্র বৰবৰুৱাৰ চিঠি ৩১৭
১৭৪। নাৰায়ণ প্রসাদ দাসৰ চিঠি ৩২২
১৭৫। কেৰামত আলিৰ চিঠি ৩২৪
১৭৬। ধ্বনিকবি বিনন্দ বৰুৱাৰ চিঠি ৩২৫
১৭৭। বকুলবনৰ কবিৰ চিঠি ৩৩১
১৭৮। যতীন্দ্রনাম খাউণ্ডৰ চিঠি ৩৩২
১৭৯। ৰূপনাথ ব্রহ্মৰ চিঠি ৩৩৩
১৮০। বাল্যবন্ধু মহেন্দ্রনাথ বৰুৱাৰ চিঠি ৩৩৪
১৮১। পুৰণি বন্ধু সহপাঠী ফাইজুৰ ৰহমান হাজৰিকাৰ চিঠি ৩৪৫
১৮২। ডিব্রুগড়ৰ পদ্মনাথ বৰঠাকুৰৰ চিঠি ৩৪৬
১৮৩। কুলধৰ চলিহাৰ চিঠি ৩৫১
১৮৪। সর্ব্বেশ্বৰ বৰুৱাৰ চিঠি ৩৫২
১৮৫। মহেন্দ্র বৰাৰ চিঠি ৩৫৩
১৮৬। ৰংবং তেৰাঙৰ চিঠি ৩৫৫
১৮৭। এখন আপুৰুগীয়া চিঠি ৩৫৬
১৮৮। প্রফুল্ল চন্দ্র বৰুৱাৰ চিঠি ৩৫৭
১৮৯। পৰনাথ শর্মাৰ চিঠি ৩৫৮
১৯০। ছৈয়দা আকেলা বেগমৰ চিঠি ৩৫৯
১৯১। শ্রীভুবন চন্দ্র সন্দিকৈৰ চিঠি ৩৬১
১৯২। শ্রীহোমেন বৰগোহাঞিৰ চিঠি ৩৬৩
১৯৩। অধ্যক্ষ সদানন্দ চলিহাৰ চিঠি ৩৬৪
১৯৪। শ্রীঘন শইকীয়াৰ চিঠি ৩৬৯

অলিখিত চিঠি ঃ কৃপাবৰ বৰবৰুৱা

[কৃপাবৰী প্ৰৱন্ধৰ পৰ্বতী]

কৃপাবৰ বৰবৰুৱা

['কৃপাবৰ বৰবৰুৱাৰ সামৰণি' নামৰ তলত 'অলিখিত চিঠি' নামেৰে দুখনমান চিঠি-টোকাৰ প্ৰৱন্ধ এটি 'বাঁহী' কাকতত প্ৰকাশ হৈছিল। সেইটিৰ প্ৰথমখন চিঠিত বিহুক অশ্লীল বোলা এজনক ৰুক্ষভাৱে খোঁতালি লিখোতাজনক থকা-সৰকা কৰিছে।

অসমৰ হাকিম এগৰাকীয়ে বিহ সম্পৰ্কে এইদৰে লেখিছিল—

"বহাগ বিহৰ লীলাখেলাই বিহ উৎসৱটো কলঙ্কিত কৰিছে। অশ্লীল গীত-মাতেই বিহৰ প্ৰধান বস্তু। হাটে-বাটে বহাগৰ প্ৰথম সাত দিন এই বীভৎস লীলা খেলাৰেই ব্যাপাৰ। বীভৎসতাৰ চূড়ান্ত হয়—গছ তল, বাঁহ তলত। ভাল ভাল ভদ্রলোকসকলেও এনে বীভৎস ব্যাপাৰক প্ৰশ্রয় দিয়ে। ইয়াৰ উৎপত্তি উজনি অসমতে বেচি।" ইত্যাদি।

কৃপাবৰী সাহিত্যৰ সোৱাদ ল'বলৈ হ'লে ৰসৰাজ বেজবৰুৱাই যি কথা বা মানুহ নাইবা একোটা বিষয়লৈ টোঁৱাই বা একোটা বিষয়কে উপলক্ষ্য কৰি হাঁহিৰে থুনপাক বা ৰসৰ মৌচাক সাজে তাৰ পৰ্বতীত থকা ঘটনা বা চৰিত্ৰ নাইবা তাৎপৰ্যটোহঁতৰ গম-গতি বা আও-ভাও পাব বা জানিব লাগিব। নহ'লে কৃপাবৰ বৰবৰুৱাৰ নামত সৃষ্ট হোৱা সাহিত্যৰ ধেমেলীয়া, টেটকুটীয়া, খুহতীয়া ৰসৰ আস্বাদ গ্রহণ কৰা অসম্ভৱ। কৃপাবৰ বৰবৰুৱাৰ কাকতৰ টোপোলাত যিমানবোৰ হাস্যৰসৰ ঘটনা বা চৰিত্ৰ আছে, সেই এটাইবোৰৰ গুৰিতে একোটি একোটি সত্য ঘটনা লুকাই আছে। সেই ঘটনাটো উজাৰি দিলে, কৃপাবৰৰ "ব্যঙ্গোক্তি বক্তব্য"ৰ স্বৰূপটো হাঁহিমুখে পাঠকৰ আগত থিয় হয়হি।

ওপৰত দিয়া চিঠিৰে সমিধান দিছিল বেজবৰুৱাই কৃপাবৰ ৰূপে প্ৰথমখন অলিখিত চিঠিত এই বুলি—

"সেই সময়ৰ এখন কাকতে লেখিছিল—"হেম বৰুৱাৰ অভিধান আৰু ব্যাকৰণৰ বাহিৰ হ'লে ভাষা 'অশুধ' হ'ব। কেৱল বৰবৰুৱা বৰ ডাঙৰীয়াৰ কাৰণে তলত দিয়া exception বিলাক থাকিব লাগিব। কাৰণ তেওঁ বৰবৰুৱা !!

আমিও তথাস্তু বুলিছো।"

"Exception : 'হেমকোষৰ' আখৰ যোঁটনিৰপৰা যে চুলি এডালৰ সমানো আঁতৰিব নেপায়, তেহেলে বামুণেই মৰক বা লঙণেই ছিগক, এনে কথা ক'তো নাই। হেমকোষত 'সুধিলোঁ' আছে বুলিয়েই যে 'শুধিলো' লিখাটো মহা ভুল এই কথা মানিবলৈ টান। ৩৭ বছৰৰ আগেয়ে হেমচন্দ্ৰ বৰুৱাই অসমীয়া ভাষা বান্ধিবলৈ বটা জৰিডাল এতিয়া অলপ চিলাবৰ হৈছে।

ইমানতো যদি কোনোবাই বৰবৰুৱাৰ ভাষাত ভুল ধৰিবৰ চেষ্টা কৰে তেন্তে আমি নিজৰ মত বাহাল ৰাখিবৰ কাৰণে পিতৃ-মাতৃৰ দোহাই দিম।"

বেজবৰুৱাই 'হেমকোষ' মানি হেমকোষৰ বৰ্ণবিন্যাসমতে নচলা দেখি এইজন বাটলুণ্ডীয়া লেখকে কৃপাবৰী ভাষা এনেকুৱা হ'ব লাগে বুলি লেখিছিল---

'তুলাপাতদেক ছেপাত মাৰি উলিৱাহেঁতেন তেখেতৰ কাইব চেৰেকৰ সমলৰ খাতিৰে চাঁচৰি কোবাই একা চেকাকৈ ধুমুখুলি বাই ফুৰিবহি নেলাগিলহেঁতেন একোঁ। এহেলৈ মৰা ম'ৰা মৰাত পুইণে নপশিলেও বৰহমবধীৰ লেখিয়াকৈ মৰাটোৰ অধৰম নহয় দেইবা---ইত্যাদি।"

ইয়াৰে উত্তৰ দিছিল দ্বিতীয়খন চিঠিত।

ইবিলাকৰ উৎপত্তি নোকোৱাই ভাল। 'দেৱতাৰ উৎপত্তি ক'লে ৰং, মানুহৰ উৎপত্তি ক'লে খং'। কাৰোবাৰ গাত লাগিবলৈ পাৰে।]

কৃপাবৰ বৰবৰুৱাৰ সামৰণি
(অলিখিত চিঠি)

সম্পাদকদেও, বিহু ওচৰ চাপি আহিছে। আপুনি বিহুৰ সংখ্যা বাঁহীত বিহুৰ কিবা ছবি উলিয়াব বুলি ভাবিছোঁ। সেই দেখি এতিয়াই আপোনাক একেষাৰ কথা কৈ থওঁ। গলবাৰৰ বিহুৰ সংখ্যাত আপুনি বিহুৰ অশ্লীল নাচ আৰু গীত উলিয়াইছিল। সাৱধান এইবাৰ যেন তেনে নকৰে। আমি সেই গ্রাম্য ছবি আৰু গীত দেখি কিমান যে লাজ পাইছিলোঁ তাক কি কম? বাঁহীত ছবি আৰু গীত বৰ্ত্তমান ওখ সভ্যতা আৰু উচ্চ শিক্ষা অনুসৰিহে হোৱা উচিত। বিহু-নাম আৰু বিহু-নাচ দেখোতেই অশ্লীল। আজি কালিৰ 'বৈঠকী টপ্পা' থিয়েটাৰৰ সুৰুচিব্যঞ্জক নাচ, হুইস্কি পানী, অভাৱত লাওপানী আৰু ভাং ইত্যাদিহে আমাৰ ক্লাবত সোমাবৰ উপযুক্ত সভ্য বস্তু। আপুনি বিদেশত থকা বাবে দেশৰ উন্নত অৱস্থাৰ কথা একো নেজানি out of date হৈ পৰিছে।

কি কিমধিকমিতি

শ্রীশ্রীল শৰ্ম্মা মিশ্রস্য

ডাঙৰীয়া, আপুনি বাঁহীত ইমানকৈ গ্ৰাম্য শব্দ ব্যৱহাৰ কৰি অসমীয়া ভাষাটোৰ মুণ্ডং চৰ্ব্বনং কৃতং কিয়ং ? মই মোৰ জীৱনত অনেক ঠাই পৰিভ্ৰমণ কৰিছোঁ---শান্তিপুৰ, কহকছি, দলদলি, ডিব্ৰুগড়, লাদৈগড়, গহপুৰ, শোণিতপুৰ ক'তো কোনো উচ্চ শিক্ষা পোৱা লোকে আপোনাৰ দৰে গ্ৰাম্য শব্দ ব্যৱহাৰ নকৰে, কোনেও আপোনাৰ দৰে 'ছোটলোকৰ' উপমা ব্যৱহাৰ নকৰে। ইয়াৰ কাৰণ কি ? আপোনাৰ ঘৰ শিৱসাগৰত আছিল বুলি শুনিছোঁ। আপোনাৰ পিতৃ-মাতৃ ভাল মানুহৰ ঘৰৰ বুলিও লোক পৰম্পৰায় শুনা যায়। মইতো অবাক ! মইওতো কৰ্দ্দৈবাৰ মৌজান্তৰ্গত বটাকুচি গ্ৰাম নিবাসী বিখ্যাত ভোম-কেৰেঙ্গা নামাখ্য মিশ্ৰোপাধিধাৰী দ্বিজস্য অপত্যং পুমান্। মই দেখোন ঋজুপাঠঁ, পঞ্চতন্ত্ৰাদি তন্ত্ৰানি, বৰ্ণমালা কঞ্চকন্যা দুগ্ধবোধ মুগ্ধবোধাদি শাস্ত্ৰানৈ অধিতানি তথাপিতানি এবমাদিনি উপমানি বাক্যানি ন প্ৰাপ্তানি ত্বং নো কুতঃ পালা হেঁ ? অলমতি বিস্তৱেন।

শ্ৰীটকৰুকান্ত বিদ্যাৰ্ণৱস্য।

সম্পাদক ককাই,---তোমাবনো পানেশৈ, বতাহী, চতৰী আদি গল্পবোৰত 'ওখ ভাৰৰ পয়দা' নহয় কিয় ? তুমি স্কুল-কলেজত লেখা পঢ়া নিশিকি একেবাৰেই ফাকি মাৰি আহিলা নেকি ? নাইবা, তাত ৰূপৰান নিদি মাথোন ধান দি লেখা-পঢ়া সমাই লৈছিলা ? তুমি ভুংটোৰ ইলেকট্ৰিচিটি, বুনচেনৰ চেল, নিউটনৰ ল-অৱ গ্ৰেভিটেচন, গেলিলিও, কপনিকচৰ থিয়ৰিৰ নাম শুনা নাইনে ? সেইবোৰৰ উপমা আৰু ভাব তোমাৰ পানেশৈ, ডেকা ককা আদি গল্পবোৰত সুমাই দি সেইবোৰ গহীন নকৰি ফুচুৰি কৰিলানো কিয় হেঁ ? বিদ্যা নাই, জ্ঞান নাই, কিতাপ লেখিবলৈ যোৱা ?"

শ্ৰীহাতীয়া নন্দন ভুয়াঁ, বি-এ

ডাঙৰীয়া,---আজি দুখেৰে আষাৰ চেৰেক কথা আপোনাৰ বাঁহীত প্ৰকাশ কৰিবলৈ লেখিলো। আমাৰ এই চহৰখন গুচিল। ৰসাতললৈ গ'ল। আমাৰ ইয়াত গুণীৰ গুণ মানীৰ মান নুবুজা হ'ল। শুনক-চোন বাৰু, সিদিনা দৰবাৰত মইহেন মানুহটো থাকোঁতে আন এটাই

'প্ৰক্লেমেচন'খন পঢ়ে। মই হেন লোকজন থাকোঁতে আমাৰ ভাষাৰ সভাত আন এমখাই কৈচালি কৰে! লেখায়, পঢ়ায়, বক্তৃতায়, 'চেহেৰায়', মানে-সম্ভ্ৰমে মোৰ নিচিনা কোনটো ইয়াত আছে? মই নহলে চহৰখন এখোজো চলিব নোৱাৰে; তথাপি মোক অপমান! সেই দেখি আমি ডেৰডজন মান সিদিনা উচাৎ মাৰি ফাটিলোঁ। মোক কাৰো কৰি নিনিলে মই সভা খাণ্টাং কৰিম। বন্ধ কৰিম, দেশত হলস্থূল লগাম। সৰ্ব্বনাশ কৰিম! মই! মই! মই! আপুনিও দেশৰ হিতৰ অৰ্থে মোৰ পক্ষে আন্দোলন কৰক।

আপোনাৰ ওল্ড ফ্ৰেণ্ড

শ্ৰীগদাধৰ বৰুৱা

বামুণে শূদিৰৰ হাতে পকা জলপান, আৰু শূদিৰে বামুণৰ হাতে কেঁচা তামোল খোৱাৰ কথালৈ দলাদলি আৰু পৰাচিতৰ বিষয়ে হোৱা আন্দোলনটোৰ সবিশেষ বৃত্তান্ত মোলৈ পঠিয়াব। মই আমাৰ লেবৰ সভাত আৰু ইণ্টাৰ্নেচনেল কংগ্ৰেচ সভাত সেই বিষয়ে ৰিজলিউচন এটা move কৰিম।

মেক্‌ডনাল্ড।

চিঠি নেলেখোতাৰ প্ৰতি উত্তৰ---

ন, ব---আপোনাৰ প্ৰবন্ধটো ছপাব নোৱাৰি দুখিত হলোঁ, কাৰণ সি চুটি। তাৰে তলত পৰাখন হৈছে। জাপলৈ নাটনি পৰিল। সি আৰু অলপ দীঘল হোৱাহেঁতেন কোনো কথাই নাছিল।

হ, চ, পণ্ডিত---আপোনাক যদি আপোনাৰ ছাতৰবোৰে নামানে, তেন্তে সিহঁতৰে সৈতে আপুনি চেলেউ হোঁপক, নিশ্চয় অৱস্থাৰ উন্নতি ঘটিব।

গ, জ, ছাত্ৰ---মাষ্টৰে যদি ডিচিপ্লিনৰ জৰি টানি তোমালোকক কষ্ট দিছে, তেন্তে কিলাকুটি বাদ্যং বিধেয়। সেই বাটেদি গ'লে আগলৈ তোমালোক একোজন বীৰ পুৰুষ হ'বা।

দ, ক---ঘৰে-ঘৰোৱাহে যদি তোমাক ছাত্ৰাৱস্থাতে বিয়া কৰাবলৈ ধৰিছে, তেন্তে খাটাংকৈ কৈ দিয়া 'নকৰাওঁ'।

খ, চ---আপুনি স্বাধীন ভদ্ৰলোক, আপোনাৰ জগত্ যোৱাজন গ্ৰেজুৱেট ই-এ-চি। তেওঁ যদি, এ, বি, ৰেলৰ ইঞ্জিনিয়ৰ

(বাটৈ) চাহাবক দেখি ঘোঁৰাৰ পৰা নামিল, আপুনিনো নানামিল কিয়? তেওঁতকৈ হ'বলা আপোনাৰ মানটো ডাঙৰ? তেওঁক সিদিনা যে গাঁৱত কিলালে, আপোনাকনো নিকিলালে কিয়? তাৰ মানেটো ভাবি পোৱা নাই হবলা? জানেনে—বৰ-গছতহে বৰকৈ বতাহ লাগে? আৰু চিকা মাৰি কোনেও হাত নোগোজোৱায়।

চ, হ—আপুনি লেখিছে বৰবৰুৱাই 'বৃন্দা, চন্দ্রাৱলী' আদি নিলাজ কবিতা বাঁহীত লেখি পঠাশালিৰ ছাতৰ বিলাকৰ মূৰ খালে। আৰু আপুনি নিজ চকুৰেই তলত দিয়া ঘটনাকেইটা হোৱা দেখিছে, (১) ৯ টা স্কুলীয়া ল'ৰাই প্রেম কবিতা লেখি বস্টিকেটেড্ হৈ ৰাজ আলিয়ে আলিয়ে চিগাৰেট হুঁপি ফুৰিছে। (২) এজনী বিবাহিতা তিৰোতাই গিৰিয়েকলৈ লিখা চিঠিত 'প্রাণনাথ' বুলি সম্বোধন কৰিছে। (৩) এজন গ্রেজুৱেট হাকিমে গধূলি বিংবিঙাই ফুৰি কিল খাইছে। (৪) এজন চেটোলমেণ্টৰ হাকিম, এজন চব্‌ডেপুটী হাকিম হুইস্কী-পানী খাই খাৱৈত পৰিছে। (৫) ইটাখলি মৌজাৰ মণ্ডল 'কিডনেপিং কেচ'ত পৰিছে। (৬) মেৰাকান্ত পণ্ডিতক ডোম জৰে ধৰিছে। ইত্যাদি কাৰণত আপুনি বৰবৰুৱাক গালি পাৰি এখন চিঠি লেখি ছপাব খুজি সুধিছে যে তাত আপোনাৰ নাম দিবনে নিদিব? আমি কওঁ নিদিব। মাত্র চিৰী 'শ'ত দীর্ঘ-ঈকাৰ দি থৈ দিয়ক; কাৰণ বৰবৰুৱা বৰ খটাসুৰ মানুহ—পালে তাক তেওঁ বৰকৈ কোবোৱাৰ স্বভাৱ এটা আছে।

আ, উ, সা, সভাৰ সম্পাদক গুণাভিৰাম বৰুৱাৰ গোহাৰি

(কলিকতাত 'আসাম উন্নতি সাধিনী সভা'ৰ প্রথম প্রতিষ্ঠাপক সম্পাদক গুণাভিৰাম বড়ুৱাই ১৮৯০ চনত সভাৰ আৰম্ভণিতে এই অনুষ্ঠানৰ লক্ষ্য আৰু উদ্দেশ্য বর্ণনা কৰি অসমবাসী ৰাইজলৈ এই গোহাৰি পত্র প্রকাশ কৰিছিল।)

শ্রী শ্রী শঃ

মান্যবৰ শ্রীযুক্ত

মহোদয়েষু।

সবিনয় নিবেদন ঃ—

আমাৰ পূৰ্বপুৰুষসকলে যি যি বস্তু আজিছিল আৰু যাৰ উন্নতিৰ নিমিত্তে বিশেষ যত্ন কৰিছিল সেইসকল আমাৰ পৈত্রিক ৰাজহৰা সম্পত্তি। আমাৰ আপোন আপোন পৈত্রিক সম্পত্তি যেনে ৰূপে নষ্ট হোৱাৰ পৰা ৰক্ষা কৰোঁ আৰু তাৰ উন্নতিৰ নিমিত্তে যত্ন কৰোঁ, আমাৰ দেশৰ ৰাজহৰা সম্পত্তিও আমি সেইৰূপে ৰক্ষা কৰিব পাওঁ আৰু তাৰ উন্নতিৰ অৰ্থে সাধ্যানুৰূপে উদ্যোগ কৰিব পাওঁ। কিন্তু দুখৰ বিষয় এই যে আমাৰ পূৰ্বপুৰুষসকলে যি সাহিত্য আৰু শিল্পজ্ঞান উপাৰ্জ্জন কৰিছিল আৰু যি আমাৰ জাতীয় জীৱন আৰু গৌৰৱৰ ৰাজহৰা বস্তু সেইবোৰ ক্রমে লোপ পাবলৈ ধৰিছে। ইয়াৰ পৰা আমাৰ জাতীয় জীৱনৰ দুৰ্ব্বলতাৰ জাজ্জল্যমান প্রমাণ ওলাইছে।

ইয়াৰ প্রতিবিধান কৰিবলৈ এই কলিকতা মহানগৰত 'আসাম উন্নতি সাধিনী সভা' নামে এখন সভা সংস্থাপিত হৈছে।

অসাম দেশৰ দেশীয় সাহিত্য আৰু শিল্পাদি লোপ পোৱাৰ পৰা ৰক্ষা কৰা আৰু তাৰ উন্নতি সাধিবলৈ যত্ন কৰাই এই সভাৰ মূল উদ্দেশ্য। সভাৰ নিয়মাৱলীৰ সংক্ষেপ বিৱৰণ তলত দিয়া হ'ল।

ইয়াৰ মূল ঠাই সম্প্রতি কলিকতা মহানগৰীত হ'ব আৰু আসাম প্রদেশৰ এক কি অধিক ঠাইত ইয়াৰ শাখা সভা প্রতিষ্ঠিত হব পাৰিব। ১৮ বছৰ বয়সৰ কম নোহোৱা কি স্ত্রী কি পুৰুষ সকলোৱেই এই সভাৰ সভ্য হ'ব পাৰিব। সভ্য দুই শ্রেণীৰ, প্রথম, সাধাৰণ; দ্বিতীয়, সম্ভ্রান্ত। সাধাৰণ সভ্যই মাহিলি দু অনা সভাৰ কার্য্যৰ অৰ্থে দান কৰিব লাগিব। সভাৰ সভ্য হ'বৰ নিমিত্তে কোনো লোকে লেখি বা মুখেৰে সভাত প্রার্থনা কৰিব পাৰিব। অথবা কোনো সভ্যই আন কোনোজনক সভ্য মনোনীত কৰিব পাৰে। সভাৰ কার্য্য চলাবলৈ এবছৰৰ নিমিত্তে এজন সম্পাদক আৰু দুজন সহকাৰী সম্পাদক থাকিব। এই সভাৰ মাসিক অধিবেশন প্রতি মাহৰ প্রথম ৰবিবাৰে হ'ব।

এই মহৎ উদ্দেশ্যেৰে 'আসাম উন্নতি সাধিনী সভা' প্রতিষ্ঠিত হৈছে। আমি আশা কৰিছোঁ আমাৰ দেশৰ সকলো লোকে এই সভাক সকলো প্রকাৰে সাহায্য কৰিব।

আপুনি এই সভাৰ সভ্য হৈ এই মহৎ উদ্দেশ্য সাধিবলৈ কায়-মনোবাক্যে উপদেশ আৰু অর্থেৰে সাহায্য কৰিব আৰু আপোনাৰ সাধ্যমতে দেশত ইয়াৰ উদ্দেশ্য প্রচাৰ কৰি উপকাৰ কৰিব, এই প্রার্থনা।

অহা ১লা অগ্রহায়ণ ১৯ নবেম্বৰ ৰবিবাৰে এই সভাৰ ৩য় মাসিক অধিবেশন হব। জাতার্থে জনালোঁ। ইতি।

৬৬, মির্জাপুৰ ষ্ট্রীট, কলিকতা,
৬ আশ্বিন ১৮১২ শকাব্দ।

শ্রীগুণাভিৰাম বড়ুৱা
আ, উ, সা, সভাৰ সম্পাদক।

স্নাতকোত্তৰ শিক্ষাত উত্তীর্ণ প্রথম কুৰিজন অসমীয়া

[১৯১৭ চনলৈকে এম-এ, এম-এছ-চি পৰীক্ষাত উত্তীর্ণ হোৱা প্রথম কুৰিজন অসমীয়াৰ নাম 'আসাম বিলাসিনী' কাকতৰ ১৯১৭ চনৰ ১৬ আগষ্ট সংখ্যাত প্রকাশ পাইছিল। ইয়াৰ ভিতৰত প্রথমে নাম থকা ৰাধানাথ ফুকনেই অসমৰ প্রথম স্নাতকোত্তৰ উপাধীধাৰী।]

অসমীয়া এম এ আৰু এম্ এচ-চি

ইতিপূর্বে আমাৰ অসমীয়া এম-এ ২০ জন বুলি লিখা হৈছিল। সকলোৰে নাম দিয়া নাই। এতিয়া তালিকা দিয়া হৈছে।

নাম	বিষয় শ্রেণী	শ্রেণীৰ কোন ঠাই	ইউনিভার্চিটিৰ কোন ঠাই
১। শ্রীযুত ৰাধানাথ ফুকন, এম-এ, বি-এল	ফিজিকছ	২য়	৬	৮

২।	শ্রীযুত অন্নদা চৰণ ভট্টাচার্য্য এম-এ	ফিলছফি	৩য়	২	৭
৩।	শ্রীযুত কালিৰাম মেধি এম-এ	ফিজিকছ	২য়	৪	৫
৪।	শ্রীযুত যোগেন্দ্রনাথ বৰুৱা এম-এ	বোটানি	৩য়	১	২
৫।	মৌঃ চাআদুল্লা এম-এ, বি-এল	কেমিষ্ট্রি	৩য়	৩	৫
৬।	মৌঃ আটৌৰাৰ ৰহমান এম-এ	ইংলিছ	৩য়	৬	২২
৭।	শ্রীযুত বিষ্ণুচন্দ্র বৰুৱা এম-এ, বি-এল	হিষ্টৰী	৩য়	৮	২০
৮।	শ্রীযুত মহেন্দ্র নাথ গোহাঁই এম-এ, বি-এল	কেমিষ্ট্রী	৩য়	২	১৪
৯।	শ্রীযুত প্রেমধৰ গোহাঁই এম-এ	ফিলছফি	২য়	৮	১০
১০।	শ্রীযুত লক্ষীনাথ শৰ্ম্মা, এম-এ	সংস্কৃত	৩য়	২	৯
১১।	মৌঃ আলিমুদ্দিন আহমদ এম-এ, বি-এল	ইকনমিক্স	৩য়	৮	১৪
১২।	শ্রীযুত বিষ্ণুৰাম মেধি এম-এছ-চি, বি-এল	কেমিষ্ট্রি	২য়	২	৪
১৩।	শ্রীযুত গোলোকচন্দ্র বৰুৱা এম-এ, বি-এল	ফিলছফি	৩য়	১৯	৩৬
১৪।	শ্রীযুত নীলমাধৱ বৰুৱা এম-এ বি-এল	ফিলছফি	৩য়	২১	৩৮
১৫।	শ্রীযুত গোপীনাথ বৰদলৈ এম-এ, বি-এল	হিষ্টৰী	২য়	১১	২২
১৬।	শ্রীযুত সিদ্ধেশ্বৰ গোহাঁই এম-এ, বি-এল	ফিলছফি	২য়	২৩	২৬
১৭।	শ্রীযুত সূর্য্য কুমাৰ ভূঞা এম-এ	ইংলিচ	২য়	৫	৫

১৮।	মৌঃ হবিবৰ বহমান এম-এ	ইংলিচ	৩য়	৭	৩৩
১৯।	শ্রীযুত পদ্মধৰ চলিহা এম-এ	ইংলিচ	৩য়	৮	৩৪
২০।	শ্রীযুত ধর্ম্মেশ্বৰ দাস এম-এ	ইংলিচ	৩য়	৩২	২১

এই ২০ জনৰ ভিতৰত ৫ জন ই-এ-চি, ২ জন চব ডেপুটি, এজন শিক্ষা বিভাগৰ ইন্সপেক্টৰ, এজন হেডমাষ্টৰ, ৭ জন উকীল, ৪ জন বাহিৰা আৰু কলেজত আছে। যি কেইজন ই-এ-চি এছ-ডি-চি হৈছে সেই কেইজনৰ গুণৰ বিষয়ে গবর্ণমেণ্টে জানিছে আৰু উকীল হৈ থকা কেজনকো নজনাকৈ থকা নাই। তেনেস্থলত আমি এম-এ পাছ কৰাৰ ভিতৰতো প্রফেচাৰলৈ যে উপযুক্ত হব তাক আমি ডাঠি কওঁ। চীফ কমিছনাৰ বাহাদুৰে দুজনমানক কামত লগাওক। বঙ্গালীৰ লগত নিশ্চয় যোৰ দিব পাৰিব।

বসৰাজলৈ সাহিত্য সভাৰ অভিনন্দন পত্র

[১৯৩১ চনত বসৰাজ বেজবৰুৱাক শিৱসাগৰত এই অভিনন্দন পত্রেৰে সাহিত্য সভাই প্রথম বাজহুৱা অভিনন্দন জনাইছিল।]

চেনেহী অসম জননীৰ সুসন্তান,
সুৰুদী মাতৃভাষাৰ কৃতী সেৱক,
সাহিত্যৰথী শ্রীযুক্ত লক্ষ্মীনাথ বেজবৰুৱা
ডাঙৰীয়াৰ কৰকমলেষু

হে মাননীয় ডাঙৰীয়া,

এই 'চিকুণী অসমী আই'ৰ অতীজৰ গৌৰৱেৰে ভৰ-পূৰ, অহম ৰজাসকলৰ ৰাজধানী আৰু আপোনাৰ অতি মৰমৰ ওপজা ঠাই শিৱসাগৰত লালিত পালিত হোৱা সেই ছাত্র জীৱনৰে পৰা, সুদূৰ

সম্বলপুৰত ব্যৱসায় সূত্ৰত আৱদ্ধ থকা এই ভাটী বয়সলৈকে, পঢ়োঁতে পমি যোৱা, শুনোতে শাঁত-লগা, মৌ-বৰষা মাতেৰে, অসমীয়া ভাষাৰ আশাশুধীয়া চৰ্চ্চা আৰু বিস্তোপন বিকাশ কৰি আপুনি মাতৃভাষাৰ জেউতি চৰাই আছে।

তাহানিৰ বিদেশীসকলে আমাৰ ভাষাৰ ওপৰত নিষ্প্ৰভ আজ্ঞাৰৰ ছাঁ পেলোৱা কালত আপুনি আপোনাৰ সহযোগী সুযোগ্য বন্ধুসকলেৰে সৈতে 'জোনাকী'ৰ পোহৰেৰে আমাৰ ভাষাৰ মুখ উজ্জ্বল কৰি থৈছে।

আপোনাৰ বহুমূলীয়া জীৱনৰ কৰ্ম্মশীল ডেকা কাল আৰু চিন্তা-শীল ভৰ বয়স বিদেশত অনেক জঞ্জালৰ মাজত কটাৰ লগীয়া হৈয়ো আপুনি এই দুখুনী অসম দেশলৈ আৰু নিঃকিন অসমীয়া প্ৰজাসকললৈ নিজৰ মৰম অটুট ৰাখি নানা-তৰহৰ গীত, কবিতা, নাটক, উপন্যাস আদি সাহিত্যৰ বাছকৰনীয়া আভৰণেৰে মাতৃভাষাক সজাই আছে।

অসমীয়া সমাজৰ মাজত স্বদেশ প্ৰীতিৰ প্ৰচাৰ কৰিবলৈ, মাতৃ-ভাষাৰ প্ৰতি জনসাধাৰণৰ অনুৰাগ বঢ়াবলৈ আৰু আসামত জাতীয় জাগৰণৰ উদ্গনি দিবলৈ আপুনি কলিকতাত তাহানিখনেই প্ৰতিষ্ঠা কৰা 'বাঁহী'ৰ সুললিত সুৰেৰে লুইতৰ ইপাৰ সিপাৰ চৌৱাই এতিয়াও অস-মীয়া ৰাইজৰ মন মুহি আছে।

অসমীয়া ভাষাৰ মধ্যযুগৰ ধৰণী, অসমীয়া পুৰণি সাহিত্যৰ গুৰিয়াল আৰু প্ৰকৃতিৰ কাম্যভূমি কামৰূপত বৈষ্ণৱ-ধৰ্মৰ প্ৰৱৰ্ত্তক মহাপুৰুষসকলৰ জীৱনীৰ সম্যক সমালোচনা কৰি, আপুনি তেখেত সকলৰ বহুবিধ কীৰ্ত্তি যুগমীয়া কৰিবলৈ সমুচিত যত্ন কৰি স্বদেশৰ আৰু স্বজাতিৰ গৌৰৱ অক্ষুণ্ণ ৰাখিবলৈ সমৰ্থ হৈছে।

হে মহানুভৱ!

আপোনাৰ অশেষ সুকৃতিৰ আদৰ কৰিবৰ উদ্দেশ্যেৰে অসমীয়া গুণগ্ৰাহী ৰাইজৰ হৈ, সাহিত্যানুৰাগী সুধীসকলৰ হৈ, আসাম সাহিত্য সভাই আপোনাক অতি আনন্দেৰে আন্তৰিক সম্বৰ্দ্ধনা কৰিছে আৰু অভিনন্দনৰ এই আভাস মাথোন জনাইছে; আৰু আগলৈকো আপুনি নিজৰ ভাষাৰ আৰু দেশৰ নাম যাউতিযুগীয়া কৰিবলৈ সমৰ্থ হ'ব, ইয়াকে সাহিত্য সভাই আশা কৰিছে আৰু সেই উদ্দেশ্যেৰে আপোনাৰ দীৰ্ঘ আৰু সুস্থ জীৱন কামনা কৰি জগদীশ্বৰৰ চৰণত

প্ৰাৰ্থনা জনাইছে। সাহিত্য সভাৰ অশেষ ত্ৰুটীলৈ লক্ষ্য নকৰি, সমজুৱাসকলৰ আন্তৰিক স্নেহ আৰু শ্ৰদ্ধাক আদৰ দেখুৱাই এই অকিঞ্চন অভিনন্দন গ্ৰহণ কৰি আপুনি আসাম সাহিত্য সভাক যেন কৃতাৰ্থ কৰে।---ইতি

আপোনাৰ গুণ-মুগ্ধ আসাম সাহিত্য সভাৰ সভ্য সকলৰ হৈ---

শিৱসাগৰ সাহিত্য সন্মিলন
১৩ পুহ, ১৮৫৩ শক
ইং ২৯ ডিচেম্বৰ, ১৯৩১

শ্ৰীদেবেশ্বৰ চলিহা
প্ৰধান সম্পাদক
আসাম সাহিত্য সভা, যোৰহাট।

পাৰ্ৱতিপ্ৰসাদ বৰুৱাৰ কবিতা আৰু চিঠি

॥ কণ্ঠ হীন ঃ উদং পিয়লা ॥

তোমাক আগতে নেপালোঁ।
যেতিয়া আছিল প্ৰাণ ভৰপূৰ
জীৱন থৌকি বাথৌ,
তেতিয়া নাহিলা তুমি।
আহিছিলা যদি দূৰতে থাকিলা
দেখিলো ৰিণিকি ৰিণি,
নেপালোঁ চিনি,
জীৱন এনেয়ে গ'ল।

আজি অক্ষণত দিছা দৰিশন
জীৱনৰ শুকান সুঁতিত,
কাষৰত বহি দিছাহি মাত,
হাততে ৰাখিছোঁ হাত।
আজি মোৰ হাঁয়,
ভগা জীৱনত
একো নাইকিয়া দিবলৈ।

কণ্ঠত নাই গান।
তথাপিতো যদি হেপাহ পলোৱা নাই
শূণ্য ঘৰত যি আছে তাকে
লৈ ষোৱা বাৰে বাৰে
সকলোটি দিছো উজাৰি।
উদং পিয়লা যাচিছোঁ বন্ধু
গেদেৰি টুপিকে পিয়া।

২৬ মাৰ্চ ১৯৬২।
পুৰা

— —

সোণাৰি
মৰমৰ শৰ্ম্মা ২৭।৫।৬১

তোমাৰ ৬।৫।৬১ তাৰিখৰ চিঠি পালোঁ। তাৰ কেইদিনমান আগৰে পৰা এতিয়ালৈকে প্ৰায় পঁচিছ দিন ঢাৰিপাটীকে মোৰ বুলি লৰচৰ কৰিব নোৱৰা হৈ পৰি আছোঁ। এনেয়ে আজি ছাবে সাত বছৰ পক্ষাঘাতত পঙ্গু, তাতে আকৌ এতিয়া একে লগেই দুয়োটা ভৰিত ধ্ৰন্তিবাতে চিৰিঙনি পাৰিছে। ---শেতেলীতে বহি মিচিক মিচিক হাঁহি জীৱন দেৱতাৰ ধেমালিখন চাই আছোঁ। কেনেবাকৈ গান এটা গাওঁ বুলিও কণ্ঠটো আগতে হৰি নিলে।

বুজিছো, জীৱনৰ মেলাচকৰত "হেন্দিকেপ" দৌৰিছিলোঁ। স্বৰ্গীয় দেউতাই ভাল মানুহৰ সকলোখিনি ওখ আদৰ্শ আগত এৰি থৈ ষোৱাৰ লগতে কেই অযুতমান ধাৰো এৰি "হেন্দিকেপ" দৌৰিবলৈ লগাই থৈ গৈছিল। সেই যে দৌৰিলোঁ আজিলৈকে ব'ব পৰা নাই। বহুত দৌৰিলোঁ, বহুত খেলিলোঁ আৰু বহুত দেখিলোঁ।

দেখিলোঁ---

"জীৱনৰ মৌৰহ উপচি পৰিছে
চৌদিশ চৌ চোৱাই;
পইছা লেখোতাৰ লেখোতেই আহকাল
চাবৰ হে সময় নাই।"

দেখিলোঁ----

"ৰাইজৰ তেজেৰে ৰঙাঘৰ সাজিলে
বঙহক কৰিলে পৰ।"

জীৱনৰ প্ৰথম প্ৰয়োজন পইছা; বহুত আজিলো, বহুত উৰালোঁ। মোহ হোৱা নাই। সংসাৰত ভগৱন্তৰ অনুগ্ৰহ বহুত পাইছিলোঁ, অপব্যয়ো কৰিলোঁ---এতিয়া তিতি বুৰি দেখিলোঁ---জীৱনে জুকলা কৰি এৰি থৈ গ'ল। সেয়েহে আজি গাইছোঁ---

"অশেষ দিলা, ভৰাই দিলা
জীৱনৰ সাজ পানী টুপি
গেদেৰিয়ে সৈতে তিতা কৰি দিলা।
তোমাৰ টুণত কিমান আছে শৰ?
খোলা বুকুখনি উদঙাই দিলোঁ
আগ বঢ়াই।
মুখেৰে নেমাতি আচামী হাজিৰ।
একো ঠেঁহ নাই।
কিন্তু তথাপি
ধূলি মাটিৰ এই ধৰণী খনিক
সাবটিবলৈ নেৰিছোঁ।"

তোমাৰ ন ঘৰ লোৱা শুনি ভাল পালোঁ। স্বৰ্গীয় ককাইদেউৰ লিখাবোৰ প্ৰকাশ কৰাৰ বিষয়ে একো নেলেখিলা দেখোন। তুমিতো ঘুৰি ফুৰা মানুহ; চৌতে খৰ মাৰি এবাৰ এইফালে পাক নেমাৰা জানো? মৰম চেনেহ ল'বা।

তোমাৰ মৰমৰ
পাৰ্ৱতিপ্ৰসাদ

সোণালী পাম, সোণাৰি
ভোগালী বিহু
॥ ১৯৬২ ॥

মৰমৰ শৰ্ম্মা,

এই উদংকালি তুমি চাগৈ কোন দীকছৌত ফুৰিছাগৈ,---আগছি-বলৈকে বুলি এই চিঠিৰে ফৰ্ম্মুঠি মাৰিবলৈ ধোদৰ পচলা নিজৰি কাপ ডাল তুলি লৈছোঁ।

সকতে উমলি ফুৰোঁতে নামঘৰৰ পানীপোতা জাৰৰ মাজত এখুদমান সোণৰ আসনৰ আওঠি এটা হেৰাই পাইছিলোঁ। তুমি শামুকৰ

পেটৰ মাণিক চিনি পোৱা মানুহ বুলি মোৰ আজি-কালিৰ ঘুণে ধৰা মগজৰ জাবৰ, সাম্প্ৰতিক লিখা তিনিটা পঠালোঁ; তাত আসনৰ আওঠিৰ সলনি অন্ততঃ তেজপুৰলৈ যোৱাৰ খৰচ ফেৰাও বিচাৰি পোৱা যদি মোক জনাবা। তুমি আগতে কাৰোবাক তেনে দিহা দিয়াটো মোৰ মনত আছে। এতিয়াও বাপুৰ চুন খায়েই মৰোঁ বুলি ফুটমণিয়াৰ তোমাৰ কাষ চাপিছোঁ।

ইস্কুলত ৺পাৰ্ব্বতী পণ্ডিতৰ শ্ৰেণীত "অনিশ্চিতাৰ্থে হ'বলা প্ৰত্যয়" আৰু সহপাঠী ৺পুনাৰাম গগৈৰ নামটো "পুনঃ আৰাম পুনাৰাম" শিকোৱালৈকে ব্যাকৰণৰ চেঁকুৰ মেলিছিলোঁ। তাৰ পাছত শ্ৰীযুত গৌৰী দত্ত পণ্ডিতৰ শ্ৰেণীত "I under government stand, I not under public stand" হোৱাত ঘকৰা শিক্ষক ৺ঘনশ্যাম শৰ্ম্মা স্মৃতিৰত্ন, ব্যাকৰণ তীৰ্থৰ শৰণ পশিলোঁ। তেওঁ প্ৰৱেশিকাৰ পাঠ্য "অস্তি গোদাবৰীতীৰে বিশাল শাল্মলীতৰুঃ"ত সন্তোষ নহৈ মহাকবি কালিদাসৰ কুমাৰ সম্ভৱম্, ৰঘুবংশম্, মহাকাব্যৰ মৌৰহ-ঘৰাৰ মৌ চুহিবলৈ আৰু পোনতে ব্যাকৰণৰ কোটোৰাটো ভাঙি কাব্য-ৰসৰ নাৰিকল খাব পৰা কৰিবলৈ বুলি উপক্ৰমণিকা সিদ্ধান্ত কৌমুদীৰ লগতে পাণিনিও জাপি দি তীৰ্থৰ বাট দেখুৱাই দিলে। উপসৰ্গবোৰৰ কোনোমতে পাৰ হলোঁ হয়, ষত্ব, ণত্ব বিধানতে লেঠা লাগিল, তথাপি নাৰিকলৰ সোৱাদৰপৰা বঞ্চিত নহলোঁ। লাভৰ ভিতৰত এয়ে হ'ল যে আৰ্ষপ্ৰয়োগটো শিকিলোঁ আৰু আজিলৈকে চলাই আছোঁ। সং-স্কৃতত পৰ্বত শব্দৰ দুটা ব ৰ ঠাইত এটা ব ৰেই লিখে, বঙলাতহে দুটা ব লিখে। কিন্তু পাৰ্বতী নহৈ পাৰ্ব্বতি হ'ব কিয়? কালীৰ দাস যদি আৰ্ষপ্ৰয়োগত কালিদাস হ'ব পাৰে পাৰ্ব্বতীৰ প্ৰসাদ নো "পাৰ্ব্বতি-প্ৰসাদ" কিয় হ'ব নোৱাৰে, গুৰুৰ আদেশ পালোঁ "তুমি পাৰ্ব্বতি প্ৰসাদেই লিখিবা। সময়ত তুমিও যে এজন ঋষি হ'ব নোৱাৰিবা কোনে ক'ব পাৰে?" গুৰু আজা শিৰোধাৰ্য্য কৰি কেনেবাকৈ ঋষিকে হওঁ বুলি আজিও অকলে অকলে আৰ্ষপ্ৰয়োগ কৰি আছোঁ। অকলে অকলে, কিয়নো অসমীয়া ঋষিসকলে চিতল মাছৰ কোলঠি খাই ভাল পাই শ্ৰীচিত্তলচন্দ্ৰ দাস হোৱা জনক শীতলচন্দ্ৰ দাস বুলি শুদ্ধ কৰিহে ভাল পায়।

এয়া প'ল মোৰ কাব্যৰ ব্যাকৰণৰ কথা। "দেউতাই লিখা 'পদ্য-জখলা'খন সকতে দেখিছিলোঁ, এতিয়া হেৰাল। মোৰ পদ্যৰ জখলা ডালৰ খাপবোৰ বকটুৰে বন্ধা, মাজে মাজে সুলকি যায়। আজিকালিৰ আধুনিকৰ ব্যাকৰণ তো আমাৰ দিনত চলোৱা নাছিল বুলি পঢ়ি-বলৈকে নহল, কাৰণে সেই পিনে এটি সেৱা। পিছে ১৯২৩ চনতে জেওৰা ভাঙিবলৈ শিকিছিলোঁ, আৰু কজলা দমৰাটোৰ দৰে জেওৰা দেখিলেই খোঁচ মাৰি ভাঙিবৰ মন যায়। এতিয়াও সেই গুণটো চিমিক-চামাক কৰি আছে বাবেহে এইবোৰ বেবেৰিবাং ওলাইছে। আৰু একে গুৰু ঘৰৰ সেৱক বুলি নির্ভয়ে তোমালৈ পঠাইছোঁ। তোমাৰ কিবা কিবা যেন লাগে যদি সমূহৰ নাড়ীজ্ঞান থকা তোমাৰ ওচৰ চুবুৰীয়া বাঁৰেণ ভট্টৰ কষটি শিলাত ঘঁহাই চাব পাৰা।

* * * *

অজি ভোগালি বিহু। প্রায় ৩৫ বছৰৰ আগতে এনে দিনতে কলিকতাত যদু কবিলৈ "আইতাই পঠিওৱা খোলাচপৰীয়া পিঠা কেইটামান পঠিয়াই লিখিছিলোঁ---

ভোগালি বিহুৰ ভোগৰ সম্ভাৰ
নিবলৈ একো নাই;
দূৰ প্রবসূৰা আপুনিও যেন
আমিও তেনেকুৱাই।
আই অসমৰ সুদূৰ পূবৰ
পর্ব্বতৰ দাঁতিত সজা;
সোণাৰি নামেৰে সোণাপুৰ গাঁৱত
আছে মোৰ ভগা পঁজা।
তাতে আছে মোৰ অতি মৰমৰ
সাদৰী চেনেহী আই;
দুৰণিৰ পৰা চেনেহৰ টোপোলা
দিছে আজি পঠিয়ায়।
বতাহৰ বোকোছাত আহোঁতে আহোঁতে
পিঠা বিহুচেৱা হ'ল;
আইৰ বুকুৰ চেনেহকণি হ'লে
আজিও তেনেকৈয়ে ৰ'ল।

সেয়েহে কৈছোঁ পিঠাই বিহু চেৰায়
চেনেহ তো নেচেৰায় আৰু;
সেই বুলি আজি আপোনালৈ বুলিও
পঠাওঁ অকমান বাৰু।
খুন্দা-খুন্দলিত ভাগি-ছিগি অহা
খোলা চাপৰীয়া পিঠা;
বিলাতী পিঠাৰ কাঁহীৰ মাজত
তথাপি লাগিব মিঠা।
হেৰি ডাঙৰীয়া
তথাপি লাগিব মিঠা।"

চেনেহৰ টোপোলা পঠিয়াবলৈ সেই আই গৰাকী আজি নাই আৰু আজি ময়ো দূৰ-প্ৰবসুৱা নহৈ ঘৰ প্ৰবসুৱা হৈ আছোঁ।

শাস্ত্ৰত লিখিছে—"পঞ্চাশোৰ্দ্ধে বনং ব্ৰজেৎ"; মোৰ কোষ্ঠীত লিখিছে ঊনপঞ্চাশৰ পিছত পূৰ্ণ প্ৰব্ৰজ্যা, গৃহ-সন্যাস যোগ বুলি। এতিয়া দেখিলোঁ---ঊনপঞ্চাশৰ পিছতে আজি আঠ বছৰৰ আগতে ধুনীয়া সাজ-পাৰেৰে ৰাজআলিয়েদি গহীনাই গৈ থকা ভদ্ৰলোকজনক পিছফালৰ পৰা হঠাতে লেং মাৰি পেলাই 'গ'ল-কীপাৰ' পাতিবলৈ ফুচুৰি. খেলুৱৈ কাপ্তানজনে ভাল পালে যেতিয়া ভাল খেলুৱৈ হৈ তাকে মানি ল'ব লগাত পৰি সন্ন্যাসী হৈ বহি থকাই মঙ্গল।

আজি যি গৰাকী আই আছে তেওঁ জনমৰে পৰা চেনেহৰ টোপোলা পঠিয়াই আছে আৰু আজিও পঠিয়াইছে। তেওঁ মাজে মাজে মোৰ পৰা বিচাৰেও; আৰু মোৰো "টুপলী যাচিলে টুপলী যাচে, ৰ ৰ টুপলী তোলৈকো আছে" বুলি তেওঁৰ চেনেহৰ টোপোলাৰ সলনি আন নেপাই মাজে মাজে ধূলি-মাটিৰ টোপোলা এটাকে যাচিবৰ মন যায়। ধূলিমুঠি সোণ কৰা পৰশমণিটো মই পায়ো আওহেলাত হেকৱালোঁ। আজি যি টোপোলা যাচিছোঁ শামুকৰ পেটৰ মাণিক নহ'লেও গৰখীয়া ল'ৰাৰ শুকান ধেপৰ পেটৰ ধেতোৰ বুলি বা সন্ন্যাসীৰ ডখৰীয়া খুদ চাউলৰ শুকান পিঠা বুলি তেওঁ ললেও লব পাৰে।

ভোগালি বিহৰ ভোগৰ সম্ভাৰ তোমালৈকো এয়েই। ফৰ্ম্মটি ডাল সোনকালে ঘূৰাই পঠিয়াবা।

তোমাৰ মৰমৰ
পাৰ্ব্বতিপ্রসাদ।

(৩)

সোণালী পাম
সোণাৰি
১০।৪।৬২

মৰমৰ শৰ্ম্মা,

ভোগালি বিহতে তোমালৈ তেজপুৰলৈ যোৱাৰ খবহ বিচাৰি লিখা তিনিটা পঠাইছিলোঁ। তুমি একো নুবুলি "ৰামধনু"ক গটাই বাব সৰা দেখি ভাল পালোঁ। "বাৰে ভূঞা"ৰ আহি পালোঁ। মই বিহৰ পাছতে ওৰাহাটী মুৰা হম বুলি মন মেলিছোঁ। তেতিয়াই তোমাক লগ পাই প্রকাশকৰ মোখনি ডাল গুঠিম বুলিছোঁ।

মুৰ নাইকিয়া কেঁকোৰা হৈ আকৌ সন্ন্যাসীৰ ভগা কুলাৰ মুখেদি ছাটি মাৰি খুদ চাউল এমুঠি তোমাৰ ঘন চালনীখনলৈ দলিয়াইছোঁ দুই এটা মনখু ৰয় যদি "ৰামধনু"ৰ পাতত তাৰেই ৰঙালী বিহৰ পিঠা বিলাব পাৰিবা। "বাবুৰনী" জনী "জোনবাই" বা "দীপক"ৰ পোহৰতহে জিলিকিব হবলা।

বহত দিনৰ মুৰত "ধ্বজ পূৰ্ব্বৰে সজ" বুলি সুৰ হেৰুৱা সুৰ কোঁৱৰৰ কণ্ঠহীন মনৰ শুকান সুঁতিৰ বালিচটত গীত এটা সুৰৰ জকাটো লৈ উটি আহি লাগিলহি; তৎক্ষণাত হাৰমোনিয়ামৰ চেপাত সুমাই সুৰ চানেকিবে বান্ধি পেলালোঁ, জানোছা কেতিয়াবা এৰা বাটৰ সুৰ বোটলা সকলৰ কামত লাগেই।

ৰঙালী বিহৰ মৰম চেনেহ লবা,
আজিলৈ ইতি।

তোমাৰ মৰমৰ

বুৰঞ্জীৰ দুটামান মৌসৰা কথা

চুকাফা ঃ টাই বংশীয় ৰজা চুকাফাক ইন্দ্ৰ বীৰ্য্যৰ সন্তান বুলি কোৱা হয়। সেইদেখি, তেওঁৰ আচল লৌকিক নামটো প্ৰকাশিত হোৱা বুৰঞ্জীবিলাকত পোৱা নেযায়। নগাঁৱৰ কলিয়াবৰীয়া ফুকনৰ ঘৰত পোৱা হাতেলিখা বুৰঞ্জীৰ পাত দুটামানৰ পৰা এতিয়া জনা গৈছে যে চুকাফাৰ পিতৃৰ নাম ত্যাওত্যানেউ আৰু মাকৰ নাম নাংমুং-ম্লকচেন্‌খাম। ত্যাওত্যানেউ জাতত নৰা। নৰাৰ ঘৰতহে চুকাফাৰ জন্ম হৈছিল। প্ৰকাশিত 'অসম বুৰঞ্জী'ত উল্লেখ কৰা চুকাফাৰ মাক নাংকুৰু খান্‌চেন্‌ আৰু দেউতাক চেংতান,ওপৰোক্ত নাংমুংম্লকচেন্‌-খাম আৰু ত্যাওত্যানেৰেই।

চুতীয়া ৰজা ৰত্নধ্বজপাল ঃ ভদ্রসেন ৰজাক অধীন নৌকৰোতেই চুতীয়া ৰজা গৌৰনাৰায়ণে ৰত্নধ্বজপাল উপাধি লৈছিল বুলি প্ৰকাশিত বুৰঞ্জীসমূহে কয়। কিন্তু, সম্প্ৰতি উদ্ধাৰ কৰা হাতে লিখা বুৰঞ্জীৰ পৰা জনা যায় যে ভদ্রসেনৰ ৰাজ্য মাৰিহে গৌৰনাৰায়ণে ৰত্নধ্বজপাল নাম লয়। তেতিয়া গৌৰনাৰায়ণ নাম নাছিল---আছিল স্বৰ্ণগিৰি পাল।

লাচিত বৰফুকনৰ নৰিয়া ঃ মোগলৰ সৈন্য অমৰাগুৰি পোৱা দেখি আন্ধাৰুবালিৰ ওচৰত থকা অসমীয়া বণুৱাবোৰ ভয়তে যেনিয়ে পায় তেনিয়ে ভাগি যাবলৈ ধৰিছিল। তেতিয়া লাচিত বৰফুকনৰ গা ভাল নাছিল---তীৰকঁপে জ্বৰ উঠি আহিছিল। এই কথাটোকে আমি সকলোৱে জানো। কিন্তু, সেই জ্বৰৰ কাৰণটো আছিল কি তাক নেজানো। এতিয়া জনা গৈছে যে লাচিত বৰফুকনৰ তেতিয়া কাষবিৰলা হৈছিল।

কৰৈবাৰীৰ ভগদত্ত ৰজা ঃ চুজা পাৎচাহৰ দিনত ধুবুৰীৰ ওচৰৰ কৰৈবাৰীত ভগদত্ত নামে এজন সৰু ৰজা আছিল। তেওঁৰ পূৰ্বে তাত চন্দ্রনাৰায়ণ ৰজা আছিল। চন্দ্রনাৰায়ণৰ পিছত জয়নাৰায়ণ ৰজা হ'ব লাগিছিল। ভগদত্তক চুজাই ৰজা পাতিবলৈ আয়োজন কৰা সময়ত খুটাখাত, বগৰিবাৰী আৰু কৰৈবাৰীত জয়নাৰায়ণ, কমল-লোচন আৰু ভগদত্তৰ বিশেষ তৎপৰতা সম্বন্ধে বুৰঞ্জীত লেখা আছে।

এই কেইজনৰ বিষয়ে নতুন তথ্য উলিয়াব পাৰিলে, পোহৰলৈ নহা ধুবুৰী অঞ্চলৰ ভালেমান কথা জানিব পৰা হ'ব।

সৌমাৰৰ হৰগোবিন্দ ৰজা ঃ ১১৫১ শকত চুকাফাই সৌমাৰত প্ৰবেশ কৰে। তাৰ আগত সৌমাৰ খণ্ডত নেওচন কচাৰী ৰজা আছিল আৰু মাজুলী অঞ্চলত হৰগোবিন্দ ৰজা আছিল। হৰগোবিন্দৰ জীয়েক হাৰমতী কুঁৱৰীয়ে উত্তৰ লক্ষীমপুৰৰ পৰা শিৱসাগৰৰ মাছখোৱা গড়লৈকে এটি গড় বন্ধাইছিল। সেই গড়টিৰ নাম হাৰমতী গড়। হাৰমতীৰ লগত আৰিমতৰ কি সম্বন্ধ তাক এতিয়াও নিৰ্ণয় কৰিব পৰা নাই।

তুলাৰাম সেনাপতিৰ দেশ ঃ নগাঁও জিলাৰ হোজাই অঞ্চলটো কচাৰী ৰজা তুলাৰাম সেনাপতিৰ দেশ আছিল। এওঁৰ পৰাই ৰাটিছে সেইডোখৰ ঠাই লয়হি। ১৮৫০ খ্ৰীষ্টাব্দ মানত তুলাৰামৰ মৃত্যু হয়। তুলাৰাম বৰ সাহিয়াল আৰু বুদ্ধিমান পুৰুষ আছিল। এওঁৰ জীৱনটো দুঃসাহসিকতাৰেই পৰিপূৰ্ণ। তুলাৰামৰ জীৱনী এখন উলিয়াব পাৰিলে, সকলোৱে উপভোগ কৰিব পাৰিব, আৰু সেই প্ৰসঙ্গতে মিকিৰ পাহাৰ অঞ্চলৰো ভালেমান ঐতিহাসিক তথ্যৰ সন্ধেদ পোৱা যাব। সম্প্ৰতি, তাত ওলোৱা অসংখ্য মূৰ্ত্তিয়ে প্ৰমাণ কৰে যে প্ৰাগঐতিহাসিক যুগত সেই ঠাইডোখৰ বৰ উন্নত আছিল। তুলাৰাম সেনাপতি পৰিয়ালৰ তিৰোতাৰ নামৰোৰে কচাৰী ৰজা যে এসময়ত বৰ সুসংস্কৃত আছিল তাৰ প্ৰমাণ দিয়ে।

নগাৰ লগত অসমীয়াৰ সম্বন্ধ ঃ নগাবিলাকৰ লগত, বিশেষকৈ ৰ নফঙ্গীয়া, ৰৰদুৱৰীয়া, হাইমুঙ্গীয়া নগাৰ লগত অসম ৰজাৰ ঘনিষ্ঠ সম্পৰ্ক আছিল---ৰাজনৈতিক নহয়, তেজ-মঙ্গহৰো সম্বন্ধ আছিল। শিৱসাগৰৰ এনদ্ৰুজ নামেৰে এজন লোকে নগা গাঁৱত কেৰাঘৰো অসম ৰজাৰ বংশধৰ লগ পাইছিল।

———

গুৱাহাটী একতা সভাৰ বিষয়ে

[অসমত ছাত্র সংগঠনৰ সূচনা কৰা 'আসাম ছাত্র সন্মিলন'ৰ আদি পুৰুষসকলৰ অন্যতম, গুৱাহাটী উজান বজাৰৰ নাৰায়ণ চন্দ্র দেৱ গোস্বামীয়ে সংগ্রাহকলৈ লিখা চিঠি ।]

ফটিক চন্দ্র বোড
উজান বজাৰ, গুৱাহাটী-৩
৭-৫-৮০

মান্যবৰেষু,

আপোনাৰ চিঠিখন যথা সময়ত পাইছিলোঁ, আৰু তাৰ উত্তৰো চমুকৈ দি বিস্তাৰিত উত্তৰ দিম বুলি লিখিছিলোঁ । এতিয়া মই তাৰেই উত্তৰ দিলোঁ । একো দায় দোষ নধৰিব বুলি আশা ৰাখিলোঁ ।

'মোৰ ১৩ বছৰ বয়সৰ পৰাই অম্বিকা নাথ বৰা, জ্ঞান বৰা, গণেশ চন্দ্র হাজৰিকা, শ্রীঅচলাকান্ত ভট্টাচা আদি কেইজনমান লগৰীয়া একেলগে ফুৰিছিলোঁ । আমি তেতিয়া আঠাইকেইজন কলেজিয়েট হাইস্কুলত পঢ়িছিলোঁ । তাৰ এবছৰ মান পাচতে উজানবজাৰৰ পকি ঘাটত 'একতা সভা' (Union Club) নাম দি এটা অনুষ্ঠান আৰম্ভ কৰিলোঁ । প্রতি দেওবাৰে এই সভাখন কেতিয়াবা আমাৰ ঘৰত, কেতিয়াবা অম্বিকা বৰাৰ ঘৰত বহিছিল । এই সভাৰ সভ্যসংখ্যা বাঢ়ি বাঢ়ি পাচত ডাঙৰ সভাত পৰিণত হ'ল । প্রতি দেওবাৰে সেই সভাত ৰচনা পাঠ, আবৃত্তি আৰু বক্তৃতাদি হয় । প্রথম আসাম ছাত্র সন্মিলন এই একতা সভাৰ উদ্যোগতে গুৱাহাটীত লক্ষ্মীনাথ বেজবৰুৱাৰ সভাপতিত্বত বহে । এই একতা সভাৰ সম্পাদক আৰম্ভণিৰ পৰা মই আছিলোঁ । মোৰ লেখা প্রবন্ধ "পাচী জাতি" (প্রথম আৰু দ্বিতীয় প্রবন্ধ) 'বাঁহী'ত ওলাইছিল । শ্রীশ্রীদামোদৰদেৱৰ বচনাখনো 'উষা'ত ওলাইছিল । এই সকলোবিলাক ৰচনা আগেয়ে একতা সভাত পঢ়া হয় আৰু পাচত 'বাঁহী', 'আলোচনী', 'উষা'ত প্রকাশিত হয় । একতা সভাৰ কার্য্যবিৱৰণীৰ বহী, ছপা পেদ, ৰবাৰ ষ্টাম্প, আৰু সভ্যসকলৰ গ্রুপ ফটো (Group Photo) মই চাকৰিত সোমোৱাৰ লগে লগে মোৰ লগতে আছিল ।

কেইবছৰমান একতা সভা চলি থকাৰ পাচত আমাৰ সভ্য সংখ্যা বেচি হ'ল। গতিকে আমাৰ ঠাইৰ অভাৱ হোৱাত সেই সময়ত D I. of School নদীয়া বিহাৰী দাসৰ ওচৰ চাপিলোঁ। তেখেতৰ ওচৰ চপাৰ কাৰণ হ'ল---'লতাশিল' প্ৰাইমাৰী স্কুলটো আমাক দেওবাৰে এক বজাৰ পৰা একতা সভা বহুৱাবলৈ দিব লাগে। তেখেতে এখন দৰ্খাস্ত দিব ক'লে। আমি সেই মৰ্মে দৰ্খাস্ত দিলোঁ। ইয়াৰ ভিতৰতে নদীয়া বাবু ছিলেটলৈ বদলি হ'ল। তেখেতৰ ঠাইত কমল কান্ত বৰুৱা D I হৈ আহিল। তেখেতক দেখা কৰাত আমাৰ দৰ্খাস্তখন কলেজিয়েট স্কুলৰ Asstt Head Master লক্ষ্মীনাথ শৰ্ম্মাৰ মন্তব্যৰ বাবে পঠালে। আমি লক্ষ্মীনাথ শৰ্ম্মাক দেখা কৰিলোঁ আৰু আমাৰ একতা সভাৰ সভাপতি হ'বলৈ অনুৰোধ কৰিলোঁ। তেখেত সন্মত হ'ল আৰু 'লতাশিল' স্কুলত দেওবাৰে এক বজাৰ পৰা আমাক সভা পাতিবলৈ দিলে। লক্ষ্মীনাথ শৰ্ম্মাই আমাৰ সভাৰ বহুত উন্নতি সাধন কৰিলে। আমাৰ সভা তেতিয়াৰ পৰা টনকিয়াল হৈ পৰিল। প্ৰথম ছাত্ৰ সন্মিলনৰ কথা লক্ষ্মীনাথ শৰ্ম্মাৰ ঘৰতেই উলিয়ালে আৰু তেখেতে জ্ঞানদাভিৰাম বৰুৱা আৰু লক্ষ্মীনাথ বেজবৰুৱাৰ লগত যোগাযোগ কৰিবলৈ উপদেশ দিলে। এমাহমানৰ পাচত লণ্ডেঞ্চ, হাওৱাৰ পৰা লক্ষ্মীনাথ বেজবৰুৱাৰ চিঠিৰ উত্তৰ আহিল। লক্ষ্মীনাথ বেজবৰুৱাই প্ৰথম ছাত্ৰ সন্মিলনত সভাপতি হ'বলৈ স্বীকাৰ কৰিলে।

আমাৰ সভ্য সংখ্যা বাঢ়িব ধৰিলে। যেনে শিৱকান্ত মহন্ত, সৰ্ব্বেশ্বৰ শৰ্ম্মা কটকী, দৈবচন্দ্ৰ তালুকদাৰ, ধনেশ্বৰ শৰ্ম্মা, গণেশ চন্দ্ৰ হাজৰিকা, নবীন চন্দ্ৰ বৰা ইত্যাদি। পাচত গৈ একোটা দেওবাৰত ঠাইৰ অভাৱত আমাৰ বাহিৰত বহিবলগীয়া হৈছিল।

নবীন বৰা কুৰুৱাৰ মানুহ আছিল। ৰায় বাহাদুৰ ভুবনৰাম দাসৰ ঘৰত আছিল। ধনেশ্বৰ শৰ্ম্মা নলবাৰীৰ ওচৰৰ পিপলিবাৰীৰ মানুহ। মই শুনাত তেখেতৰ লৰা শ্ৰীহেমন্ত কুমাৰ শৰ্ম্মা এতিয়া কটন কলেজৰ অধ্যাপক। গণেশচন্দ্ৰ হাজৰিকা শিৱসাগৰৰ কোঁৱৰ,-পুৰৰ মানুহ। খাৰঘুলিত থাকি কলেজত পঢ়িছিল। সম্পাদক, আসাম ছাত্ৰ সন্মিলন হোৱালৈকে ময়ে আছিলোঁ। একতা সভাৰ মাহেকীয়া আলোচনীখনৰ নাম আছিল 'জেউতী'। তাত একতা সভাৰ কাৰ্য্য বিৱৰণী, কবিতা, আৰু আন আন প্ৰৱন্ধাদি থাকে।

একতা সভাৰ সভ্যৰ বাহিৰে আনৰ পৰা প্ৰবন্ধ কবিতা আদি লোৱা নহৈছিল। 'জেউতী'ত প্ৰকাশ হোৱা প্ৰবন্ধ কবিতা আদি উষা, বাঁহী আলোচনী আদিত প্ৰকাশ হৈছিল। সম্পাদক আছিল সৰ্ব্বেশ্বৰ শৰ্ম্মা কটকী। সহকাৰী সম্পাদক গণেশচন্দ্ৰ হাজৰিকা, আমাৰ এখন খেল-ধেমালিৰ অনুষ্ঠানো আছিল। তাত ফুটবল, ক্ৰিকেট, বেডমিণ্টন আদিৰ যোগাৰ আছিল। খেল পথাৰখনৰ নাম আছিল 'লতাশিল ইউনিয়ন ফিল্ড'। সভাপতি লক্ষীনাথ শৰ্ম্মাই ৰায়বাহাদুৰ ভুবনৰাম দাসৰ (তেতিয়া মিউনিচিপেলটিৰ ভাইচ চেয়াৰমেন) পৰা অনুমতি আনিছিল। আমাৰ কিছুমান নিয়মাৱলী আছিল। তাৰ ভিতৰত ইয়ো এটা---দেওবৰীয়া সভাত কোনো সভ্যই বিনা অনুমতিত অনুপস্থিত থাকিলে খেল-ধেমালি কৰাৰ পৰা দুদিনৰ বাবে বাহিৰত ৰখা হৈছিল। মিছা কথা কোৱা প্ৰমাণ হ'লে সভ্য পদৰ পৰা বাদ দিয়া হৈছিল। সভ্যৰ নিয়মানুৱৰ্তিতা আৰু আন আন বিষয়ে তত্বাৱধান কৰা মানুহ আছিল---(১) অম্বিকা বৰা, (২) জ্ঞান নাথ বৰা। পদ্মধৰ চলিহা আমাৰ উপদেষ্টা আছিল। তেখেত কলিকতাত থকা অৱস্থাত ঘৰলৈ মানে শিৱসাগৰলৈ যাওঁতে আমাৰ সভাত যোগ দি গৈছিল; আৰু কলিকতাৰ পৰা আমাৰ লগত যোগাযোগ ৰাখিছিল। ইতি

নাৰায়ণ চন্দ্ৰ দেৱ গোস্বামী

মহাত্মা গান্ধীলৈ দেশভক্ত ফুকনৰ চিঠি

[দেশভক্ত তৰুণৰাম ফুকনে শিলচৰ জেলত কাৰাবাস কৰি থকা অৱস্থাত মহাত্মা গান্ধীলৈ দুখন চিঠি দিছিল। তাৰে অসমীয়া অনুবাদ তলত দিয়া হ'ল। এই চিঠি দুখন প্ৰকাশ হৈছিল ১৯৩৯ চনৰ ১০ ডিচেম্বৰৰ 'তৰুণ অসম'ত।]

দেহ কাৰাৰুদ্ধ মন কিন্তু মুক্ত

প্ৰথমখন চিঠিত দেশভক্ত ফুকনে লিখিছিল: "শাৰীৰিক নিৰ্য্যাতন ভোগাই গৱৰ্ণমেণ্টে বৰ্ত্তমান ৰি দমন নীতি অদম্যভাৱে চলাইছে

তাৰ দ্বাৰা নৈতিক মনোভাৱ একোপধ্যেই পৰাভূত মনাব পৰা নাই। চৰ্কাৰ বাহাদুৰে অসমত প্ৰৱলভাৱে চলোৱা দমননীতিয়ে পাশৱিকতাৰ চূড়ান্ত পৰ্য্যায় লাভ কৰিছেগৈ। কিন্তু বৰ্ব্বৰতাৰ হাততে অসম দেশে কেতিয়াও নিজৰ জন্মস্বত্ব বিক্ৰী নকৰে। সেই বুলি গৰ্ব্ব কৰি তেনে হিংসুক আচৰণৰ দৰ্প খৰ্ব্ব কৰিবলৈ গলে অহিংস নীতিকেই যে অকল খৰ্ব্ব কৰা হ'ব এনে নহয়, সেই শ্ৰমচেষ্টাও ব্যৰ্থ আৰু অনিষ্টকাৰী হ'ব।"

কাৰাগাৰত তৰুণৰাম ফুকন

শিলচৰ জেল
৯।২।১৯২২

দ্বিতীয়খন চিঠিত লিখিছিল ঃ "মহাত্মাজী, ইয়াত কেনে সুখে শান্তিৰে বিশ্ৰাম কৰি আছোঁ তাক মই ভাষাৰে প্ৰকাশ কৰিবলৈ অপাৰগ। মোৰ দেহাটো আজি কাৰাৰুদ্ধ হৈ আছে সঁচা, স্বাধীন হবলৈ সততেই ভাবি থকা মনটো হ'লে কেতিয়াও কাৰাৰুদ্ধ হোৱা নাই।

এই কথাত যে মোৰ কিমান ৰং মই কি কম? সত্যব্রত পালন কৰি-বলৈ যি শাস্তি ভুঞা যায় তাত অলপো বিচলিত নোহোৱাকৈ সহ্য কৰাটো যে কি মহান! স্বধৰ্ম্মৰ্ নিমিত্তে ইচ্ছাপূৰ্ব্বক পাঞ্চভৌতিক দেহাটোত কষ্ট দিয়াৰ মানেই আত্মাক কষ্টৰ পৰা মুক্ত কৰা। ন্যায় কথাত লাগি মৃত্যুক আলিঙ্গন কৰিব পাৰিলেই আত্মাও আপোনা-আপুনি অমৰ হৈ থাকিব। শৰীৰৰ দাৰুণ কাম আৰু মনৰ অসীম আনন্দ এই দুয়োটিকে দেহা পিঞ্জৰাত হৰি-হৰ আত্মাৰ দৰে বাস কৰিবলৈ দিলেহে প্রকৃত সুখ প্রাপ্তি হব আৰু সেয়ে হলেই মুক্ত বুলি সকলোৱে ঘোষণা কৰিব পাৰিব।

"কাৰাৰুদ্ধ হৈ থকা বাবেই এনে ভাব পোষণ কৰিব লগীয়া হৈছে যদিও, এই ভাবেই কৰ্ম্মক্ষেত্রত যোগ দিবলৈ শক্তিমন্ত কৰি, শেষত মোক পূৰ্ণানন্দ লাভ কৰাবগৈ—এয়ে মোৰ একান্ত ভাৰসা। পৰাধীন মনোভাব স্বাধীনতামুখী কৰিবলৈ ইয়েই মোৰ মনেৰে প্রকৃষ্ট পন্থা। জনসাধাৰণৰ ভিতৰত যিসকল শিক্ষিত লোক আছে, তেইসক-লৰ ভিতৰত নিচেই তাকৰ লোকো যদি এই মন্ত্রত দীক্ষিত হয়, তেনেহ'লেও জাতি এটাক স্বাধীনতা লাভ কৰাত বাধা দিবৰ কাৰো সাধ্য নাই। মোৰ গাত এতিয়া সমুলিকে বল নাই, তথাপি এনেবোৰ চিন্তা ভাবনাই মোক সবল কৰি তুলিছে। শাৰীৰিক বলৰ ওপৰত আস্থা হেৰুউৱা লোক মোৰ দৰেই বহুত আছে। তেখেতসকলেও স্বাধীনতা সংগ্রামত জয়ী হবলৈ মোৰ দৰেই আধ্যাত্মিক ভাবত বিভোৰ হৈ আছে। যীশুখৃষ্টৰ দ্বাৰাই বিহিত শাসন-অনুশাসনৰ বিধি-বিধানেই অনিচ্ছুক জাতি এটাক শাসন কৰিবলৈ যথেষ্ট বিধান। তাৰ ওপৰত আৰু ৰাষ্ট্র-সৃষ্ট উপবিধানৰ আৱশ্যক নাই। মানুহে প্রজা কঠোৰ দমননীতিৰে স্বাধীনতাৰ ভাবত হেন্দুলিয়াই থকা জাতি এটাৰ মনোভাব দমন কৰিব নোৱাৰি। ত্যাগ কৰি অহিংস ভাবে কামত প্রবৃত্ত হবলৈ দেশবাসীক আপুনি যেন উদ্গনি দি থাকে আৰু সেই উদ্গনি দিবলৈ আপোনাক ভগৱন্তই যেন দিনে দিনে শক্তিমন্ত কৰে—এয়ে মোৰ সবল প্রার্থনা।" ইতি

—তৰুণৰাম ফুকন

আনন্দৰাম বৰুৱাৰ বিষয়ে

ছাৰ সুৰেন্দ্ৰনাথ বন্দোপাধ্যায়

ছাৰ সুৰেন্দ্ৰ নাথ বন্দোপাধ্যায়ে 'A Nation in Making' বোলা কিতাপত আমাৰ আনন্দৰাম বৰুৱাৰ বিষয়ে লিখিছে—

আনন্দৰাম বৰুৱা

Among the Indian candidates, who competed with us for the Indian Civil Service in 1869, was another remarkable man whose early death deprived the world of a Sanskrit scholar of great promise— I mean Anandaram Barua. In regard to him also there was the difficulty about the age to which I have referred, but the point having been settled in my case, it was no longer raised in his. He came from Assam and distinguished himself at the examination of the Calcutta University. Having obtained a state scholarship he went to England to compete for the Indian civil service. He secured a place for himself among the successful candidates in 1870. As a member of the I.C.S., he conbined the duties of an

administrator with extraordinary devotion to literature and at the time of his death, I understand, he was engaged in preparing a dictionary of the Sanskrit language, which, alas, never saw the light. He was a case of blighted promise which in its fruition would have enriched the world of letters."

প্ৰথম অসমীয়া আলোচনী "অৰুনোদই"ৰ এখিলা

"শিৱসাগৰত সভা পতাৰ কথা"

[Sibsagar Lyceum]

"শিৱসাগৰত থকা শ্ৰীযুত প্ৰিঅলাল ডেকা বৰুআ আৰু শ্ৰীযুত পূৰ্ণানন্দ ডেকা বৰুআ প্ৰভৃতি কেইজনমান ভাল ভাল লোকৰ ডেকাই ইস্কুল ঘৰত কিবা এখনি সভা পতাৰ কথা অনেক দিনৰ পৰা আমি সুনিছিলো। কিন্তু নিজে সভালৈ গৈ মই দেখিলো জে শ্ৰীযুত প্ৰিঅলাল ডেকা বৰুআ সভাপতি, শ্ৰীযুত পূৰ্ণানন্দ ডেকা বৰুআ সম্পাদক, শ্ৰীযুত ইন্দিবৰ বাবু (বৰুৱা) অধ্যক্ষ, শ্ৰীযুত পৰমানন্দ বাবু (ভঁড়ালী) ধনৰক্ষক, শ্ৰীযুত মহীধৰ ডেকা বৰুআ সভাপণ্ডিত। শ্ৰীযুত হেমচন্দ্ৰ ডেকা বৰুৱা ("হেমকোষ"ৰ বচক) লেখক আৰু শ্ৰীযুত লক্ষিলাল ডেকাবৰুৱা (প্ৰাচীন কামৰূপৰ বুৰঞ্জীৰ লেখক কনকলাল বৰুৱাৰ দেউতাক) অভ্যুত্থানকৰ্তা পদত নিজোজনা হৈ গাইপতি একোখনি চকিত বহি সভাৰ আলোচনা কৰা আৰু শ্ৰীযুত ব্ৰজনাথ ডেকা বৰুৱা (লক্ষ্মীনাথ বেজবৰুৱাৰ ৰৰককায়েক) প্ৰভৃতি ১০/১২ জনমান সভাসদ লোক দেখিলোঁ। আমি সভাৰ সকলো বিৱৰণ বুজাত বিদ্যা আৰু দেশৰ উন্নতিৰ নিমিত্তে জোআ ২৪ আঘোনৰ পৰা "আসাম-দেশ হিতৈষী" নামে সাতদিনে এই সভা পতা জানিলোঁ।

আৰু সভাৰ জি জি নিঅম তাক এটা কিতাপত লিখিচে। আৰু সভা হবৰে পৰা ৫ সপ্তাহত জি জি বিশই উৎথাপন হৈছিল তাকো এটা বহিত লিখা দেখি সভাসদ লোকৰ বুধি আৰু বিবেচনাত অতিশই আনন্দ হলো।

এনেকুৱা অনেক সভা কলিকতা প্ৰভৃতিত থকা কথাহে সুনিছিলোঁ। এতিয়া ইবিলাকে ইআতে এনে উপকাৰি সভা পাতিচে। আৰু শ্ৰীজুত কাপ্তান হলৰইড চাহাব, শ্ৰীজুত দিননাথ বৰুৱা (হৰনাথ পৰ্বতীয়া বৰুৱাৰ ঘৰৰ), শ্ৰীজুত দুতিৰাম বৰুৱা ('৫৭ চনত নিৰ্বাসিত), আৰু শ্ৰীজুত ভুবনেশ্বৰ ফুকন (নাওবৈছাফুকন) প্ৰভৃতি কেইজনমানেও এই সভাৰ বিষয়ত উৎসাহ দিয়া জানি সিবিলাককো এই সভাৰ কাৰবাৰি বুলি ভাবিচো। এতেকে এই সভাৰ কাৰবাৰি (উদ্যোক্তা) সকলোকে ধন্যবাদ কৰি ঈশ্বৰলৈ এই প্ৰাৰ্থনা কৰো যেন সিবিলাকৰ এই পৰিশ্ৰম বিফল নহব।"*

'অৰুনোদই' জানুআৰী ১৮৫৬।

*(বন্ধনীৰ ভিতৰত দিয়া ব্যাখ্যা সংগ্ৰাহকৰ।)

"অৰুনোদইৰ" বাতৰি

হেমকান্ত সিংহ জুৰৰাজ

উজানদেশ চাবৰ মনে চন্দ্ৰকান্ত সিংহ মহাৰাজাৰ পুত্ৰ শ্ৰীশ্ৰীহেমকান্ত সিংহ জুৰৰাজ গত নবেম্বৰ মাহত গুআহাটিৰ পৰা উজাই আহি যোৰহাট পালেহি। কিছুদিন জোৰহাটত থাকি বচাত খাত চাবলৈ গৈছে।

—অৰুনোদই, ডিচেম্বৰ ১৮৫০

ঢকা চৰাই খেদা ৰাভা গীত

ৰাভা ভাষাত ঃ

তুৰ্ব্বো টনচেলেংকা তুৰ্ব্বো
টনচেলেংকা টনচেলেংকা নাৰং বেং
মায়তাচাবে মায়ৰুং ৰাচাবে
বুখিদংবে ৰুংচু চাথেবে ৰেং
তুৰ্ব্বো তুৰ্ব্বো টনচেলেংকা তুৰ্ব্বো ॥

টনচেলেংকা টনচেলেংকা নাথাম নাথাম।
চায়মেনে নাংবে মিছিক নুকিনাৰে
নুকিনা ৰেঙে পিয়াৰনেন মানো
তুৰ্বো তুৰ্বো টনচেলেংকা আঙি কাথাৰা
তুৰ্বো তুৰ্বো টনচেলেংকা আঙি কাথাৰা
আঙ্গি কাথা ৰাদংবে নাংমিছিক মানো
মানদংবে দখম চুংকাই নু এ চা
তুৰ্বো তুৰ্বো টনচেলেংকা তুৰ্বো।*

অসমীয়া ভাষাত ঃ

অ' চ'কা চৰাই,
অ' চ'কা চৰাই,
মোৰ ধান নেখাবি
উৰি যা উৰি যা।
ডোক যদি লাগিছে
গোট কৰাই খা,
অ' চ'কা চৰাই
অ' চ'কা চৰাই
উৰি যা উৰি যা।
অ' চ'কা চৰাই
অ' চ'কা চৰাই
ঘৰত আছে চেনেহী
ফুলাম কাপোৰ বই
মোৰ কথা শুন যদি
ইয়াৰ পৰা যাব যদি
ফুলাম কাপোৰ পাবি তই
ফুলাম কাপোৰ পালে
বৰ পিৰালিত বহি
ডালকৈ ভাত খাবি।

*শ্রীমান অমিয় হাটোৰ পৰা পোৱা।

অ' চ'কা চৰাই, অ' চ'কা চৰাই—
উৰি যা উৰি যা তই ঐ
মোৰ ধান খাবলৈ নাহিবি নাহিবি
আকৌ যদি আহ, চেনেহীৰ
উঠিব খং, তোকো এৰিব
মোৰ ধান খাই ঘৰতে চেনেহী থাক
ঘৰৰ চেনেহী নেৰিবি নেৰিবি
---অ', চ'কা চৰাই।---

স্বৰ্গদেৱ জয়ধ্বজ সিংহই গোৱা গীত ঃ

(২)

সুৰ---ৰামচৰণ ওজাৰ,
ৰাগ---ৰামধনশ্ৰী,
তাল---পৰিতাল।

অই প্ৰাণেশ্বৰী, জনক নন্দিনী তোক
হেৰুৱাইলো মোৰে
ইটো বিজুবনে প্ৰাণ ধৰোঁ কেনে
নেদেখি বদন তোৰে।
ৰাজা হইল নাশ বনে হইল বাস
তোক পাসৰিবো কেনে।
মোৰ প্ৰাণেশ্বৰী কোনে নিল হৰি
একাকিনী মায়াবনে
এইৰূপে ৰাম হইল বিৰাম
সীতাৰ বিয়োগ পায়
ৰামচৰণে ভাবিয়া সঘনে
জয়ধ্বজ সিংহে গায়।

নৰনাৰায়ণে গোৱা গান ঃ

ৰাগ-বিহাগৰা, তাল-সুতা

মোৰ মনেৰ দুখ কেবা জানে
একমনে দুখ দহে পৰাণ
ঐ আৰে হৃদয় হানিল এ পঞ্চবান
ভাবিয়া নৰনাৰায়ণে গায়---
ৰাধাৰ গৃহে নটবৰ যায়।

নৰোত্তম দাসে গোৱা ঃ

(৪)

সুৰা--ৰাগ গৌৰী

হৰি এ মায়, গৌৰৱ বিনন্দিনী ৰাধা
কামুক দেখিয়া নীল বসন বদন হাকিল আধা
নয়ন আৰিয়া মুচকি হাসিয়া কানাইৰ মুহিলা মন।
ৰাধাৰ ৰূপক দেখিয়া কানায়ে
বুলিবে নৈলা বচন
মদনৰ বানে হামাকু পিৰিলে
ধৰিতে নাপাৰো বুকে
দেহো আলিঙ্গন
নকৰা বিমন
চাৰিয়া নিদিবা তোকে
ৰাধা মাধৱৰ প্ৰেম পৰিহাস
দাস নৰোত্তমে গায়
জনমে-জনমে অৰুণ চৰণে
শৰণ লৈলো সদায়।

--ৰমানন্দ দ্বিজৰ গীতিমালিকাৰ পৰা

উৰিয়া বিহুনাম ঃ

(১)

ইটিকিলি মিটিকিলি
ফুটিগলা কাইচ
তোমাৰ আমাৰ
নালি পাইচ
নালি পায়া পায়া
বাজই হীৰা
ওটিক উপৰি দিওতি জিৰা।

(২)

জীৱৰ ভালমন্দ বাণি
মৰণ কাৰেক তাহা জানি।

---হৰিহৰ ত্রিপাঠী, পুৰী।

সৰস্বতী গোৱা ঃ

সৰস্বতী সৰস্বতী দেবী ভগৱতী
কুণ্ডল কুণ্ডল নিৰ্ম্মল মণ্ডল
গজ-গজপতি মুকুতা হাড়
দিবা আই সৰস্বতী বিদ্যাৰ ভাৰ।
লোকে বোলে সৰস্বতী আমি বোলো আই—
যিখিনি পাহৰোঁ দিবা সোঁৱৰাই
খৰি খৰি খৰি খৰি গল মৈৰা চন্দ্রৰ বাটী—
মৈৰা চন্দ্রই মাৰিলে বাট, আই সৰস্বতীৰ কণ্ঠত থাক।
কণ্ঠত থাকি আই কৰিবি হিত, আমাক কৰিবি ৰাজ পণ্ডিত
আঠীয়া কলৰ থুৰি পাত, নমৰো মানে মনত থাক।

———

গান্ধীজীলৈ যোৰহাট নগৰবাসীৰ অভিনন্দন

[১৯২১ চনৰ ২৪ আগষ্টত মহাত্মা গান্ধীয়ে যোৰহাটত পদার্পণ কৰা সময়ত যোৰহাট সার্বজনিক সভাৰ হৈ তলত দিয়া অভিনন্দন পত্রখন আগবঢ়োৱা হৈছিল।]

মহাত্মা মোহনদাস কৰমচাঁদ গান্ধী

মহাত্মাজী,

যোৰহাট সার্বজনিক সভাৰ হৈ আমি আপোনাক আহোম ৰজা সকলৰ শেষ ৰাজধানী যোৰহাট নগৰলৈ অতি সাদৰেৰে আৰু সন্মানেৰে বিনীতভাৱে অভ্যর্থনা কৰিছোঁ। আৰু অভ্যর্থনা কৰিবলৈ সুযোগ পাই গৌৰবান্বিত হৈছো। এই সার্ব্বজনিক সভা স্বর্গীয় জগন্নাথ বৰুৱাই ৩৫ বছৰৰ আগেয়ে স্থাপনা কৰিছিল। আপোনাক চকুৰে দেখা বহুদিনৰ আগৰে পৰা আপোনাৰ কার্য্যকলাপৰ আৰু যশো-গৌৰৱৰ প্রভাৱ এই দেশৰ চৌদিশ-ব্যাপক হৈছে আৰু এতিয়া আপোনাক সশৰীৰে আমাৰ মাজত পাই আমি কৃতার্থ মানিছো। আপুনি নতুন মহৎ প্রণালী উলিয়াই নিদ্রিত ভাৰতক নতুন প্রাণেৰে অনুপ্রাণিত কৰিছে। আমি সেই প্রণালী অনুসৰি কার্য্য কৰিবলৈ সর্ব্বান্তঃকৰণে সাজু হৈছোহঁক। আপোনাৰ আগমনত আমাৰ দেহ মন নতুন ভাবেৰে নতুন তেজেৰে উৎসাহিত আৰু উজ্জীবিত হৈছে।

আপুনি দেখুউৱা পথেই ভাৰতৰ আত্ম-সন্মান ৰক্ষা আৰু ৰাইজৰ চিত্তশুদ্ধি কৰি স্বৰাজ পোৱাৰ একমাত্র উপায় বুলি আমাৰ একান্ত বিশ্বাস।

মহাত্মা, গোটেই ভাৰতৰ ভিতৰত একমাত্র অসমীয়া তিৰোতাই পুৰণি কালৰ পৰা বোৱা-কটা কৰি নিজ পৰিবাৰক কাপোৰ যোগাই আহিছিল। কিন্তু পাশ্চাত্য সভ্যতাৰ প্রভাৱত উচ্চ শ্রেণীৰ কোনো মহিলাই এই অত্যাৱশ্যকীয় শিল্পবিদ্যালৈ আওকাণ কৰিলেও সৰুহভাগ মহিলাই ইয়াক এতিয়াও আঁৰি ৰাখি পুৰণি অসমৰ পুৰণি গৌৰৱ অটুট ৰাখিছে।

ভাৰতৰ ঘৰে ঘৰে যঁতৰৰ প্ৰচলন কৰিবৰ কাৰণে আপুনি যি ঐকান্তিক যত্ন কৰিছে এই প্ৰদেশত সেই চেষ্টা সম্পূৰ্ণ ফলৱতী হোৱাৰ নিতান্ত সত্তৰ হোৱাত দুখীয়া প্ৰজাই স্বদেশী কাপোৰেৰে গা ঢাকিবলৈ পাম বুলি আশা কৰি আমি সৰ্ব্বান্তঃকৰণে সন্নিবদ্ধে কৃতজ্ঞতা স্বীকাৰ কৰিছো।

পদদলিত ভাৰত জননীৰ মঙ্গল বিধানৰ নিমিত্তে স্বায়ত্ব শাসন আৰু স্বৰাজ লাভৰ পথ দৰ্শাই সকলো বাইজৰ মনত আশাৰ সঞ্চাৰ কৰি নিৰ্ভীকভাৱে কাৰ্য্য কৰিবলৈ আপুনি প্ৰদেশে প্ৰদেশে ফুৰি যেনে স্বাৰ্থ ত্যাগ আৰু একাগ্ৰচিত্ততাৰ চিন দেখুৱাইছে, সেই ছবি ভাৰতবাসীৰ হৃদয়ত ফট্ ফটিয়াকৈ অঁকা থাকিব।

পৰম কৰুণাময় পৰমপিতা পৰমেশ্বৰৰ পাদপদ্মত আমাৰ সৰ্ব্বান্তৰৰ সৱল প্ৰাৰ্থনা আপুনি যেন সুস্থ কায়ে দীৰ্ঘজীৱী হৈ আমাৰ প্ৰপীড়িত পৰপদদলিত ভাৰত জননীক উদ্ধাৰ কৰিবলৈ সক্ষম হয়। ইতি

ভৱদীয় বিনীত

৮ ভাদ, ১৮৪৩ শক
(ইং ২৪ আগষ্ট, ১৯২১ চন)

স্বাঃ শ্ৰীকৃষ্ণকান্ত ভট্টাচাৰ্য্য
স্বাঃ শ্ৰীউপেন্দ্ৰ নাথ বৰুৱা
সাৰ্ব্বজনিক সভা।

কলিকতা এ, এছ, এল ক্লাবৰ সভা ঃ ১৯২৩

[১৯২৩ চনৰ ৪ আগষ্টৰ 'আসাম বিলাসিনী' কাকতত প্ৰকাশিত]

ষোৱা ৩০ তাৰিখ ৰবিবাৰৰ দিনা আবেলি ৪॥ বজাত সেণ্টপল্‌চ কলেজত শ্ৰীযুত সোণাৰাম দত্ত বি-এ ডাঙৰীয়াৰ সভাপতিত্বত কলিকতা এ, এছ, এল, ক্লাবৰ সাধাৰণ সভা হয়। সভাত শ্ৰীযুত মহেন্দ্ৰ নাথ ভট্টাচাৰ্য্য প্ৰাচ্য বিদ্যাৰ্ণৱ বি, এ ডাঙৰীয়াই, "ভাৰতীয় দৰ্শন" নামে এখনি বচনা পাঠ কৰে। বচনাখনিৰ ভাষা শুৱলা আৰু হৃদয়গ্ৰাহী হৈছিল। তেখেতৰ বচনাত বেদৰপৰা আৰম্ভ কৰি সকলোখিনি দৰ্শনৰে চমুকৈ আভাস দিছে। প্ৰায় সকলো খিনি ভাৰতীয় দৰ্শনৰ

প্রতিপাদ্য বস্তু আৰু উদ্দেশ্য সম্বন্ধে ভালকৈ বুজাই দিয়ে। পাশ্চাত্য পণ্ডিত সকলৰ "ভাৰতীয় দর্শন" সম্বন্ধে কেনে মত তাকো দেখুৱাইছে। মুঠতে তেখেতৰ ৰচনাখনি বৰ ভাল হৈছিল। ৰচনা পাঠৰ পাছত শ্রীযুত লোকেশ্বৰ শর্ম্মা ফুকন বি, এ ডাঙৰীয়াই ভাৰতীয় দর্শনৰ বিষয়ে কেই আষাৰ মান কথা কয়। তাৰ পিছত আসাম ছাত্র সম্মিলনলৈ অতিৰিক্ত প্রতিনিধি ৫ জন নির্ব্বাচিত কৰা হয়। তাৰ পিছত সভাপতিয়ে কোৱাৰ পিছত সভা ভঙ্গ হয়।

এ, এছ, ক্লাবৰ অধিবেশন : ১৯২৫

[১৮৪৬ শক, ১০ ফাগুনৰ 'অসমীয়া'ত প্রকাশিত]

যোৱা দেওবাৰ ৮ ফেব্রুৱাৰী তাৰিখে কলিকতাৰ ছি, এম, এছ কলেজ ঘৰত স্থানীয় এ, এছ, এল ক্লাবৰ এখন বিশেষ অধিবেশন পতা হয়। পূজনীয় শ্রীযুত হেমচন্দ্র দেৱ গোস্বামীয়ে সভাপতিৰ আসন গ্রহণ কৰে। সভাৰ সম্পাদকে সভাৰ উদ্দেশ্য বুজাই দিয়াৰ পিছত শ্রীযুত বেণুধৰ শর্ম্মাই সাহিত্য সভাৰ প্রচাৰক স্বৰূপে সকলোকে সাহিত্য সভাৰ সভ্য হ'বলৈ আৰু সাহিত্য সভাৰ দ্বাৰাই নির্দ্দিষ্ট পথ অনুযায়ী অসমীয়া ভাষা আৰু সাহিত্য চর্চ্চা কৰিবলৈ অনুৰোধ কৰে। শ্রীযুত যতীন্দ্র নাথ দুৱৰা, বি-এ, অ, ডা, উ, সা, সভাৰ সম্পাদক শ্রীযুত লক্ষ্মীধৰ শর্ম্মা এম-এ, আৰু শ্রীযুত মহাদেব শর্ম্মা, এম্-এল্-ছিএ সম্ভাব্য গুনাগুণ আৰু কলিকতা প্রবাসী অসমীয়াৰ সেই বিষয়ে, তৎপৰতা সম্বন্ধে ব্যক্তিগত অভিমত প্রকাশ কৰাৰ পিছত ইয়াতো সাহিত্য সভাৰ লগত সংঘবদ্ধ হৈ কাম কৰাটোকে স্থিৰ হয়।

সভাপতিৰ উপদেশ আৰু উদগণিপূর্ণ বক্তৃতাৰ পিছত সভাৰ কার্য্য শেষ হয়।

[এই চিঠিখন ১৭।৯।৫৭ তাৰিখে মঙ্গলদৈৰ এম ইব্ৰাহিম আলিৰ দ্বাৰাই সৰাবাৰীৰ ৺জগন্নাথ ভট্টাচার্য্যৰ বহুমূলীয়া পুৰণি গজীয়া ভঁৰালৰ পৰা নকল কৰাই লোৱা।]

অসম ৰজাৰ জীয়ৰী মান-ৰজাৰ কুঁৱৰীয়ে দিয়া এখন চিঠি

শ্ৰী হৰি

"পৰম পূজনীয় পূজ্যধাম শ্ৰীশ্ৰীআঁপইতা মহাৰাজ খুড়াদেৱতাৰ শ্ৰীচৰণকমল মকৰন্দেষু—

পাদ পদ মকৰন্দ মধুকৰী শ্ৰীমতী ধনেশ্বৰী আইদেৱ চৰণাৰ বিন্দে শত সহস্ৰ কোটীবাৰ দণ্ডৱত প্ৰণাম পৰং প্ৰার্থনা এই যে শ্ৰীশ্ৰী খুড়াদেৱতাৰ আশীৰ্ব্বাদে বেটীৰ কুশল মঙ্গল ও শ্ৰীযুৱৰাজ দেৱতাৰো মঙ্গল। খুৰা দেৱতাকে মুখ্য কৰি সেই দেশত থকা আমাৰ বংশ পৰিয়াল সমস্তৰ কোশল-মঙ্গলৰ অর্থে মানৰ মতেও আমাৰ মতে দান ধৰ্ম্ম কৰি সদা সর্ব্বদা শ্ৰীশ্ৰীঈশ্বৰৰ স্থানে প্ৰার্থনা কৰিতেছি। পূৰ্ব্বে খুড়া দেৱতাই বেটীক সালঙ্কৃত কৰি মান ৰজালৈ দিলে। পাছে মানদেশ পালত শ্ৰীশ্ৰী মানৰজাই লগতে থৈ প্ৰতিপালন কৰিবলৈ ৰৱফুকন এটাৰ হাতত "জী বুলি প্ৰতিপালন কৰিবি" বুলি শোধাই দি ভালমতে ৰজাৰ চাওতে কুঁৱৰীৰ মর্য্যাদা দি ৰাখিছিল। পাছে, উক্ত মহাৰাজৰ ছত্ৰভঙ্গ হৱনেতৎ কণিষ্ঠ ভ্ৰাতা ৰজা হৈয়া তেহ (তেওঁ) এক দেশ দি বিশিষ্ট মতে ৰাখি আছিল। পৰ আসাম দেশ হইতে শ্ৰীশ্ৰীযুৱৰাজ দেৱতা এই দেশে আইসাতে মান ৰজাই বেটীক সেই যুৱৰাজক দিলেন। সেই ৰাজাৰ দিনাৱধি অদ্য পর্য্যন্ত মলু নামে এক দেশ খাবৰ কাৰণ পাই আছু।

মান ৰজাৰ পো-ভাইৰ মানমর্য্যাদা, বেটীয়ে ৰাজাৰ কুঁৱৰী আৰু দুহিত্রীৰ মর্য্যাদা পাই আছু ও যুৱৰাজে দেৱতাসবে গৃহবাস কৰা দুই বৎসৰ হৈ আছে। পূৰ্ব্বে আপোন দেশ হইতে আইসা অৱধি অদ্য পর্য্যন্ত শ্ৰীশ্ৰীখুড়া দেৱতাৰ আশীৰ্ব্বাদে কিছু দুখ পুৱা নাই। বেটী বন্দীও বাবলৈ পাইছু ও পিতৃমাতৃ খুড়া দেৱতাকে প্ৰমুখ্যে বংশ পৰিয়ালৰ বেটীৰ আপুনাৰ অর্থে মানৰ মতে ও আপোনা স্বজাতিৰ মতে

দান-ধৰ্ম্ম কৰিবলৈ পাইছু ও কৰিছো। আৰু বেটীক পূৰ্ব্বে খুড়া দেৱতাই মানলৈ দি পঠালে।

দেৱতাসকলৰ কাৰ্য্যতহে বেটীয়ে কাণে নুশুনা চকুৱে নেদেখা ঠাই মানদেশত আছু। আৰু দেৱতা সকলৰ কোনো কথা ভালমন্দ ওলালেও বেটীয়ে পালতি ধৰো। দেৱতাসকলৰ ৰাজ্য ৰক্ষাৰ কাৰণেহে বেটীয়ে আহি এই মান দেশ পালোহি। পৰং বেটীৰ মুখলৈ চাই, উপৰি মহাৰাজসকলৰ মুখলৈ চাই, বেটীৰ ভগিনীৰ পুত্ৰ ভাগিনটি যে আছে তাৰ মাকো মৰিল, দেৱতাসকলে প্ৰতিপালন নকৰিলে প্ৰতিপালন কৰোতা অন্য কেহ নাই কাৰণে লিগিৰা কৰি দেৱতাৰ লগতে ৰাখি ছুৱালী-বুহাৰী দি পাতি প্ৰতিপালন কৰিব। বেটীয়ে আজি হস্তে দেৱতাৰ চৰণত বন্দী বুলি সমৰ্পণ কৰি দিলো। আৰু শ্ৰীশ্ৰীপুঠাও দেৱতা ও পিতৃ দেৱতা ও মাতৃ দেৱতা স্বৰ্গী হোৱা বছৰ মাহ তিথি সকলোখিনি বেটীয়ে জনা কৰি লিখি দি পথাব।

আৰু দেৱতাই যে বেটীলৈ পূৰ্ব্বে ৰূপ ১০০০ টকা দিছিল আৰু সোণ ৪০ দি পঠাইছিল সেইখিনি পালো। কিন্তু পাছত যে ৰূপ ৭০০ সোণ ২০ (টকা) পঠাইছিল সেইখিনি নেপালো। কাৰ হাতত দিছিল, নাম লেখি পঠাবা। আৰু পাছত যে পত্ৰ দিছিলা সেই পত্ৰ পালো। ও যুবৰাজ দেৱতালৈ দিয়া ও বেটীলৈ দিয়া কাপৰ সকলোখিনি পত্ৰ দিয়া মতে পালো আৰু আমাৰ বংশৰ শ্ৰীবুদুৰাম গোহাঁইক দেৱতা সকলৰ বাৰ্ত্তা লবলৈ পঠাই দিছু। সেই গোহাঁইক বংশ হেন জানি সুধি পুচি খুৱাই মৰম বেথা কৰি তাৰ হাততে আমাৰ বংশ পৰিয়াল কোন কোন আছে, কোন মৰিল, সকলো লিখি দি পঠাব। আৰু দেৱতালৈ পত্ৰচিহ্ন পাটৰ মাকো মোৰণীয়া চুৰীয়া এখন সেৱা কৰি ভেটী পঠাইছু. বুদুৰাম গোহাঁইৰ হাতে বুজি লবা। আমাৰ কোশল মঙ্গল দেৱতা সকলৰ কোশল মঙ্গল বাৰ্ত্তা লেখি পথাবা। অধিক কি প্ৰাৰ্থনা কৰিম। ইতি ১৭৪৭ শক মাঘ মাসে প্ৰতিপদ তিথৌ।

পুঃ দেৱতা পুত্ৰ বেটীৰ ভাই শ্ৰীগোহাঁইদেৱক প্ৰতি ৭ খন ডালিমা বাঘৰ আওঠী এটি দি পঠাইছু আৰু ৰৰজনা গোহাঁইদেৱক প্ৰতি পানা ১৭ টাৰ গলপতা এধাৰ দি পঠাইছু, বুজি লবা। ইতি"

লক্ষ্মীনাথ বেজবৰুৱাৰ এটি টোকা ঃ অসম সাহিত্য সভাৰ সভাপতি পদৰ বাবে বাণীকান্ত কাকতীৰ নাম প্ৰস্তাব

[লক্ষ্মীনাথ বেজবৰুৱাই এই টোকা লিখি শ্ৰীযুত নীলমণি ফুকনৰ ৰাৰাই সম্পাদিত 'দৈনিক বাতৰিৰলৈ পঠাইছিল। দৈনিক বাতৰিৰপৰা টুকি থোৱা এই টোকা।]

আজি "বাতৰিৰ" গাত ওলোমা বাদুলি দি গোটাচেৰেক কথা ক'ব খুজিছোঁ; "বাতৰিয়ে" যদি সেই দৌৰাত্ম্য সহি ক'বলৈ দিয়ে তেন্তে কোৱা হ'ব; নহ'লে নাই। কথা কেইটা কোৱা হ'লে লোকৰ উপকাৰ কৰা হ'বনে নহয়, কব নোৱাৰো; কিন্তু মোৰ হ'লে হ'ব। কাৰণ সেইকেইটা মোৰ পেটত বৰকৈ কোৰকোৰাইছে। আমাৰ পুৰণি সাধুত থকা, তাহানি বাৰী-কোঁৱৰে বনৰজাৰ হাতৰপৰা সাৰি অহাৰ দৰে, কিজানি সেই কোৱ্‌কোঁৱোৱা কথাবোৰ কেঁকোৰাহে, আৰু সিহঁত ওলাব খুজিছে বুলি কৈ সাৰিবই পাৰোঁ।

'বাতৰি'য়ে মোক অহা "আসাম সাহিত্য সভা"ৰ সভাপতি পাতি-বলৈ কুলকুলাইছে; অকল কুলকুলোৱাই নহয়, আন আন কাকতৰ সৈতে অলপ-অচৰপ কথা কটা-কটিও কৰিছে। সেই দেখি 'বাতৰি'ক কাৰোঁ কৰি কওঁ যে তেওঁ ক্ষান্ত দিয়ক। অৱশ্যে "আসাম সাহিত্য সভা"ৰ সভাপতি পদ মোৰ পক্ষে বাঘ নহয়, সন্মান আৰু মৰ্য্যদাহে। আগেয়েও এবাৰ তেনে কাৰ্য্য, বনৰজাক নেদেখাকৈয়ে কৰি আহিছোঁ। কিন্তু এইবাৰ বাঘ দেখিছোঁ; দিঠকত নহ'লেও সমাজিকত। তাৰ কাৰণ কওঁ।---মই বয়সৰ জখলাৰ খোপত উঠিয়েই হওক বা নামিয়েই হওক, তিনি কুৰি দহ বছৰৰ খোপত ভৰি দি সিখোপলৈ ভৰি মেলিছো। ইংৰাজীত কবৰ নিচিনা, মোৰ অৱস্থা Second childhood। গাৰ বলতো গ'লেই, মনৰ বলো গ'ল যেন লাগিছে;---অৱশ্যে সেইটোৰ বিচাৰৰ ভাৰ বাইজৰ ওপৰত। এনে স্থলত এই বুঢ়া, ফাটিছিটি একাকাৰ হোৱা ফটা কঁথাখন যেন হৈছে, তাক টানি আজুৰি নি সাহিত্য সভাৰ গাত পেলাই দিবলৈ যোৱাটো ইংৰাজীত কোৱাৰ দৰে cruelty to animal হ'ব; আৰু The Society for the Prevention of Cruelty to Animals অৰ সজাগ চকুৰ দৃষ্টি কিজানি উদ্যোগকৰ্তাসকলেও এবাৰ নোৱাৰিব। অৱশ্যে টেওৰ "বাতৰি"য়ে, ৰোমৰ বুঢ়া "চিনেটৰ" বা সেনাপতিক হালোৱা-তলিৰপৰা

মাতি আনি হাতৰ নাওলটো দিনদেকলৈ দলিৱাই পেলাই যুজত আগ-ৰণুৱা কৰি দিয়াৰ উদাহৰণ দেখুৱাইছে সঁচা; কিন্তু তেওঁ পাহৰিছে যে, ৰোমৰ ৰোমান বুঢ়া কনকনাই থকা হাড়ৰ ৰোমান, আৰু খাৰ খোৱা অসমৰ বুঢ়া অসমীয়া খাৰণি দিয়া পচলা।

বুঢ়াৰ কথাকে নকওঁ, অসমৰ ডেকাসকলে মোক ক্ষমা কৰিব, তেওঁলোকক ধোদৰ পচলাকে বুলি মোৰ ক'বৰ মন গৈছে। কিয়নো এই টান মাতষাৰ মাতিলো, মই তাৰ কাৰণটো বহলাই পিছত কম। তাৰ আগতে কওঁ যে, বলৱন্ত 'বাতৰি'ৰ কথাত ভুলি বা শুনি মোক সাহিত্য সভাৰ পদ যদি দৈবাৎ যচা হয়, মই সেইটো ল'ব নোৱৰাৰ আৰু এটা কাৰণ আছে। এই ডিচেম্বৰ মাহৰ প্ৰথম সপ্তাহতে মই ৰৱদালৈ যাব লাগিব। ৰৱদাৰ মহাৰাজৰ ৰাজত্ব কালৰ জুবিলি। তাত থকা মোৰ জী-জোৱাঁইক চোৱাৰ উপৰিও জুবিলি চাবলৈ মই নিমন্ত্রিত। যাম বুলি স্বীকাৰ কৰিলোঁ। এনেই এই সম্বলপুৰৰ পৰা তেজপুৰ সুদূৰ। ৰৱদাৰ পৰা সুদূৰৰ ওপৰত বিদূৰ। গতিকে মহাৰজা ধৃতৰাষ্ট্ৰই পাৰিছিল যদিও, মই বিদূৰৰ হাক পেলাই দিব নোৱাৰো। কোনোবাই এইখিনিতে কব পাৰিব যে দেশৰ ডাকৰ আগত সুদূৰ বিদূৰক থিয় কৰাটো জানো ভাল কথা হৈছে? মই কওঁ নিশ্চয় নাই হোৱা। দেশৰ ডাকতকৈ বিদূৰ মোমাই ডাঙৰ নহয়। কিন্তু মই দেখিছো, দেশৰ ডাক গাড়ীখন মেইন লাইনেদি নগৈ "লুপ-লাইন"ত পৰিছে। "মেইন বা কৰ্ড লাইনেদি" গলেহে সফলতাৰে মোগলচৰাই বোলা ষ্টেশ্যনত সোনকালে ওলাবগৈ পাৰি। সেই দেখি ডাক্তৰ ৰবীন্দ্ৰনাথ ঠাকুৰৰ গানৰ ভাষাৰে কওঁ—"কাছে আছে দেখিতে নাপাও? তুমি কাহাৰ সন্ধানে দূৰে যাও?" এইবাৰ সাহিত্য সভাৰ সভাপতিৰ আসনত শুৱাই ধৰা অসমীয়া সাহিত্যিক ডেকা পণ্ডিত, যাৰ নাম আৰু গুণ-গৰিমাৰ কথা সকলোৱে জানিছে,—এওঁ হাতৰ কাষতে আছে। নামটো নকলেও হয় যে তেওঁ আমাৰ সকলোৰে শ্ৰদ্ধাভাজন পণ্ডিতাগ্ৰগণ্য ডাক্তৰ বাণীকান্ত কাকতী। তেওঁ অসমীয়া ভাষাতত্ত্বৰ ক্ষেত্ৰত যি মহাদানৰ কঠীয়া পাৰিলে তাৰ বাবে কৃতজ্ঞতা প্ৰকাশ কৰা অকল খনচেৰেক সৰু-সুৰা সভাত কৰিলেই নহয়, আসাম সাহিত্য সভাৰ শ্ৰেষ্ঠ আসনত তেওঁক তপতে-তপতে বহুৱাই দিলেহে সম্পূৰ্ণৰূপে সেই কাৰ্য্য কৰা হব। তেওঁ মোৰ অতি

স্নেহভাজন, সেই স্নেহ অকৃত্রিম আৰু আজিৰ নহয়। আশাকৰোঁ তেওঁক এইবাৰ সদৌ অসমে সাহিত্য সভাৰ সভাপতি পদত বৰণ কৰিব। দৈনিক বাতৰি ৯ নবেম্বৰ, ১৯৩৫

এগৰাকী জাৰ্মান পণ্ডিতৰ চিঠি

[ভাৰতীয় ভাষাৰ পণ্ডিত জাৰ্মান দেশীয় ভাষাতত্ত্ববিদ· গ্লেচনেপে হেম গোসাঁইলৈ দিয়া চিঠি। এইজন পণ্ডিতে হেম গোসাঁইৰ "অসমীয়া সাহিত্যৰ চানেকি" জাৰ্মান ভাষালৈ অনুবাদ কৰিবলৈ আয়োজন কৰি লিখা চিঠি।]

17 BENDLER STRASSE
Berlin W 10
September 12th, 1927

Dear Sir,

I am publishing a History of Indian Literature (in German) in which also the modern vernacular literatures of India will be dealt with. The volume of your "Assamiya Sahityar Chaneki', I have seen in our National Library in Berlin, seems to me a very useful work. So I think it, would be a very valuable addition to my work if I could join your name to those of the collaborators by asking you to write a short sketch of the history of Assamese literature covering about 2-3 pages (not more than about 4500 syllables) of the work. I shall translate your sketch, which you may write in English, into the German language ; it will be published of course with your full name and title. As the work is published in about 7000 copies, you will become very known by it in Germany. The honourarium will be 2£. As you are already preparing an English introduction to your edition of selections, it will take no time for you to write a short abstract for the German work. As the space available is very limited it will be possible only to speak of the greatest poets of Assam and give some idea of their work. Please write

every name when it occurs for the first time, in the scientific way of transcription and in the original characters (Bengalee or, if you can, also Nagri script).

Yours truly
H. Von Glasenapp, Ph, D.
Professor of Indian Philology,
Berlin University.

কোচবিহাৰৰ মহাৰজাৰ ভায়েক ভিক্টৰ নিতেন্দ্ৰ নাৰায়ণৰ চিঠি

COOCH-BEHAR,
The 5th October, 1917

My Dear Mr. Gossain,

Thanks very much indeed for your most interesting letter. Though we own no territory in Assam now-a-days--we practically belong to that country—as our line of heritage shows. The houses of Bijni, Dariang, Beltola etc. still exist to show our connections with the province. Only trust some of their members will take some interest in research and thus help to keep immortal the great days of times gone by. But after all it is only a matter of history repeating itself in India. Nothing now remains of the once magnificent kingdom of Vijaynagar in the west, & for the matter of that, only wounderful buildings remind us now that there was ever a great Moghul Empire only a short while ago. So I think after all, it is a matter of pride that States like us, after passing through many periods, of storm and stress do exist at all.

It is a genuine pleasure to have a gentleman of your calibre and capabilities helping us, & I am looking for ward to the day, when you can pay us a visit Thanks for promising to send us the 2 letters, which passed be-

tween the courts of Cooch-Behar & Assam, with your notes upon them. But there is no immediate hurry as we shall soon be breaking up for the puja holidays.

The news that you have discovered a manuscript,by the great Chilha Rai, has gladdened us all, more than you can imagine. We shall be delighted to publish it, if you will very kindly edit it for us. So whenever time permits you can send us the matter to be set up in type, and I think the final proofs should also be corrected by you, if you don't mind. I am therefore asking our Sabha Secretary —Khan Chaudhury Amanatulla Ahmed, whom you know well, to communicate with you at once on this subject. I presume he has already notified you formally that we have had great pleasure in electing you an honorary member of our Society. It is very good of you to promise us articles for পরিচারিকা and my wife has asked me to thank you very much indeed. At present we are the only people in Northern Bengal publishing a magazine with illustrations, and your article will be very welcome. Perhaps it will interest you to know that my father, in his spare moments, used to collect coins of all descriptions. My brother, the present Maharaja is also a keen collector. I have lately been going through the collections, and you will be glad to hear it contained a whole head of Maharaja Naranarayan, Chilha Rai's elder brother. It is the only one I know of in existence & I do not think there is one even in the British Museum collections.

Before I close, let me once again thank you for all the interest you are taking.

Yours sincerely
Victor N. Narain

শিৱনাথ ভট্টাচার্য্যৰ চিঠি
হেম গোঁসাইলৈ

পৰম মাননীয়েষু

সবিনয় নিবেদন।

মোক ১০ খন 'ফুলৰ চাকি' শীঘ্রে লাগে, অনুগ্রহ কৰি ভি, পি, ডাকত পঠাই দিয়াব। ২৪ এপ্রিলত স্কুলত প্রাইজ হ'ব তাৰ আগ দিনা মোৰ হাত পালেহিও কাম চলিব। এই কিতাপ প্রাইজত দিবলৈ লাগে। অনুগ্রহ কৰি মোক ফুলৰ চাকিৰ এজেণ্ট কৰি দিব তেহে সময়ত সকলোৱে কিতাপ পাবৰ সুবিধা হয়। শ্রীযুত সত্যনাথ বড়া, লক্ষ্মীনাথ বেজবৰুৱা প্রভৃতি সকলোৱে মোক এজেণ্ট পাতিছে, আপুনি নো কিয় নেপাতিব। ৮।৯ বছৰৰে পৰা মোৰ স্বভাৱ চৰিত্র সকলো জানে, আৰু ২।৩ টা সম্বন্ধেৰে সম্বন্ধী, মইনো আপোনাৰ দয়াৰ পৰা কিয় বঞ্চিত হম। যি কমিচন দয়া কৰি মোক দিয়ে মই তাতে ৰাজী হম, অনুগ্রহ কৰি মোক কিতাপখন দিয়ক। নতুন ছপাব লাগিলে মই নিজ খৰচেৰে মোৰ নিজৰ Direct Supervision ত চপাম, বড়া ডাঙৰীয়াক সুধি চাব পাৰে তেখেতেও সম্ভৱতঃ Translation ত মোৰ পৰা বেয়া ব্যৱহাৰ পোৱা নাই। মই আকৌ আহি ডিব্রুগড়ত পৰিলোহি। জাত কাৰণ জনালোঁ।

একান্ত আশ্রিত
শিৱনাথ ভট্টাচার্য্য
হেড পণ্ডিত, এম, ভি, স্কুল

"জোনাকী"ৰ জাননী ঃ

"আমি অলপ দিনৰ ভিতৰতে ৩য় বছৰ জোনাকীৰ (ওৱাহাটী) ১ম, ২য় সংখ্যা একেলগে উলিয়াবলৈ চেষ্টা কৰিছোঁ। ভালেমান আহকাল ওচাই হে জোনাকীয়ে পুনর্জ্জীৱন লাভ কৰিছে। ইয়াৰ

পিচৰপৰা আমি মাহে মাহে দুমাহৰ একেলগে উলিয়াই দিবলৈ সাজু হৈছোঁ। গ্ৰাহকসকলে আমাৰ ত্ৰুটী মাৰ্জনা কৰিব। ইতি।

শ্ৰীদুৰ্গানাথ বৰুৱা, শ্ৰীৰঘুনাথ চৌধাৰী
যুটীয়া প্ৰকাশক, "জোনাকী"

'বিজুলী'ত 'জোনাকীৰ' সমালোচনা

["জোনাকী"ৰ লগত মনোমালিন্য হোৱা বাবেই, পদ্মনাথ বৰুৱা, কৃষ্ণপ্ৰসাদ দুৱৰা প্ৰভৃতি জনচাৰেক কলিকতা প্ৰবাসী অসমীয়া ছাত্ৰই "বিজুলী" কাকত উলিয়ায়। সেই 'বিজুলী'য়ে 'জোনাকী'ৰ কেনেকৈ খুঁত ধৰিছিল, তাৰে এইটি নমুনা।]

সমালোচনা ঃ—

"জোনাকী" চতুৰ্থ ভাগ, ২য় সংখ্যা ঃ—এই সংখ্যাৰ "আত্মজীৱন চৰিত" (হেমচন্দ্ৰ বৰুৱাৰ) প্ৰবন্ধটি পঢ়ি আমি বৰ সন্তোষ পাইছোঁ। ১ম সংখ্যাতে ওলোৱা 'চুটীয়া' প্ৰবন্ধটি আৰু আত্মজীৱন চৰিত এই দুটিত বাজে সাকুৱা কথা একোকে নেপালোঁ। সততে যিমান পিঠি থাকে তাতোকৈও পিঠি কম। মুঠতে ধৰিবলৈ গলে, 'জোনাকী'ৰ ক্ৰমিক অধোগতিহে বুলিব লাগে। আনে দোষ ধৰিলে 'জোনাকী'য়ে যুক্তিৰ মূৰ চোবাই খড়্গদন্ত হব নেলাগে। দৰ্শক, পাঠক সকলৰো চকু আছে। 'জোনাকী'য়ে চকু মুদি নুই কৰিলে কি হ'ব? 'জোনাকী'য়ে নো সমালোচনাৰ অৰ্থ কি বুলি বুজে, 'বিজুলী'য়ে নো কোন জনা ব্যক্তিক "ব্যক্তিগত আক্ৰমণ কৰিলে", 'জোনাকী' চলাওঁতা নো নিজে কিমান ভদ্ৰ আৰু তেওঁৰ গাত নো সমালোচনা ব্যক্তিগত আক্ৰমণ আৰু ভদ্ৰতাৰ কিমান কাণ্ডজ্ঞান আছে, সমালোচনাৰ উত্তৰতে বিশেষ বুজা গৈছে। প্ৰতিহিংসা পোষক আৰু যুক্তিৰ ফালে দৃষ্টিহীন মানুহে আলোচনী চলোৱাৰ ভাৰ লোৱাটো বিড়ম্বনাকেহে বুলিব লাগে। 'জোনাকী'য়ে যদি এই দৰে ওফন্দি নিজকে স্খলন তৰাও সাজিব খোজে, আমি তালৈ ঘিণৰ চকুৰেহে চাম।'

ফণিধৰ চলিহাৰ চিঠি

[পণ্ডিত হেমচন্দ্ৰ গোস্বামী তেজপুৰত থাকোতে তেওঁলৈ দিয়া এই কেইখন ফণিধৰ চলিহা ডাঙৰীয়াৰ চিঠি। মূল ইংৰাজী চিঠিৰ অনুবাদ।]

(১)

"মোৰ বৰ লৰাটোৰ (প্ৰেমধৰ চলিহা) টান নৰিয়া। সেই বাবেই, আপোনাৰ চিঠিৰ উত্তৰ দিয়াত পলম হল।

অসমীয়া ভাষা উন্নতি সাধিনী সভাৰ (তেজপুৰৰ) বছেৰেকীয়া অধিবেশনখন ভালে ভালে হৈ গল বুলি শুনি বৰ ৰং পালো। গোড়া বঙ্গালী ভদ্ৰলোক সকলে যোগ নিদি আমাৰ উপকাৰকে কৰিলে। তাৰ দ্বাৰাই আমাৰ উৎসাহ হে বাঢ়িব। মোৰ ৰচনাখন ভাল হৈছিল বুলি কোৱা শুনি ৰং পাইছোঁ হয়, পিছে, শ্ৰীযুত মহাদেৱ গোস্বামীয়ে কোৱামতে দেখোন, কথা ওলোটা। যেয়ে সেয়ে বোলে ৰচনাখন বেয়া হল বুলিহে কৈছে। আনকি, তেওঁ সেইখন পতনুৱা ৰচনা ৰাইজৰ আগত পঢ়াটোকে ভাল বোলা নাই। আপোনাৰ চিঠিয়ে কিন্তু, মোক সকাহ দিলে।

ডি-পি-আই স্কাৰ্পৰ চিঠিত যে লেখিছিল তেজপুৰত ছোৱালী পঢ়াশালী পতাৰ কথা, তাৰ বিষয়ে আপুনি কি মতামত দিলে? আপুনি উনুকিয়াই দিয়া মতেই মোৰ অভিমত পঠিয়ালোঁ। সেই মতেই স্কুল কমিটিয়েও সিদ্ধান্ত লোৱা ভাল বুলি শ্ৰীযুত ডালিম চন্দ্ৰ বৰালৈ লেখিছোঁ।

শ্ৰীযুত কেশৱ নাথ ফুকন মোৰ অতি আপোন বন্ধু।

আপোন ভাৱে তেওঁ মোৰ সদায় হিত চিন্তা কৰে। কিন্তু, ৰাজহুৱা স্বাৰ্থত আমাৰ মত সদায় অমিল। তেওঁলৈও এই সম্পৰ্কে লেখিছো। লেখিছোঁ "অঁকৰাৰ কামত সদায় বিচ্যুতি।" এই কথা তেওঁলৈকে টোৱাঁই কৈছো বুলি বুজিব।

আপুনি দুয়োটা বিষয়ত পৰীক্ষা দি উত্তীৰ্ণ হব পৰা বাবে বৰ সন্তোষ পাইছো। ৰাজহু আৰু ভূমি বন্দৱস্তীৰ কাম কৰোতা বিষয়া

সকলে উশাহ লবলৈকে আজৰি নেপায়। ইমানতো আপুনি যে অসংখ্য কিতাপ পত্ৰ পঢ়িবলৈ সময় উলিয়াব পাৰে আৰু সকলো ৰাজহুৱা কামত গা লাগি যোগ দিব পাৰে, দেখি আচৰিত।

"বৰ মইনা" ৰোগ-শয্যাত পৰি থকা বাবেই মোৰ মন উণ্ডল থুণ্ডল হৈ আছে। মৰমৰ পদ্ম বোপাক (পদ্মনাথ গোহাঁই বৰুৱা) ক'ব—এইবোৰ ঘৰুৱা অশান্তিৰ নিমিত্তেই তেওঁলৈ চিঠি দিব পৰা নাই। বৰ মইনা নৰিয়া পাটীত, শ্ৰীযুত কালিপ্ৰসাদ চলিহাৰ ভায়েক শ্ৰীযুত বৰদাপ্ৰসাদ চলিহাৰ নৰিয়া আৰু মোৰ খুৰাশহুৰ বৰুৱাবোৰ বিহ ফোঁহোৱা এটি হৈছে। ৰাজহুৱা কামত লাগিবলৈ এইবোৰেই মোক বৰ আহুকালত পেলাইছে।

শিৱসাগৰ, ১০ ফেব্ৰুৱাৰী, ১৯০৯
পিঃ ডিঃ চলিহা।

(২)

১৩ মাৰ্চ, '০৯' ঃ—

অসমীয়া ছোৱালী স্কুলটো স্থায়ী কৰিবলৈ যত্ন কৰিব, চৰ্কাৰৰ সহায় লবলৈও চেষ্টা কৰিব।

শ্ৰীযুত ডালিম বৰাই ৪০ টকা মঞ্জুৰী লাগে বুলি হেনো চৰকাৰলৈ আবেদন কৰিছে। ভাল কথা।

আমিও শিৱসাগৰত, ছোৱালীৰ নিমিত্তে মধ্য অসমীয়া স্কুল এটি চৰকাৰৰ সাহায্যত পাতিবলৈ ওলাইছোঁ। প্ৰথমতে বঙালী জনদিয়েকে আপত্তি কৰিছিল। কিন্তু মোৰ কথাত মাতি হৈ তেওঁবিলাকেও আপত্তি নকৰা হ'ল। আগলৈ আৰু বঙালীবিলাক স্বাৰ্থপৰতা দোষৰ পৰা মুক্ত হব বুলি আশা কৰিছোঁ। স্কুলটো পাতিবলৈ মই অকলেয়ে যুঁজ কৰিবলগীয়া হৈছে। কৰ্ণেল গৰ্ডন আৰু মিঃ এ ডব্লিউ ৰ'থামে মোকে সমৰ্থন কৰিছে।

চৌথা দিনা ২৭ তাৰিখ শনিবাৰে গৱৰ্ণমেণ্ট হাইস্কুলৰ বঁটা বিতৰণী সভা হৈ গল। কৰ্ণেল গৰ্ডন সভাপতি আছিল। সমজুৱা বক্তৃতা প্ৰসঙ্গত কৈছিলো 'হেমকোষ'খন ছপাই উলিওৱা বাবে অসমীয়া

মাত্রেই কর্ণেল গর্ডনৰ ওচৰত ধৰুৱা; তাতে, অৱশ্যে আপোনাৰ কথাও উনুকিয়াইছিলো। কি কৈছিলো, আনৰ পৰা শুনিব। অসমীয়া ভাষাৰ উন্নতিৰ অর্থে যত্ন কৰা বাবেও তেওঁৰ ওচৰত কৃতজ্ঞ। অসমীয়া ভাষাই বি, এ শ্রেণীৰ মর্য্যাদা পোৱাত গর্ডনৰ চেষ্টায়েই প্রধান বুলিও উল্লেখ কৰিছিলো। গর্ডনে কিন্তু শলাগৰ শৰাইখন আপুনিহে পাব লাগে বুলি মুক্ত কণ্ঠে ঘোষণা কৰিলে। এই কথাত উপস্থিত সমজুৱা সকলোৰে আনন্দত পাৰ নাই।

অসমীয়া জাতিয়ে কর্ণেল গর্ডনক অসমীয়া ভাষা জীয়াই থাকে মানে পাহৰিব নোৱাৰে। গর্ডনক আৰু এষাৰ কথা বৰ শলাগিলোঁ। তেওঁৰ যহতেই যে আমাৰ সাহিত্যিক আৰু গ্রন্থকাৰ শ্রীযুত পদ্মনাথ বৰুৱাই সাহিত্যিক পেঞ্চন পাইছে, তাকো নদি কলোঁ।

অহা দেওবাৰলৈ আমি অ-ভা-উ-সা সভাৰ অধিবেশন এটা পাতি পদ্মনাথ বৰুৱাক সাহিত্যিক পেঞ্চন দিয়া বাবে গৱর্ণমেণ্টক শলাগি এটি প্রস্তাব লম আৰু সেই প্রস্তাৱ "বন্তিত" প্রকাশ কৰিবলৈ পঠিয়াম।

পদ্মনাথ বৰুৱা আৰু লক্ষ্মীনাথ বেজবৰুৱাই লেখা বুৰঞ্জী দুখনৰ ভিতৰত কোনখন ভাল হৈছে বুলি কর্ণেল গর্ডনে মোক মনে মনে সুধিছিল। মই কলোঁ, "মৰাণ বৰুৱাৰ ঘৰৰ লৰা পদ্মনাথ। তেওঁ অসম বুৰঞ্জীৰ কথা তন্নতন্নকৈ জানে। পদ্মনাথৰ নিচিনা মানুহ যে 'অসম বুৰঞ্জী' লেখাত সিদ্ধহস্ত তাক আৰু নকলেও হ'ব। লক্ষ্মীনাথৰখনত বুৰঞ্জী-সমল নাই। পদ্মনাথৰখন চমু হলেও, অসম বুৰঞ্জীৰ জানিবলগীয়া সকলো কথাই আছে। গর্ডনে মোৰ কথাতে হৰিভৰ দিলে। সেই মতেই পদ্মনাথৰ বুৰঞ্জীখন চৰকাৰে গ্রহণ কৰিব লাগে বুলি তেওঁ মোৰ আগতে উচ্চ কর্তৃপক্ষলৈ চিঠিৰ পাণ্ডুলিপি এখন লিখিয়েই পেলালে।

—পি ডি চলিহা।

বৰ মইনা অলপ ভাললৈ আহিছে।

খান বাহাদুৰ আজিজুৰ ৰহমানৰ পুতেক ই এচি হব বুলি গর্ডনে কৈছে ঃ বড়া বয়স নহলে মোৰ ল'ৰাটোৱে দোৱাবাৰৰ সুবিধাহে পাব। পি এন বিলৈ (পদ্মনাথ বৰুৱা) আৰু বেলেগ চিঠি নেলেখোঁ। এই খনকে দেখুৱাব।

—পি ডি চলিহা।

---

(৩)

১৩ জুলাই ০৯ ঃ—ক'অপাৰেটিভ ক্রেডিট ছচাইটিৰ কামত যোৰহাটলৈ আহিছো। মিঃ কে চি দে আৰু মিঃ প্ৰবোধচন্দ্ৰ বৰদলৈও আহিছে। তেওঁবিলাকে ক'অপাৰেটিভৰ নিয়ম মতে চবডেপুটি বিলাকক ট্ৰেইনিং দিব। মইও এমাহমান ইয়াত থাকিব লাগিব। সোণটিক আশীৰ্ব্বাদ দিয়া বাবে সন্তোষ পালোঁ।

\+ \+ \+

শ্ৰীমান কামাখ্যা বোপাটি ৪ তাৰিখেই শিৱসাগৰ পালেহি। আমাৰ ঘৰত এদিন মাত্ৰ আছিল। এতিয়া দ্বিতীয় কেৰেণী শ্ৰীযুত ভূধৰ চৌধুৰীৰ লগত আছে। তেওঁ আমাৰ বাৰীতে বা ওচৰতে থাকিব খুজিছিল। এতিয়া ডাওৰীয়া সোমেশ্বৰ বৰুৱা তছিলদাৰৰ ওচৰতে আছে। তেখেতে'লৰাটিৰ বৰ বুজবাজ লৈ থাকে। তেখেতক আপোনাৰ সন্তাষণ জনাইছোঁ।

শ্ৰীযুত জগত গোসাঁই এতিয়াও শিৱসাগৰ পোৱাহি নাই। তেওঁ হেনো মিঃ জি জি ফুকনৰ ফুকন নগৰত, শ্ৰীযুত ওণহাস গোস্বামী এচ ডি চিঁৰে একেলগে থাকিব। কামাখ্যা বোপাটিৰ তাত থাকিবৰ মন নাই। তেওঁৰ পুৰণা বন্ধু শ্ৰীমান কুলধৰ আৰু শ্ৰীযুত ভূধৰ চৌধুৰীৰ সঙ্গ এৰিব নোখোজে।

পদ্মনাথ বৰুৱাই ৩০০ টকা দি মোৰ মাটিডোখৰ কিনি লব পাৰে। তেওঁক ক'ব। টকা পালেই তেওঁৰ নামে নামজাৰী কৰি দিয়ামগৈ।

আপুনি ই এ চি, এচ-অ হোৱাতকৈ পি এ (কমিছনাৰৰ পার্চনেল এচিষ্টেণ্ট) হোৱাত ভালহে হল। তেতিয়া আপুনি অসমীয়া ৰাইজৰ কামত আহিব।

ৰাজহ বিভাগত অসমীয়া কৰ্ম্মচাৰীৰ দোষেই নুগুচে। হেজাৰ ভাল কাম কৰক, অসমীয়া কিটাৰ গাতহে "ঘোচ"টো পৰেগৈ। তেজপুৰ ডিগ্ৰুগড়ত থাকোতেই মই পাই আহিছোঁ। অসমীয়া কৰ্ম্মচাৰী অলপমান কৰ্ত্তব্যৰ পৰা আঁতৰিলেই তাকে ৰৰচৌ কৰি ওপৰৰ পৰা তললৈকে ঘমঘণ্ট লগাই দিব। মুখৰ মাত নাইকিয়া হোজা আঁকৰা অসমীয়াই মাতিব নজনাত মুখৰ ভাতো লোকে কাঢ়ি

খায়। নহলেনো ভাৰত দাস আৰু আপুনি দেহা মাৰি কৰা কামৰ শলাগ এটি প্ৰকাশ হব নেপায়নে? দিন কাল এনেকুৱাই হৈছে। পদ্ম বৰুৱা, ডালিম বৰা, তাৰিণী ভট্টাচাৰ্য্য, ভবানী বাবু, পৰমানন্দ আগৰৱালা, ভোলানাথ বৰকাকতী, বেথাৰাম বাবু, মৌঃ তলমিজুৰ ৰহমানক মোৰ সাদৰ-সম্ভাষণ জনাব।

(৪)

ধুবুৰী, ৩১ মাৰ্চ্চ ১৯১০ ৰাতিপুৱা ন বজাত—

.. ..

ডেপুটী কমিশ্যনাৰ এমার্চনক (Emerson) দেখা কৰিলোঁ। ক'ৰ্ট অৱ ৱার্ডে লোৱা লক্ষীমপুৰ জমিদাৰীত তেওঁ এজন অসমীয়া দেৱান লবলৈ চেষ্টা কৰিব বুলি কলে। সেই চলতে, মোৰ কথাও ক'লে, "আপোনাক নজনা নহলেও।" আপোনাৰ কথা সদায় শুনি আছোঁ—মাত্র ইমান দিনে দেখাহে নাছিলোঁ। বিষয়াজনৰ মাহে দৰ্ম্মহা দুশ টকা। মোকেই তাৰ নিমিত্তে মনোনীত কৰিছে হেনো। এইবিলাক কথা কর্ণেল গর্ডনক ক'ব। মোক হিন্দুস্থানী চাকৰ এটা লাগে। পাৰে যদি এটা ঠিক কৰিব; আপুনি নোৱাৰিলেও ৰায়বাহাদুৰ ভুৱন ৰামক ক'ব—যাওঁতে গুৱাহাটীৰ পৰা লৈ যাম।

পিয়াৰী বাবুৰ লগত বহুত কথা পাতিলোঁ। গুৱালপাৰা জিলাত অসমীয়া ভাষা চলোৱাৰ তেওঁ পক্ষপাতী। ৰাজেন্দ্র, ভোলানাথ, গৌৰীপুৰৰ ৰজা এই সকলৰ সকলোৱেই গুৱালপাৰাত অসমীয়া হ'লে "ভাল পাওঁ" বুলি কৈছে।

(৫)

শিৱসাগৰ, ২৩ এপ্রিল, ১০—শ্রীযুত ডাঙৰীয়া সোমেশ্বৰ বৰুৱাই তহিলদাৰ কামৰ পৰা অৱসৰ লৈছে। বোধকৰো তেখেত কলাবাৰীলৈ যাব।

১৯ এপ্রিলৰ দিনা গৱৰ্ণমেণ্ট হাইস্কুলত বঁটা বিতৰণী সভা হৈছিল। ডি চি মেজৰ প্লেফেয়াৰ (Playfair) সভাপতি আছিল। মোৰ পুত্ৰ শ্ৰীমান সোণটিয়ে (পদ্মধৰে) ৫ টা মেডেল পালে (৩টা সোণৰ, ২টা ৰূপৰ)। প্লেফেয়াৰে সোণটিক বিলাতলৈ পঠিয়াবলৈ কৈছে। মোৰ অৱস্থা নাই বুলি ক'লতো, তেওঁ টানি কৈছে বোলে সোণটিক বিলাতলৈ পঠাবই লাগে।

(৬)

২০ মে', ১০---শ্ৰীমান পদ্মধৰে কলিকতা ইউনিভাৰ্চিটিৰ আই এ পৰীক্ষাত উত্তীৰ্ণ হৈছে আৰু ইউনিভাৰ্চিটিৰ উত্তীৰ্ণ হোৱা সমুদায় ছাত্ৰৰ ভিতৰত ত্ৰয়োদশ স্থান লাভ কৰিছে। এটি সুখবৰ।

(৭)

শিৱসাগৰ, ২৭ মে' ১৯১০---আপোনাৰ কথামতেই পদ্মধৰক কলিকতাৰ প্ৰেচিডেন্সি কলেজত নাম লগাই দিবলৈ ঠিক কৰিছো।

ডি চিৰ লগত কাজিয়া কৰা ভাল নহয় সঁচা, কিন্তু মই নকৰি নোৱাৰো। যেয়ে যিহকে নকওক, কোনোবাই আত্মসম্মানত আঘাত লগা কথা এটা ক'লে, মই তাৰ প্ৰতিবাদ কৰিমেই। কোৱাজন লাগিলে উচ্চ বিষয়াই হওক, তেওঁৰ উচ্ছৃঙ্খল অভিমত একোপধ্যেই সহ্য কৰিব নোৱাৰো। এনেকৈ, লোকে গালিপৰা কথাৰ উত্তৰ নিদি মনে মনে থাকিব নোৱৰা বাবে কেতিয়াবা কেতিয়াবা দুখো কৰিব লগীয়া হয়।

(৮)

শিৱসাগৰ ১৩ এপ্রিল, ১৯১১---বিহুৰ ওলগ জনালোঁ। কর্ণেল গর্ডন বোলে সদিয়ালৈ গৈছে---মিঃ উইলিয়ামছন আৰু তেওঁৰ লগৰীয়াইঁতক হত্যা কৰাৰ অনুসন্ধান কৰিবলৈ।

\+ \+ \+

যোৰহাট, ১১ জুলাই ১৯১১--আমি শ্ৰীমান তাৰাপ্ৰসাদ চলিহাক বিলাতলৈ পঠিয়াওঁ বুলিছোঁ। কাগজ পত্ৰবোৰ এতিয়াও পোৱা নাই। সেই বাবে বৈ আছোঁ। লৰাটি বৰ শান্ত প্ৰকৃতিৰ আৰু নম্ৰ, বুদ্ধিতো

চোকা। সি আপোনাক লগ ধৰিবগৈ। আপুনি আজৰি উলিয়াই তাৰ লগত সকলো কথা-বতৰা হব বুলি আশা কৰিলো।

(৯)

১৫ মে, ১৯২১---চুৰমা উপত্যকা বঙ্গৰ লগ লাগকগৈ। ১৯১৮ চনতে চিলেট জিলা আমাৰ লগত থাকিব নেলাগে বুলি যোৰহাটত শ্রীযুত চন্দক (কামিনী কুমাৰ) কৈ দিছোঁ। আমি পৰ্ব্বতীয়াৰেই থাকিম। মিউজিয়ামৰ প্রস্তাৱত শ্রীযুত পদ্মনাথ বৰুৱা আৰু শ্রীযুত কৃষ্ণ চৌধুৰী কিয় ভোট নিদি মনে মনে থাকিল, নুবুজিলোঁ। মিঃ নায়কৰ আচৰণো অকথনীয়। বিৰাজ বাবু ধুবুৰীৰ যদিও, নামৰ আগত "বাবু" লেখিবলৈ ভাল পায়। চফিউদ্দিন গুৱালপাৰাৰ, মাহে ২৫ টকা দৰমহা খোৱা কেৰেণী কামৰ পৰা বৰ্খাস্ত হোৱা। এই বিলাক মানুহেই আমাৰ কাউন্সিলত আমাৰ দেশৰ প্রতিনিধি। অহা ২০ তাৰিখে লোকেল ব'ৰ্ডত নিৰ্ব্বাচিত বেচৰকাৰী চেয়াৰমেন হ'ব লাগে বুলি প্রস্তাৱ দিম।

(১০)

২৩ মে, '২১---মোৰ প্রস্তাৱটে মিঃ জি জি ফুকন আৰু মি তাৰাপ্রসাদ চলিহাই ক্রমে সমর্থন আৰু অনুমোদন কৰাত ৮-৪ ভোটত গৃহীত হ'ল। বিপক্ষত আছিল ৩ জন ইউৰোপীয়ান আৰু ২ জন মহমেডান। চৰকাৰৰ মনোনীত সভ্য ভৱনাথ হাজৰিকাই খুঁত উলিয়াই আপত্তি কৰিছিল। নৰজিল।

সোণাপুৰ (কামৰূপৰ) নাম কেনেকৈ হ'ল

ৰাজেশ্বৰ সিংহ স্বৰ্গদেৱৰ সমসাময়িক হেৰম্বৰাজ আছিল ৰাম-চন্দ্র। এওঁৰে উজীৰ বা মন্ত্রীৰ পুতেক সোণাৰাম নাজিৰৰ নামানু-সাৰে সোণাপুৰ নামৰ উৎপত্তি হ'ল। সোণাৰামৰ পুতেক এজন হৰিৰাম কাইথ আৰু মাজিউজন সিন্ধুৰাম বেজকাইথ নামে পৰিচিত আছিল।

কছাৰীসকলৰ ফৈদসমূহ

(১) ধৰ্দোছা, (২) লাংঠাছা, (৩) ফংলংছা, (৫) ঠাউছেনছা, (৫) হাফালাংছা, (৬) হাম্মুচা।

হাম্মুচা খেলৰ ভিতৰত এটি প্ৰবাদ চলি আছে ঃ—

বুঢ়া কছাৰী এটিয়ে জীয়েকে সৈতে পথাৰত ধান সিঁচি আছিল। এনেতে সিহঁতৰ ওপৰেদি চৰাই এটা উৰি গ'ল। চৰাইটোৱে ছোৱালী-জনীৰ মূৰৰ ওপৰতে হাগিল। (বিষ্ঠা ত্যাগ কৰিলে)। তাৰ অলপ দিনৰ মূৰতে তাইৰ গৰ্ভ হ'ল। কেনেকৈ হ'ল, তাৰ কাৰণ ক'ব নোৱাৰিলে। মূৰকত, এটি ল'ৰা উপজিল। ইপিনে ডিমাপুৰত ৰজা নোহোৱা হ'ল। উপায় নেপাই ঘোষণা কৰি দিয়া হ'ল বোলে,—ঢোল-দগৰত ঘুণ পূজা কৰি কোনে মাত উলিয়াব পাৰে উলিয়াওক। কোনেও পাছে উলিয়াব নোৱাৰিলে। যাৰ হাত লাগি সেই বাজনা-বোৰ বাজিব, সেয়ে ৰজা হ'ব বুলি কোৱাত, ভালেমান কোঁৱৰ আহি বাজনাত হাত দিলেহি। তথাপি বাজনাৰ মাত নোলাল। বাৰ বছৰৰ মূৰত সেই গভুৰা ল'ৰাটোৱে ছুলত মাত ওলাল। তেওঁকেই ডিমাপুৰত ৰজা পতা হ'ল।

.. .. ..

ডিমাপুৰ ৰাজধানী থাকোতে তাৰ চৌপাশে থকা কছাৰী বা আন আন থলুৱা জাতিসমূহ ---(১) ঠিচা, (২) ঠিৰেন, (৩) ঠিৰুস, (৪) ওংজাও, (৫) ওংলেন, (৬) ৰাগি-ছা, (৭) ডাও চুম-ছা, (৮) হাগ্রা-ছা, (৯) ৰঙাই-ছা, (১০) ৰংগ্রাউ-ছা, (১১) ঠাওকিপ-ছা, (১২) ঠাও-ফ্রাম-ছা, (৩) জয়-ছা, (১৪) গামাৰি-ছা, (১৫) জিলিয়া-ছা, (১৬) ডাও-বুগাউ-ছা, (১৭) ডিকাম-ছা, (১৮) জেলেমমুং-ছা, (১৯) কুমাসিং-ছা, (২০) ঔয়াটিলেং-ছা, (২১) লংটা-ছা, (২২) টালুই-ছা।

.. .. ..

কাছাৰত কামৰূপীয়া ব্ৰাহ্মণ

"জনশ্ৰুতি যে এই সকল ব্ৰাহ্মণ আসাম হইতে উত্তৰ কাছাড়ে আগমণ কৰিয়াছিল।"

ধামাধি (ৰাজগুৰু) বংশও আসাম হইতে এতদেশ আসিয়াছিলেন বলিয়া লোক পৰম্পৰায় অবগত হওয়া যায়। উত্তৰ কাছাড়ে আসা অন্যান্য ব্রাহ্মণ চীককল নদীৰ তীৰে থাকে।

এই ব্রাহ্মণেৰা কামৰূপী দ্বাদশাদিত্য বলিয়া বিখ্যাত। ইহাৰা যাত্রাপুৰ, বৰখালা, ফুলবাৰীতে বাস কৰে। (ৰামগোবিন্দ মুক্তিয়াৰ, কাছাড়। ১৮৩৩ শকাব্দ)।

হেৰম্ব দেশৰ গোত্র

(১) ৰিফা সাগাউ (২) বিফুপাৰে (৩) ৰাজিয়ুং (৪) বাদেৰবাগী (৫) আৰজাও (৬) মিতেৰ (৭) ডিফু (৮) হাজেৰ (৯) চাওচেন (১০) লাওডওগা (১১) চিংফুং, ডাওগা (১২) ডাওমা গুপু (১৩) ইজাই সগোত্রসবৰ মুনি (১৪) ডাওমা গাজাও (১৫) কিম-প্রাইসা ডাওগা (১৬) জিংসা (১৭) বঃদ চিংফকে একদাৰই (১৮) জাৰাম চা (১৯) ডাৰাম চা (২০) মাৰাম তুচা (২১) গৰ্লচা (২২) লাপাই (২৩) লাওবাংদি (২৪) হাফিলা সা (২৫) দিৰুয়া সা (২৬) ডাওপুলাংটা (২৭) মাৰিকাপছা (২৮) ঝাৰাচা, (২৯) হাচাম চা (৩০), নাবেন চা (৩১) দিক্রাগেড়ে (৩২) লাংটা ড্রাওগা (৩৩) খিৰিচা (৩৪) পৰ্ব্বচিংফং (৩৫) মাইবাং চা (৩৬) জহৰি চা (৩৭) সৰু ফাংচা (৩৮) হাথামাওচা।

(চাংচকীৰ শ্রীধনীৰাম বৰ্মনৰ পৰা পোৱা)।

.. .. ..

কাছাৰত কন্বশাখীয় ব্রাহ্মণ

"ৰজা গোহাঁই কমলে" চীক্‌কল নদীৰ তীৰত কামৰূপ নিবাসী কাশ্যপ গোত্রজ যজুৰ্ব্বেদীয় কন্বাশাখাধ্যায়ী ব্রাহ্মণসকলক পূজক নিযুক্ত কৰে। জনদিয়েক কোচক দেউৰী, দেৱগৃহী বা সেৱাইত নিযুক্ত কৰে। গোহাঁই কমলে প্রতিষ্ঠা কৰোৱা দেবীৰ নাম ঃ—

(১) কেঁচাইখাতী

(২) খালিগ্রামত গোসাঁনী প্রতিমা।

(৩) ৰণবাউলী (পৰাজিত শত্রুৰ তেজ পি পূজা কৰিব লাগে।)
(৪) আন্ধেৰী (শত্রুক কণা কৰোঁতা।)
(৫) চান্দাই (পূজকৰ চকুজ্যোতি বৃদ্ধি হয়। বিপক্ষৰ চকুত চলিহাই ধৰে।)

শ্রীশঙ্কৰ দেৱ ধর্ম্মাচার্য্য হোৱা শক

অষ্টপথা বেদ ইন্দুশাকে শ্রীশঙ্কৰঃ ধর্ম্মাচার্য্য ভৱতি।

.. .. ..

কোচবেহাৰ মহাৰাজৰ অসমীয়া মহাভাৰত প্রকাশৰ চেষ্টা

প্রেৰক ঃ বাবু প্রিয়নাথ ঘোষ এম-এ,
হিজ হাইনেছ কোচবেহাৰ মহাৰাজ ভূপ বাহাদুৰ জি, চি, আই, ই, চি, বি পার্চনেল এচিষ্টেণ্ট।

পাওঁতা---বাবু মাধৱ চন্দ্র ববদলৈ।

ববপেটা, আসাম।

দার্জ্জিলিং, ৮ অক্টোবৰ ১৮৯৯

মহাশয়,

আপোনাৰ ২ মে তাৰিখৰ চিঠি পালোঁ। মহাৰাজৰ উদ্যোগত, অসমীয়া মহাভাৰতখন প্রকাশ কৰিবলৈ আপুনি চিঠিৰে অনুমতি বিচাৰিছে। মহাৰাজৰ পূর্ব্বপুৰুষসকলৰ অধীনত থাকোতে অসম দেশৰ সভ্যতা কেনেকুৱা আছিল, পুথিখন প্রকাশ হলে জানিব পৰা হ'ব। কোচবেহাৰৰ ছপাখানাত কিতাপখন ছপাই প্রকাশ কৰিবলৈ মহাৰাজে ইচ্ছা প্রকাশ কৰে। ইতিমধ্যে আপুনি মহাভাৰতৰ কেউটা পর্ব্ব সংগ্রহ কৰিব পায়। আপোনাৰ হাতত সম্পূর্ণ পাণ্ডুলিপিখন পৰিলেই মহাৰাজক জনাব। অসমীয়া আখৰেৰে ছপাব লাগিব

যেতিয়া, কোচবেহাৰত প্ৰেছত কাম কৰিবলৈ অসমীয়া কম্পজিটৰ দুটামানো পঠাব। আপোনাৰ চিঠিৰ উত্তৰ পালেই মহাৰাজে দিহা পৰামৰ্শ দিব।

শ্ৰীপ্ৰিয়নাথ ঘোষ।

অসমৰ বিষয়ে দুজন বঙালী লেখকৰ উক্তি

অসমৰ পুৰণি নাম আৰু বিস্তৃতি

"সংস্কৃত অসম্ শব্দ হইতে আসাম নামের উৎপত্তি হইয়াছে বলিয়া অনুমিত হয়।"

"বর্ত্তমান কালে আসাম বলিয়া যে যে স্থান খ্যাত, পূর্বে ইহার অধিকাংশ কামরূপের অধীন ছিল। রঙ্গপুর, ময়মনসিংহ, শ্রীহট্টের কিয়দংশ, জৈন্তিয়া এবং কাছারও পূর্বে আসামের অন্তর্গত ছিল।"

---শ্রীবিশ্বেশ্বর সেন (আসামের ইতিহাস')।

"তসমা সুন্দরী" ঃ (স্বপ্ন)

"অসমা-সুন্দরীদিগের একটি প্রধান গুণ তাহাঁদিগের শিল্পনৈপুণ্য। বঙ্গগৃহের নবীনাগণ নবনীনিন্দিত কোমল হস্তে কার্পেটের কারুকার্য্যই কেবল আজকাল দেখাইতে পারেন। সেকালের গৃহিণীগণের ন্যায় গৃহস্থালীর উপযোগী দ্রব্যজাত তাহাদিগের হস্ত হইতে বড় বাহির হয় না। অসমা নবীনাগণ এখনও ততদূর উন্নত (!) হইতে পারেন নাই; সংসারের সর্ব্বোচ্চ প্রয়োজনীয় সামগ্রী বস্ত্রও তাহারা প্রস্তুত করেন। মাথায় ঘোমটা টানিবার জন্য "অসমা-সুন্দরীকে" এখনও বড় মাঞ্চেষ্টারের নিকট মস্তক অবনত করিতে হয় না, কলের কাপড়ের কারখানা তাহারা এখনও বড় বুঝে না। সূত্র বস্ত্র ব্যতীত ভাল রেশমীকাপড়ও তাহারা স্বহস্তে প্রস্তুত করেন। মুগা, এড়ি প্রভৃতি আসামজাত রেশমী বস্ত্র, তুলনায় তসর গরদ অপেক্ষা কিছু হীন হইলেও, স্বাধীন শিল্পের অতি সুন্দর নিদর্শন, এবং ইহার উৎকৃষ্ট ভাগই "অসমা সুন্দরীগণের" হস্তপ্রসূত।"

—"প্রবাসের অস্ফুট স্মৃতি।"

ৰাধিকাপ্ৰসাদ বৰুৱা "দৈনন্দিন লিপি"

[অসমীয়া ভাষাৰ প্ৰথম অভিধান লেখোঁতা যাদুৰাম ডেকা-বৰুৱাৰ নাতি ৰাধিকাপ্ৰসাদ বৰুৱা ডাঙৰীয়াই ১৮১৫ শকত (ইং ১৮৯৩-৯৪ চন) লেখা এখনি "দৈনন্দিন লিপি" বা ডায়েৰী পোৱা হৈছে। পুৰণি সমাজৰ চিত্ৰ চাই ভাল পাওঁতাসকলে যিবিলাক কথা পঢ়ি ভাল পাব যেন লাগে, তেনেবিলাক কথাকে চুম্বককৈ তাৰপৰা তুলি দিয়া হ'ল।]

শিৱসাগৰ

১ বহাগ বৃহস্পতিবাৰ ১৩ এপ্ৰিল ১৮৯৩ ঃ---আবেলি শ্ৰীযুত ভোলা ভিনীহিদেউ (ভোলানাথ বৰুৱা), (মহৰী) দেৱাই ককাইদেউ, ভোল আৰু বাবুলাক আমাৰ ঘৰত জলপান খুউৱা হয়। সন্ধ্যা লগাত নামঘৰত সঙ্কীৰ্ত্তন শিকিবলৈ যাওঁ। আজিৰপৰা সঙ্কীৰ্ত্তন গানৰ আৰম্ভ হয়।

২ বহাগ ঃ---দুপৰীয়া শ্ৰী পদ্মনাথ বৰুৱাক মোৰ হাতত থকা "বিজুলী"ৰ দাম ছ টকা বাৰ অনা দিওঁগৈ। শ্ৰীযুত পৰমানন্দ (ভড়ালী) বাবুৰ তালৈ অভিধান বিচাৰি গৈছিলো।

৬ বহাগ, মঙ্গলবাৰ ঃ---৪ মান বজাত শ্ৰীযুত শ্ৰীমকান্ত (বৰুৱা) ভিনীহিদেউ ঘোঁৰাৰে ঘিলাধাৰীৰ পৰা (গোলাঘাট) পায়হি।

১০ বহাগ ঃ---দিনৰ এক বজাত শ্ৰীযুত ভিনীহিদেউ, বৰ আইতী ও মই জাঁজীলৈ ৺ দক্ষিনপাটৰ গৃহস্থ গোসাঁই জনা সেৱা কৰিবলৈ গাৰীত ৰাৱনা হওঁ। কিন্তু মিটঙ্গতে (মিতংছিগা) গোসাঁই জাঁজীৰ পৰা সত্ৰলৈ গল বুলি খবৰ পাই তাৰ পৰা ফিৰি নিশা ৯ বজাত দিখৌমুখৰ শ্ৰীকান্তৰ (দুৱৰা কাকতি) ঘৰ পাই তাতে থাকো। দিখৌমুখৰ মই আৰু শ্ৰীযুত ভিনীহিদেউ ঘোঁৰাত যাওঁ।

১১ বহাগ ঃ---সন্ধ্যা লগাত জাহাজ পাই জাঁজী মুখলৈ টিকট লৈ জাহাজত উঠিলো। দিখৌমুখৰ পৰা অলপ গৈয়েই জাহাজ লঙ্গৰ কৰিলে। মই জাহাজতে শ্ৰীফল খাই থাকিলো।

১২ বহাগ ঃ ৰাতিপুৱাতে জাঁজী মুখ উঠিলো। আৰু সৰু চুচীয়া নাৱত অতি ভয়েৰে ব্রহ্মপুত্র পাৰ হৈ শ্রীমোহনহঁতৰ (মোহনচন্দ্র ভূঞা) ঘৰতে থাকিবলৈ ঠিক কৰি গোসাঁই ঘৰলৈ গলোঁ। গোসাঁই সেৱা কৰা হ'ল। শ্রীযুতা বৰ আইটীয়ে শৰণ ললে। দুপৰীয়া গোসাঁইৰ তাত চিৰা-জলপান খোৱা হ'ল।---ৰাতিটো শ্রীমোহনৰ ঘৰতে থাকিলো।

১৩ বহাগ ঃ---ৰাতিপুৱা সোনকালে গা-পা ধুই গোসাঁই ঘৰলৈ গৈ ভাগৱত আদি শুনি তাতে ভাত খোৱা হ'ল আৰু ২ মান বজাত গোসাঁইত বিদায় লৈ আহি ৩॥ মান বজাত ব্রহ্মপুত্র পাৰ হৈ জাঁজী-মুখৰ বালিতে সন্ধ্যা লগাত আঁৰ কাপোৰ তৰি বৰ আইটীয়ে ভাত ৰান্ধিলে, নিশা ৯ মান বজাতহে খাই-বৈ এতাই শ্রীভোগেশ্বৰ চৰ এজেন্টৰ ঘৰত নিশা শুই থাকিলোঁ।

১৪ বহাগ ঃ---ৰাতিপুৱা ৬॥ বজাত জাঁজীমুখৰ জাহাজত উঠিলোঁ, ৮॥ বজাত ডিখৌমুখ পাই গা নোধোৱাকৈয়ে ১০ বজাত শ্রীযুত ভিনীহিদেউৰ ঘোঁৰাত উঠি আহি ১২॥ বজাত শিৱসাগৰ পালোঁহি।

১৫ বহাগ ঃ---শ্রীনীলৰ (নীলকণ্ঠ বৰুৱা?) পৰা মই, পৰমা (গোহাঁই), ফণি (ফণিভূষণ বৰুৱা), মহেন্দ্র (বৰুৱা), শঙ্কৰ, দুর্য্যো (দুর্য্যোধন বৰুৱা), অশ্বিনী 'পাছ' হোৱাৰ টেলিগ্রাম পাওঁ। টেলিগ্রাম লোকে খুলি বেজবৰুৱাৰ (দীননাথ বেজবৰুৱা) ওচৰ পোৱালেগৈ, মই খুলিবলৈকে নেপালো।

১৬ বহাগ ঃ---সন্ধ্যা লগাৰ পাচত বেজবৰুৱা স্কুল ঘৰত শ্রীপদ্মনাথ বৰুৱাই Prosperity of our Country বিষয়ে বক্তৃতা দিছিল---তালৈ গৈছিলো।

১৮ বহাগ, ৩০ এপ্রিল দেওবাৰ ঃ---ৰাতিপুৱা শ্রীযুত ভিনীহিদেউ, যোগ, ফণী, উপ (উপেন্দ্র শর্ম্মা) বমেশ (ৰাজখোৱা) ও মই শ্রীযুত চন্দ্রমোহন গোসাঁইৰ ওচৰলৈ গৈছিলো।---অক্ষয় বাবুৰ (অক্ষয় কুমাৰ ঘোষ) তালৈও গৈছিলো। সন্ধ্যা লগাত ঢেকীয়ালৰ বাইদেউ ও ইন্দ্র পায়হি।

২২ বহাগ, ৪ মে ঃ—বজাৰলৈ গৈ ন অনা দি ধুতী এখন আনিলো। শ্রীযুত দেউতাই (দুর্গাপ্রসাদ বৰুৱা) বৰ দেউতাৰ (চন্দ্রকমল) শৰাধ কৰিলে। চেকীয়ালৰ বাইদেউ ও ইন্দ্র নাজিৰালৈ শ্রীহৰি-প্রসাদ দেওয়ানৰ তালৈ গ'ল।

৩০ বহাগ ঃ—শ্রীযোগকান্ত (বেজবৰুৱা) আজি ঘৰলৈ (দেৰগাঁৱলৈ) গল। শ্রীপৰমাহঁতৰ ফালে গৈছিলোঁ। শ্রীপদ্ম বৰুৱাৰ জ্বৰ চালোগৈ।

২২ জেঠ, ৪ জুন ঃ—দুপৰীয়া শ্রীউপই সৈতে শ্রীনীলৰ তালৈ গৈ তাৰপৰা শ্রীপৰম' সহ শ্রীপদ্ম (বৰুৱা) ও পদ্মেশ্বৰ গোহাঁই আদি আহোমসকলে পতা সভা বালিকা স্কুলত চাবলৈ গৈছিলোঁ। আবেলি বাল্যাশ্রমৰ পুৰস্কাৰ বিতৰণলৈ গৈছিলোঁ। তাৰপৰা শ্রীযুত বেজবৰুৱা ডাঙৰীয়াই দিব লগা টকা খুজিবলৈ গৈছিলো। দুপৰীয়া ২॥ বজালৈকে ঘৰত থাকি শ্রীফণী, নাগী (নগেন্দ্রনাথ বৰুৱা), আদি সহ শ্রীঅম্বৰহঁতৰ (অম্বেশ্বৰ বৰুৱা) তাত ৬ বজালৈকে তাচ খেলিছিলোঁ। গধূলি আমাৰ নামঘৰত শ্রীমান সৰু, গোবিন্দ (বৰকাকতী) আদি সহ নাম গাইছিলোঁ।

২৫ জেঠ ঃ—আজি শ্রীযুত ভিনীহিদেউৰ চিঠিৰ দ্বাৰা গত শনিবাৰে ঘিলাধাৰীৰ গোলাপী বাইদেউ মৃত্যু হোৱাৰ সংবাদ পাওঁ।

২৬ জেঠ ঃ—আবেলি শ্রীযুত উকীলৰ (কালিপ্রসাদ চলিহা) ঘৰত মাকন শৰাধৰ নিমন্ত্রণ কৰাত জলপান খালোগৈ।

৩০ জেঠ ঃ—ৰাতিপুৱা মোৰ হৈ গ্রহপূজালৈ কিবাকিবি বস্তু আনিবলৈ গৈছিলোঁ। ১ বজালৈকে (পূজা ভগালৈকে) ভাত নোখোৱাকৈ পূজাৰ নিমিত্তে থাকো। শ্রীপদ্ম বাপুৰে পূজা ও দান আৰু শ্রীসভাইয়ে ৺ তুলসী দিয়ে।

১ আহাৰ, ১০ জুন বুধবাৰ ঃ—ৰাতিপুৱা মোৰ হাতত থকা ছাত্র সমাজৰ কিতাপ আদি ঠিক কৰিলো। শ্রীঅব্জৰ (অব্জধৰ বৰুৱা) তালৈ গলোঁ।

২ আহাৰ, ১৫ জুন, বৃহস্পতিবাৰ ঃ—ৰাতিপুৱাই অব্জক কিতাপ আদি দিওঁ। আবেলি বৰ মোমাইদেউ (ইন্দীবৰ বৰুৱা), নগেন্দ্রা

মোমাইদেউ (শশীধৰ বৰুৱা), মাজু মোমাইদেউ (দামোদৰ বৰুৱা), মাজু আইতী আদিৰ ঘৰলৈ যাওঁ। সৰু মোমাইদেউৰ (ৰত্নধৰ বৰুৱা) তাত জলপান খাওঁ। নিশা ৯॥ বজাত যাত্রা কৰি শ্রীযুতা জেঠাইদেউৰ ঘৰত শুই থাকোঁ। (ভৱৰাম বৰ কাকতীৰ ঘৰত)।

৩ আহাৰ, ১৬ জুন, শুকুৰবাৰ ঃ---কলিকতা যাত্রা।

কন্যা বাৰমাহী গীত

[হেমচন্দ্র গোস্বামীদেৱে এই কন্যা বাৰমাহী গীতটি সংগ্রহ কৰি তাৰ ওপৰত এটা টোকা লিখিছিল এইদৰে ঃ

"এই বাৰমাহী গীতটো কোনোবা জয়ধন বনিয়া বুলি এজন কবিৰ ৰচিত। সম্ভৱতঃ কবিৰ গাঁৱত সেই নামৰ আৰু এজন মানুহ আছিল। সেই গুণেহে তেওঁ কৈছে যে "শ্রীধৰৰ বাপ জয়ধন বনিয়া তেওঁ নহয়।" এই গীতবিলাক স্বভাৱ কবিৰ কল্পনাপ্রসূত; তাত আজিকালিৰ অনুকৰণপ্রিয় যুগৰ গদ্য বাক্য, দার্শনিক কবিত্ব বা একেবাৰে মার্জিত ৰুচি নাথাকিব পাৰে। সেই বুলিয়েই আমি এই গীতবিলাকক এৰি দিলে কাব্য হিচাপত নহ'লেও ঐতিহাসিক হিচাপত আমাৰ সাহিত্যৰ মহৎ হানি হ'ব। এনে ধাৰণা মনত লৈহে আমি এই গীতবিলাক প্রকাশ কৰিবলৈ হাতত লৈছোঁ। আশা কৰোঁ যেন পাঠকসকলে ভুল নুবুজে।]

(স্বা) হেমচন্দ্র গোস্বামী"

কন্যা বাৰমাহী

(১)

অঘণৰ মাসতে কন্যা সংসাৰ ভৰা ধান
কতকে গাইছে মধু কতকে পুৰাণ
যাৰ সঙ্গে প্রিয়া আছে বান্ধি ভাত খায়
আমাৰ সঙ্গে প্রিয়া নাই (থাকিম) পৰৰ মুখ চাই।
আগবাঢ়ি লোৱা কন্যা সাতসৰী হাৰ

দুই বাহুত তুলি দিম সোণৰ ঝাপ তাৰ।
কাণ চাই দিম কণ্যা হীৰাৰ মদনবাড়ি
কঁকাল চাই দিম কন্যা কাঞ্চন পাটৰ শাৰী
ভৰি চাই দিম কন্যা ভৰিবে নেপুৰ
কপাল চাই দিম কন্যা শিখাৰ সেন্দুৰ।

(২)

পৌষৰ মাসতে কন্যা পুষ্পে অধিকাৰী
স্বামীত ভকতি কৰে ভাগ্যৱতী নাৰী
ভাগ্যৱতী নাৰী যিটো সার্থক জীয়ন
স্বামী হেন ধ্যান নাই এই তিনি ভুবন।

(৩)

মাঘৰ মাসতে সাউদৰ --- চাৰি মাহ
ভিন দেশৰ সাউদ আহি লগাইল মাত
চাউল দেও পুতলা দেও বান্ধি খোৱা ভাত
ভাল ভাল দাসী দিম চুৱা ফেলাইবাক
টো দিব খণ্ডি দিব বালুত মাজিবা
তোগ ধানৰ চাউল দিব দুধত পাখালিবা।
ভাত কাঙালী নহে কন্যা ভাত বান্ধি খাম
ধনৰ কাঙালী নহে কন্যা ধন লৈয়া যাম।

(৪)

ফাগুন মাসতে কন্যা বসন্তবে কাল
যাই যুতি ফুলে ফুল বেলি তৰুৱাল
ফাগুনৰ মাসতে পায় মনে কৰি দুখ
হাতীৰ কটিত ভুকা যেনে ভতুৱা কুকুৰ
কুকুৰ ভুকি নেজে গিৰস্থে পাইবে সাৰি।
তেখনে বলিব আমাক পুৰুষ বধা নাৰী।

(৫)

চৈতৰ মাসতে কন্যা চতুৰ দিশে মন
বিলাওৰে বিলাওৰে কন্যা নৱান যৌৱন
খাওৰে কন্যা কৰপূৰ তাম্বুল বাঢ়োক পীৰিতি
ওচাও মনৰ--- মাগিছো সুৰতি
কি বিলাইবো বিলাইবো সাউদৰ নন্দন
কাঠেৰে বান্ধিছো হিয়া নুতুলাইবো মন
শাহুৰী দুলালী কন্যা স্বামীত পৰাণ
পৰ পুৰুষক দেখো বাপ ভাইৰ সমান
সাউদ বোলো সদাগৰ বোলো ভাই তোমাকে
ধৰমক চিন্তি তুমি যোৱা ৰাজপথে।

(৬)

বৈশাসৰ মাসতে কন্যা কন্যা পদমিনী
চন্দনে চিটিকা দিয়া ভিঙ্গাৰৰ পানী।
ভিঙ্গাৰৰ পানী নহে উত্তম গঙ্গা জল
বাৰী ভৰি আছে আমাৰ ডাব নাৰিকল
আতালত আছে আমাৰ শুখান নাৰিকল
লাৰিতে চাৰিতে দাসীৰ কঁকাল দুখাল।
গলি ভৰি আছে আমাৰ সাত পাঞ্চ গাই
দৈ দুধ ঘৃত মধু ঘিণতে নাখায়।
সাউদ বোলো সদাগৰ বোলো ভাই তোমাকে
ধৰমক চিন্তি তুমি যোৱা ৰাজপথে।

(৭)

জেঠৰে মাসতে কন্যা ভৰিয়া উঠে বান
কোন দেশৰ সাউদ তুমি কিবা তোমাৰ নাম
কোন দেশে থাকা সাউদ কোন দেশে ঘৰ
কি নাম তোমাৰ মাৰ আবুৰ, কি নাম বাপৰ
বাপৰ নাম বিস্মৰণ মাৱৰ নামৰ ৰায়াল
জীৱ গুৰু দিছে নাম নাম তাৰ গাৱৰ।

(৮)

আষাৰ মাসতে কন্যা আহোকৰা ৰাতি
তোমাৰ স্বামী কাটা গৈছে কাঞ্চন পুৰৰ ভাঠি।
নাজাইছে নাজাইছে কাটা আমাৰ টিকৰ পতি
আউলিল হয় মাথাৰ চুলি চিঙ্গিল হয় ব্রজ মুঠি।
হাতৰ দুই মুঠি শাঁখা ভাঙ্গি হল হয় চুৰ
মোলান পৰিল হয় মোৰ কপালৰ সিন্দুৰ।

(৯)

শাওনৰ মাসতে কন্যা শাওনীয়া ৰাতি
লাজি ৰাতি কন্যা মই ভুঞ্জিবো সুৰতি
আজি ৰাতি চোৰ মই যাকে লাগল পাও
হাতে গৰ্জে বান্ধি তাকে ঘাজ ঘৰে পঠাও
চাৰি ফালে ৰাখি থম পহৰী চাৰটি
দুৱাৰ মুখত বান্ধি থম মত্ত গহ হাথী।
শিখানে পৈথানে লাগাম ঘৃতৰ পাঞ্চ বাতি
তীক্ষ্ণ খাণ্ডা হাতে ধৰি জাগিম চৌপৰ ৰাতি
দাবৰি মাৰিম কন্যা মত্ত গজ হাথী
থাপ দি নুমাম কন্যা ঘৃতৰ পাঞ্চ বাতি
চটকি মাৰিম কন্যা মই পালি প্রহৰী
তীক্ষ্ণ খান্ধা ভাঙ্গিম কন্যা মই টিপা মাৰি।

(১০)

ভাদৰ মাসতে কন্যা মাসৰ পৰিল শেষ
হাসি খেলি বিদায় দিয়া যাও নিজ দেশ।
তুমি হলা ভিন পুৰুষ আমি ভিন নাৰী
বাপৰ শকতি নাই বিদায় দিতে পাৰি
আমি ভিন নাৰী সাউদ নাভাবিবি আন
আপোনাৰ দোষে সাউদ হাৰাইবি প্রাণ।
বাপ বোলো ভাই বোলে সাউদ তোমাপে
ধৰমক চিন্ত্রি তুমি যোৱা ৰাজ পথে।

(১১)

আহিনৰ মাসতে কন্যা নিৰমল ৰাতি
পৰপুৰুষ নহও কন্যা তোৰ টিকৰ পতি
পৰ পুৰুষ নোহা যদি আপুন, ঈশ্বৰ
খানি ৰহিয়া থাকা ডিঙাৰ উপৰ
সোণাৰ বাটায় গুৱা পাণ জাৰি ভৰা পানী
ধীৰে ধীৰে গেলো কন্যা বাপৰ বিদ্যা মানি
কাৰ খাইছা গুৱা পাণ কাক দিছা বিয়া
হুই নুই তোমাৰ জোৱেই লওৰে চিনিয়া।
সোণাৰ বাটায় গুৱা পাণ জাৰি ভৰা পানী
ধীৰে ধীৰে আসিল শশুৰ জোৱেই বিদ্যা মানি।
কোন চহৰে থাকা বাপ্ কোন চপৰে ঘৰ
কিবা নাম আতা পিতাৰ কহিও আমাৰ।
নদীৰ কূলে থাকো মই ভাইৰ কুলেশ্বৰ
আইৰ নাম কমল মালা বাপা ধনেশ্বৰ
শিও কালত বিয়া কৰিছু মানিক সদাগৰ
নানান আৰম্ভৰে আসিছিলো তোমাৰ ঘৰ
ব্রাহ্মণ সজ্জনক আনি জিজ্ঞাস কৰি চাৰা
প্রথম কাতিৰ মাসে আমাক দিছা বিয়া
প্রদীপ লাগায় কন্যা ঘাটৰ পিনে যায়
স্বামী স্বামী কন্যা চৰণ ধুৱাই
চৰণ ধুৱাই কন্যা মাগি বৈলা বৰ
স্বামীক বেঢ়িয়া নিলা মন্দিৰ ভিতৰ।

(১২)

কাতিৰ মাসতে কন্যা কাতিয়ান ধানৰ থোৰ
বাৰ মাসৰ তেৰ গীত গাইয়ান নাপাও ওৰ
বাৰ মাসৰ তেৰ গীত লওৰে গণিয়া
ইতো গীত গাইছে কোন জয় ধন বনিয়া।
জয় ধন বনিয়া নহে শ্রীধৰৰ বাপ
গাওঁতাৰ মুকুতি হৰে শুনাৰ সন্দেহ পাপ।

হিন্দুৰ দেৱ-দেৱী আদিৰ আহোম-প্ৰতিশব্দ

(শ্ৰীযুত ডম্বৰুধৰ বৰগোহাঁইৰপৰা পোৱা)

হিন্দু মতে	আহোম মতে
জ্যোতিৰ্ম্ময় পূৰ্ণ ব্ৰহম	ফুৰা তাৰা লং।
ঈশ্বৰ	ফুৰা বা ফ্ৰা।
মহাদেৱ	ফ্ৰা।
বিষ্ণু	আলং।
ৰুদ্ৰ	খুং।
শুক্ৰগুৰু	লাওক্ষী।
বৃহস্পতি গুৰু	পজাকজী।
সৰস্বতী	জাচিংফা।
স্বৰ্গৰ অধিপতি (ইন্দ্ৰ)	ম্যুংফিপ্লু লেংদন।
জলাধিপতি	ফাখাম।
ব্ৰহমা	চিকয়া।
পৃথিবীৰ অধিপতি	ছাংদীন।
পাৰ্ব্বতী	নাংমাও।
লক্ষ্মী	ৰাই।
গোসাঁনী	নাংৰাই
ৰাক্য অধিষ্ঠাতা	থাম চিংম্যুং।
বেদৰ গৰাকী	পেন্ ছিং ম্যুং।
বায়ু দেৱতা	কন ফা নিউ।
লেখা পঢ়াৰ অধিপতি	মলীক মলাই।
বজ্ৰৰ গৰাকী	আই ফালন
ৰ'দৰ গৰাকী	ডেত ছাইলং।
হিমৰ গৰাকী	শ্যেত ছাই।
নৈৰ অধিপতি	ৰাও হঃ খে।
শিলাবৃষ্টিৰ গৰাকী	ৰিন্ কন্ ম্যুং।
ৰতাহৰ অধিপতি	ৰাও লুম্ খুম্।

চিত্র গুপ্ত	বাকুলাং।
ইন্দ্রদূত	খা লোৱা।
অগ্নিদেৱতা	ফাই মাই, ।
বুঢ়া-বুঢ়ী	যি থুক্ আও।
সোণৰ কণী (ব্রহ্ম) ঃ	ফাল্জন খাম।
চাৰি ব্রহ্ম	ছিম্লন খাম।
ঈশ্বৰৰ সৰু পুত্র	ছেংচফা, ফা-খাম।
লেংদনৰ দদায়েকৰ জীয়েক,	
ডাখামৰ পত্নী	ছেং ডাও।
সোণৰ লগুণ	ছাই খা আন।
গৰুড়	নিউফাফা।
সূর্য্য	চাওবান।
অৰুণ দেৱতা	চাও ফানুক।
কুবেৰ	চেং কাইফা, খেন্‌খাম্।
বায়ু	থেন্‌লুঙ, আইচেন, কিউ।
বিশ্বকর্মা	লাওখ্রী ।
যম	চাইলাও।
বৰুণ	চাওফাফুন।
কশ্যপ মুনি	থাই খাং।
ভেক ঋষি	থাই খাং খাক।
নাৰদ	থাও লিপ্ লিঙ।
বেদ	পেন কাকা।
আহোম বেদ	লিই মঃ।
হিন্দু বেদ	লিই কুলা।
চৈধ্য শাস্ত্র	ছাম ছিলাং খু মুং।
দশাৱতাৰৰ বিৱৰণ	মেমি মাং ফুৰা।
চাৰি ব্রহ্ম ফুতনৰ বিৱৰণ	ফুৰা লুং।
মন্ত্র শাস্ত্র	ফাত মৰং।
দেৱ গীত	লিট মুট।
অদ্ভুত গণনা	লিট্ কানা।

দিন চোৱা	ফেলং।
সাধাৰণ দিন চোৱা	ফে নই।
পূজা বিধি	খেক্‌লাই।
স্তুতি মন্ত্র	লন মাই।
গ্রহ স্তৱ	টুককাই।
শুভ মন্ত্র	তাপ তাং।
দেৱ-দেৱীৰ ঘটনা বিৱৰণ	নাং বাই।
মালিখা ফুৰাই ধৰ্ম্মপ্রচাৰ কৰা বিৱৰণ	মালিখা ফুৰা।
ইন্দ্রই লাং হমফাৰ লগত বিয়া কৰোৱা কাহিনী	নাং হংফা।
ধৰ্ম্ম সম্বন্ধীয় কথা	পুন্ কুমুং।
জলপ্লাৱনৰ বিৱৰণ	লাই কুমুং।
মন্ত্র শাস্ত্র	লো বি আবি।
ৰামৰ মুখৰ কাহিনী	ৰাম লেং।
ৰামৰ মুকুট বা চেং হেৰোৱা	কা থা ছেং।
স্তোত্র	বৰফাই।
ভাগ্য গণনা বা মঙ্গল চোৱা	বান্‌ছাং।

কৃষ্ণদাস ভণ্ডাৰী বৰুৱাৰ শ্রাদ্ধৰ ফৰ্দ্দ

[পোন প্রথম অসমীয়া-বঙলা অভিধান লেখোঁতা যাদুৰাম ডেকা বৰুৱাৰ পিতৃদেৱেক কৃষ্ণদাস ভাণ্ডাৰী বৰুৱাৰ ১৭৭০ শকৰ ১২ আহিন তাৰিখে কৰিবলগীয়া শ্রাদ্ধৰ ফৰ্দ্দ। ফৰ্দ্দখন গমি-পিটিকি, চালি-জাৰি চালে, সেই সময়ৰ সামাজিক ছবি এখনৰ ফটফটীয়া ৰূপ এটি দেখিবলৈ পোৱা যায়।]

"কৃষ্ণদাস ভণ্ডাৰী বৰুৱা পিতামহৰ আশ্বিন মাসৰ কৃষ্ণ দ্বাদশীৰ শ্রাদ্ধৰ হিঃফৰ্দ্দ। শক ১৭৭০, তাৰিখ ১২ আশ্বিনৎ কত্তিত্ব।

পিতামহ—কৃষ্ণদাস

প্রপিতামহ—সঙাই

বৃঃ প্রপিতামহ---বিজই
পিতামহী---দুর্গা
প্রপিতামহী---সিন্ধুমতী
বৃঃ প্রপিতামহী---মধুমতী

১৭৯৬ শকৰ আশ্বিন শুক্লা দ্বিতীয়াত শর্ম্মিষ্ঠা বৰ আইৰ মৃত্যু। ১৭৮০ শক চন্দ্রকমলৰ সপত্নী হেমপ্রিয়া।

দ্রব্য	নিৰখ	দাম
শৰাধৰ আলো চাউল	১	
মিহি চাউল	।।০	
ফলা মাটিমাহ	।০	৵৬
ফলা মগুমাহ	।০	৵০
খেচাৰি ডাইল	২ সেৰ	৴৬
বুট ডাইল	১ সেৰ	৴৩
নাৰিকল	১ গোট	৴৬
মাই জলপানৰ কল	৪-৫ থোকা	।০
মাই ভোজনি শৰাধৰ তামোল	৯ পোন	।।০
পান	৬০ গুছি	।০
গৰুৰ গাখীৰ	৬ সেৰ	৵০
গুৰ	৩০ ঘট	১
মহৰ গাখীৰ	৬০ সেৰ	১৸৵
চেনি	১।।০ সেৰ	।।৵
ভৈচা ঘৃত ভোজনিৰ	।।০	।৴
শ্রাদ্ধৰ গায়া ঘৃত	৵	৴০
গামোচা শৰাধৰ	২ খান	
চেলেং কাপোৰ	১ খান	
কোমল চাউল	২ পুৰা	
ভোজানি ৩৪ গোটৰ চাউল	১।	

ভোজনি ঃ---

মাটি মাহ

২ মুঠি হিঃ টুটনি সমেৎ	।৵	৬
মণ্ডমাহ ১ মুঠি হিঃ	।০ টুটনি	৬
লৱণ ভোজনিৰ	⁄১ সেৰ	৵৮
তৈল ভোজনিৰ	১ সেৰ	।০
তামাখু	।০	৲৯
লালি	।	৲৬

শৰাধৰ কাৰণ ঃ---

মধু	৫	৲৬
হাজধি	।⁄	⁄০
জালুক	৵	⁄০
মাছত, দত থাকাতে দাম		।৵
বানমলা	৩০	৬
মলা	১২০	।০
কঠনীয়া চৰু	২৫	৵
টিপা	৩৪	৲৯
চাকি	৫	৲৩
গছা	৫	⁄০

নিমন্ত্রণৰ ব্রাহমণৰ ফৰ্দ ঃ—

পুৰোহিতৰ	॥০
শ্রীউৰ্ব্বাধৰ বড়ুৱা	৵
শ্রীনাৰায়ণ বৰুৱা	৵
শ্রীৰাধাকান্ত ফুকন বৰুৱা	৵
শ্রীবংশীধৰ	⁄৬
শ্রীশশীধৰ ফুকন	৵
শ্রীগদাধৰ	⁄৬
শ্রীৰামচন্দ্র	⁄৬
শ্রীশিৱকান্ত	⁄৬
শ্রীসিদ্ধেশ্বৰ	

শ্রীদিনাই; তস্য ভতিজা		
শ্রীসাধি শর্ম্মা		⁄৬
শ্রীনাৰায়ণ শর্ম্মা		⁄৬
শ্রীদিনাৰাম আৰু ২ জন		
দক্ষিণা সর্ব্বমোট		৩৷৷০৬
শ্রীগোবিন্দ শর্মা—		
গীতা পাঠত		৷০
বিষ্ণু নামত		⁄
নীলকণ্ঠ		⁄৬
ভাষ্ণ সাবিত্রীত		⁄৬
		———
		৷৷⁄০
বাজে ব্রাহ্মণ সমাজত লাগিবেক		
নগদ		৯৲
নগদ দক্ষিণা		৩৷৷৬
মোট দক্ষিণা		১২৷৷০৬
কার্য্যৰ খৰচ		৯৷৯
	সর্ব্বমোট	২১৸⁄৩
তিনি খালিৰ চাউল		৷৷৯
পৰসাদৰ		⁄
পিণ্ডৰ চাউল		⁄
মণ্ডমাহ	২ কঠা	⁄০
কল	৩ আধা	⁄০
তামোল	১০ গোট	৷৬
পান	৩০ লিখা	৷৩
গুৰ	২ গোট	⁄
গাখীৰ	৫	⁄৪
কোমল চাউল পুৰহিতৰ		⁄৬
প্রায়শ্চিত্ত		⁄৬
পৰিচাৰক		৷৬

নাৰায়ণ শৰ্ম্মা		।৬
সাধি শৰ্ম্মা		।৬
শৰাধৰ মাচৎ		।২
চেনি		।৫
গাঁয়া ঘৃত		।৬
ভোজনি	৩ গোট	——

পাঠক ঃ—

বিশ্বনাথ
যোগধৰ শৰ্ম্মা
লেৰেলা শৰ্ম্মা
তনু পূজাৰী
ভদ্ৰ ঋটনিয়াৰ
ভায়াৰাম পূজাৰী
জইৰাম বৰ পূজাৰী
জগন্নাথ পূজাৰী
হেমধৰ শৰ্ম্মা ৵৬

৺হেমচন্দ্ৰ গোস্বামীৰ চিঠি-ফাইলৰ পৰা

[পণ্ডিত হেমচন্দ্ৰ গোস্বামীদেৱৰ চিঠি-ফাইলত নোহোৱা বস্তু নাই। ৰাজভগনৰ পৰা কলথোকা বাদুলীয়ে খোৱালৈকে সকলো কথাৰে সন্ধেদ তাত পোৱা যায়। অসম আৰু অসমীয়াৰ এনেকুৱা এটা সমস্যা নাই, যিটোৰ লগত গোস্বামীদেৱ ঘনিষ্ঠভাৱে সংশ্লিষ্ট নাছিল। গৱর্ণৰৰ পৰা গাওঁ বুঢ়ালৈকে, বিদগ্ধ পণ্ডিতৰ পৰা হজুৱা চহালৈকে, চাৰিসত্ৰীয়া গোস্বামীৰ পৰা, বৈৰাগী ভকতলৈকে সকলোৱে গোস্বামী দেৱৰপৰা যুক্তি-পৰামর্শ দিহা-বুদ্ধি ল'বই লাগিছিল। অসমীয়া সাহিত্য যে তেওঁৰ ওচৰত কিমান ঋণী, তাক ইয়াত জোখাৰ ঠাই নহয়। গোস্বামীৰ ফাইলত সোমালে, এইষাৰ কথা নকৈ নোৱাৰি যে পণ্ডিত হেমচন্দ্ৰ গোস্বামী সঁচা-সঁচিকৈয়ে অসমীয়া সাহিত্যৰ বহঘৰা আছিল।"

সেই কালত চিঠি-পত্রবিলাক প্রায়েই ইংৰাজীৰেই লেখালেখি হৈছিল। তাৰে খনচেৰেক অসমীয়ালৈ অনুবাদ কৰি দিয়া হ'ল।]

লক্ষ্মীনাথ বেজবৰুৱাৰ চিঠি

১৮ শোভাৰাম বসাক লেন,
কলিকতা ২১-৪-৯৪

(১)

মৰমৰ গোসাঁই,

"কি ক'ম দুখৰ কথা" বৰাক হেৰুৱালোঁ। মৰা খবৰটো পায়েই মই থৰ লাগিলোঁ। বৰা যোৱাৰ লগে লগে আমাৰো এজন বিশ্বাসী বন্ধু, সকলো কামৰে লগৰীয়া শুচি গ'ল; দুখুনী অসমেও উঠি অহা যোগ্য সন্তান এটি হেৰুৱালে। সঁচাকৈয়ে অসমৰ ওপৰত বিধাতাৰ শাওপাত। অসমৰ উন্নতি আৰু বহু দূৰলৈ আঁতৰি গ'ল।

মই ভোলানাথ বৰুৱাৰ লগতে, একে ঘৰতে আছোঁ, সহধর্মিনীও।

আমাৰ "জোনাকী" দেখোন জঠৰ হ'ল। কনক (কনকলাল বৰুৱা), দ্বাৰিকা (দ্বাৰিকানাথ শর্মা), ৰজনী (ৰজনী কটকী) ঘৰলৈ গলগৈ। তোমালোকে টকা নপঠিয়ালে "একণমান বস্তুটি" (জোনাকী) এই সংখ্যাৰ পাচতে মৰি থাকিব। আজীৱন সভ্য সকলেও ৰৱণি নিদিয়া হ'ল—"What to say of callous & stupid subscribers. অধৰ বাবুক 88 টকা দিব লাগে, অলপমান নেপালে তেওঁ আৰু ছপা নকৰোঁ বুলিছে। তুমি যোৱাৰ পিচত আমি আৰু তেওঁক এটা পইচাও দিয়া নাই। আনকি, কাগজৰ দাম ৬ টকা, তাকে দিব পৰা নাই। কাগজখন মৰিব বুলি ভাবিলেই বৰ দুখ লাগে।

"You are indifferent, Jajneswar (যজ্ঞেশ্বৰ নেওগ) silent, Chandra Kumar (চন্দ্রকুমাৰ আগৰৱালা) blindfolded. Mahanta (ৰত্নেশ্বৰ মহন্ত) callous, Kanak কনকলাল বৰুৱা) exhausted, Ananda (আনন্দ ভট্টাচার্য্য) dormant, Bezbaroa (নিজেই লক্ষ্মীনাথ) soporific, drawn to the last farthing ; subscribers stingy and

advertisers wicked and cheats, how do the Jonaki subsist ?

খুজি-মাগি হ'লেও মোৰ মইনা (Beg boy !) 'জোনাকী'খন জীয়াই ৰাখা, অসমীয়া ভাষাৰ মান ৰাখা।

তোমাৰ পৰীক্ষাৰ খবৰ ওলোৱা নাই।

ল-ব-

(২)

"My dear Gossain,

Yours of the 9th inst. Your letter is a specimen copy in advance of the Ethnography of disappointment. Your refusal to take a trip down-wards during the cold weather is akin to my refusal to upwards journey to and from Assam under the cover of hundred and one excuses. However, I excuse you and grant you leave till 31st March 1902, under the terms and conditions that you successfully manufacture an ethnographically something during the time. I am glad you have been selected an assistant to the Supdt. of Ethnography in Assam. Right man in the Right place."

আমাৰ মৰমৰ 'জোনাকী'ক আকৌ উলিয়াবা বুলি শুনি ৰং পাইছোঁ। শান্তিৰে শুই থকা সেই নিঃকিন আত্মাটিক বাৰু কিয় টানা ? নতুন নাম দি নতুন এখন উলিয়াব নোৱাৰি নে ? নতুন নামেৰে হ'লে, মই ভাল পাওঁ। অৱশ্যে, তোমালোকে ভাল বুলিলে, মোৰ একো আপত্তি নাই। মই কিন্তু একো পধ্যেই সম্পাদক হ'ব নোৱাৰোঁ। আজিকালি সাহিত্য অভ্যাসে মোক এৰা দিলে। বুইচা গোসাঁই, আজিকালি সাহিত্যিক বোলাবলৈ বেজৰ আজৰিয়েই নাই—বেজ এতিয়া শবদত মৌ পিয়া মাখোন।

(৩)

চন্দ্রকুমাৰ আগৰৱালাই 'জোনাকী' চলাবলৈ এৰি দিয়াত ১৮৯৯ চনৰ ১০ ফেব্রুৱাৰী তাৰিখে বৰ খং বেজাৰেৰে যিখন চিঠি লেখিছিল তাত আছে,

"চন্দ্রকুমাৰক ফাঁচী দিয়া। তেওঁ নচলালে আৰু 'জোনাকী' নচলিব নে কি? তিনি ফৰ্ম্মীয়া কাকত এখন নো আমি অসমীয়া-বোৰে চলাব নোৱাৰো নে--এইটোতহে মোৰ ৰৰ 'আপচোচ'। চোৱাচোন, বাৰবুৰি কাম লৈ বশম্বদ মিশ্রই কেনেকৈ সাদিনীয়া ইংৰাজী কাকত এখন চলাইছে।" "Is there no hope" ? —the sickman said. The silent doctor shook his head.

(৪)

৫-১০-১৯০৩ : ডবচন ৰ'ড, হাওৰা : মোৰ নতুন কিতাপ 'সাধুকথাৰ কুকি' ছপা হৈ ওলাল। তোমালৈ এখন পঠালোঁ। কেনে পোৱা লেখিবা।

(৫)

২১-৪-০৫ : ১, মিশ্যন ৰো কলিকতা :---মোৰ "পদ্মকুমাৰী" উপন্যাসখন ওলাওঁ ওলাওঁ। তোমাৰ নামেই উছৰ্গা কৰিব খুজিছোঁ। কিবা ক'বা নে কি? "কাকতৰ টোপোলা" আৰু "পদ্মকুমাৰী"—এই দুয়োখন কিতাপ মোৰ মৰমৰ বন্ধু 'মাজু' আৰু 'গোসাঁই'ৰ নাম উছৰ্গা কৰিব লাগে।

"তা-তা, old chap"

(৬)

২১, ৰ'জমৰী লেন হাওৰা : ১৯-৯-১৯০৫ : তোমাৰ 'ফুলৰ চাকি' ছপাবলৈ দিলোঁ। আগৰৱালাই লেখিছে, "মই লেখিছোঁ 'বন-কুঁৱৰী', তুমি লেখিছা "পদুম কুঁৱৰী"। গোসাঞে নো "ফুল কুঁৱৰী" লেখিলে কি জগৰ লাগিব? ওৰিতে কথা একেই, তাকে বহলাব নেলাগে।" তুমি বাৰু কেনে দেখা? নামটো সলাম নেকি? সোনকালে লেখিবা।

(৭)

৯-৮-১৯০৭, ৰ'জমেৰী লেন "লবেলছ" :— "You do not expect a letter from me all on a sudden. Do you ? But all the same, "Ami olaichuhi" আমি ওলাইছোহি"।

Re :—Your অসমীয়া ভাষা আৰু "সাহিত্য" (Pray put আৰু in the place of 3। You want to connect it with my name. I have got nothing to say. I am entirely in the hands of my Gossain and Agarwalla always. You can connect, disconnect, attach or detach it according to your whims. "I am entirely in the hands of my learned brother" — as Justice Fletcher said.

(৮)

৮ হেয়াৰ ষ্ট্ৰীট, কলিকতা, ১২-৭-১৯০৯ ঃ

মোৰ "সুৰভি"ৰ বিষয়ে দিয়া তোমাৰ মতামত থকা চিঠিখন পোৱা পলম হ'ল। পূজাৰ বন্ধত আহিবা—লগতে মাজিউ'কো আনিবা। "Where is your married daughter now ? Have you Uliaidila (উলিয়াই দিলা) her ? ছোৱালী এটিৰে মোৰ পৰিয়ালৰ সংখ্যা বাঢ়িল। এতিয়া মোৰ ছোৱালী তিনিজনী হ'ল। "What is the state of affairs with yours ? I am sure, if we compare notes, I will discover my backwardness forsooth.

With kindest regards both to your goodself and mem-saheb,

I remain,
Yours affly
L. N. Bezbaroa.

H.C. Gossain Esq.
Tezpur.

(৯)

৮ হেয়াৰ ষ্ট্ৰীট, কলিকতা, ১৮-১০-১৯০৯ ঃ কলিকতীয়া অসমীয়া ল'ৰাবোৰে 'নাচোৰ-বান্দাকৈ' লাগিছে বোলে, মই মাহেকীয়া কাকত এখন উলিয়াবই লাগে। উলিয়াবলৈ মইও যো-জা কৰিছো। 'ভাল ল'ৰাটিৰ' দৰে তুমি এতিয়া মোক প্ৰবন্ধ যোগাব লাগে। মাহে মাহে তোমাৰ প্ৰবন্ধ একোটি লাগিবই। ইয়াত ৰাজনীতিৰ গোন্ধ-ভাপ থাকিব নোৱাৰে, গতিকে, তুমি নিৰাপদ। মোৰ পৰিয়াল মধ্য প্ৰদেশত আছেগৈ।

(১০)

২২, ৰ'জ মেৰী লেন, হাওৰা—২৯-৯-১০ ঃ

বৰ দুখে-কষ্টে আহি যোৱা শুকুৰবাৰে শিয়ালদহ ষ্টেচন পালোহি। শুৱাহাটীৰ পৰা অহাৰ পিচদিনাই গধূলি ৭ বজাত ধুবুৰী পালোহি। কিন্তু কলিকতীয়া ডাক গাড়ীখন ধৰিব নোৱাৰিলো, এনে-কুৱা বেল ধৰিব নোৱৰা দুর্ঘটনাই মোক চাৰাঘাটলৈকে পালে।

সেই কেইদিন তোমালোকৰ ঘৰত আদৰী হৈ থাকোতে গোসাঁনী আৰু ল'ৰাহঁতে চাহ-লুচী, মোহনভোগ আদি জা-জলপান খুৱাই যিদৰে আল ধৰিলে তাক মই কেতিয়াও পাহৰিব নোৱাৰো। আমাৰ "ডাঙৰ সাহিত্য পেঞ্চনাৰ"—অ নহয় নহয়, তোমাৰ মাজিউ ল'ৰা (শৰৎ) "সাহিত্য পেঞ্চনভোগী সুদামে" ডাবি-ধমকি দি জলপান বিলাই দিয়া বাবে মোৰ মৰম-চেনেহ বিলাই দিবা।

"Please do not think of writing me a nice letter—as in that case, I will never receive one from you. Please write me one in an offhand way without trying to be ভালকৈ।

H. C. Gossain
Gauhati

Yours
L. N. Bezbaroa

গুণাভিৰাম বৰুৱাৰ চিঠি

[১৮৯৩ চনত হেমচন্দ্র গোস্বামীয়ে বি-এ পাছ কৰিব নোৱৰাত, গুণাভিৰাম বৰুৱাই পুৰুলিয়াৰপৰা এই চিঠিখেই গোসাঁইক সান্ত্বনা দি কৈছিল,—"এতিয়া জাতো গ'ল, পেটো নভৰিল।" সেই কাৰণে, 'পঢ়া এৰি নিদিবা' ল' পঢ়িলে ইংৰাজী ভাষাটো ভালকৈ জানিব লাগে' ইত্যাদি। দ্বাৰিকেশ্বৰ বোলোতে শিৱসাগৰৰ দ্বাৰিকেশ্বৰ শৰ্মা আৰু প্রসন্ন ফুকন বোলোতে আনন্দৰাম ঢেঁকীয়াল ফুকনৰ পুত্রক বুজাইছে।]

Purulia
5 January 1893

My dear Hem Gossain,

I could not reply to your kind note in time. Karuna. is not improving. So we are disappointed though it was

believed that the change would do good. We have not yet been able to decide what place we are moving to, next time. Heaven only knows in what a miserable situation I am now. However, so far I am certain that God is merciful and wise as well as just and the present difficulty is only a punishment awarded for past transgression and that the day is not distant when all these clouds would be cleared off and bright sunshine appears. This is my faith and this is my hope. I was disappointed in not finding your name in the list of B.A. Candidates. Really, I am very sorry and sympathise with you. Dwarakeswar is the only young man who passed among the Assamese. Very probably, he will get the Bishnupriya Devi Prize this year. But I should like to tell you one thing and that is a golden maxium "Nil desperandum" i.e. despair not, All the finesse of the hand are not paying. Probably God does not intend you to have the Degree though it is a much coveted one. Your sphere is elsewhere. Finish the Law lectures and pass the examination and I am sure, you will do well. You must try to improve your English specially, for a pleader must possess that quality of all others at first. This you will be able to do by creating a habit to speak English & you need not be risking about the Examination. Your uncle's illness interfered with your studies a good deal and you could not help. Don't think of giving up studies. If you do so you lose your caste though the stomach is not fulfiled. 'জাত যোৱা, পেট নভৰা'। This is very bad. You must finish your law course. This is all what I have to say, I am indeed sorry for poor Prasanna (প্রসন্ন ফুকন), Can't help. God knows better than we. He was pleased to take him to the place which he has reserved for him.

Yours sincerely,
Goonabhiram Borooah.

ৰিক্‌খুন উৎসৱ

[আহোম ভাষাবিদ গোলাপচন্দ্ৰ বৰুৱা ডাঙৰীয়াই পণ্ডিত হেমচন্দ্ৰ গোসাঁইলৈ দিয়া চিঠি। আমাৰ দেওধাই, মহনসকলে কেনেকৈ ৰিক্‌খুন উৎসৱ পাতে, তাৰে এটি চমু বিৱৰণ।]

ডিব্ৰুগড়
ৰিহাবাৰী, পোঃ অঃ
২০-১২-১৯০৩

প্ৰিয় গোসাঁই,

আপোনাৰ ২ তাৰিখৰ চিঠি পালোঁ। মোৰ দাঁতৰ ৰিষ হৈ ততকে হেৰুৱালো। ডাক্তৰ কালিমোহনে অস্ত্ৰ চিকিৎসা কৰি কোনো-মতে জানিবা ৰক্ষা কৰিলে। শ্ৰীযুত মাণিকচন্দ্ৰ বৰুৱা, সত্যনাথ বৰা, দেৱেশ্বৰ বৰুৱা আৰু মিশ্টৰ জগন্নাথ বৰুৱাৰপৰা মোৰ আহোম ভাষাৰ অভিধানখনৰ প্ৰশংসা পত্ৰ অনা বাবে আপোনাৰ ওচৰত নথৈ কৃতজ্ঞ। আপোনাৰ যহতহে যদি মোৰ কিতাপখনে যথাস্থানত স্বীকৃতি পায়।-- --

ৰিকখুন পূজা ঃ—ৰিক্‌ঃ—পুনৰ আনয়ন; খুন—জীউ অৰ্থাৎ পুনৰ জীৱন অনা পূজা উৎসৱ (Rikkhwan)। আগৰ দিনত, সকলো আহোমেই এই উৎসৱ কৰিছিল। আজিকালি কিন্তু দেওধাই, মহন ৰাইলুঙৰ মাজতহে প্ৰচলিত আছে। কোনোবাই কিবা পাপ বা জগৰ কৰিলে, সামান্য অনুতাপ বা প্ৰায়শ্চিত্তৰ দ্বাৰা সেই পাপ-জগৰ যদি গুচাব নোৱাৰি, নাইবা কাৰোবাৰ যদি প্ৰহগতি বেয়া হয়, তেন্তে ৰিক্‌-খুন পূজা কৰি সেই পাপ-জগৰ ধুই পেলোৱা হয়। পূজা কৰিবলৈ এইবোৰ বস্তু লাগে ঃ—

দুটামান কুকুৰাকণী, এজোৰ কুকুৰা, কল, মাহ, চাউল, টেতা-টোকোচা, তামোল-পাণ, বস্তি এগছি, দুৰ্বা, তুলসী, দুখনমান পবিত্ৰ নৈৰ (তীৰ্থ) জল, আৰু চিংকৰা ফুল নহ'লেই নহয়। এইবিধ ফুল দেওধাই পণ্ডিতৰ ঘৰত ৰোৱেই। ৰিক্‌খুন পূজা পাতিলেই গাঁৱৰ সকলো মানুহ গোট খাবহি লাগে আৰু প্ৰায়শ্চিত্ত হ'বলগীয়া মানুহটিও আছিব লাগে। এটাইবিলাক মানুহ চাপিকুচি অহা মাত্ৰকে, দেওধাই, মহন, ৰাইলুং পণ্ডিতসকলে মাটিতে বেদী এখন পাতি ওপৰত কোৱা

বস্তুবোৰ থৈ দিয়ে। পৰাচিত হোৱা মানুহটিক বেদীৰ সমুখতে আঠুকঢ়াই পণ্ডিতসকলে লেংদনক (ইন্দ্ৰ) মন্ত্ৰমাতি হেঁকাৰিবলৈ ধৰে। লেংদনে ৰিকখুনৰ মন্ত্ৰ শুনক বুলি ঢোল এটিও কোবাই থকা হয়। মাজে মাজে পণীয়াজনৰ মূৰত মন্ত্ৰ মাতি পানী ছটিয়াই থাকে। মানুহটি তেতিয়া মৰিল বুলিয়েই ভাবি লয় আৰু বৰ ডাঙৰ ডাঙৰকৈ মন্ত্ৰ মাতি পানী ছটিয়াই ছটিয়াই পুনৰ জীৱন দিয়ে, যেন যমৰ নগৰৰপৰা হে অনা হ'ল। তাৰ পিচত মন্ত্ৰপূত জলত তাক গা ধুবলৈ দিয়া হয়। এইখিনি কৃত্য কৰি যোৱাৰ পিচত পাপী মানুহটিৰ দোষ-পাপ সকলো খণ্ডন হ'ল বুলি ধৰা হয়। পূজাৰ পিচত মহ এটাৰে ৰাইজে ৰৰভোজ খায়। --জি—বি

বেণুধৰ ৰাজখোৱাৰ চিঠি ঃ—

গোলাঘাট, ২৩।৫।১০

প্ৰিয় গোসাঁই,

বহুত দিন চিঠি-পত্ৰ নিদিয়া বাবে খং নকৰিব। আমাৰ নিচিনা দুখীয়া মানুহৰ অৱস্থা ভাল কৰিবলৈ আপুনি গুৱাহাটীত কি কি উন্নতিমূলক কাৰ্য্যপদ্ধতি হাতত লৈছে, মই একো ক'ব নোৱাৰোঁ। গুৱাহাটীত কি কি হৈছে আৰু ভিতৰি ভিতৰি কোনে কি কোৱা-কুই কৰিছে, ভিতৰুৱা মনোভাব কি, জানিবলৈ বৰ ইচ্ছুক। গৱৰ্ণমেণ্টে ব্ৰহ্মপুত্ৰ উপত্যকাত মাথোন অসমীয়া চব ডেপুটী কলেক্টৰ নিযুক্ত কৰিবলৈ সিদ্ধান্ত কৰিছে। এতিয়াও দেখোন এই বিভাগত অনা-অসমীয়া মানুহেই আছে। ই কি? কমিছনৰেৰে সৈতে এইবাৰ আপুনি গোলাঘাটলৈ আহিব নোৱাৰে নে? সিবেলি আহোঁতে আপোনাক লগ ধৰিব নোৱাৰিলোঁ।

আপোনাসকলৰ ৰুবটো ভালকৈ চলিছে নে? "বংগীয় সাহিত্য পৰিষদ"লৈ যাবলৈ আপোনাক কিহে পাইছিল? ডাক্তৰ পি কে ৰায় সভাপতি আছিল বুলিয়েই যে যাব লাগে—এনে কথা কেতিয়াও হ'ব নোৱাৰে। গৌৰীপুৰত বহা সাহিত্য সভালৈ নো জনদিয়েক অসমীয়া কিয় গৈছিল? ৰজা প্ৰভাতচন্দ্ৰ বৰুৱাৰ কথা বুজা বৰ টান। সভাত

কোনো অসমীয়া মানুহে যোগ দিয়া হ'লে আৰু দিয়া কিজনেও খোহামৰা বক্তৃতা একোটা দিয়া হ'লে আমাৰ উদ্দেশ্য সফল হ'ল-হেঁতেন। অৱশ্যে এইখিনৰ কৈ আৰু লাভ কি? হোৱাটো হৈয়ে গ'ল। তথাপি অতীতেহে আমাৰ ভবিষ্যতৰ বাট দেখুৱায়--

বি, ৰাজখোৱা।

এখন পুৰণি মাটি বেচা দলিল ঃ

[এই দলিলৰ তাৰিখ ২৫।১।১৯১০। ষ্টাম্পৰ দাঁতিত দলিল লেখোতা ফণিধৰ চলিহাৰ চহী।]



মাটি বন্ধকী পত্ৰ—১৭৯২ খৃঃ

গুৱাহাটীৰ ফণিনাথ ফুকনৰ ঘৰত থকা 'কৃত্যতত্ব' পুথিৰ পাতত আছে ঃ—

মাটি বন্ধকী-পত্ৰ, ১৭৯২ খৃঃ ১১৯৯ সন।

জমী-মাটি, বাড়ি-মাটী বন্ধক পত্ৰমিদং পূৰ্ব্বদেশৰ শ্ৰীযুত কানুৰাম দুওৰিআৰো (দুৱৰীয়াৰো) স্থানে লীখিতং পৰগনে নামৰড়ভাগ মৌজে নাথকুচিৰ শ্ৰীগজো কৈচে তুমাক ঠাই নাৰানী ১১৫ আকশ পন্ধৰ ৰূপ লৈই চত্ৰে হতীআ (ছয় হতীয়া) টাৰে জমী-মাটি ১৬ সন পুড়া নীজ বড়িৰ দুই ভাগ, এক ভাগ মোক লাগী এড়ি-বন্ধা থলু। ৰুপ দিব নৰুমানে বীজ্ঞ (সুদ) খাই থাকিব। ৰূপ দিলে মাটী ছাড়ি দিবা। এহি নীয়মে লীখি দিলু। ইতি সন ১১৯৯ শকত, তাৰিক্ষ ৪ জেস্ঠত। ইসাদঃ—শ্ৰীনন্দো শৰ্ম্মা, ১ চীত জমুনা; শ্ৰীচাদৰ কটকী, ১ চীত গুমা, শ্ৰীভূদুৰা ভেকা, শাসন, শ্ৰীসিন্ধাল, বৈৰাগী; শ্ৰীৰাম পাটগিৰী, বালা; শ্ৰীধনপতি তামুলী, নগাওঁ; শ্ৰীনানা মেধি নগাওঁ; শ্ৰীলবো সাড়া, পাটশালা; শ্ৰীসুমো ভুওৰা, জাবৰীকুচি। মুঠতে ৯ জন।

দুশ বছৰৰ আগৰ মানুহকিনা খত (কামৰূপৰ) ১৭১৪ শক

মনিস্ব (মনুষ্য) ক্ৰয়ন খত পত্ৰ মিদংকৃয়া চৈবং পৰগণে বাউসি মৌকাম বামুণাত দুৱৰিআ বড়ুয়াৰ চৌৰাত পঞ্চ সভাসদ বিদ্যমানে শ্ৰীযুত কানুৰাম দুৱৰিআ বড়ুয়াৰ স্থানে লোখতং সাকিন শ্ৰীকামদত্ত পটয়াৰি বেতবাৰি গ্ৰাম কৈচ—আগে বোলে তোমাৰ ঠাই নাৰানি ৩০ ৰুপ লৈয়া মোৰ ঘৰ বন্দি মানুহ শ্ৰীকেৰ্চু কৈৰত্ত ১, ঘোম্নি ফুটুকি ১, তাৰ বেটা দুৰপলা ১, তাৰ বেটি ৰাতুলি ১—মুঠতে এই চাৰি মানুহক আত্মমনুমানে আৰ্দ্দলি জখা (কটপা) দি খত চিঙ্গি বিকা গোলু। ইহাৰ মোজকুৰে কালকোইচ তোমাক মোৰ ভাই ভতিজা কুনুদিন দায় কৰে তেৰে জুৰটা। এহি নিঅমে মনীস্ব ক্ৰয়ন খত লেখি দিলু। সন ১৭১৪ শকত, তাৰিক্ষ ৩০ ফাগুন।



মনুষ্যক্রয়-খত : ১৭০৭ শকত

মনুষ্যক্রয়-খত পত্র মিদং ক্রীয়াচৈবথিত গুআহাটীৰ শ্রীদেৱনাথ বৰদলৈৰ থানে লিখিতং। মৌজে গুআহাটীৰ আঠগঞাৰ শ্রীমনথিৰ টেকেলা বড়া কৈছে—তোমাৰ ঠাই নাৰানি সাৰে সতৰ ৰূপ লৈয়া (১৭॥) মোৰ বনুৱা ল'ৰা চক্রপাণিক আত্মমনুমানে চক্রপাণি কহে—মই আত্মমনুমানে বিকিলোঁ।

বিক্রয় গলো। বড়া কহে---মোৰ বেটা ভগ্নিজা ভাই ভাগি কোনো জনে আগ পাচক লাগি ধৰিতে নাপাই। এহি নিৰ্ব্বন্ধে ক্রয় খতপত্র লিখি দিলোঁ। ১৭০৭, তাৰিখ ৭ কাত্তিক।

দস্তুৰি---লোণ ২ সেৰ---
তামোল—১ খোকা
পান ৪ গুচি।

ইসাদ :—মহেশ্বৰ শৰ্ম্মা, বড়নগৰ। জয়হৰি শৰ্ম্মা, টেকেলা আঠগঞাৰ। মনমথ শৰ্ম্মা, টেকেলা, তথা ইচাৰাম শৰ্ম্মা টেকেলা তথা ভোগৰাম বড়া। সোনাৰি দলৈ।

ভেবেলা টেকেলা, আঠগঞাৰ। হালিটেকেলা, বন গঞাৰ। বিনন্দ টেকেলা আঠগঞাৰ শ্রীভোট তথা। হৰিহৰ মজুন্দাৰ। কুমাৰ কুচি। শ্রীখুমন তথা। হৰি বল্লভ টেকেলা তথা।

হাটৱৰৰ নাগশংকৰ দেৱালয়ৰ ফলি

ওম শ্রীবাসুদেৱায় নমঃ ॥ ওম স্বস্তি শ্রীসকল কৈলান কলা পক্ষিতঃ কলেবড় হৰগৌৰি পদাব্জ সবসেবিত মনুবটানবৰত বিবিদ্ধ বিত্ত-বিটবল দ্বিজবৰ দিনজনগন মনপুৰল সুন্দৰ গুণ প্রধান প্রমোদ বিনোদ বিবৰ্দ্ধন বিস্ফুল্লিটতণ্ডল তৰুণি শ্রীফুলেশ্বৰী প্রাণেশ্বৰ বড় নীৰ ধীনি গম্ভীৰ ধীৰ সুৰ সৰ্ব্ব গুনাম্বৰ স্বৰ্গ নাৰায়ণ দেৱ সৌমাৰেশ্বৰ ॥ শ্রীশ্রীশিৱসিংহ মহিমহেন্দ্রসু চৰণচন্দ চায়ানুসৰ বড়ত্ববৰাত্বয় সন্তৰ বিৰ ধুৰন্ধৰ সন্তৰ প্রবৰঃ শ্রী বিজয় সেন বৃহৎ ফুকনে নীলবটাক্ষ লক্ষীত গ্রামান্তৰ প্রসাদৎ। পৌৰ্ম্মাপ্যা দৈৱ দেৱাতি দেৱঃ শ্রীশ্রী বাসু দেৱস্য প্রতিমাং সংস্থাপ্য ॥ তদৰ্ষনা বিধো। সপুত্র পৌত্র পৰম

পৰাচার্য্য শ্রীশ্রী পঞ্চাননং বিপ্রবড়ং প্রস্থাপিতঃ সম্পদামীদং ॥ ইতি ॥ শক ॥ ১৬৪৭ ॥ শ্রাৱণ মাহ ॥ ২ তাৰিখ

অস্য নমস্যা পৰিপাল নেয়া দ্বাৰা নয়ৈ সৈব্যাৰতৈ ভবন্তি মমাত্মা পৰিৰক্ষনীয়া টাৰিম্বপৈ ধর্ম্মৰতৈ ভবন্তি ব্রাহ্মণ সংখ্যা ॥ সুলক্ষণ। ভাং অভিনাথ ॥ ভাং যদু ॥ ভাং নৰোত্তম ॥ কলিতা সংখ্যা ॥ ৰামধন ॥ নিতাই ॥ ভাং শ্রীৰাম ॥ পুংকলা ॥ হৰিগোবিন্দ ॥ সুভাই ॥ ভাং নির্ম্মল ॥ মোহন ॥ কোঁচ সংখ্যা ॥ কৃষ্ণচৰণ ॥ হৰিদাস ॥ পুং কিনাই ॥ ভাং জগন্নাথ গগৈ ॥ ভাং মোলাই ॥ কেওট ॥ গড়ঁ ॥ পুং জয়হৰি ॥ ধোবা ॥ নকুল ॥ শ্রীশ্রী বাসু দেবৰ নিজা চাবেক পাইকাৰ চমুৰা ॥ শ্রীশ্রী পঞ্চানন বাগিচার্য্য ভূমিসংখ্যা ॥ জয় সাগৰ গড়ৰ মূৰত এস (১০০) পুৰা ॥ নন্দিকেশ্বৰ দেৱালয় আগত এস পুৰা ॥ নিজ চাবেকত এস পুৰা ॥ উত্তৰ পাৰৰ সৌভাগ্য মাধৱৰ সীমাত এস পুৰা মোট চাৰিশ পুৰা ভূমি শিৱসিংহ ৰাজাৰ আদেশ মতে শ্রীৰাসুদেৱলৈ উৎসর্গা।

আনন্দৰাম বৰুৱাৰ পূৰ্বপুৰুষে মাণিক নাম পোৱাৰ চিঠি

১৪৭৭ শকত নৰনাৰায়ণ ৰজাই অসম ৰজা চুখামফালৈ দিয়া চিঠি ঃ—

"পত্র—স্বস্তি সকল দিগদন্তি কর্ণতালাস্ফাল সমীৰণ প্রচলিত হিমকৰ হৰহাৰ হাসকাল কৈলাস পাণ্ডৰ যশোৰাশি বিৰজিত ত্রিপিষ্ট পত্রি দশতৰদ্দিনী সলিল নির্ম্মল পবিত্র কলেৱৰ ধীশনধীৰ ধৈর্য্য মর্য্যাদা পাৰাবাৰ সকল দিক্‌কানিনী গায়মান গুণ সন্তান শ্রীশ্রীস্বর্ণনাৰায়ণ মহাৰাজ প্রচণ্ড প্রতাপেষু লেখনং কার্য্যঞ্চ, এথা আমাৰ কুশল। তোমাৰ কুশল নিৰন্তৰে বাঞ্ছা কৰি, অথন তোমাৰ আমাৰ সন্তোষ সম্পাদক পত্রাপত্রী গতায়ত হৈলে উভয়ামকুল প্রীতিৰ বীজ অঙ্কুৰিত হয় তে ৰহে। তোমাৰ আমাৰ কর্তব্যে সে বার্দ্ধতাক পাই পুষ্পিতি দলিত

হাবক আমৰো সে উদ্যগতে আচি। তোমাৰো এ গোট কৰ্তব্য উচিত হয় না। তাক আপনে জান অধিক কি লেখিম। সভানন্দ-উদ্ভ-ওবনিয়া, শ্যামৰাম চৰ্য্যনীয়া, কালকেতুমুমাবদিৰ ইমাৰাক পঠাই-তেছি—তোমাৰাৰ মুখে সকল সমাচাৰ বুজিয়া চিতাপ খিদায় দিবা। অপৰ উকালৰ সঙ্গে ঘূৰি, ধনু, মৎস বালিচা, জমাই এই সকল দিয়া গৈছে। আৰু সমাচাৰ বুজি কহি পঠাইবে। আৰ তোমাৰ অর্থে সন্দেশ, গোচেঙ্গ হাচিত, ৫ ঘাগৰি, ১০ কৃষ্ণ চামৰ, ২০ কৰ্ত্তৰ চামৰ। ১০ শক ১৪৭৭ মাস আষাঢ়।

এই কাকত বৰকাকত চোৱা দুর্গাচৰণে ৰাজি আড়িয়া গুচাই থাকিলে। পাচে মহাৰাজায়ে ৰাজিয়ে জালিল আৰু নাম মাণিক থাকক, নাম দি মাটি মাহটো কিনে। আৰু বোলে আৰু বংশক দাই পালেও মাৰিব কাটিব নেপায়। পাচতহে মজুমদাৰ নাম প্রসিদ্ধ হ'ল।

অশ্বক্রান্ত-উমানন্দ-কামাখ্যাৰ লাখেৰাজ নিষ্পিখেৰাজ মাটি

অশ্বক্রান্তঃ-স্বর্গদেৱ শিৱ সিংহৰ দ্বাৰাই প্রতিষ্ঠিত ঃ—

(১) পাতিদৰং তছিলত—

(ক) নিষ্পিখেৰাজ বা দেৱোত্তৰ মাটি	বিঃ ৪২৩৮ ৵১৩	লোঃ
(খ) লাখেৰাজ ঃ	বিঃ ৯১৭ ৵ ৬	লোঃ
(২) হাজো তছিলত নিষ্পিখেৰাজ	৭৫ বিঃ ৫	লোঃ
(৩) গুৱাহাটী তছিলত ঃ—		
লাখেৰাজ—	বিঃ ২২৩ ৵ ৭	লোঃ
মুঠ—	বিঃ ৫৪২৪ ৵ ১১	লোঃ

উমানন্দ ঃ—গদাধৰ সিংহ স্বর্গদেৱৰ দ্বাৰাই প্রতিষ্ঠিত ঃ—

লাখেৰাজ—

(১)	গুৱাহাটী তহিলত—	বিঃ ১৩৶ ৩ লোঃ
(২)	পাতিদৱঙত ঃ—	
	নিষ্পিখেৱাজ	বিঃ ৫৯৮২৶ ১৯ লোঃ
	লাখেৱাজ	বিঃ ৯৫৮৭, ৶ ১৪ লোঃ
(৩)	হাজোত ঃ—লাখেৱাজ—	বিঃ ৬৩/১১ লোঃ
(৪)	ৰৱপেটা ঃ—নিষ্পিখেৱাজ—	বিঃ ৩৫, (১৩ লোঃ
	মুঠ—	বিঃ ১৫৬৮১ ১৯ লোঃ

কামাখ্যা মন্দিৰ ঃ—শুক্লধ্বজৰ আদেশত নিষ্মিত ঃ—

(১)	গুৱাহাটীত লাখেৱাজ	৪৬৪০/৪	লোঃ
(২)	পলাশবাৰীত ”	৩৩৫১৶৮	লোঃ
(৩)	ছয়গাঁৱত ”	১১৯ ৶ ১	লোঃ
(৪)	বকোত ”	১৬৪৪/২	লোঃ
(৫)	পাতিদৱঙত ”	৩৫৫৪ ৶ ৭	লোঃ
(৬)	ৰঙীয়াত ”	৩১৮২/৯	লোঃ
(৭)	নলবাৰীত ”	৫৬৫, ৭	লোঃ
(৮)	ৰৱমাত ”	১৬৮৫/১৫	লোঃ
(৯)	হাজোত ”	১৭৮২ ৶ ৬	লোঃ
(১০)	ৰৱপেটাত ”	৬৩৫৶১৮	লোঃ
	মুঠ—	২১২০১, ১৭	লোঃ

পদুমৰীয়া গোসাঁইৰ ফলি

লক্ষীসিংহ দেৱৰ

শ্ৰীৰাম

“স্বস্তি সুৰাসুৰ নিকৰ শিৰোৰত্না কমনীয় কান্তি কলাপ কলিত ললিত সান্দ্র চন্দ্রচূড় চৰণাৰিন্দ বন্দনা সাদিত, নিজভূজোদ্ভূত প্রতাপ প্রতপ্ত সপক্ষ বিপক্ষানন্ত সামন্ত মৌলি মণ্ডল, মণ্ডন কীৰিত কুট কৌটি বিন্যস্ত প্রশস্তমানদ্যুস নিদ্যুতিতিদ্যোত পদাৰবিদ মহাৰজত ৰজতাদি দ্রবিন অনা বিৰত সন্তোষ সোমধান ধৰলীকৃত ধৰা মণ্ডাখণ্ডন কূল-

কাসাৰ সাৰসনীতি নিকেতন কৰুণা বৰুণাগাৰ পৰমোদাৰ শ্ৰীযুত শ্ৰীলক্ষ্মীসিংহ মহীমহেন্দ্রেন নিজ বন্দনীয় বিদ্যাবিদ্যোতি সদাসদাচাৰা বচন সৌমাৰবাসী শ্ৰীগঙ্গেশ্বৰ দ্বিজ পুঙ্গৰায় এতে ভূমি মনুষ্যান্তদেত দ্বৃত্তি বক্ষণদক্ষ তাম্র পত্রঞ্চ দত্তমিদমানীৎ।

এতদ্বিৱৰণ ঃ---

কামৰূপ দেশৰ ও বৰুয়া ও বড় কায়স্থ ও চৌধাৰি ও পটোৱাৰি ও তালুকদাৰ ও ঠাকুৰিয়া ও গাইৰহ সকলো সাবধানে জানিব ৺দেৱে পহমৰীয়া সৰুজনা ৺দেৱক প্রতি ৰাজমাগ্রোদেৱৰ কৰ্ম্মত উৎসাগি ব্রহ্মোত্তৰ কৰি এই ভূমি মনুষ্য দিলে, তাৰে তাম্রপত্র কৰি দিলে। পাইকৰ নাম। ১৬৯৯ শক। ৰাজ মোৰে।

শ্রীশ্রীচন্দ্রকান্ত সিংহৰ দিনৰ ফলি

শ্রীৰাম

স্বস্তীন্দ্র বৎশোৎপল পূর্ণচন্দ্রঃ
শ্রীকান্ত পাদাম্বজ মত্তভৃঙ্গ
বিদুৰ ভূমিৰ্ম্মা ৰত্নবন্ধ্যা
শ্রী চন্দ্র কান্তাদিক সিংহ ভূপ;

ক্ষিতি পটল শীৰ্ষোত্তংশ মল্লীন ৰত্ন ভ্রমৰ কুল বিৰাজদ্রক্ত পাদাৰ বিন্দঃ। সুৰতব্রুবৰ লক্ষ্মীস্পর্দ্ধী বিস্তৰি নাস্তিস্তহীন কিৰণ কীৰ্ত্তিঃ কামজিৎ কাম কাৰি ঃ

দৰঙ্গ নাম দেশস্য ষটসহস্রৰাণ-গান, মনুজান্ম মহিপা.লা দদায় পুণ্য বৃদ্ধয়ে।
পশুমাৰাখ্য গ্রামস্য স্ববংশাম্বুজ ভানৱে, সৰুজনেতি পূর্ব্বস্থ গোসাঞ্জিতি শ্রু তায়বৈ॥ দ্বিসোত্তমায় গৌৰীশ পাদাবজ ভক্তি শালিনে।

এতদ্বিৱৰণং ঃ---দৰঙ্গ দেশৰ ৰাজা ও চহৰীয়া ও হাজৰিকা ও শইকীয়া ও বড়া ওগাইৰহ সকলো সাবধানে জানিব। শ্রীশ্রীপহ-মৰিয়া সৰুজন গোসাই৺দেৱে শ্রীশ্রী৺৺দেৱলৈ শ্রীযুত ৰাজমন্ত্রী পূর্ণানন্দ বুঢ়া গোহাঁই দেৱৰ দ্বাৰাই জনালত শ্রীশ্রী৺দেৱে দৰঙ্গি ছয়ো হেজাৰৰ ভিতৰৰ ৬ টা গোট পাইক খৰি-পাত আনিবৰ নিমিত্তে শ্রীশ্রী৺৺পূন্যার্থে তাম্র পত্র কৰি কৰি দিলে। এই মানুহৰ নাম---

গোহাঁই হাজাৰৰ সৰ্ঘাই চুবুৰীয়া সত্ৰকৰ ১; কাথ হাজাৰৰ বড়াবৰিয়া সত্ৰকৰ ১; কলিতা হাজাৰৰ দিপিলানি সত্ৰকৰ ১, মহিমা হাজাৰৰ বইনা কুচিয়া সত্ৰকৰ ১, কলিতা হাজাৰৰ ছপেৰানি সত্ৰকৰ ১,

শ্ৰীশ্ৰী৺দেৱে পুত্ৰ পৌত্ৰাদিক্ৰমে ভোগ কৰি শ্ৰীশ্ৰী৺দেৱৰ আশীৰ্বাদ কৰি থাকিব। ইহাৰ কৰ-কাটল পদ, পঞ্চক, বঠ, বেগাৰ, চোৰ, চিনালা, ধুমুচি মাৰেচা, জলকৰ, যৱক্ষাৰ, চাক, হাট, ফাট, দান, খুত, ৰাজদণ্ড ব্যতিৰেকে, সৰ্ব্ব বাৰ পৰিত্যাগ হৈল। ইহাত কোনো জনে অন্যথা নকৰিব।

ইতি শক ১৭৩৮

অসৌ মহীন্দ্ৰঃ সমযাচতেদং কৃতাঞ্জলি ভাবি নৰেন্দ্ৰ বৰ্গান। ময়া প্ৰদত্তা দ্বিজ বৃত্তি ৰেষাম পাল্যা ভবদিভঃ কৃতিভিং কৃতজৈতঃ,

শ্ৰীশ্ৰীস্বৰ্গনাৰায়ণ দেৱ
শ্ৰীচন্দ্ৰকান্ত সিংহ নৰেশ্বৰস্য।
(মোহৰ আৰু সিংহ চাব)

"আসাম এছচিয়েছনৰ" প্ৰথম বছেৰেকীয়া অধিবেশন, ডিব্ৰুগড়

(২২।২৩।২৪ এপ্ৰিল, ১৯০৫)

[অসমৰ ৰাজনৈতিক অনুষ্ঠান-আন্দোলনৰ বৃত্তান্ত এটি লেখিবৰ প্ৰয়োজন হ'ব পাৰে বুলি ১৯০৩ চনৰ নৱেম্বৰত স্থাপিত হোৱা আসাম এছচিয়েছনৰ ১৯০৫ চনত পতা প্ৰথম বছেৰেকীয়া অধিবেশনৰ আভাস এটি তুলি দিয়া হ'ল।]

এই অধিবেশন ডিব্ৰুগড়ত বহিছিল। সভাপতি আছিল গৌৰীপুৰৰ জমিদাৰ ৰজা প্ৰভাত চন্দ্ৰ বৰুৱা আৰু অভ্যৰ্থনা সমিতিৰ হৈ ডিব্ৰুগড়ত বিখ্যাত চাহ-খেতিয়ক মালভোগ বৰুৱাই প্ৰতিনিধি-সকলক আদৰণি জনাইছিল। সভা তিনদিনীয়াকৈ হৈছিল। ২২ তাৰিখৰ দিনা টাইম্‌চ অৱ আসামৰ সম্পাদক ৰাধানাথ চাংকাকতীয়ে



চকীত বহি বাওঁফালৰ পৰা—নবীন চন্দ্ৰ বৰদলৈ, লক্ষেশ্বৰ বৰুৱা, চন্দ্ৰনাথ শৰ্ম্মা, দুৰ্গা বৰুৱা, লক্ষ্মীধৰ বৰা, সত্যনাথ বৰা, গঙ্গা গোবিন্দ ফুকন, কুমুদ গোস্বামী, তোলা দাস, দেবেন বেজবৰুৱা, যোগেন বৰুৱা, কালিৰাম বৰ্ম্মন, বিষ্ণুৰাম মেধি।

থিয় হৈ বাওঁফালৰ পৰা—জগৎ বেজবৰুৱা, প্ৰফুল্ল গুহ, গণেশ ৰাজখোৱা, নগেন ফুকন, যোগেশ তামুলী, গোপী বেজবৰা, টঙ্কেশ্বৰ শৰ্মা, অম্বিকা গোস্বামী, ৰাজেন বৰুৱা, পদ্মধৰ চলিহা, বৈদ্য কাকতি, হেৰম্বপ্ৰসাদ বৰুৱা, বলীন্দ্ৰ বৰুৱা, অম্বিকানাথ বৰা, প্ৰেমধৰ হাজৰিকা, কামাখ্যাৰাম বৰুৱা। একেবাৰে ওপৰত সুদা মুৰেৰে—মৌঃ মহম্মদ তৈয়বুল্লা, মৌঃ হেৰাছৎ উল্লা। তলত বহি সোঁহাতে একেবাৰে মুৰত—বেণুধৰ শৰ্ম্মা।

অভ্যর্থনা সমিতিৰ ইংৰাজী অভিভাষণখনি ওৱলা অসমীয়াৰে বাইজক বুজাই দিয়ে। বশম্বদ মিশ্র এম, এ, বি, এল এই বৰ দীঘলীয়া বক্তৃতা এটা দি সমস্যাবিলাকৰ সমাধানৰ এটি সঙ্কেতমূলক ইঙ্গিত দিয়ে। ৰায় বাহাদুৰ জগন্নাথ বৰুৱাই সভাপতি প্রস্তাৱ কৰে আৰু অগ্নিকবি কমলাকান্ত ভট্টাচার্য্যই সমর্থন কৰে।

দ্বিজেশ্চন্দ্র চক্রৱর্ত্তীৰ প্রস্তাৱ আৰু সর্বসম্মতিক্রমে আসাম এছচিয়েছনৰ নিয়মাৱলী ৰচনা কৰিবলৈ এইসকল প্রতিনিধি নিযুক্ত হয়—জগন্নাথ বৰুৱা বি, এ, বশম্বদ মিশ্র এম, এ, বি এল; দ্বিজেশ্চন্দ্র চক্রৱর্ত্তী এম, এ, বি, এল; 'চিটিজেন'ৰ সম্পাদক কালিনাথ ৰায়; 'টাইমচ্ অৱ আসামৰ' সম্পাদক ৰাধানাথ চাংকাকতী; ফৈজনুৰ আলি বি, এল; দেৱীচৰণ বৰুৱা বি, এল; প্রসন্ন কুমাৰ ঘোষ (ওৱালপাৰ) বি, এল; ভৱানী চৰণ ভট্টাচার্য্য (তেজপুৰ); ধৈর্য্যনাৰায়ণ দাস বি, এল, (ওৱালপাৰ) আৰু প্রধান সম্পাদক মাণিকচন্দ্র বৰুৱা।

অধিবেশনত গৃহীত হোৱা প্রস্তাৱাদিত উল্লিখিত প্রতিনিধিসকলৰ বাহিৰেও বহুতে আলোচনাত ভাগ লৈছিল। সেই সকলৰ ভিতৰত নাম লৱলগীয়া আছিল—চন্দ্রকুমাৰ চক্রৱর্ত্তী, বি, এল, (ধুবুৰী); প্রসন্ন কুমাৰ ঘোষ, উকীল, চন্দ্রধৰ বৰুৱা উকীল (যোৰহাট); দর্পণ প্রেছৰ মেনেজাৰ গোলাপ বৰুৱা (যোৰহাট); কনক চন্দ্র গগৈ (যোৰহাট), বি, এল, উকীল; চন্দ্রকমল বৰুৱা, চাহখেতিয়ক; কৃষ্ণ কুমাৰ বৰুৱা, চাহ খেতিয়ক; বিনন্দি চন্দ্র ফুকন, চাহ খেতিয়ক, গোপালচন্দ্র বৰুৱা (মেলেং) চাহখেতিয়ক; আৰু দেৱাজুদ্দিন আহমদ উকীল (যোৰহাট)। শিৱসাগৰৰ গঙ্গাগোবিন্দ ফুকন, যোৰহাটৰ ফির্দ্দৌশ্ট আলি হাজৰিকা, গোলাঘাটৰ ঘনশ্যাম বৰুৱা বি, এল, বিজনীৰ ভৱানীপ্রসাদ বৰুৱা প্রভৃতি বহুতে যাৰ নোৱাৰি টেলিগ্রামেৰে সভাৰ কার্য্যত সম্পূর্ণ সহযোগিতা জ্ঞাপন কৰিছিল।

সেই সভাৰ বিশেষত্ব এইটিয়েই যে তাত অসমীয়া-বঙালী, হিন্দু-মুছলমান বুলি 'সুকীয়া সুকীয়া স্বার্থ উত্থাপিত হোৱা নাছিল। হৈছিল— অসম দেশখন সকলোৰে আৰু ইয়াৰ স্বার্থ উমৈহতীয়া বুলি হে।

ৰজা প্রভাত চন্দ্র বৰুৱাই সভাৰ সামৰণিত কৈছিল—

"The interest of the Assam Association and Assamese people are in my heart and the small service that I may have performed is a sacred duty and I do not deserve any thnaks".

(এইখিনিতে এটা কথা উনুকিয়াই থোৱা ভাল যে তেতিয়ালৈকে, আমাৰ ৰাজহুৱা অনুষ্ঠানবোৰত—বিশেষকৈ ৰাজনৈতিক সভাসমিতি-বোৰত—ইংৰাজী ভাষাৰে সভাৰ সকলো কাম কৰা হৈছিল। ১৯১৯ চনত হোৱা ৰৰপেটা অধিবেশনত পদ্মনাথ গোহাঞি বৰুৱা এছচিয়েছনৰ সভাপতি হোৱাৰ পৰা সভাপতি অভিভাষণ, সভাৰ কার্য্য সকলো অসমীয়া ভাষাৰে হ'বলৈ ধৰিলে। ৰৰপেটা অধিবেশনত কর্ম্মবীৰ চন্দ্রনাথ শর্মাই দাখিল কৰা সম্পাদকীয় প্রতিবেদনো অসমীয়াত ছপা কৰা হৈছিল।)

\+ \+ \+

চন্দ্রকুমাৰ আগৰৱালাৰ চিঠি

(আগৰৱালা কবি যদিও ধেমেলীয়া ৰসেৰে ভৰপুৰ। বেজবৰুৱা আৰু আগৰৱালাৰ ইংৰাজী আখৰ প্রায় একে।)

তামোলবাৰী
১০-১১-১১

গোসাঁই,

আপোনাৰ চিঠিখন পাই সঁচাকৈয়ে মোৰ গাৰ নোম সিয়ঁৰি গৈছিল, পঢ়ি এঁটালত দুটুপি চকুপানী বৈ গ'ল। আপুনি মোক কন্দুৱাইহে এৰিলে। আৰু এবাৰ ডাঠ মনেৰে পঢ়িলোঁ, কিন্তু কি কথা জানো আপোনাৰেই নে চিঠিখনৰেই গুণ, আকৌ গাৰ নোম ডাল ডাল হ'ল। কি হ'ল মোৰ ক'বই নোৱাৰিছিলোঁ। গোসাঁই, বহুত দিন মোৰ চকুপানী ওলোৱা নাছিল। আমাৰ আইটীৰ মৃত্যুৰ পাছত আকৌ এইবাৰ আপুনি কন্দুৱালে। মোৰ মনটো বহুত দিনৰ পৰা সেমেকা পৰি আছিল। গোসাঁই, আপুনি এনে নেভাবিব আপোনাসকলক মই পাহৰিলোঁ। বেজবৰুৱাই আপুনিয়ে মোৰ স্মিমান দত ঠাই লৈছেহি—কেনেকৈ কম। মই বহুত দিন, দুইজনালৈ মনত পৰি পৰি চিঠি লেখিবলৈ বহোঁ। দুশাৰী লেখি ভাল নহ'ল, আখৰ কেনেবা হ'ল বুলি

আকৌ ডোখৰ২ বৈ ফালি পেলাওঁ—জানো মোৰ কি মন? আপোনা-সকলক ভাল বস্তু এটা দিব নোৱাৰিলোঁ বুলি ভাল চিঠি এখনি নেলেখিমে, ভাল আখৰ নহ'লে মই ধৰুবিয়াই থাকোঁ। মনেৰ২ প্ৰতিজ্ঞা কৰোঁ কাইলৈ নিশ্চয় লেখিম—কিন্তু সি কালি আৰু নহয়—এই-দৰেইহে মোৰ দোষ হৈছে। মই যদি লেখিলোঁহেঁতেন—লেখি দিলেই হ'ল বুলি ভৱা হ'লে—ইমানদিনে চিঠিবে পৰ্ব্বত হ'লহেঁতেন।



মই বৰ দুৰ্বল প্ৰাণী। আপোনাসকলৰ লগত থাকিও নিজক আৰু ওধৰাব নোৱাৰিলোঁ। মই মাজে মাজে এইবিলাক কথা ভাবোঁ, গোসাঁই, মই যে নীচেই দুৰ্বল এই কথা সদাই মোৰ মনত পৰি থাকে। মোৰ দ্বাৰাই সংসাৰত একো নহব। মই আন কিবা কাৰ্য্যৰ নিমিত্তেহে—আন কাৰ্য্যই বা কি?—মিছা, মোৰ এইটো দুৰ্বলতাৰহে চিন। গোসাঁই আপুনিও মোক ক্ষন্তুৱালে—নহয় গোসাঁই—

মই নিজেই কান্দি পেলালোঁ--। সেয়ে আপোনাৰ চিঠি আৰু মেলি নেচালোঁ। কিন্তু মেলি নেচালো বুলি এই চিঠি খনি মোৰ যুগমীয়া সম্পত্তি বুলি সাঁছিম। আজি এই চিঠি আকৌ নপঢ়িলোঁ। আগলৈ মাজে মাজে পঢ়ি থাকিম বুলি থৈছো। ইংৰেজিত লেখা হোৱা হলে কিজানি এই চিঠিয়ে ইমান কথা কব নোৱাৰিলেহেতেন। দ-লৈ নগল হেতেন। আপুনি মোক নতুন জনম দিবলৈহে এই চিঠিখন লেখিছিল নিশ্চয়। আপোনাক কি বুলি ভাবিম—নিশ্চয় গোসাঁই—আপুনি কোনোবা গোসাঁই মোৰ উপকাৰৰ নিমিত্তে ভাৰ ধৰিছেহি। অধম দুৰ্বল প্ৰাণীক দয়া কৰিছে। গোসাঁই আজি মোৰ এই মন কেনে কৰিছে ময়েহে জানিছোঁ। আপোনাক কেনেকৈ জনাম। আপোনাৰ চিঠিৰ উত্তৰ হলনে নহল কব নোৱাৰোঁ। চিঠি আৰু খুলি চাবৰ মন নাই। আজিলৈ থক। আৰু নো কি লিখিম মই ঠিক কৰিবই পৰা নাই। ও, গোসাঁই আপোনাসকলৰ জোনাকীলৈ ৩৫ টকা ৰূপ পঠালো। জোনাকীক নেমাৰিব, কাণ মন দিব দেই।

আপোনালোকক চাবলৈ বৰ হেঁপাহ কৰিছোঁ।

আপোনাৰ——মাজিউ

চিঠি নং ২

My dear Ghosein,

Debrooghur
16th April, 1891

Very sorry, you don't write to me. I would have taught you a good lesson had your ears been with me, they are not. But I have mine with me, so I can teach myself, instead of you. I have been improving a great deal since I left you, mind that. When do you come up ? Bez writes, on the 26th or 27th. What will be the fate of Jonaki, poor thing ?

Well, you shall have to see me up, when you come home, or else I will issue warrants. Take care, how you treat my orders. I shall not be long at a distance from you. If you don't come to me, I will go to you.

If the water does not come, the man will go to the water, and drown himself there. There I see the clown is coming to me. No, thanks, thanks.

Yours ever,
Agarwala.

My love to Neog, Durga, Laksheswar and others. But to you nothing.

তুলসীৰাম বৰুৱাৰ চিঠি ৮ জুলাই (১৮৯৬)

["হেমকোষ" প্ৰণয়ন কৰোতা হেমচন্দ্ৰ বৰুৱাৰ ভায়েক শিৱ-সাগৰৰ তুলসীৰাম বৰুৱাৰ চিঠি আৰু হাতৰ আখৰ।]



ৰায় বাহাদুৰ জগন্নাথ বৰুৱাই এডেনৰ পৰা দিয়া চিঠি

[যাৰ স্মৃতি ৰক্ষাৰ্থে যোৰহাটত প্ৰথম কলেজটোৰ নাম "জগন্নাথ বৰুৱা কলেজ" নাম ৰখা হৈছে, সেইজন জগন্নাথ বৰুৱাই উজনি অসমৰ প্ৰথম গ্ৰেজুৱেট আৰু উপযাচি দিয়া উচ্চ চৰকাৰী বিষয় নলৈ, স্বাধীন ব্যৱসায়ত লাগি দেশহিতব্ৰত উদযাপন কৰোঁতা।

১৯০২ চনত, লণ্ডনত সপ্তম এডোৱাৰ্ডৰ অভিষেক উৎসৱ হয়। তালৈকে অসমীয়া মানুহৰ মুখপাত্ৰ বুলি বি, এ, জগন্নাথক নিমন্ত্ৰণ কৰে। বিলাতলৈ যাওঁতে তেখেতে এডেনৰ পৰা ডায়েক কৃষ্ণকুমাৰ বৰুৱা ডাঙৰীয়ালৈ যিখন চিঠি দিছিল, সেইখন ইয়াত হুবহু তুলি দিয়া হ'ল। ফঁহিয়াই চালে তাতে বহুত কথা ওলায়। বৰুৱা ডাঙৰীয়াৰ লগত যোৱা কিজনকেই যে ভাৰতৰ প্ৰতিনিধি স্বৰূপে নিমন্ত্ৰণ কৰা হৈছিল এনে নহয়। দেশ নায়ক বহুতকে সেই উৎসৱলৈ নিমন্ত্ৰণ কৰা হৈছিল আৰু সেইসকল গৈছিলও। বৰুৱাৰ লগত বুদ্ধীন্দ্ৰনাথ ভট্টাচাৰ্য্য গৈছিল গা-চোৱা হৈ।]

Near Aden
June 4.02

My dear K.K.

I hope you have received my wires from Calcutta and Bombay. We left Bombay on Saturday the 31st May at 4 p.m. Today we are nearing Aden which we touch at night and stop for 3 or 4 hours only. The sea is rather smooth and after tomorrow we shall pass thro absolutely calm surface.

There are nearly 300 1st and 2nd class passengers and about the same number of crew. The Persia is a splendid steamer well equipped in every way. There are nine representatives for the Coronation. Others left before. The Bombay gentleman will appear at Coronation in English frock coat and suit and a puggree, others will appear in native costume. No presents will be made by any so far as I have been able to know. The officer attending on us is really a good man and attends to everything that we ask for.

Bengal—Prince Wasif Ali of Murshidabad Party of about 15. 6 or 7 gentlemen and the rest servants. (Income of Murshidabad about 10 lacs).

U.P.—Nawab Faiaj Ali. With 3 gentlemen and 4 servants. Estd. Expenditure on trip 30000/- (income about 21/2 lacs).

Oude—Raja Perlab Sing of Perlabghur with Rami and 11 servants. Estd. exp. 1 lacs on trip (Income 3 lacs).

Punjab—Nawab Futteh Ali Khan with 2 gentlemen and 3 servants. (Income about 1 lacs).

Frontier Pro—Sir Baba Khan Sing Badi and son. 7 or 8 men. (Income about 2 lacs). Old man about 80 years always lying down. Col. Aslam Khan Nawab Bdr, with 4 or 5 men. (Income about a lac).

Bombay—Sardar Vinchurker with 1 genteleman companion.

C.P.—Mr. Chitnabis with 1 servant.

Assam— Mr. J.B. With one gentleman companion.

(এইজন আছিল ৺বুদ্ধীন্দ্রনাথ ভট্টাচার্য্য)

I think there is not much to write of. We both are in good health and I hope by the Grace of God you all are quite well. Please show this letter to Chandra and Radha and to all others you think best.

Yours affly,
J. Borooah.

বিলাতৰ অভিষেক উৎসৱত জগন্নাথ বৰুৱা

অভিষেক উৎসৱ হৈ যোৱাৰ পিচত লণ্ডনৰ মেয়ৰে প্রতিনিধি-সকলক অভ্যর্থনা জনাবলৈ টাউন হলত সভা পাতে। সেই সভাতে ভোজৰো আয়োজন কৰা হৈছিল। তাত সকলোৱে একো একোটি বক্তৃতা দি ভোজখাওঁতা সকলৰ লগত চা-চিনাকি হৈছিল। সেই

ভোজত আমাৱ বি-এ জগন্নাথে ষিটো বক্তৃতা দি সম্ভাষণ জনালে, মেনচেষ্টাৱ গার্জেন আদি বিলাতৱ বহুত কাকতে আচৱিত হৈ বৰুৱা ডাঙৰীয়াৱ সেই বক্তৃতাটো বৰ শলাগিলে।

"Sheffield Independent" শ্বেফিল্ড ইন্‌ডিপেণ্ডেণ্ট কাগজে এই বুলি লেখিছিল। জগন্নাথ বৰুৱা কেনে উচ্চ ধৱণৱ ইংৰাজী বক্তা আছিল, আৰু তেওঁৰ বক্তৃতাই গুণীৰ গুণৱ মোল বুজোতা ইংৰাজসকলৰ মাজত কেনেকুৱা সমাদৱ লাভ কৰিছিল, আজিকালিৰ শিক্ষিতসকলে পঢ়ি উলহ চাবৰ নিমিত্তে তলত তুলি দিয়া হ'ল ঃ—

"After the Mayor had welcomed his guests with a speech, six of them followed with speeches of thanks. The first of two spoke in their own tongue, though probably they could have managed in English. Dr. Pollen translated for them in a style afterwards acknowledged with complaints. Then a visitor began in English and went on. in Maharatte language. Next a gentleman from Nagpur in the Central Provinces, who, it was explained, was probably the Mayor of the city, spoke in fluent English.

This brought on the surprise of the gathering, namely, a beautifully worded as well as a thoughtful address by the representative from Assam. The speaker explained that until he set foot on shore at Plymouth he had never been in England. Yet he spoke with an ease and purity which ninetynine out of a hundred Public speakers would envy.

যি লাই বাঢ়িব দুপতীয়াতেই চিন। জগন্নাথ বৰুৱা ছাত্রাৱস্থাতেই কেনেকুৱা প্রতিভাশালী চোকাবুধীয়া ভৱিষ্যত আশাপ্রদ, সুন্দৰ বক্তা আৰু দেশপ্রেমিক আছিল, তাক ওৱাহাটী স্কুল ক্লাবৰ ১৮৬৯-৭০ চনৰ ৱিপোৰ্টতে বাবু ৱামচন্দ্র ভৌমিকে উনুকিয়াই থৈছিল ঃ

"..Babu Jagannath Baruya, then a student of the first year class, who latterly distinguished himself so much by the capacity of long and correct speeches. He bas now joined the Presidency College (1871) with a scholarship.

Babu Jagannath Baruya, delighted the audience with his speac hés.

সেই সভাত জগন্নাথ বৰুৱাই এইবিলাক বিষয়ৰ বচনা পাঠ কৰিছিল (ইংৰাজী ভাষাত)

1. History of Assam -অসম বুৰঞ্জী।
2. French Revolution—ফৰাচী বিপ্লৱ।
3. Physical circumstances of a country with regard to civilization—সভ্যতা সম্পৰ্কে দেশৰ প্ৰাকৃতিক অৱস্থা।

মাণিকচন্দ্ৰ বৰুৱাৰে গোট খাই ছাত্ৰাৱস্থাতে এইজনেই কলিকতীয়া ভদ্ৰলোকক খাটিৰ নকৰাকৈয়ে ভাৰতৰ বৰলাটক কলিকতাতে আমাৰ হৈ অভিনন্দন পত্ৰ এখন দিয়াত "অমৃত বাজাৰ পত্ৰিকা" "ইণ্ডিয়ান মিৰৰ" আদি কাকত বৰুৱা দুজনাৰ ওপৰত খড়্গহস্ত হৈছিল আৰু গৱৰ্ণমেণ্টে তেওঁবিলাকক "উদ্ধতালিৰ বাবে" যথোচিত শাস্তি বিহিব লাগে বুলি পৰামৰ্শ দিছিল।

অসমত ৰেলৰ লাইন পতা, ডিব্ৰুগড়ত মেডিকেল স্কুল পতা, সাৰ্বজানিক সভা পাতি খাজনা বৃদ্ধিৰ প্ৰতিবাদ কৰা, অস্ত্ৰ আইনত কলা-বগাৰ বিচাৰ থকাৰ প্ৰতিবাদ কৰা প্ৰভৃতি ৰাইজৰ হিতকৰ কামত ৰায় বাহাদুৰ জগন্নাথ বৰুৱাই যি নিস্বাৰ্থভাৱে আত্মনিয়োগ কৰিছিল, তেনে ভাৱে দেশসেৱা কৰা লোক আজিকালি বৰ বিৰল।

জগন্নাথ বৰুৱাৰ চিঠি। লণ্ডনলৈ যাওঁতে ৰাটতে জাহাজৰ পৰা ভায়েকলৈ লিখা।

SS. PERSIA
June 9, 1902
Near Port Said.

My dear Krishna,

We arrived at Suez at day break to-day and are passing just now through the Canal and expect to reach Port Said about 10 P.M. tonight and then we shall leave that port early to-morrow morning. We reach Marselles on the 14th. instant, But we are not going to land there and go through France The reason is this. Nine representatives out of 15 are coming in this boat in charge of Dr. Pollen who has been instructed by the Govt. India to take us entirely by Sea to Plymouth then by special train to London. Dr. Pollen asked us to come, together and all agreed and it would not look well if I were to

go away alone through the continent. Of course, Dr. Pollen could not prevent my going but I also out of courtesy consented to go with him. If I go to Marselles I arrive at London on the 15th. Now by sea we arrive on the 19th evening. After all, the difference is one of four days only. The Canal is about as wide as the Bhogdoi low banks in low land and high banks in high land. We are coming slowly through ; the sight is beautiful. It is one of the wonders of the world.

You must have received my wire sent from Aden on the 5th inst. I will send another wire tomorrow (10th) if I can. Probably I may not send any from Marselles but will send one from London on the 20th.

I am quite well, no biker of any kind. Boodhi is quite well too. We did not get sea sickness. I vomitted once only one morning and that was all. All these nine days been rather warm. From tomorrow we enter into Europe and at once into cooler atmosphere.

Please take care of the whole work of tea gardens, both Letekujan and Rowreah. The supreme supervision, control and correction are on in your hand. Kindly visit these places as frequently as possible. If you require you can bring one of the Letekujan ponies to Jorhat for use. Inspect carefully, suggest anything good, correct any mistakes so far as you can.

I think I need not write anything more about Deben. Kindly keep him under control and dont allow him to roam about at large. If he does not listen to you give him a sound beating and don't hesitate to do so. Please see that he attends to his study regularly and behaves well in every respect.

I have already entrusted my sick wife to your care.... kindly do all you can to keep her in good health and in good humours.

How is Ideo and her children ? Has Bormaina shaken off the fever ? How is my Bapp. Give him my love, also to Surath and Icon. Bapp must have forgotten all about me by this time.

My asirbad to Chandradhar and Radha and all friends and wellwishers.

J. Barua.

Write to me as follows and not as directed before.

J. Borooah Esq.
C/o Messrs. Octavius Sheet & Co.
5, Frenchurch Street
London. E.C.

চোকা সমালোচনা ঃ চোকা উত্তৰ
ডাঃ হৰিকৃষ্ণ দাসৰ চিঠি

[ডাক্তৰ হৰিকৃষ্ণ দাসে হেম গোসাঁইলৈ লিখা এখন চিঠি। লেখকৰ লেখাৰ ওপৰত সম্পাদকে হাত ফুৰাব পাৰেনে? ভাষাৰ বৰ্ণবিন্যাসৰ ক্ষেত্ৰত লেখক, আলোচনীৰ সম্পাদকৰ দায়িত্ব, আদি সমস্যাই আজি আঠৈ কুৰি বছৰৰ আগতেও সমালোচক আৰু সম্পাদকৰ মাজত বিতৰ্কৰ সৃষ্টি কৰিছিল। তাৰে এটি আভাস এই চিঠিৰপৰা পাব পাৰি।]

বিহাবাৰী
২৪-৫-১৬

শ্ৰদ্ধাস্পদ গোসাঁই ডাঙৰীয়া,

আপোনাৰ ১৩ তাৰিখৰ চিঠি পাবৰ আজি এক সপ্তাহৰ বেচি হ'ল। ইমান দিন উত্তৰ নিদিয়াৰ বাবে ক্ষমা কৰিব। আপুনি এই চিঠি বহস্য কৰিবৰ কাৰণেই লিখিছে নে তৰ্ক উঠাবৰ মনে লিখিছে বুজিবলৈ টান পাইছোঁ। তৰ্ক উঠিলে তৰ্কৰ শেষ নপৰে, লাভত একো নহয়—লোকচানৰ ভাগত মানুহৰ মাজত বিদ্বেষৰ ভাব বেচি হে হয়। "মামুজি" ধৰণৰ—"আসাম বান্ধৱ"ৰ ভাষাৰ সময়ত হে "হেমকোষ"ৰ আৰু "ছাপা হোৱা" ব্যাকৰণৰ বাম-টাঙোন আৰু আপোনালোকৰ বেলাত কিন্তু সেইটো খাটাবলৈ নুখুজে।

আপুনি "আসাম বান্ধৱ"ৰ নিয়মিত পাঠক, আসাম বান্ধৱৰ উদ্দেশ্য আপোনালোকে ভাল কৰিয়ে জানে। গতিকে তাত প্ৰবন্ধ ছাপাব দিলে লেখকৰ ভাষাৰ গত তেওঁৰ নিজৰ নহই যদি "বান্ধৱ"ৰ উদ্দেশ্যৰ অনুযায়ী হয়, তেন্তে লাজ পালেও যে তাৰ বাবে প্ৰস্তুত হইছে প্ৰবন্ধ দিয়ে সেইটো ভাবাটোহে স্বাভাৱিক। আপোনালোকৰ সম্পাদিত মাহিলি কাকততো অন্যৰ প্ৰবন্ধ আপোনালোকৰ নিয়ম অনুযায়ী পৰিবৰ্তন কৰে--অন্ততঃ লেখক সকল তাৰ বাবে প্ৰস্তুত থকা উচিত। গতিকে আপুনি যদি নাজানে তেন্তে সেইটো "বান্ধৱ"ৰ দুৰ্ভাগ্য বুলিহে ধৰিম।

আপোনাৰ 'কন্যা বাৰমাহী' সম্পাদকৰ ওচৰলৈ পঠোৱা হৈছে। তেওঁৰ পৰা আহিলে আমি আপোনাৰ ওচৰত পঠাই দিম।

ভাষা সম্বন্ধে "আসাম বান্ধৱ"ত ৩য় ৪র্থ বছৰত বহু প্ৰবন্ধ ওলাইছে। সেইবিলাক ভাল কৰি পঢ়িলেই সকলো কথা জানিব পাৰিব। বিশেষ কৰি ৩য় বছৰ ১২শ সংখ্যাৰ "সম্পাদকৰ নিবেদন" পঢ়িবলৈ আপোনাক অনুৰোধ কৰোঁ। সেই প্ৰবন্ধতে আপোনাৰ চিঠিৰ চমু উত্তৰ আছে।

আজিকালিৰ বাঙলা কিতাপ আৰু মাহিলি কাকতৰ ভাষা আৰু ব্যাকৰণ সকলো সময়তে অভিধান আৰু ব্যাকৰণত পোৱা নাযায় অর্থাৎ প্ৰচলিত অভিধান আৰু ব্যাকৰণ সম্মত নহয়, বিশেষ ৰবিবাবুৰ ধৰণৰ ভাষা---তথাপি বাঙলা ভাষা "অশুদ্ধ" হোৱা নাই---"আসাম বান্ধৱ"ৰ কাৰণে যদি অসমীয়া ভাষা অশুদ্ধ হয়--তেন্তে আমি নাচাৰ। আপোনাৰ "you seem to have incurred great responsibility by your attempt to create a division in the Assamese language for which I donot think posterity will excuse you."—এই ধৰণৰ কথা সকলো দেশতে সকলো যুগতে সকলো বিষয়তে নতুন সত্য বা উদাৰতাৰ বিৰুদ্ধে পুৰাতন সঙ্কীৰ্ণতাই আটাহ পাৰিয়েই আছে—আৰু সকলো সময়তে উদাৰতাৰ আৰু সত্যৰ জয়েই হইছে। ঈশ্বৰৰ কৃপাত আমিও আমাৰ জীৱনৰ ভিতৰতেই আপোনাৰ ভবিষ্যৎ বাণীৰ বিপৰীত ফলহে দেখা পাম বুলি আশা কৰি ধৈর্য্য ধৰি বহি আছোঁ—কাৰণ "আসাম বান্ধৱে" সৰলভাবে আমাৰ মাতৃভাষাৰ সৰ্বাঙ্গীন উন্নতি কৰিবৰ কাৰণেহে আজি ছয় বছৰ ধৰি চলি আছে আৰু আসামৰ শিক্ষিত জনসাধাৰণৰো সহানুভূতি পাইছে।

ইয়াতে ৰবিবাবুৰ এটা গানৰ দুই শাৰী তুলি দিবৰ লোভ সামৰিব নোৱাৰিলো—

---অল্প লইয়া থাকি তাই মোৰ যাহা যায় তাহা যায়;
কণাটুকু যদি হাৰায় তাহলে প্ৰাণ কৰে শুধু হায় হায়।"

"আসাম বান্ধৱৰ" critic সকলৰো ভাব এইটোৰেই বুলি আমাৰ বিশ্বাস। কিন্তু এওঁলোকৰ এইটো ভয় অমূলক। এই ভয়টো যে তেওঁলোকৰ কিছুমানৰ মনৰপৰা আঁতৰিব পাৰিছে, তাক আমি জানিব পাৰিছোঁ। কিন্তু যি পৰ্য্যন্ত এই ধাৰণাটো সকলোৰে মনৰপৰা সমূলঙ্কে নুগুচে, সেই পৰ্য্যন্ত আমি ধৈর্য্য ধৰি থাকিব লাগিব---আৰু সেই সুখৰ মিলনৰ দিনলৈ আমি বাট চাই থাকিবলৈ সাজুও আছোঁ। কিন্তু সেই সুখৰ দিন আহিব নিশ্চয়। আপোনালোকে সৰলভাৱে ইচ্ছা কৰিলে সোন-কালে আহিব, নতুবা পলম হ'বও পাৰে। এতেকে যিমান সোনকালে আহে তিমানেই সকলোৰে মঙ্গল। আপোনালোকে যদি কেৱল 'হেমকোষ' আৰু ছাপা ব্যাকৰণকে খামোচ মাৰি নধৰি ভাষাৰ কেনে ধৰণৰ পৰিবৰ্ত্তন হ'লে ভাষা সকলোৰে আদৰণীয় হ'ব আৰু উন্নত হ'ব তাক মাসিক পত্ৰিকাত সৰলভাৱে আলোচনা কৰিবলৈ আগবাঢ়ে--তেন্তে বোধকৰোঁ 'আসাম বান্ধৱে'ও আপোনালোকৰ ভাষাৰ অলপো লৰচৰ নকৰি তেনে প্ৰবন্ধ ছাপাই তাৰ সৰল আলোচনা কৰিব পাৰে। তাত লাভ ছাড়া লোকচান নাই। শ্ৰীযুত সত্যনাথ বৰা ডাঙৰীয়াই ইবাৰ Assam Conference ৰ পিচদিনা অসমীয়া ভাষা সম্বন্ধে এটা বক্তৃতা দিছিল! কিন্তু দুৰ্ভাগ্যবশতঃ কোনো কাকতত সেই বক্তৃতা নোলাল।

আপোনাৰ---শ্ৰীহৰিকৃষ্ণ দাস

\+ \+ \+

ঔপন্যাসিক ৰবদলৈ ॥ DREAMER ॥

[৮৭ বছৰৰ পূৰ্ব্বে লিখা ঔপন্যাসিক ৰজনীকান্ত ৰবদলৈৰ এখন চিঠি। হেম গোসাঁইলৈ লিখা এই চিঠিখনিত ৰবদলৈৰ হাস্যৰস আৰু ৰসাল মনৰ পৰিচয় পোৱা যায়।]

Barpeta, 19.11.1899

My dear Gossain,

Your kind note after so long a time had reached me last evening. I could not write you so long as I did not know where you were. Besides I was at Bojali under the Bhutan Hills from 27th. October upto 16.11.99—when you were all enjoying the C.C.'s visit at Gauhati perhaps. Kindly excuse me for this sin (?). Please let me know your programme.

As for the article in the Herald, I thank Basambad Babu. You know that both you and I are dreamers fit to fight in a warfare of philosophy and religion and to find out something new in the milkyway, but not perhaps at all fit or capable to fight the Boers in.. So is Basambad Babu as well. You and I enjoy the hills, the rivers, the jungles, the paddy fields, the stupid and intelligent Mandals and I my antiquated old 18th century philosophy and you your rhymes of কাকো আৰু হিয়া নিবিলাওঁ While Basambad Babu enjoys his profession, his knowledge, his disertations and radicalism,– Now is Transvaal war going on. Let him fill up his paper with war news.

By the way, where is your better half ? Will you now sing with me in chorus,

"আমাৰ সাধ না পূৰিল
আশা না মিটিল
যৌবন ফুৰিয়ে যায় মা গো !"

Goswami, here Mother is the Goddess Durga, that Devee, that Sakti, that power—that force that alone can make us powerful. Sing Goswami, sing this time—Complain be not silent to sing this. For I like it. Do you know why ? যৌবনেৰে সাধ can be fulfilled by hook or crook, but that is a sin. If we want to worship the Goddess we must love our wives first—to the exclusion of all others. Your Les Miserables has taught me that "Lovers should go on cooking. This is a sublime virtue,—Nothing is better in this world than love." By the bye, your Victor Hugo is a Hindu, a veritable Hindu,

one that has shown in his hero Jean Val Jean a perfect being—a being both devoted to duty and wisdom that is above all mundane affairs. Jean Val Jean is a shadow of our mood of perfect being—a perfection which Gita aims at and a perfection of which Krishna was the Avatar. Victor Hugo is a fatalist, a dreamer like me.

aff. yours.
Rajani Kanta Bardoloi.

পদ্মেশ্বৰ নাওবৈছা ফুকন

[পদ্মেশ্বৰ বুঢ়াগোহাঁই নাওবৈছা ফুকন কুৱৈগঞা বুঢ়াগোহাঁই ঘনশ্যামৰ নাতি। ঘনশ্যামৰ পুতেক পূর্ণানন্দ আৰু শিৱনাথ। শিৱনাথৰে পুতেক ভুবনেশ্বৰ নাওবৈছা ফুকন। তেওঁৰে পুতেক দুটি—পদ্মেশ্বৰ আৰু তীর্থেশ্বৰ। তীর্থেশ্বৰৰ আন এটা নাম বালি গোহাঁই—অশোকাষ্টমীৰ দিনা ব্রহ্মপুত্ৰৰ বালিত উপজিছিল দেখি বালি গোহাঁই নাম হ'ল। ফুকনে এখনি বুৰঞ্জী লেখি গৈছে। গর্ডন-গেইট-ফুলাৰ চাহাবে তেওঁক ডাওৰীয়া বুলি সম্বোধন কৰিছিল।]

"আমি শুনি অতিকৈ শোক পাইছোঁ যে, বর্ত্তমান ব্রহ্ম সমাজৰ ধৰণী স্বৰূপ শিৱসাগৰৰ গণ্যমান্য এজন মুখীয়াল লোক ডাওৰীয়া পদ্মেশ্বৰ নাওবৈছা ফুকন আৰু এই সংসাৰত নাই। তেওঁ বৃদ্ধাবস্থাৰ ৰোগত পৰি যোৱা বৃহস্পতিবাৰে (২৯ অক্টোবৰ) পুত্ৰ পৰিয়াল আৰু আত্মীয় কুটুম্বাদিক কন্দুৱাই স্বর্গী হৈছে। এই সাধু পুৰুষজনৰ বিয়োগ বাতৰিত তেওঁৰ বন্ধু বান্ধৱ আৰু গুণগ্রাহীসকলে আন্তৰিক শোক পাব। গৱর্ণমেণ্টৰ ঘৰতো এওঁৰ নাম ভালকৈ নজনা নহয়। আসাম দেশৰ পৌৰাণিক ইতিবৃত্তৰ তথ্য সংগ্রহ কৰাত এওঁ ৰাজ কর্ম্মচাৰীক বিশেষ সহায় কৰিছিল। বাস্তৱতে এওঁৰ দৰে দেশৰ পুৰণি বুৰঞ্জীমূলক তত্ত্ব জনা মানুহ নোলাব বা তাৰ সংখ্যা নিচেই তাকৰ হ'ব। "পদ্মেশ্বৰ বুঢ়াগোহাঁই ফুকনৰ লগতে আসামে অসমীয়া পুৰণি শ্রেণীৰ ডাওৰীয়াৰ এটি ডাঙ চিন হেৰুৱালে আৰু উঠি অহা অসম সমাজৰ এটি ভেজনি ভাগিল।"

(সম্পাদকীয়—"আসাম বন্ধি" ৫ নবেম্বৰ, ১৯০৩ চন। ১৯ কাত্তি, ১৮২৫ শক।)

১৯২০ চনত কলিকতাত পতা অসমীয়া সন্মিলনীৰ জামনী



[১৯১৭ চনত কলিকতা কংগ্রেছলৈ অসম এচোচিয়েছনৰ প্রতিনিধি]

"কলিকতাত অহা ডিচেম্বৰত বহিব খোজা ভাৰতীয় কংগ্রেছলৈ শ্রীযুত সদানন্দ দুৱৰা, বি এল, শ্রীযুত ব্রহ্মানন্দ দত্ত, উকীল, শ্রীযুত বিৰুচন্দ্র দাস আৰু শ্রীযুত হেমচন্দ্র বৰুৱাক আসাম এচোছিয়েছনৰ পৰা প্রতিনিধি ডেলিগেট ৰূপে বছা হৈছে।

"কংগ্রেছৰ মহান উদ্দেশ্য, ভাৰতৰ শাসন সংস্কাৰ, সেই উদ্দেশ্য লৈয়ে কংগ্রেছে ৩১ বছৰ কাল তুমুল আন্দোলন কৰিব লাগিছে। ৰাজপ্রতিনিধিসকলৰ লগত যুক্তিসঙ্গত আইন অনুযায়ী স্বায়ত্ব শাসন বা স্বৰাজ স্থাপিবৰ কাৰণে যুঁজিব লাগিছে। মন্ত্রীসভালৈ সেই বিষয় আবেদন পত্র পঠিয়াব লাগিছে। কিন্তু লর্ড মণ্টেগু ভাৰত সভাৰ মন্ত্রীপদত অধিষ্ঠিত হোৱাৰ আগলৈকে তাৰ সঠিক আশানুৰূপ সমিধান পোৱা নগৈছিল।

"এতিয়া মহানুভৱ মণ্টেগু স্বয়ং ভাৰতলৈ আহি ভাৰতীয় প্রজাৰ অভাৱ অভিযোগ জানি লৈ শাসন সংস্কাৰ পদ্ধতিৰ এটা সুমীমাংসা কৰিব। গোটেই ভাৰতবাসীৰ লগত আমাৰ ব্রহ্মপুত্র উপত্যকাৰ মত যোগ দিবলৈ প্রতিনিধিসকলৰ যথেষ্ট আহিলাপাতি সহায়-সম্বলৰ দৰকাৰ। আমি বঢ়িয়াকৈ বুজিছো আসাম এচোছিয়েচনে প্রতিনিধি সকলক আৱশ্যকীয় বস্তু যোগাই সাজু কৰি পঠিয়াব।

"৩০ লাখ মানুহৰ ধর্ম্ম, সমাজ, ভাষা, ৰাজনৈতিক আকাঙ্ক্ষা, বাকী ২৭০ লাখ মানুহৰ আগত আমি দাঙি ধৰিবলৈ আজিলৈকে অক্ষম। দুই চাৰিজন উদাৰনৈতিক ৰাজ পুৰুষৰ আৰু বাউকৰাৰ পৰা আমাৰ কথা অসম্পূর্ণ, অসংলগ্ন আৰু অসংযতভাৱে অৱশ্যে বিদিত হৈছে। ভুকুতে কলটো নপকে সঁচা, তথাপি আমাৰ মুখ্য লোকসকলে, আমাৰ শুৰি বঠা শুৱাসকলে কটন ছাহাবে লিখি থোৱা "Assam has been called the Cinderrala of India" কথা ফঁকিৰ মত বিশেষভাৱে বুজাই অসম অৱণ্যক মুক্তি দিয়াব।" (আসাম বিলাসিনী, ২৯ কাৰ্ত্তি, ১৫ নবেম্বৰ ১৮৩৯ শক, ১৯১৭ চন।)

জগন্নাথ বৰুৱাৰ চিঠি ঃ হেম গোসাঁইলৈ

Jorhat, Assam
11.9.98

My dear Hem,

Thanks for your kind note which came to hand in due course. I was somewhat unwell for some days and I regret I could not reply earlier. I remember we sent up a representation to the C.C. on the limitation of the junior scholarships years ago and a reply also came. But I could not find it out. Our office papers are in a mess when the late Secretary Mr. Brojonath Bezbarua left and the new took over charge. I am sorry I could not give you a copy just now. If I came across the same hereafter I will send over a copy.

Very glad to have a line from you after a long time and particularly happy to hear of....

Yours sincerely,
Jagannath.

শ্রীশ্রীমাউনাআটী সত্রাধিকাৰৰ চিঠি হেম গোসাঁইলৈ

আশীৰ্ব্বাদ

বিশেষ এদিন চাহাবক দেখা কৰিবৰ ইচ্ছা আছে চাহাবক জনাই অনুমতি দিয়ালে এদিন যাব পাৰো। আগৰ ৰবি বা সোম বাৰেহে পৰা হব তিনি বজাৰ পৰে, যদি বতাহ হয় তেতিয়া পৰা নহব ইয়াকো জনাব নতুন বাতে মানুহ অহা-যোৱা চলিছে পানি যোৱা বাট দুইমাস পৰ্য্যন্ত বন্ধ নহয় কেৱল দক্ষিণৰ পৰা উত্তৰ লৈ যোৱা নৈৰ কিনাৰৰ বাতৰ ওপৰত আমাৰ দুতাপৰ লাগে, সেয়ে নহলে তালৈ যোৱা বন্ধ হব লাগিব যদিও কোনো লোকে দৰ্খাস্ত দিছে পানি যোৱা বাটৰ নিমিত্তেহে দিছে সেই বাট বৰ্ত্তমান বন্ধ নহয় নৈৰ কিনাৰৰ ঘৰ সাজিবই লাগিব বৈশাখৰ ২৫ টাৰিখে সেই ঘৰ লব লাগিব

এইতো আপোনাৰ পৰামৰ্শ হে লৈছো। চাহাবক জনোৱাৰ আবশ্যক নাই বিশেষ কথা মোৰ সহায় সম্বল একমাত্ৰ আপুনি আপোনাৰ ওঁপৰত মোৰ সকলো বিষয় ভৰষা পুনঃ লেখা হল সপ্তাহৰ ভিতৰত চাহাবৰ ওঁচৰলে যোৱাতো নহব শৰীৰ অসুখ আছে জনাই হে থব লাগে শ্ৰীযুত কালি বাবুৰ কাৰণ ৫০ পঞ্চাশ টকা শ্ৰীযোগেন্দ্ৰৰ কাৰণ ১০ টকা মোক্তাৰৰ হাতে পঠোৱা হৈছে দিবৰ কাৰণ আপোনাক জানিবৰ কাৰণ জনোৱা হ'ল।

ইতি ১৮৩৭ শক ৯ বৈশাখ

সত্যনাথ বৰাৰ চিঠি : হেম গোসাঁইলৈ

Gauhati
6.2.14

My dear Gosain,

You will remember that we have been paying to Banikanta Kakoti Rs 18 a month as a supplement to his scholarship to enable him to read in the P. College. The funds collected are fast running out. I shall be able to continue the allowance upto April and no longer. I shall be glad of any contribution from Nowgong.

I should like to know what progress you have made in regard to the project of educating the Gossain and Mahantas of Assam I hope the project will not fall through : it is so good.

In your শৰাই ঘাটৰ যুদ্ধ I find two words, certainly Ahom words, পেচ্ কচ্ and চই. Please, let me know their meanings and the history, if any. চই perhaps means tribute, but now the word is derived and what language it belongs to I don't know পেচ্ কচ্ is unknown to me altogether. I want all this for my use at college.

S. Bora

সত্যনাথ বৰাৰ চিঠি (২ নং)

Dear Gosain,

However we have completed our compilation of the courses. We received suggestions from Keshab Phukan, Padma Barua and on the spot we had the help of Lakheswar Sarma. The papers are with Rai Bahadur who will soon send them to the University.

The selections are not to my mind quite up to mark. But they are not permanent, they may be replaced by more suitable ones in subsequent years. We have put শকুন্তলা by Lambodar in place of কৃপাবৰ বৰুৱাৰ কাকতৰ টোপোলা and জুৰণি an Lila have likewise been replaced by other things.

Yours
Satya

আনন্দৰাম ঢেঁকীয়াল ফুকনৰ 'অসমীয়া ল'ৰাৰ মিত্ৰ' ছপাবলৈ ধনেৰে সহায় কৰা সকলৰ নাম (১৮৪৯) চন।

কন্দর্পেশ্বৰ সিংহ	৪৫ টকা	দুতিৰাম বৰুৱা	১১ টকা
ললিতৰাম সিং ৰাণীৰজা	৪০ "	দীননাথ বেজবৰুৱা	১১ "
চন্দ্রসেন ৰয়	২০ "	যাদুৰাম বৰুৱা	৮ "
ৰায়দেৱ ৰৰদলৈ	২০ "	হৰনাথ বৰুৱা	৫ "
ব্রজনাথ বৰ ভাণ্ডাৰী বৰুৱা	১২ "	গোলোকচন্দ্র ডেকাবৰুৱা	৭ "
মাধৱৰাম ৰাজখোৱা	১০ "	হলিৰাম নাওশলীয়া বৰুৱা	৫ "
সোমদত্ত বৰকটকী	১০ "	বঙ্গোৰাম বৰুৱা	৫ "
কৃষ্ণৰাম ভঁৰালী বৰুৱা	১০ "	নমেলীয়া গোহাঁই	১০ "
ৰজনীকান্ত ডেকাবৰুৱা	১০ "	লখৌমৰ ফুকন	১০ "
গৰ্গৰাম মজিন্দাৰ বৰুৱা	২০ "	নগা হাজৰিকা	১০ "
মণিৰাম বৰুৱা (দেৱান)	২০ "	সিন্ধুৰাম হাজৰিকা	৫ "
		কেশৰাম বৰুৱা	১০ "

কেশৰাম ৰোৱকাৰী নৰিছ	৫ টকা	গৰ্ত্তৰাম ডেকা বৰুৱা	১ টকা
অনুৰাম মহৰী	২ "	পীজৌ গোহাঁই	১ "
মিহিৰাম ভাণ্ডাৰী বৰুৱা	৫ "	শম্ভুনাথ বাগছী	১০ "
কুশৰাম মজিন্দাৰ বৰুৱা	১ "	গৌৰীনাথ চৌধুৰী	৫ "
গোবিন্দৰাম ডেকাবৰুৱা	১০	ভৈৰৱ মুখোপাধ্যায়	৫ "
আনন্দৰাম ফুকন	৩০	মেজৰ জেনকিন্স	৫০ "
বলৰাম ফুকন	২০ '	জে মেথিউ	৫০ "
গঙ্গাৰাম ডেকাবৰুৱা	৬ "	চি স্কট	৪০ "
গুণাভিৰাম বৰুৱা	২০ "	কেপ্তেইন এফ ফিচাৰ	২৫ "
ধৰ্মকান্ত ডেকাবৰুৱা	৬ "	কেপ্তেইন চি ৰেল্ডছ্	২০ "
ৰাধানাথ কটকী	৫ "	ডাঃ কে এম স্কট	২০ "
ৰুদ্ৰাম বৰদলৈ	৫ "	ৰেভাঃ আৰ ৰেলণ্ড	২০ "
মুন্সি কোফায়ৎ উল্লা	১০ "	ৰেভাঃ আৰ কেম্পৰেল	১০ "
কীৰ্ত্তিনাথ গোহাঁই	১ "	লেফ্‌ঃ ডব্লিউ এগ্নিউ	১০ "
		মিঃ চি এ ব্রুচ	৫ "

বিলাতৰপৰা লেখা জ্ঞানদাভিৰাম বৰুৱাৰ চিঠি

["এড্‌ভকেট অৱ আসাম"ৰ সম্পাদক মথুৰামোহন বৰুৱালৈ ১৯০২ চনৰ ২৮ মে তাৰিখে লণ্ডনৰ ২২, বালিংটন ৰ'ডৰ পৰা ছাত্ৰ জ্ঞানদাভিৰাম বৰুৱাই দিয়া চিঠি। জ্ঞান বৰুৱা মানুহজন কি ভাবৰ আছিল—চিঠিয়ে কৈ দিব। চিঠি দিওঁতে মথুৰা বৰুৱাই 'এড্‌-ভকেট্' উলিয়া নাছিল, 'আসাম বন্ধু'ৰে সৈতে সম্বন্ধ ছিণ্ডি বাতৰি কাকত এখন প্ৰকাশ কৰিবলৈ ছপাশাল কিনিছিল। তাতে 'জোনাকী'-খনো (গুৱাহাটী পর্য্যায়) ছপা কৰিছিল। মথুৰা বৰুৱাৰ ব্যক্তিগত কথাও দুই এটা আছে। চিঠিখন ইংৰাজীৰে লেখিছিল—এইখন তাৰে ভাওনী হে।]

"মাই ডিয়েৰ মিঃ বৰুৱা,

আপোনালৈ চিঠি লেখোঁ-লেখোঁ বুলি ভাবিয়েই থাকোঁ, পিছ এনেকুৱা কিবা এটা নহয় কিবা এটা লেঠা ওলাইহি যে ভবাকথা

আৰু সিজিয়েই নহয়গৈ। আজি লেখিলোঁ। আপুনি ছপাশাল এখন ওৱাহাটীতে পাতি নিজে চলাবলৈ লৈছে বুলি শুনি বৰ ৰং পালোঁ। আমাৰ দেশত ভালেমান অভাৱ, তাৰ ভিতৰতে ছপাশালো এটা। মিবিলাক লেখকে কিতাপ লেখি কলিকতাত ছপাব নোৱাৰে, সেই-বিলাকে এতিয়া, হয় আপোনাৰ শালতে, নহয় (তেজপুৰৰ) "আসাম চেণ্ট্রেল প্রেছতে" ছপাব পাৰিব। আপুনি দেশৰ নিমিত্তে বৰ ভাল কাম কৰিবলৈ লৈছে। আপোনাৰ নিচিনা মানুহ আমাক লাগে; ছপাশালৰ কলকাৰ্যণা আৰু সৌন্দৰ্য্যবোধ থকা আৰু বাতৰি-কাকতৰ বিষয়ে জ্ঞান থকা আপোনাৰ নিচিনা মানুহ আমাক লাগে। "আসাম বন্ধু"ৰ লগত সম্পৰ্ক ছেদ কৰাত দুখ পালোঁ। কিন্তু এতিয়া ৰং পালোঁ, বৰ ৰং পালোঁ—আপুনি যে "জোনাকী"খনক পুনৰ জীৱন দিয়াত সহায় হ'ল। "থেঙ্ক ইউ ভেৰি মাচ্"। মিঃ টি আৰ ফুকন (তৰুণৰাম ফুকন) আৰু মই দুয়ো আপুনি পঠিওৱা "জোনাকী" পালোঁ। ছপা ভালেই হৈছে। তৰুণে-ময়ে প্রথম খণ্ডত থকা সাঁথৰটো ভাঙিবলৈ লৈছিলোঁ; পিছে মাজৰ আখৰটো উলিয়াব নোৱাৰিলোঁ—বৰ টান। নহয়নে বাৰু বৰ টান? আপুনি যে কাকতখন মৰমকৈ পঠিয়ালে, মই নো কি বুলি শলাগিম, ক'বই নোৱাৰোঁ।

"বিজুলী"ও বোলে ওলাইছে। আসামৰ দিন আৰু ভাললৈ আহিছে---আঙুলিৰ আগত লেখিব পৰা আমাৰ শিক্ষিত কেইজনৰ প্রতি শত ধন্যবাদ। আসামৰ বিষয়ে কোনোবাই কিবা এটা ভাল বুলি কোৱা শুনিলে কিমান যে ভাল পাওঁ, আপোনাক আৰু বুজাই ক'ব নোৱাৰোঁ। ঘৰৰপৰা ইমান দিকহো বাট দূৰত আছোঁ বুলিয়েই নে কি, ক'ব পৰা নাই। এতিয়া মানে মিঃ কটনে (চীফ কমিছনাৰ কটন চাহাব) ভাৰতবৰ্ষ এৰিব পায়। আপোনাসকলে তেখেতক সমাবোহেৰে বিদায় সম্বৰ্দ্ধনা দি বৰ সঙ্গ কাম কৰিলে। এনে সন্মান তেওঁ পাবলগীয়া। আমাৰ দেশৰ সেই 'হতভাগা' কুলিৰ হকে মতা বাবেই তেওঁ পাবলগীয়া "নাইট" উপাধিটিও তেওঁৰপৰা কাঢ়ি নিয়া হ'ল। অসমীয়া মানুহে কিন্তু তেওঁক কেতিয়াও পাহৰিব নোৱাৰে। কলিকতাৰ বঙালীবিলাকে তেওঁক যি বিৰাট সম্বৰ্দ্ধনা জনালে আমি ভাবিবই নোৱাৰোহঁক। 'বন্ধু'ৰ বৰওণি ফেৰা মই দিব পৰা নাই। সেই বাবে দুখ লাগি আছে। মিহওক, 'বন্ধু' 'জোনাকী' দুয়োটা

বৰওণি একেলগে পঠিয়াম। ৰায়বাহাদুৰ জগন্নাথ বৰুৱা বজাৰ অভিষেক উৎসৱলৈ আসামৰ প্ৰতিনিধিস্বৰূপে আহিব বুলি শুনি সন্তোষ পাইছোঁ। বৰ ভাল কথা। মিঃ বুজীন্দ্ৰ ভট্টাচাৰ্য্যও বোলে আহিব—সিও বৰ ৰং পোৱা কথা। সাগৰ পাৰ হৈ, আমাৰ তাৰ পৰা ৰিমান আহে, সিমান আমাৰ দেশৰ নিমিত্তে মঙ্গলজনক। আমাক লাগে দেখি-শুনি অভিজ্ঞতা আৰ্জন কৰা মানুহ। ভাৰতৰ দৰেই ইয়াৰ বতৰ পৰিছে—ৰ'দালি। কিন্তু ৰ'দৰ তাপ সহা হে মোৰ পক্ষে টান হৈছে। আমাৰ "ভাগ্যবিধাতাসকলৰ" ঘৰখন চাই যাবলৈ এবাৰমান নাহে জানো? আপুনি দেখোন বম্বেত আছিলেই—বম্বেৰপৰা বেচি দূৰ নহয়—পোন্ধৰ দিনৰ হে বাট। মিঃ অঘোৰ চেটাৰ্জীৰ (সংৰোজিনী নাইডুৰ দেউতাক) পুতেক ইয়াতে আছে। আপুনি হেনো তেওঁক "মাষ্টাৰ বিনি" বুলি মাতিছিল—এই বুলি তেওঁ মোক কৈছে। তেওঁ মাজে সময়ে আপোনাৰ কথা কয়। আপোনালৈ বহুত লেখিলোঁ। বহুত 'ভুৰি ভুৰি'। ভোজন ভুৰি-ভুৰি হ'লে ভালেই হে, নহয় জানো? আসামৰ সকলো বা-বাতৰি দি থাকিব।

J. Borooah

গৰ্ডন-গোসাঁই : এক অধ্যায়

[সৈন্য বিভাগৰপৰা ওলাই ১৮৮০ চনত লেফ্‌টেনেণ্ট পি, আৰ, টি, গৰ্ডন শিৱসাগৰত এচিষ্টেণ্ট কমিচনাৰ নিযুক্ত হয় আৰু তাৰ পাচত ১৯১৪ চনত অসমৰ এক্‌টিং চিফ্ কমিচনাৰ নিযুক্ত হয়। এওঁ সাহিত্যানুৰাগী আৰু প্ৰত্নতত্ত্ব অনুৰাগী আছিল। 'হেমকোষ' ছপা হৈ ওলোৱাৰ মূলত এওঁৰ পৃষ্ঠপোষকতা স্মৰণীয়। গৰ্ডনে দিয়া এই দুটি টোকাত অসমীয়া ভাষাৰ হকে তেওঁ কৰা চিন্তা, অসমীয়া ভাষা উদ্ধাৰৰ হকে তেওঁ কৰা চেষ্টা আৰু হেম গোসাঁইৰ ওপৰত থকা তেওঁৰ আস্থাৰ আভাস পোৱা যায়।

[পণ্ডিত হেমচন্দ্ৰ গোস্বামীৰ পৰা কৰ্ণেল পি, আৰ টি, গৰ্ডনে কেনেকৈ কাম আদায় কৰিছিল, তাৰে এটি নমুনা। গোস্বামী যে গৰ্ডনৰ সোঁহাতে আছিল, তাকো প্ৰমাণ কৰে।]

হেমবাৰু,

অসমৰ পুথি সংগ্ৰহ কৰি যিখিনি পালে, তাৰে সহায় লৈ আপুনি অসমীয়া আৰু সংস্কৃত সাহিত্যৰ বিষয়ে যিটো টোকা দিলে, পঢ়ি বৰ সন্তোষ পালোঁ। সঁচাকৈয়ে পঢ়ি বৰ ভাল লাগিছে। তাত মুঠেই অসমীয়া পুথি ২১ খন আৰু সংস্কৃত ৪০ খনৰ হে মাথোন বিৱৰণ দিয়া হ'ল। ইমান তাকৰৰকৈ কৰাত আক্ষেপ কৰিবলগীয়া হৈছে। বহুত পুথি এতিয়াও তালিকাত সুমাবলগা হৈ আছে। অতি সোনকালে সেইখিনি তালিকাভুক্ত কৰি পঠাব যাতে মই পঢ়ি চাই আপোনাক নো এই কাম কৰিবলৈ আৰু কিমান দিন লাগিব পাৰে, বুজিব পাৰোঁ। অসমীয়া-সংস্কৃত পুথি আৰু কিমান 'কেটেলগ' কৰিবলৈ আছে ভাগে-ভাগে লেখি মোক জানিবলৈ দিব। মন কৰিলে সপ্তাহত এদিনকৈ, ধৰক দেওবাৰে দেওবাৰে আপুনি যদি তালিকাখন সম্পূৰ্ণ কৰিবলৈ ধৰে, মোৰ মহতী আশা সোনকালে ফলৱতী হ'ব বুলি আশা কৰিব পাৰোঁ—অৰ্থাৎ মই যাতে গবৰ্ণমেণ্টৰ চাকৰিত থাকোঁতেই পুথিৰ বিৱৰণীখন শেষ হোৱা দেখি যাবলৈ পাওঁ। মোৰ আশা পূৰণ কৰিবৰ অৰ্থে আপুনি যি পাৰে কৰিব।

অলপতে নলবাৰীত সংস্কৃত টোলৰ প্ৰতিনিধিসকল গোট খাব। তাত যাতে কামৰূপৰ সংস্কৃত সাহিত্য সম্পৰ্কে দু-আষাৰমান কথা উল্লেখ কৰিব পাৰোঁ, তাৰ নিমিত্তে চল লগাই ল'বলৈকে তালিকাখন লগা হৈছে। আপোনাক সহায় কৰিবলৈ, মই প্ৰতাপ (প্ৰতাপ গোস্বামী) আৰু ইন্দ্ৰেশ্বৰ (ইন্দ্ৰেশ্বৰ বৰঠাকুৰ)লৈও লেখিছোঁ। আপুনিও তেওঁবিলাকক দুই-চাৰিটা কথাৰ সংকেত দিব।

জ্যোতিষৰ শাস্ত্ৰও ভালেমান আছে বুজি জানো আৰু আপুনিও টোকাত উল্লেখ কৰিছে। গুৱাহাটীখন পূবফালে থকা জ্যোতিষৰ কেন্দ্ৰ অৰ্থাৎ প্ৰাগজ্যোতিষপুৰ যেতিয়া ইয়াত জ্যোতিষৰ বিষয়ে গ্ৰন্থ থকাটো যুক্তিপূৰ্ণ। ব্যতিক্ৰম হ'ব নোৱাৰে। (ইংৰাজীৰপৰা অনুবাদ)

[তলত গৰ্ডনৰ টোকা দুটি হুবহু ইংৰাজীত তুলি দিয়া হ'ল]

Note by Major P.R.T. Gurdon.

The monograph is ably written and contains an interesting account of the position of the Assamese language and Assamese

literature at the present day and is particularly valuable as coming from the pen of an unprejudiced observer, like Mr. Sudmersen, who as an officer of the Educational Service, and an Englishman, cannot be said to hold a brief for the Assamese. The vein of sympathy for Assam and the Assamese which pervades the Monograph throughout is moreover particularly pleasing. The Monograph is well worth printing, and I would forbear from offering any criticisms were it not that His Honour the Lieutenant Governor had directed me to express my opinion on its merits, as well as on the suggestions made by Mr. Sudmarsen. I now venture to offer the following remarks.

That Assamese is a separate language, and is not a mere dialect of Bengali, now admits of no further doubt. Mr. Nicholl on page 72 of his Assamese Grammar writes "Assamese is not, as many suppose, a corrupt dialect of Bengali, but a distinct and co-ordinate tongue, having with Bengali a common source of current vocabulary. Its Sanskrit did not come to it from Bengal, but from the Upper Provinces of India—this all who carefully examine the matter will readily admit, "Dr. Grierson in Vol. V part I of the Linguistic Survey of India accepts this conclusion. Dr. Cust in a "Sketch of the modern Languages of the East Indies". (Published in 1878), wrote, 'but one thing is clear that the language (Assamese) existed in its present form for centuries, and the pronounciation corresponds rather with the Hindi Language Field, whence came the Emigration of its colonists, than with that of Bengal, who had no access to the Valley until after the Mohommedan invasion'. Gait and Anderson, who are latter day scholars, have come to similar conclusions. Learned opinion therefore supports Mr. Sudmersen's conclusions and I need add nothing further on this point. On page 1, line 18 from the bottom the author says "the invasions of Mahammedans and Cocharis left but slight traces upon the language", These remarks are misleading. There were several Mohommedan invasions of Assam of which detailed accounts will be found in Blochmann

and Gait, but there were no Kachari invasions of Assam within time of which history treats. Many many centuries ago it is perhaps probable that a horde of the Mongolian race swept down upon the Assam Valley from the North East " from the great hive of the Mongolian race in Western China" but this invasion took place long before the Assamese language appeared, for Assamese came long afterwards. We know from the Ahom Buranjis or histories, that the Ahom invaders found in Assam tribes of the Baro, or Kachari race, known as Borahi and Morans on their arrival in the thirteenth century. We know also that the Ahoms soon after their arrival in the Valley came in contact with the Chutiyas, another and more powerful Baro tribe, and that the Ahoms were long engaged in a severe struggle with them for supremacy. When the Ahoms entered Assam there was probably no Assamese language in Upper Assam. What is more likely to have happened is this : The Ahom language displaced the Baro or Kachari or dialects of that tract when the Ahoms obtained supermacy in Upper Assam, and to a small extent only, in Central and Lower Assam where by degrees the Baro or Kachari speech of the peasants gave way before the more civilized language of Assamese which had been introduced by pandits and priests from Kanouj and neighbouring districts into the Courts and places of worship in Assam. It is therefore inaccurate to speak of Kachari invasions having had, or not having had, any effect on the Assamese language. I would therefore delete the words "and kachari"s (line 18 from bottom) of the Monograph, on page 2 line 4 from the top. It is said that Khasi "according to Mr. Gait", belongs to the mon-Khmer sub-division of the Indo-Chinese group. This has been clearly proved by the results of the labours of Logon, Kuhn, and Pater Schmidt, who are the 3 recognised authorities on the subject. I think therefore the words "according to Mr. Gait" may be omitted. The name of the Chinese traveller is Hiuen Tsiang, not Thieng Tsiang (cf. Gaits History of Assam, page 9). "Lehedagaon" the alleged birth place of the famous Dak about whose indentity as the

Assamese wit, or rather maker of aphorisms, at one time there was some controversy is styled "Lehi dangara" in the Dak Charit'

But Mr. Sudmersen's proposal to appoint an Assamese officer of literary tastes and well versed in Pandit's lore to rescue the many valuable Assamese puthis from destruction is well worth considering. Mr. Gait made a start in this direction in 1897 but his efforts were directed more to investigating the contents of the historical Puthis and Ahom Buranjis with a view to the preparation of a historical account of Assam, and it has been represented to me that the list of Puthis and Buranjis, at the end of the "Report on the Progress of Historical Research" is not complete and in this connection I would beg attention to a note by Srijut Radhanath Phukan, Extra Assistant Commissioner, hereto attached, and to the list of Assamese Puthis published by the 'Assamese language improvement society'. If Government can spare a suitable officer to search for and collect all the Assamese Puthis and prepare a good catalogue of them stating which are the more valuable and interesting as suggested by Mr. Sudmersen, this will be doing a great service not only to the Assamese Language and literature but to the Assamese. There is an Assamese officer Srijut Hem Chandra Goswami, Extra Assistant Commissioner, who has shown by various articles that he has written in the **Usha** and **Jonaki** and by his work under Mr. Gait and myself that he is much interested in the subject, who would be an admirable selection for he is not only interested in Assamese literature but he is acquainted with Sanskrit, and by his position as a Gosain he would be more likely to be successful in obtaining loans of the various puthis, which are often in the possession of religious institutions than an ordinary Government officer, His services would be required for 6 months at least, possibly longer.

Sd/- **P. R. Gurdon,**
Offg. Commissioner, A.V.D.

গৰ্ডনে হেম গোস্বাঁইলৈ দিয়া চিঠা

Hem Babu,

I have very greatly enjoyed reading your most interesting notes on Assamese and Sanskrit literature which have been complied by you from some of the materials rendered available in the collection of our Assam Puthis. My only regret is that the descriptive catalogue is far from complete, that it treats of 21 Assamese and 40 Sanskrit Puthis only, whereas there are, I know, a large number of Puthis which remain to be catalogued. It is highly desirable and most important that the remaining Puthis should now be catalogued as soon as possible and in order that I may form an idea of how long this work will take. Will you please let me know as soon as possible how many there are, of each Assamse and Sanskrit Puthis, remaining to be catalogued. If you could arrange to devote a few hours every week, say on Sundays, perhaps it would be possible for my great hope. to be realised that the descriptive catalogue might be finished soon and, if possible, finished whilst I am still in Govt. service. I hope, you will therefore kindly consider what can be done to meet my wishes.

2. I have asked Pratap and Indreswar to prepare with your kind assistance a brief account of the Sanskrit literature of Kamrup in order that I may be able to refer to it when I address the representatives of the Kamrup Sanskrit Tols at Nalbari shortly & hope that you will be able to give them some useful hints. I see that there are several words in astronomy and astrology referred to in your notes ; it is possible that there may be more such words as one might reasonably expect when one remembers that Gauhati is the ancient Pragjyotishpur, a centre of astrology in the East.

Will you please return this note with your reply.

P. R. Gurdon
Hony Director & Enthrography Assam
27.3.08

দেৱীচৰণ বৰুৱাই লেখা প্ৰবন্ধ : 'অসম বন্ধুৰ পৰা'

"বেল পৰিমাণে বাঢ়ে, তিল পৰিমাণে টুটে"

"বেল পৰিমাণে বাঢ়ে, তিল পৰিমাণে টুটে" এই পটন্তৰটি সকলোৱে মুখে-মুখে আছে; আৰু মানুহৰ নৰিয়া বা কোনো বেদনা হলে সকলোতে ইয়াকে কয়। কিন্তু স্বভাৱত চাবলৈ গলে এই পটন্তৰটিৰ দুটা অৰ্থ দেখিবলৈ পোৱা যায়। প্ৰথমে ৰোগীৰ আৰাম যে অতি লাহে লাহে হয়, আৰু লাহে লাহে আৰাম হ'বলৈকে যে ধৈৰ্য্য লাগে সেই নিমিত্তে ৰোগীৰ সান্ত্বনা আৰু ধৈৰ্য্য হ'বলৈ এই কথাটি (স্বৰূপত সঁচা হওক বা মিছা হওক) কোৱা যায়, আৰু কোৱাৰপৰা উপকাৰো পোৱা যায়। দ্বিতীয় অৰ্থ হৈছে যে ৰোগ হওঁতে অতি শীঘ্ৰে হয় কিন্তু ভাল হ'বলৈ বহুত দিন লাগে। স্বৰূপত চাবলৈ গলে এই অৰ্থত এই পটন্তৰটো নিতান্ত ভুল। কোনো মানুহৰ ৰোগ একে দিনাই বা অতি কম সময়ৰ ভিতৰতে নহয়। নৰিয়া ভাল হ'বলৈ যিমান দিন লাগে, নৰিয়া হ'বলৈকো সিমান দিন লাগে। নৰিয়াৰ ওটি মানুহৰ গাত যেতিয়া হয় তেতিয়া সেই ওটি দেখিবলৈ পোৱা নাযায়। যেনেকৈ এখন চহাই যোৱা মাটিত কেৱল মাটিহে দেখিবলৈ পোৱা যায়, আৰু তাত যিবোৰ গছৰ ওটি থাকে, সেইবোৰ দেখিবলৈ পোৱা নাযায়। মানুহৰ গাতো কেৱল গা-কেহে দেখিবলৈ পোৱা যায় আৰু ৰোগৰ ওটি দেখা নাযায়। কিন্তু এজাক বৰষুণ দিলে যেনেকৈ ওটিবোৰ গজি আহে সেইদৰে যিদিনা মানুহৰ বহুত অপক্ষ হয় সেইদিনা ৰোগৰ ওটিবোৰো গজি আহে; আৰু তেতিয়াহে নৰিয়া হইছে বুলি ৰোগীএ জানিব পাৰে। যদি এই ৰোগৰ পূলি হওঁতেই অৰ্থাৎ প্ৰথম অৱস্থাতে সাৱধান হোৱা যায় তেনেহলে সি উদগতি কৰিব নোৱাৰি ক্ৰমে সাম কাটিবলৈ ধৰে।

এই সময়তে পাঠকসকলে সুধিব পাৰে, "কেতবোৰ মানুহ বৰ সুখীয়া আছে; আৰু তেওঁবিলাকে যদি কেতিয়াবা বৰ টান ৰ'দত এদিন ফুৰিবলৈ যায় বা বৰষুণত তিতে, তেনেহলে তেওঁবিলাকৰ নৰিয়া অতি অল্প সময়ৰ ভিতৰতে কিয় হয়?

এই মুখীয়া মানুহখিনাকৰ সুখেই বেছি, তেওঁবিলাকৰ প্ৰায় মুখবাপ যোগৰ দুঃখ ব্যতিক্ৰম। সেই কাৰণে তেওঁবিলাকৰ অলপ দুখতে যোগ হয়।

অৱশেষত আমি কওঁ যে "বেল পৰিমাণে বাঢ়ে, তিল পৰিমাণে টুটে" এই পটন্তৰটিৰ বাবে যদি "তিল পৰিমাণে বাঢ়ে আৰু তিল পৰিমাণে টুটে" এনেকুৱা এটা পটন্তৰ থাকিলেহেঁতেন তেনেহলে যোগীবোৰে ধৈর্য্য ধৰিবলৈ সান্ত্বনা হৈলহেঁতেন। আৰু মানুহেও শৰীৰৰ নিয়ম ভঙ্গ কৰিবলৈ ভয় কৰিলেহেঁতেন।

দে চ ৰ
(দেৱীচৰণ বৰুৱা)
(আসাম বন্ধু, ১ম বছৰ,
১৮০৬ শক, ১৮৮৫)

যোৰহাটৰ স্বৰ্গীয় লোকেশ্বৰ সিংহ বুঢ়াগোহাঁইৰ আবেদন পত্ৰ

To,

The Hon'ble J.B. Fuller
C.S.I., C.I.E., I.C.S.

RESPECTFULLY SHEWETH,

That your humble petitioner is a descendant of the late Purnananda Bura Gohin, who held the office of Raj Mantri, or Prime minister, in the reigns of the last three of the Ahom kings and that Captain Brodie, the then Collector of Sibsagar, Assam, while recommending a pension and rent free land to the several members of the family (vide letter No. 19 dated the 10th December 1849 to the address of Captain Jenkins, Agent to the Governor General, North-East Frontier) was good enough to make the following remarks :—From the death of Raja Gowrinath Singha to the time of his own death (Purnananda Bura Gohain) the whole power of the State was in his

hands and it may be safely asserted that his countrymen considered him to have been one of the best rulers they ever had. In consequence of this his immediate descendants are considerad as little inferior to the members of the highest Royal family. There are many people now living who served under Purnananda Bura Gohain who look upon the service as the most honorable of their times and there are still many more who remember him with affection. The time therefore seems hardly to have arrived for throwing the family on their own resources.

That your humble petitioner has no desire whatever to trouble your Honour with any account of the past history of your humble petitioner's family, the services rendered by them to the State, the granting to them of pensions and rent free lands and discontinuance of the same, inasmuch as the matters were fully laid before your Honour and your Honour's Predecessor.

That although your Honour and your Honour's predecessor could not show any favour to your humble petitioner on the ground that the matter had been disposed of long ago and that very strong reasons were needed to reopen the question, yet your humble petitioner begs most respectfully to invite your Honour's attention to some facts not mentioned before and certain circumstances which have arisen now.

That, it is a fact very well known to your Honour that rent-free lands of several kinds, viz Debottor, Brohmattor, Lakheraj and Nispikheraj were made over by the Ahom kings to the various temples and persons and that although the British Government took the country from the Burmese and not from the Assam Rajaha as yet the paternal Government did not, in any way, disturb the arrangements made by the Ahom kings by depriving the temples and persons of their lands which they could easily do without any breach of faith. That by virtue of such

favour shown by the British Government the temples, the various religious congregations and persons have been uninterruptedly and peacefully enjoying their rights and privileges.

That your humble petitioner begs therefore to state here that it seems to be an irony of fate that, while the subjects who received grants of lands and other privileges from the Assam king, have been living contented and happy and enjoying their rights and privileges without any abatement whatever, the kings, who made the grants, and their advisors of the Royal blood, should have been reduced to abject poverty without even a place to live in. That when the British Government could tolerate the granting away of lands, worth several laks of rupees and could also as a matter of favour, recognize the rights and privileges of thousands of persons most of whom probably did little or nothing to deserve any consideration at the hands of Government, it can, your humble petitioner begs to submit, do a further and more acceptable and graceful act, which the people themselves will highly appreciate, by including the members of the Royal or next to Royal but down-trodden families, like your humble petitioner's in the favour already so generously shown to the people.

That the granting of a small pension of Rupees 100/ (one hundred) a month, to your humble petitioner and after him to his heirs which is now-a-days barely sufficient to keep the body and soul together, and also 120 (One hundred and twenty) puras of rent free land, will be an infinitesimal thing in comparision to the enormous amount the Government loses on account of the free grants alluded to above.

That your humble petitioner begs most respectfully to tender your Honour his most grateful and most sincere thanks for your Honour's kindness, not only in inviting him, as a scion of a most respectable and ancient kingly

family, to the coronation Durbar at Delhi, held in January last, but also for rendering him some pecuniary help in going there, without which it would not have been possible for him to do so.

That from the day of your arrival in Assam your deep solicitude for the welfare of the old and fallen houses and your desire to help them in every possible way have made a deep impression on the minds of the people and that some of your recent acts, notably the rules made by you for the appointment of Moujadars, fully testify to your sincerity in the matter.

That such an auspicious, holy and grand event as the coronation of a king raises hopes of succour and relief in the minds of the poor, the helpless and the needy, and that no part of the programme was more cheerfully received or more highly appreciated by the people than the kind, generous and humane act of feeding the poor, and that indeed a hope is still cherished by the people that the coronation ceremony will be made more memorable by granting some further rights and privileges to them and by showing special favour to old and fallen families with a view to enable them to rise again.

That your humble petitioner now comes to your Honour purely on a begging mission and that he prays that, with your usual kindness, you will be graciously pleased to recommend your humble petitioner's case to the indulgent consideration of his Excellency the Viceroy and that he is sure that such a noble, generous and sympathetic ruler, as Lord Curzon, will give a shelter to your humble petitioner and allow him to "bask in the sunshine of his favour."

And that your humble petitioner as in duty bound, will ever pray. (sd) LOKESHWER SINGH BURA GOHAIN.

অসমীয়া এণ্ট্রেন্স্ কৰ্চ যুগুত কৰা সম্পৰ্কে জগন্নাথ বৰুৱাই হেম গোসাঁইলৈ লিখা চিঠি

My dear Hem, Jorhat.
27.5.04

Many thanks to you for your kind note of the 20th inst I am really sorry to hear you were ill so as to take leave. I am sure you are fully restored to health by this time. I am glad to see you speak so well of Deben ; but external polish is not enough, it should be accompanied by solid requirements. I do not know how far he comes up to that

I do not think the University is going to publish the Assamese Entrance Course. I think if you publish the same with annotations it will be much better than the bare text published by the University

I send you herewith list of pieces selected and published in the Assam Gazette I trust you will soon take up the work and print it as early as possible.

Yours Sincerely
(Sd) J. Barooah

Prose

Sahitya Sangraha/	Pages.
আনন্দৰাম বড়ুৱা	1—11
জীৱন যুদ্ধ	17—20
মানৱ জাতিৰ সভ্যতা	31—44
আত্ম শিক্ষা	81—94
জয়মতী কুৱৰী ও লাডি গদাপানী	95—105
চেতন প্ৰাণী আৰু উদ্ভিদৰ পাৰ্থক্য কি ?	111—119
প্ৰাণী তত্ত্ব	139—150
মনুষ্যৰ আদি অৱস্থা	152—155
আমাৰ দিন	159—163

Sahitya Bichar	Pages
সাহিত্যৰ সাধাৰণ লক্ষণ	1—15
মূল কথা	31—34
পদ্য	53—57
এতিয়ালৈকে	69—80

Poetry

Ramayana

	Pages
গুই চাণ্ডালৰ বৃত্তান্ত	47—60
বিশ্বামিত্ৰৰ আগমন	50—52
ৰাম লক্ষ্মণক লৈ ঋষিৰ গমন	52—54
তাৰকা ৰাক্ষসী বধ	54—56
মাৰীচ সুবাহু বধ	56 —57
ৰামৰ হৰধনু ভঙ্গ	70—75
পৰশুৰামৰ লগত ৰামৰ সাক্ষাৎ	75—80

Sahitya Sangraha

	Pages
দ্ৰৌপদী বিলাপ	15—16
পুন্না	56—58
সুখগীত	67—68
জীবন সঙ্গীত	79—81
ধুমুহা	94—95
নববৰ্ষ	101—104

কটন কলেজ পতাৰ পূৰ্বে উচ্চশিক্ষাত্ত বিষিনি

[প্ৰত্নতাত্ত্বিক হেমচন্দ্ৰ গোস্বামীয়ে লিখা টোকা। এই টোকাটি গোস্বামী দেৱৰ চিঠিৰ ভঁৰালত পোৱা হৈছিল।]

"আমাৰ দেশ ইংৰাজ গৱৰ্ণমেণ্টৰ হাতলৈ আহে ১৮২৬ চনৰ ২৪ ফেব্ৰুৱাৰীত। কিন্তু আমাৰ ভাগ্য ফলত, কটন কলেজ হোৱা

দিনলৈকে আমাৰ দেশৰ ল'ৰাৰ উচ্চ শিক্ষাৰ নিমিত্তে আন দেশৰ তুলনাত একোকে কৰা নাছিল। আমাৰ দেশৰ ল'ৰাই উচ্চ শিক্ষা পাবলৈ যিমান বাধা বিঘিনি অতিক্রম কৰিবলগীয়া হৈছে ভাৰতবৰ্ষৰ কোনো দেশৰ ল'ৰাই তেনে কৰিব লগা হোৱা নাই। অথচ আমাৰ এনেহে কপাল যে আমাৰ নিজ দেশৰ কাম এটাত ভতি হ'বলৈ হ'লেও আমাৰ মানুহে আন উন্নত দেশৰ মানুহৰ লগত অৰিয়াঅৰি কৰিব লগা হয় আৰু ফেৰত উঠিব পাৰিলেহে নিজ দেশৰ কাম এটাকে পাব পাৰে। আজিলৈকে ইমান কন্দা-কটা, কাৰৌ-কোকালি কৰিও আমি কটন কলেজৰ প্রফেচৰি এটাকে পাবপৰা নাই কিয়নো কটন কলেজত শিক্ষা লাভ কৰি আজিলৈকে এজন অসমীয়াইও প্রথম শ্রেণীৰ এম, এ হ'ব পৰা নাই। তাকেহে কয় "দুৰ্কপলীয়া হাবিলৈ যায়, দা-ও সোলকে বৰলেও খায়।"

আমাৰ দেশত উচ্চ শিক্ষাৰ নিমিত্তে গবৰ্ণমেণ্টে যি বা এটা গুৱাহাটী হাইস্কুলত তাহানি এটা এফ, এ শ্রেণী দিছিল গবৰ্ণমেণ্টে খৰছৰ ভয়ত তাকো উঠাই দিলে। অনেকে ভুলকৈ ভাবে যে তেতিয়া আমাৰ দেশৰ ল'ৰাই মন দি নপঢ়াত হে এই শ্রেণীটো উঠাই দিয়া হ'ল। আনন্দৰাম বৰুৱা, মাণিক চন্দ্র বৰুৱা, জগন্নাথ বৰুৱা, ভাবিৰাম বৰুৱাৰ নিচিনা আমাৰ দেশৰ উজ্জ্বল ৰত্নবিলাকো সেই শ্রেণীৰ হে ছাত্র আছিল। গবৰ্ণমেণ্টে এই শ্রেণীটো উঠাই দিয়াত গুৱাহাটী, শিৱসাগৰ, আৰু অসমৰ আন আন জিলাৰ মানুহবিলাকে গোট খাই স্বৰ্গীয় মাধব চন্দ্র বৰদলৈ ৰায়বাহাদুৰক মুখ্য কৰি ১৮৭৬ চনৰ ১০ জানুৱাৰী তাৰিখে চীফ কমিচনাৰ বাহাদুৰৰ ওচৰলৈ এখন আবেদন পঠিয়ায়; সেই চনৰ ১৬ মাৰ্চ তাৰিখে চীফ কমিচনাৰ বাহাদুৰে, তেতিয়া জুডিচিয়েল কমিচনাৰৰ আদালতৰ উকিল মাধবচন্দ্র বৰদলৈ ডাঙৰীয়ালৈ এইবুলি সমিধান দিয়ে ঃ---

"The Petitioners compl. in of the abolition of the Gauhati High School Class. The chief reason for this step is that the finances of this Province do not admit of any but absolutely necessary expenditure. A deduction of expenditure was absolutely necessary and after careful consideration the Educational grant was reduced

from Rs. 223000 to Rs. 185000 and consequently the High School Class could not be retained.

অসমৰ শিক্ষা সম্বন্ধে গবৰ্ণমেণ্টৰ এনে বন্দবস্ত হোৱা বাবেই, আজি প্ৰায় ১০০ বছৰ ৰাটিছ গবৰ্ণমেণ্টৰ তলত থাকিও অসমীয়াই এজন ১ম শ্ৰেণীৰ এম এ, বাহিৰ কৰিব পৰা নাই।"

আসাম বন্তি

The Assam Banti.

VOL I. — TEZPUR, THURSDAY, FEBRUARY 18 1901. [No 7]

THE ASSAM BANTI. [illegible]

(আসাম বন্তিৰ প্ৰথম পৃষ্ঠাৰ প্ৰতিলিপি)

১৯০১ চনৰ ১৪ জানুৱাৰী সোমবাৰে "আসাম বন্তি"ৰ প্ৰথম প্ৰকাশ হয়। তেঁতিয়া তাৰ সম্পাদক আছিল মথুৰামোহন বৰুৱা আৰু 'আসাম নিউচ'ৰ দৰে ইংৰাজী-অসমীয়া দুয়োটা ভাষাতে সম্পাদকীয় আৰু অন্যান্য প্ৰবন্ধাপাতি প্ৰকাশ কৰা হৈছিল। (যোৰহাটৰ শ্ৰীযুত বিমান বৰুৱা বি, এ, হেড মাষ্টৰৰপৰা পোৱা)

"আসাম বন্তিৰ" সম্পাদকীয় ঃ

ৰাধানাথ ফুকনৰ এচ্ ডি চি পদ প্ৰত্যাখ্যান

১৯০১ চনৰ ১৪ মাৰ্চ তাৰিখৰ "আসাম বন্তি"ত লিখা ইংৰাজী সম্পাদকীয় টোকা ঃ—

"Mr. Cotton poses to be a friend of the Assamese, ... if by the term "Assamese" the people of the Assam proper are included, then we fail to see how Mr. Cotton can be called a friend of the Assamese. Take for instance, the case of Mr. Radhanath Phukan M.A., B.L. He is the

first Assamese M.A. and is fitted by his right of birth and other qualifications for an E.A.C. ship but still he was not appointed to the provincial service, but he was appointed as S.D.C. of the lowest grade. which offer he rightly declined to accept

It is not possible for us ordinary mortals to know the policies of these big officials....."

কলিকতাত অসমীয়া ছাত্রৰ সমস্যা (১৯১৭-১৮ চন)

[অসমৰ কোনো কলেজত পঢ়াৰ সুবিধা নথকা কেইটামান কিয় পঢ়িবলৈ বুলি কলিকতালৈ যোৱা উনৈশজন অসমীয়া ছাত্রই অসমৰ চীফ কমিছনাৰক ১৯১৭ চনত দিয়া এখন আৰ্জিৰ অসমীয়া অনুবাদ তলত দিয়া হ'ল। এই আৰ্জিৰ মূল ইংৰাজী প্রতিলিপি ১৯১৭ চনৰ ৩০ আগষ্টৰ 'আসাম বিলাসিনী' কাকতত প্রকাশ পাইছিল।]

মাননীয় চীফ কমিছনাৰ, অসম, শিলং

মাননীয় মহোদয়,

আপোনাৰ সহৃদয় বিবেচনাৰ ৰাবে বিনীত আৰু সন্মানপূৰ্বক নিবেদনেৰে নিম্নোক্ত তথ্যখিনি আপোনাক বেকত কৰিবলৈ আগবাঢ়িলো।

মহোদয়, তলত স্বাক্ষৰকাৰী আমি অসমীয়া ছাত্রসকলে বিভিন্ন বিষয়ৰ অধ্যয়নৰ বাবে কলিকতালৈ বাধ্যত পৰি আহিবলগীয়াত পৰিছো, যিহেতু যিবিলাক বিষয় আমাৰ নামৰ ওপৰত তলত উল্লেখ কৰা হৈছে, সেইবিলাক বিষয় আমাৰ প্রদেশৰ কোনো কলেজতে পঢ়াৰ সুবিধা নাই।

গতিকে কলিকতা মহানগৰীৰ কলেজবোৰৰ লগত সংলগ্ন ছাত্রাবাসবোৰত আসন পাবলৈ আমাৰ যথেষ্ট অসুবিধা হয়, আনকি কেতিয়াবা আসন পোৱা অসম্ভৱেই হৈ উঠে।

তদুপৰি কলেজ সংলগ্ন ছাত্রাবাসত বঙালী ছাত্রৰ সৈতে থকাৰো অসুবিধা যিহেতু তেওঁলোকৰ খোৱা আহাৰ আমাৰ লগত খাপ নেখায়। ইয়াৰোপৰি ছাত্রাবাসসমূহত সঘনাই চলি থকা ৰাজনৈতিক বাক-বিতণ্ডাতো আমি সোমাবলৈ ইচ্ছা নকৰো।

গতিকে, আমি ঘৰৰ পৰা প্ৰবাসত আছি অচিন পৰিবেশত থাকিব লগীয়া হোৱা যি কেইজন মুষ্টিমেয় অসমীয়া ছাত্ৰ কলিকতাত আছো, সেইসকলৰ কাৰোবাৰ অসুখ-অশান্তি হ'লে পাৰস্পৰিক সহায় সহযোগিতাৰে যাতে থাকিব পাৰো তাৰ বাবে আমি একেলগে কোনো ঠাইত থকাৰ আৱশ্যকতা অনুভৱ কৰো।

ওপৰত উল্লেখিত কাৰণতে অসমীয়া ছাত্ৰসকলে তেওঁলোকৰ অসুবিধা দূৰ কৰিবলৈ নিজা ববীয়াকৈ ১০০/১২০ টকা মাহে ভাৰা দি প্ৰতিবছৰে একোটা ঘৰ ভাড়া ল'বলৈ বাধ্য হয় যাতে এটা সম্পূৰ্ণ অসমীয়া ছাত্ৰাবাস হয়। এনে ছাত্ৰাবাসত মাথোন ১৫।১৬ জন ছাত্ৰ থাকিব পাৰে গতিকে প্ৰতিজনে অতি উচ্চ হাৰত আসনৰ খৰছা দিবলগীয়া হয়।

গতিকে মহোদয়ৰ ওচৰত আমাৰ বিনীত নিবেদন এয়ে যে আপোনাৰ চৰকাৰে পৰম অনুগ্ৰহ কৰি কলিকতাত এটা অসমীয়া ছাত্ৰাবাসৰ বাবে এটা ঘৰ ভাৰা লোৱাৰ জোখাৰে যাতে এই বছৰ এটা বিশেষ মঞ্জুৰী আগবঢ়ায় আৰু ভবিষ্যতেও প্ৰতি বছৰৰ বাবে এনে এটি মঞ্জুৰীৰ ব্যৱস্থা কৰে।

মাননীয় মহোদয়ৰ একান্ত বাধ্য সেৱকবৰ্গ---

শ্ৰীএ ৰৰদলৈ (অৰ্থনীতিৰ স্নাতকোত্তৰ মহলা)
শ্ৰীজে এন ঠাকুৰ (" " "
শ্ৰীডি শৰ্মা (" " "
শ্ৰীআৰ এন বৰুৱা (" " "
শ্ৰীকে কে সন্দিকৈ (সংস্কৃতৰ স্নাতকোত্তৰ মহলাত)
শ্ৰীজি চি বৰুৱা (" " ")
শ্ৰীকে চি শৰ্মা (" " ")
শ্ৰীপি দত্ত (অঙ্কশাস্ত্ৰৰ স্নাতকোত্তৰ মহলাত)
শ্ৰীকে ৰৰা (" " ")
শ্ৰীইউ চি চৌধুৰী (ৰসায়নৰ স্নাতকোত্তৰ মহলাত)
শ্ৰীএল চাংকাকতী (দৰ্শনৰ স্নাতকোত্তৰ মহলাত)

শ্রীবি কে কাকতী	(বোটানীৰ	ঈষ্টাৰ	আৰ্টচ)
শ্রীবি শর্মা	(”	”	”)
শ্রীএইচ এন সিং	(”	”	”)
শ্রীজি কে দাস	(”	”	”)
শ্রীডি কে বৰুৱা	(বোটানীৰ	স্নাতক	মহলাত)
শ্রীবি বৰুৱা	(চৰকাৰী চিকিৎসা মহাবিদ্যালয়)		
শ্রীডি ভূঞা	(”	”	”)
শ্রী বি ডি বৰুৱা	(”	”	”)

ৰঘুনাথ চৌধাৰীৰ "কেতেকী"

[কলিকতাৰ পৰা প্রকাশিত একালৰ বিখ্যাত ইংৰাজী মাহেকীয়া কাকত "মডার্ন ৰিভিউ"ৰ ১৯২১ চনৰ মে মাহৰ সংখ্যাত ৰঘুনাথ চৌধাৰীৰ "কেতেকী" কবিতাপুথিৰ সমালোচনা ওলাইছিল এইদৰে। ঃ

KETEKEE by Babu Raghunath Choudhury ; pp 64 : Price 8 As : The author of this small treatise is one of the popular byric poets of Assam. The present work is a long, continuous lyric poem, running into five small cantos, addressed to the sweet singing Ketekee bird. The bird is, as the poet says, of the harbinger of a thousand and one beauties of the world. The poet had, in composing the poem, the great conception of the Meghaduta before his minds eye.

আব্দুল মজিদৰ এখন চিঠি

[কর্ণেল গর্ডন আৰু আব্দুল মজিদে গোট খাই অসমীয়া যোজনা-পউতৰৰ পুথি এখনি (Assamese Proverbs) ইংৰাজী তর্জমাৰে সৈতে পোন প্রথমে প্রকাশ কৰে। তদুপৰি আব্দুল মজিদে অসমীয়া সাধুকথা, গোটাবলৈ অসমীয়া ৰাইজলৈ অ, ভা, উ, সা, সম্ভাৰ যোগে দিয়া এইখনি জাননী পুৰণি 'জোনাকী' কাকতৰ পৰা হুবহু তুলি দিয়া হ'ল। ৰেৰিণ্টাৰ আব্দুল মজিদেই কলিকতা হাইকৰ্টত প্রথম অসমীয়া 'জজ'।]

৪৮ নং কীপল ষ্ট্রীট। কলিকতা। ১লা জানুৱাৰী ১৯৮৭।

ভাজৰীয়া,

আমাৰ ভালেমান অসমীয়া সাধু কথা আছে। তাৰে বহুতখিনি আজিলৈকে ছপা হৈ ওলোৱা নাই। কিছুমান সাধুকথা আমি গাহৰি গৈছোঁ, কিছুমান লাহে লাহে গাহৰিয়ে যাম। দৰাচলত এতিয়াই গোটাই নথলে পাছলৈ এইবিলাক বিচাৰি পোৱাই টান হ'ব। সাধু কথাবোৰ ছপাৰ পাৰিলে আমাৰ সাহিত্যও চহকী হ'ব আৰু তাৰপৰা সকলোৱে বহুত ৰংলগোৱা আৰু জ্ঞান বঢ়োৱা কথা পাব। সাধু কথাবিলাকতে বহুত নিভাঁজ অসমীয়া শব্দ আছে, সেইবিলাকো ওলাব আৰু আমাৰ লেখাত্ত চলিব।

এই নিমিত্তে কলিকতাৰ অসমীয়া ভাষা উন্নতি সাধিনী সভাই সাধুকথাবোৰ গোটাই লৈ প্ৰকাশ কৰিবৰ মনেৰে এটি কমিটি পাতিছে। কমিটিয়ে আসামৰ সকলো ঠাইৰে মানুহৰ পৰা সাধুকথা পালে পাছে এটা নিয়ম ধৰি সেইবিলাকক জুকিয়াই লৈ ছপাব। যি যি সকলৰ পৰা সাধুকথা পোৱা হয় সাধুকথাৰ তলে তলে তেওঁলোকে অনিচ্ছা প্ৰকাশ নকৰিলে তেওঁলোকৰ নামো লেখা যাব। সাধুকথাবিলাকৰ লগে লগে তাৰ ইংৰাজী তৰ্জমাও দিয়া যাব। সভাই আশা কৰিছে যেন সকলো জনা-বুজা অসমীয়াই এই কামত সভাক সাহায্য কৰে। আপুনিও যেন নিজে যি জানে আৰু আনৰপৰা যিমান পাৰে সাধুকথা গোটাই সভালৈ পঠিয়ায়, এয়ে বাঞ্ছা। সাধুকথাবিলাক লেখোঁতে আৰু ছপাওঁতে খৰচ লাগিব। যাৰে যেনেকৈ দিবৰ মন যায় তেনেকৈ দি পঠালে বৰ অনুগ্ৰহ মনা যাব।

শেষত আৰু এষাৰি কথা থাকিল। মানুহ চাই চাই কৈ দিব যে যি যি সৰহকৈ ভাল ভাল সাধুকথা গোটাই দিব পাৰে তেওঁলোকৰ কামৰ গুণমতে বঁটা দিয়া যাব। পোনৰ জনক এটি ২০ টকাৰ মেডেল, দ্বিতীয় জনক পোন্ধৰ টকা, তৃতীয় জনক বাৰ টকা আৰু চতুৰ্থ জনক দহ টকা নাইবা সেই বেচৰে কিতাপ বা আন বস্তু দিয়া যাব।

ৰাধ্য

শ্ৰীআব্দুল মজিদ

কমিটিৰ সভাপতি।

অসমীয়া পুথিৰ তালিকা

হেম গোসাঁইলৈ কনকলাল বৰুৱাৰ চিঠি

[কলিকতাৰ অ, ভা, উ, সা, সভাৰ হৈ কনকলাল বৰুৱা আৰু ৰমাকান্ত বৰকাকতীয়ে তেতিয়ালৈকে ছপা হোৱা আৰু সন্ধেদ পোৱা অসমীয়া পুথিৰ তালিকা এখনি ১৮৯৭ শকৰ ফাগুনত প্ৰকাশ কৰে। সেই কামত হেম গোসাঁইৰ অবিহণা কিমান লাগতিয়াল আৰু মূল্যবান আছিল, তাক গোসাঁইলৈ লেখা কনকলাল বৰুৱাৰ চিঠিখনেই বঢ়িয়াকৈ কৈছে। চিঠিখন ইংৰাজীৰে লেখা বাবে অসমীয়ালৈ ভাঙি দিয়া হ'ল।]

১৮ আমহাৰ্ষ্ট ষ্ট্ৰীট
কলিকতা, জানুৱাৰী ৬, ১৮৯৬

প্ৰিয় গোসাঁই,

আপোনাৰ চিঠিখন এইমাত্ৰ পালোঁ। কালি মইও এখন দিছিলোঁ, পাব পায়। পুথি-তালিকাখনৰ ভিতৰৰ কথাখিনি, ছপা হৈয়ে গ'ল, আপোনাৰ মূল্যবান উপদেশ মতে কাম কৰিব নোৱাৰাত বেজাৰ পালোঁ। তথাপি, আপোনাৰ চিঠি পায়েই পাতনিখন সম্প্ৰতি নহুপোৱা-টোকে ঠিক কৰিলোঁ। তালিকাখন প্ৰকাশ কৰাৰ উদ্দেশ্যটো খোলোছাকৈ জনাই অসমীয়া সাহিত্যৰ ইতিবৃত্ত এটি পুথিখনত দাঙি ধৰ্ব্য হ'ব। আপুনি পাতনিখন লেখি আমালৈ পঠিয়াই দিলে কৃতকৃত্য মানিম। ৰৰকাকতী এতিয়া ইয়াত নাই; তথাপি তেখেত এই কথাত মাত্তি নোহোৱাকৈ নেথাকে। সেই কাম পৰিপাটিকৈ কৰিবলৈ আপুনিয়েই হে একমাত্ৰ উপযুক্ত লোক। আমাৰ সাধ্যমতে তালিকাখনত কিছু সালসলনি কৰিছো। বৰ্ণানুক্ৰমে কিতাপৰ নামবোৰ দিয়া হৈছে। সম্প্ৰতি থুলমূলকৈ কিতাপৰ নামবোৰ প্ৰমাণ কৰি বিদ্বান আৰু অসমীয়া ভাষা হিতৈষী সকলৰ শুধৰণি আৰু মতামত মাত্ৰ আহ্বান কৰা হৈছে।

পাচলৈ, সম্পূৰ্ণকৈ বিস্তাৰিতভাৱে এখন কৰিম বুলি ভাবিছোঁ। এইখন তালিকা কলিকতা প্ৰবাসী অসমীয়া ছাত্ৰৰ পৰা বৰঙণি তুলি ছপোৱা হৈছে। ডাঙৰখন ছপাওঁতে হিতৈষীসকলৰ ওচৰত হাত পাতিব লাগিব।

বেজবৰুৱাৰ ঠিকনা ঃ—১৪।১, গোপীকৃষ্ণ জেন, নিমতলা ঘাট ষ্ট্ৰীট, কলিকতা। তেওঁ কলিকতাত সদায় নেথাকে ; কিবা ব্যৱসায় কৰি ফুৰে। কি কৰে, ক'ব নোৱাৰোঁ। আমাৰ বি-এ পৰীক্ষাৰ্থীহঁতে পৰীক্ষাৰ নিমিত্তে মৰিমুজি পঢ়াশুনা কৰিছে। নবীন (নবীন বৰদলৈ) আৰু চন্দ্ৰধৰে (বৰুৱা) আপোনালৈ সম্ভাষণ জনাইছে। মোৰো ভাল। মাজে সময়ে চিঠি-পত্ৰ দিবলৈ নেপাহৰিব।

আপোনাৰ মৰমৰ
কনক

পুনশ্চ—

কালি দিয়া চিঠিখনত সুধি পঠিওৱা কথা কেইটিৰ সোনকালে সমিধান দিব। কে বি

অসম বিশ্ববিদ্যালয়

[অসমত এটি বিশ্ববিদ্যালয় পতাৰ কাৰণে চেষ্টা স্বৰ্গীয় উপেন্দ্ৰনাথ বৰুৱাদেৱে ১৯১৬ চনত কৰিছিল। সেই উদ্দেশ্যে তেওঁ ১৯২১ চনত অসম চাহ বাগিছাৰ মালিকসকললৈ উদাৰ দান ভিক্ষা, কৰি আবেদন কৰিছিল। নগাঁৱতে পোনতে এই বিশ্ববিদ্যালয় স্থাপনৰ কাৰণে সভা পাতি উৎসাহ প্ৰদৰ্শোৱা হৈছিল। Times of Assam কাগজত ছপা হোৱা স্বৰ্গীয় বৰুৱাৰ তলত দিয়া চিঠিখনত আৰু বহু কথা জনা যাব।]

UNIVERSITY FOR ASSAM

Sir,—If you look up your old file of 6th and 13th January 1917 you will find that a paper on "Education of the Assamese" was read by me in the Assam Conference held at Gauhati during the X'mas holidays of 1916. Among various other interesting items on question of the establishment of a college at Jorhat and also of the Assam University were raised and discussed at some length. And in 1921 I issued a circular letter to several tea planters of the District to help the college proposal by their liberal donations citing the example of the late Mr. Williamson

of happy memory. I am glad to state that a copy of the circular letter was, through the good grace of the late Mr. R.N. Changkakoti printed and published in his paper. That effort proved vain and abortive. Now the Jorhat college has been an accomplished fact through the sustained effort of Srijut Tulsinarain Sarma, M.A. backed by a batch of volunteer workers of equal qualification without remuneration for one year. In this connection Mr. Murulidhar Borooah's name should not be omitted as it is he who expedited the work of the college by placing the Borpatra Cottage and its compound at the disposal of the young enthusiasts who are fortunate enough to secure the services of Mr. K.K. Handique, an erudite scholar as Principal.

It has given me unfeigned pleasure to see the educated public of Nowgong taking up actively the cause of the Assam University the other day in a large representative meeting there with a view to concerting measures for its establishment. In this connection also I approached Rai-Siba Prasad Barooah Bahadur a few years back with a request to place three lakhs of rupees for necessary buildings and one lakh for equipment in the hands of the Assam Government, on some conditions if necessary and desirable, and thus to lend the weight of his name in the educational firmament of his country and earn a name for his family, which his countrymen will ever remember with gratitude. I am sorry I can hardly make time to go and remind him of the advice proferred in his town house. It will be graceful if the Rai Bahadur takes the initiative in the way indicated above yours, etc.

Jorhat, 17-11-32

U. Barcoah

ইন্দীবর বরুয়ার নীলকুমুদ বরুয়ার স্পষ্টবাদিতা

[‘জীবনাদর্শ’র লেখক ‘নীলকুমুদ বরুয়া মোবহাটর শিক্ষাবিদ উপেন্দ্রনাথ বরুয়ার দেউতাক। পুতেকে দেউতাকর স্পষ্টবাদিতার বিষয়ে ‘টাইমচ্ অব আচাম’ কাগজলৈ লিখা এখন চিঠি।]

OUTSPOKENESS OF THE LATE INDIBOR BAROOAH

Sir,

Once in the early seventies when Indibor Barooah was in service, he in course of conversation, ventured to speak to Col. Clarke that there were Europeans who would kiss the Bible and tell lies as often as might be convenient to them. Thereupon the gallant colonel in an excited manner said that no Englishman would ever do such a thing. After apologizing and mustering up courage Indibor Barooah softly replied, "Englishmen are also frail human beings and as such are liable to such infirmities". The officer in question was then pleased to say that in that case such an one could not claim to be an Englishman.

Thus, it so happened that one day a contractor sued the Manager of a tea garden claiming Rs. 600 as the price of charcoal supplied. The Manager was summoned and unblushingly stated on oath before the colonel's court that he had paid the amount in full and was not liable to the plaintiff. But the contractor proved his case by documentary evidence and got a decree. The Manager was very much frightened on being told that he would be prosecuted for perjury and sent to jail. To the Dak Bungalaw he went in a pensive manner and calling his khansama made preparation for making away with himself. Seeing the extraordinary conduct of his master, the poor servant at once ran to the court and told all about the affair. The colonel made all haste and arrived just in time to snatch away the revolver from the hands of

the penitent manager, whom he consoled in soothing terms, packed off to Calcutta and thence to home by the next steamer. Returning to office the gallant colonel had the frankness to admit to Indiboi that he had just now found the truth of his opinion about Europeans.

A friend of mine had once an interview with Mr. J. Knox Wight, lat a Judge of Alipore, when the latter was pleased to remark that higher an official is the greate. liar he is, for reasons best known to himself, although my friend protested against such sweeping assertion. This occurred in 1887 or thereabouts.

Alas ! this type of officers is becoming rarer now-a-days and hence repressive measures are the order of the day.

Upendranath Barooah,
1.8.14

সার্বজনিক সভাৰ হৈ জগন্নাথ বৰুৱাৰ আবেদন

[যোৰহাটৰ সার্বজনিক সভাৰ হৈ জগন্নাথ বৰুৱাই ১৯০৪ চনত দিয়া এখন আবেদন, যিখন আবেদনৰ জৰিয়তে সেই সময়ৰ এটি সমাজ সংগঠনে বাইজৰ হকে চৰকাৰৰ ওচৰত কিদৰে মাত মাতিবলৈ আগ-বাঢ়ি আহিছিল তাৰ নিদর্শন পোৱা যায়।]

জগন্নাথ বৰুৱা

From

JAGANNATH BOROOAH, ESQR., B. A.,
RAI BAHADUR,
President, Jorhat Sarbajanik Sabha.

To

THE SECRETARY TO THE HON'BLE THE CHIEF COMMISSIONER, ASSAM.

Sir,

Representations from the ryots of several villages of the Baligong, Hezari, Kotoha Bahona and Chowkhat Mauzahs in Jorhat Sub-division affected by the recent flood of the Brahmaputra were made to the Jorhat Sarbajanik Sabha regarding the deplorable condition of their villages, the innundation of their homesteads and the ruin of their cultivation owing to the erection of a new bund along the Brahmaputra river and the subsequent breaches made in the new bund and the Railway embankment. The committee of the Sabha desire to bring the matter to the notice of Government and I have now the honour to submit the following observations on the subject.

Before the construction of the Jorhat Railway embankment which was done in the years 1881 and 1882 the drainage of the Koliani pathar and the surrounding Country as far as Ladoigar and the Trunk Road was carried away by the Bezizan which passing through Phakola pather flowed into the river. When the Railway embankment was first constructed a small bridge at about 20 feet length was erected and in the very first rainy season the bridge and a good portion of the Railway embankment was swept away and the whole breach was filled up and no waterway left accross the Railroad. Certain opening were made towards the Brahmaputra so that the water might flow into the river in a lateral direction. The ryots sufferred considerable damage. Those who were settled in the lowlying parts, shifted their residences to higher ground. Cultivation could not be proceeded with early in

the season and had to be resorted to later on when the fear of high floods was nearly gone. The ryots had adjusted themselves to the exigencies of the situation though with a great deal of inconvenience. During the cold weather a new Bund was constructed along the Brahmaputra on both sides of Gosaigong station and the Bund did not settle down into a compact mass. The first great flood of the Brahmaputra in this year-and the recent flood was one of the highest known in the country—breached the new bund and rushing inward breached the Railroad also. If the water after breaching the Railroad had obtained free channels to go through it would not have inflicted so much loss and damage to the ryots homestead and their cultivated fields. But the water had no channels to go through, all the streams and waterways which formerly facilitated the passage of water have been thoroughly blocked up and overgrown with vegetation for a period of some 20 years during which the natural drainage of a low-lying tract of land nearly 8 or 10 miles long has been artificially diverted. The Owanajan stream which used to carry the local water from the tract of country west of the Railroad has, it is reported, also been blocked up by the western end of the new Bund. The water has been in consequence stagnant and has been falling very slowly a few inches every day instead of subsiding quickly so as to leave some chance for the fields transplanted with rice or cultivated with seedlings. The consequence is that the flood has remained stagnant in the low-lying tracts for a period longer than any one can remember in his life and the area of distress is much larger than it was at any time. When the Railroad was intact, some villages situated in Kotoha Bahana alone suffered to some extent when there was a breach in the Railroad and this place last year and also probably 3 or 4 occassions previously ; the Ryots of low portions of Hezari and

Baligong mouzahs also suffered considerably, but this year owing to the obstruction offerred by the new Bund for the passage of water the area of distress has been extended to the east side of Kotoha Mouzahs, ie to a portion of Chawkhat Mouzah also. Many of the Ryot's Baris have gone under water the tamul and other fruit trees are gone. Most of the people have been living with their cattle on bits of old high roads or bunds wherever available. The loss of cattle owing to want of fodder has been frightful and the distress of the people from diseases and privations has been very great. There can be no question that Government spent a large sum of public money for benefitting the people for Protecting their fields from innundation and for rendering more land suitable for cultivation but the effect has been quite unlooked for. The Engineers no doubt did their best to carry out the policy of Government but the force of nature was too strong for them.

The Jorhat Sarbajanik Sabha would venture to submit the following humble suggestions and request that they may receive the favourable consideration of Government.

(1) The urgent necessity of taking such steps in the next cold weather that full security may be obtained by ryots for the protection of their fields and homesteads. A large and sufficient waterway appears to be obsolutely necessary in the Railway embankment on or near the old bed of **Baxijan.**

(2) The old canals which used to carry the water down below should be cleaned and widened. The small stream which connects Ghatukoliajan with Kakodanga and Gelabil requires to be widened and deepened, according to most people and the distance is said to be about 5 miles.

(3) It is submitted that the Ryots who have lost their entire crop or a considerable portion of their rice or those who could not cultivate the same and who

have lost the fruit trees and other produce of their homestead land may be allowed a remission on land revenue in proportion to their loss in the present year.

(4) If the new Bund does not raise the productive power of the land affected as was anticipated, Government may be pleased to make a reduction in the revenue rates of the land fixed in view of anticipated advantages.

One of the Ryots' petitions is herewith forwarded in original.

I have the honour to be,
SIR
Your most obedient servant,
JAGANNATH BOROOAH,
President, Jorhat Sarbajanik Sabha.

অসম-বুৰঞ্জীৰ উপকৰণ

(ক)

কামৰূপৰ দেৱালয়

অসমৰ হাবিয়ে-বনিয়ে অসংখ্য দৌল-দেৱালয় জীৰ্ণ-শীৰ্ণ অৱস্থাত পৰি আছে। সেইবিলাকৰ নিৰ্মাণ কাল নিৰ্ণয় কৰাৰ ওপৰতে অসমৰ প্ৰাচীন ভাস্কৰ্য্য-বিদ্যা সম্পৰ্কে আৰু সেই বিদ্যাৰ প্ৰতি পুৰণি অসমীয়াৰ আগ্ৰহ—এই দুয়োটা নিৰ্ভৰ কৰিছে। সম্প্ৰতি, কামৰূপৰ দেৱাল খনদিয়েকৰ নাম ইয়াত তুলি দিয়া হৈছে। যদি পৰি যোৱা অন্যান্য দেৱালয়ৰ নামখিনি ইয়াৰ লগতে সন্নিবিষ্ট কৰি লৈ, ক্ৰমান্বয়ে অনুসন্ধান কৰি গ'লেই, পুৰণি কামৰূপৰ ভালেখিনি কথা গোহৰলৈ ওলাব। "কামৰূপ বুৰঞ্জী"ৰ মেৰু পৰ্ব্বতৰ বিস্তৰণীয়ে সৈতে ইবিলাকৰ ভৌগোলিক মানচিত্ৰ এখনি যুগুত কৰা প্ৰয়োজন হৈছে ঃ—

১। অগ্নিবাণেশ্বৰ।
২। অশ্বক্রান্ত।
৩। বিশ্বেশ্বৰ।
৪। ব্রহ্মাসন।
৫। বিনেশ্বৰ বা বিল্লেশ্বৰ বা বেল্লশৰ।
৬। ভুবনেশ্বৰ।
৭। বশিষ্ঠাশ্রম।
৮। বাসুদেৱ।
৯। ছত্রাকাৰ।
১০। চিত্রাচল।
১১। নৱগ্রহ।
১২। চল পাল্লেশ্বৰ।
১৩। চণ্ডীকা।
১৪। চন্দ্রশেখৰ।
১৫। দীর্ঘেশ্বৰী।
১৬। দ্বাৱেশ্বৰ।
১৭। সিদ্ধেশ্বৰ।
১৮। শিৱেশ্বৰ।
১৯। শ্যামৰায়।
২০। গোসাঁইঈশ্বৰ।
২১। গৌৰীপাট।
২২। হয়গ্রীৱ মাধৱ।
২৩। জনার্দ্দন।
২৪। জয়দুর্গা।
২৫। কামাখ্যা।
২৬। কুর্ম্মৱদন।
২৭। মণিকর্ণেশ্বৰ।
২৮। মদন-কামদেৱ।
২৯। উমানন্দ।
৩০। উগ্রতাৰা।
৩১। উত্তৰ বাঘেশ্বৰী।
৩২। পূৱ সুৱেশ্বৰী।
৩৩। পাণ্ডুনাথ।
৩৪। পিঙ্গলেশ্বৰ।
৩৫। ৰুদ্রেশ্বৰ।
৩৬। শুক্রেশ্বৰ।
৩৭। গোপেশ্বৰ।
৩৮। চান্দ সদাগৰৰ মেৱঘৰৰ চণ্ডী।

(খ)

তেজপুৰ অঞ্চলৰ দেৱালয়

১। ৰুদ্রপদ ঃ—ভৰলী আৰু গদামৰা নৈৰ মাজত।
২। নন্দীকেশ্বৰ ঃ—গদামাৰী আৰু দীঘলাবাৰীৰ মাজত।
৩। ৰুদ্রেশ্বৰ ঃ—কেওট গাঁও—মাধৱৰ আলিত।
৪। ৰুদ্রেশ্বৰ ঃ—পাণপুৰ ঘাটৰ ওচৰত, ব্রহ্মপুত্রৰ পাৰত।

৫। মাধৱ (সৌভাগ্য মাধৱ, দুলাল মাধৱ)—মহেমাৰীৰ ওচৰত।
৬। ৰূপুৰ দেৱালয় ঃ—ধনু ভোগধৰ চুকত।
৭। পঞ্চনন্দীয়া ঃ—কছাৰীৰ পূবে।
৮। বাসুদেৱ ঃ—মহেমাৰী আৰু দিক্‌ৰাইৰ মাজত।
৯। নাগশঙ্কৰ ঃ—দিক্‌ৰাই-খনাজানৰ মাজত।
১০। প্রতাপপুৰ নগৰ ঃ—ঘিলাধাৰী-মদাৰতলীৰ মাজত।
১১। চণ্ডী—বিশ্বনাথত।
১২। বিশ্বনাথ ঃ—গণ্ডুৱাত।
১৩। শ্রীশ্রী৺উমা ঃ—বিশ্বনাথৰ উত্তৰে।
১৪। শানপাৰা ঃ—মঙ্গলদৈত।

(গ)

ৰুদ্রসিংহৰ কাৰেঙত সঙ্গীত-চর্চ্চা

স্বৰ্গদেৱ ৰুদ্রসিংহৰ কাৰেঙত গায়ন-বায়নৰ ভালেমান ওজাই ৰাজভঁৰালৰ পৰা বৃত্তি-বিধান উপভোগ কৰিবলৈ পাইছিল। সেই বিলাকৰ ভিতৰত এই কেইজন প্রধান ঃ—শিৱৰাম, গোপাল দাস, গঙ্গাৰাম, বংশী দাস, ৰামচৰণ, ৰামনাৰায়ণ' ৰামাকান্ত দ্বিজ, দ্বিজ ৰামজীৱন, দ্বিজ ৰামচন্দ্র আৰু গোবিন্দ দাস।

কৱিৰাজ দ্বিজই সুন্দৰ সুন্দৰ গান ৰচনা কৰিছিল। তাৰে দুটি তলত তুঙ্গি দিয়া হ'ল—

ধ্রু ঃ

পশুপতি কামিনী
মৃগপতি গামিনী
শশীমুখী মধুৰ হাসে ;

ত্রিশূল ধাৰিণী
মহিষ বিদাৰিণী
বিৰচিত বিচিত্র বিলাসে।

পৰম বিকাসিনী
পদসি পাষাণ, খণ্ডিত সমুণ্ড চণ্ডে;
অনুপম মায়িনী
পৰপক্ষ দায়িনী
কুণ্ডল মণ্ডিত গণ্ডে।

ত্রিভুবন পালিনী
কুৰুগণ শালিনী
অবকৃত চৰণ সুসেবে;
শুভমতি ললিতে
গুণগণ বলিতে
ৰুদ্রসিংহ নৰদেৱে।

অতিশয় সদয়ং
প্রমুদিত হৃদয়ং
গিৰিজা প্রণতি সমাজে;
প্রণমত অনুজা
গিৰিবৰ তনুজামিতি
নিগদতি কৱিৰাজে।

(২)

শ্রীৰুদ্রসিংহমৱনুপতি সিংহ
মনুপম চৰিত্র শৰীৰং
পালয় পার্ব্বতীভৰ কৰুণাৱতীচৰণ
নলিনমতী ধীৰং
শ্রীকৱিৰাজ দ্বিজ বিৰচিত
মিদমতিশয় চিৰমুদাৰং,
ত্রিভুবন কাৰণ গৌৰী চৰিত
জনগণ শৃণু ভৱ সাৰং।

(ঘ)

ৰামমিশ্ৰ ৰৱদেউৰীক দিয়া তামৰ ফলি

শিৱসিংহ স্বৰ্গদেৱৰ দিনত ডেকা দুৱৰা ৰৱফুকনে ১৬৪৮ শকত শোৱালকুচিৰ ৰামমিশ্ৰ ৰৱদেউৰীক দিয়া তামৰ ফলি—

"স্বস্তি শ্রীশ্রীমচ্চণ্ডিকা চৰণ কমলমধু-মধুকৰায়িত দুৰ্ধহিম্ভিৰ পাণ্ডুৰ দিক প্রচাৰি যশোৰাশি সুৰপতি বংসাৱতীর্ণ মহামহিম মহেন্দ্র শ্রীশ্রীশিৱসিংহ প্রচণ্ড প্রতাপানাং পুণ্যার্থন্তদীয়ঃ সুচাৰু চৰণজ চন্দ্র-চকোৰ ৰৱ শ্রীযুদনুজ দুৱৰা ৱৃহৎ ফুক্‌কনেন দত্ত ব্রহ্মোত্তৰ ৰচিত তাম্র পট্টক পত্রমিদং।

কামৰূপ দেশৰ বৰুৱা, বড়-কায়স্থ আৰু চৌধাৰী, পাত্তোৱাৰী আৰু তালুকদাৰ, ঠাকুৰীয়া, আনোসকলে সাৱধানে জানিব। বংশেশ্বৰ পৰগণাৰ কেৰাজানি (কুৰুৱাজানি নদী) গ্রামৰ জংঘলা জমি-জমা খিৰিজ পূৰ্ব্বে পাইকণা গ্রামৰ সীমা পছিমে কৈৰাজানিৰ জান, দখিনে মদনকুড়ি, উত্তৰে দলৱজান—এহি চাৰি হদে দৰোৱস্ত জমি বাৰী, ভকতঘাৰু, মদনকুৰিৰ চড়ৈ-কুৰিৰ ডোঙা সহিতে শোৱালকুচিৰ ৰাম-মিশ্র বৰ দেউৰীক "পুণ্যে উৎসর্গা কৰি ব্রহ্মোত্তৰ দিয়া গেল। ইহাৰ কৰ-কাটল পদ-পঞ্চক, বেঠ ৰেগাৰ, ধুমুসি-মাড়েসা, জলকৰ-যৱক্ষাৰ, হাট-ফাট, চকী-ফাট, দান-খুত সৰ্ব্বৰাৰ শৰিত্যাগ হৈল। ইহাত যিজনে অন্যায় কৰে সি পুনু সৰ্ব্বতোভ্রষ্ট হৈৰেক। ১৬৪৮ শ, মাস মাঘ, তাৰিখ ১৩, বুধবাৰ।

(ঙ)

জয়ধ্বজ সিংহ স্বৰ্গদেৱৰ সঙ্গীতপ্রিয়তা ঃ

জয়ধ্বজ সিংহ স্বৰ্গদেৱৰ কাৰেঙত সঙ্গীতৰ চর্চ্চা হৈছিল। স্বৰ্গদেৱে ৰচনা কৰা গীত দুটি সংগ্রহ কৰি তলত দিয়া হ'ল ঃ—

(ক)

ৰাগ—মৰাৰী
তাল—একতালী।

কান্দিয়া কানু কত নো বজাল বাঁশী
বাঁশীৰ ৱৰে পৰাণ না ৰহে
মুখে মনোহৰ হাসি।

একহি কলিয়া মেঘ ৰৱণীয়া
তলনি কৰিছে জুৱা,
জুৱাৰ ওপৰে চান্দ বিৰাজিত
তাতে ময়ুৰৰ চূড়া।
গলে হেমহাৰ বিৰাজিত আৰ
শোভন কৰিছে ভালা,
গকুলৰ মধ্যে আমি নতু দেখোঁ
এমন ৰৱণ কালা।
এমন ৰৱণ মূৰতি সুন্দৰ
নিৰমিলে কোন বিধি,
জয়ধ্বজে কয় ৰাধে বোলে হয়
কলিয়া গুণৰ নিধি।

(খ)

ৰাগ---ৰামধনশ্ৰী
তাল---পৰিতাল

অই প্ৰাণেশ্বৰী জনকনন্দিনী তোক
হেৰুৱাইলোঁ মোৰে,
ইটো বিজুবনে প্ৰাণ ধৰোঁ কেনে
নেদেখি বদন তোৰে।
ৰাজ্য হইল নাশ বনে হইল বাস
তোক পাসৰিবো কেনে,
মোৰ প্ৰাণেশ্বৰী কোনে নিলে হৰি
একাকিনী মায়াবনে।
এই ৰূপে ৰাম হইল বিৰাম
সীতাৰ বিয়োগ প্ৰায়,
ৰামচৰণে* ভাবিয়া সঘনে
জয়ধ্বজ সিংহ গায়।

---

* ৰামচৰণ ওজা আছিল।

ডেৱিদ্ স্কটে বহুদ খোজা গোহাৰি-পত্ৰ

অসম দেশত প্ৰবেশ কৰিয়েই ৰৰমেল এখন বহুৱাৰৰ অৰ্থে ডেৱিদ স্কটে, অসমৰ সপ্ত-মহন্তসকললৈ বহুদ-পাতি যোগাবলৈ ইংৰাজী শব্দ সুমুৱাই সাতোটা শ্লোকেৰে ১৮২৩ চনত এখনি গোহাৰি-পত্ৰ পঠিয়াই-ছিল। সেই পত্ৰৰ অৰ্থ, কেৱল সেই সময়ৰ নগাঁৱৰ জখলাবন্ধা সন্ত্ৰাধি-কাৰ শ্ৰীশ্ৰী৺ৰঘুদেৱ গোস্বামীয়েহে উলিয়াব পাৰিছিল। গোহাৰি-পত্ৰখন ৰচনা কৰিছিল সুবিখ্যাত বুৰঞ্জীবিদ্ পণ্ডিত ৺হলিৰাম ঢেকীয়াল ফুকনে। পত্ৰ এই ঃ—

১। হেডাশ্ৰয় (১) ব্ৰহ্ম চিদাত্মকণ্ডং নিদান সোলং (২) জগতামহে-শং নিত্য ধ্ৰুবং কলাৰ (৩) মাদি দেৱং বন্দে জগজ্জীৱন সত্যৰূপং।

২। ইংলণ্ড দেশে বহু মেন (৪) যুক্তে মধ্যে ওচেনং (৫) কচিৰে বসন্তিং ইংৰাজ লোকান প্ৰৱদাত্তিতাৰ্ণেৎ মনোজ্ঞ সৌধাত্মিক শোভ মানে।

৩। মনোজ্ঞ কৰ্পূৰ সমূদ পাণ্ডৱাস্ত্ৰুদ্দোষ্ঠ গাত্ৰাঃ পৰমৌ ফেম-শ্চতে (৬) সু কৌ চ পেণ্টেলুন (৭) মস্তকাৰূতা অপূৰ্ব্ব পাদাৰৰণং স্তকেৰূঁতা।

৪। সদৈৱ দেশস্য হিতায শোভনা হিতৈষিণী মেক সভা প্ৰকুৰ্ব্বতে নয়ন্তি নিৰ্ম্মাল্য শিৱাস্য শাসনং ন ভূপ ইংৰাজ সমো মহীতলে।

৫। সাহসো বিদ্যতে তীব্ৰং সৰ্ব্ব কাৰ্য্যে নিপুণ শুতা ত্ৰেপাদী (বাগী) ৰথ, বাষ্পিয়ং মেশীনাদি (৮) কৃতাসু ৰা।

৬। প্ৰভুত প্ৰেশন্যে (৯) বুকঞ্চ (১০) ক্ৰমশঃ ৱৰ্দ্ধতে মুদা গণানি (১১) চালনে তীক্ষ্ণং দেৱতা তুল্য মানৱাঃ।

৭। ৰিপ্লায়ম (১২) দেহি মে বিদ্বন্ শ্লোকানি পৰিদৰ্শনে অন্যথা মানহানিৰ্ম্যাৎ চপ্লায়ম (১৩) ৰচতো ধ্ৰুৱম।—১৭৪৫ শক।

---

(১) Head আদি, (২) Sole, (৩) Ruler, (৪) Men, (৫) Ocean, (৬) Fame, (৭) Pentloon, (৮) Machine, (৯) Press, (১০) Book, (১১) Gun, (১২) Reply, (১৩) Supply.

মণিৰাম দেৱানৰ চিঠি

[১৮৩৯ চনৰ ২১ চেপ্টেম্বৰৰ "সমাচাৰ দৰ্পণ"ত প্ৰকাশিত মণিৰাম দেৱানৰ এখন চিঠি।]

"শ্ৰীযুত 'দৰ্পন' প্ৰকাশক মহাশয় সমীপেষু ঃ

১ দফা ঃ—আসাম দেশ অতি পূৰ্ব্বে ৰঙাহি ও টুটিয়া ও কাচাৰি ও ৰাৰফুকণ ও দৰজি ৰাজা—এই পঞ্চ ৰাজাতে বিভক্ত থাকিয়া ৫ ৰাজাৰ স্বাধীনে ৫ খণ্ড ছিল। তৎপৰ ইন্দ্ৰবীৰ্য্য চুকাফা নামক মহাৰাজ নৰা দেশ হইতে ইন্দ্ৰৰৰ প্ৰাসাদাৎ সৈন্যাহৰণ পূৰ্ব্ব যুদ্ধাক্ৰান্তে আসিয়া শকাব্দা ১১৫২ আসামে প্ৰবেশ হইয়া ক্ৰমশঃ এক এক ৰাজাকে সংহাৰ কৰিয়া স্বাধীন কৰিতে লাগিলেন। স্বৰ্গদেৱ প্ৰতাপ-সিংহেৰ আমল পৰ্য্যন্ত ৫ ৰাজাকে শমনভবনে বিদাই দিয়া কামপৃষ্ঠ ৰত্নপৃষ্ঠ সৌমাৱপৃষ্ঠ চতুঃপৃষ্ঠ জয় কৰিয়া ভোগ দখল কৰিতেছিলেন। আমৰাও উক্ত ৰাজাগণেৰ প্ৰাসাদাৎ যথেষ্ট সন্মান পাইয়া অশেষ মত ভৱণ পোষণাদি পাইয়া---মতে বিনাকৰে মহানন্দেতে সুপ্ৰতুল ছিলাম। পাইকান অৰ্থাৎ ক্ষুদ্ৰ প্ৰজাৰদিগেৰ পাল খাটনি ব্যতিত কিছু ছিল না। এই মতেই ১৭০৯ শক পৰ্য্যন্ত মুদ্দত বৎসৰ প্ৰতুল ছিল। ইতিমধ্যে তদ্দেশীয় মটক বিখ্যাত দুষ্ট লোকেৰা দৌৰাত্ম্য কৰণেতে মহাৰাজ গৌৰীনাথ সিংহ স্বফীয় তক্ত ত্যাগ কৰিয়া ইঙ্গৰেজ কোম্পানী বাহাদুৰেৰ আশ্ৰিত হওয়াতে সৰকাৰ হইতে অভয় প্ৰদান পূৰ্ব্বক কৰ্ণওয়ালিস কামাণ্ডিন সাহাবকে সৈন্যসমেত প্ৰেৰণ কৰিয়া দুষ্ট দুৰ্ম্মুখ মটক লোককে তাড়িত কৰিয়া ৰাজাকে ১৭৯৬ শকে পুনৰায় গদিতে স্থাপন কৰে তদবধি গৌৰীনাথ সিংহ ও কমলেশ্বৰ সিংহ ও চন্দ্ৰকান্ত সিংহএ তিন ৰাজা ইঙ্গৰেজ বাহাদুৰেৰ প্ৰাসাদাৎ সুখেতে ৰাজভোগ কৰেন। মহামন্ত্ৰী পূৰ্ণানন্দ বুঢ়া গোহাঞি ডাঙৰীয়া দিগপাল বা মুলুক শাসন ৰাখেন। তাহাৰ কালাবসান বদনচন্দ্ৰ বৰফুকনেৰ আনীত হওয়াতে ১৭৩৮ শকে ব্ৰহ্ম ৰাজ্যৰ সৈন্য আসিয়া আক্ৰমণ কৰে। ১৭৪৬ শক পৰ্য্যন্ত তাহাৰদেৰ কুৰীতি কুনীতি কুব্যৱহাৰ ধনজন মান্যমনে জাত্যাজাতি তিৰোভাহকণ দৌৰাত্ম্য যাহা কৰে তাহা গণেশ দেবোপি লিখনে সক্ষম বহিত। তস্মিনকালে আমাৰ দিগেৰ কালসৰ্পেৰ উদৰ

হইতে ঈশ্বৰৰ ন্যায় নিজ দয়া গুণে ভুৰিভুৰি খৰচপত্ৰকেও তুচ্ছজ্ঞান কৰিয়া তাবৎ দেশস্থকে মহোত্তীৰ্ণ কৰিয়াছেন ইহাতে বাল্যবৃদ্ধ যুবাদেৰ ৺ৰেৰ কাছে নিয়ত প্ৰাৰ্থনা ৰাখি যে কোম্পানী বাহাদুৰেৰ যশ খ্যাতি ও কান্তি ও দীপ্তি সততে বৃদ্ধি কৰুণ।—শ্ৰীমণিৰাম বৰভণ্ডাৰ বৰুৱা।

শ্ৰীমণিৰাম বৰভণ্ডাৰ বৰুৱা
সমাচাৰ দৰ্পণ; ২১ সেপ্তেম্বৰ ১৮৩৯।

\+ \+ \+

পুৰণি ডায়েৰীৰ সোৱাদ

[শিৱসাগৰৰ হিমকান্ত বৰুৱা মৌজাদাৰৰ পুত্ৰ বিমলাকান্ত বৰুৱা আছিল এটি উজ্জ্বল ৰত্ন। ১৯২৫ চনৰ ১৮ নবেম্বৰত মাত্ৰ ২৬ বছৰ বয়সত তেওঁৰ মৃত্যু হয়। অসমত প্ৰথম স্বৰাজ আন্দোলনৰ সময়ত তেওঁ চৰ্কাৰী কলেজ বৰ্জন কৰি আলিগড়ত প্ৰতিষ্ঠিত জাতীয় কলেজত বি, এ, দি আহি শিৱসাগৰত আন্দোলনত দেহে প্ৰাণে লাগিছিলহি। তেওঁ "স্বদেশ" নামে এখন পখেকীয়া কাকত নিজে লেখি প্ৰচাৰ কৰিবলৈ লৈছিল। কাকতখন চাইক্লোষ্টাইল কৰি গুপুতে, গাঁৱে-ভূঞে বিলাই দিছিল। এওঁ ছাত্ৰ অৱস্থাতে দৈনিক ডায়েৰী লিখিছিল। সপ্তম মানত পঢ়ি থাকোঁতেই লিখা ডায়েৰীৰ পাত দুটামান পাই মোৰ "টোকোলাৰ বাহ"ত সুমাই থৈছিলোঁ; এতিয়া তাকে পাঠকৰ আগত আওডালি দিয়া হৈছে। কোনোবাই পাই যদি ইয়াতে সোণৰ বেজী পাব পাৰে]

[বিমলা লৰাটি দেখাত বৰ গহীন আছিল, কিন্তু পেটটো টেটকুটীয়া ধেমেলীয়া কথাৰেই ভৰা। ডায়েৰীত লেখা ভাষাতেই বুজিব পাৰি। ত্ৰৈলোক্যনাথ বৰুৱা তেওঁৰ ঘৰুৱা শিক্ষক আছিল। বৰুৱাক বিমলাই কঠোৰ শাসনৰ বাবে ভাল "নেপাইছিল। পাকে-প্ৰকাৰে 'তেৰা ত্ৰিভুবন বৰুৱা' বুলি কোৱাৰপৰাই সেইডাব জনা যায়। ভগৱতী প্ৰসাদ বৰুৱা, কেশৰ ভট্টাচাৰ্য্য, ইন্দ্ৰনাথ কাকতী, শিৱপ্ৰসাদ বৰুৱা, ফিৰ্দ্দোচ আলি, এই বিলাকেই আছিল তেওঁৰ সহপাঠী। ভগৱতী যদিও বৰ মোমায়েকৰ পুতেক, বৰ অন্তৰঙ্গ বন্ধু আছিল। 'বাঁহী'

'আলোচনী' পঢ়াত ৰব ৰাগ আছিল। প্রেমধৰ চলিহা, সূর্য্যকুমাৰ ভূঞাৰ প্রবন্ধ পঢ়ি ভাল পাইছিল। বিমলাহঁতৰ ঘৰত দুর্গা পূজা পাতিছিল—ঘটত। গোসানীলৈ ৰব ভক্তি আছিল। দেউতাকৰ কথা শুনিছিল। গোসাঁনী উটুৱাৰ দিনা বাবাজীৰে (পদ্মকান্ত বৰুৱা) সৈতে কথা পাতোতে মন উৰুঙা লগা কথাষাৰ এনেয়ে নেলেখিলেহেঁতেন। ডায়েৰী লিখাত কেনে পৰিপাটি দুপাতমান পঢ়িলেই আচৰিত হ'ব লাগে। 'বিমলালয় সভা'ৰ তেওঁ এজন নিয়মীয়া সভ্য; প্রায়েই সভালৈ গৈছিল। পদ্মধৰ চলিহা, ৰাধিকা নাথ শর্ম্মা, ৰাজেন্দ্র নাথ বৰুৱাক ৰব ভক্তি কৰিছিল।

বিমলা মৃত্যু হোৱাৰ আগলৈকে উদ্যোগী কর্মী আছিল। "কংগ্রেছৰ কাঁচিয়ালি ৰ'দত" তেওঁৰ বিষয়ে অলপ আভাস দিয়া হৈছে।]

১৯১৫ চনৰ ২৫ চেপ্টেম্বৰ পৰা ২৩ অক্টোবৰলৈকে ঃ

২৫ চেপ্টেম্বৰ, ১৯১৫, শনিবাৰ ঃ—৬॥ বজাত শুই উঠোঁ। ৮॥ বজামানত লাহৰী, বুদ্ধ, সোণহঁত আহে। একো পঢ়া নহ'ল। বিপিনহঁতৰ ঘৰলৈ যাওঁ। ভাতপানী খাই ১০।৪০ মিঃত ইস্কুললৈ যাওঁ। বহুত হাজৰিকাই ৰবিঞ্চন ক্রুচ পঢ়ুৱায়। ১-৩০ মিঃত স্কুল ছুটী হয়। কিন্তু হেড পণ্ডিতে ৩ বজালৈকে থাকিবলৈ কয়। সভা নহল। আমি শুচি আহিলোঁ।

৫॥ বজাত ভগৱতীহঁতৰ তালৈ যাওঁ। তাতে 'অকণৰ ক-খ পুথি"খন চাওঁ। বিষ্ণু-গুৰুপ্রসাদক লগ পাওঁ। ৰাতি "ব্রহ্মচর্য্য সাধন" কিতাপ পঢ়ো।"

২৬ চেঃ দেওবাৰ ঃ—গাৰি বজাতে উঠিলোঁ। জোন মাৰ যোৱা নাই। জুই ফুৱালোঁ। ছোট, সোণগুটি আৰু বাই উঠিল। আকৌ ৫ বজাত শুলোঁ। ৬-৫০ মিনিটত উঠিলোঁ। ৮-৫০ মিঃত ভগৱতীৰ তালৈ যাওঁ ঃ তেওঁৰে সৈতে 'বিমলালয় সভালৈ'—বিষয়—'মহাপুৰুষৰ জীৱনী'; সভাপতি সর্ব্বেশ্বৰ বৰুৱা। আমি যোৱা পলম হল। আমি গৈ পোৱাৰ আগতে তমিজে (তমিজুদ্দিন আহমদ) ৰচনা পঢ়ি শেষেই কৰিলে। সর্ব্বেশ্বৰ বৰুৱা, ৰাজেন ৰৰুৱাই বক্তৃতা দিলে।

বৌহঁত গোলাপ বৰুৱাৰ ঘৰলৈ যায়। চাহত চেনি নিদিয়া বাবে খং উঠে। ভগৱতী আহে মোক বিচাৰি; মইও যাওঁ তেওঁক বিচাৰি আন এটা বাটে। লগ পোৱা পুন্নি নহলোঁ; লাহৰীৰে সৈতে কথা পাতিলোঁ। "সন্ধ্যা লগাতে ঘৰ সোমাবিহি" বুলি দেউতাই ভাবি দিয়ে। নিশা ১০ বজাত শুবলৈ যাওঁ।

২৭।৯ ঃ—১০-৪০ মিঃত স্কুললৈ যাওঁ। "বাঁহী" আৰু "ভুমুকি" পঢ়োঁ। বাঁহীৰ ভিঃ পি লওঁ ২।০। পুৱা ফুলনি চাফ্ কৰোঁ ইস্কুলৰপৰা আহি 'বাঁহী' পঢ়োঁ, দণ্ডেশ্বৰে নিমগছ জোপা কাটে। ভগৱতী কেশৰে সৈতে হৰি দত্তৰ (শিক্ষক) তালৈ যাওঁ। ভগৱতীয়ে দত্তক "জয়মতী কুঁৱৰী" দিয়ে। ৰাতি পেট গোমাইছিল।

২৮।৯ মঙ্গলবাৰ ঃ--৬-৪৩ মিঃত শুই উঠোঁ। ৯ বজাত গা-ধুবলৈ যাওঁ—দিখৌত সাঁতোৰোঁ। লগত বিপিন (বৰুৱা), পুলিন (বৰুৱা, বিপিনৰ ভায়েক), গুণীন্দ্র বৰুৱা (তনুশ্যাম মৌজাদাৰৰ ঘৰৰ বৰ ধুনীয়া ল'ৰা) সুশীলা, সোণ্টি। সুশীলাৰ খং উঠে। ১০॥ বজাত স্কুললৈ যাওঁ। মাষ্টৰে জৰিমনা আৰু স্পৰ্টিং ফিজৰ বাবে "তাগাদা" কৰিছিল। তীৰ্থনাথ কাকতী (শিক্ষক) আমাৰ ক্লাছলৈ নাহিল। আবেলি ৫-২০ মিঃত ভাগৱতীৰ তালৈ। তাতে (টাইমছ অৱ আসাম) আৰু মাণিক চন্দ্র বৰুৱাৰ জীৱনী পঢ়োঁ। শ্রীযুত ফণিধৰ চলিহা আৰু শ্রীযুত দেবীচৰণ বৰুৱা (যোৰহাটৰ) লেজিচ-লেটিভ কাউঞ্চিললৈ যাব বুলি ভাগৱতীয়ে কয়।

২৯।৯ ঃ—৭ বজাত উঠোঁ। দিখৌত সাঁতোৰোঁ। স্কুললৈ যাওঁ ১০।৪০ মিনিট। ভঁড়ালী দোকানত কাগজ কিনো। অহা শনিবাৰৰ পৰীক্ষালৈ হেডমাষ্টৰে বল্লভ মাষ্টৰক (বল্লভ চন্দ্র হাজৰিকা) প্রশ্ন কাটিবলৈ কয়। "কাগ্‌তী" (তীৰ্থ কাকতী) ক্লাছলৈ আহে।

ইস্কুলৰপৰা ঘৰ নৌপাওঁতেই বৌ, বাইদেউহঁত আই-দেউতাৰ ওচৰলৈ যায়।

ভগৱতীৰে সৈতে পুখুৰীপাৰলৈ যাওঁ। সন্ধ্যা লাগিলতহে আহিছোঁ দেউতাৰ কথামতে সোনকালে আহিব নোৱৰাত বেয়া লাগিল। হওঁতে, ৰৰ পলম হোৱা নাই।

৩০।৯ ঃ—৬। বজাত শুই উঠি অলপ পিছি বিপিনহঁতৰ ঘৰলৈ যাওঁ। নৈত সাঁতোৰোঁ, ঘৰিয়াল ওলাইছিল। ভয় লাগিছিল।

কেশৱৰৈসৈতে ইস্কুললৈ যাওঁ। আবেলি ভগৱতীহঁতৰ তাত "টাইম্‌ছ্‌ অৱ আসাম" পঢ়ো। ভগৱতীয়ে কলিকতাৰ টিয়াৰ এজেন্সীলৈ (লক্ষ্মীনাথ বেজবৰুৱাৰ), ২ খন "বেলিমাৰ" কিতাপ পঠিয়াৰ লাগে বুলি লেখা চিঠি ডাকত দিয়ে। ৰবদা প্রসাদ চলিহাৰ ঘৰৰ আগতে ৰত্ন, ওৰৰচিয়াৰ (ৰত্ন ৰৰঠাকুৰ শিৱসাগৰ মিউনিচিপেলেটিৰ বহু-দিনীয়া কর্মচাৰী) বাইচাইকেলৰপৰা পৰে। গধূলি সুশীলাই মোৰ বুকুতে ঢকা এটা মাৰে। ঠেঁহ পাতি ভৰি নোধোৱাকৈয়ে মাটিতে শুই থাকিলোঁ।

১।১০।১৫ ঃ—কেশৱ ভট্টাচার্য্যই (সহপাঠী) লেখা 'ফুলবাবু' পঢ়ো। নৈত গা ধোওঁ। বল্লভ মাষ্টৰক অপমান কৰা বাবে ভৱেন পুৰীক (ভবেন্দ্রনাথ পুৰী) হেডমাষ্টৰে ডাবি দিয়ে। ভগৱতী আৰু কেশৱে মোক বিচাৰি আহিছিল; নেপাই ৰৰপুখুৰী পাৰলৈ গ'ল। তেওঁ-বিলাকক লগা নেপালোঁ, দ'ললৈ গ'ল। এন্ধাৰো হ'ল। টি, ভূঞা লেম্পপোষ্টৰ তলতে বহি আছিল। ৰাজেন বৰুৱাক (ৰাজেন্দ্রনাথ বৰুৱা, শিক্ষক) লগ পাওঁ।

২।১০।১৫ ঃ—৬৷৷০ বজাত উঠি ৰবিঞ্ছন ক্রুচ' পঢ়ো। ইস্কুলৰ পৰা ভগৱতীৰে সৈতে একে লগে আহোঁ। ঘৰত বওলাৰ আগত বন চোৱোকোঁ। ভগৱতী আহে। দুয়ো হেম বৰুৱা লেনেদি (বেণু শর্মাই দিয়া নাম) যাওঁ। বাটতে ৰাধিকা শর্মাক লগ পাওঁ। পুখুৰীপাৰলৈ যোৱা ন'হল। শিৱ বৰুৱাৰ তালৈ গলোঁ। শিৱ বজাৰলৈ ওলাই আছিল, আমিও আহি ঘৰ সোমালোঁ। বিষ্ণুৰে সৈতে বহি কথা পাতিলোঁ।

৩।১০।১৫ ঃ—মইনা বাইদেওক মাতোঁ—আমাৰ ঘৰত ভাত খাবলৈ। বিমলালয়লৈ যাবলৈ নহ'ল। ভগৱতীহঁতৰ ঘৰতে মায়ে ভাত খাবলৈ কৈছিল। মই পাচে নেখালোঁ। চোলা-কাপোৰ ধোওঁ, আগফালৰ চোতাল চিকুণাওঁ, কেশৱৰৈসৈতে ৰৰপুখুৰী পাৰলৈ যাওঁ। ভগৱতীও আহে। দণ্ড, পূর্ণ, পদ্ম, ডিম্বৰে কথা পাতোঁ।

৪।১০।১৫ ঃ—স্কুলত হেড্‌পণ্ডিতে উমেশ্বৰক বৰ ডাবি দিয়ে আৰু বাৰে বাৰে 'বাপেৰক চিনি পোৱা নাই' বুলি ঔধাইমুধাই গালি পাৰে। উমেশ্বৰে বৰ কান্দিলে। পণ্ডিতে উমেশ্বৰক চিঠি পল্ট কৰিবলৈ কৈছিল। নকৰো বুলিলত খং উঠি এইবোৰ কলে। আফ্রিকাৰ

মেপখন আঁকিব নোৱৰাত ক্লাচতে বৰ লাজ পালোঁ। টি, এন, কাকতী নাহিল। বল্লভ মাষ্টৰ আহিল। বৰষুণ দিলে। এবিলত, ভগৱতীৰ ওচৰলৈ গলোঁ। তাতে "অন্তপুৰ" কিতাপটো পঢ়িলোঁ। পুণ্যেশ্বৰৰ লগত কথা পাতোঁ।

৫।১০।১৫ ঃ—৫-৪৫ মিঃত শুই উঠোঁ। সোনকালে উঠা বাবে গাটো অলপ বাইজাই লাগিছিল। গা ধুই ভাত খাই ১১-১০ মিঃ ইস্কুললৈ যাওঁ। মাজু বাইদেউলৈ চিঠি এখন লেখি ৫-৩৩ মিঃত পষ্ট কৰোঁ। কেশৰ ভট্ট, ভগৱতীয়ে সৈতে ফুৰি আহি গধূলি গীতা পঢ়োঁ আৰু ডায়েৰী লিখোঁ। আজি ভাত নাই।

৬।১০ ঃ—৭—৫ মিঃ উঠোঁ। বতৰ ডাৰৰীয়া। আলোচনী পঢ়োঁ। নৈত অকলেয়ে গা ধোওঁগৈ। ১১ বজাত ভগৱতীয়ে সৈতে ইস্কুললৈ যাওঁ। বল্লভ হাজৰীকাই দীঘল বক্তৃতা দিয়ে। ভূমধ্যসাগৰৰ মেপখন আঁকিব নোৱাৰি বেয়া লাগে। গণকপটিলৈ যাওঁ। ত্রৈলোক্য বৰুৱা স্কুললৈ যায়। বড়িং হাউচেদি ঘৰলৈ আহোঁ। ইন্দ্রই (কাকতী) ভগৱতীক দ'লৰ মুখত লগ পাই আহিছোঁ বুলি কয়। ৰাতি কোমল চাউলৰ জলপান খায়ে থাকিলোঁ।

৭।১০ ঃ—৭ বজাত উঠোঁ। কোমল চাউলৰ জলপান খালোঁ। চাহ খাবলৈ নহল। ৫ বজাত ভগৱতী আহে। তেওঁক গুণৰ চিঠিখন দেখুৱাওঁ (গুণ—গঙ্গাধৰ ৰায় বৰুৱা) কেশৰে ভগৱতীয়ে দ'ল সেৱা কৰে।

৮।১০ ঃ—৭।২০ মিঃত উঠোঁ। শিৱই বৰঞ্জনি খোজে। "মহালয়া বাবে ১॥ বজাত স্কুল ছুটী হয়। কেশৰে ভগৱতীয়ে সৈতে দত্ত ব্রাদার্চৰ মুখলৈকে যাওঁ।

৯।১০ ঃ—আনকালৰ সময়তে উঠোঁ। তেনেকৈয়ে পুৱাটো কটাওঁ। ভাত-পানী খাই ১১ বজাত স্কুললৈ গলোঁ। ভগৱতী মোৰ অলপ পাছে গৈছিল। স্কুলত বিশেষ পঢ়াশুনা নহয়। কাৰণ "পূজাৰ বাবে কাইলৈৰপৰা স্কুল ১২ দিনৰ বন্ধ। টীপার্টিৰ চৰস্ক্রিপছনৰ বাবে শিৱই তাগাদা কৰে। ১২ বাজি গ'ল। তেতিয়াও দিয়া নাই। এতিয়া তেৱাৰ খং চাৰ হে। হেড পণ্ডিত ক্লাচলৈ নহাত, সেই ঘণ্টাত ঘৰলৈ গৈ কোনো ৰকমে ।০ চাৰি অনা পইচা আনি ১২-৪০ মিঃ বৰুৱাক দিলোঁ। "তাৰ পৰে" তেওঁ মোৰ প্রতি ভাল হ'ল। মন বৰ ভাল

নাছিল। গতিকে ল'ৰাহঁতৰ আমোদ প্ৰমোদত যোগ দিবৰ মন নকৰি ২।৩ বাৰ ওচি আহিবৰ মন গৈছিল। চালোঁ—ল'ৰাবোৰে বেয়া পাব।

খাই-বৈ উঠি, খোৱাই খালে, পেলোৱাই পেলালে, ঘৰলৈ নিয়াই ঘৰলৈ নিলে। ৩ বজাত ঘৰলৈ আহিলোঁ; মাষ্টৰে "হলত" কেশৱ-হঁতৰ হতুৱাই গান কৰাইছিল। কোনোবাই মোৰ বহীত "এক্ষেৰাও যেন সুৱঁৰি থাকে" লিখা দেখা পালোঁ।

আবেলি চাহ-তাহ পান কৰি ভ্ৰমণাৰ্থে ভগ-কেশসমে বহির্গমন। তাহাঁত দুয়োকো ঘোষ ব্ৰাদাৰ্চৰ ওচৰতে এৰি ওচি আহিলোঁ। আকৌ কেঞ্চাপটিৰ মাজে গলোগৈ। হস্পিটেলৰ ওচৰত ইন্দ্ৰহঁতক লগ পালোঁ। আমি তেতিয়া ভগৱতীহঁতকও দ'লৈ যোৱা খটখটীৰ ওচৰত দেখিলোঁ। কিন্তু তেৱাসৰে নেদেখিলে। দ'লত সোমাল। সেৱা কৰিলোঁ। এজনী মাইকী মানুহ দ'লত সোমাই আছিল! আকৌ পুখুৰীপাৰৰ সেই লেম্প পষ্টৰ তলত মিষ্টাৰ কাকতীক লগ ধৰিলোঁ। কেশ-ভগকো লগ পাইছিলোঁ। কিন্তু লগ নধৰিলোঁ। পদ্ম চলিহাক (পদ্মধৰ চলিহা এম, এ, বি, এল) লগ পালোঁ। ত্ৰৈলোক্য ভূঞা (ত্ৰৈলোক্যনাথ ভূঞা ই, এ, চি) আৰু ৰাজেন বৰুৱাক (ৰাজেন্দ্ৰ নাথ বৰুৱা হেডমাষ্টৰ) লগতে পালোঁ। কাকতীৰ লগত "আলোচনী" "বাঁহী" আৰু চলিহাৰ (পদ্ম চলিহাৰ) "ফুলনিৰ" বিষয়ে কথা পাতিলোঁ। ঘৰলৈ অকলে আহিলোঁ। ৰাতি নগৰিলোঁ। শোৱা হ'ল আগৰ সময়তে।

১০।১০।১৫ ঃ—দেওবাৰ। উঠা অলপ পলম হবতো। অলপ খোৱা-বোৱা কৰিলোঁ। শ্ৰীযুত দেউতাই 'বিমলালয়লৈ' যাবলৈ দিলে। ভগৱতী কেশৱহঁত গ'লগৈ। ময়ো পাছত গ'মিচন লৈ গলোঁ। মই সভাঘৰত উপস্থিত হোৱা প্ৰায় ২ মিনিটৰ মূৰত শ্ৰীযুত ৰাজেন বৰুৱাৰ প্ৰস্তাবানুসাৰে শ্ৰীযুত পদ্মধৰে সভাপতিৰ আসন গ্ৰহণ কৰে। বিষয়—দুৰ্ভিক্ষ। মুক্তি কাকতী (বেতবাৰীৰ মুক্তিনাথ কাকতী) আৰু অহি-দুজ্জামানে (পাচত পুলিচ চুপাৰিণ্টেণ্ডেণ্ট) ৰচনা পঢ়ে, বক্তৃতাও দিয়ে নিৰ্দ্ধাৰিত ৰচনা পাঠক আৰু বক্তা ফণীধৰ ঠাকুৰ আৰু চাৰু মিৰি (চাৰুচন্দ্ৰ দলে) অহা নাছিল। আমি হলে সকলো। ইন্দ্ৰই (ইন্দ্ৰনাথ কাকতী বি-এল) ক'লে। "ৰাধিকানাথ শৰ্মা আৰু চলিহাই বেচ

ক'লে। ক'বলৈ পাহৰিছোঁ—মই গৈ হৰমোহন দাসৰ "মহাপুৰুষ" আৰু পদ্ম চলিহাৰ "ফুলনি" দেখিলোঁ। কেশৱে "ফুলনি" পঢ়াত আহকাল কৰিলে। সি কিতাপটো পাই যেন নেৰিবই। প্ৰথমতে সি কিতাপটো নিদিছিল—পিছত দিলে—ঘৰলৈ আহি নৈত গা-পা ধুবলৈ গলোঁ। পদ্ম চলিহাই আমাক "মহাপুৰুষ", "ফুলনি" তেওঁৰ হাতত আছে বুলি লোকক কবলৈ কয়। ১১।২০ মিঃ মানত ভোজন। তাৰ পিছত এনেয়ে দিন কটোৱা। আগফাল চোৱোকোঁ। আবেলি ভগৱতীৰ লগত ফুৰিলোঁ। ৰাতি মহাশত্ৰু অলসতাৰ বশ হৈ পৰিলোঁ। শুলোঁ ৯॥ মানত হবলা।

১১।১০।১৫ ঃ—আজিৰপৰা আমাৰ স্কুল বন্ধ। এলাহৰ বশ হৈ ডায়েৰী লিখা নাই। মইনো বাৰু ইমান এলেহুৱা হ'ব পাওনে? ইয়াৰ কাৰণ কি?

১৩ অক্টোবৰ ১৫ ঃ—৬॥ মানত শুই উঠি চাহ-তাহ খালোঁ। নপঢ়িলোঁ। কিনো পঢ়িবা? এনেয়ে পঢ়িবৰ মন নেযায়, তাতে আকৌ পূজাৰ বন্ধ। ৰাতিপুৱা চোতাল চাফ কৰিলোঁ। ইতিমধ্যে ভগৱতী বৰুৱা আহি উপস্থিত। তেওঁৰ লগত কথাবার্তা পাতি গৈ থাকি তেওঁবিলাকৰ ঘাটত গা ধুলোঁ। ভাতপানী খাই উঠি গোলোক বৰকাকতীৰপৰা ১।০ পাঁচ মহাৰূপ ওলোটাই আনি ধুতী ফেৰৎ দিলোঁ। দিনট্রো এনেয়ে কটালোঁ। কিতাপৰ লগত সমন্ধেই নাই। তাৰ পিছত ৫ মান বজাত বৰ পুখুৰীৰফালে অকলে অকলে ফুৰিবলৈ গলোঁ। দলত সেৱা কৰিলোঁ, ঘৰ পালোঁহি ৫।৪৯ মিঃ মানত। নকৈছোঁ—সমূলি পঢ়াই নাই। শুলোঁ।

১৪।১০।১৫ ঃ—বিৰচতি (বৃহস্পতি) বাৰ, শুই উঠিলোঁ ৭-৪০ মিঃত। জলপানপাতি খালোঁ। শ্ৰীমান সৰুপোনাক লৈ অকণি দাদা-হঁতক চাবলৈ গলোঁ। তাৰ পিচত, দোকানলৈ জেকেট আনিবলৈ গলোঁ। ষ্টৱত নীলাম চালোঁ। এখন চুৰিয়া লোৱালোঁ—৸/৬ পাই দামত। বস্তু বৰ সস্তাত গৈছে। অলপ বেয়া লাগিল। ঘৰলৈ আহিলোঁ। নৈত আধা ঘণ্টাতকৈ বেচি সাঁতুৰিলোঁ। ভাতপানী খালোঁ। ভগৱতী আহিল। কথাবার্তা পাতিলে। গ গৈ। ময়ো লগতে ভঁৰালী দোকানলৈ গলোঁ। তেৰাই চোলাকামিজ কিনিলে। ক্লাচৰ লৰা ইন্দ্ৰক (কাকতী, উকীল) দোকানত লগ পালোঁ। ঘৰলৈ

আহিলোঁ। ভাতপানী খাই দোকানলৈ গৈ আলপকা চুট এটা আনিলোঁ। ঘৰলৈ আহোঁতে বাটত তামিজক লগ পালোঁ। তেওঁ বেপাৰীৰ তাত বস্তু কিনিছিল। অলপ কথাবার্তা হলোঁ। তাৰ পিচত অলপ পৰ তাত বিষ্ণু (গগৈ), চাৰু (দলে), অম্বিকা (শর্মা) ইত্যাদিৰ লগত আহিলোঁ। গধূলি হ'ল আৰু। আলপকা "চুট" অনা বাবে ঘৰত, আকৌ ফিৰৎ দিবলৈ ক'লে। মই ফিৰৎ দিবলৈ বেয়া পালোঁ। ৰাতি নপঢ়িলোঁ। কাইলৈ পূজা, আকৌ পঢ়িম? বাৰে-বে! শুলোঁ, কিজানি ১০।৫০ বজামানত।

১৫ অক্টোবৰ শুক্ৰবাৰ ঃ—শুই উঠিলোঁ ৭ মান বজাত। আনকালতকৈ অলপ সোনকালে। যি পালোঁ জা-জলপান এমুঠি খালোঁ। চোটক কলোঁ—ভৰালীৰ দোকানলৈ যাবলৈ চুট ওলোটাবলৈ। সি নোৱাৰোঁ বুলি মোক যাবলৈ কলে। মোৰ খং উঠিল (মই ওলোটাব নোৱাৰোঁ, কাঁৰপ, মন্নে কালি আনিছোঁ সেই দেখি)। যাহওক চোট গল। গৈ, সেইটিকে আনিলে। তাহাঁতলৈ কামিজ-চামিজ আনিলে হবলা। গা ধুবলৈ গলোঁ। শিৰক লগ পালোঁ। গা ধুলোঁ। ইফালে গৈছোঁ, সিফালে গৈছোঁ, ঘূৰি ফুৰিছোঁ। ভাতপানী ১১॥ মান বজাত খালো। আঢ়ৈ কি তিনি বজাত নন্দু বেপাৰীৰ তালৈ গলো। জোতা আনিলোঁ (সৰু দেউতালৈ) ঘৰ পাই দেখোঁ নাজিৰাৰ গুণ (গঙ্গাধৰ ৰায় বৰুৱা, সদিয়া) আহিলে। যাহওক, জোতা ডাঙৰ হল। আকৌ গলোঁ, এইবেলি অকলে। ইবাৰ গোলোক বৰকাকতী গৈছিল। ওলোটাই আনিলোঁ। অলপ অলপ বৰষুণ—চোতালত চাইকোল চলাব খুজি-ছিলোঁ। ৪॥ মান বজাত ভগৱতী আহিল। কথাবার্তা পাতিলোঁ। ঘৰলৈ গলোঁ। গিনিক (শ্রীগিৰিজা প্রসাদ বৰুৱা) কোলাত ললোঁ। ল'ৰাটো মৰম লগা হৈছে। ঘৰলৈ আহিলোঁ। একো নাই কৰা। গোপাল মেনেজৰৰ পুত্ৰ আমাৰ ঘৰলৈ আহি তামোল খাই গলগৈ। তাৰপৰে 'আসাম ৰায়ত' পঢ়িলোঁ। লৰাহঁতৰ লগত ধেমালি কৰিলোঁ (গাঁৱলীয়া মানুহ)। শুণ থিয়েটৰ চাবলৈ গল। থিয়েটৰ 'ভাগ্য পৰীক্ষা' আৰু 'অল্প বিদ্যা ভয়ঙ্কৰী'।

১৬।১০।৯৫ ঃ—বেলিকৈ উঠিলোঁ। কেই বজাত জানো! তাৰ পিচত গা-পা ধুলোঁ—নৈত। গা ধোৱাৰ আগেয়ে এচোকা চাহ খালোঁ। ডাক ঘৰলৈ কিতাপৰ পার্চেলটো আনিবলৈ গলোঁ। উলটি আহিলোঁ

আকৌ। ডাকঘৰ বন্ধ ৺পূজাৰ বাবে। তাৰ পিচত ৺ট'ৰত সোমালোঁ। নীলাম হৈছে। তাত এঘণ্টামান থাকি ঘৰলৈ আহিলোঁ। নাজিৰাৰ বোপাটি ককাইদেৱ আৰু ভৰত বোলা লৰা এটাক বিলৰ দাঁতিত পালোঁ, ঘৰলৈ লৈ আহিলোঁ। ইজন বৰ কাকতী ঘৰলৈ গল। তাৰ পিচত, ৺দললৈ যাবৰ মন কৰিলোঁ। ৺ৰে যাব নিদিলে; চুৰা হলোঁ (বাহী কলহ এটি চুই)। কাপোৰকানি তিয়াই গা ধুলোঁ। গোসাঁইৰ লগত অলপ কথা হওঁ।—তাৰ পিচত দুপৰীয়া এনেয়ে দিন কটালোঁ। আমাৰ ঘৰত পূজা। বোপাটিহঁত গল ৪ মান বজাত। ক্লাচৰ ল'ৰা পূৰ্ণক লগ পালোঁ। কথাপাতি গলোঁ। আজি থিয়েটৰ হ'ব বুলি ভাবিছিলোঁ। নহল বুলি পিচত জানিলোঁ। আবেলি ভঁড়ালীৰ ত'লৈ গৈ এজোৰ সৰু জোতা আনিলোঁ। ভগৱতীহঁতৰ লগত কথা পাতোঁ। ৰাতি একো নকৰিলোঁ। আইনা এখনত ছবি আঁকি ছয়াবাজী কৰি চালোঁ। ৰাৰ-উ ধেমালী। শুলোঁ ১১ মানত।

১৭।১০।১৫ ঃ—শুই উঠো বেলিকৈ—৭ মান বজাত। ৺পূজা ভাগিবৰ হলেই। নৈত গা ধুলোঁ। মহাস্নানৰ জল খাই জলপান পাতি খালোঁ। আজি আমাৰ ভাত বেলি। সেই কাৰণে আমাক বিপিনহঁতৰ ঘৰলৈ মাতিছিল। নগলোঁ। ভাত আবেলি জলপানৰ লবে ৫ মানত খালোঁ। ভগৱতী আহিছিল। কথা পাতিছিলোঁ। তাৰ পিচত তেওঁবিলাকৰ ঘৰলৈ গলোঁ। গিনিক কোলাত লওঁ। গিনিয়ে ভায়েকক লৈ যাম বোলাত কান্দিলে। শ্ৰীযুত অম্ব বৰুৱাৰ (অম্বেশ্বৰ বৰুৱা) ঘৰলৈ গলোঁ। সেৱা জনালোঁ (গোসাঁনীক)। জলপান খালোঁ। আহিলোঁ। তাৰ পিচত লৰি ফুৰিছোঁ—বাইচাইকোল চলাই। আমাৰ ভাত নাই। বিপিনহঁতৰ ভাত খালোঁ। ওণ আৰু চোটও গৈছিল। থিয়েটৰলৈ যাবলৈ হাক দিছিল। পাচত গলোঁ। থিয়েটৰ ১১ মান বজাৰপৰা। দুষ্টু লৰাই দলিয়াইছিল টিং ঘৰৰ ওপৰত। মানুহ বহুত গৈছিল। ছাতৰৰ সংখ্যা বেচি। থিয়েটৰ ভালে বেয়াই মাজতে। ৰঘুবীৰৰ পার্ট সুবিধা নহল বৰ। তাৰপৰে "ভেবাৰাম" থিয়েটৰ। ভেবাৰামৰ অকৰালি দেখি কাৰনো হঁহি নুঠাকৈ থাকিব? ৪-২০ বজাত ঘৰলৈ আহিলোঁ। ভগৱতীহঁত তাতে ৰ'ল। শুলোঁ ৪টা বজাত।

১৮।১০।১৫ ঃ—থিয়েটাৰৰ পৰা আহি শুলোঁহি ৪।০ বজাত। শুই উঠিলোঁ ৯।৩৫ মিনিটত। তাৰ পিচত জলপান পাতি খাই শৌচ

কৰি গা ধুই ডাকঘৰলৈ কিতাপ আনিবলৈ গলোঁ। আজি প্ৰতিমা বিসৰ্জনৰ দিন। দ'লৰ মুখৰ আলিৰ দাঁতিয়ে দাঁতিয়ে পোহাৰ। কিতাপ আহি ১০।১২ দিন ডাকঘৰত পৰি আছিল। ৩।০ দি উদ্ধাৰ কৰিলোঁ। বাটতে খুলিলোঁ। ঘৰ পালোঁহি। ভাত পানী খালোঁ। চোতাঁলত গুণৰ চাইকোল লৈ ধেমালি কৰিলোঁ। গোসানী উটুৱা চাবলৈ যাবলৈ মানুহবিলাকৰ দেহি তত নাই। নাৱত উঠি ময়ো চাবলৈ গলোঁ। দেখিলোঁ লগত বহুত মানুহ গৈছিল। আন কালতকৈ যেন সোনকালে আহিলোঁ। মই ভগৱতীহঁতৰ ঘাটত নামিলোঁ। নাৱত সিপাৰলৈ যাম বুলি আমি প্ৰস্তাৱ কৰিছিলোঁ।

ঘৰলৈ আহি আহাৰ কৰি ফুৰিবলৈ গলোঁ। বাবালীৰ (অম্ল বৰুৱাৰ পুতেক) লগত অলপ ফুৰিলোঁ।

চৰকাৰী ঘাট পৰ্য্যন্ত গলোঁ। আজি হেনো বাবালীৰ উৰুঙ্গা উৰুঙ্গা লাগিল। হওঁতে আমাৰো লাগিছে। এই কেইদিন ঘৰ। শুৱনি কৰি আই আছিলহি। আজি গ'লগৈ। অলপ পচত ভগৱতীৰ ঘৰত সোমালোঁ। উ--ভগৱতীৰ হেনো চদি। পুখুৰী পাৰলৈ যাবলৈ নহল আৰু। ৰাতি নপড়িলোঁ। অলপ ঘোটা খালোঁ। গা বেয়া লাগিল। হঠাৎ ৭।৫০ মানত বিছনাত পৰিলত কত কথা মনত আহিল তাৰ পাট্টা নাই। আকৌ বহুত পৰৰ মুৰত উঠি খালো হবলা। শুলোঁ।

১৯।১০।১৫ মঙ্গলবাৰ ঃ---কেই বজাত শুই উঠিলো জানো পাহ-বিলোঁ। কাৰণ ডায়েৰী ১৯ তাৰিখৰ;লিখিছোঁ ২০ তাৰিখে ! এলেহুৱা। বোধকৰোঁ ৰাতিপুৱা এনেয়ে কটালোঁ। নৈত গা ধুলোগৈ হবলা। সোণগুটি গোপালে ধেমালি কৰিছিল। আমাৰ গাত মাটি সানিছিল। বৰ দুষ্ট লৰা। ভাত বেয়া হল খোৱা। মই নৌ খাওঁতেই গুণই ভাত খাই উঠিল---আজি ঘৰলৈ যাব দেখি। মই ভাত খাই উঠি মুখ ধোওঁতেই "বাঁহী" আহিল।

লৰালৰিকৈ মুখ ধুই আহিলোঁ। বছেৰেকীয়া সূচী চালোঁ। বাঃ---প্ৰেমধৰ চলিহাই খুব লেখে। আগেয়ে ইমান ভৰা নাছিলোঁ। "তেতিয়া আৰু এতিয়া" যে ভূঞাই লিখা, আৰু "দিওহৰ দাঁতিত এদিন" যে প্ৰেমধৰ চলিহাই লেখা সেই কথা আগেয়ে শুনিছিলোঁ। এতিয়া দেখিছোঁ সঁচা।

ওণ গল। "বাঁহী"খন লিখিকি বিদাৰি থাকোতেই গল বহুত পৰ। আনকালৰ সময়ত বৰ পুখুৰী পাৰলৈ গলো। পোনেই দ'লত সেৱা কৰিলোঁ। পুখুৰী পাৰত লৰাবোৰে ৯ বাজি যোৱাত টেনিচ খেলিছে। আমি গৈ থাকোতেই চালোঁ। আকৌ পণ্ট অফিচৰ আগেদি গৈ তহিলৰ অফিছেদি আহি পুখুৰী পালোহি।

২১।১০।১৫ ৫ কাতি বিৰচতিবাৰ ঃ

সাত বাজি চাৰি মিনিটমান যোৱাত শয্যা ত্যাগ কৰিলোঁ। তাৰ পাছত পূৰ্বৰ "সাজ" মতে আহাৰাদি গ্ৰহণ কৰিলোঁ। সৰস্বতী আইৰ লগত সমন্ধেই নাই। টিকত টনা ব্যৱসায়ত লাগিছোঁ। মিকিৰে (ৰত্নধৰ বৰুৱা ডাঙৰীয়াৰ পুত্ৰ শ্ৰীকুঞ্জ বৰুৱা) টানিলে ১ পইছাৰ। ৰাতিপুৱা এনেয়ে গ'ল। ১২ বজাত ভাত খাই উঠিলোঁ। অকণি (পদ্মকুমাৰ বৰুৱা) দাদাৰ আমাৰ ঘৰত নিমন্ত্ৰণ আছিল। পাৰ্বতী-হঁতক (পাৰ্বতিপ্ৰসাদ বৰুৱা) আমাৰ ইয়াত খুৱালোঁ। দুপৰীয়া কি কৰিম। এবাৰ ইফালে গলোঁ এবাৰ সিফালে। পিয়ন বিচাৰিলোঁ। লগ নেপালোঁ। সোণগুটি বৰ বদমাচ ল'ৰা। তাৰ লগত দন লাগিল। হেমৰ ওপৰত খং উঠিল। দেউতাই দাবী দিলে। আলিলৈ ওলাই গলোঁ। ত্ৰৈলোক্যয়ো ইংৰাজীতে কলে, মই গৈছো ৰেডি থাকিবা। অলপ পৰ, আধাঘন্টামান ৰলোঁ। নাহিল। ৪।২০ মিঃত বৰ পুখুৰীৰ ফালে গলোঁ। চাহ খাই। ফক্সৰ ঘৰৰ আগেদি গলোঁ। বৰ পুখুৰী ঘুৰিলোঁ। বাটত বোবা ল'ৰা এটি—নাম হীৰেন্দ্ৰ (হীৰেন্দ্ৰ নাথ বৰুৱা, মণিৰাম দেৱানৰ আজো নাতি) লগ পালো। বেয়া লাগিল। গোপাল বাবুক (গোপাল গোবিন্দ কৰ, হেড মাষ্টৰ) অৰ্থাৎ আমাৰ বৰ শিক্ষকক লগ পালো। ফৰেষ্টৰ বঙলাৰ ওচৰতে "গুডিভিনিং" দিলো। ল'লে আৰু ক'লে "লগে কেউ নাই?" কলো হয় অকলেই আছিছোঁ। আকৌ অলপ দূৰ আহি ফক্সক লগ পালো। চেলাম দিলো।

৭।২৫ মানত ঘৰ পালোহি। শুনিলো বোলে ত্ৰৈলোক্য আহিছিল, গলগৈ। অলপ পৰ বাহিৰতে কিতাপ পঢ়ি চাই আছোঁ। এনেতে দেখিলো 'ত্ৰিভুবন বৰুৱা' (ত্ৰৈলোক্য বৰুৱা, প্ৰাইভেট টিউটৰ উপস্থিত। ক'লে, 'অখনি নেথাকিলা কিয়?' মই কলো, "বহুত পৰ ৰলো, নহা দেখি শুচি গলোঁ।" উত্তৰ সন্তোষজনক নহ'ল। ভেখেতে মোলৈ

এখন চিঠি দিছিল তাৰ উত্তৰ হেনো এমাহ মানৰ মূৰত দিলো--কাৰণ কি সুধিলে। আৰু সুধিলে কাৰ "এডভাইচ" মতে ইমান দিনৰ পাচত লেখিলো। আই ঔ, কি আপদ! কোনে আকৌ এডভাইচ দিব? ভাল কথা আৰু! তেখেতে ক'লে---মই হেনো ঘৰতে আছিলো। তেওঁ যেতিয়া আহিছিল মইহে ওলাই নাহিলো। মনতে ভাবিলো। "এৱা হয়।" সঁচাকৈ ক'বলৈ হলে খং উঠিল---ভোলাৰ লগত কিবা-কিবা কথা হল---কলেজৰ কথা। মই হওঁতে শুনি আছিলো---Self respect, আত্মসন্মান।

তেৱা ভকত গ'ল। ৭।৫০ মানত। ময়ো ৮।৫ মানত ভাতৰ পাতত বহিলো। ভাত খাই উঠি হাত ভৰি ধুই এই ডায়েৰী লেখিছোঁ। Sleep 9. 16 pm.

২২।১০।১৫ সাত বাজি যোৱাত শুই উঠিলোঁ। আজিকালি আৰু ডায়েৰী লেখিবলৈ, আৰু আন আন কৰিবলগীয়া কাম কৰিবলৈ এলাহ লগা হ'ল। বোধকৰোঁ ইয়াৰ কিবা এফেৰি কাৰণ আছে। কি কাৰণ? জানো কব নোৱাৰোঁ। হে ঈশ্বৰ! মোৰ এলাহ নিবাৰণ কৰা। ইয়াৰ ওৰিৰে সৈতে উভালা। এয়ে প্ৰাৰ্থনা।

অ' আজি বাতিপুৱা জলপান খাই ভাল নেলাগিল। যি খালোঁ অসন্তোষেৰে খালোঁ। জলকীয়া নেপালোঁ। (ভাল কথাবোৰ আৰু।) পুৱা এনেয়ে কটালোঁ। গা ধুলোগৈ। নৈত ৯॥ মান বজাত ফটিক-হঁতৰ লগত (ফটিক মোলোকা বা গঙ্গাৰামৰ ভায়েক)। ভাতখোৱা ভাল হ'ল। দুপৰীয়া বিপিনহঁতৰ তাত শ্ৰীমতী মাইচেনিৰ অন্নপ্ৰাশনৰ বাবে নিমন্ত্ৰিত হৈ গলোঁ। শ্ৰীযুত অকনি দাদা হেনো আজি ছিলঙলৈ যাব। বিদায় লবলৈ আহিছিল। ঘৰত এনেয়ে কাম নাই আছোঁ। ভেকুলীহঁতৰ তাত চিঠি লিখিলোঁ। চাহ নোখোৱাকৈ ৪।২৫ মানত বজাৰলৈ গলো। ফুৰাৰ চলেৰে। ডিম্বক লগ পালোঁ। শিৱ বৰুৱাকো পালো। বজাৰৰ ওচৰতে। তেওঁবিলাকক এৰি বডিং ফ্ৰিল্ডৰ ফালে গলো। শুচি আহিলো। ঘৰ পালোহি ৫।৫ মানত চাহ তাহ খালোঁ। ৫ম বহুৰৰ "আলোচনী" পঢ়িছোঁ। ৫।২৫ মানত বেণু শৰ্মা আহিছিল, কথা পাতিলোঁ। যোৱহাটত 'তিলোত্তমা' থিয়েটৰ হৈছিল. শুনিলোঁ। গলগৈ। তাৰ পিছত ৪র্থ বহুৰৰ "বাঁহী" পঢ়িলোঁ। জলপান খালোঁ। নাম পালোঁ। আকৌ "বাঁহী" চালোঁ। ডায়েৰী

লেখিলোঁ। পূৰ্ণিমা আজি। জোনাক ফৰিংফুটা। অ', আজি লক্ষ্মী-পূজা। আই! আহাঁ। দুখীয়াৰ ভগা ঘৰলৈ আহা।

২৩।১০।১৫ শনিবাৰ

ৰাতিপুৱা ৮ বজাত শুই উঠিলোঁ। তাৰ পিচত, হাতমুখ ধুই জলপান পাতি খালোঁ। যদিও আজি স্কুল খুলিব, তথাপি পঢ়া নাই। ১০ বাজিবলৈ ২৫ মিনিটমান থাকোতে নৈত গা ধুবলৈ গলোঁ। অলপ অচৰপ সাঁতুৰিলোঁ। গা ধুই অহাৰ বহুত পৰৰ পাছত হে ভাত খালোঁ। কেশৱক পদুলি মুৰতে, অৱশ্যে ভাত খোৱাৰ আগতে পালোঁ। কথা পাতিলোঁ। ১০॥ মানত স্কুল পালোগৈ। ক্লাচৰ ল'ৰাবোৰৰ লগত কথা পাতিলোঁ। আজি ১২ দিনৰ মুৰত আকৌ লগ পালোঁ ল'ৰাহঁতক। পঢ়া অলপ হ'ল। শঙ্কৰে এখন চিঠি দিলে। পণ্ডিত জানো কি? চিঠিখন নি চালে মই পঢ়াৰ আগেয়েই। চাই হাঁহিলে। থার্ড আৱাৰ মাষ্টাৰ নাই। ১॥ বজাত স্কুল ছুটি। শিৱক "বাঁহী" চৰণক্রাইব কৰিবলৈ এডভাইচ দিলোঁ। ফল ধৰিলে। স্কুলৰ পৰা আহি এনেয়ে আছো।

"মোৱামৰা" বা "মায়ামৰাৰ উৎপত্তি"

মায়ামৰা সত্ৰৰ

"উত্তৰ হাটীৰ সমীপত আছে বিল।
তাত সৱে মোঁৱা মাছ বঞ্চে অবিকল॥
সেহি হ্রদ কোলে ভৈলা সত্ৰ বিচক্ষণ।
এতেকে সে মোৱাঁমৰা বোলয় বচন॥
আৰু যিটো আনে লৈলে শৰণ ভজন।
মায়াঁ পাশে ভকতৰ হোৱে নিবাৰণ।
মায়াঁসৰ্প ৰজি পূৰ্বে কৈলা নিবাৰণ॥
সি কাৰণে মায়াঁমৰা বোলে নৃগণ।
এহি তিনি গুণে মায়াঁমৰা সত্ৰ নাম।
যাৰ যিবা মনে লয় তাকে অবিশ্রাম॥"

\+ + +

(উদ্ধৃত পদ—শ্রীশ্রীউৎসৱানন্দ অধিকাৰ গোস্বামী; পুৰণিমাটি মায়ামৰা সত্ৰ)

বেজৰুৱাৰ 'লিটিকাই'

[কলিকতাত লক্ষ্মীনাথ বেজৰুৱাৰ থকা ঠাই প্ৰায়ে সলনি হৈ থাকিছিল। চিঠিত দিয়া ঠিকনাবোৰৰপৰাই এই কথা বুজিব পাৰি। তেখেতৰ "লিটিকাই" কিতাপখনি সম্পৰ্কে হেম গোসাঁয়ে দিয়া সমালোচনা পঢ়ি বেজৰুৱাদেৱে নিজৰ মনৰ কথা গোটাচেৰেক এই চিঠিত প্ৰকাশ কৰিছে।]

38 Dobson's Rd.
Howrah, 28.10.1901.

Gossain Dear,

It is with a great delight I am to acknowledge receipt of your very kind letter. Your kindness in writing me a long letter and frankness in saying your say regarding my book LITIKAI are really refreshing. Your criticisms are valuable and I am glad to acknowledge the force of them. To speak the truth, I could not take the trouble of revising Litikai and the pressman copied almost literally from the pages of Jonaki—all what he could find.

Yours affectionately
"Bez"

সত্ৰাধিকাৰৰ গৃহী হোৱাৰ ইচ্ছা

["গৃহী হ'বৰ নিমিত্তে সত্ৰৰ বৈষ্ণৱসকলে লিখিত অনুমতি দিছে। শিষ্যসকলেও মত দিছে--।"—এই বুলি গড়মূৰীয়া সত্ৰাধিকাৰ গোস্বামী পীতাম্বৰদেৱে ১৯১২ চনতে হেম গোসাঁইলৈ লিখা এই চিঠিত নিজৰ গৃহী হোৱাৰ ইচ্ছা বেকত কৰিছে।]

সুহৃদৱেষু

আপনাৰ সাৰল্য আৰু স্নেহপূৰ্ণ চিঠি এখন পোৱা আজি ভালেদিন হল কিন্তু নানা প্ৰকাৰ সত্ৰীয় বৈষয়িক জঞ্জালৰ নিমিত্তে উত্তৰ দিয়া পলম হইছে, সেইবাবে আশাকৰো অসন্তোষ নকৰিব।

আজি কালি আসামৰ উদাসীন আমালোকে যে ধৰ্ম্ম পথত লেশমানো আগবাঢ়িব পৰা নাই ই ধ্ৰুব। আগৰ উদাসীনৰ কথা আছিল জগতৰ নশ্বৰত্ব উপলব্ধি কৰি বৈষয়িক ভোগত নিস্পৃহ হৈ নিষ্কামভাবে ঈশ্বৰক ভজি পাৰত্ৰিক মঙ্গল চিন্তা কৰা। এবং নিজৰ আচৰিত সেই ভক্তিকে যথাযথ লোকক নিঃস্বাৰ্থভাবে শিক্ষা দিয়া; কিন্তু আজি কালি আমালোক উদাসীনৰ বৈষয়িক স্পৃহাই প্ৰতিযোগিতাত শত শত সাংসাৰিককো হেৰ পেলাব। বাহুল্য বৰ্ণনা এই ক্ষুদ্ৰ পত্ৰত হবৰ অসম্ভব। অপৰ আজি কালি আমালোকে যে লোকসকলক ধৰ্ম্ম শিক্ষা দিছো, সিও প্ৰবল স্বাৰ্থ ভাবপ্ৰণোদিত হৈছে, কোনো এটি মানুহক আমাৰ ধৰ্ম্মত দীক্ষিত কৰিবলৈ পালে আমি সেই মানুহটীক চিৰদীনিয়া টাকা গছ এজুপি ৰোয়া হল---ইয়াৰ ফল মোৰ পৰম্পৰা ক্ৰমে অনেক পুৰুষে ভোগ কৰিবলৈ পাব এই বুলি আহলাদিত হওঁহক, কিন্তু সেই লোকটীয়ে আমাৰপৰা পোয়া ধৰ্ম্মৰ তত্ত্ব বুঝিলেনে নাই, বা সি পাৰত্ৰিক মঙ্গলৰ চেষ্টা কৰিছেনে, সেই বিষয়ে সি নো কতদূৰ কৃতকাৰ্য্য হইছে তাক ভাবি চাবলৈ আমি পাহৰো, বা সিমান জ্ঞান আমাৰ নাই। আমি যিটো কৰ্ম্ম অকৰ্ত্তব্য বুজী লোকক শিক্ষা দিওঁ, প্ৰবল ইন্দ্ৰীয় বশীভূত কৰিব নোয়াৰি আমি তাকে কৰো। এইৰূপেই আজিকালি উদাসীনৰ পাপৰ ভাৰ পৃথিবীয়েও নসহা হইছে; কিন্তু হলে কি হয়! আজিকালিৰ অসমীয়াই সেইটো নুবুজে।

মাদ্ৰাজ অঞ্চলত দেবালয় সমূহত দেবদাসী নামদি অনেক লোকে নিজৰ কন্যাবিলাক নি দেবতাৰ উদ্দেশ্যে উৎসগী দিয়ে। সেই দেবদাসী বিলাকৰ পুনঃ বিবাহিতা হোয়া নিয়ম নাই। গতিকে সেই স্ত্ৰী বিলাকে জঘন্য পাপ পথত প্ৰচলন কৰে। সেই কথা গবৰ্ণমেণ্টে জানিব পাৰি সেই প্ৰথা উঠাই দিবৰ নিমিত্তে যত্ন কৰিছে। সেই বিষয়ে বিলাতৰ পার্লামেণ্ট মহাসভা পৰ্য্যন্ত আন্দোলন উঠিছে; কিন্তু এই আসামতো যে উদাসীন নাম ধেৰ্য়া কিছুমান মানুহ ধৰ্ম্ম এবং সভ্যতাৰ আবৰনে আবৃত হই জঘন্য পাপ পূৰ্ণ পথত প্ৰবৰ্ত্তিছে, দণ্ডবিধি আইনৰ ৩৭৭ ধাৰাৰ লিখিত একতম অপৰাধেই যে সেই সকলৰ উদাসীনত্ব বজায় ৰখাৰ প্ৰধানতম্ উপায়, এবং উদাসীন নামধাৰী আমালোকৰ ভিতৰত পৰস্ত্ৰীগমন, ভ্ৰূণহত্যা প্ৰভৃতি দুষ্কৰ্ম্ম অনেকে কৰিবই লাগিছোহক, তাক গবৰ্ণমেণ্টে নাজানে, বা জানিবৰ উপায় থাকিলেও

আপাততঃ নাই বুলী ধরাই উচিত। গবর্ণমেণ্টে এইকথা জানিব পরা হলে আমালোক উদাসীনেরে গবর্ণমেণ্টর ২।৪ টা জেইল পরিপূর্ণ হল-হেতেন্। এনে উদাসীনর লগত সঙ্গ করি থাকি কোনো লোকে নিজর সদ্‌গতি করিব নোয়ারে। ইয়ার পরা গুছি যাবলকো সত্রখনর স্থাপিত বিগ্রহর সেবা পূজা ছলাবর ভার মোর ওপরত আছে, সেই ভার এজনক নিদিলে যাবর উপায় নায়, এবং ভার দিবলৈ উপযুক্ত মানুহ নাই। অপর দিকে উদাসীনর দোষ সংশোধন করাও মোর নিচিনা ক্ষুদ্র মানুহর অসাধ্য প্রায়। কি করিম নিরুপায় হৈছো। গৃহী হবর নিমিত্তে সত্রর বৈষ্ণব সকলে লিখিত অনুমতি দিছে, শিষ্য সকলে ও মত দিছে, তথাপি সেই বিষয়েও স্থীরমতি হব পরা নাই। গত বছরত কমিশনার চাহাবে মোর চিঠি এখনর উত্তরত মোলৈ লিখিছিল যে আপনার সত্র গৃহস্থী করা সম্বন্ধে আপনার ভকট ও শিষ্য সকলর লগত পরামর্শ করি যেনে হয় করিব। এতিয়া ভকট ও শিষ্যর লগত পরামর্শ হল। সম্প্রতি মোর কি করা উচিত, আপনী মোর সুহাৎ-মিত্র এবং দূরদর্শী, এই নিমিত্তে মোক সুপরামর্শ এটা দিয়া উচিত। এই কথা পুনঃ কমিশনারত জনালে ভালনে? যদি ভাল কি নিয়মে জনালে ভাল। নহলে বা আপুনীয়েই যদি কোনো কথার ছালেরে তেওঁর ওচরত এইকথা উত্থাপন করি তেওঁর মনর ভাব বুজিব পরা উপায় থাকিলে বুজি মোক জানিবলৈ দিলে তাকে মই মহদনুগ্রহ বুলি ভাবিম্।

বর্ত্তমান মঙ্গলে আছোঁ। আশাকরো নিজ মঙ্গলাদি দানে সুখী করিব। ইতি—

১০।৬।১২

'গোস্বামী' উপাধি কেনেকৈ আহিল?

['গোস্বামী উপাধিটো অসমলৈ কেনেকৈ আহিল?' কনকলাল বরুৱাই নিজে একো ঠিক কৰিব নোৱাৰি এই প্রসঙ্গত হেম গোসাঁইলৈ লিখা এখন চিঠি তলত দিয়া হ'ল। সেই সময়ত যে এই 'উপাধি' লৈ এক বাক্-বিতণ্ডাৰ সৃষ্টি হৈছিল অসমত, তাক এই চিঠিৰপৰাই বুজিব পাৰি।]

Barpeta
4-9.1912

My dear Gossain,

I regret that I have not yet been able to get hold of a copy of **Nitikusum** mentioned in your letter. No one can say where the Puthi is to be found. I have lately been to Bojali where I asked many persons and they did not know even the name of the book. Neither the Bara Adhikar of Barpeta nor the Biahkuchi Gossain could give me any information.

You must have noticed the rather interesting. controversy in the 'Banhi' about Goswami and Mahanta. Can you say how you people come to be styled as Goswami ? This is a Bengali Padabi. Only the leading followers of Chaitanya used to be called Goswamis. Even now the title is confined in Bengal to the descendants of these Goswamis. According to Kirtichandra Goswami who is, I believe, a **Sakta** as he is of the **Mukali-Muria** Gossain family, only such religious teachers who preach both Vaisnavism and Saktism can be called Goswamis. Do you agree to this ? I have never heard of such explanation before. The leading followers of Sankar, Madhab and Damodar were never called Goswamis. How then can their successors or descendants assume this title ? I shall be very glad to know your opinion on the point.

With best wishes.

Your Sincerely
KANAKLAL

দেশনেতা কুলধৰ চলিহা প্ৰশস্তি

এল্. এন্, শাহ্. এম্. চি এ (উবিষ্যা)

Human as he is
He laughs with you
He laughs with his sorrow too

He bears the brunt patiently enduring
He thrusts the brunt too.
He is strong inside, outside, gentle too
He loves his Assam strongly
But keeps within bounds.
If anybody interferes within the bounds
He certainly springs up to pounce.
Jolly and vivacious
Yet, streaks of trial in his face.
Yes,
Yet, he is Assamese rocklike
Like his country's rocky sinews
Never overtopping excess
He is Shri Kuladhar Chaliha
One of the Asta Kulachala.
I in my first contact
Feel he makes you steadfast
One bows to him then in silence
Tho'in age I am older and stronger in appearance.
Let Assam and Utkal unite in one
bond of friendship.
And grow from strength to strength
for life.
(Times of Assam, 27 March. 1949).

জয়সাগৰ পুখুৰী উৎসৰ্গা
কদ্রসিংহ স্বৰ্গদেৱে আক্ৰোহী ভট্টাচাৰ্য্যক দিয়া তামৰ ফালৰ এক অংশ

"অখণ্ড দুৰ্দ্দণ্ড প্রতাপ প্রজাপালিত, গঙ্গাজল নির্ম্মল পবিত্র কলেবৰ, বিবিধালঙ্কাৰ ভূষিত ধর্ম্মা ধর্ম্ম বিচাৰ সাৰ সংগ্রহণং প্রখৰ খৰোডৰ প্রজয়া শ্রীশ্রীকদ্রসিংহস্য পাণিনা জয়সিঙ্কু প্রতিষ্ঠারাং মণ্ডীয় ভূমি প্রসাধক, পূজনং ভোজনং চৈব দান চক্রে বিধিক্রম শ্রুতিকৰ বিধিং ৱাপ্তি, নন্দি শস্তু প্রবর্ত্তিকা, ষষ্ঠ গোতমর্ত্ত্য সংখ্যা নিম-

তানুনবিংশতি আক্রোশ্য ভট্টবাগীশোপাধ্যায় গোত্র দ্বিজোত্তমৰ পূৰ্ব্বপৰায় ভূপায় মুহঃ কুৰ্য্যাৎ নিবেদনং ইমান দানানিবক্ষাণি পুক্ষ বৈক্ষাল সৰ্বদা---"

[লঙৰা ৪ জন, লিগিৰী ৪ জনী, নদীয়াল ২ জন, কুমাৰ এঘৰ, কমাৰ এঘৰ দি, জীৱন নিৰ্বাহৰ নিমিত্তে ভট্টাচাৰ্য্যক কুজাই নগাঁও তেজপুৰত বহত মাটিবৃত্তি দিয়ে। নগাঁৱত পূবে বাঙলুগড়া, পছিমে খাগৰিজান, দক্ষিণে মিকিৰ পৰ্বত, উত্তৰে ব্ৰহ্মপুত্ৰ নদ, থুৰে কচুজান, পছিমে ভৈৰবী নদী---এই সীমাত থকা মাটিৰ ভিতৰত অন্য কোনো ব্ৰাহ্মণৰ স্মৃতি শাস্ত্ৰৰ অধিকাৰ নাই বুলিও লিখাই দিয়ে।---ব, শ]

পাদুৰী 'মুৰ'ৰ ডায়েৰী এপাত

"জানুৱাৰী ২৮, ১৯০১ ঃ---কনফাৰেঞ্চৰ শেষত আমি দুজনমান পাদুৰী কামাখ্যা পৰ্ব্বত বগাই হিন্দু মন্দিৰ কামাখ্যা আৰু তাৰ ওপৰত উঠি ওৱাহাটী চাবলৈ গলোঁ। ১৮৯৭ চনৰ ১২ জুন তাৰিখে হোৱা ৰৰভূঁইকঁপে কামাখ্যাৰ মন্দিৰ ভঙাত, কোনোবা এগৰাকী ধনী হিন্দুৱে কামাখ্যা মন্দিৰটো আকৌ সজাই দিয়ে। ভূঁইকঁপৰ পাচত ওৱাহাটীখন চেনেই সলনি হ'ল। কিন্তু, ওৱাহাটীৰ নৈ-পৰ্বতৰ দৃশ্য সেই আগৰ দৰেই থাকিল।"

স্বৰ্গীয় হেমচন্দ্ৰ বৰুৱাই লেখা "হেমকোষ"খন গৱৰ্ণমেণ্টে ছপাই উলিয়ালে। এতিয়াৰপৰা আৰু অসমীয়া বৰ্ণবিন্যাসৰ বেহা লাগিল।

জানুৱাৰী ৩১ ঃ---কালি অসমীয়া মাইকী মানুহ এজনীৰ ঘৰলৈ গৈছিলোঁ। তাইৰ ঘৰলৈ আগেয়ে যোৱা নাই। এদিন তাইৰ ঘৰৰ আগেদি যাওঁতে তাই মোক (ধৰ্ম্ম প্ৰচাৰৰ) কাগজ এখিলা খুজিছিল। সেই বাবেই মই গলোঁ। মানুহজনীয়ে বৰ আদৰ-সাদৰ কৰি মোক বহিবলৈ দিলে। তাইলৈ "শুভ সমাচাৰ" বোলা কিতাপটো লৈ গৈছিলোঁ। তাকে দিলত, তাই পঢ়িব-শুনিব জনা গুণে, কিতাপটো পঢ়িলে। তাইনো ক'ত পঢ়িবলৈ শিকিলে বুলি সুধিলত, তাই ক'লে "বাবু গুণাভিৰাম বৰুৱাৰ ঘৰত ছোৱালী পঢ়াশালি এটি পাতিছে। তাতে মই পঢ়িবলৈ শিকিলোঁ।" পঢ়াশালিটিৰ কথা মনত আছে---গুণাভিৰামে বহেৰেকীয়া পৰীক্ষা এটি লৈ, তেখেতৰ ছোৱালীটিৰ নামে কেনেকৈ বঁটা বিতৰণ কৰে, সোঁইটিও মনত আছে।

মার্চ ৪, ১৯০১ ঃ—১৮৩৬ চনত, ৰেভাৰেণ্ড নেথান ব্রাউন আৰু ৰেভাৰেণ্ড অ', টি, কটাৰ (মূদ্রক) আসামলৈ আহে। তেওঁবিলাক বর্মাৰপৰা আহি আসামত থাকি, আসামখনক চীনা দেশলৈ সোমোৱা পাচদুৱাৰ কৰি ল'ব খুজিছিল। সিবোলাক ব্রহমপুত্রইদি দেশীয় নাৱেৰে উজাই সদিয়ালৈ যায়। তাত থলুৱা মানুহবোৰে বিদ্রোহ তোলাত, অলপ দিনৰ নিমিত্তে জয়পুৰলৈ উভতি আহে। জয়পুৰে নুগুজা ৰাবে সিবোলাকে সেই ঠাই এৰি, শিৱসাগৰ, ভৱাহাটী আৰু নগাঁৰত খৃস্ট-ধর্ম্ম প্রচাৰৰ সদৰ ঠাই পাতে।

ৰেভাৰেণ্ড নেথান ব্রাউন গ'ল শিৱসাগৰলৈ আৰু ৰেভাৰেণ্ড চাইৰচ বার্কাৰ গল ভৱাহাটীলৈ। ১৮৪১ চনত ৰেভাৰেণ্ড মাইলচ্ ব্রঞ্চনে নগাঁৰত প্রচাৰ কার্য্য আৰম্ভ কৰে আৰু তাতে সাৰি পাতি তেওঁ ৩০ বছৰ থাকে।

নগাওঁ মানে "নতুন গাঁও"। নগাওঁ জিলাৰে এইখন সদৰ ঠাই। ইয়াত মানুহৰ সংখ্যা ৪৫০০। জিলাখনৰ মাটি কালি ৩৮৪০ বর্গ-মাইল আৰু জনসংখ্যা ২৬১, ১৬০; গাওঁ আছে ১,১১৮ খন।

\+ \+ \+

মিঃ হাগার্ডে আসামৰ ধর্ম্ম সম্পর্কে যি লিখিছে তাকো তুলি দিয়া হ'ল।

ধর্ম্ম ঃ—ধর্ম্মৰ নামটো মাত্র লৈ, ত্রিছ লাখ মানুহ আছে হিন্দু; হিন্দু ধর্মৰ নামত যিমানবোৰ কলঙ্ক আৰু নীচতা হ'ব পাৰে সেই এটাইবোৰে এওঁবিলাকক তললৈ নিছে। ডেড়লাখ মান মানুহ মহম্মিদান (মুছলমান); এওঁবিলাকো খৃস্টধর্মৰ প্রতি দুর্বাৰ বিৰোধী আৰু আন ঠাইৰ দৰে গোড়া ধর্মান্ধ। হিন্দুৰ ঘৰত খৃস্ট ধর্ম্ম প্রচাৰ কৰিব নোৱাৰি—হিন্দুৰ জাত আৰু ধর্ম্মৰ প্রতি নিষ্ঠা থকা বাবে; মেহামিদানৰ ঘৰত নোৱাৰি—ইস্লাম ধর্ম্মৰ স্বভাৱগত আঁকোৱগজালি ভাবে ধৰি থকা ধর্ম্মান্ধতাৰ বাবে।"

এপ্রিল ২১, ১৯০১ ঃ—মনমোহা, ফৰকাজ বাতিপুৱা আজি, জহৰ দিন আছিছে। দুবিধ চৰায়ে গীত জুৰিছে, "ব্রেইন ফিভাৰ বার্ডে" তাৰ আগমন সূচাইছে; এইবিধ চৰাইৰ মাতে ব্রেইনত (মগজুত) ধৰে দেখি ইয়াৰ নাম "ব্রেইন ফিভাৰ বার্ড"। আৰু এবিধ আছে

যি "মোৰ কথাই ক'ত" "মেক ম'ৰ গিফ" বুলি গেণ্টাৰে কোৱাৰ দৰে সুৰীয়া মাত মাতি থাকে য এইবোৰৰ উপৰিও জাক-জাক পাতি-কাউৰী ঢোৱা কাউৰীয়ে কা-কা কৈ কেলকেলাই ফুৰিছে।

বগী টমাচ :- মে ৩০, ১৯০১ কলিকতা

নগাঁৰত এবি অহা ল'ৰাছোৱালীহঁতলৈ মনত পৰি আছে। সিহঁতে যেন যীছু খ্ৰীষ্টত শৰণ লয়। নগগ্ৰা ভাই-ভনীহঁতলৈ বিদায় সম্ভাষণ জনাই চিঠি দিলোঁ। বগী টমাছ মাকৰ লগত ছিলঙত আছে। তাইলৈকো লিখিছোঁ।"

শ্ৰীমতী আইটী স্মিথ্ মাৰ্চ ১২, ১৯০৮

শ্ৰীমতী আইটী স্মিথ্ ভূকুৰা খবৰ পাওঁ। ১৮০৮ চনৰ জানুৱাৰী মাহত, আমি গোনেই আসামলৈ আহোঁতে প্ৰথম অসমীয়া খৃষ্টীয়ান মহিলা শ্ৰীমতী আইটীয়েই আমাক অভ্যৰ্থনা জনায়। তেতিয়া গুৱাহাটী মিছনৰ ভাৰ আছিল কান্দুৰা আৰু স্মিথৰ ওপৰত। ১৯০৮ চনৰ ২৮ ফেব্ৰুৱাৰী তাৰিখে, ৬৮ বছৰ বয়স পাই, শ্ৰীমতী আইটী শিৱসাগৰত ভূকায়।

'বাতৰি ৰ বাতৰি

উপেন্দ্ৰ নাথ শৰ্ম্মা

শিৱসাগৰৰ এজন পুৰণি লেখকৰ মৃত্যু

১৯৩০ চনৰ ১৩ নৱেম্বৰৰ দিনা নিশা ১০ বজাত 'কবিতালতা', 'গদ্য প্ৰকাশ' আদি পুথি বচোঁতা "উপেন্দ্ৰ নাথ শৰ্ম্মা ডাওৰীয়াৰ ভেতৰ নাৰেঙা বেমাৰত মৃত্যু হয়। তেখেতে ফৌজদাৰী পেস্কাৰ কাম কৰিছিল। মৃত্যুৰ সময়ত তেখেতৰ বয়স ৫১ বছৰ হৈছিল। (আধুনিক অসমীয়া ভাষা-সাহিত্যৰ বুৰঞ্জীত এখেতৰ নাম নাই)।

"বাতৰি"

"ৰাজনৈতিক অপৰাধত দণ্ড পোৱা প্ৰথম অসমীয়া মহিলা"

শ্ৰীযুক্তা গুণেশ্বৰী দেৱী

নগাঁও, ২০।১১।৩০ "ঘুৰণীয়া মেজৰ মেললৈ অনাস্থা প্ৰকাশ কৰি শোভাযাত্ৰা কৰা অপৰাধত ১২।১১।৩০ তা.ৰখে নগাঁৱত ১৭ গৰাকী মহিলাক গ্ৰেপ্তাৰ কৰা হৈছিল। ১৮।১১।৩০ তা.ৰখে তেওঁবিলাকৰ বিচাৰ হৈ গ'ল। বিচাৰত ১৫ গৰাকীয়ে খালাচ পাইছে আৰু শোভা-যাত্ৰাৰ নেত্ৰী শ্ৰীযুক্তা গুণেশ্বৰী দেবীৰ আৰু এগৰাকী মহিলাৰ ১৫ টকাকৈ জৰিমনা অনাদায়ত দুই সপ্তাহকৈ ফাটেকৰ হুকুম হৈছে। এওঁবিলাকেই আসামত ৰাজনৈতিক অপৰাধত দণ্ড পোৱা প্ৰথম অসমীয়া মহিলা।"—"বাতৰি" ২২ নৱেম্বৰ, ১৯৩০ (১ম বছৰ)।

"বাতৰিৰ" ভৱিষ্যদ্বাণী : "মিলিটেৰী ট্ৰেইনিং দিয়ক"

১৯৩০ চনৰ কথা

[৺কীৰ্ত্তিনাথ শৰ্ম্মা ৰবদলৈৰদ্বাৰা মুদ্ৰিত আৰু প্ৰকাশিত "বাত-ৰিত" ১৯৩০ চনতে আমাৰ ডেকাসকলক যুদ্ধবিদ্যা শিকাৰ প্ৰয়ো-জনীয়তা দেখুৱাই এটি সুচিন্তিত দূৰদৰ্শিতাপূৰ্ণ প্ৰবন্ধ প্ৰকাশ পাইছিল। তাৰ শেষৰ ছোৱা তুলি দিয়া হ'ল বৰ্ত্তমান ৰণচিন্তাই তপত খোলা কৰা মুৰবিলাকে এবাৰ দেকে ভাবি চাবলৈ—সময়ৰ শৰ মাৰিবলৈ আওহেলা কৰিলে যে পাচত পস্তাৰ লাগে তাকে এই প্ৰবন্ধই সূচাইছে। ই প্ৰকাশিত হৈছিল ১৯৩০ চনৰ ৬ ডিচেম্বৰৰ সংখ্যা "বাতৰি"ত। তেতিয়া ভাৰতীয় কংগ্ৰেছৰ নীতি আছিল "বাঁওগালত চৰ মাৰিলে সোঁখনো পাতি দিবা।"]

স্বৰাজ আৰু আত্মৰক্ষা (Self protection) গাৰ লগৰ ছাঁটোৰ দৰে হ'বই লাগিব। এই স্বৰাজ লাভ যদি বাস্তৱতে হয় তেন্তে দেশত মিলিটেৰী ট্ৰেইনীং সকলোকে দিয়া উচিত। আমি আশা কৰোঁ, দেশৰ ডেকাসকলে এতিয়া সৈন্য বিভাগত সোমোৱা আৰু যুদ্ধবিদ্যা শিকিবলৈ ধাউতি দেখুৱা স্বদেশ প্ৰেমৰ প্ৰধান চিন হব।—আমি

কওঁ জীৱিকা হিচাবে নহে, এতিয়া স্বদেশ বক্ষাব কাবণে দেশৰ ডেকাসকলৰ মন এই ফালে চাল ল'ব বুলি আমি বিশ্বাস কবিছোঁ।--আসামতো আমি অসমীয়া ফৌজ এটিব জন্ম বাট চাই থাকিম।"

॥ মাধামৰীয়া সত্ৰ প্ৰতিষ্ঠাপক শ্ৰীশ্ৰীঅনিৰুদ্ধ দেৱ ॥

'যদুবংশে জাত শশবিন্দু নৃপবৰ
তাহান সন্ততি ভগদত্ত নবেশ্বৰ
তান পুত্ৰ হৰিবৰ আৰু বামবৰ
নেপাল দেশৰ আছিলেক বাজেশ্বৰ।
বামবৰ আসি সৌমাবৰ উত্তবত
ববভূঞা নামে পালিলন্ত বাজ্য যত।'

(২৬ আহাৰ, ১৮৫৩ শক, ১১ জুলাই, ১৯৩১ "বাতৰি")

মৰাণ বাজ্য

"নেপালৰ পৰ্ব্বতপ্ৰান্তৰ নাম আজিও মৰাণ বা মোৰং। নৰনাৰায়ণে মোৰং বজাৰ কন্যাক বিবাহ কৰে। মৰাণবিলাক মানী ক্ষেত্ৰীয় বা কায়স্থ আছিল।"

("বাতৰি" ৯ আগষ্ট, ১৯৩১, ১৬ শাওন, '৫৩)
কেদাৰনাথ ব্ৰহ্মচাৰী ক্ষত্ৰিয় সমিতি—ৰংপুৰ।

শিৱসাগৰৰ শঙ্কৰদেৱ সমাজৰ বছেৰেকীয়া অধিবেশন

'অহা ৭ ফাগুন (ইং ১৯ ফেব্ৰুৱাৰী) বৃহস্পতিবাৰৰ দিনা মহাপুৰুষ শ্ৰীশঙ্কৰদেৱৰ জন্মতিথি। সেই পবিত্ৰ দিনত শিৱসাগৰৰ "শঙ্কৰদেৱ সমাজৰ" বছেৰেকীয়া অধিবেশন শবিফুদলত পাতিবলৈ স্থিৰ কৰা হৈছে। যোৰহাটৰ ধলৰ সত্ৰৰ পূজনীয় শ্ৰীযুত তীৰ্থনাথ গোস্বামী মহোদয়ে সভাপতিৰ পদ অনুগ্ৰহ কৰি গ্ৰহণ কৰিছে। পণ্ডিত গোপীকান্ত বেদান্ততীৰ্থ, শ্ৰীযুত বেণুধৰ শৰ্ম্মা প্ৰভৃতি কৃতবিদ্য লোকে প্ৰবন্ধ পাঠ, বক্তৃতা আদিৰ ভাৰ লৈছে।'

("বাতৰি"—১৭ মাঘ, ১৮৫২, ৩১ জানুৱাৰী, ১৯৩১।)

মণ্টেগুৰ হাতত আসাম এছোচিয়েচনৰ স্মাৰক পত্ৰ

(১৯১৭ চনৰ ২০ ডিচেম্বৰত আসাম বিলাসিনী প্ৰকাশিত)

To,

His Excellency the Viceroy & Governor General of India.

And

The Right Honourable Sir,

We the undersigned members of a deputation appointed by Assam Association beg, on behalf of the Association to approach you with this humble address and to accord our respectful and cordial welcome on your present visit to India as His Majesty's Secretary of State for India, We beg to take this opportunity to assure you on behalf of our Association and through it of the Assamese people our profound loyalty and devotion to the throne and our unflinching deermination to stand by the Empire in the great struggle in which it is involved,

We are deeply grateful to His Majesty's Government and to you, sir, for the declaration you have made in Parliament, and to your Excellency for your pronouncement in the Imperial Legislative Council regarding the impending constitutional reforms which if carried out in the spirit of those declarations, will greatly odd to the contentment of the people and strengthen the bond of union between India and England.

We greatly appreciate the suggestion that the goal of British Administration in India is to make the Indian Provinces self-governing units and with them the great self-governing Dominions and Principalities to make the British Empire a series of self-governing Provinces and Principalities federated by one central Government ; and that the Government of India should be remodelled on modern lines by gradually giving the people greater

control over their executive and by substituting responsibility in India for responsibility at home. With that end in view our Association thoroughly approves of the scheme of constitutional reforms formulated by the Indian National Congress as the first minimum instalment of reforms in our way towards that goal. We humbly pray that you will be graciously pleased to give effect to it by such means as may be deemed proper and to have future policy of His Majesty's Government

With regard to the goal aimed at, defined in clear and unmistakable terms in the Act of Parliament which will embody the reforms that may be granted now. We beg to submit as an annexure to this humble address a scheme of reforms on the lines of the Congress scheme that we consider suitable for our Province and we hope that it will meet with your favourable consideration.

In conclusion we pray that your joint labours may be crowned with the fullest measure of success and be fruitful of everlasting good to India and the Empire.

We beg to subscribe ourselves, your most obedient humble servants. Ghanasyam Barua, G.G. Phukan, T.R. Phookan, Padmanath Gohain Borooah, Chandradhar Borooah, Nabin Chandra Bardoloi, Prasanna Kumar Baruah.

Calcutta, The 5th December 1917

'আসাম বিলাসিনী'ৰ সম্পাদকীয় মন্তব্য

ষোৱা ডিচেম্বৰৰ ৫ তাৰিখে আবেলি কলিকতাৰ গৱৰ্ণমেণ্ট হাউচত অনৰেবেল ৰায় বাহাদুৰ ঘনশ্যাম বৰুৱা, মিঃ জি, জি, ফুকন, অনাৰেবোল শ্রীযুত তৰুণৰাম ফুকন, ৰায়চাহাব শ্রীযুত পদ্মনাথ গোহাঁই বৰুৱা, শ্রীযুত চন্দ্রধৰ বৰুৱা, শ্রীযুত নবীন চন্দ্র বৰদলৈ আৰু শ্রীযুত প্রসন্ন কুমাৰ বৰুৱাই গৱৰ্ণৰ জেনেৰেলৰ সৈতে অনাৰেবল

মিণ্টাৰ মণ্টেগুৰ হাতত আসামৰ হৈ সোণালী আখৰেৰে "আই ভবি ফিলি" কাকতত চগাই ফিৰফিৰীয়া পাটৰ কাপোৰেৰে ঢাকি সুন্দৰ "কাস্তেজত" আষ্টোমষ্টোকাৰিকৈ সজাই আসাম এচোচিয়েচনৰ অনুমোদিত ডিপুটেচন বা অভিনন্দন পত্ৰ প্ৰদান কৰে। আসাম উপত্যকা বুলি অভিনন্দনলৈ চিলেটৰখনো আমাৰখনৰ লগতে মণ্টেগুৱে একে সময়তে গ্ৰহণ কৰে। আমাৰ খন শ্ৰীযুত ঘনশ্যাম বৰুৱাই পাঠ কৰে। আৰু মিঃ মণ্টেগু মহোদয়ৰ হৈ ভাইচৰয়ে ডিপুটেচনৰ মীমাংসা কৰা হ'ব বুলি সমিধান দিয়ে।

চিলেটৰ প্ৰতিনিধিসকলে তেওঁলোকৰ জিলা দুখনক বঙ্গদেশৰ লগত চামিল কৰিবলৈ প্ৰাৰ্থনা কৰিছিল আৰু তাৰপৰা এটা প্ৰশ্ন উঠিছিল চিলেটক বঙ্গদেশত জাপিলে আসামে ৰাজ্য শাসনৰ ভাৰ অকলে ল'ব পাৰিবনে? তাৰ উত্তৰত আমাৰ প্ৰতিনিধিসকলে দুয়ো উপত্যকাৰে আয়-ব্যয়ৰ এটা হিচাব ফঁহিয়াই দেখুৱাই ক'লে যে আসামে অকলে তিষ্ঠিব পাৰিব। চিলেট গলে আপত্তি নাই কিন্তু পৃথক কৰাত আসামে সন্তোষ নেপায় আৰু তেনে ইচ্ছাও নকৰে।

অনাৰেবেল ৰায়বাহাদুৰ বৰুৱাই কয় যে ৰাজকীয় কাৰ্য্য সম্পাদন কৰোতে ৰাইজৰ মত কাৰ্য্যনিৰ্ব্বাহকৰ সতাতকৈ প্ৰবল হব লাগে। আৰু সেয়ে অসমীয়া স্বায়ত্ত শাসনৰ নীতি।

পিচদিনা ৬ তাৰিখে অ'বেলি ৪ বজাৰ পাচত ডিপুটেচনৰ মেম্বৰ সকলক নিমন্ত্ৰণ কৰি গৱৰ্ণমেণ্ট হাউচৰ কোৱাৰ্টাৰৰ ভিতৰত উদ্যান সম্মিলন এখন পাতি সকলোকে বিদায় দিলে।

অসমীয়া ছাত্ৰ সম্মিলনীৰ অধিবেশন ১৯১৬ চন

উক্ত সম্মিলনীৰ কাৰ্য্যবিৱৰণী অভ্যৰ্থনা সমিতিৰ সম্পাদক শ্ৰীযুত ক্ষেত্ৰধৰ বৰগোহাঁইদেৱে "আসাম বিলাসিনী" কাকতত (১৮ জানুৱাৰী ১৯১৭) চমুকৈ এইদৰে প্ৰকাশ কৰিছিল ঃ

"মোৱা বহুৰত ওৱাহাটীৰ "একতা সভাই" হেড্ মাষ্টৰ সকলক অভ্যৰ্থনা কৰিবলৈ পতা সভাত অসমীয়া ছাত্ৰৰ সাহিত্য সভা এখন পাতিবলৈ প্ৰস্তাব কৰা হৈছিল। বিশেষ অসুবিধাৰ বাবে মোৱা বহুৰত সেই কাৰ্য্য হৈ নুঠিল। কেইজনমান সাহিত্যানুৰাগী ডেকাৰ উদ্যোগত

এইবাৰ মোৱা পুহৰ দহ তাৰিখে (২৫ ডিচেম্বৰ) সোমবাৰে ওৱাহাটীত সমূহ অসমীয়া ছাত্ৰৰ এখন সাহিত্য সভা বহে। তাতে কলিকতীয়া কলেজ, ধুবুৰী হাইস্কুল, গৌৰীপুৰ প্ৰভাতচন্দ্ৰ ইন্‌ষ্টিটিউশ্যন ওৱাহাটী



অসম ছাত্ৰ সন্মিলনৰ প্ৰথম কাৰ্য্যনিৰ্ব্বাহক সমিতিৰ সদস্যসকল।

কটন কলেজ, আৰ্ল কলেজ, কলেজিয়েট স্কুল, একতা সভা, মঙ্গলদৈ হাইস্কুল, তেজপুৰ হাইস্কুল, নগাঁও হাইস্কুল, গোলাঘাট হাইস্কুল, যোৰহাট ট্ৰেইনিং স্কুল আৰু ডিব্ৰুগড় মেডিকেল স্কুল, মুঠতে ৫০ জনৰ

ডেলিগেট অর্থাৎ প্রতিনিধি ছাত্র আহিছিল। সভাত সাহিত্যানুৰাগী ছাত্র আৰু ভদ্রলোক প্রায় ৫০০ জন উপস্থিত আছিল। সভা "আসাম কনফাৰেন্স" উদ্দেশ্যে সজা সভামণ্ডপত বহিছিল। পুৱা ৮ বজাৰ পৰা ১১ বজালৈকে আৰু দুপৰীয়া ১ বজাৰ পৰা গধূলি ৬ বজালৈকে ভলত লিখা নিয়মে সভাৰ কার্য্য চলিছিল।

পুৱা ঃ—(১) প্রথমে অভ্যর্থনা সমিতিৰ অনুৰোধত মিছ অৰুণা বেজবৰুৱাৰ এটি সুললিত বেদ গানেৰে সভাৰ কার্য্য আৰম্ভ হয়। (২) শ্রীযুত অম্বিকা বায়চৌধুৰীয়ে এটি অসমীয়া বৰগীত গায়। (৩) গীতৰ শেষত শ্রীযুত চন্দ্রনাথ শর্ম্মাই অভ্যর্থনা সমিতিৰ অভিভাষণ পাঠ কৰে। (৪) শ্রীযুত পদ্মধৰ চলিহা এম এৰ প্রস্তাৱত আৰু শ্রীযুত ধীৰেশ্বৰ ভট্টাচার্য্যৰ অনুমোদনত প্রবীণ সাহিত্যৰথী শ্রীযুত লক্ষ্মীনাথ বেজবৰুৱা ডাওবীয়াই সভাপতিৰ আসন গ্রহণ কৰে। (৫) ভূমৰ কেইজনমান সৰু সৰু ছাত্রই শ্রীযুত পদ্মধৰ চলিহা এম এ ৰচিত এটি আদৰণি গীত গায়। (৬) গীতৰ অন্তত সভাপতি ডাওবীয়াই তেখেতৰ সাৰুৱা গভীৰ উপদেশপূর্ণ সুদীর্ঘ অভিভাষণ পাঠ কৰে। (৮) তাৰ পিছত আবৃত্তি "পুনৰুত্থান" (পদ্মনাথ বৰুৱা) শ্রীমান গুণাভিৰাম শর্ম্মা। (৮) শ্রীযুত যতীন্দ্রনাথ দুৱৰা বি এ আৰু মৌলবী হাবাচৎউল্লা বি এ, দুয়ো দুটি কবিতা। (৯) ভবিষ্যত ছাত্র সম্মিলনী সম্বন্ধে প্রস্তাৱাদি হয়। শ্রীযুত অম্বিকানাথ বৰাই ১ম প্রস্তাৱত কয় যে, এই সভাৰ নাম "অসমীয়া ছাত্র সম্মিলনী" ৰখা হওক; এই সম্মিলনী প্রতি বছৰে বহিব, ইয়াত সাহিত্য, বিজ্ঞান, দর্শন, ইতিহাস সম্বন্ধীয় কথাৰ আলোচনা হ'ব।' কোনো ৰাজনৈতিক আলোচনালৈ ইয়াত ঠাই নাই। শ্রীযুত পদ্মধৰ চলিহাই এই প্রস্তাৱ সমর্থন কৰে আৰু সর্ব্বসম্মতি ক্রমে এই প্রস্তাৱ গৃহীত হয়। ২য় প্রস্তাৱ শ্রীযুত চন্দ্রনাথ শর্ম্মাৰ দ্বাৰা হয়। শ্রীযুত ৰাজেন্দ্র নাথ বৰুৱাই সেই প্রস্তাৱ সমর্থন আৰু সভাই গ্রহণ কৰে। (১০) শ্রীযুত লক্ষ্মীনাথ দাস বি-এল-হিৰ "ৰূপন" (বিজ্ঞান বিষয়ক ৰচনা) সময়ৰ অভাৱত পঠিত হ'ল বুলি ধৰা হয়। (১১) শ্রীযুত মহেন্দ্রনাথ কুকনে, শ্রীযুত উমেশ চন্দ্র চৌধাৰী দেৱৰ ৰচিত এটি কবিতা পাঠ কৰে। (১২) শ্রীযুত দুলাল চন্দ্র বৰুৱাই "টিকনি পণ্ডিত" নামেৰে এটি ধেমেলীয়া চিত্র মুখেৰে আঁকি দেখুৱায়। (১৩) কটন কলেজ অর্কেষ্টাৰ

(archestra) ঐক্যতান বাদনেৰে পুৱাৰ কার্য্য সমাধা কৰি সভা ভঙ্গ হয়।

দুপৰীয়া ঃ—(১) সভাৰ কার্য্যৰ আৰম্ভণিতে মিছ অৰুণা বেজ-বৰুৱাই বেজবৰুৱা ডাওৰীয়াৰ "ব্ৰহ্মপুত্ৰ সঙ্গীত"টি গায়। তাৰ পিচত আবৃতি "ৰবাগী আৰু বীণ" (লক্ষ্মীনাথ বেজবৰুৱা)—শ্ৰীমান গঙ্গা-প্ৰসাদ বৰুৱা। (৩) শ্ৰীযুত বাণীকান্ত কাকতি বি-এৰ "সাহিত্যত কৰুণ ৰস" শীৰ্ষক প্ৰবন্ধ শ্ৰীযুত ৰাজেন্দ্ৰনাথ বৰুৱাই আধা পঢ়ে। বাকীছোৱা সময়ৰ অভাৱত পঠিত বুলি ধৰা হয়। (৪) শ্ৰীযুত মহানন্দ বৰুৱাৰ "আমাৰ সাহিত্যত অভাৱ" প্ৰবন্ধত পঢ়া হ'ল বুলি ধৰা হয়। (৫) শ্ৰীযুত সৰ্ব্বেশ্বৰ কটকীয়ে "মধুদানৰ দানত্ব" ছন্দতা লিখি এটি কবিতা পাঠ কৰে। (৬) শ্ৰীযুত কৃষ্ণকান্ত সন্দিকৈয়ে লিখা "ভাৰতীয় চিন্তা' শীৰ্ষক দৰ্শন সম্বন্ধীয় প্ৰবন্ধ এটি শ্ৰীযুত লক্ষ্মীধৰ শৰ্ম্মাই পঢ়ে। (৭) কেইজনমান স্কুলৰ ছাত্ৰই শ্ৰীযুত পদ্মধৰ চলিহা এম এ ৰচিত এটি গীত গায়। (৮) শ্ৰীযুত কামেশ্বৰ দাস বি এছ ছিৰ "সৌৰ জগত" নামৰ প্ৰবন্ধ পাঠ কৰা হয়। (৯) আবৃতি (চন্দ্ৰধৰ বৰুৱাৰ) "অসমীয়া ভাষা"—শ্ৰীযুত মহেন্দ্ৰমোহন ফুকন। (১০) শ্ৰীযুত ক্ষেত্ৰধৰ ৰৰগোহাঁইয়ে "ৰাধা ৰুক্মিণী" শীৰ্ষক এখন বুৰঞ্জী-মূলক ৰচনা পাঠ কৰে। (১১) শ্ৰীযুত চন্দ্ৰনাথ শৰ্ম্মা বি এৰ "বিদ্যা-সাগৰ" (পাতনি প্ৰবন্ধ) পঠিত বুলি ধৰা হয়। (১২) "চাহৰহস্যম্" (দণ্ডিনাথ কলিতা)—শ্ৰীযুত মহেন্দ্ৰনাথ ফুকন। (১৩) শ্ৰীযুত অম্বিকা নাথ বৰাই কনফাৰেন্স কমিটিৰ ৰিপোৰ্ট পঢ়ে। কমিটিৰ চেক্ৰেটাৰী আৰু মেম্বাৰ-নিৰ্ব্বাচিত হয়। (১৪) উপহাৰ প্ৰদান ঃ—শ্ৰীযুত লোহিত চন্দ্ৰ ভূঞাই "ফুৱনি", "গোখেল" "পুৰীভ্ৰমণ" মুঠতে ৫০০ পাঁচশ খন কিতাপ সভাত উপস্থিত থকা সৰু সৰু ল'ৰা-ছোৱালীবিলাকক বিলাই দিয়ে। জনদিয়েক সাহিত্যানুৰাগী ডেকাই ৰচনা লিখা বাবে পুৰস্কাৰ দিবলৈ কৰা প্ৰস্তাৱ সম্পাদকে সভাত পঢ়ি শুনায়। (ক) শ্ৰীযুত কৃষ্ণকান্ত সন্দিকৈয়ে শ্ৰীযুত লক্ষ্মীনাথ বেজবৰুৱাৰ নামে তিনিটা পোন্ধাৰ টকীয়া পুৰস্কাৰ তিনি বছৰৰ কাৰণে দিব।

এই বছৰৰ ৰচনাৰ বিষয়—"শঙ্কৰদেৱ আৰু মাধৱদেৱৰ সাহিত্য প্ৰতিভা"। (খ) শ্ৰীযুত গিৰীশ চন্দ্ৰ বৰুৱাই নিজৰ নামে দুটা ১৫ টকীয়া পুৰস্কাৰ দুবছৰৰ কাৰণে দিব। এই বছৰৰ ৰচনাৰ বিষয়

"ৰবিন্‌হুন ক্রুছৰ সংক্ষিপ্ত অনুবাদ"। (গ) শ্রীযুত বৈদ্যনাথ কাকতীয়ে লক্ষ্মীনাথ কাকতীৰ নামে এটি ১৫ টকীয়া পুৰস্কাৰ দিব। ৰচনাৰ বিষয় "ছাম টেলছ ফ্রম ছেক্সপীয়েৰৰ অসমীয়া ভাওনি।" (ঘ) শ্রীযুত ৰাজেন্দ্রনাথ বৰুৱাই এটি দহটকীয়া পুৰস্কাৰ দিব। প্রবন্ধৰ বিষয় "আমাৰ আৰ্থিক অৱস্থা।" মৌজদাৰী চৈয়দৰ ৰহমানে এটি দহটকীয়া পুৰস্কাৰ দিব। বিষয়---"হজৰত মহম্মদৰ বিস্তাৰিত জীৱনী।" (১৫) ঐক্যতান বাদন---কটন কলেজ অৰ্কেষ্ট্রা। ঐক্যতানৰ শেষত শ্রীযুত হেৰম্বপ্রসাদ বৰুৱাই অহা বছৰলৈ ছাত্র সম্মিলনীক যোৰহাটলৈ নিমন্ত্রণ কৰে। (১৬) মাননীয় সভাপতি ডাওৰীয়ালৈ অভ্যর্থনা সমিতিৰ পৰা শলাগৰ শৰাই আগবঢ়োৱা হয়। সভাপতি ডাওৰীয়াই চমুকৈ দুআমাৰমান কৈ ৰওঁৰে শৰাই গ্রহণ কৰে। (১৭) মিছ অৰুনা বেজবৰুৱাৰ "মধুদানৱ-দানৱ" ইত্যাদি সামৰণি সঙ্গীতেৰে সভা ভঙ্গ হয়। ৰাতিলৈ শ্রীযুত পীতাম্বৰ চক্রৱর্তীয়ে ধেমেলীয়া চিত্র আৰু শ্রীযুত শৈলেন্দ্রকুমাৰ দত্তই মেজিক দেখুৱায়।

(আসাম বিলাসিনী, ১৮ জানুৱাৰী, ১৯১৭ খৃঃ)

অসম ছাত্র সম্মিলনৰ যোৰহাট অধিবেশনৰ (১৯১৭) কথা

এইবাৰ ছাত্র সম্মিলনৰ সভা যোৰহাটত হৈ গ'ল। দুবৈৰ পৰা অহা ছাত্রসকল যিসকল ডেলিগেট হৈ আহিছিল সেইসকল গৱর্ণমেণ্ট হাইস্কুলৰ বডিঙত ৰখাৰ আয়োজন হৈছিল। যোৰহাটৰ ছাত্রসকলৰ ভিতৰতে কেইজনমান ভলণ্টিয়াৰ হৈছিল। যিসকল ভদ্রলোক আৰু ডেলিগেট আহিছিল, বেজৰ পৰাই ভলণ্টিয়াৰ সকল আনি বডিঙত আৰু অন্য ভদ্রলোকৰ ঘৰতো সুন্দৰ ৰূপে বিনাকণ্টে ৰাখিবলৈ আৰু খোৱা পিন্ধাৰ যোগাৰ দিবলৈ ত্রুটী কৰা নাছিল। আৰ্থিক সহায়ৰ বাহিৰে ছাত্রসকলে নিজে সকলো কাৰ্য্য কৰাৰ বাবে তেওঁলোক বিশেষ শলাগনিৰ পাত্র হৈছে। পুৰণা কাছাৰী ঘৰটোতে সভা হৈছিল। সভাৰ দুদিনত এহেজাৰৰো ওপৰ লোক গোট খাইছিল।

ৰৱগীত, গান আৰু ঐক্যতান বাদনেৰে দুয়োদিন যথাক্রমে সভা আহ্বান কৰি ৰচনা, কবিতা আদি পাঠ কৰা হয়। প্রথম দিন সভাস্থ প্রস্তাৱসমূহ গৃহীত হয়। ২য় দিনা বিবিধলাক ৰচনা আৰু কবিতা পাঠ কৰা হয় তাৰ ভিতৰত অন্তেৱাসী হাইস্কুলৰ শ্রীযুত

ভূপেন্দ্রনাৰায়ণ দাসৰ "জাতীয় সাহিত্য" বোলা প্রবন্ধটি, বিশেষকৈ স্কুলৰ ছাত্রই লিখা বুলি আৰু শ্রীযুত মহীচন্দ্র বৰাৰ "মাতৃভাষা প্রেম" নামৰ কবিতাটি শুনি সকলোৱে ভাল পাইছিল। মৌলবী আজিজুৰ ৰহমানে "অসমীয়া মুছলমান আৰু সাহিত্য চর্চা" নামৰ ৰচনা আৰু শ্রীযুত গণেশ চন্দ্র হাজৰিকাই "শিক্ষা" নামৰ ৰচনা এখনি আৰু শ্রীযুক্তা মমুনেশ্বৰী শইকীয়াই "আহ্বান" বুলি কবিতা এটি সভাত পঢ়িবলৈ উপযাচি পঠিয়াইছিল।

উত্তৰ লক্ষীমপুৰৰ পৰা ধুবুৰীলৈকে প্রায় সকলোবিলাক হাইস্কুল, কলিকতাৰ এ, এছ, এম, ক্লাৰ, কটন কলেজ, আৰ্ল ল কলেজ আৰু অন্যান্য স্থানীয় সভা আদিৰ পৰা মুঠতে ৬৫ জন প্রতিনিধি আহি সমবেত হৈছিল। আৰু দর্শকসকলৰ ভিতৰত স্থানীয় গণ্যমান্য লোক-সকলৰ বাহিৰেও ৰায়বাহাদুৰ ক্ষণিধৰ চলিহা, ৰায়বাহাদুৰ ৰনশ্যাম বৰুৱা, অৱসৰপ্রাপ্ত ই, এ, চি, শ্রীযুত কৃষ্ণচন্দ্র চৌধুৰী, কটন কলে-জৰ ইংৰাজীৰ অধ্যাপক বাবু আশুতোষ চাটার্জী, এম এ, পদার্থ বিদ্যাৰ অধ্যাপক বাবু তাৰকেশ্বৰ ভট্টাচার্য্য, এম, এ, শ্রীযুত নবীন চন্দ্র বৰদলৈ, জর্জ্জ ইনষ্টিটিউটৰ হেডমাষ্টৰ শ্রীযুত নীলমণি ফুকন, মধুমিশ্র সত্রৰ শ্রীযুত দামিকানাথ গোস্বামী আৰু গোৱালপাৰাৰ ফালৰ পৰা জন-দিয়েক শিক্ষকক আদি কৰি আন আন ঠাইৰ ভদ্রলোক উপস্থিত আছিল। তেখেতসকলৰ ভিতৰত শ্রীযুত ক্ষণিধৰ চলিহা ডাওৰীয়াই সভাপতিৰ অনুমোদন লৈ দ্বিতীয় দিনাৰ সভাৰ কার্য্য শেষ হোৱাৰ পিছত এটি বক্তৃতা দি ছাত্রসকলক উৎসাহ আৰু সভাপতিক ধন্যবাদ দিয়ে। এইসকলৰ বাহিৰেও অন্যান্য ঠাইৰ পৰাও প্রায় ডেৰশমান ছাত্র দর্শক স্বৰূপে উপস্থিত আছিল। নিমন্ত্রণ পত্র ১৬০০ শ মান ভদ্রলোকলৈ পঠিওৱা হৈছিল।

সম্মিলনৰ লগতে এখনি চিত্র প্রদর্শনী খোলা হৈছিল। তালৈ অসমৰ প্রায়বিলাক স্কুলৰ পৰা ছাত্রৰ কাম পঠোৱা হৈছিল। তাৰ ভিতৰত যোৰহাট ট্রেইনিং স্কুলৰ শ্রীযুত মাধৱচন্দ্র মহন্তই প্রথম স্বর্ণ পদক পায়। এই পদকটি বি এ জগন্নাথৰ বিধৱা পত্নীয়ে দান কৰিছে। দ্বিতীয় ৰি ৰূপৰ পদক, ডিব্রুগড়ৰ স্কুলৰ ছাত্র শ্রীযুত সুৰেন্দ্র নাথ বৰদলৈয়ে পাইছে। এই পদক যোৰহাটৰ অভ্যর্থনা সমিতিয়ে দিছে। ছবিখন আঁকোতাই যোৰহাটৰ বিষ্ণুৰাম হলক উপহাৰ

দিয়ে। অহাবাৰলৈ চিত্ৰ প্ৰদৰ্শনীৰ বাহিৰেও ছাত্ৰই হাতেৰে কৰা আন আন বস্তুৰো এটি প্ৰদৰ্শনী পাতিবলৈ বুলি সন্মিলনত প্ৰস্তাৱ এটি গৃহত হয়।

ডিব্ৰুগড়ৰ শ্ৰীযুত হৰেন্দ্ৰনাথ ভট্টাচাৰ্য্য, যোৰহাট আসাম পাবলিচিং হাউচ, গুৱাহাটীৰ মৌলবী আজিজৰ ৰহমান আৰু শ্ৰীযুত কৃষ্ণকুমাৰ চৌধাৰী আৰু শিৱসাগৰৰ শ্ৰীযুত পদ্মধৰ চলিহাই সন্মিলনক ভালে-মান কিতাপ দান কৰে। ইয়াৰ ভিতৰত কিছুমান কিতাপ যোৰহাটৰ ছাত্ৰক দিয়া হয় আৰু বাকীবোৰ গোৱালপাৰাৰ স্কুল কেইটালৈ ছাত্ৰ-বিলাকক বিলাই দিবলৈ পঠোৱা হৈছে। গোৱালপাৰৰ ছাত্ৰৰ মাজত অসমীয়া ভাষাৰ চৰ্চ্চা বঢ়াবৰ কাৰণে সন্মিলনে যি যি কাম হাতত লৈছে তাৰ বিৱৰণ ছাত্ৰ সন্মিলনৰ কাৰ্য্যবিবৰণী ছপা হলে প্ৰমাণ হ'ব।

যোৱা বছৰত যিবিলাক পুৰস্কাৰ ঘোষণা কৰা হয় তাৰ ভিতৰত বঙ্গালীৰ শ্ৰীযুত চিন্তাহৰণ পাটগিৰীয়ে "ৰবিগ্ৰহন ক্ৰুচ"ৰ অসমীয়া অনুবাদৰ কাৰণে "লক্ষীৰাম বৰুৱা সোঁৱৰণী পুৰস্কাৰ পাইছে। আৰু পুৰণি অসমৰ বিষয়ে এখনি ৰচনা লিখাৰ বাবে গোৱালপাৰৰ শ্ৰীযুত ভোচাৰাম বাভাই এটি স্বৰ্ণপদক পাইছে। যোৱা বেলি চিত্ৰৰ কাৰণে যিটি পুৰস্কাৰ ঘোষণা কৰা হৈছিল সেইটি যোৰহাট গৱৰ্ণমেণ্ট হাই-স্কুলৰ ছাত্ৰ শ্ৰীযুত মাধৱচন্দ্ৰ ভট্টাচাৰ্য্যই পাইছে। অহাবাৰৰ কাৰণে যিবিলাক পুৰস্কাৰ আৰু পদক দিয়া হৈছে, সেইবিলাক দিওঁতাৰ নামৰ সৈতে কাৰ্য্যনিৰ্বাহক সমিতিয়ে প্ৰকাশ কৰিব।

সন্মিলনৰ দ্বিতীয় দিনা গধূলি হ্যাৰহাটৰ শ্ৰীযুত ফণিধৰ শৰ্ম্মাৰ (চাহ খেতিয়ক) ঘৰত সমজুৱাকৈ এটি টি পাৰ্টি হয়। তাত সভাপতি ডাওৰীয়াও উপস্থিত আছিল। টি পাৰ্টিৰ কাৰণে শ্ৰীযুত শৰ্ম্মা ডাওৰীয়াই ২৭০ টকা দান কৰিছিল।

অহাবাৰলৈ সন্মিলন ডিব্ৰুগড়ত হ'ব। এইবাৰৰ সন্মিলনত যোৱা বছৰৰ কাৰ্য্যনিৰ্ব্বাহক সমিতিৰ সম্পাদক শ্ৰীযুত হেৰম্ব প্ৰসাদ বৰুৱা, সহকাৰী সম্পাদক শ্ৰীযুত জ্ঞাননাথ বৰাই সন্মিলনৰ নিয়ম অনুসৰি কাৰ্য্যভাৰ ত্যাগ কৰে। অহাবছৰ সমিতিৰ সম্পাদক শ্ৰীযুত জ্ঞাননাথ বৰা বি, এ. আৰু সহকাৰী সম্পাদক শ্ৰীযুত ক্ষেত্ৰধৰ বৰগোহাঁই নিৰ্ব্বাচিত হৈছে।

যোৱাহাটৰ পাণ্ডিক ওকাৰ্কটৰ চৰ ডিভিজনেল অফিচাৰ শাৰু নৰেশচন্দ্ৰ নন্দীয়ে সন্মিলনৰ কাৰণে পুৰণি কাছাৰী ঘৰটো দিয়ে। এইবাবে তেখেতক আৰু একজিকিউটিভ ইঞ্জিনীয়াৰ শ্ৰীযুত মাৰ্চ চাহাবৰ শলাগ লোৱা হৈছে। ইয়াৰ বাহিৰেও প্ৰতিনিধিসকলক গৱৰ্ণমেণ্ট স্কুলৰ বডিং ঘৰত থাকিবলৈ দিয়াৰ বাবে মৌলবী তৈয়ব আলিও ছাত্ৰসকলৰ কৃতজ্ঞতাৰ পাত্ৰ। বিবিধ বিষয়ত সহায় কৰাৰ বাবে শ্ৰদ্ধাস্পদ শ্ৰীযুত শৰৎচন্দ্ৰ গোস্বামীৰ প্ৰতিও ছাত্ৰসকলে কৃতজ্ঞতা প্ৰকাশ কৰিছে।

টি পাৰ্টিৰ খৰচ, সন্মিলনৰ মি কাৰ্য্য বিৱৰণী ছপা হ'ব তাৰ আৰু অন্যান্য বিষয়ৰ খৰচ কৰিলে সৰ্ব্বমোট প্ৰায় এহেজাৰ টকা এইবাৰৰ ছাত্ৰ সন্মিলনত খৰচ হৈছে। ঐসকল ভদ্ৰলোকে ৰৱণি দি সন্মিলনৰ কাৰ্য্য সম্পন্ন কৰালে তেখেতসকলৰ ওচৰত ছাত্ৰসকলে বিনীতভাৱে কৃতজ্ঞতা প্ৰকাশ কৰিছে। (আসাম বিলাসিনী, ২৯ কাতি, ১৮৩৯ শক)।

শেৱালী কবি ৰত্নকান্ত ৰৰকাকতীলৈ লক্ষ্মীনাথ বেজবৰুৱাৰ চিঠি

প্ৰিয় ৰৰকাকতী,

তোমাৰ "শেৱালি" আৰু তাৰ ভিতৰত দিয়া ২৮।৮।৩৩ তাৰিখৰ চিঠি আজিহে পাইছোঁ। কিতাপটো অহাত ইমান দিন কিয় লাগিল বুজিব নোৱাৰিলোঁ। যিহক চিঠি পঢ়ি সকলো বুজিলোঁ, আৰু কিতাপ আৰু চিঠি পাই আনন্দ পালোঁ। ইয়াৰ আগেয়ে মই "শেৱালি" পোৱা নাছিলোঁ। বাঁহীত দুশাৰীমান লেখিম। অৱশ্যে সমালোচনা হিচাপে নহয়; কাৰণ পৰিক্ৰমাত যি সমালোচনা কৰা হৈছে, সেই সমালোচনাই মোৰ মনত খাই যোৱা হৈছে। বিশেষ নক'লেও হ'ব যে তোমাৰ কবিতা মই বৰ ভাল পাওঁ। তোমাৰ কবিতাত এটা নতুন সুৰ, নতুন ধাৰ আছে, আজিকালিৰ আন আন অসমীয়া কবিৰ কবিতাত নাই।

মই বুঢ়া হলোঁ। আগৰ তেজ শক্তি আৰু মোৰ গাত নাই। এতিয়া ধিমিক-ধিমিকৰ কিছুমান দিন থকাৰ কথা মাথোন। বাঁহী

আলবৰুৱা ডাঙৰীয়াৰ Property যদিও সম্পাদকৰ চকীত নই বহি আছোঁ। সকলো অৱহ হেওঁৰ, সকলো ব্যৱস্থা আৰু দায়িত্ব হেওঁৰ।



তুমি যাঁহীৰ বিষয়ে মোলৈ লেখা কথাবোৰ হেওঁক জনালে হেওঁ মাস্তি হ'লে মোৰ আপত্তি যে নায়েই বৰং আনন্দ। এইটো একেবাৰেই নিকপটীয়া কথা।

তোমাৰ কবিতা কেইটা ছপা কৰিবলৈ পঠিয়াম। আশাকৰোঁ অন্ততঃ মাহে একোটাকৈ ওলাব।

মোৰ মৰম আৰু শ্ৰদ্ধা গ্ৰহণ কৰিবা। তোমাৰ মঙ্গল কামনা কৰি আজিলৈ মেলানি মাগিলোঁ। ইতি

শুভাকাঙ্ক্ষী

শ্ৰীলক্ষ্মীনাথ বেজবৰুৱা

চিপাহী বিদ্রোহৰ দিনৰ কথা

আদালতী ভাষাৰ নমুনা

[১৮৫৭ ছালৰ স্বাধীনতা যুদ্ধত "গো঱ালঘাটৰ জনচাৰেক দেশপ্রেমিকে মণিৰাম দেৱানে সৈতে লগ লাগি ৰুটিছ কৰ্তৃপক্ষৰ "বিদ্রোহিতা

চৰণ" কৰিছিল। সেই সকলৰ ভিতৰত ত্রিলোচন নাজিৰ, দেৱীদত্ত বৰুৱা মৌজাদাৰ আৰু ঈশেশ্বৰ শৰ্ম্মা বেজবৰুৱা মৌজাদাৰও আছিল। চৰ্কাৰৰ বিৰোধী হোৱা বাবে দেৱীদত্তৰ পৰা ৰজাবাহৰ মৌজা আৰু ঈশেশ্বৰ বৰুৱাৰপৰা দেৱৰগাঁও মৌজা গুচাই মিছামৰা মৌজাৰ মৌজা-দাৰ চন্দ্রকান্ত শৰ্ম্মা ডেকা বৰুৱাক সেই মৌজা দুটাৰ চৰ্কাৰী খাজনা তুলিবলৈ ভাৰ দিয়ে। উপকৰাকৈ চন্দ্রকান্তক দুটা মৌজাৰ মৌজাদাৰ পতা—এই দুখন নিয়োগ পত্র তলত দিয়া হ'ল। পত্র দুখনৰ পৰা ১৮৫৮ চনলৈকে চলি থকা অসমৰ আদালতী ভাষাৰ নমুনা এটি পোৱা যায়। আৰু, ইয়াত দেৱীদত্ত বৰুৱা বুলি যিজন বিদ্রোহী মৌজাদাৰৰ নাম আছে, তেখেতো বোধকৰোঁ গোলাঘাটৰে। এখেত ক'ৰ এতিয়াও জনা নেযায়।]

নিয়োগ পত্র

নং ৩ নকল খোদ	(মোহৰ)
জাৰি ১৪ আগষ্ট	শ্রীযুত সাহেব
৩০ শ্রাৱণ	আশীষ্টেণ্ট
মোলাহজা	কমিশনাৰ
শ্রীলক্ষ্মীনাথ শৰ্ম্মা	জিলা শিৱসাগৰ

ইযাদ আসাৰ শ্রীচন্দ্রকান্ত শৰ্ম্মা ডেকা বড়ুয়া নিজ মিছামৰা মৌজাৰ মৌজাদাৰ ৰাকিয়ত সনন্দ জানা জায় ৰাজাবাহৰ মৌজাৰ দেবিদত্ত বড়ুয়া মৌজাদাৰ ৰাজ বিদ্রোহিতা মোকৰ্দ্দমাই লীপ্ত ও জাতসাৰ থাকিয়াও ব্যক্ত নাকৰা অপৰাধে গত ১১ মেই তাৰিখ বৰখাস্ত হওয়া প্রযুক্ত ঐ মৌজাৰ চার্য্য দোষোৰাকে জিম্মা কৰা আবশ্যক প্রকাশ আছে যে তোমাৰ মৌজা সহিৎ এক টাঙ্গনিৰ এক সীমানাই হয়। এ কাৰণ দোষ্বে হুকুম নাহ্বাতক্ ঐ মৌজাৰ চার্য্য তোমাৰ জিম্মা কৰিয়া দেওয়া জায় উৰ্দ্ধতাম দফতৰ সৈতে দোষবে হুকুম নাহওয়া পর্য্যন্ত ঐ মৌজা আপন জিম্মা ৰাখি সৰকাৰি সকল কার্য্যৰ সামাধা কৰিতে থাকীবা এহকে তাগীদ ২ জানীবা

সাল ১৮৫৮, ১৪ আগষ্ট ৩০ শ্রাৱণ।

বিয়োগ পত্র (২)

[অপর একটি বিয়োগপত্রের ছবি]

৩ নং নমুনা
জাৰি ১৪ আগষ্ট
৩০ শ্ৰাবণ
মোলাহজা
শ্ৰীলক্ষ্মীনাথ শৰ্ম্মা

ইযাত আসাৰ শ্ৰীচন্দ্ৰকান্ত শৰ্ম্মা ডেকা বড়ুয়া নিজ মিছামৰা মৌজাৰ মৌজাদাৰ ৰাকিয়ত সনন্দ জেহেতু নিজ মিছামৰা দেৱৰ গ্ৰাম মৌজাৰ ঈশেশ্বৰ শৰ্মা মৌজাদাৰ ৰাজবিদ্রোহিতা মোকৰ্দ্দমাই লিপ্ত ও জ্ঞাত থাকিয়াও ব্যক্ত না কৰা অপৰাধে গত ৮ মেই তাৰিখে মৌজাদাৰ বৰখাস্ত হৈয়া খালি হওয়াতে জনেক মৌজাদাৰ মকৰৰ কৰা আৱশ্যক প্ৰকাশ আছে যে তোমাৰ নিজ মৌজাৰ সীমানা হেতু তোমাকে গত বৎসৰে খাজনা তহচীলি আজা দেওয়াতে ভালৰূপে খাজনা তহশীল আদি কৰ্ম্ম কৰি আছা সেমতে ঐ মৌজা তোমাৰ জিম্মা কৰা আবশ্যক। অতএব নিজ দেৱৰ গ্ৰাম মৌজায় তোমাকে মৌজাদাৰ মকৰৰ কৰিয়া এই চনদ দিয়া লেখা যায় ইতিহাজ মোতাবিক তহাদ বান্দ কাৰণ কৰ্ম্ম কাৰ্য্য সমাধা কৰিয়া থাকিবা। তোমাৰ মেহনত আনা কমিশন শিয়াত কৰা ৭ টাকা নিৰিক্ষ পাইবা। ইহাকে তাগিদ ২ জানিবা। সাল ১৮৫৮, ১৪ আগষ্ট ৩০ শ্ৰাবণ।

\+ \+ \+

'অসমীয়া ল'ৰাৰ মিত্ৰ'ৰ ওপৰত 'অৰুনোদই'ৰ অভিমত

[অসমীয়া ল'ৰাৰ মিত্ৰ'ৰ ওপৰত 'অৰুনোদই' কাকতে দিয়া তলৰ অভিমতটি পঢ়িলে তাৰ সময়া শিক্ষি-বুদ্ধি ভাবিবলগীয়া কথা কেইবাটিও পোৱা যায়।]

"অসমীয়া ল'ৰাৰ মিত্ৰ" নামে দ্বিতীয় আৰু তৃতীয় ভাগ দুখন সুন্দৰ কিতাপ গুৱাহাটীৰ পৰা পালোঁ।

"শ্ৰীযুত ৰাবু আনন্দৰাম ঢেঁকীয়াল ফুকনে কলিকতালৈ গৈ হিন্দু কলেজত ভালৰূপে ইংৰাজী বিদ্যা শিকিলে; পাছে গুৱাহাটীলৈ উভতি আহি আপোন অসম দেশৰ উপকাৰ হবৰ নিমিত্তে চিন্তা কৰি যেতিয়া আহৰি পায়, তেতিয়া অলপ অলপকৈ এনে কিতাপ লিখিব ধৰিলে।

আৰু বহু শ্ৰমেৰে ইংৰাজ ভাষাৰে পৰা অসমীয়া ভাষালৈ এই দুখন কিতাপ লিখিলে আৰু কলিকতাত সুন্দৰ আখৰেৰে চপালে।

"মাজে মাজে ভুল ওলায়, কিন্তু মানুহৰ লিখা কিতাপত বিশেষকৈ কোনো ভাষাত প্ৰথমে লিখা কিতাপবোৰত ভুল থাকে। কিন্তু বহু ভাল আৰু জ্ঞানৰ কথা ইয়াত ওলাই পহিৰ জনা মানুহে কিনি পহিলে ভাল। এই ফুকনৰ নিচিনা কেৱল আপোন সুখ বা লাভ নিবিচাৰি জ্ঞান ভদ্ৰ মানুহবোৰে আপোন দেশৰ মানুহৰ উপকাৰৰ নিমিত্তে সেইৰূপে কোনো জ্ঞানৰ কিতাপ লিখিলে ভাল। লোকৰ আগত আপোনাৰ নামত প্ৰশংসা পাবৰ ইচ্ছা নাই দেখি ফুকনে সেই কিতাপৰ ওপৰত আপুনি কৰা বুলি নাম নিদিলে।

"অসমীয়া লেখকৰ মাজত প্ৰথমে আপোন দেশৰ উপকাৰ চিন্তি এনে কোনো জ্ঞানৰ কিতাপ কৰি চপোৱাত এই পুৰুষৰ আগত যদি তেওঁৰ প্ৰশংসা নোলায় তথাপি ইয়াৰ পাচে অনেক পুৰুষলৈকে তেওঁৰ সুযশস্যা থাকিব।"

"এতিয়া অসম দেশৰ জিলা সৰু হৈ আছে। অলপ বছৰৰ মুৰত ডাঙৰ হব আৰু পিতৃবিলাকে যি ভাল কাম পাই কৰি আছে পুত্ৰবিলাকে সেই কাম বা আন উত্তম কাম পাব আৰু সেইবোৰৰ জ্ঞান বাঢ়িবৰ নিমিত্তে অতি শ্ৰম কৰি পঢ়ি শিকি লোৱা উচিত।"

"আসাম নিউচ"

সাদিনীয়া-ইংৰাজী বাতৰি কাকত

[আসাম নিউচ' কাকতখন ১৮৮২ চনৰপৰা ১৮৮৫ চনলৈকে গুৱাহাটীৰ পৰা প্ৰকাশিত হৈছিল। সম্পাদক আছিল 'হেমকোষ' প্ৰণেতা হেমচন্দ্ৰ বৰুৱা। কাকতখনৰ মত প্ৰবল আছিল। গ্ৰাহকৰ সংখ্যাও ৯০০ মান আছিল। মাণিক চন্দ্ৰ বৰুৱা আছিল এই কাকতৰ প্ৰকাশক আৰু পৃষ্ঠপোষক। মাণিক চন্দ্ৰ বৰুৱাই আনন্দৰাম ঢেঁকীয়াল ফুকনৰ পুতেক অম্বদাৰাম ঢেঁকীয়াল ফুকনৰ সৈতে "বৰুৱা-ফুকন ব্ৰাডাৰ্চ" নামে এটা কোম্পানী প্ৰতিষ্ঠা কৰিছিল। অসমত দেশীয়

মাণিকচন্দ্র বৰুৱা

হেমচন্দ্র বৰুৱা

মানুহৰ ভিতৰত এয়ে প্ৰথম কোম্পানী আছিল। কোম্পানীয়ে এটা ছপাখানাৰ বিভাগো আৰম্ভ কৰি ইংৰাজী-অসমীয়া উভয় ভাষাৰে ১৮৮২ চনত মাণিক চন্দ্র বৰুৱাই 'আসাম নিউচ' প্ৰকাশ কৰিছিল।]

আসাম নিউচ

সাদিনীয়া অসমীয়া ইংৰাজী বাতৰি-কাকত

The Assam News

কাৰ্য্যংবা সাধয়েচ্ছৰীৰং বা পাতয়েদ্ধ্ৰুবং

সোমবাৰ, ১৪ ভাদ ১৮০৪ শক, ২৮ আগষ্ট ১৮৮২ ইং

হৰিবিলাস আগৰৱালাৰ দ্বাৰা প্ৰকাশিত 'কীৰ্ত্তন' পুথি—

"এই দেশত বৈষ্ণৱ ধৰ্ম প্ৰচাৰ কৰোঁতা শঙ্কৰ আৰু তেওঁৰ শিষ্য মাধৱদেৱ সংস্কৃত ভাগৱত আদি পুথিৰ বৈষ্ণৱ ধৰ্ম্ম সম্বন্ধীয়

কোনো অংশ ভাঙি অসমীয়া ভাষাৰে ভালেমান শব্দ পুথি কৰি থৈ গৈছে। আৰু ৰোধহয় অসমীয়া ভাষাত তেওঁবিলাকেই আদি ৰচি আছিল। কিয়নো তেওঁবিলাকৰ আগেয়ে আন কোনোৱে কৰা পদ্য দেখা নাযায়। সেইবিলাক পুথি এই দেশৰ সকলো মানুহৰ আগতে বৈষ্ণৱবিলাকৰ বৰ মান্য। এই দেশী বৈষ্ণৱবিলাকে ভাগৱতাদি মূল পুথিতকৈও সেইবোৰক অধিকৰূপে মানে আৰু বৰ যত্নেৰে সততে ৰাখি সেৱা ভক্তি কৰে। কিন্তু লিখোতা নোহোৱাত লাহে লাহে সেইবিলাক দুষ্প্রাপ্য হৈ আছিছে। যি পুথি ছপা যন্ত্রত উঠে শীঘ্রে তাৰ নাশ নাই। কিন্তু বৈষ্ণৱবিলাকৰ ইমান মান্য আৰু আদৰৰ পুথিবিলাক ছপাই সম্ভালনি কৰিবলৈ সকলোৱে সাহ কৰিব নোৱাৰে। অনুমান হয়, ইয়াকে ভাবি পূজ্যবৰ শ্রীযুত আউনীআটীয়া অধিকাৰ গোস্বামীয়ে প্রথমতে 'গুণমালা' নামেৰে পুথি এখনি ছপাই এটি আহি দেখুৱায়। ইয়াৰ পাচত "হাজাৰী ঘোষা" আদি কোনো কোনো পুথিও তেওঁৰ আজ্ঞাতে ছপা হৈছিল। পাচত সেই পথৰ পথিক হৈ অন্যান্য লোকেও কীর্তন আদি কোনো কোনো পুথি ছপাইছে। কিন্তু আহি তোলোতাৰ দোষত হাতেৰে লিখা পুথিবিলাক এনে বিশ্রী হৈ পৰিছে যে অনেক ঠাইত লেখকৰ ভাব বুজাই টান হয়। বঙালী-বিলাকে কয় "তিনি নকলে আসল খাস্ত।" বিশেষ সেইবিলাক পুথি লেখোতাসকলৰ সৰহভাগ "ভকত বৈষ্ণৱ"। তেওঁবিলাকে অন্য দেবী দেৱৰ উপাসনা নকৰে। এতেকে আই সৰস্বতীৰ সৈতে তেওঁবিলাকৰ ঘোৰ বিবাদ, সৰু কালত ফলি লওঁতে, "সৰচতী সৰচতী, কণ্ঠে গোলাপী, ভোগে বিলাপী" বুলি ফলিৰ ছাইৰে যি ফোট লৈছিল, তাৰ বলতে যিমান হ'ব পাৰে তেওঁবিলাকৰ পৰা তাতকৈ অধিক আশা কৰা বৃথা।

এনে স্থলত, শুদ্ধ কীর্তন পুথি পোৱা বৰ ঢিলা কথা নহয়। এতেকে তাক শুদ্ধ ৰূপে ছপোৱাও টান। কিয়নো গ্রন্থকর্ত্তাই যি ৰূপে লিখিছিল যিমান পৰা যায়, তদ্রূপে ছপোৱা পুথিক হে শুদ্ধ বোলা যায়। কিন্তু ওপৰত লিখা কাৰণত অসমীয়া পদ পুথিবিলাকত গ্রন্থ কর্ত্তাই লিখা অৱস্থাত নাই, বহুত লবিছে। তথাপি জনা মানুহে মনোযোগ কৰি তাৰ আৰু অৰ্থলৈ চাই শব্দবিলাক লৰচৰ কৰিলে গ্রন্থকর্ত্তাই নিজে লিখাৰ দৰে নহলেও পুথি শুদ্ধ হয়। কিন্তু দুর্ভাগ্যৰ গুণে ছপা

হোৱা যিবিলাক পদপুথি আমি দেখিছোঁহক সেইবিলাকৰ ভিতৰত এখনকো সম্পূর্ণ শুদ্ধ বুলিব নোৱাৰো।

হৰিবিলাস বাবুৱে কীর্ত্তন পুথি আগেয়ে এবাৰ ছপাইছিল। এই দ্বিতীয়বাৰ। দুইও বাৰৰ পুথি আমি দেখিছো আৰু তেওঁ যে শুদ্ধকৈ ছপাৰৰ নিমিত্তে প্রচুৰ পৰিশ্রম কৰিছে তাকো আমি বুজিছো। তাত যে কোনো এজন বোধ থকা মানুহৰ হাত লাগিছে সেই পুথিয়েই তাৰ প্রমাণ।

লৰাৰ নিজা পুথিঃ—ওৱাহাটীৰ নৰ্ম্মেল ইস্কুলৰ হেড্ মাষ্টৰ শ্রীযুত বাবু ব্রজপতি বন্দোপাধ্যায় দ্বাৰা লিখিত আৰু প্রকাশিত,---ব্রজপতি বাবু বঙ্গালী। অসমীয়া ভাষা তেওঁৰ সমন্ধি বিদেশী। তথাপিও যে তেওঁ সেই ভাষাৰে এনে এখন পুথি লিখিছে, তাৰ বাবে তেওঁ ধন্যবাদৰ পাত্র আৰু সি আমাৰ গাঁৱলীয়া পঢ়াশালীবিলাকৰ যোগ্য হৈছে।

'আসাম নিউচ'ৰ জাননীৰ চানেকি

(১)

গোৱালপাড়া আৰু গাড়োহিলত থকা যদি কোনো মান্যবান দেশী ভাল মানুহে বহু সংখ্যাৰে গাৱো কোলি, তাহাতৰ ভিকোতা আৰু লৰাছোৱালী সইতে আসাম কোম্পানিৰ চাহবাৰিত কোড় ধৰা, চাহপাত চিঙা কাম কৰিবলৈ পঠাৰ পাৰিলে, তলত সহি কৰা সাহাৰে ঘৰ আদৰেৰে তেওঁৰ সৈতে বন্দোবস্ত কৰিব আৰু তাহাতৰ উজাই অহা খৰচ, ভোগ কৰা মাটী এনেই পাব। সিৱসাগৰ জিলাৰ চাহবাৰিৰ সৰুবৰ কোলিৰ ফিদৰে দৰমহা চলিয়াছে সেইদৰে তাহাতে বোৱেৰেও মাহ কাম কৰিবলৈ পাব আৰু বিশেষ জানিব লগা থাকিলে আসাম কোম্পানীৰ শ্রীযুত চিফ্ শুপাৰিণ্টেণ্ডেণ্ট্ সাহেৱ, নাজিৰা ডাকঘৰলৈ লিখিলেই জানিব পাৰিব। ইতি ১৮৮২।৩০।৮ আগষ্ট। নাজীৰা ১১ আগষ্ট, ১৮৮২ জন্ ফিলিপ্স্, চিফ শুপাৰিণ্টেণ্ডেণ্ট।"

(২)

শ্রীসেখ মনধন বেপাৰী মওগাওৰ হাতীচিকাৰৰ মালিক। কালিৰাম চৌধুৰী বি-এল্, ফাৰ্ষ্ট গ্রেড্ পীডাৰে সকলো প্রকাৰৰ

আইনৰ কৰ্ম্ম সম্বৱৰাহ কৰে।

ঠিকনা তেজপুৰ, আসাম—১৮৮২ চন

জ্যোতিপ্রসাদৰ জয়মতী কথাছবিঃ বেজবৰুৱাৰ মন্তব্য

[লক্ষ্মীনাথ বেজবৰুৱাই জ্যোতিপ্রসাদ আগৰৱালাই ৰূপ দিয়া প্রথম অসমীয়া কথাছবি "জয়মতী"ৰ বিষয়ে এই মন্তব্যটি লিখিছিল বাংমীবৰ নীলমণি ফুকন সম্পাদিত "দৈনিক বাতৰি" লৈ।]

"অসমীয়াই নিজৰ ভৱিতে নিজে কুঠাৰ মাৰে কেনেকৈ, তাৰ আৰু এটা উদাহৰণ দিওঁ। পাঠকে বুজিব পাৰিছে কিজানি, যে মই জয়মতী ফিল্মৰ বিষয়ে ক'বলৈ গৈছোঁ।

"জয়মতী ফিল্ম অসমীয়াৰ প্রথম উদ্যম। সেই উদ্যমত হাত দিছে কোনে? অসমৰ সুবিখ্যাত পৰিয়াল এটাৰ দেশপ্রাণ স্বার্থত্যাগী ডেকা এজনে; যিজনৰ ধন-বল, মন-বল যথেষ্ট আছে। বিদ্যাৰ বল, মানে লেখা-পঢ়াৰ অভিজ্ঞতা আৰু য়ুৰোপ পৰিভ্রমণৰ বহুদর্শিতাৰ ওপৰতো কাব্য আৰু শিল্পকলা (Art), সঙ্গীত ইত্যাদিৰ প্রচুৰ জ্ঞান। বিলাতৰপৰা উত্ততি আহিও দেশৰ দহজনৰ দৰে দেশৰ ভালৰ অর্থে তেওঁ স্বইচ্ছাতে কাৰাবৰণ কৰিছিল। আন দহজন ধনীৰ ঘৰৰ ডেকাৰ দৰে তেওঁ নিজৰ সুখ-স্পৃহা চৰিতার্থ কৰি ভৱিৰ ওপৰত ভৰি তুলি থৈ মহাসুখেৰে জীৱন কটোৱাত তেওঁৰ ব্যাঘাত নঘটিল-হেঁতেন। তেওঁ হেজাৰে হেজাৰে ধন খৰচ কৰি অক্লান্তভাৱে পৰিশ্রম কৰি অসমত অসমীয়াৰ প্রথম কথাছবি সম্পূর্ণ কৰি উলিয়ালে। মই বঢ়াই নকওঁ, কিন্তু কমেই যে তেওঁ যদি এই গুৰুতৰ কার্য্যত হাত নিদিলেহেঁতেন কমপক্ষে আৰু কুৰি কি ত্রিশ বছৰৰ ভিতৰত অসমীয়াৰ দ্বাৰাই এনে এটা কার্য্য হৈ নুঠিলহেঁতেন। প্রথম উদ্যম দেখি শব্দ ইত্যাদিত অজপ দোষ বৈ গল; আৰু এই দোষৰ কথা তেওঁ নিজেই বাৰে বাৰে স্বীকাৰ কৰিছে। একে জাপেই কোনেও দ'লৰ টিঙত উঠিব নোৱাৰে। বঙ্গদেশত ওলোৱা বঙালীৰ প্রথম ফিল্মতকৈ তেওঁৰ এই ফিল্ম যে শতগুণে ভাল হৈছে এই কথা বঙালী দর্শকেই কলিকতাত কোৱা মই নিজ কাণে শুনিছোঁ। কিন্তু

আমাৰ ভিতৰতে জনচেৰেক ওলাল, আৰু কঁকালত কাপোৰ বান্ধি ওলাল, জয়মতী ফিল্মখন বেয়া হল বুলি বৰকৈ চিঞঁৰিবলৈ। অৱশ্যে সমালোচনা লাগে, নহলে আগলৈ মানুহে দোষ শুধৰাব নোৱাৰে, তেনে সমালোচনা এজনে কাকতত কৰা দেখি মই সন্তোষো পাইছিলোঁ। কিন্তু বাকীসকলৰ সমালোচনা, সমালোচনা নহয়, সমালোচনাৰ নামত লাথি আৰু ছেই ছেই। এইদৰে মানুহৰ সজ উদ্যমত ঠেঁউৰাই ধৰা চেঁচাপানী ঢালি দি অসমীয়াই স্বদেশৰ উন্নতি কৰিবলৈ যায়!

"জয়মতী ফিল্ম মোৰ "জয়মতী কুঁৱৰী" নাটৰ ভেটিৰ ওপৰত ভেটি পাতি সজা হৈছে সঁচা। কিন্তু তাতে সম্পূর্ণ আউজা নাই। মই নিজে শ্রীযুত জ্যোতিপ্রসাদ আগৰৱালাক কোৱা বা অনুৰোধ কৰা নাছিলোঁ যে মোৰ জয়মতীক তেওঁ প্রথমে ফিল্মত তোলক। তেওঁ যেতিয়া অনুমতি খুজি চিঠি লেখিছিল, আৰু তেওঁৰ ফিল্মৰ আৱশ্যক মতে তাৰ সালসলনি কৰিব পাৰিবনে নোৱাৰে সুধিছিল, মই এক মুহূৰ্তলৈকে অপেক্ষা নকৰি অতি আনন্দ মনেৰে অনুমতি দিছিলোঁ. কাৰণ মোৰ ঘাই হেঁপাহ, অসমীয়াৰ দ্বাৰাই অসমত প্রথম ফিল্ম দেখিবলৈহে, মোৰ জয়মতী নাট ফিল্মত উঠা সুখ লভিবলৈ নহয়। যদি জয়মতী নাটক ফিল্মত নুতুলি "মনোমতী" বা "কাৰেঙৰ লিগিৰীক" তুলিলেহেঁতেন তাতো মোৰ নথৈ সন্তোষ হলহেঁতেন। কলিকতাত যিদিনা প্রথমতে মই জয়মতী ফিল্ম দেখিলোঁ, মোৰ আনন্দ বুকুত নধৰা হৈছিল। মোৰ নাটৰ ঘটনাবোৰ অনেক লৰচৰ কৰি ফিল্মত দিয়া হৈছিল। মই দেখিছিলোঁ আৰু সেই কথা তাতে দর্শকৰ ভিতৰত অনেকে মোক কৈছিলেও। কিন্তু তালৈ মোৰ ভ্রূক্ষেপ নাছিল আৰু আজিও নাই। মোৰ আনন্দ জয়মতীক ফিল্মত দেখি, আৰু এনে অভাৱনীয়ৰূপে ফিল্মকর্তাই অসমীয়া ভাৱৰীয়া আৰু ভাৱৰীয়নীৰে সেই কার্য্য সমাধা কৰা দেখি। জয়মতীক দেখি প্রত্যেক কবিয়ে প্রত্যেক আর্টিষ্টে নিজৰ কল্পনাৰ সৌন্দর্য্য আঁকিব পাৰে, আৰু সেই গঢ় লোকৰ আগত প্রদর্শন কৰিব পাৰে, সি দর্শক পাঠকৰ মন হৰণ কৰিব পাৰিলেই কার্য্য সিদ্ধি। এক বাল্মীকিৰ ৰাম-সীতাক লৈ কত কবি, কত নাট্যকাৰে জগতত অমূল্য সম্পদ দান কৰিছে। বাল্মীকি যদি আচল বাল্মীকি তেন্তে তেওঁ তাত বিষম পোৱা দূৰৰ কথা আনন্দহে পাব। মই কৈ কৈ হৰিলোঁ যে বাক্য

বা নাটত বা আজিকালি প্রচলিত ফিল্মত প্রকৃত বুৰঞ্জী বা ইতিহাস জোনো বিচক্ষণ লোকে নিৰিচাৰে। সেইবোৰত কি বিচাৰে, তাৰ বিষয়ে আজি কহলাই নকওঁ। দূৰ ইংলণ্ডৰ ষ্ক্সপীয়েৰৰ Richard, II Richard III, King John V ইত্যাদি বুৰঞ্জীমূলক নাটৰ কথাকে নকওঁ, আমাৰ ওচৰৰ বঙ্গদেশৰ সুবিখ্যাত বঙ্কিমচন্দ্ৰৰ নাট এখনৰ কথাকে কওঁ। বঙ্কিমে "চন্দ্ৰশেখৰ" নাট লেখিছে। তাত মিৰকাচিম আছে। মিৰকাচিম বঙ্গৰ নবাব আছিল, আৰু তেওঁ ইংৰাজৰে সৈতে যুদ্ধ কৰিছিল, আৰু উদয়নালাৰ যুদ্ধত হাৰিছিল। এইবোৰ ঐতিহাসিক ঘটনাৰ উল্লেখ চন্দ্ৰশেখৰ নাটত আছে বুলিয়েই আমি বুজিব লাগিব নেকি যে, সেই নাটত লেখা আন ঘটনাবোৰো সঁচা? অৰ্থাৎ চন্দ্ৰশেখৰ, প্ৰতাপ, শৈৱালিনী, সম্বন্ধে যিবোৰ কথা লেখা হৈছে, সেই বোৰো ঐতিহাসিক সত্য বুলিয়েই ধৰিব লাগিব নে? এই বাবেই বঙ্কিম বাবুৱেই এখন ঐতিহাসিক নাটৰ পাতনিত লেখিছিল যে, "উপন্যাস উপন্যাসেই, ইতিহাস নহে।" এই উজু কথাটো অনেকে পাহৰে।

ওপৰত কৈ অহা আমাৰ 'সমালোচক' সকলে জয়মতী ফিল্মৰ সমালোচনাৰ কোৰ ইমান বঢ়াই দিলে যে শ্ৰীযুত জ্যোতিপ্ৰসাদ আগৰৱালা একেবাৰেই দমি গ'ল। তেওঁ ধনে-প্ৰাণে কৰা পৰিশ্ৰমৰ এনে পুৰস্কাৰ দেখি অবাক হৈ পৰিল। মই বিশ্বস্ত সূত্ৰেৰে জানিবলৈ পালোঁ যে সমালোচকসকলৰ ভিতৰত দুজন এজন ডাঙৰ ডাঙৰ আৰু সম্মানিত মানুহৰ নাম দেখি, পৰৰ মুখেদি জোল খোৱা অনেক সৰ্বসাধাৰণ মানুহে জয়মতী ফিল্ম বেয়া বুলি চাবলৈকে নাহিল। ফলত আগৰৱালা বপুৰাৰ মূৰত টাঙোন। তেওঁ এই কাৰ্য্যত জাড কৰা দূৰৰ কথা, খৰচৰ টকাকে তোলা টান হৈ পৰিল। এনেকুৱাই আমাৰ ব্যৱহাৰ আৰু স্বদেশহিতৈষিতা।

বিসন্ততিৰ অৱস্থা দেখি, মই থাকিব নোৱাৰি, ঘুঁজলৈ নামিলোঁ। তথাপি নানামিলোঁহেতেন যদি মোৰ এজন প্ৰতিদ্বন্দ্বী এজাপেচা মানুহ হ'লহেঁতেন। ঘুঁজৰ ফল, বাইজে দেখিলে; সেইদেখি সেই বিষয়ে কোৱা বাহুল্য। মই জিকিলোঁ বুলি ভবাও নাই আৰু নাভাবোঁ। মোৰ প্ৰচেষ্টা সত্যৰ প্ৰতিষ্ঠাহে। যদি কৰিব পাৰিলোঁ ভাল কথা, নহ'ল যদি নাই। ("গোটাচেৰেক কথা"; দৈনিক বতিৰি ৯২ নবেম্বৰ, ১৯৬৫)

ৰৰলাটৰ হাতত দুজন অসমীয়া ছাত্ৰৰ অভিনন্দন পত্ৰ (১৮৭২ খৃঃ)

[তলত দিয়া দৰ্খাস্তখন ১৮৭২ চনত আন্তামানত লৰ্ড মেয়ৰক হত্যা কৰাৰ পিচত, সেই বছৰেই কলিকতাৰ 'অসমীয়া সাহিত্য সমাজ'ৰ হৈ অসমৰ মুখ উজলোৱা কৃতী সন্তান স্বৰ্গীয় মাণিকচন্দ্ৰ বৰুৱা আৰু স্বৰ্গীয় জগন্নাথ বৰুৱাই (পিচত ৰায়বাহাদুৰ বি-এ জগন্নাথ) ভাৰতবৰ্ষৰ ৰৰলাট নৰ্থব্ৰুক চাহাবক দিয়ে। দৰ্খাস্ত বুলি ডাকত বা পেক্কাৰৰ হতুৱাই দিওৱা দৰ্খাস্ত নহয়। ই এখন অভিনন্দন পত্ৰ—হাতে হাতে দিয়া। দিছিল কেতিয়া ? যেতিয়া সিসকল দুয়োজন কলেজৰ ছাত্ৰ আছিল। আৰু দিছিল তেতিয়া, যেতিয়া জিলাৰ সামান্য অধিপতি এজনক দেখা কৰি দু-আষাৰ কথা ক'ব পৰাটোৱেই আছিল বৰ গৌৰৱৰ কথা আৰু চাহাবে কৰমৰ্দন (হেণ্ডচেক্) কৰাৰ আনন্দত উৎফুল্ল হৈ মূৰ্চ্ছা যোৱাৰ কথা। ১৮৭২ চনত, কলিকতাত পঢ়া অসমীয়া ল'ৰা আঙুলিৰ আগত লেখিবপৰা। বংগদেশৰ বাতৰি-কাকতৰ মানত তেতিয়া আমাৰ ছাত্ৰ মানুহ নহয়েই—জংগলী ভূত হে। বিন্দুবৎ অসমীয়া ছাত্ৰই ৰৰলাট হেন চাহাবক অভিনন্দিত কৰে, ই কোন দেশৰ কথা। কথা-কাণ্ড দেখি 'ইণ্ডিয়ান মিৰৰ' (Indian Mirror), 'অমৃতবাজাৰ পত্ৰিকা' আদি কলিকতাৰ মুখিয়াল কাকতবিলাকৰ উঠিল গোঁজৰণি। কিন্তু তেওঁবিলাকৰ গোঁজৰণি ঢোঁৰাসাপৰ ফোঁপাউৰিত পৰিণত হ'ল আৰু বৰুৱা দুগৰাকীয়ে ৰৰলাটক অভিনন্দিত কৰা সাৰ্থক হ'ল। তাৰ ১০।১২ বছৰৰ পাচত ডিব্ৰুসদীয়া ৰেল আৰু তাৰো পাচত আসাম বেঙ্গল ৰেল খুলি অসমীয়া ছাত্ৰবিলাকৰ কামনা পূৰ কৰা হ'ল।

স্বাধিকাৰপ্ৰমত্ত আজিৰ অসমীয়াই মাণিক-জগন্নাথৰ পন্থা ভাল নাপাব পাৰে, কিন্তু যি দিনত চাহাব পদেই "সুন্দৰ কপোল তান ঠান মনোহৰ" বুলি ভাৰতবাসীয়ে ক'বলৈ পালেই ধন্য মানিছিল সেই দিনত কলেজৰ চাই ঢাপ পাৰ হৈ, ভাৰতবৰ্ষৰ ভাগ্যনিয়ন্তা এজনক সমৃদ্ধিশালী অসমৰ অভাৰ জনাই হাতে হাতে অভিনন্দন-পত্ৰ দিয়াটো সাহৰো সাহ অতিপাত সাহ।]

অভিনন্দন পত্রখনি আছিল এই ঃ

To

His Excellency the Right Honourable Baron Northbrook, Viceroy and Governor-General of India.

May it please your Excellency,

We, the members of the Committee of the Assamese Literary Society in Calcutta, beg, on behalf of the Society, most respectfully and cordially to welcome your Lordship to the Viceregal throne of India.

At the time when India is distracted with grief and sorrow at the untimely death of the late lamented Viceroy, when discontent pervades the length and breadth of the land owing to many financial measures not conformable to the ideas of the people, the advent of a statesman like your Lordship to this country is peculiarly welcome to us.

Your Lordship combines with a scientific knowledge of finance, a grave sense of the responsibility attached to your high office, an earnest desire for the improvement of the teeming millions under your rule and a sincere regard for the principle of equity and benevolence. Your Lordship will, therefore, allow us to say that Her Majesty could not have made a better selection to govern one fifth of the human race and the people of India could not have obtained a better ruler.

When occupied with multifarious affairs of the more important provinces, we pray that your Lordship will occasionally cast your eyes on the condition of the frontier province of Assam to which we belong and which bids fare with all her natural resources to obtain a high position in competition with her sister provinces. And the most effectual means, we submit, of developing those resources would undoubtedly be, to connect the province with Bengal by a railway line—a proposal already brought to your Lordship's consideration in England.

We fervently pray to the Almighty to bestow upon your Lordship physical and mental vigour, for the fulfilment of

these ardent expectations, which all India entertains from your Excellency.

We have the honour to be,
Your Excellency's most obedient servants
Manik Chandra Barooah
Jagannath Barooah
Members of the Committee of the
Assamese Literary Society,
Calcutta,
21st May, 1872.

মহৱন্ধা চাহ কোম্পানীৰ চুপাৰিণ্টেণ্ডেণ্ট সোমেশ্বৰ শৰ্মা

যোৰহাটৰ বিখ্যাত চাহ খেতিয়ক সোমেশ্বৰ শৰ্মাই প্ৰথমে ৰুচিছ চাহ কোম্পানী মহৱন্ধা কোম্পানীত ৱৰমহৰী হৈ সোমাই সেই কোম্পানীৰে উচ্চতম পদ—চুপাৰিণ্টেণ্ডেণ্ট পদত বহেগৈ। পিচত নিজে কেবাখনো চাহ বাগিছাৰো গৰাকী হয়। মহৱন্ধা কোম্পানীত থাকোঁতে তেওঁৰ অধীনত বহুত চাহাবে কাম কৰিছিল। আনকি কেবাটাও চাহাবে তেওঁক ধপাত লগায়ো দিছিল। লিয়নার্ড আৰু হলকিট বোলা ডেকা চাহাব দুটাই ধপাত লগাই ফুৰাই দিব নজনাৰ বাবে সোমেশ্বৰ শৰ্মাই দুইটাকে 'পপিতাৰ ঠাৰি' (অৰ্থাৎ অমিতাৰ ঠাৰি যেন অকামিলা) বুলি কৈছিল। পৰ্চন বোলা চাহাবে সোমেশ্বৰ শৰ্মাৰপৰা চাহ শিল্পৰ উপযোগী এফাঁকি কথা মুখস্থ কৰি লৈছিল। কথাফাঁকি হ'ল—

"দহত দিবা হাত,
তেহে পাবা পাত;
নুগুচাজে লতা,
লাগিব লেঠা;
চেৱাম আৰু কথা
ৰ'তে ত'তে পাম
টকা আৰু পইচা ভাই
ক'তো পাবলৈ নাই।"

মহৰজা কোম্পানীৰ বৰমহৰী হৈ থাকোঁতে ১৯০৪ চনত সোমেশ্বৰ শর্মাই জগন্নাথ বৰুৱাৰ ভায়েক কৃষ্ণকুমাৰ বৰুৱালৈ দিয়া চিঠি।



(প্ৰিয় বতুৱা, আপোনাৰ পত্ৰ সহ বঢ়া টেমী কটাৰী পাই পৰম আদৰ ও স্নেহৰ সহিত গ্ৰহণ কৰিলোঁ। শ্ৰীযুত বাইবাহাদুৰ আহিলে একবাৰ শ্ৰীযুত বইল (Boyle) সাহাকৰ দেখা কৰিবলৈ আহিলে ভাল। কেবাবাৰো আপোনালোকৰ কথা ওলাইছিল। অন্ত মঙ্গল। শীঘ্ৰ মঙ্গলাদি এই ৰূপ পাবলৈ আশা কৰিলোঁ। ইতি আপোনাৰ শ্ৰীসোমেশ্বৰ শর্মা বৰমহৰী)।

হলিৰাম ঢুকনৰ 'অসম বুৰঞ্জী'

"হলিৰাম ঢেঁকীয়াল ফুকনে বঙলা ভাষাৰে ১৮২৯ চনত যিখন 'অসম বুৰঞ্জী' লিখিছিল—সেই বুৰঞ্জীয়ে মিঃ জেমছ প্ৰিন্সেপ চাহাবৰ হাতত পৰি এচিয়াটিক জৰ্নেলৰ পাত ভৰাইছিল আৰু যি বুৰঞ্জীয়ে সেই কালতে অসম শাসন কৰিবলৈ অহা ইংৰাজ বিষয়াসকলক অসমৰ অতীত ইতিহাসৰ কথা জনাই দিলে সেই বুৰঞ্জীৰ সম্পৰ্কে, স্বৰ্গীয় বাবু তাৰানাথ চক্ৰৱৰ্তীয়ে ১৮৩৮ চনত ইণ্ডিয়া গেজেটত এই সমালোচনা কৰিছিল—

"Here our author ends his history and here I must conclude with observing that all things considered, the work does credit to its author. The zeal he has manifested, the labour he has undergone and the pecuniary interest he has sacrificed in the publication of this book surely entitle him to much praise".

যাদুৰাম ডেকা বৰুৱাৰ জীৱনী

"অসমীয়া ভাষাৰ উন্নতিৰ অৰ্থে খৃষ্টান মিচনেৰীসকলৰ লগত যোগ দিয়া দেশীয় ভদ্ৰলোকৰ ভিতৰত আনন্দৰাম ঢেঁকীয়াল ফুকনৰ পিছত নাম ক'বলগীয়া "যাদুৰাম ডেকা বৰুৱা। এৱেঁই প্ৰথমতে ১৮৩৯ চনত অসমীয়া আৰু বঙালী ভাষাত এখনি বৰ ডাঙৰ অভিধান লিখে। অভিধানখনি সংগ্ৰহ কৰি তেওঁ কৰ্ণেল জেনকিন্সক ভেঁটি দিয়ে। জেন্‌কিন্সে আকৌ তাক শিৱসাগৰৰ মিছন ছোছাইটিক দান কৰে। "যাদুৰাম বৰুৱাৰ এই অভিধানখনিকে পঢ়িয়া লৈহে পিচত ব্ৰাহ্মন চাহাবে অসমীয়া ভাষাৰ অভিধানখনি লিখে। "যাদুৰাম বৰুৱাই লেখা পূৰা অভিধানখনি ক'ৰবাত পোৱা যায়নে নেযায় আমি এতিয়াও জানিবপৰা নাই। + + +

এই অভিধানখনি আনন্দৰাম ঢেঁকীয়াল ফুকনে দেখি কৈ গৈছে যেন্তে "যাদুৰাম ডেকা বৰুৱাৰ অভিধানখন এখনি বৰ ডাঙৰ অভিধান আৰু ইয়াত প্ৰায় আঠাইবোৰ অসমীয়া শব্দই আছে।+ + + + +

"যাদুৰাম বৰুৱাৰ মতে আমি খিটো কথা যেনেকৈ উচ্চাৰণ কৰো তাক লেখোতেও তেনেকৈ লিখিব লাগে। সেইবাবে তেওঁ একে উচ্চাৰণৰ আখৰবিলাক (যেনে—শ, ষ, স, চ, ছ, জ, ঝ) তিতৰৰ এটা আখৰ মাথোন ব্যৱহাৰ কৰি ইবোৰ এৰি দিছিল। যথার্থতে ক'বলৈ গ'লে তেনে মতৰ বাবে "যাদুৰাম বৰুৱা অলপো দোষী নহয়; আচলতে উচ্চাৰণলৈ চাইহে কথা কোৱা উচিত। সেই বুলি পাৰিলে এটা শব্দৰ মূল হেৰাবলৈ দিব নালাগে। আজি কালি আখৰ জোটাওঁতে শব্দৰ মূল আৰু উচ্চাৰণ দুইটা ৰাখিবলৈ চেষ্টা কৰা হৈছে আৰু য'ত মূল ৰাখিলে উচ্চাৰণৰ বিশেষ ব্যাঘাত হয় তাতে হে মূল এৰি দি "যাদুৰাম বৰুৱাৰ আহিবে কেৱল উচ্চাৰণকে মাথোন ৰখা হয়। "যাদুৰাম ডেকা বৰুৱা অসমীয়া ভাষাৰ জনচনৰ নিচিনা হ'লেও অসমীয়াৰ তিতৰত কোনো বচৰেল (James Boswell) নথকাত তেওঁৰ নাম অতি কম লোকেহে জানে।

ক্ষণিধৰ চলিহাৰ ডায়েৰী

(জন্ম—১৮৫৫, মৃত্যু—১৯২৩)

[চলিহা ডাঙৰীয়াৰ ডায়েৰীৰ দুপাতমান হেৰা পাই, যেনে পালো তেনে ভাবেই দিয়া হ'ল। টোকা, সমালোচনা পিচলৈ ওলাব বুলি চলিহাদেৱে ইংৰাজীৰে লেখিছিল। অসমীয়া কৰি দিয়া হৈছে।]

দেৱগাওঁ—১।১।১১

মেজৰ প্লেফেয়াৰ (Major A. Playfair D.C.), বাপু (পুতেক পুণ্যধৰ চলিহা) আৰু কাকী বোপালৈ চিঠি লেখোঁ। শ্ৰীযুত দানপতি এচ, আইক কণ্ড মোৰ নিমিত্তে ঘৰ বন্দবস্ত কৰিবলৈ। সেইটো ঘৰলৈ এচিষ্টেণ্ট ইঞ্জিনীয়েৰ Mr. Reny (মিঃ ৰেণী) আহিব। পুখুৰী পাৰতে ফুৰোঁ। আবেলি শ্ৰীযুত কদ্ৰকান্ত বেজবৰুৱা মৌজাদাৰ, শ্ৰীযুত ইন্দ্ৰেশ্বৰ বৰঠাকুৰ, শ্ৰীযুত ঘনকান্ত বৰপূজাৰী (হেডমাষ্টৰ বেজবৰুৱা হাইস্কুলত) আদি কেবাজনো আহে ছ'চাইটিৰ নিয়ম কাৰণৰ কথা সুধিবলৈ। তেওঁবিলাকেৰে সৈতে কথা-বতৰা পাতি

অহা বৃহস্পতিবাৰলৈ ৫ তাৰিখে সভা এখন পতা ঠিক কৰোঁ। সভা বহিব স্থানীয় ছোৱালী স্কুলঘৰত। ইতিমধ্যে, মিঃ বেণী আহি মোক জক্ জক্ কৰে ধৰেহি—ইমানবোৰ মানুহ গোট খুৱাই ইয়াত সভা পাতিবলৈ কোনে কৈছে বুলি। 'বাৰু', আন ঠাইতে পাতোগৈ' বুলি কলোঁ। পুলিচৰ ইন্স্পেকছন বঙলালৈ টালি-টোপোলা লৈ যাওঁ।

দেৰগাঁও—২,১,১১

ৰেভিণ্ড্ৰাৰলৈ অফিছিয়েল চিঠি লেখোঁ—চোৱাঞ্চন (Rev Swanson) আৰু নিধিবল্লভৰ বিষয়ে। ৰাধিকাপ্ৰসাদ বৰুৱা বোপা, বাপু, এচ, বৰা, (সত্যনাথ বৰা) গোপী বৰদলৈ (যোৰহাট) লৈও লেখোঁ। দেৰগাঁও আস্পতালৰ চব-এচিস্টেণ্ট চার্জনৰ লগত কথা পাতোঁ। পুণ্যেশ্বৰ বৰঠাকুৰৰ ভাগিনিয়েক ঘনকান্ত বৰুৱা আহে। চাৰি-আলিলৈকে আধা মাইলমান বাট কাথবৰুৱাৰে সৈতে (মুক্তাগাঞ্জ কাথবৰুৱা) অলপ টহলোঁ। তাৰপৰা সৰ্ব্বেশ্বৰ কাকতীৰ ঘৰলৈ যাওঁ। গধূলি সৰ্ব্বেশ্বৰ কাকতী আৰু দ্বাৰিকা ফুকন---Asst, Surgeon Jorhat আহে।

দেৰগাঁও---৩।১।১১

বাণমুখ ছ'চাইটিৰ (শিৱসাগৰৰ) বিষয়ে যোগেন মৌজাদাৰ, কে, চি, মুখাজিলৈ চিঠি লেখোঁ। ৰাতিপুৱা পুণ্যেশ্বৰ বৰঠাকুৰৰ ঘৰলৈ যাওঁ। তেওঁক লগ নেপালোঁ। ভাগিনীয়েকে বঙলাতে মোক আগ-বঢ়াই থৈ আস্পতাললৈ গ'ল। সৰ্ব্বেশ্বৰ বৰকাকতী মহৰীৰ ঘোঁৰা-টোতে উঠি শ্ৰীযুত পদ্মকান্ত মৌজাদাৰৰ তালৈ যাওঁ, তাতে দুঘণ্টা বহোঁ। তাৰ পিচত ৰুদ্ৰ বৰুৱাৰ ঘৰলৈ যাওঁ। তেওঁক লগ পাই কমলাকান্ত বৰুৱা ডি, আইৰ দেউতাক ভগী বৰুৱা আৰু লোকাই বৰুৱাক দেখা কৰোঁগৈ। পিচে, কাকো লগ নেপালোঁ। কেউজন মহীধৰৰ শ্ৰাদ্ধলৈ 'গল। হৰনাথ চিৰন্তাদাৰৰ দেউতাক কীৰ্ত্তি হাজৰী-কাৰ আজো ককা দেউতাক মনু বৰ মহৰীক লগ ধৰোঁ। তেওঁকো লগ নেপালোঁ। ল'ৰা দুটা লৈ নেঘেৰীটিঙলৈ যাওঁ। দ'লটো চাওঁ।

দেৰগাঁও—৪।১।১১

বিহানেই উঠোঁ। আজি শৌচ পৰিষ্কাৰ। কালি কিবা বেয়া বস্তু পৰিল হ'ব পায়। শ্ৰীযুত ওণহাস গোসাঁই, কালী অভৰছিয়াৰ, বাপুলৈ চিঠি লেখোঁ। গোলাপক মনু বৰমহৰীৰ ঘৰলৈ পঠিয়াওঁ, তাতে সি

লাগি ধৰেঁগৈ। বহুত বেঙিৰ মূৰত হে আহে। হিম বোপাৰ (হিমকান্ত বৰুৱা মৌজাদাৰ, শিৱসাগৰ) বায়েকক চাওঁ। মোহনলালৰ বায়েককো লগ ধৰোঁ। ছটা কোমল চাউল, দৈ গাখীৰ আৰু মালভোগ কল খাওঁ। মনু বৰমহৰীৰ বৰ জোঁৱায়েকক লগ পাওঁ। বৰমহৰীৰ তাইলৈ ঘৰ নোৱাবিলোঁ।

দেৱগাঁও—৫।১।১১

সেঁ ভৰিৰ কলাফুলত বিষ। ভাল টোপনি নহ'ল। "বেঙলী" কাকতৰ মেনেজাৰলৈ চিঠি লেখোঁ। দেৱগাঁৱৰ ঠিকনালৈ মোৰ কাগজখন পঠিয়াবলৈ। বাবু উপেন্দ্রলাল শাহা, ৪৭ বলোৰাম মজুমদাৰ ষ্ট্ৰীট, হাটখোলা, কলিকতা—এওঁলৈ চিঠি লেখিব লাগে বুলি কালী অভৰচিয়েৰলৈ চিঠি লেখোঁ। শাহা আমাৰ এজেণ্ট হ'ব খুজিছে। ক্ৰেডিট ছ'চাইটি এখন পাতোঁ। সভ্য বিশজন হয়। ৬২৩ টকা জমা। ১০ টকা প্ৰবেশ মূল্য। সন্ধ্যা ৮ বজাত সভা ভাগে। দেৱগাঁৱৰ পৰা নেঘেৰীটিঙলৈ—৬।১।১১

দেৱগাওঁ ছ'চাইটিৰ ৰিপ'ৰ্ট লেখোঁ। দুই বজাত চিকাৰীঘাটলৈ যাওঁ। ৰায় চাহাবে বিষ্ণুৰাম বৰুৱা তহীলদাৰক লগ পাওঁ। ৰাতি ৯ বজাত খৰচ জাহাজত উঠোঁ।

নেঘেৰীটিং—৭।১।১১

ৰাতি ৮॥ বজাত নেঘেৰীটিঙৰপৰা ৰায় চাহাবে বিষ্ণুৰাম বৰুৱাৰে সৈতে যাওঁ। ৰাতিপুৱা ১১ বজাত ধনশিৰীমুখ পাওঁগৈ। তাতে চাহপানী জলপান খাওঁ। আবেলি ৪ বজাত বিহালী পাওঁ। কমল কাকতী চবডেপুটী কলেক্টৰৰ ঘৰতে থাকোঁ। দেবেন মৌজাদাৰক লগ পাওঁ। গধূলি অম্বিকা আছে।

৮।১।১১

৯ বজালৈকে কুঁৱলী মাৰি আছে। ৫॥ বজাতে শুই উঠোঁ। চব অভৰচিয়েৰ ব্ৰজ বাবু আৰু চব ইন্সপেক্টৰ অৰ পুলিচ কমলাৰ ঘৰলৈ যাওঁ। কমলাৰ সাক্ষ্য লওঁ। বিষ্ণুৰাম তহীলদাৰে সৈতে থানালৈ যাওঁ। গধূলি ৬ বজাত ই, এ, চি, কিশোৰী বাবু আহে ১১০ ধাৰাৰ মোকৰ্দমা ল'বলৈ। ৪ মাইল বাট খোজ কাঢ়ো। গোৱালণ্ড জাহাজৰ বিষয়ে ছুপাৰিণ্টেণ্ডেণ্টলৈ অভিযোগ লেখোঁ।

বিহালী—৯।১।১১

ৰতৱ মুকলি—কুৱঁলী নাই। দিনাই মৌজাদাৰ আহে। কিশোৰী বাবুক ডাক বঙলাতে দেখা কৰোঁগৈ। তেৱোঁ আমাৰ ওচৰলৈ আহে। দুই বজাত কাৱলী ৰোপালৈ টেলিগ্ৰাম দিওঁ—বুধৰাৰলৈ দিচাং-মুখ ঘাটলৈ ৰাগীখন পঠিয়াবলৈ। ফকিৰ শিৱৰাম পূজাৰী আহে। বিষ্ণুৰামে সৈতে কিশোৰী বাবুৰ তাললৈ যাওঁ।

বিহালী—১০।১।১১

ৰাতি ৮ বজাত বিহালী এৰোঁ। ৰাওঁ ভৰিত্ত মিয়া 'চিত্ৰাঙ্গী' জাহাজত বিহালীৰ পৰা ধনশিৰী ঘাটলৈ। বিষ্ণুৰাম বৰুৱা (তহঁশিলদাৰ) ১ম শ্ৰেণীত আৰু মই ২য় শ্ৰেণীত আহোঁ।

১১।১।১১

ধনশিৰী ঘাটৰপৰা দিচাংঘাটলৈ ৰাটত। ১১-১৫ মিঃত শিৱসাগৰ পাওঁহি।

ৰাতিপুৱা ৬ বজাত ধনশিৰী এৰোঁ। কুৱঁলীৰ বাবে ঘাটতে জাহাজ ৰাখে। ৰাতি ৯০ বজাত নেঘেৰিটিং পাওঁহি। ইয়াতে বিষ্ণুৰাম নামিলে। দুই বজাত ফকিৰামুখ পাওঁ। দিখৌমুখ পাওঁতে ৫ বাজে। জঙ্গীয়ে দেখা কৰে। ৰাতিপুৱা ৮ বজাত দিচাংমুখ পাওঁ। ঘাটৰপৰা আধা মাইল আঁতৰতে কালী ৰোপাৰ ৰাগীখন ৰৈ আছিল। ঘোঁৰাটো ঘাটৰ ওচৰতে চৰি আছিল। ৯২-৯৫ মিনিটত (লোকেল সময়) পাওঁহি। এচ, চি, (পৰিবাৰ) শয়নত। চাহ ৰা ভাতপানী একো খাবলৈ নহ'ল।

শিৱসাগৰ—১২।১।১১

লোকধৰ বাবু, দুৰ্গাচৰণ খাটনিয়াৰ, গৌৰীদত্ত মিশ্ৰ আহে। থানু কলিতা আহে। কৰ্কৰা ভাত দিয়া বাবে ঘৰত খং কৰোঁ। ৰাজীৰে আকৌ ভাত ৰান্ধি দিয়ে। গৃহিনী গৰাকী ১১-১৫ মিনিটলৈকে (নিশা) শুই থাকে। ঘন বাপুটি নিশা ১ বজাত শুবলৈ যায়। গাড়ী ভাড়া ১০ দিও (দিচাংমুখৰপৰা)। কাৱলী ৰোপাৰ তাললৈ যাওঁ। তাতে সভাৰাম বজাদাৰক লগ পাওঁ।

১৩।১।১১

ৰাতিপুৱা সোণেশ্বৰ ৰৱা আহে। মেজৰ হাৱেললৈ চিঠি লেখোঁ—ভৱানী ঘোপাৰ বিষয়ে (ভৱানীপ্ৰসাদ বৰুৱা)। ডিঘেশ্বৰ মৌজাদাৰলৈ পষ্টকার্ড এটা দিওঁ। ষ্টৰৰ কাম কৰোঁ। অক্ষয় বাবু (অক্ষয় কুমাৰ ঘোষ, উকীল) আহে। হিমকান্ত মৌজাদাৰৰ ঘৰত টাউন বেঞ্চৰ সভা বহে। অভয় বাবু, কীৰ্ত্তি পণ্ডিত, সোমধৰ পণ্ডিত, হিম মৌজাদাৰক ৪০০০ কৈ টকা ধাৰলৈ দিবলৈ মঞ্জুৰ কৰা হয়। ৰমা নাজিৰে সৈতে দীন বাবুৰ তালৈ যাওঁ। মিঃ সন্দিকৈ (ৰাধাকান্ত সন্দিকৈ) মোলৈ বৈ থাকে।

মাঘবিহু—১৪।১।১১

শ্ৰীনাথ খাজাঞ্চীৰ তালৈ যাওঁ। দুষোঁ বোপাক লগ নেপালোঁ। শ্ৰীযুত ৰমা নাজিৰৰ তালৈ যাওঁ। মিঃ সন্দিকৈ তালৈ অহাৰ কথা আছিল। তাতে তেওঁক লগ পাব খুজিছিলোঁ। কেশৱ ভড়ালী আৰু বিনন্দ বোপাৰে দীন বাবুৰ তালৈ যাওঁ। দীন বাবুৰ গা ভাল নহয়।

১৫।১।১১

জগন্নাথ বেজবৰুৱাৰ তালৈ যাওঁ। তেওঁ ঘৰত নাই। শিৱদেৱ গোস্বামীক লগ পাই আহোঁ। ডেপুটী ইন্সপেক্‌টৰ গোলাপ মাষ্টৰক লগ ধৰোঁ। তেওঁৰ ঘৰত কাকো লগ নেপালোঁ। ৰামেশ্বৰ হেড্ মাষ্টৰৰ তালৈ যাওঁ। তেওঁ নাই। তাৰপৰা লোকনাথ চিৰন্তাদাৰ আৰু কৈলাস শৰ্ম্মাৰ ঘৰলৈ যাওঁ। কৈলাসে মোক আমাৰ ঘৰৰ পদুলিমুখৰ বাটচৰাতে থৈ যায়হি।

১৬।১।১১

দীন বাবুৰ অৱস্থা ভাল নহয় (দীনধৰ কটকী)। দেশীয় খৃষ্টানৰ সম্ভালৈ মতা চিঠিৰ উত্তৰ দিওঁ—ৰেভাৰেণ্ড চোৱানচন চাহাবলৈ। যাৰ নোৱাৰি দুখ প্ৰকাশ কৰোঁ। তাৰিণী বোপাৰ তাত বহোঁ। ভৱানী বোপা আৰু জগন্নাথ বেজবৰুৱাক লগ পাওঁ।

১৭।১।১১

তাৰাকুমাৰ আৰু ৰাতিয়া চলিহা আহে। ষ্ট'ৰৰ পিন্ধন আহে ১১ বজাত। গধূলি ইন্দ্ৰেশ্বৰ (বৰঠাকুৰ) আহি দীন বাবুৰ তাৰপৰা

আহি ভাওৰীয়া সোমেশ্বৰ বৰুৱা মৌজাদাৰৰ তাত বহোঁ। নাৰায়ণ ভূঞা আহে আমাৰ পদুলি মুখলৈকে। গোসাঁই ঘৰত বকতাৰ গোসাঁই এজনে ভাত ৰান্ধে। দামোদৰ ভৰালী আৰু যোগাই পাচনী আহে।

১৮।১।১১

কুৱঁলীয়ে ছাটি ধোৱাত ৰাতিপুৱা ফুৰিবলৈ নহ'ল। ৰাতিপুৱা ৮ বজাত ই, এ, চি, ৰজনীকান্ত দস্তিদাৰ আহে। তেওঁৰ লগতে শ্ৰীযুত শ্ৰীনাথ খাজাঞ্চী আৰু শ্ৰীযুত ইন্দ্ৰেশ্বৰ ৰাজখোৱা মৌজাদাৰ আহে। ডিবুকৰ মাটি বেচাৰ বিষয়ে বংশী ডাৱোগালৈ চিঠি লিখোঁ। ৰাধিকা বোপা (ৰাধিকা প্ৰসাদ বৰুৱা) ফটিক ডাৱোগা আহে। মানুহ আহি থকা বাবে ক'লৈকো ওলাবই নোৱাৰিলোঁ।

১৯।১।১১

ৰাতিপুৱা ৰৱমুণ। ৰৱমুণতে ইন্দ্ৰেশ্বৰ ৰাজখোৱাৰ তালৈ যাওঁ। লোকধৰ বাবুও তালৈকে আহে। আবেলি দীন বাবুক চাবলৈ যাওঁ। বংশী চৰ ইন্সপেক্টৰক পাওঁ। এতিয়াও তেওঁ ভাল হোৱা নাই। ৰাধিকা বাপাক লগ পাওঁ; ভাওৰীয়া ৰত্নধৰ বৰুৱাক ৰাগিচা চলাবলৈ ১০।১২ হেজাৰ মান টকা ধাৰলৈ লাগে বুলি ৰাধিকা বোপাই কয়।

২০।১।১১

ৰৱমুণ। গেৰ্‌গেৰীয়া চেঁচা। দীনধৰ কেৰাণীৰ ঘৰত বিষ্ণুনাম তুলসী দিয়া। তালৈকে যাওঁ।

২১।১।১১

দুলাল আহে। বাপু আৰু ৰাজীৰক পঠুৱাওঁ। দীন কেৰাণীৰ ঘৰলৈ যাওঁ।

২২।১।১১

লোকধৰ বৰুৱা আৰু গৌৰীদত্ত মিশ্ৰ আহে। দীনধৰ কেৰাণীৰ ঘৰলৈ যাওঁ। বংশী মোৰ লগতে আহে। বাগুৰাম গিয়ন আহে ৮ বজা ৰাতি।

২৩।১।১১

ৰমা গোহাঁইৰ (নাজিৰ) তালৈ যাওঁ। প্ৰবোধ বৰদলৈক লগ পাওঁ। দীনধৰ কেৰেণীৰ তালৈ যাওঁ।

২৪।১।১১

গাটো জ্বৰ জ্বৰ লাগি আছে। দস্তিদাৰৰ তালৈ যাম বুলি ভাবিছিলোঁ—যাব নোৱাৰিলোঁ। ১২ বজাত যোগেন্দ্ৰ মৌজাদাৰ আহে। বংশী হেড্‌ক্লাৰ্ক আছে। সন্দিকৈৰ নামে চিঠি এখন দিওঁ—নাজিৰাৰ ঠিকনাত। দীনধৰ কেৰাণীৰ ঘৰলৈ যাওঁ। তাতে লোকধৰ বাৰু আৰু ডাঙৰীয়া ৰঘুধৰ বৰুৱাক লগ পাওঁ।

২৫।১।১১

ৰাতিপুৱা ৭ বজাত কালী বোপাৰ বাগীখন আহিবৰ কথা আছিল। নাহিল। দুখু চহিচৰ বোলে গা ভাল নহয়। ৭ বজাতে শ্ৰীযুত কৃষ্ণপ্ৰাণ চাংকাকতীৰ তালৈ যাওঁ—প্ৰটিষ্টেণ্ট ৰেজিষ্ট্ৰাৰ প্ৰবোধচন্দ্ৰ বৰদলৈক লগ ধৰিবলৈ। তাতে ৰমা নাজিৰক লগ পাওঁ। তাৰপৰা দুৱো ৰজনী দস্তিদাৰৰ তালৈ যাওঁ। মহেশ্বৰ চিৰন্তাদাৰক লগ পাওঁ। তেওঁৰ পুতেক মাণিকেৰে কথা পাতো। তাৰ পিচত পাদুৰী চাহাৰ পলৰ (Puoll) তালৈ যাওঁ, তেওঁক নিমনাগড়ৰ কনফাৰেঞ্চৰ কথা সোধোঁ। তেওঁ চহৰ ফুৰি পাইছেহি মাত্ৰ। ৰঘুধৰ বৰুৱাই বিচৰা ধাৰৰ কথা লেখি মিঃ কে চি চৌধুৰীলৈ চিঠি এখন দিওঁ। তাৰপৰা কালী বোপাৰ তালৈ যাওঁ। তাতে বলো কেৰাণী চাৰিওৰ, আনন্দ সাগৰ বৰ, শ্ৰীনাথ খাজাঞ্চীক লগ পাওঁ। দুপৰীয়া ১১ বজাত প্ৰমদাকিশোৰ ৰঙ্গ উকীলক লগ পাওঁ।

২৬।১।১১

বৰষুণ কিন্‌কিনাই আছে। ওলোৱা নহ'ল। মেজৰ প্লেফেয়াৰে ছোপাবৰত ছ'চাইটি খুলিৰ লাগে বুলি মোলৈ চিঠি দিয়ে। পাদুৰী পলৈ কিতাপ-পত্ৰ পঠিয়াওঁ। ফাটেকিয়ালৰ কামৰ বিষয়ে সুধি ডাক্তৰ মাচিনলৈ চিঠি দিওঁ। আবেলি ভাবা ভাগৱতী আহে। দীনৰ বুৰ তালৈ যাওঁ। তাৰপৰা ৰঘুধৰ বৰুৱাৰ ওচৰলৈ। গেজাপ, মোক্ষ, ৰজীৱ আৰু বাপুক পঢ়ুৱাওঁ।

২৭।৮।৯৯

ঘিনাৰাম এছ আইৰ খাপেক পদৰাম ডেকা আছে।

২৮।৯।৯১

ভুলেৰাম আৰু মিমেধৰ আছে। দীঘৰাবুৰ স্যাৰে যাওঁ। তেওঁ পশ্চীয়া শৌচ কৰিছে।

২৯।৯।৯১

দেওৰাৰ ঃ—কেশৰ ভড়ালী, দুৰ্গা খাটনিয়াৰ, ৰত্নধৰ বৰুৱা, গোপাল বৰুৱা, দুলাল বৰুৱা, কেৰ্কণ জমাদাৰ আছে। বাপুটি আৰু গোলাপ টেঙাপুখুৰীলৈ যায় ৯॥ বজাত। মই যাওঁ ১-৫০ মিনিটত। মোক্ষ, বাপচান, বাপু বেজবৰুৱা স্কুললৈকে আছে। মণিপুৰীয়া গাঁৱৰ ওচৰতে মিঃ কাজীলালৰ (Deputy Conservator of Forest) লগত ভেট ভেটি হয়। ৭-১০ মিঃত গধূলি টেঙাপুখুৰী পাওঁগৈ। তাতে ৰঙ্গেশ্বৰ বৰুৱা মৌজাদাৰৰ তাত থাকোঁ। লাক্ষ গাড়ীখন ষ্টেশ্বনত ৩ মাইললৈকৈ থৈছিল।

৩০।৯।৯১ টেঙাপুখুৰী

আজি ডাক নাই। নাজিৰাৰ পণ্টমাষ্টৰ, বাপু আৰু পাদুৰী পত্ৰ চাহাবলৈ চিঠি লেখোঁ। শ্ৰীযুত ইন্দ্ৰেশ্বৰ ৰাজখোৱা মৌজাদাৰৰ তাৰপৰা ১৯-০২২০ নলমান হ'ব। তাৰ পিছত দলবাগানলৈ যাওঁ— এই এমাইল বাট খোজ কাঢ়ি ভাগৰ লাগে।

১।২।৯১

টেঙাপুখুৰী ঃ—ৰঙ্গেশ্বৰ মৌজাদাৰ ৯ বজাতে শিৱসাগৰলৈ গ'ল। শ্ৰীযুত ইন্দ্ৰেশ্বৰ ৰাজখোৱাৰ ঘৰলৈ যাওঁ। বেল ষ্টেছনৰ গে.নে আধা মাইলমান ফুৰোঁ। কাপোৰ-কানিবোৰ ধুবলৈ দিওঁ।

২।২।৯১

টেঙাপুখুৰী ঃ—আজি পেটটো চিচা পাইছোঁ—কেৱাৰ বো শৌচ হৈছে। ৰাতিপুৱা কুণ্ডলী থকা গুণে মুখিবলৈ যাবলৈ নহ'ল। পদ্ম-নাথ বৰুৱা, কমল বৰুৱা মৌজাদাৰ বাবুলৈ চিঠি দিওঁ। ৯ তাৰিখলৈ ৰাহিৰ খোজা খুণ্টান কনফাৰেন্সৰ নিমন্ত্ৰণী চিঠি পাওঁ। নন্দ খাটনিয়াৰৰ হাতত উত্তৰ দিওঁ। ৰঙ্গেশ্বৰ মওজা আছে। ইন্দ্ৰেশ্বৰ

মৌজাদাৰ আহে। গধূলি ৭ বজাত বহু মৌজাদাৰ শিৱসাগৰৰপৰা পায়হি। মোৰ বহু দুটামান লৈ আহে।

৩।২।৯১

টেঙাপুখুৰী ঃ—সোনকালেই উঠোঁ। ইন্দ্রেশ্বৰ মৌজাদাৰ আহে। ঘিউ-মাখনৰ ল্লিপধন বাপুলৈ পঠিয়াওঁ। আবেলি নীল ডাৰোগা (নীলকান্ত বৰুৱা) আৰু বাপী ডাৰোগালৈ চিঠি লেখোঁ। ডিবৰুৰ মাটিৰ বিষয়ে। ইন্দ্রেশ্বৰ মৌজাদাৰে ১০ জন সভ্য কৰি ছ'চাইটিৰ নিমিত্তে ২০০ টকা আনে।

৪।২।৯১

নাজিৰাৰপৰা হলিয়ে ডাক আনে। দলবাগানৰ ফালে ফুৰিবলৈ যাওঁ। চোলাধৰাৰ বিষয়ে কিবা কবলৈ গোসাঁই এজন আহে।

৫।২।৯১

হেড্‌ক্লার্ক কমলেশ্বৰ ভট্টাচার্য্য আৰু মথুৰাপুৰৰ ডাক্তৰ ফৰ্চাদ্দিনে ক্রমান্বয়ে ৫০।৫০ টকা দি ছ'চাইটিৰ সভ্য হয়। মালী পণ্ডিত আৰু যোগাই পণ্ডিতেৰে কথা পাতি দলবাগানৰ ফালে যাওঁ। ৰাতি মাল-ভোগ গাওঁবুঢ়া, মালী পণ্ডিত আৰু যোগাই পণ্ডিত আহে।

৬।২।৯১

টেঙাখাট ঃ—ৰাতিপুৱাই শিলাকুটী মৌজাদাৰৰ তালৈ যাওঁ। কমলৰ হাতত বাপুলৈ চেনিগুটি এবটল পঠিয়াওঁ। চৰাইদেওৰ কাদিৰ ডাক্তৰ আহে। তেওঁ ছ'চাটিলৈ একো নিদিওঁ বুলি কয়। মালভোগ গাওঁবুঢ়াই বঁটা পোৱাৰ নিমিত্তে আপত্তি কৰে।

২৬ ডিচেম্বৰ, ১৯১৫ ঃ—ৰাতিপুৱা শ্রীযুত পৰ্ণৱাম খাউণ্ডৰ ঘৰলৈ যাওঁ। তাতে কামাখ্যা বৰুৱা আৰু চন্দ্রধৰ বৰুৱাক লগ পাওঁ। খাউণ্ডে সৈতে ওলাই আহি শ্রীযুত প্রসন্নকুমাৰ বৰুৱাৰ তালৈ যাওঁ। মিঃ নবীন চন্দ্র বৰদলৈক লগ পাওঁ। (আসাম এচচিয়েছনৰ বাবে) মিঃ শ্রীনাথ বেজবৰুৱা, ৰাধি বোপা (শিৱসাগৰৰ ৰাধিকাপ্রসাদ বৰুৱা), ব্রাহিৰাম বৈৰাগী পায়হি। আবেলি মিঃ ৰাধানাথ চাংকাকতী আৰু দুর্গানাথ চাংকাকতীক চাওঁগৈ। গধূলিলৈ শিৱসাগৰৰ পৰা ফটিক বাবুও (ফটিক চন্দ্র গগৈ) পায়হি।

২৭ ডিচেম্বৰ :—আসাম এচ'চিয়েছনৰ সভা (প্ৰথম দিন) :—
ৰাতিপুৱা নীলাম্বৰ (দত্ত), দুৰ্গা (চাংকাকতী), ৰাধা (চাংকাকতী), যজ্ঞেশ্বৰৰ (চলিহা) ঘৰলৈ যাওঁ। তাৰ পিছত জৰ্জ ইনষ্টিটিউচনৰ আগৰ মুকলি চোতালত পতা সভাৰ ৰঙাঘৰলৈ যাওঁ। সেই চোতালৰ মাটিখিনি মোৰ। মিঃ নবীনচন্দ্ৰ বৰদলৈ সভাপতি নিৰ্ব্বাচিত। মিঃ ঘনশ্যাম বৰুৱা প্ৰধান সম্পাদক। বিষয় বাছনি সভাত অসমীয়াকেই প্ৰস্তাৱবিলাক ব্যাখ্যা কৰা হয়। আলোচনা বৰ গৰম গৰম হৈছিল।

২৮ ডিচেম্বৰ :—ৰাতিপুৱা নীল ডাৰোগা আৰু দুভিৰাম হেণ্ডলাৰ্ক দুলাল বৰুৱাৰ ঘৰতে দুৰ্গা চাংকাকতী, ৰাধানাথ চাংকাকতী, লক্ষ্মীনাথ কাকতীৰ জোঞাকৈ ভাতৰ উমেশ চৌধাৰীক লগ পাওঁ। দুপৰীয়া কনফাৰেন্সলৈ যাওঁ। মোৰ ঘৰতে নিয়ম প্ৰণালী গঠন সম্পৰ্কে তুমুল তৰ্ক হয়। প্ৰসন্নকুমাৰ বৰুৱাই নিমন্ত্ৰণ কৰা চাহমেজলৈ যাওঁ। সত্য বৰা, চন্দ্ৰ বৰুৱা, সদানন্দ দুৱৰা, দুৰ্গা চাংকাকতী, মৌ তফজল আলি, পদ্ম বৰুৱা প্ৰভৃতিক সভাৰ নিয়ম প্ৰণালী ৰচনা কৰিবলৈ ভাৰ দিয়া হয়।

২৯ ডিচেম্বৰ :—গুণগোবিন্দ বৰুৱাক লগ ধৰোঁ। সভাত ৩২টা প্ৰস্তাৱ গৃহীত হ'ল—নিৰ্ব্বিবাদে। চাহ-জলপানৰ মেলৰপৰা আহি থিয়েটাৰ চাওঁ, ৰাতি ১১ বজাত ভাত খাওঁ।

আসাম মহিলা সম্মিলনীৰ দ্বিতীয় বছেৰেকীয়া অধিবেশন

[১৯২৯ চনৰ ৩০ মাৰ্চৰ পৰা দুদিনীয়াকৈ কাৰ্য্যসচীৰে ৰাষিক অধিবেশন বহিছিল। আহোম ৰাজবংশৰ জিয়ৰী আৰু অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি মেহপাৰাৰ জমিদাৰ সুসাহিত্যিক নগেন্দ্রনাৰায়ণ চৌধুৰীৰ পত্নী প্ৰফুল্লবালা চৌধাৰী আছিল এই অধিবেশনৰ সভানেত্ৰী। "তিৰোতাই যদি ভাত ৰান্ধে, পুৰুষে ধৰি নেফালিব কিয়?" বোলা সভানেত্ৰীৰ উক্তিয়ে বহুদিনলৈ সমাজত আলোড়নৰ সৃষ্টি কৰিছিল। সেই সময়ত মোৰহাটত ষ্টে-এ-চি হৈ থকা বেণুধৰ ৰাজখোৱাৰ পত্নী ৰত্নকুমাৰী ৰাজখোৱানী

আসাম মহিলা সম্মিলনীৰ ২য় বছেৰেকীয়া অধিবেশন, যোৰহাট, ডিচেম্বৰ, ১৯২৮

চকীত বহি (বাওঁফালৰ পৰা)—৬ষ্ঠ নাৰায়ণী সন্দিকৈ, ৭ম প্ৰফুল্লবালা চৌধুৰী (সভানেত্ৰী), ৮ম বৰ্ম্মকুমাৰী ৰাজখোৱানী। ঠিয় হৈ সোঁফালৰ পৰা—৪র্থ ৰাধাকান্ত সন্দিকৈ, ৬ষ্ঠ বেণুধৰ ৰাজখোৱা।

অধিবেশনৰ আদৰণি সমিতিৰ সভানেত্ৰী আছিল। ৰাজখোৱানীৰ কৰ্ম্ম-কুশলতা আৰু নেতৃত্বই সেই সময়ৰ মহিলা সমাজক উৎসাহ দিছিল। তেওঁৰ আদৰণি অভিভাষণৰ চমু পাঠ তলত দিয়া হ'ল ঃ]

মাননীয় আইসকল আৰু চেনেহৰ ভনিটীহঁত ঃ—

"যাৰ অনুগ্ৰহত অসমীয়া জাতিয়ে মাতিবলৈ ভাষা আৰু ভাষ পাইছে আৰু যাৰ অনুগ্ৰহত একেডালি নিৰ্ম্মল ধৰ্ম্মৰ জৰীত সদৌ অসমীয়া হিন্দু জাতি সংঘবদ্ধ হৈছে, সেই মহাপুৰুষ শ্ৰীশ্ৰীশঙ্কৰদেৱৰ পাদপদ্মত সেৱা জনাইছোঁ।

আমাৰ যোৰহাটত তিৰোতাৰ শিক্ষা নিচেই তল খাপত আছে। ইয়াত ছোৱালীৰ হাইস্কুল এটা আজিলৈকে হোৱা নাই। যোৱা ২০ ফেব্ৰুৱাৰী তাৰিখে মাথোন শ্ৰদ্ধাস্পদ ৰায় বাহাদুৰ ৰাধাকান্ত সন্দিকৈ ডাঙৰীয়াৰ বিশেষ যত্নত এখনি মহিলা সমিতি স্থাপিত হৈছে। কিন্তু সেই বুলি আমি নিৰাশ হোৱা নাই। যোৱা মাঘ মাহৰ 'অৰুণ' কাকতত আপোনালোকে বোধকৰোঁ দেখিবলৈ পাইছে যে এই যোৰহাটৰে এগৰাকী সম্ভ্ৰান্ত মহিলাই 'অৰুণ'ৰ উন্নতিৰ অৰ্থে ৩০ টকা দান কৰিছে, কিন্তু সেই মহিলাই তেওঁৰ নাম প্ৰকাশ কৰিবলৈ হাক দিয়াত 'অৰুণে' নাম প্ৰকাশ কৰিব নোৱাৰিলে। ইমান নিঃস্বাৰ্থভাৱে যি ঠাইৰ তিৰোতাই দেশৰ কাম কৰিব পাৰে, সেই ঠাইত কোনো নিৰাশাবাদী থাকিব নোৱাৰে। তদুপৰি যোৰহাটত শিক্ষিত পুৰুষে যে অশিক্ষিতা তিৰোতাৰে দীৰ্ঘকাল গৃহবাস কৰি থাকিব নোৱাৰিব, সেই কথা নকলেও হ'ব। তিৰোতাৰ শিক্ষা কোন প্ৰকাৰৰ হ'ব লগে, সেই বিষয়ে মতভেদ থাকিব পাৰে, কিন্তু তিৰোতালো যে শিক্ষাৰ আৱশ্যকতা আছে, সেই বিষয়ে সকলোৱে একমত। তিৰোতাক পোহৰ নালাগে বুলি কোনে ক'ব? যুগ যুগান্তৰ পৰ্দ্দা আৰু দীঘলীয়া একঠীয়া ওৰণীৰ ভিতৰত ৰাখিম, এনে কথা কোন শিক্ষিতৰ মুখত ওলাব পাৰে? পুৰুষ আৰু তিৰোতা দুয়ো সমানে সূৰ্য্যৰ আৰু চন্দ্ৰৰ পোহৰ পাব লাগে। কোনে ক'ব, পুৰুষ দিন আৰু তিৰোতা ৰাতি? কোনে ক'ব পুৰুষ পোহৰ, তিৰোতা এন্ধাৰ? কোনে ক'ব, পুৰুষক ৰাতি নালাগে, তিৰোতাক দিন নালাগে? কোনে ক'ব পুৰুষক চন্দ্ৰ নালগে, তিৰোতাক সূৰ্য্য নালাগে? তিৰোতা বেদ অধ্যয়নৰ অধিকাৰিণী নহয় নে? শূদ্ৰ আৰু তিৰোতা একে শাৰীৰে

বুলি শাস্ত্ৰত লিখা আছে। তেনেহলে আজি শূদ্ৰই বেদ পঢ়িছে আৰু পঢ়াইছে কিয়? তিৰোতা নিশকতীয়া বাবে শূদ্ৰৰ শাৰীলৈও উঠিব নোৱাৰে নে কি? তিৰোতা অবলা তাৰ বাবে পুৰুষ দায়ী নহয় নে? যি স্থলত তিৰোতাক ১২ বছৰত বিয়া দি ১৪ বছৰত ল'ৰা-মাক পাতিবলৈ পুৰুষসকল তৎপৰ সেই স্থলত তিৰোতা অবলা নহৈ সবলা হ'ব পাৰে নে? চেচুকত আৱদ্ধ থাকিলে তিৰোতা ডেমডেউকা নহৈ, নাহৰ হ'ব পাৰে নে? তিৰোতাক মুকলি বতাহৰ পৰা বঞ্চিত কৰি স্বাস্থ্যহীনা কৰা বাবে পুৰুষসকল জগৰীয়া নহয় নে? ঈশ্বৰৰ বিধান মতে তিৰোতা অবলা পুৰুষে এনে কথা ক'ব খোজে নে কি? তৃতীয়া তিৰোতা একোজনীৰ ওচৰত থিয় দিবলৈ অসমীয়া সবল পুৰুষবো বুকু কঁপি যাব। তৃতীয়া তিৰোতা নো কেনেকৈ সবলা হ'ল? তেওঁ-বিলাকৰ বেলিকা ঈশ্বৰৰ বিধান নেখাটে নে কি? তিৰোতা মাতৃ হ'ব লাগে বুলিয়েই তেওঁবিলাকৰ ওপৰত অযথা অত্যাচাৰ হ'ব লাগে নে কি? আমি কওঁ, তিৰোতা মাতৃ হ'ব লাগে বাবে তেওঁবিলাকক সবলা কৰিবলৈহে পুৰুষৰ যত্ন হ'ব লাগে। তেতিয়াহে সবল পুত্ৰ জন্ম হ'ব। অপৰিপক্কা স্বাস্থ্যহীনা তিৰোতাৰ পুত্ৰ অল্পায়ু নহৈ কি হ'ব? কম বয়সতে পুৰুষৰ মৃত্যু ঘটি, তিৰোতা বিধবা নহৈ কি হ'ব? বিধবা তিৰোতাৰ কথা পুৰুষসকলক ভাবিবলৈ নকওঁ, কিয়নো তেওঁবিলাকে সেই বিষয় ভাবিবলৈ ভাল নেপাবও পাৰে। অপেণত বয়সত পুৰুষৰ মৃত্যু ঘটে, আমি তেওঁবিলাকক সেই কথা টিহে ভাবিবলৈ কৈছোঁ। পুৰুষৰ অপমৃত্যু নিবাৰণ হ'লেই লগে লগে বিধবা সমস্যাৰ মীমাংসা হৈ যাব। তিৰোতাৰ অভাব অভিযোগৰ কথা আমি কিমান কম। তিৰোতাসকল মৰুভূমিত বসতি কৰিছে বুলিব লাগে। তেওঁবিলাকৰ দুৰ্গতিৰ শেষ সীমা পাইছেহি, কিয়নো তেওঁবিলাকৰ মুখত এতিয়াও হাঁহি ওলায়। তেওঁবিলাকে নিজৰ দুৰ্গতিৰ কথা উপলব্ধি কৰিব পৰা নাই। নৰকৰ যন্ত্ৰণাকো স্বৰ্গসুখ বুলি ভাবিছে, কিয়নো পুৰুষসকলে বুজাই দিছে যে এয়ে তিৰোতাৰ স্বৰ্গসুখ। এসময়ত পুৰুষসকলে ক'লে যে তিৰোতাই মৃত পতিৰ চিতাত জাপ মাৰি পৰিলেই উফৰি গৈ স্বৰ্গত স্বামীৰ লগ পাব গৈ, আৰু তিৰোতাসকলে সৰল বিশ্বাসত

উঁইচিবিজাব দবে জাকে জাকে ভীষণ কাজাগ্নিত আত্ম-সমর্পণ কবিছিল। পবম দয়ালু গবর্ণমেণ্টে আমাক সেই বিষয়ে সহায় নকবা হ'লে, আজিও আমি চকুব আগতে তেনেকুবা শত শত হৃদয়-বিদাবক দৃশ্য দেখিলো হেঁতেন। পুকষে ভাবিছিল যে সতীদাহ প্রথাব দ্বাবা তেওঁবিলাকব ব্যক্তিগত ক্ষুদ্র স্বার্থ অটুট থাকিব, অর্থাৎ তেওঁবিলাকে জীৱদ্দশাত তিবোতাব আশাওধীয়া শুশ্রূষা পাব। তেওঁবিলাক এনে স্বার্থান্ধ আছিল যে তেওঁবিলাকব বিধান মতে তেওঁবিলাকব মৃত্যুব পাচতো তিবোতাই আনক ভাল পোৱা দিব নোৱাবিব। পুৰুষ মবিলেই যে তিবোতাই আন পতি গ্রহণ কবিব, এনে কথা ভাবিবলো কাৰণ দেখা নেযায়। পত্নী মবিলে পুৰুষে কি কবে, সেই কথাও ভাবি চাব লাগে। বিধবাই ঘৰব গবাকীব গোলামী হৈ দুধাবা চকুলো টুকি দুবেলা দুমুঠি খাব লাগে, সেই উদ্দেশ্যেবেই বিধবাব পুনবিবাহ নিষিদ্ধ হৈছে নে কি? অস্বাভাৱিক নিয়ম সৱহ দিন নিটিকে। চাহ বাগিছাব বনুৱাবো শিক্ষাব বাট মুকলি হৈছে। আজি নাৰী জাগৰণব আৰম্ভ হৈছে। কাৰ সাধ্য, গিৰি-নদীৰ প্রবল বেগ বোধ কৰিব পাৰিব? মুঠতে ক'বলৈ গ'লে, আমাৰ মতি-বিভ্রম ঘটিছে বাবেই আমি নিজে নিজে দাসত্ব স্বীকাব কৰিবলৈ ভাল পাইছোঁ। নিজে কুন্‌কী হৈ বনবীয়া হাতী ধবি আনি আমাৰ লগবীয়াক দাসী কবিছোঁ। কোনো-বাই মৰম কবি আমাক সজাৰ পৰা মুকলি কবি দিলেও ঘুৰি ঘুৰি উভতি আহি আকৌ সেই চিৰপৰিচিত সজাতে সোমাওহি। পৃথিৱী আমাৰ পক্ষে অচিনাকি হৈছে। পৃথিৱীৰ স্বাধীন বতাহত ফুৰিবলৈ নিজে নিজে আমাৰ ভয়লগা হৈছে। পুৰুষ সকলে ভাবিছে, তিবোতা-সকলক মাঘৰ বিহুত উদং মেলিলে বহাগৰ বিহুত চপাযলৈ টান হ'ব। বছেৰেকত তিনি মাহো আমাক মেলি দিব নোখোজে। আমাৰ মনেৰে, এনে আশঙ্কা নিচেই অমূলক। তিবোতাই স্বাধীনতা পালে নিজৰ গৃহস্থালী কর্তব্য পাহৰি নাযায়। খেতিৰ দিনত নিজে নিজে আহি আকৌ কাজ পাতি মুঁৰলি ল'ব। আমি কেৱল ইয়াকে খাটিছো, যেন বাজিয়ে দিনে আমাৰ কাজত মুঁৰলিখন লাগি নেথাকে।

ওপৰতে কোৱা হৈছে, যে আমাৰ মতিবিভ্রমেই আমাৰ দুর্গতিৰ মূল। এই মতিবিভ্রম শুচাবলৈকে মহিলা সমিতিৰ আৱশ্যকতা।

মহিলাৰ দুৰ্দশাৰ কথা ক'ম। মহিলাৰ নাম পর্য্যন্ত কোনেও নেজানে। অসুকৰ মৈপীয়েক বুলিলে হে তেওঁৰ চিনাকি পোৱা যায়। ল'ৰা আৰু ছোৱালী দুয়ো একে মাকৰ একে পিয়াহতে দুপি, একেলগে একে ঘৰৰ চালৰ তলতে উমলি-জামলি থাকি, একে বাৰু সেৱন কৰি লালিত-পালিত হয়, কিন্তু হিন্দু শাস্ত্ৰমতে বাপেক অতুল ঐশ্বৰ্য্যৰ অধিকাৰী হ'লেও জীয়েকে সেই সম্পত্তিৰ এচাঁহিখো অধিকাৰিণী হ'ব নোৱাৰে। নানা তৰহৰ অসুবিধাৰ তলত আমি কাল কটাইছোঁ। আহক, আজি সকলোৱে সজাগ হৈ আমাৰ মস্তিষ্কিয়ম ভচাবৰ নিমিত্তে অল্প কুকং-কাৰাং কৰোহঁক। একনিষ্ঠভাৱে কাম কৰিলে আমাৰ উদ্দেশ্য সফল হ'ব। আমি দেখুৱাব পাৰিম যে আমাৰ বল হ'লে পুৰুষৰ বল নুটুটে, ববং বাঢ়িব।

আমি এজাইবাদু আৰু পুৰুষৰ হাৰমাল হ'ব নেলাগে। আজি-কালি ভীষণ জীৱন সংগ্ৰাম চলিছে। আমি শিক্ষিতা নহ'লে এই সংগ্ৰামত তেওঁবিলাকক সহায় কৰিব নোৱাৰোঁ। আমি পুৰুষৰ প্ৰকৃত সহধৰ্ম্মিনী আৰু সহকৰ্ম্মিনী হ'ব লাগে।"

\+ \+ \+

তিনি মূৰ্ত্তিৰ সংযোগ আৰু অসমীয়া ভাষা

'Trio' অৰ্থাৎ ত্ৰিমূৰ্ত্তি ম'ই'লে সংসাৰত এৰেম কামকে নিয়াৰিকৈ কৰিব নোৱাৰি। তিনিটা উখান হ'লেহে ধান বহাব পাৰি। তিনিজন পুৰুষে ওৰি ধৰাতহে তিমিৰাণীয়া ভাৰতবৰ্ষত কংগ্ৰেছৰ দালপাতে ছাটি ধৰিব পাৰিছিল।

অসমীয়া ভাষাও ঠন ধৰালে তিনি মূৰ্ত্তি সংযোগ হৈছে---যথা---জয়ন্তীনাথ বেজবৰুৱা, হেম গোসাঁই আৰু চন্দ্ৰকুমাৰ আগৰৱালা। এই তিনিওজন পুৰুষ অতিয়ে হৃদয়ৰ আছিল। জীৱনৰ শেষছোৱাত হেম গোসাঁইৰ লগত বেজবৰুৱাৰ মতৰ—হৃদয়ৰ নহয়,' অমিল ঘটে। ঘিয়াৰ শিচত বেজবৰুৱা ভাওৰীয়াই গোসাঁইলৈ দিয়া চিঠিত

পৰাই তেওঁবিলাকৰ জিতৰাহ বন্ধুতা বিমান গাড় আছিল, তাক বুজিব পাৰি।

Gossain,

"There are more things in heaven and earth than are dreamt of in my philosophy". My philosophy dreamt of no letter from you, but your letter came, and my dream has been undreamt. But that as it may, you threaten me with an intended "next" letter. Well, allow me to tell you that I have got a bit of pluck and courage in me and am not to be daunted by such threats. Write me, I mean come forward, with the missiles and missiles. I will be able to hold my own.

Preface or no preface, your letter is fraught with preliminaries and so far I am certain.

I thought of doing what, do youk now ? I 'thought of not replying to your letter now and keeping my silence' till the time of your coming back to Cal. and then of sending you an apology modelled and formulated after glittering—smooth but brittle-China wares.

So much for matter dull and dry. Now let us go to honeyed subjects. No use seeing the sun at the horizon or imitate him and be lost !

You are merely reporting my imagination vivid and bright, when you say that you are in the arms of Mrs. Gossain. None can feel or understand it more than this humble self. None in this world of struggle can be armed with so deadly a weapon to fight the terribly delicious battle of love, as the elysian arms of his love when stretched and contracted, endangering his life with the frolicsome cruelty.

Desiring you to convey my and my wife's best wishes to Mrs. Gossain, I conclude and subscribe.

Yours ever affly.
"Bez"

P.S. my wife is alright now—L.B.

অসমৰ যাদুঘৰত পুৰণি গ্ৰন্থ কেনেকৈ ভাগ-ভাগকৈ সজাই থব লাগে ?

হেম গোসাঁইলৈ কনকলাল বৰুৱাৰ চিঠি

BARPETA,
18.7.12

My dear Gossain,

Your of the 14th, to hand....

As you refer to the Art gallery I am not sure whether your aim is to collect only pictorial Puthis. If your idea is to collect all important Puthis to be found in Assam I would advise you to confine your attention to the following :—

1. Assamese works (prose & poetry) on religious subjects. Original as well as translations from Sanskrit works or summaries.
2. Assamese works on literary subjects, medicine etc.— original and translations and summaries.
3. Sanskrit works by Assamese writers in religious subjects, annotations of original Sanskrit aphorisims etc., works on Smriti, works on other secular subjects.
4. Historical works.

This division is certainly not exhaustive. There are various Sanskrit works by Assamese writers not yet published. I find that Sankardeb, Bhattadeb, Ananta Kandalj and Kabichandra Misra wrote Sanskrit treatises on Vaisnavism. These have not all been published. Further the various volumes of the Bhaskar and the Smriti Sagar which represent, as I believe, the Kamrup School of Hindu Law and usage should be collected by all means and published with English translations. More collection will do no good.

The Bhagabat and the Puranas have not been completely translated. Sankardeb's works are poetry and

Bhattadeb's works in prose are not really translations. They are only synopsis.

Please come here soon so that you will be able to move about easily by boats.

Yours truly,
Kanaklal

হিতেশ্বর বরবরুৱার চিঠি

14th July, 1914,
P.O. Socklatinga, Assam.

To

H C Goswamee, E.A.C.,
Nowgong.

Dear Sir,

May I hope that you will kindly favour me with your valuable opinion on my book.

Trust you are quite fit.

Yours
Hiteswar Borborua

* * *

সত্যনাথ বরাৱ চিঠি

GAUHATI
17.5.07

Dear Gosain,

You must have received a letter from Mr. Sudmerson, the Pincipal of the Cotton College with some queries. Similar letters have been addressed to me and others all over the province. This I think is the opportunity to vindicate the rights of our language. I hope your paper will be the smartest as I know you have been making researches about the subject all along. As for me I don't

know what to do with the letter. No doubt with regard to some of the queries I shall be able to make a suitable reply, and I mean to deal only with them leaving the others to those who have better information.

Yours Satya.

হেমকোষ সম্পর্কে দুলালচন্দ্র চৌধুবীব চিঠি

গুয়াহাটী ১৮ আগষ্ট ১৮৯৬

শ্রীশ্রীবাম

প্রিয় গোসাঁই—

আপোনার প্রেড়িত পত্র এবং প্রার্থনা পত্রর আহি পাইছো কিন্তু পোয়ার আগ দিনাই ইয়ার ডেপুটি কমিশনার Captain Gurden চাহাবর ওরিত সেই বিষয়র আবেদনপত্র দাখিল করা গৈছে। তেওঁর ওরিত আবেদন দাখিল করার কারণ (১) গর্ডন সাহাবে অভিধানর হস্ত লিপি তিনি খণ্ড খুজি নি বর মনোযোগেরে ছাব লাগিছে আরু তার অশেষ প্রশংসা করিছে (২) চিফলৈ (চীফ কমিশনারলৈ) কোন বিষয় জনাব লাগিয়া হলে জিলার ডেপুটি কমিশনার সাহাবর যোগেহে আবেদন পঠোৱা হই (৩) গর্ডন সাহাবে নিজেই আগ্রহকৈ অভিধানখনি খুজি আনি ছাবলৈ ধরাত গেইট সাহাবর তালৈ আবেদন করি এবং হস্ত লিপি কেই খণ্ড তেওঁর হাতরপরা আনি পঠালে বেজার হোৱা সম্ভব সেই হলেই বিঘ্নি জন্মিব পারে। (৪) প্রার্থনা পত্রত গেইট সাহাবর ইচ্ছা ও যত্ন আছে বুলি গর্ডনক জনোৱা হৈছে এবং সেই সম্পর্কে উভয়র ভিতরত আলচ হব পারে নহলেও গর্ডনক অনুরোধ করি পঠালে তাত গেইট সাহাবে যদি অনুমোদন করে তেন্তে আমি দুজন পৃষ্ঠপোষক পাম হক।

অবেদন পত্রখনি মই নিজে লৈ গৈ দিছো আ ৰু পচি চাই প্রার্থনাটী সজ বুলি বৈছে আৰু যত্নও করিব খুজিছে। দোষর ভিতরত এই

হৈছে যে তেওঁ প্ৰায় দুমাহে দুটী লৈ দাঙিলিঙলৈ গল সেই নিমিত্তে কিছু বিলম্ব ঘটাব। যেইবা হওক, "সবুৰে মেওয়া ফলে" বুলি যি প্ৰাচীন কথা আছে তাকে সাৰ কৰি ধাৰ্য্য কৰা হল।



"উষা" সম্পৰ্কে পদ্মনাথ গোহাঞি বৰুৱাৰ চিঠি

(১ নং)

তেজপুৰ, ৭।২।০৬

প্ৰিয় গোসাঁইদেও,

আপুনি আমালৈ সঁচাকৈয়ে পাহৰিলে। আন কি কেতিয়াবা পত্ৰাদি দিলেও উত্তৰ নোপোৱাত পৰিলোঁ। দুখীয়া মানুহলৈ আওহেলা কৰাত বাজে ইয়াৰ আন ভাল কাৰণ ভাবি নাপাওঁ। কিয়নো, মই কোনো দোষ কৰা মনত নপৰে। তথাপি আজি আকৌ এই পত্ৰ লিখিছোঁ, ইচ্ছা হলে উত্তৰ দি সুখী কৰিব।

\+ \+ \+

আমাৰ কলিকতীয়া বন্ধুসকলে বৰকৈ অনুৰোধ কৰে যে আমাৰ ভাষাত আকৌ গদ্য খাপৰ এখন আলোচনী ওলাব লাগে। শ্ৰীযুত বেজৰবৰুৱা ডাঙৰীয়াৰো সেই মত। ওহাহাটীত শ্ৰীযুত বৰা ডাঙৰীয়াৰে এই বিষয়ে দীঘলীয়া আলাপ হৈছিল, তেখেতৰো সেয়ে মত। বিশেষ, 'জোনাকী'ৰ অন্তৰ্ধ্যান নিশ্চয় হ'ল। সিবিলাকে আৰু সজলায় বোলে। শ্ৰীযুত বৰাদেৱে বন্ধি জোনাকীলৈ আৰু পঠাব নালাগে বুলি

কেতিয়াবাবে পৰা লিখিব লাগিছে। ইফালে চাওক, আমাৰ দেশৰ বৰ্ত্তমান অৱস্থা চাই, আমাৰ জাতীয় ভাষাৰ জীৱন প্ৰায় অনিশ্চিত বুলি মানুহে কয়। সিদিনা গিলং আসাম ক্লাবত মেজৰ গৰ্ডন হেন অসমীয়া ভাষাৰ বন্ধুৱে এই আশঙ্কা প্ৰকাশ কৰিছে। এনে অৱস্থাত এখন আন্দোলনী কাকতৰ আৱশ্যকতা সকলোৱে বুজিবৰ কথা। কিন্তু অকল বুজিলে হ'ব কি, সেইমতে সকলোৱে কাম কৰিব লাগে। কলিকতাৰ অসমীয়া বন্ধুসকলে এই গুৰুতৰ কাৰ্য্যৰ ভাৰ মোৰ ওপৰতে থাপিব খোজে। কিন্তু মই নিজে দেখিছোঁ, মই সেই ভাৰ সহিবলৈ নিচেই ক্ষীণ। তথাপি সকলোৱে হেঁচা দি ধৰাত অগত্যা সেই ভাৰ লবলৈ বুলি কাণ পাতি আহিছোঁ। কিন্তু, তেনে হ'লেও মোৰ গোটেইবেৰেক হেতু আছে। তাৰ ভিতৰত কেজনমান বন্ধুকে লিখক লগাটো প্ৰধান। কলিকতাত স্থিৰ হোৱা মতে বুঢ়াগ ভিতৰত শ্ৰীযুত খেৰ্জবৰুৱা, শ্ৰীযুত বৰা, আপুনি আৰু ডেকাৰ ভিতৰত অন্ততঃ পাঁচজন গ্ৰেজুৱেটে প্ৰত্যেক সংখ্যাত অন্ততঃ একোটাকৈ প্ৰবন্ধ দিবলৈ গাত লব লাগে। সেই পাঁচৰ ভিতৰত তেতিয়াই শ্ৰীযুত যোগেন্দ্ৰ বৰুৱা, কুলধৰ চলিহা আৰু কাশীকান্ত বৰুৱা এই কেইজন অঙ্গীকৃত হ'ল। বেজবৰুৱা ডাঙৰীয়াই নিজৰ ভাগ গ্ৰহণ কৰিলে। বৰা ডাঙৰীয়াও তেওঁৰ ভাগৰ কাৰণে প্ৰতিশ্ৰুত হৈছে। এতিয়া বাকী ৰৈছেগৈ আপোনাৰ সমিধান পাবলৈ। সময়ৰ অভাৱত এই বিষয়ে মই ইয়াতকৈ সোনকালে জনাব নোৱাৰি দুখিত হৈছোঁ। কিয়নো, ওলালে কাকতখন অহা বহাগৰ প্ৰথম দিনাই উলিয়াব লাগে।

কলিকতাত কাকতখনৰ নামাকৰণ পৰ্য্যন্ত হৈ গৈছে—"উষা"। তেজপুৰৰ পৰা ওলোৱাত তাৰ দুবিধীয়া জেউতি ওলাব বুলি সিবিঞ্চাকে আশা কৰে।

এতিয়া আপোনাৰ মত আৰু উপদেশ পোৱাৰ আৱশ্যক। প্ৰবন্ধাদি লিখাৰ বিষয়ত আপুনি সন্মত বুলি আমি আগেয়েই ধৰি লৈছোঁ। আৰু প্ৰথম বহুৰৰ আৱশুনৰ কবিতাটি লিখাৰ ভাৰ আপোনাৰ ওপৰতে পৰিছে। ময়ো ৰবীকে আশা কৰোঁ আপুনি আমাৰ এই ঘাটনি ৰাখি সকলোকে সন্তোষ দিব।

গ্ৰেজুৱেট বাকী দুজনৰ ভিতৰত এজন শ্ৰীযুত লক্ষ্মীনাথ শৰ্ম্মা পৰিছে। আনজনৰ নাম অজ্ঞাতে জনাম। সময় অনুযায়ী কবিতা

প্ৰবন্ধ যে সাৱলৈ আপোনাত বাজেও শ্ৰীযুত চন্দ্ৰকুমাৰ আগৱৱালা আৰু শ্ৰীযুত আনন্দ গুপ্তক লেখত ধৰা হৈছে।

অপেনাৰ উত্তৱলৈ বাট চাই থাকিলোঁ।

আপোনাৰ মৰমৰ
শ্ৰীপদ্ম

পদ্মনাথ গোহাঞি বৰুৱাৰ চিঠি নং—২

তেজপুৰ, ২০।২।০৬
১৮২৯ শক

প্ৰিয় গোসাঁইদেও,

আপোনাৰ পত্ৰ পঢ়ি বৰ সন্তোষ পালোঁ। ইফালে প্ৰায় যোগাৰ কৰি আছিছোঁ। অহা ১ম বহাগত আপোনাৰ 'উষা' ওলাব লাগে। গতিকে প্ৰবন্ধাদি চ'তৰ প্ৰথম সপ্তাহতে এইখিনি পালেহিহে সুবিধা হব। প্ৰথম কবিতাৰ ভাব আনক দিবলৈ আৰু সময়ৰ নাটনি পৰিল। গতিকে সেই ভাৰ সম্পূৰ্ণে আপোনাতে পৰিল।

আপোনাৰ পৰামৰ্শ বিলাক বৰ সাৰুৱা পালোঁ। সেইমতে কাম কৰিবলৈ মোৰ যথাসাধ্য চেষ্টা হব। "উষা"ৰ আকাৰ আদি সম্পৰ্কীয় কথা অলপতে আপোনাক আকৌ জনোৱা হব। আপুনি লিখা মতে কৰিব পাৰিলে মোৰো সন্তোষ।

শ্ৰীপদ্ম

গোঁহাই বৰুৱাৰ আন এখন চিঠি

তেজপুৰ
ইং ২০ মেই ১৯০০ চন

প্ৰিয় গোসাঁইদেও!

আপোনাৰ চেনেহৰ চিঠিখন পঢ়ি পৰম সন্তোষ পালোঁ। আশা কৰিছোঁ যেন আগলৈকো এই দৰে মৰম-চেনেহ দেখুৱাবলৈ নেৰিব। "লীলা" সম্বন্ধে আপোনাৰ বহুমূলীয়া মন্তব্য পাঠ কৰি যদিও অতুল আনন্দ লাভ কৰিছোঁ, আৰু বিশেষ উৎসাহিত হৈছোঁ, তথাপি মই তেনে--- (পঢ়িব পৰা নগ'ল)--- কাব্যগ্ৰন্থৰ উৎকৰ্ষ সাধন আপোনাৰহে

আমি বিশেষকৈ আশা কৰিব পাৰোঁ। কিয়নো, আপুনি আগতেই তাৰ ভাল চিনাকী দি থৈছে। আশাকৰোঁ মোৰ এই সৰল বাঞ্ছা আপুনি পূৰ্ণ কৰা দেখিবলৈ পাওঁ। অমিল ছন্দত 'জীজা' কৰোঁতে ভয়ে ভয়ে হে আৰম্ভ কৰিছিলোঁ; সামৰণিৰ পাচতো সেই ভয় গুছা নাছিল। আপোনাৰ আৰু জনচেৰেক সুযোগ্য বন্ধুৰ মন্তব্য পাইহে এতিয়া অলপ নিশ্চিন্ত হৈছোঁ, আৰু সেই উৎসাহতে ভিৰ দি "মানৰ দিন" বুলি এখনি ঐতিহাসিক কাব্যগ্ৰন্থ লিখিবলৈ হাতত লৱলৈ মন বান্ধিছোঁ, কিমান দূৰ কৃতকাৰ্য্য হব পাৰোঁ ভগৱানেহে জানে। জনচেৰেক বন্ধুৰ অনুৰোধ মতে সম্প্ৰতি কিছুদিনৰ নিমিত্তে ফুলীয়া কিতাপ লিখাত ক্ষান্ত থাকিলোঁ। ওপৰত লিখাখিনি আৰু "জয়মতী কুঁৱৰী" নামে দুখনি কাব্যগ্ৰন্থ সামৰিব পাৰিলে খনচেৰেক ছবি আঁকিবৰ মন থাকিল। আপোনাৰ নিচিনা এজন সুযোগ্য আৰু প্ৰকৃত বন্ধুৰ ওচৰত নিজৰ ইচ্ছা প্ৰকাশ কৰি কিমান শান্তি পাওঁ আৰু কাৰ্য্যত পৰিণত কৰিবলৈ কিমান বল পাওঁ পৰমেশ্বৰেহে জানে। নকৈ নোৱাৰো, কাব্যগ্ৰন্থাদিৰ প্ৰতি আপোনাৰ উদাসীন ৰূপ দেখি আমি মনে মনে বেজাৰ কৰিছোঁ। আমাৰ এই বেজাৰ সোনকালে আঁতৰাব যেন এনে আশা কৰিছোঁ। সঁচাকৈয়ে, গোসাঁইদেও! আপোনাৰ কবিতা প্ৰাণত বৰ মিঠা লাগে; আপোনাৰ সেই শুৱলা বাঁহীটিত মামৰে ধৰিবলৈ নিদিব। আপোনাৰ চিঠিখনিৰ উত্তৰ মই দিছিলোঁ দেখোন। কিয় নেপালে তাকেহে ক'ব নোৱাৰোঁ। ইতি

মৰমৰ
পদ্মনাথ

কটন কলেজৰ প্ৰিন্সিপাল চুদ্ৰাৰ্চন চাহাবৰ চিঠি

COTTON COLLEGE, GAUHATI
ASSAM 9.5.07

To
Srijut Hem Chandra Goswami, Tezpur.

Dear Sir,

The local Government is desirous of collecting such information as is available regarding the origin and

development of Assamese literature and I have been requested to put myself into communication with the gentlemen most able to assist Government in this matter. I have therefore the pleasure of requesting your kind co-operation and would ask the favour of your kindly supplying me with short papers or monographs on some or all of the following points which occur to me as intimately related to the subject. Should other points however occur to you I should be glad if you would deal with them as well as the abstract made which is not intended to be exhaustive.

I should be glad if you would arrange to send your notes to me by the end of the first week of June,

Trusting to secure your valuable help.

Yours

F. W. Sudmerson

Points :

1. Earliest beginning of the language.
2. Its earliest literature, authors etc. Names of chief authors.
3. Chief periods of the literature.
4. Its descent from Sanskrit—its similarity with Hindi.
5. Difference between Bengali & Assamese.
6. The greatest periods of prosperity of Assamese—do they concur with similar periods of Bengali literature.
7. The Burangjis-the chief ones with their authors-general characteristics of style.
8. What does Assamese owe to Bengali ?
9. Modern Assamese literature-chief modern productions.
10. Is there any increase or decrease in production of literary works in Assamese.
11. The future of Assamese literature.

* * *

বায় বাহাদুব পণ্ডবাম খাউণ্ডব চিঠি

DIBRUGARH
26 December, 1907

My dear Gossain,

It is very kind of you to send me a copy of your ফুলব চাকি as a token of your kind feeling towards me. It is really a bouquet as sweet in odour, as beautiful in appearance. I am reading it with an interest and must heartily thank you for the same before I finish it.

(Sd.) P. R. Khound,
(পবণ্ডবাম খাউণ্ড)

হেমচন্দ্র গোস্বামীব "ফুলব চাকি" পাই চন্দ্রকুমাব আগবৱালাই লেখা কবিতা চিঠি



অসমীয়া সদাগৰ ভোলানাথ বৰুৱাৰ চিঠি

CLOCK TOWER
Delhi,
22/3/1914.

My dear Gossain,

I thank you very much for your kind letter enquiring after my health, you must have heard all about the accident, so I need not mention here . It was really under the treatment of Sir James Robert, Viceroy's physician, Col. Ahmed and Dr. Majumdar. I am gradually improving but still confined to my bed. I hope to return to Calcutta as soon as I am fit for travelling by rail. It is very kind of you that you are remembering me at the time of my distress. Mr. L. N. Bezbarua came up to Delhi on hearing my accident to see and to help me. He has gone back after staying a week with me when he saw me out of danger. So also my nephew Chandra has come up to attend me ; he is still here. Hon. Mr. G. Barua (Ghanashyam Barua) is also taking great care of me. I again thank you for your kind enquiry.

Trusting you are all well.

Yours sincerly



—=—

দেশভক্ত তৰুণৰাম ফুকনলৈ ৰাটিছৰ ভয়

[ৰাটিচৰ দিনৰ কথা। সেই সময়ত ৰাটিছৰ বৰ বৰ বিষয়াই আনকি চিফ্ কমিচনাৰেও ফুকনক বাঘ যেন দেখিছিল। গৰ্ডন চাহাবে হেম গোসাঁইলৈ লিখা এখন চিঠিৰ হুবহু নকল তলত দিয়া হ'ল। তাত গৰ্ডন চাহাবে হেম গোসাঁইক ভিতৰুৱাকৈ আৰু ফুকনেও আচল কাৰণটো নজনাকৈ বুদ্ধি কৰি খবৰ ল'বলৈ কৈছে যে চিফ্ কমিচনাৰে তেওঁৰ লগত নৈশ ভোজনৰ কাৰণে নিমন্ত্ৰণ কৰিলে ফুকন ডাঙৰীয়াই চিফ্ কমিচনাৰৰ সন্মান ৰক্ষা কৰি সেই নিমন্ত্ৰণ গ্ৰহণ কৰিব নে নকৰে। অৰ্থাৎ, যদি নকৰে, তেন্তে নিমন্ত্ৰণ কৰি ৰাটিছৰ সন্মান হানি নকৰে। ফুকন ডাঙৰীয়াক ৰাটিছৰ বৰ বৰ বিষয়াই কিমান সন্মানৰ চকুৰে চাইছিল, এই চিঠিয়ে তাৰও প্ৰমাণ দিয়ে।]



এই চিঠিব হুবহু ইংবাজী পাঠঃ

Gauhati.
20-6-12

Confidential.

Dear Hembabu,

Will you please enquire **privately and confidentially** whether Mr. Tarun Phukan would appreciate an invitation from the C.C. to dine with him on Saturday. This matter should be dealt with by you personally and tactfully. kindly reply tomorrow.

Yours Sincerely
P. R. Gurdon

ফ্রাচেংমুন গোহাঞি কেনেকৈ মৰিল ?

(তুৰবকৰ যুদ্ধত ফ্রাচেংমুন্ গোহাঞি মৰিল বুলি সকলো বুৰঞ্জীতে আছে। কিন্তু, কিয়, কেনেকৈ মৰিবলগীয়া হ'ল তাৰ সম্ভেদ এতিয়া হে ওলাইছে। তেওঁ ভিৰোতাৰে সৈতে ৰণ কৰিবলগীয়া হোৱাটোৱেই মৃত্যুৰ কাৰণ।) বুৰঞ্জীত পোৱা গৈছে—

"পোৱা-সুস্তানে আমোল কৰি (কামৰূপত) মঠ-মণ্ডপ ভাঙি ফুৰিছিল। পাচে মহামায়াৰ শাপে গৰুড়াচলত মৰিল। পাচে আকও তুৰ্ব্বকৰ ৰাজা হায়াদ্‌খা বহিল। সেই উত্তৰে লোহিত, দক্ষিণে দিহিঙ, তাৰ মাঝত সুতি দিখৌসীমাকৈ মাঘা ৰজাৰ আমোল কৰিছিল। সেই সময়ত অমাৰ দিহিঙীয়া ৰজাৰ দিনত গঞা ৰজায়ে তুৰ্ব্বকক ভঙাই হহকি আহিল। তাৰ পাচে, ফ্রাচেংমুন্ ৰবগোহাঞি গৈ কলিয়াবৰ—কলঙৰ মুখত যুঝি হায়াদ্‌খাঁক মাৰিলে। পাচে হায়াদ্‌খাঁৰ ঘৰিণীয়েক আহি যুদ্ধ ধৰিলত, ৰবগোহাঞে তিকতা দেখি অস্ত্র সস্ত্র এৰিলে। পাচে গোহাঞি সেই ৰণত পৰিল। তাৰ পাছত,

"গোহাঞি মৰিবৰ দেখি গোহাঞিৰ ঘৰিণীয়েকে দিহিঙীয়া ৰজাৰ জীয়েক নাংফুংসন চেনধা গাভৰুৱে লাংজি হাতীত উঠি বহুত যুদ্ধ কৰিলে। পাচে গাভৰু সেই ৰণত পৰিল। পাচে গৰগঞা ৰজা, তনখাম্ ৰবগোহাঞি, কনচেঙ ৰবপাত্র-গোহাঞি, ফুলুঙ খাম্‌পেঙ বুঢ়াগোহাঞি আনো লোকজনসহিতে তুৰ্ব্বকক খেদি গৈ ভঙাই কামৰূপৰ ঢেকেৰাসাহিতে সবাকো আক্রমি তাত বাঝে বাড়ি গৈ কৰতীয়া গঙাত খাণ্ডা পাখালিলেগৈ, দল বান্ধিলে, পুখুৰী খানিলে।" তেতিয়া গৌৰেশ্বৰে অসম ৰজালৈ ছোৱালী এটি সালঙ্কৃতাকৈ দিয়া দি "সেৱপুৰ, পতিলা চোঙ, এঘাৰেসিন্দুৰ, কামৰূপ, ঢেকেৰা এই পাঞ্চখান ৰাজ্য জৌতুকত দিলে।

শ্রীকৃষ্ণই কোনজন কামৰূপাধিপতি বধ কৰিছিল ?

"পূৰ্ব্বে কামৰূপত যি ৰজা হৈছে তাক কহোঁ। লেখা ঃ—ব্রহ্মাৰ পুত্র মহীৰঙ দানৱঃ তান পুত্র ঘটকাসুৰ; তানপুত্র সম্বৰাসুৰ, তানপুত্র ৰঙেশ্বৰ (ৰত্নেশ্বৰ)। পাছে শ্রীকৃষ্ণই আসি সেই ৰঙেশ্বৰক মাৰিল। তান পুত্র পোৱালসিংহ; তান পুত্র ৰঙাকৰ (ৰেঙাকৰ?); তান পুত্র ভদ্রকৰ। তান পুত্র মঙ্গল।" এই মঙ্গলেই আছিল ডিমকৰাৰ ৰজা। এওঁৰেই ৰৰৰজা দিহিঙয়া ৰজাৰ শৰণাপন্ন হয়।

কচাৰী ৰজাৰ মাণিক উপাধি

"পূৰ্ব্বে কচাৰীৰ বিচাৰপতি ফাৰ দুই ভাৰ্য্যাত দুই পুত্ৰ হ'ল। তাৰে ৰৱপুত্ৰ বিক্ৰমাদিত্যক্ষা হড়ম্বত (কাচাৰত) ৰাজা হ'ল। পাছে সৰু ভাইকে মাৰিব খুজিলে। পাছে সি পলাই গৈ বাৰৰ পাৎশাৰ ঠাইত শৰণাপন্ন হবলৈ যাওঁতে বাটত বামুণ ডেকোলা বেজ খেদিলে। দেখে তাৰ মস্তকত এটা মণি নিবাস কৰিছে। এনে দেখি সেই বেজ মাৰি মণিটো লৈ বেজটো খালে। পাচে সি যাগ্ৰোতে পথত দেখে মণিটোৱে বৰ প্ৰকাশ কৰে, এই দেখি বোলে। এই মণিটো লৈ বাৰৰ ৰাজাৰ ঠাইত শৰণাপন্ন হওঁগৈ। এই বুলি গৈ হাতত মণিটো লৈ বাৰৰ পাৎশাৰ ঠাইত হজুৰ হ'লগৈ। বাদৰে "জয়সিংহ ৰাজাক পঠাই গাওঁ ভুই মাৰি ৰাজা পাতিলে। মাণিক উপাধি লোৱাৰ কাৰণ এই মণিটোৱেই।"

কচাৰী পৰিয়াল বা বংশৰ অর্থ ঃ

(১) বসুমতাৰী---মাটিৰ অধিপতি। নৰক, ব্ৰহ্মপাল ৰজা কচাৰীয়েই আছিল বুলি শ্ৰীযুত ৰূপনাথ ব্ৰহ্ম ডাঙৰীয়াই কৈছে।

(২) নাৰ্জ্জাৰী ঃ---মৰাপাট ব্যৱহাৰ কৰোঁতা। নাৰ্জ্জাৰী উপাধি-ধাৰীসকল কচাৰী সমাজৰ পুৰোহিত।

(৩) খাখ্লাৰী ঃ---পোনপ্ৰথম ডেকা-গাভৰু এজোৰাক বিয়া পাতি মিলাই দিওঁতে যি খাখ্লাই বা কোমোৰা অনাৰ ভাৰ পাইছিল।

(৪) ঔৱাৰী ঃ---ঔৱা-বাঁহ। সেই বিয়াখনত যি বাঁহ ভাৰ বান্ধি আনিছিল।

(৫) ফাটোৱালী ঃ---"বংশ নেছকটাৰী বা আলোৰী; এওঁবিলাকৰ পৰা ফাটি যোৱা নিমিত্তে ফাটোৱালী।"

(৬) মাক্লাৰী ঃ---বংশ মুক্তাল। শদিয়াৰ মুকুত ৰজা নাম অনুসৰি মুক্তাল বংশৰ সৃষ্টি। ডেকনা বুঢ়াৰ পৰা ডেকনাৰী, মাক্লাৰ মক্তালি---এই বংশৰ ভিতৰত বিয়া-বাৰু হ'ব নোৱাৰে।

কচাৰী বংশ বা ফৈদৰ উপাধিৰ পাচত থকা প্ৰত্যয় ঃ

(ক) লী ঃ—ফাটৌৱালী, চকুৱালী।

(খ) ৰী ঃ—বাঘৰী, হাজাৰী, খটাৰী, ঘুণ্ডাৰী, ঝিণ্ডীৰী।

(গ) ঙী ঃ—চেলেঙী বা চেলেং।

(ঘ) ৰাৰী ঃ—লোলোৱাৰী, পাটোৱাৰী, গ্ৰাৱৰাৰী, কুকুঠেঙ্গাৰী, বিৰিণ্ডাৰী।

(ঙ) ৰাজ ঃ—সোণোৱাল, ডিবুকৰাজ, তৰিয়াল, মদণিয়াল, মাণিকীৰাজ।

(শ্ৰীযুত পূৰ্ণচন্দ্ৰ মাক্ৰাৰীৰ পৰা পোৱা।

কমতাপুৰ নাম কিয় হ'ল ?

"পূৰ্ব্বে বাণাসুৰে শোণিতপুৰৰ পৰা আহি জন্ধেশ্বৰ নাম শিৱৰ মূৰ্ত্তি ঠাইত তপস্যা কৰিছিল। পাছে, মহাদেৱে সেই শোণিতপুৰ ৰক্ষাৰ নিমিত্তে কমথ নাম এক গণকক দিলে। কতো দিন থাকি তপস্যা সিধি হলত শিৱই বৰ দিলে বোলে, তোৰ এক হাজাৰ হস্ত হৌক। পাছে বাণ ৰাজাও জন্ধেশ্বৰৰ ঠাইত বিস্তৰ মঠ মণ্ডপ কৰি দিলে। বাণাসুৰৰ নগৰ কৰিলে। সেই নগৰত থাকি অনেক বিহাৰ কৰিলে। সেই কাৰণে তাৰ নাম বিহাৰপুৰ থাকিল। জেখন বাণাসুৰ শোণিতপুৰৰ পৰা আহে তেখন কমথ গণকৰ এটাক (?) অধিকাৰ কৰি কমথপাল নাম দিলে। সেএহে কমথেশ্বৰ নাম লৈ ৰাজা হ'ল। তাৰপৰাহে সেই দেশত ৰাজা হ'লে কমতেশ্বপুৰ বোলে। —(শ্ৰীযুত ত্ৰিলোচন ফুকন ডাওৰীয়াৰ ঘৰত পোৱা বুৰঞ্জীৰ পৰা।)

"স্বৰ্গদেৱৰ কৰতলীয়া"—(দক্ষিণ কুলীয়া ৰজাৰ লেখা)

ৰাটিছ আগমনৰ পূৰ্ব্বেলৈকে কামৰূপৰ দক্ষিণে এইবিলাক সৰু-সৰু ৰজা আছিল ঃ—

১। ৰালীৰ কলিয়া ৰজা

২। মকৰা পুৰীয়া ৰজা

৩। ভোলাগঞ্জা বজা
৪। বৰ দুৱৰীয়া বজা
৫। বাগ ডেকা বজা
৬। পাত্তনীয়া বজা
৭। কালপানি জন্তুৰি মাটি
৮। বকোৰ জৈ বজা
৯। লুকিৰ পলা বজা
১০। চইগঞ্জা বজা।

চকি ঃ—

জয়ন্তাক সমুখে ডিমকৰ্ত্তাৰ চকি, দিয়াঙ্গ চকি, খেৰণী চকি, কছুৰ চকি, কিলিঙ্গি চকি; জয়ন্তাৰ খৈৰামীৰ দুইকো সমুখ—নকৰিয়া-চকি, গাৰো চকি, কলাখৈয়া চকি; ক'লা-বগা-লুণীয়া আৰোক (?) সঘুখ লালৰ চকি, আলিৰেকুণীয়া চকি, শুৱাকুচিয়া চকি, জামুগুৰি চকি, কলঙৰ চকি, কুকুৰাকটা চকি, গড়ৰ চকি, খাগৰিজানৰ চকি। হাড়িয়া মুখৰপৰা বহা চকিলৈ বেওঁ ৪৯৭, লাখটকিয়া চকিলৈ ৮৪০, জোঙ্গালগড়লৈ ৭০০, গেৰেতা ভেটালৈ ৬৬০, কাঁহিগড়লৈ ৪৬০, গৰগৰিয়া চকিলৈ ৫৬০, জানমুখ চকিলৈ ৫৬০, হেলচগুৰি চকি ৫৬০, আহতগুৰি চকিলৈ ৮০০, জাগিগড়ফাটি চকি আহতগুৰিৰ পৰা দলভগালৈ ৫৬০, থেকেৰা চকিলৈ ৮৬০, শলমাৰি চকিলৈ ৯২০, তেলহিলৈ ৬২০, ফলিয়া মাৰিলৈ ৫৪০, দমালমৈ ১১৬০, জানমুখলৈ ৩৬০, আগুলালৈ ৯৬০, আজাৰলৈ ৫৪, গোহাই কিলৈ ২১৪০, কুলিঙ্গলৈ ৫০০ (?). জানমুখলৈ ১২০০, বহালৈ ১৫০০; মান হাতকৰ্ত্তা চকি ১, কাজলিৰ ফাটি চকি শিতলি ১, গোগৰ ১, কাজলি ১, মুঠত মাটি ১৭৫২৭৭।

ৰায়বাহাদুৰ ঘনশ্যাম বৰুৱাৰ চিঠি

[গোলাঘাটৰ ৰায় বাহাদুৰ ঘনশ্যাম বৰুৱা বুৰঞ্জীবিদ নহয়, তথাপি, তেখেতে নিৰপেক্ষভাৱে বুৰঞ্জী লেখাত কেনেকুৱা আগ্রহ দেখুৱাইছিল পণ্ডিত হেমচন্দ্র গোস্বামীলৈ দিয়া তলৰ চিঠিখনেই ক'ব। তেখেতে কৈছিল, বেজৰুৱা (লক্ষ্মীনাথ), গোসাঁই, গগৈ, গোহাঁই যেয়ে লেখক, লেখা বুৰঞ্জীখন প্রকৃত সত্য তথ্যৰ ওপৰত লেখা হ'ব লাগিব। ডাঙৰ জাতীয়তা ৰক্ষাৰ নিমিত্তে ক্ষুদ্র স্বার্থ জলাঞ্জলি দিব লাগিব। সত্যতা ৰক্ষাই হৈছে বুৰঞ্জী লেখকৰ প্রকৃত লক্ষ্য। পছিমীয়া আদর্শৰ পৰা আমি তাকেই শিকিছোঁ। সেই সময়ত নলবাৰীত হাইস্কুল দিয়াবলৈ অন্ততঃ ৫০০০ টকাকে কোনোবা সদাশয় লোকে দান কৰিলে, স্কুল খুলিব পৰা হ'ব। এই চিঠিতে তেনে দাতাৰো তেখেতে অনুসন্ধান কৰিছিল।]

Golaghat
19.6.16

My dear Goswami.

Many thanks for yours of the 13th. The loss of my nephew is a great blow to the whole family and will dislocate many things. Can't help. God's will will be done.

I do not mean to enter into controversy which you have introduced into your letter. I should leave such things to writers and authors of history like Bezbarooah and yourself and others in the line. All I can say is that whether it is Bezbarooah or Gossain or Gogoi or Gohain, nobody should distort history on the vanity of their learning. To study and write history in pursuit of the real truth is the only right way for worthy historians. But humanity is frail and rarely fails to fall into the cursed error. The preservation of petty interests at the sacrifice of the national cause of India has been at the root of our downfall. We who have the light of the west should look at things on a broader view and if we wish to rise to the height of modern civilization we should take its lessons with

a heart and try to build ourselves anew. If we only pursue the lines which have brought us ruin we shall not be true to ourselves or to the salt we eat. I have no doubt you realise all these and it is superfluous to repeat them.

Hope you are quite well with all yours.

I am yours sincerely,
Ghanashyam

"ৰূপহী" বোলছবিৰ বিষয় কুলধৰ চলিহাৰ অভিমত

[স্বৰ্গীয় কুলধৰ চলিহা বোলছবি শিল্পৰ উৎসাহদাতা আছিল। এইটি তেখেতে "ৰূপহী" ছবি সম্বন্ধে দিয়া অভিমত।]

I witnessed the film "Rupohi" the other day and I should congratulate the producer for the very successful social drama which he has put on the screen. He was fortunate in having a happy combination of literature, artists and musicians and they produced one of the best screen productions in our country.

Mr. Sailen Phukan acted very well and depicted truly an over-westernized gentleman and his pose and manners were perfectly imitated. His acting was balanced by judgment and his noble quietness showed that he is a man of culture and refinement. Mridula kept pace with him in the screen.

The acting of Mr. Padmadhar Chaliha was natural and he was at ease all through and gave the impression of a gentleman of the olden days. Gouri Kakati acted as the son of a dignified gentleman and carried the air of a noble young man with high ideals and has very successfully played his part. The Secy. of the Brati Sangha, Pradip Chaliha, acted well and his refined diction was attractive and he carried an air of unquestionable sincerity.

The parts played by Charu Bordoloi and Tarun Hazarika deserve recognition and their songs were exceedingly good. The music and singing were superb and few can say that we lack high order of musical ability.

The ideals of Brati-Sangha are interesting as young men, when they come out from college, conceive. The mass contact movement of the Brati-Sangha, ended as usual, with the lofty conception of sacrifice for the country and romance but failed to reach the masses, as all movements are, as they are so far away from it, though they form part of our larger society. The first contact was clash of duty, sacrifice and sub-conscious romance, and it vividly showed the great necessity to know the actual facts as existing in the country and the difficulty of the practical application of ideals by men brought up in a separate atmosphere and enviroment, but yet the ideals are noble and ought always to permeate the hearts of our youngmen who should always strive to better the condition of our less favoured brethren. Mayaram has played marvellously well, and there are known cases in courts of minor Mayarams, now and then, and Barua Bol Chabi have done well in drawing attention to an evil which exists in our society more or less. The acting of Dhononjoy as pleader's clerk is superb.

The acting of Mridula (Punya Kower) is also very successful. She had to play a difficult part as she had to suppress intense suffering, and show off as if she had never been disappointed in love or marriage, but her bearing was noble and attractive.

Champa (Kanan Chakravarty) played very successfully her difficult part. She is the victim of an oppression carried against her day in and day out. She is successful in expressing that oppression by her appearance and conduct. She is being closely guarded by Mayaram as an object of making profit and she depicted her mental agony very well in her carriage and mien. Her life had a tinge of sadness and her face carried that picture, wherever she goes and moves. She exhibits properly the oppressed girl of the village who is left at the tender mercies of unkind relatives.

Mr. Duncan Achow has played the part of a young peasant of the village very ably and naturally.

Ananda Mahanta (Parbati Barua) had the advantage of a fine carriage and mien and these have been exhibitted to their advantage. He depicts the better side of village life and he can appreciate the feelings of the old and the young. His sympathy has practically led to the union of the boy and the girl who loved each other so well. He sang divinely and brought prominently the philosophy of Kirton and Namghosa in his life and bearing. The production is refined and free from vulgarity.

K. Chaliha M.L.A. (Central)
Jorhat.

ডক্টৰ বাণীকান্ত কাকতীক সম্বৰ্দ্ধনা

অধ্যাপক শ্ৰীযুত বাণীকান্ত কাকতীদেৱে অসমীয়া ভাষা বিজ্ঞানৰ 'থেছিছ' লিখি কলিকতা বিশ্ববিদ্যালয়ৰপৰা পি এইচ ডি উপাধি পোৱা উপলক্ষে "কামৰূপ সাহিত্য সমাজ"ৰ সভ্যসকলে ৯।৮।৩৫ তাৰিখ শুকুৰবাৰে এখনি চাহমেল পাতি কাকতীদেৱক সম্বৰ্দ্ধনা কৰিলে। উপস্থিত ভদ্রলোকসকলৰ ভিতৰত শ্ৰীযুত (সকল) দুৰ্গেশ্বৰ শৰ্মা বি-এ, ডি-চি আৰু জ্ঞানদাভিৰাম বৰুৱা বাৰ-এট-ল, আৰু সমাজৰ সভ্য-সকলৰ ভিতৰত শ্ৰীযুত (সকল) জানকীনাথ নবিচ বি-এ, অধ্যাপক উমাকান্ত গোস্বামী এম-এ, ৰাধাকান্ত দাস এম-এ, যোগেন্দ্রনাথ বৰুৱা বি-এল, ৰঘুনাথ চৌধাৰী, কালিৰাম বৰ্মণ বি-এল, দীননাথ মেধি বি-এল, জলতিৰাম লহকৰ, সুৰেন্দ্রমোহন দাস এম-এ, প্রসন্ননাৰায়ণ চৌধাৰী এইসকলৰ নাম উল্লেখৰ যোগ্য।

গুৱাহাটী
২৬ শাওন
১৮৫৭ শক

শ্ৰীহৰিনাথ পাঠক চৌধাৰী
প্রধান সম্পাদক,
কমৰূপ সাহিত্য সমাজ

(দৈনিক বাতৰি; ১৫ আগষ্ট. ১৯৩৫)

ইংৰাজীত প্ৰথম অসম বুৰঞ্জী লেখক ই, এ, গেইট চাহাবৰ চিঠি—হেম গোসাঁইলৈ

KRISHNAGAR
19.2.98

My dear Sir,

I am Honorary Director of Ethnography still, but retire on the 31st March next when I fancy captain Gurdon will succeed me. Please send the Ahom Buranji to Babu Golap Chandra Barua for transtlation and tell him that if he cannot complete the translation this year, he should let me know.

I hope you are doing
well. You are lucky
in keeping Dibrugarh
so long. Though there
is more work for a
VOC in Barpeta,
Kamrup dist & Nowgong.
Yours truly
E Gait

অসম প্রেমী গেইট

[History of Assam লেখোঁতা অসম-প্রেমী গেইট চাহাবে হেম গোসাঁইলৈ ইংলণ্ডগামী জাহাজৰপৰা দিয়া চিঠি। অসম এৰি যোৱাৰ দুখ বেকত কৰি তেখেতে লিখিছে ঃ অসমক তেখেতে কেতিয়াও নাপাহৰে।]

S. S. Kestrel.
4.11.97

My dear Sir,

I had not time before to write and thank you for your kind letter of the 19th October, but I was none the less pleased to get your letter.

I am very sorry to leave Assam, but shall never forget it and shall always be greatly interested in what goes on there. I am taking all the recently translated buranjis etc. with me and hope to work them up into a history of the province. As for yourself you have got a good start and it would rest with you by good honest work to assure your future success in life. Believe me.

Yours sincerely.
E.A. Gait

The shaking of the steamer has made it difficult to write.

অগ্নি-কবি কমলাকান্তৰ চিঠি

[অসমৰ মহিলা সকলৰ প্রথম মাহেকীয়া আলোচনী, শিৱসাগৰৰ পৰা ওলোৱা 'ঘৰ জেউতী'ৰ যুতীয়া সম্পাদিকা কনকলতা চলিহা আৰু কমলালয়া কাকতিলৈ অগ্নিকবি কমলাকান্ত ভট্টাচার্য্যই গুৱাহাটীৰ পৰা দিয়া চিঠি। চিঠিখন "ঘৰ জেউতিত" প্রকাশিত হৈছিল।]

আইদেও,

আপোনালোকৰ চিঠিখন পাই মই যে কিমান আনন্দ পালোঁ, তাক বর্ণনা কৰিব নোৱাৰোঁ। মাতৃজাতি জাগৰণেই আচল জাতীয় জাগ-

ৰণ। আপোনাসকলৰ এনে জাগৰণৰ চকু মেল খোৱা দেখি মাৰ আনন্দ নোপজে, তেনে মানুহৰ হৃদয় স্বদেশপ্রেমশূন্য শ্মশানশালিৰ দৰে, আপোনাসকলে নাৰী জাতিৰ কল্যাণৰ অর্থে যি কামত হাত দিছে, ই অতুলনীয় কার্য্য। যিকোনো জাতিৰ উন্নতিৰ কাৰণে নাৰী জাতিৰ জ্ঞানৰ উন্নতিয়েই প্রধান। মাতৃৰ মুখৰ পৰাহে ল'ৰা-ছোৱালীয়ে পোনতে কথা ক'বলৈ শিকে। এনে মাতৃজাতিৰ জ্ঞানৰ উন্নতি যি দেশৰ নাই, সেই দেশ মূর্খ, অসভ্য আৰু পৰাধীন যে তাৰ ভুল নাই। আমাৰ অসমীয়া জাতি তল পৰি থকাৰ ঘাই কাৰণ নাৰী জাতিৰ জ্ঞানৰ উন্নতিলৈ পিঠি দিয়াতকৈ আন একো নাই। এই কাৰণে অসমীয়া জাতিৰ পুৰুষ জাতিও ঘোৰ মূর্খ হৈ আছে। আপোনাসকলে ভাবিব পাৰে যে আমাৰ দেশৰ পুৰুষ জাতিৰ ক্রমে জ্ঞানৰ উন্নতি হৈ আহিছে। মোৰ বয়স এতিয়া ৭৫ বছৰৰ ওচৰাওচৰি, মই আফুখেতিৰ দিনৰে পৰা যিখিনি দেখিছোঁ, তাক ভাবি ঠাৱৰাব পাৰিছোঁ যে, এই অসমীয়া জাতিটিৰ অস্তিত্ব আগলৈ থাকিবনে নেথাকে সন্দেহজনক। কাৰণ দেশৰ সাধাৰণ মানুহবিলাকৰ যেনে শোকলগা দুখীয়া অৱস্থা হৈ আহিব ধৰিছে, তাৰ মূল হেতু আজিকালি ল'ৰা-ছোৱালীবিলাকে লেখা পঢ়া শিকিয়েই লসৌ সৌ বাবু হৈ পৰে। নিজ হাতে হাল বোৱা, কোৰধৰা, সূতাকটা, কাপোৰ বোৱা আদি কামবিলাক কৰিবলৈ অপমানবোধ কৰে। এতেকে ওখ শিক্ষা পোৱাৰ ফুটনি কৰা লোকসকলকো গাঁৱলীয়া মানুহতকৈ বেছি পণ্ডিত মই হ'লে নেভাবো। আজিকালি আমাক আচল শিক্ষা লাগে, যি শিক্ষাই আমাক মানুহ কৰি তুলিব পাৰে। তেনে শিক্ষা মাতৃভাষাৰ দ্বাৰাই নেপালে পৃথিবীৰ কোনো জাতিয়েই জ্ঞানৰ উন্নতি কৰিব নোৱাৰে। আমাৰ অসমীয়া জাতিৰ, এই জ্ঞান যুগত জ্ঞানৰ উন্নতি নোহোৱাৰ ঘাই কাৰণ হৈছে মাতৃভাষাৰ প্রতি পিঠি দিয়া। বর্তমান জ্ঞান উন্নতি সাধিবলৈ আমাক লাগে প্রতি জিলাই জিলাই বাতৰি আৰু আলোচনী কাকত। অসমীয়া জাতি (বি-এ, এম-এ পাছ কৰা উকীল হাকিম সমন্বিতে) এনে মূর্খ যে মাতৃভাষালৈ অলপো কাণষাৰ নাই। কোনো কাকতেই গ্রাহক আৰু লেখকৰ অভাৱতেই টিকিব নোৱাৰে। কাকতৰ গ্রাহক হ'লেও মূল্য ফেৰী নিদিয়ে, এনেয়ে পঢ়িবলৈ লাগে। এনেবিলাক কথা ভাবি দেখা

যায়, অসমীয়া জাতিক একেবাৰে পুতি থোৱাৰ অর্থে কালপুৰুষে ডাঙৰ গাত এটি খানি ৰাখিছে। এই সময়ত মাতৃ জাতিৰ টোপনি নেভাগিলে আমাৰ উপায় নাই। আপোনালোক উঠক, দেশৰ অৱস্থা ভাৱক, পৰাধীনতাৰ শিকলি গছ চিভিবলৈ আগলৈ উপায় চিন্তক। কোনো জাতি-কুল বিচাৰ নেৰাখি সদৌ অসমীয়া ভনীসকলক সাৰ পাবলৈ চিঞৰ ধৰক, এলেহুৱা, দেশৰ প্রতি আওকাণ কৰা পুৰুষ-সকলক গালি সোধাওক, তেতিয়া হ'লে জানিব মুছলমানে ১৭ বাৰ যুঁজ কৰিও জিকিব নোৱৰা এই অসম দেশ আকৌ উঠি দেশত আকৌ বেহাবেপাৰ, খেতি শিল্প আদিৰ উন্নতি কৰিবলৈ লাগি পৰিব। এনেবিলাক উন্নতিৰ বাবেই আমাৰ শিৱসাগৰৰ 'ঘৰজেউতি'সকলে যি 'জেউতি' কাকত উলিয়াইছে, এই কাকতখনি যেন গুৱালপাৰৰ পৰা সদিয়ালৈকে পঢ়িব জনা প্রতিঘৰ মানুহে লয়, তাৰ চেষ্টা কৰা সকলো অসমীয়াৰে কর্তব্য। আইদেও, আপোনাসকলে মোৰ মাহে মাহে প্রবন্ধ পঠাবলৈ যি অনুৰোধ কৰিছে, তাক মই শিৰত তুলি লৈছোঁ। পোনতে এই চিঠিখনকে প্রবন্ধ বুলি ধৰি ছপাই দিয়ক।

উজান বজাৰ
গুৱাহাটী
১৩।৩।২৮

বিনীত
শ্রীকমলাকান্ত ভট্টাচার্য্য

হেমকোষ ৰচোঁতা হেমচন্দ্র বৰুৱাই হেমচন্দ্র গোস্বামীলৈ লেখা চিঠি

Gowhaty
March 31, 1889

My dear young Friend,

Excuse the delay that has unavoidably taken place in replying to your letter of the 13th instant which was duly received. My answers to the questions put by you are given below.

(1) I have never met with such an expression as চকুৰ পিতলি পৰা except in the Assamese Magazine entitled জোনাকী

(2) The word পিতলি is not, so far as I know, synonymous with নিমিষ (as নিমেষ) or পলক which letter though now used in Assamese is a Bengali word derived from Sanskrit পলক, short space of time.

(3) The word চকলিওৱা is a কৃদন্তপদ as participle of verb চকলিয়া (to slice or divide with thin pieces) which comes from noun চকল or চকলা (a thin piece of nut) derived from Sanskrit শকল।

(4) পাট and not পট is the correct word in the sentence আশাক কৰিম ৰাণী হৃদয়--পাট meaning throne or gaddi, from Sanskrit পট্ট, the Assamese adage ৰজা নাই পাটত, ধৰি কিলায় বাটত in which পাট means a throne, must be ৰাজপাট to you as well as the word royal throne.

(5) গড়াগড়ি is a Bengali word equivalent to Assamese বাগৰা বাগৰি and খুটিয়াখুটি। In the metrical writings of Sankardeva and his followers we find a large number of foreign words, some of which have since been incorporated into our languager. Words other than those of the latter class should not, as in my opinion, be used in writing Assamese except when we are hard up for words to express our thoughts.

Any other questions you may have to put, I will answer with as or only to the best of my knowledge.

Yours most sincerely
Hemchandra.

ৰাধানাথ চাংকাকতীৰ চিঠি

[ডিব্ৰুগড়ৰ পৰা ওলোৱা "টাইমচ অৱ আছাম" কাকতৰ সম্পাদক স্বৰূপে হেম গোসাঁইলৈ দিয়া চিঠি।]

The "TIMES OF ASSAM" Office,
Dibrugarh 3rd. March, 1895.

My dear Gossain,

Yours of the 26th instant just to hand is really a delight to me and I heartily thank you for your kindly remembering me and expressing good opinion on the Times. I would have corresponded with you ere this, but unfortunately could not do as I was unaware of your whereabouts till now and also was doubtful whether you were still in Calcutta since I last saw you.

I send you today a packet of back numbers of the Times, perhaps some numbers are short which cannot be helped. Your promised contribution to the paper will be highly appreciated. Rest assured, to make the infant journal a success is my highest aim of life and I will spare no pains to do it to the best of my ability. But if it cannot have a long life—which God forbid, it will not be my fault, but that of some subscribers.

As for Calcutta advertisements, it would be better if you can spend some time trying to secure some.

Wishing you health and success

Yours very sincerely
R. N. Changkakati

কামৰূপ জিলাৰ প্ৰথম এম. এ. অন্নদাচৰণ ভট্টাচাৰ্য্যৰ চিঠি

COOCH BEHAR
The Door Muktier's, July 17, 1895,

মহাশয়,

আমাৰ দেশৰ বুৰঞ্জী যতে ততে আৰু পাবলগীয়া নহয়। দেশৰ পুৰণি ইতিহাস পঢ়ি, পূৰ্ব্বাবস্থা গমি চাই, কিমান উন্নতি সাধিব পাৰি তাক আপনাক কব নেলাগে।

পুৰণি কামৰূপত কোচৰ জাতিবিলাকৰ ৰাজত্বৰ এখন বুৰঞ্জী লেখিবৰ উদ্যোগ হ'ব ধৰিছে সেই নিমিত্তে আপনাৰ ওচৰত সহায় (material) খুজিছোঁ। ছপা বা হাতেৰে লেখা পুথি আপনাৰ ওচৰত থাকিলে বা আপনি সংগ্রহ কৰিব পাৰিলে, অনুগ্রহ কৰি মোলৈ পঠাই দিব। হাতেৰে লেখা পুথি আপনাৰ আৱশ্যক হলে ফিৰাই দিম। যদি হাতেৰে লেখা পুথি পঠিয়াই দিব নোৱাৰে তেনেহ'লে সেই পুথি নকল কৰাই পঠায় দিব। ময় পুথিৰ বেচ আৰু তাৰ অহাৰ খৰচ সুখেৰে দিম।

কামৰূপ তন্ত্র নামেঁ এখন পুথি আছে শুনিবা পাইছোঁ। আপনি যদি এই পুথিখন সংগ্রহ কৰি পঠাব পাৰে তেনেহ'লে আপনাৰ ওচৰত কৃতজ্ঞ থাকিম।*

বশম্বদ

শ্রীঅন্নদাচৰণ ভট্টাচার্য্য।

\+ \+ \+

লক্ষেশ্বৰ শর্মা (বালিগাওঁ, যোৰহাট)ৰ চিঠি

[যোৰহাটৰ লক্ষেশ্বৰ শর্মাৰ চিঠি। এওঁ চৰ ডেপুটী কলেক্টৰ আছিল আৰু পুৰণি সাহিত্য উদ্ধাৰ কৰাত বৰ আগৰণুৱা আছিল। ৰামসৰস্বতীৰ "উদ্যোগপর্ব্ব" এৰেঁই প্রথমতে প্রকাশ কৰে।]*

18, Amherst street
5.12.95

My dear Gossain,

Need I tell you how much glad I am at the happy news of your being appointed a probationer Sub-Deputy Collector ? My joy is in sooth, unbounded. I hope trust that you will now try your best to show yourself competent for this situation. Almost all of our friends here congratulate you on this joyous occasion. I hope you will continue to write me now & then at your leisure.

Mr. Majid is here at present. I hear he has got a long-standing case in the High Court.

---

* হেমচন্দ্র গোস্বামীলৈ লিখা

Mr. Kanak Lal Barooah and myself have completed the course of law lectures and are shortly going home probably within a fortnight. I shall write to you from home. You will be sorry to here that I could not appear for the M.A. examination this year for want of preparation. I am well, hoping you so to.

Yours affly.
Laksheswar Sarma

কনকলাল বৰুৱাৰ চিঠি, হেম গোসাঁইলৈ ঃ ঢেঁকীয়াল ফুকনৰ বুৰঞ্জী

Gauhati
June 1, 1896

My dear Gossain,

Your note duly to hand, you may prattle anything as regards my silence and disposition towards my friends. The Mss. of Haliram Dhekial Phukan's Buranji was taken from me by Jnanada when Dr. Radhika Phukan was at Calcutta. I can not understand why you want the manuscript, when the book was printed long ago & a copy of which you may find in the Secretariat library. I did not know that the book was printed until very lately. I saw its name included in the list of printed Assamese books given in Anandaram D. Phookan's "A few notes etc".

What is Mr. Gait doing with copper plates ?

K.B.
Yours
Kanak

"নতুন প্ৰতিনিধিৰ" সম্পাদক শ্ৰীপদ্ম বৰকটকীলৈ দিয়া দুখন চিঠি

চিৰিং চাপৰি
ডিব্ৰুগড়
১৮।২।৬৩

মৰমৰ পদ্ম,

তোমালৈ চিঠি খন লেখিম বুলি কাগজ কলম যতাই লৈছোঁ। লৈছোঁ হে লৈছোঁ, হাতৰ ঠাৰিয়ে কিমান দূৰ নিয়ে ক'বপৰা নাই। কিয়নো, লেখি যাওঁতে যাওঁতেই হাতত ক'ৰপৰা নো বিষটোৱে ধৰেহি ক'বই নোৱাৰোঁ। গাত বল নাইকিয়া হলে বা বুঢ়া হ'লে, এনেকুৱা হয়েই হবলা। তাহানি লক্ষ্মীনাথ বেজবৰুৱা ডাঙৰীয়াই কৃপাবৰী কাপটো হাতত লওঁতেও এনেকৈয়ে দুখ কৰিছিল। আজি মোৰো সেই গতিয়েই।

গা টঙাও বুলি গুৱাহাটীৰপৰা ডিবুৰু পালোহি। জ্বৰে এৰিলেও কৰ্পটিয়ে নেৰাৰ দৰে, ইয়াতো মানুহৰ টনা-আজোৰা। ই বোলে, "জয়শ্ৰী সংঘলৈ" যাবই লাগিব; সি বোলে "বিবেকানন্দ শতবাৰ্ষিক উৎসৱত আপুনি নেথাকিলেই নহয়", আকৌ ডাঢ়ি গোঁফ ঠুটিৱা ডেকা ল'ৰা এজাকে টানিবহি "কাইলৈ কলেজলৈ মাতিবলৈ আহিছোঁ। বেচি ক'ব নোৱাৰে তেও এষাৰি ক'ব। আমাক যেন হতাশ নকৰে।" সেই দেখি, ইয়াতো ৰক্ষা নাই। তথাপি, "চিনাকি বাহ্নে" ডিবুৰুত থাকি ভাল লাগিছে।

অলপতে মায়ামৰা বা মোৱামৰা, নতুবা, পুৰণি উচ্চাৰণ মতে "মআমৰা" মহন্ত এজন আহি, তেওঁবিলাকৰ তালৈ যাবলৈ অনুৰোধ কৰি গ'লহি। তেওঁৰ কথামতেই কালি অসমৰ "মেকমিলান কোম্পানী" ভট্টাচাৰ্য্য এজেঞ্চী-প্ৰতিষ্ঠাপক ৺শিৱনাথ ভট্টাচাৰ্য্যদেৱৰ নাতিয়েক শ্ৰীমান লোকেন্দ্রনাথ ভট্টাচাৰ্য্যৰ মটৰগাড়ীত উঠি, সেই মহন্তৰ ঘৰ পালোঁগৈ। মহন্ত গৰাকীৰ ঘৰ মদাৰখাততে। একে মায়ামৰীয়া মহন্তৰ ঘৰ চাৰিখন কি পাঁচখন হৈছে; ঘাইখন হ'ল দিনজয় সত্ৰ---চাবুৱাৰ ওচৰত; দ্বিতীয়খন এইখন যিখনলৈ মই আহিছোঁ; তৃতীয় টিফুকসত্ৰ কাক পথাৰৰ ওচৰত; চতুৰ্থ গইমাৰী

সত্ৰ ; পঞ্চম যোৰহাটৰ পূৰণি মাটি সত্ৰ। টিফুকত থকাখনৰ শিষ্য মৰাণ। মৰাণসকলে সেইখনক হাবিতলীয়া বোলে; আৰু মই অহা মদাৰখাতৰখন মুকলিত থাকে দেখি মুকলিমূৰীয়া বোলে (যোৰহাটৰ কোৰোকাতলিৰ মুকলিমূৰীয়া গোসাঁইৰ লগত এই মুকলিমূৰীয়াৰ একো সম্বন্ধ নাই; ভুল কৰা বুলি কথামাৰ কৈ থলোঁ)। জয়ে জয়ে ভাবিছিলোঁ---তাত কিনো আছে! কিন্তু ইয়ালৈ ঔ খাবলৈ আহি যে মৌ খালোঁহি, তাকে হে তোমাৰ আগত ক'ব খুজিছোঁ।

যিজন মহন্তক বিচাৰি গলোঁ—তেওঁ নাই; লক্ষীমপুৰৰ নাহৰ আটিলৈ গ'ল। বহুত বেলি নামঘৰৰ মুখতে থিয়াথিয়ি কৰি আছোঁ, এনেতে ভিতৰৰপৰা এজন বুঢ়া মানুহ ওলাই আহিল। মানুহজনৰ নাকটো বামুণগুৰী, গোঁফ আছে; ওঁঠটোও জোঙা। কথাবোৰো ফটফটীয়া। তেওঁৰ গাতে গা-লগাই আহিল এজাক ল'ৰা-ছোৱালী। ক'লে, "আহক, বহে যদি বহক। "পোনেই তেওঁ নামঘৰৰ ভিতৰতে বহিবলৈ কৈছিল। কিন্তু, গোসাঁইৰ ১৪।১৫ বছৰীয়া ছোৱালীটীয়ে ক'লে, "নহয়। ভিতৰৰ জুহালৰ ওৰিতে বহকগৈ।" জুহালৰ ওৰি পালত বুঢ়া খাটনিয়াৰে চাহ-তাহ দিবলৈ জুই ধৰিছে। জুই ধৰাৰ লগে লগেই তেওঁৰ পূৰ্ব পুৰুষৰ চিনাকিটিও দিলে, তেওঁবিলাক হেনো বেজবৰুৱা বামুণ আছিল, আছিল মদাৰখাতৰ ওচৰতে নাদুৱাত। উপৰিপুৰুষৰ ভাই-ককাই চাৰিজন আছিল; দুজনে আহোম ছোৱালী বিয়া কৰালে। সেইফালৰ বংশটোৰেই ল'ৰা এই খাটনিয়াৰ। সুধিলোঁ, 'চাহ খুৱাব নেকি?" হাতত সৰু কেট্‌লী এটি লৈ ভিতৰৰ পৰা লৰি আহি সেই চৈধ্য বছৰীয়া ছোৱালীটিয়েই উপৰাই মাত লগালেহি, "খুৱামতোন; ম'হৰ গাখীৰো আছে।" মাতষাৰ ইমান কোমল, ইমান মিঠা, ইমান সাদৰী, ইমান মৌৰ-সাগৰ তোমাক আৰু কি কম পনম। মাতৃভাষা অসমীয়াৰ মাধুৰী, কোমলতা, মৌকোঁহৰ দৰে সোৱাদ আৰু কবিতা-সৌন্দৰ্য্য যদি কোনোবাই আজিও ৰাখি আছে আৰু ৰাখি থাকি আমাৰ নিচিনা জাত এৰা বেবেজীয়া অসমীয়া-প্ৰেমিকক দিনে নিশাই সমাজিকতো বলিয়া কৰিব পাৰিছে, তেন্তে "ম'হৰ গাখীৰ খুউৱা" এইসকলেই। মটকৰ ঔ খাবলৈ গৈ এইকণ মৌকে খালোঁগৈ। সেইফেৰি কবিতাৰ মৌ খোৱা হ'ল।---আৰু

এফেৰি মৌ ওলাল সেই নাহৰ ডেকাৰ---যাৰ কথা পূজা সংখ্যা 'আমাৰ প্রতিনিধি'ত আলোচনা কৰা হৈছিল।

এই নাহৰ ডেকাৰ কাহিনীটো যে তোমাৰ নিমিত্তে কি অপূর্ব বস্তু হ'ব, মই ভাবিয়েই ওৰ পোৱা নাই। তোমাৰ আলোচনীত ওলোৱা গীত কেফাঁকিত নাহৰৰ একোৰে একোটো ওলোৱা নাই। জঁটীয়া নাহৰৰ যৌৱন জীৱনীশক্তি আৰু পৌৰুষ অকল কৌতূহলৰ বিষয়েই নহয়, বর্তমান যুগত তেওঁৰ আহিৰে প্রত্যেক অসমীয়া ডেকাই জীৱন গঢ়িবৰো বিষয়। নাহৰৰ কীর্তি-কাহিনী ওলালে অবাক মানিবা। আজিলৈ তোমাক তাৰে এটি কথা মাত্র কওঁ।

খোঁৰাৰজাৰ ঘৈণীয়েক বৰ-মেছলৌ সৰু-মেছলৌ কুঁৱৰী, নাহৰৰ বাবেই, জয়মতীকৈ ডাঙৰ প্রেমৰ আদর্শ দেখুৱাই দিহিঙৰ পাৰত সতী গ'ল। এইদৰে সতী যোৱাৰ কাৰণটো হ'ল---নাহৰৰ অদ্ভুত পুৰুষ-শক্তিত মেছলৌ কুঁৱৰীদ্বয়ৰ উদগু আসক্তি। আৰু নোৱাৰি,

তোমাৰ মৰমৰ
শ্রীবেণুধৰ শর্মা

চিৰিং চাপৰি
ডিব্রুগড়
২৫।২।৬৩

শ্রীমান পদ্ম,

তোমালৈ 'টোকোৰা বাহৰ কুটা' এডাল পঠালোঁ। শ্রীযুত ডম্বৰুধৰ বৰগোহাঁইৰপৰা অনা এইখিনি টোকা। বৰগোহাঁই এজন সুসাহিত্যিক, অন্ততঃ সাহিত্যৰ চমজদাৰ। তেখেত মোৰ 8th Class ৰ পৰা (Class III) সহপাঠী বন্ধু। ঘৰত ল'ৰাই-ছোৱালীয়ে এবাহ; তথাপি সাহিত্যৰ সোৱাদ ল'বলৈ নেপাহৰে। থাকে বৰবাম বাগিছাত। কামো কৰে তাতে, বৰ কেৰেণী; পোঃ অঃ বৰবাম, সোণাৰি, শিৱসাগৰ---ঠিক না।

কাইলৈ চাৰিওত মণিৰাম দেৱানৰ তিথি। যাম বুলি ভাবিছিলোঁ। গাড়ী এখন নেপালোঁ। বৰকৈ ফুৰিবও নোৱাৰি। জোকাৰ খালেই আকৌ হয় পৰিব লাগিব, নহয় চকু মুদিব লাগিব (পাৰিতপক্ষে মুদাই

নিছোঁ)। মুখবলী ভাৰতীয়ৰ মুখ মাৰিবলৈ চৰ্কাৰে নামজলা ধৰ্ম্ম প্ৰচাৰক, ৰাজনীতিজ্ঞ আৰু বিদ্রোহীৰ ডাকটিকট উলিয়াইছে; নাইবা পৰ্বদিন ঘোষণা কৰিছে। অসমৰ ফুটা কপালত কিন্তু এতিয়াওঁলৈকে একো নপৰিল। ১৯৫৭ চনতে 'শ্বহীদ'সকলৰ তিথি পালন কৰিবলৈ সেই বছৰি মণিৰাম দেৱানৰ তিথিৰ বাবে চৰ্কাৰী বন্ধদিন ঘোষণা কৰিছিল। '৫৭ চনো গ'ল; চৰ্কাৰো নিতাল মাৰি থাকি অসমীয়াৰ যাউতীযুগীয়া সেই পুৰণিকলীয়া সংস্কৃতি বা কৃষ্টিটো ৰক্ষা কৰিলে; কানিৰ নিচাই বাৰু কেতিয়াবাকৈ আমাক এৰিব নে?

কালি মোৱামৰীয়া মহন্তৰ ঘৰলৈ গৈছিলোঁ লোকেন্দ্ৰ ভট্টাচাৰ্য্যৰ মটৰেৰে। দিনজয়, গড়পৰা সত্ৰ চালোঁ। দুয়োখন অনিৰুদ্ধৰপৰাই ফটা। দিনজয় সত্ৰৰ নামঘৰ, থাকনি ঘৰ আৰু অন্যান্য ঘৰবাৰী দেখি সত্ৰ যেন লাগিল। তাতে শ্ৰীযুত জীৱচন্দ্ৰ গোস্বামীয়ে ৯ চুকীয়া বুলি ভৰৎসিংহ মটক ৰজাৰ ৮ চুকীয়া সোণৰ মোহৰ এটা দেখুৱালে। কালিলৈকে তেওঁবিলাকৰ বিশ্বাস আছিল ভৰৎসিংহৰ মোহৰ ৯ চুকীয়া বুলি। মই হে সেই ভুল বিশ্বাসটো গুচাই দিলোঁ। ("ভু ভাঙিলোঁ" নহয়)।

বিয়াৰ আয়োজনত ডিব্ৰুগড় নগৰ তল-ওপৰ লাগিছে। কালিৰে পৰা ৰঙাঘৰ বিজুলী আলোকবন্তিৰে জলমলাই আছে। শুনিছোঁ বিয়াৰ খৰচৰ estimate বোৰ। শুনিয়েই ভীত।

মই অলপ, অলপ-অলপ ফাচী পঢ়িবলৈ ধৰিছোঁ। অৱশ্যে, কোৱাগখন কাহানিবাই শেষ কৰিলোঁ। ইতি—

তোমাৰ
শ্ৰীবেণুধৰ শৰ্মা

[আমাৰ প্ৰতিনিধি ঃ ৩য় বছৰ ৭ম সংখ্যা)

প্ৰথম ৰাউণ্ডটেবল কনফাৰেঞ্চৰ অসমীয়া প্ৰতিনিধি চন্দ্ৰধৰ বৰুৱালৈ অসম-কেশৰী অম্বিকাগিৰীৰ মুকলি চিঠি

মান্যবৰ ডাঙৰীয়া,

আপুনি প্ৰথম ৰাউণ্ড টেব্‌ল কনফাৰেঞ্চলৈ নিমন্ত্ৰিত হৈছিল অসমীয়াৰ প্ৰতিনিধি হিচাবে, ভাৰতৰ ভাগ্য পৰিবৰ্ত্তনৰ এই সন্ধিক্ষণত অসমীয়া জাতিৰো ভাগ্য নিয়ন্ত্ৰণৰ এটি সুদিহা কৰিবলৈ। আপুনি বিলাতৰ নানা ঠাইত দিয়া বক্তৃতা বিলাকৰ ভিতৰত কোনো ঠাইতে কিন্তু অসমীয়া জাতিৰ আত্মৰক্ষা সম্পৰ্কীয় এটি কথাও উচ্চাৰণ কৰা আমি শুনি নাপালো। আপুনি প্ৰদেশবিলাক সম্বন্ধীয় ২য় কমিটিৰ সদস্য আছিল জানো, কিন্তু তাতো আপুনি অসমৰ অসমীয়া জাতিৰ ঘাই সমস্যা বিলাকৰ বিষয়ে এটা কথাও উচ্চাৰণ নকৰিলে। অসমীয়া জাতিৰ ঘাই সমস্যা কোনবিলাক সেই সম্পৰ্কে আপোনাৰ দৰে বিচক্ষণ ৰাজনীতিকক সম্ভৱতঃ বহলাই ক'ব নালাগে।

শ্ৰীহট্ট জিলাখন বাদ দি ভাষাগতভাৱে অসম প্ৰদেশখন নতুনকৈ সংগঠন কৰা, এইদৰে গঠিত হোৱা নতুন অসম প্ৰদেশত থকা প্ৰকৃত অসমীয়াৰ প্ৰায় সমান সংখ্যক বঙালী, হিন্দুস্থানী, নেপালী আদি ভাৰতীয় বিদেশী আৰু ইংৰাজ চাহ খেতিয়ক বিলাক সম্পৰ্কে সু-ব্যৱস্থা এটা কৰা, আৰু এইবিলাকৰ ভৱিষ্যৎ আক্ৰমণৰ পৰা অসমীয়াৰ হক ৰক্ষা কৰি অসমীয়া জাতিক স্বাধীনভাৱে আৰু নিৰ্ব্বিবাদে নিজ দেশত বাঢ়িবলৈ সুবিধা দিয়া ইত্যাদি বিষয়বোৰ অসমীয়া জাতিৰ পক্ষে কম সমস্যা বুলি আপুনি ক'ব খোজে নে কি?

উৰিষ্যা প্ৰদেশখন ভাষাগত ভাৱে পুনৰ্গঠন কৰিবলৈকে উৰিষ্যাবাসীয়ে আকাশ পাতাল খলকাই তুলিছে। যুক্তৰাষ্ট্ৰ গঠন (Federal Structure Committee) কমিটিত, সীমা নিৰ্ণায়ক কমিচনত (Boundary) তেওঁলোকৰ পক্ষৰ পৰা সদস্য লবলৈ নানাভাৱে চেষ্টা কৰি আন্দোলন কৰি গৱৰ্ণমেণ্টৰ সন্মতি আনিছে। আনফালে কংগ্ৰেছ পক্ষৰ পৰাও মহাত্মাজীৰ মনত ইয়াৰ ঔচিত্য আৰু আৱশ্যকতা দৃঢ়ভাৱে সুমুৱাই দিছে; আৰু মহাত্মা গান্ধীয়েও নতুন ৰাউণ্ড টেব্‌লত প্ৰথমতে এই বিষয়টো হাতত লব বুলি উৰিষ্যাবাসীৰ আগত স্বীকাৰ কৰিছে!

কিন্তু উৰিষ্যাবাসীৰ দৰে অসমীয়াৰ এই সম্পৰ্কে আজিলৈকে একো চেষ্টা হোৱা নাই কিয় ?

এতিয়া সদৌ অসমীয়া ৰাইজৰ পক্ষৰ পৰা আমি আশা কৰোঁ আপুনি অতি শীঘ্ৰে প্ৰধানমন্ত্ৰী, ষ্টেট চেক্ৰেটৰী, ভাইচৰয় আদিলৈ লিখা লিখি কৰি যুক্তৰাষ্ট্ৰ গঠন কমিটিত (Federal Structure Committee) আৰু সীমা নিৰ্ণায়ক কমিছন (Boundary Commission) নিজে সদস্য হৈ নাইবা আন যোগ্য অসমীয়াক সুমুৱাবলৈ দিহা কৰি অসমত অসমীয়া জাতিৰ প্ৰকৃত মঙ্গল সাধিবলৈ তৎপৰ হওক, এই নিবেদন।

ইতি—
বিনীত

ওৱাহাটী
২৫।৬।৩১

শ্ৰীঅম্বিকাগিৰি ৰায় চৌধুৰী
জেনেৰেল চেক্ৰেটৰী, অসমীয়া সংৰক্ষিণী সভা

[সাদিনীয়া বাতৰি, ৪ জুলাই ১৯৩১)

অসম সাহিত্য সভা পত্ৰিকাৰ সম্পাদকীয় টোকা

(১ম বছৰ, ৩য় সংখ্যা, ১৯২৭)

[অসম সাহিত্য সভা পত্ৰিকাৰ প্ৰথম সম্পাদক আছিল চন্দ্ৰধৰ বৰুৱা। এই সংখ্যাৰ সম্পাদকীয় টোকাত পণ্ডিত কৃষ্ণকান্ত সন্দিকৈ দেৱৰ বিষয়ে এইদৰে লিখিছিল।]

শ্ৰীমান কৃষ্ণকান্ত সন্দিকৈ

আমাৰ শ্ৰদ্ধাস্পদ ৰায়বাহাদুৰ শ্ৰীযুত ৰাধাকান্ত সন্দিকৈ ডাঙৰীয়াৰ সুযোগ্য পুত্ৰ শ্ৰীমান কৃষ্ণকান্ত সন্দিকৈ বহু বছৰ বিলাতত থাকি লিখা-পঢ়া কৰি এতিয়া ঘৰ পাইছেহি। তেওঁ সংস্কৃত ফ্ৰেঞ্চ, জাৰমেন্ আৰু ৰুচ ভাষাত বিশেষ ব্যুৎপত্তি লাভ কৰি আহিছে। স্বৰ্গীয় আনন্দৰাম বৰুৱা ডাঙৰীয়াৰ পাছত আমাৰ দেশত এওঁৰ সমান শিক্ষা আৰু কোনেও লাভ কৰা নাই। সমস্ত অসম দেশ নালাগে, সমস্ত ভাৰতবৰ্ষই তেওঁৰ পৰা গৌৰৱান্বিত হৈছে। কিন্তু অসমৰ অসমীয়াৰ বিশেষ সৌভাগ্য যে কৃষ্ণ কান্ত সন্দিকৈও আমাৰ নগৰ এজন অসমীয়া। তেওঁ কৃতকাৰ্য্য হৈ নিৰাপদে উভতি অহাত আমি নথৈ সন্তোষ

পাইছোঁ আৰু অতি ৰংমনেৰে তেওঁক আমাৰ স্নেহপূৰ্ণ সমাদৰ জনাইছোঁ। তেওঁ যেন স্বাস্থ্যপূৰ্ণ দীৰ্ঘ জীৱন আৰু সকলো প্ৰকাৰৰ সুখ-সম্পদ লাভ কৰি আমাৰ দেশৰ মুখ উজ্জ্বল কৰিব পাৰে, ঈশ্বৰৰ চৰণত আমাৰ এয়ে আন্তৰিক প্ৰাৰ্থনা।

শ্ৰীযুত কৃষ্ণকান্ত সন্দিকৈ দেৱৰ আদৰণী সভা

যোৱা ২২।৪।২৭ তাৰিখে বহা সাহিত্য সভাৰ কাৰ্য্যনিৰ্ব্বাহক সভাৰ ৬ষ্ঠ অধিবেশনৰ ৮ম প্ৰস্তাৱ মতে ১৯।৫।২৭ তাৰিখে গধূলি ৭॥ বজাত এখনি আদৰণী সভা বহে। তাত প্ৰথমতে তলত দিয়া গীতটোৰে শ্ৰীযুত সন্দিকৈ দেৱক আদৰ কৰা হয়—

আনন্দ আজি উঠনি পৰিছে
আজলী আসাম আই,
অশেষ ভাগৰে জান আহৰা
আপোন পোনাটি পাই।
[আজলী আসাম আই]
মঙ্গল উৰুলি উঠিছে আপুনি
জয় জয় ৰৱ দশো দিশে শুনি,
সৰগৰ পৰা ফুল সৰি পৰে
আপাহৰ অন্ত নাই।
[আজলী আসাম আই]
আশীষ ৰৰষা অনাদি অনন্ত
যশৰ জেউতি পাওক দিগন্ত,
চিৰকাল থক জিলিকি ধৰণী
আই মুখ পোহৰাই।
[আজলী আসাম আই]

শ্ৰীহৰিনাৰায়ণ।

তাৰ পাছত তেওঁক এখনি অভিনন্দন পত্ৰ দিয়ে। অভিনন্দন পত্ৰত তলত দিয়া কথাখিনি আছিল—

অভিনন্দন পত্ৰ

আসাম সাহিত্য সভা
চন্দ্ৰকান্ত সন্দিকৈ হল
যোৰহাট।

শ্রীযুক্ত কৃষ্ণকান্ত সন্দিকৈ এম এ, (কলিকতা আৰু অক্সফোর্ড)
দেৱৰ শ্রীকৰকমলেষু

সন্দিকৈ দেৱ!

আপুনি কলিকতা বিশ্ববিদ্যালয়ত সংস্কৃত শাস্ত্রৰ শিক্ষা সমাপন কৰি সাত বছৰ ইউৰোপৰ নানান ঠাইত নানান প্রতীচ্য আৰু প্রাচ্য ভাষাত ওজা হৈ ঘুৰি ঘৰ পাইছিহি।

এই কাৰণে আমি আনন্দিত হৈছোঁহকঁ, কিন্তু আমাৰ তাতোকৈ বেছি আনন্দ হৈছে এই কাৰণে, যে আপুনি আপোনাৰ চৰিত্রৰ সৰলতাৰে, বিদ্যাৰ গৌৰৱেৰে আৰু স্বভাৱৰ মাধুর্য্যেৰে অসমীয়া জাতিৰ প্রাণত নতুন আশাৰ সঞ্চাৰ কৰিছে।

আপোনাৰ উদাহৰণ পাই অসমীয়া ডেকা নতুন বিদ্যা চর্চাত উৎসাহিত হ'ব। আপোনাৰ আদর্শৰ গুণত তেওঁলোকে পৃথিৱী ঘুৰি ফুৰিওঁ অসমীয়া হৈ থাকিব। আৰু আপোনাৰ আদর্শেৰে অসমীয়া ল'ৰাই কর্ম্মক্ষেত্রত আগবাঢ়িবলৈ বল পাব।

এই আশাত আজি আমি আটায়ে মিলি আপোনাক আমাৰ অভিনন্দন জনাইছোঁ। ভগৱন্তই আপোনাৰ মঙ্গল কৰোক।

আপোনাৰ পিতৃ-মাতৃ, বন্ধু-বান্ধৱে সবাতো উপৰি আপোনাৰ দেশ মাতৃকাই আপোনাৰ পৰা যি প্রকাৰে কার্য্যৰ আশা কৰিছে, তেনে কার্য্য কৰিবলৈ তেওঁ আপোনাক শক্তিমন্ত কৰি দীর্ঘায়ু দান কৰক।

ইতি—

যোৰহাট
চন্দ্রকান্ত সন্দিকৈ হল
১৯ মে, ১৯২৭ ইং

অসম সাহিত্য সভাৰ হৈ
শ্রীশৰৎচন্দ্র গোস্বামী
প্রধান সম্পাদক

[একে সংখ্যাতে, সভাৰ প্রধান সম্পাদক শৰৎচন্দ্র গোস্বামীয়ে দায়িত্ব ভাৰ এৰাৰ সময়ত গোস্বামীলৈ সাহিত্য সভাৰ কৃতজ্ঞতা প্রকাশ কৰা হৈছিল।]

শ্রীযুত শৰৎচন্দ্র গোস্বামী দেৱৰ অবসৰ গ্রহণ।

আমি বিশেষ দুখেৰে আমাৰ পাঠকসকলক জনাওঁ, যে চর্কাৰী কামৰ লেঠাত, আমাৰ সাহিত্য সভাৰ সুযোগ্য প্রধান সম্পাদক শ্রীযুত

শৰৎচন্দ্ৰ গোস্বামীদেৱে, যোৱা ২২।৫।২৭ তাৰিখে, সভাৰ সম্পাদকৰ বাব শ্ৰীযুত পূৰ্ণানন্দ শৰ্ম্মাদেৱৰ হাতত দি, সেই পদৰ পৰা অৱসৰ গ্ৰহণ কৰিলে। চৰ্কাৰী কামত তেখেতৰ পদোন্নতিৰ বাবে সাহিত্য সভাৰ কোনো অসুবিধা নহ'ব, আৰু তেখেতে আৰু বহু কালেজ সম্পাদক হৈ থাকিব পাৰিব বুলি আমি আশা কৰিছিলোঁ। সেই আশাত নিৰাশ হৈ আমি নথৈ দুখ পাইছোঁ। সাহিত্য সভাৰ ওৰিবে পৰা ইয়াৰ প্ৰধান সম্পাদকৰ বাবত থাকি অতি সুচাৰুৰূপে সকলো কাৰ্য্য সম্পাদন কৰি, গোস্বামীদেৱে সভাৰ সজাল ধৰাই থৈ গৈছে। তেখেত সম্পাদক থাকোঁতে সভাৰ কি কি উন্নতি হ'ল, তাৰ ঘাই ঘাই চাই দুটা বা চাৰিটা দৃষ্টান্ত দিলেই হ'ব।

(১) ১৯২০ চনত সভাৰ জমা আছিল ১৩৬৸৵০ আৰু খৰচ হৈছিল ৩০৸ টকা। যোৱা বছৰ জমা আছিল ৭৬০০৲ আৰু খৰচ ধৰা হৈছিল ৫৬০০৲ টকা; আৰু বৰ্ত্তমান বছৰৰ বাজেটত গোসাঁইদেৱে জমা ৬৪৯৪৲ আৰু খৰচ ৪৩৭৫৲ টকা ধৰি থৈ গৈছে।

(২) চন্দ্ৰকান্ত ট্ৰষ্ট ফণ্ডৰ বাবে ১৫০০০৲ টকা কমলাদেৱী ট্ৰষ্ট ফণ্ডৰ বাবে ২০০০৲ আৰু নৰদেৱ ট্ৰষ্ট ফণ্ডৰ বাবে ৫০০০, টকা মুঠতে এই ২২০০০ টকা সভাই এককালীন দান পায়।

(৩) সভাৰ ঘৰ সাজিবলৈ গৱৰ্ণমেণ্টৰ পৰা এডোখৰ আহল-বহল মূল্যবান মাটি পোৱা হয়; আৰু সেই মাটিত প্ৰায় ১৫,০০০৲ টকাৰ সুন্দৰ চন্দ্ৰকান্ত সন্দিকৈ হল, সভাই দান পায়।

(৪) যোৱা বছৰত ৩০০০৲ আৰু আগলৈ বছৰে ১০০০৲ টকাকৈ সভালৈ গৱৰ্ণমেণ্টৰ সাহায্য মঞ্জুৰ হয়।

(৫) অসমৰ সৰহ ভাগ লোকেল্ বৰ্ড্ আৰু মিউনিচিপেলিটিৰ পৰা সভালৈ বাৰ্ষিক অৰ্থ সাহায্য পোৱা হয়।

(৬) ওপৰত উল্লেখ কৰা সকলোবিলাক টকা সজ কাৰ্য্যত লগাই, তাৰ পৰা যুগমীয়া সুফল পাবৰ ভাল দিহা কৰা হয়।

গোস্বামীদেৱে বৰ নিস্বাৰ্থ ভাৱে নিজৰ সময় ব্যয় কৰি আৰু নথৈ পৰিশ্ৰম কৰি, সভাৰ সকলো কামতে কাৰ্য্য-কুশলতা আৰু কৃতিত্বৰ চিন দেখুৱাইছিল। সভাৰ জন্মবেপৰা তেখেতে অৱসৰ লোৱা দিনলৈকে, তেখেতেই ইয়াৰ ওৰিয়াল, প্ৰধান কৰ্মচাৰী আৰু প্ৰাণ স্বৰূপ আছিল—এই কথা সকলোৱে মুক্তকণ্ঠে স্বীকাৰ নকৰি

নোৱাৰে। অসম সাহিত্য সভা চিৰকাললৈকে শ্ৰীযুত শৰৎচন্দ্ৰ গোস্বামী দেৱৰ শুৱিত নথৈ ধৰুৱা হৈ থাকিব, আৰু তেখেতৰ নাম সভাৰ ইতিহাসত সোণালী আখৰেৰে লিখা থাকিব। মুঠতে, "অসম সাহিত্য সভা" বুলিলে, শ্ৰীযুত শৰৎচন্দ্ৰ গোস্বামীলৈ আৰু "শৰৎচন্দ্ৰ গোস্বামী" বুলিলে, অসম সাহিত্য সভালৈ আমাৰ সদায় মনত পৰিব।

গোস্বামীদেৱে প্ৰধান সম্পাদকৰ বাব এৰিলে যদিও তেখেতৰ অভিজ্ঞতা, সজ পৰামৰ্শ আৰু সকলো প্ৰকাৰৰ মৰম চেনেহৰ পৰা সাহিত্য সভা কেতিয়াও বঞ্চিত নহ'ব বুলি আমি আশা কৰিছোঁ।

যোৱা ২১।৫।২৭ তাৰিখে, গোস্বামীদেৱৰ বন্ধুসকলে, সাহিত্য সভাৰ চোতালত, এখন চাহ খোৱা মেল পাতি, তেখেতক বিদায় দিয়ে, তাত নগৰৰ বহুত গণ্য মান্য ভদ্ৰলোক উপস্থিত আছিল।

কামৰূপ সংস্কৃত সঞ্জীৱনী সভাৰ সম্পৰ্কত সাহিত্যসভা পত্ৰিকাৰ সম্পাদকীয় টোকা

যোৱা কাতি মাহৰ ১০ তাৰিখে কামৰূপৰ 'ন-নবা জীৱনী' টোলত কামৰূপ সংস্কৃত সঞ্জীৱনী সভাৰ ১২শ বাৰ্ষিক অধিবেশন বহিছিল।

সভাত প্ৰায় এক হাজাৰমান লোক উপস্থিত হৈছিল।

পণ্ডিত সুধীসকলৰ আহ্বান প্ৰত্যাখ্যান কৰিব নোৱাৰি আমিয়েই বাধ্য হৈ সভাপতি হব লগাত পৰিছিলোঁ।

উপস্থিত সভ্যসকলৰ ভিতৰৰ পৰা শ্ৰীযুত তৰুণৰাম ফুকন বাৰ, এট্, ল, শ্ৰীযুত লক্ষীনাৰায়ণ চট্টোপাধ্যায় এম, এ বেদশাস্ত্ৰী, শ্ৰীযুত ষড়ানন তৰ্কতীৰ্থ আৰু শ্ৰীযুত নাৰায়ণ দেৱ মিশ্ৰ মহাশয় সকলে সাৰগৰ্ভ বক্তৃতা দি সকলোকে উৎসাহিত কৰিছিল।

এই সভাত তলত দিয়া আৱশ্যকীয় প্ৰস্তাৱবোৰ সৰ্ব্বসম্মতিক্ৰমে গৃহীত হৈছিল---

(১) "কামৰূপ সংস্কৃত সঞ্জীৱনী সভা"ৰ কাৰ্য্যৰ গুৰুত্ব বিবেচনা কৰি আসাম গৱৰ্ণমেণ্টে এই সভাক যথেষ্ট পৰিমাণে আৰ্থিক সাহায্য কৰিবলৈ এই সভাই আসাম গৱৰ্ণমেণ্টৰ ওচৰত আবেদন জনাইছে।

(২) অৱস্থাহীন ছাত্রসকলৰ শিক্ষালাভত সাহায্য কৰিবৰ অভিপ্রায়ে এই সভাই প্রস্তাৱ কৰে, যে প্রত্যেক টোলৰ নিকটবর্তী সমৃদ্ধিশালী ভদ্রলোকসকলে যেন দুই চাৰিজন দুখীয়া ছাত্রৰ ভৰণ-পোষণৰ ভাৰ গ্রহণ কৰে, সেই অর্থে, এই সভাই যত্ন কৰি তাৰ ব্যৱস্থা কৰি দিয়ে।

(৩) মহাভাৰতৰ শান্তি পর্ব্ব অসমীয়া ভাষালৈ অনুবাদ কৰিবলৈ এই সভাই যত্ন কৰক।

(৪) সঞ্জীৱনী সভাই প্রস্তাৱ কৰে, যে আসামত যি বিলাক হাই-স্কুল আছে সেইবিলাকত যেন গৱর্ণমেণ্টে সংস্কৃত পঢ়া অধ্যাপকক হেড্ পণ্ডিতৰ চাকৰি দিয়ে।

(৫) ভট্টদেৱকৃত ভাগৱত সংগ্রহ কৰি ভালকৈ লিখি ছপাবলৈ উপযোগী কৰি পুথিখনি ৰাখিবলৈ এই সভাই যত্ন কৰক।

(৬) এই সভাই আসাম সংস্কৃত বোর্ডক অনুৰোধ কৰে, যেন কামৰূপৰ সকলোখিনি উপযুক্ত টোলতে অহা বছৰৰ পৰা সাহায্য প্রদান কৰি উৎসাহিত কৰে।

(৭) টোলত পঢ়া যিসকল ছাত্রই ভূগোল, বুৰঞ্জী, গণিত আৰু অসমীয়া ভাষাৰ সাধাৰণ জ্ঞান সম্বন্ধে এটি পৰীক্ষা পাছ কৰিব পাৰিব তেনেকুৱা ছাত্রক আৰু সেই টোলৰ অধ্যাপকসকলক উপযুক্ত পুৰস্কাৰ বা পাৰিতোষিক দিবলৈ এই সভাই স্থিৰ কৰক। যি ছাত্রই মজলীয়া নাইবা তাৰ ওপৰৰ কোনো পৰীক্ষা পাচ কৰিছে, তেনেকুৱা ছাত্রই এই পৰীক্ষা দিব নোৱাৰিব। এই প্রস্তাৱ অনুসৰি সকলো কাম কৰিবলৈ তলত নাম দিয়া ভদ্রলোক কেইজনেৰে এটি সমিতি গঠন কৰা হওক।

শ্রীযুত প্রতাপচন্দ্র গোস্বামী, শ্রীযুত অনিৰুদ্ধ দেৱ গোস্বামী, শ্রীযুত দুর্গেশ্বৰ গোস্বামী, শ্রীযুত লক্ষীনাথ শর্ম্মা, শ্রীযুত মুক্তাধৰ শর্ম্মা।

ইং ১৯২৭-২৮ চনৰ কাৰণে আসাম সাহিত্য সভাৰ বাজেট

জমা		খৰচ	
গভর্ণমেণ্ট গ্রাণ্ট	১,০০০৲	কর্ম্মচাৰীৰ বেতন	৬০০৲
লোকেল আৰু মিউনিচিপাল বোর্ডৰ পৰা	৬০০৲	প্রভিডেণ্ড ফণ্ড	২৫৲
		সাধাৰণ খৰচ	৫০০৲

জমা		খৰছ	
বৰওণি	৬০০৲	সন্মিলনলৈ অহা যোৱা খৰচ	২০০৲
জমা টকাৰ সুদ	২০০৲	কম্পাউণ্ড	২০০৲
মুঠ	২,৪০০৲	অনুসন্ধান কার্য্য	৩৫০৲
আগৰ বাকী (Opening balance)	৪,০৯৪৲	লাইব্রেৰী	৫০০৲
		পত্রিকা	৫০০৲
		প্রচাৰক	২০০৲
মুঠ জমা	৬,৪৯৪	মুঠ	৩,০৭৫
		বৃত্ত মঞ্জৰী	৩০০৲
		পুৰস্কাৰ (কিতাপৰ বাবে)	৯৫০
		খেতেকেশ্বৰী বৰুৱা মেডেল	৫০৲
		মুঠ	১,৩০০৲
		সৰ্ব্বমঠ খৰচ	৪,৩৭৫৲

গৌৰীপুৰৰ ৰজা প্রভাত চন্দ্র বৰুৱাক দিয়া বিদ্যোৎসাহিনী সভাৰ অভিনন্দন :—

পৰম বিদ্যোৎসাহি শ্রীলশ্রীযুক্ত ৰাজপ্রভাত চন্দ্র বড়ুয়া বাহাদুৰস্য পঞ্চশাখ কিসলয়েষু

ৰাজণ,

ভৱদনুৰূপাং বুদ্ধিং বিদ্যাঞ্চ সমাসাদ্য তাদৃশ বিদ্যাবুদ্ধিবলৈর্নেৰঃ কথং কথমপি কৃতজীৱিকা নির্ব্বাহাঃ প্রায়ঃ অনেক এৱ কামৰূপাঃ গৌৰালপাড়াশ্চ সর্ব্বেবয়ং লব্ধবর্ণা সততমেৱ দেশেঽস্মিণ গুণিগণ-কথাবসৰেষু প্রথমং ভৱন্তমেৱ স্মৰামঃ। কিং বহুনা যস্য তৱ ৰাজা প্রভাত চন্দ্রেতি নাম কামৰূপ প্রদেশে কামৰূপীয়ানাং ভদ্রজনগণানাং ব্রাহমণ কায়স্থ কলিতা প্রভৃতীনাং প্রতিগৃহং কথাপ্রসঙ্গেষু প্রায়শঃ

সমুচচাৰিতং জায়তে। ন কেৱলং সংস্কৃত শিক্ষা দানেন ভৱান সম্যক পৰিচিতঃ অপি তু উচ্চ ইংৰাজী শিক্ষা দানেনাপি অনপ্লাং দৰিদ্রবান্ধকাং কৃতাথিনো জায়ন্তে।

লুপ্তপ্রায়ং শ্রাদ্ধকৌমুদী গ্রন্থং বহুতৰ ধনব্যয়েন প্রকাশয়ণ বিদ্যোৎসাহিনী ভবান দত্তবা নিতি বিদ্যোৎসাহিনী সভা ধন্যা, ধন্যাশ্চ বয়া সর্ব্বেবিদ্যোৎসাহিনী সভ্যাঃ পণ্ডিতাং। বিদ্বদাশ্রয় পাদপ। বহুল ধনব্যয়ং শাৰীৰিক কষ্টঞ্চ উৰৰীকৃত্য প্রায়ঃ সর্ব্বে আসাম পণ্ডিতাঃ ভবতা স্নেহাহৰানেন সন্মানিতা ইতি যত্তদ গৌৰীপুৰ ৰাজবংশ ধুৰন্ধৰস্য বিদ্যোৎপ্রিয়স্য ভবতোহনুৰূপমেব।

প্রভাত চন্দ্র বৰুৱা

বিদিত বেদিতব্যস্য দৃষ্টশ্রুত-সকল ৰাজবিধানস্য কিঞ্চিদপ্যু-পাস্টব্যং নাস্তি; কিন্তু, যেন জাতানি জীৱন্তি স জীৱাৎ শৰদাং শতমিত্যাপ্ত প্রমাণ বশবর্ত্তিনেদে বয়ং বহুজীৱ পালকস্য তৱ দীর্ঘজীৱনং কাময়ামহ। ইতি শিৱম্।

১৮৫০ শকাব্দে সৌৰ মাঘ মাসীয় [আসাম বিদ্যোৎ
চতুর্থ দিৱাসায় লিপিৰেষা] সাহিন্যাঃ সভায়াঃ পক্ষতঃ সভ্যোঃ।
প্রদত্তমিদমভিনন্দন পত্রম্।

কলিকতাৰ অ, ভা, উ, সা, সভাৰ গুৰিয়াল ৰমাকান্ত বৰকাকতী বি-এল

কলিকতা অ, ভা, উ, সা (অসমীয়া ভাষাৰ উন্নতি সাধিনী) সভাৰ গুৰিত যিজনে জীয়াই থকা দিনলৈকে সঞ্জীৱনী সুধা ঢালি তাৰ সভ্যসকলক দিহাবুদ্ধি পৰামর্শেৰে উদ্দীপিত কৰি ৰাখিছিল সেইজন

এহাওঁধীয়া ভাষাব্ৰতী পুৰুষৰ নাম আজি বহুতেই নেজানে বা পাহৰি গৈছে। তেৱেঁই হৈছে ৰমাকান্ত বৰকাকতী।

ডাক্তৰ দীনেশচন্দ্ৰ সেনে আমাৰ প্ৰথম গ্ৰেজুৱেট যাদৱ চন্দ্ৰ গোস্বামী বুলি লেখিছে। তেওঁ কলিকতা বিশ্ববিদ্যালয়ৰ পৰা ১৮৬৮ চনতে বি-এ পাছ কৰে। তাৰ পাচতহে চিভিলিয়ান আনন্দৰাম বৰুৱা আৰু বি-এ জগন্নাথ। বৰুৱাৰ পাচৰ খেপত যি কেইজন গ্ৰেজুৱেট হয়, তাৰ ভিতৰত ৰমাকান্ত বৰকাকতীও এজন। ১৮৮৫ চনত বি-এ, বি-এল পাছ কৰি কলিকতা হাইক'ৰ্টৰ জুনিয়ৰ ট্ৰেন্সলেটৰ কামত সোমায়। আইন পঢ়োতে বংগ দেশৰ এইসকল প্ৰতিভাশালী সিংহ-পুৰুষ তেওঁৰ লেক্‌চাৰাৰ বা অধ্যাপক আছিল—চাৰ আশুতোষ মুখাজি (যাৰ স্মৃতি বুদ্ধি মেধা শ্ৰুতি শক্তি স্বয়ং সৰস্বতী সদৃশ আছিল দেখি ৰসিক প্ৰৱৰ পাঁচুগোপাল মুখাজিয়ে "গুফু সৰস্বতী" নাম দিছিল। সৰস্বতীৰ দাঢ়ি নাই; কিন্তু আশুতোষ হ'ল দাঢ়ি লগা সৰস্বতী, সেই অৰ্থে এই উপাধি), লৰ্ড সত্যেন্দ্ৰ প্ৰসন্ন সিংহ, চাৰ গুৰুদাস বানাৰ্জী, ৰেভাৰেণ্ড কৃষ্ণচন্দ্ৰ বানুৰ্জী আৰু যোগেন্দ্ৰ চন্দ্ৰ ভট্টাচাৰ্য্য।

এণ্ট্ৰেঞ্চ পৰীক্ষাত প্ৰথম বিভাগত উত্তীৰ্ণ হৈ ৪ বছৰলৈ মাহে ৩০ টকীয়া জলপানী পোৱাৰ উপৰিও এওঁ বিষ্ণুগ্ৰাম ৰাজ-বৃত্তি লাভ কৰিছিল।

হাইক'ৰ্টৰ ট্ৰেন্সলেটৰৰ কাম যেতিয়া খালী হয় তেতিয়া সেই কামৰ নিমিত্তে ২৫২ খন দৰ্খাস্ত পৰিছিল আৰু ২৫২ জনেই প্ৰতি-দ্বন্দ্বিতামূলক পৰীক্ষা দিব লাগিছিল। সিহিলাকৰ ভিতৰত আছিল বঙালী, উৰীয়া, বিহাৰী আৰু অসমীয়া প্ৰাৰ্থী। তদুপৰি আছিল দুজন ফিৰিংগী আৰু গ্ৰিফিথ নামৰ এজন ইংৰাজ। এই পৰীক্ষাত সকলোকে চেৰ পেলাই ৰৰকাকতী ডাঙৰীয়া প্ৰথম হ'ল—দেখি শুনি সকলো আচৰিত, "জংগলী অসমীয়া প্ৰথম হ'ল, ই কি কথা।"

তাৰ পিচতেই অভয়পুৰীয়া কাকতী ফৈদৰ নামজলা ডাঙৰ মানুহ গোলাঘাট বেতীয়নীৰ সদানন্দ কাকতীৰ জীয়েক পৱিত্ৰীৰ লগত বিয়া হয়। বিয়াখন বৰ আড়ম্বৰেৰে পতা হৈছিল। চাৰিওৰ দূৰৰাপাৰৰ পৰা গৈ দৰাঘৰীয়া বিয়া বাহৰ পাতিছিল যোৰহাটত,—এতিয়া য'ত বঙালীবিলাকৰ দুৰ্গামণ্ডপ আৰু হৰিমন্দিৰ আছে, তাত।

যোৰহাটৰপৰা বেতীয়নীলৈ যাওঁতে দৰা চতুৰ্দোলাত উঠি গৈছিল

আৰু লগত ১৫০০ মানুহ আৰু ১২টা হাতী গৈছিল। যাওঁতে বাটে বাটে ফানুছ আতছবাজী জ্বলাই যোৱা হৈছিল। ইমান ধুমধামকৈ ৰঙে আনন্দে যাওঁতেই বাতৰি আহিল বোলে কন্যাৰ মাকৰ যোৱা-থোৱা নৰিয়া। বিপদৰ উপৰিও বিপদ। এই বাতৰিয়েই মানুহৰ মন কিছু বিমর্ষ কৰি থৈছিল, তাতে আকৌ দৰাঘৰীয়া সমদলটোৰ ভিতৰৰে মানুহ দুটামানক বাটতে বাঘে খালে। এইবোৰ অমঙলীয়া চিনে সকলোৰে মনত আশংকা ওপজাইছিল যদিও নতুন গ্রেজুৱেট ডেকা হাইক'র্টৰ ট্রেন্স্লেটৰ বৰকাকতী দৰাৰ সৌভাগ্যৰ গুণেই একো অথন্তৰ হ'বলৈ নেপালে। সুকলমে বিয়া পাৰ হৈ গ'ল।

ৰমাকান্তৰ গোটেই জীৱনটো কলিকতাতে গ'ল। কলিকতীয়া বঙালী সমাজৰ ভালেমান অনুষ্ঠানত তেওঁৰ নির্মল চৰিত্র, পৰিষ্কাৰ বিবেক শক্তি আৰু ধর্ম্মপৰায়ণতাৰ পৰিচয় দিব পাৰিছিল আৰু সেই বাবে বিশেষকৈ ব্রাহ্ম সমাজত তেওঁ শীর্ষস্থান লাভ কৰিছিল। বৰকাকতী আৰু বৰকাকতীয়নীৰ মুঠ ১১টি ল'ৰা ছোৱালী হৈছিল। (১) গুঞ্জলতা, (২) হেমলতা, (৩) সুধালতা, (৪) সুখলতা, (৫) শান্তা-লতা, (৬) প্রীতিলতা, এই কেইজনীয়েই ছোৱালী।

ল'ৰা ৫টি। প্রথমটি সৰুতে চুকাল, ২য় গোবিন্দ প্রসাদ, ৩য় গোপাল, এওঁৰো ১২ বছৰত মৃত্যু হ'ল; ৪র্থ মণিলাল, সুধালতাৰ সৈতে বিহমিহলি আহাৰ ভক্ষণ কৰি (টমেইন বিষ) ১৯২৮ চনত বৰ কৰুণভাৱে মৰণ আহ্বান কৰে। ৫ম আনন্দ, সম্প্রতি মাটি-হাকিম হৈ আছে।

বৰকাকতী ডাঙৰীয়া চোকা বুদ্ধি, সামাজিক মর্য্যাদা আৰু ধীৰ বিবেচনা শক্তিৰ বাবে এনেয়ে সুবিখ্যাত আছিল, তাতে আকৌ তেওঁৰ জীয়েক দুগৰাকী সুধালতা দুৰৰা আৰু সুখলতা দুৰৰাই কলিকতা বিশ্ববিদ্যালয়ৰপৰা এম-এ পাছ কৰি অকল তেওঁৰ হে নেলাগে গোটেই অসমীয়া জাতিৰে মুখ উজ্জ্বল কৰিলে। সুধালতা সুখলতাই অসমীয়া মহিলাৰ ভিতৰত প্রথম এম-এ। সুধালতাৰ মৃত্যু হয় বৰ শোচনীয়-ভাৱে। কলিকতাৰ পৰা ঘৰলৈ আহোঁতে লামডিঙত কিবা জলপানেই কি আন কিবা বস্তু খোৱাত গোটেই গাতে টমেইন বিষ বিয়পি পৰিল। তাৰ ফলতেই তেওঁ আৰু তেওঁৰ ভায়েক মণিৰ অকালতে আকস্মিক-

ভাবে মৃত্যু হ'ল। সেই মৃত্যুত গোটেই অসমতে এটি শোকৰ ছাঁ পৰিছিল। ক'বলৈ দুখ লাগে, সেই হেন প্ৰথম উচ্চশিক্ষিতা মহিলা দুগৰাকীৰ গুণ-গৰিমা আজি অসমীয়াই ল'বলৈ পাহৰিলে। ডাক্তৰ দীনেশ সেনে হে সুধাদতাৰ জীৱনী এখন লেখি, ছপা কৰি, সুধাক যেনিবা অমৰ কৰি থৈছে।

বৰকাকতী কলিকতাত থকা সময়ত, বিশেষকৈ ১৯১১-১২ চনলৈকে, কলিকতালৈ যোৱা সকলো অসমীয়া মানুহৰতেওঁৰেই Friend Philospher Guide সকলো বিষয়তে আশ্ৰয়ৰ স্থল আছিল। কথাবতৰা পতাত বৰ হলি-গলি নাছিল; আটুট কথাকিটাৰ বাহিৰে বেচি কথা নেকোৱাত তেওঁৰ তাত আলহী হোৱা বহুতেই তেওঁক গপাল বা কৃপণ বুলি ভাবিছিল। কিন্তু অসমৰপৰা যিয়েই যাওক, তেওঁৰ তাতে পোনেই থাকি হে, কলিকতা ভ্ৰমণৰ সকলো বা-বাতৰি তেওঁৰ পৰহৈ পাইছিল।

নগাঁৰৰ পাদুৰী চাহাব ৰেভাৰেণ্ড মুৰে অসমীয়া বাইবেল প্ৰকাশ কৰোঁতে বৰকাকতীৰ হতুৱাই হে শুধৰোৱাই লৈছিল। তেখেত "ভ্ৰমৰঞ্জ" নাটৰ এগৰাকী ৰচক আৰু মঞ্চৰ উপযোগীকৈ দৃশ্য আদিৰ দিহা বুদ্ধি দিওঁতা। অ, ভা, উ, সা, সভাই কি কি কাম কৰিব লাগে আৰু কৰিবলৈ হাতত লৈছে, তাৰ নিয়মাৱলী আৰু কামৰ তালিকা সভাৰ কাৰ্য্যাৱলীত প্ৰকাশ হৈ আছে। পুনৰ দোহাৰিবৰ আৱশ্যক নাই। অসমীয়া ইংৰাজী শব্দ ব্যৱহাৰ কৰাত বৰকাকতী বৰ চিক্-চিক্-চাক্-চাক্ আছিল। ১৯২০ চনত আমি ১৪ নং হেৰিছন ৰ'ডত "বৰুৱা ফ্ৰেণ্ডছ এণ্ড কোম্পানী" বুলি "জবাকুসুম তেল" এবটলেৰে কোম্পানীৰ কাম আৰম্ভ কৰিছিলোঁ। শ্ৰীলক্ষ্মীনাথ ফুকন, শ্ৰীশৰৎচন্দ্ৰ বৰুৱা আৰু মই---এই তিনিজনেই সেই কোম্পানীৰ প্ৰতিষ্ঠাপক। বৰকাকতী ডাঙৰীয়াৰ বুদ্ধি পৰামৰ্শ লবলৈ গলত, তেওঁ সুধিলে, "তোমালোকে কোনে কি কামৰ ভাৰ লৈছাহঁক?" মই পোনেই কলোঁ, "শৰৎ বৰুৱা বেঙ্কাৰ।" বেঙ্কাৰ বুলি ক'লত তেওঁ দাঁত খাই উঠিল। আমাৰ আকৌ তেতিয়া ডাঙৰ ডাঙৰ ইংৰাজী শব্দ লগাই কথা কোৱাটোত বৰ চখ আছিল। তেওঁ ডাবিহকি দি বুজালে বোলে তোমালোকে সদায় সৰু সৰু শব্দ ব্যৱহাৰ কৰিবা---কি ইংৰাজী, কি অসমীয়া।"

কলিকতা শিৱপুৰ বটানিকেল গার্ডেনত অসমীয়া মাঘ বিহু (১৯২১)

সিপিঠিৰ ছবিত থকাসকলৰ চিনাকি

কলিকতাৰ শিৱপুৰ বটানিকেল গার্ডেনত অসমীয়াৰ গাখ বিছ
(১৩ জানুৱাৰী, ১৯২১ খৃঃ)

(১) উমাকান্ত গোস্বামী (গুৱাহাটী), (২) প্রমদাভিৰাম দাস (গোলাঘাট), (৩) প্রফুল্লচন্দ্র বৰুৱা, (৪) পঙ্কজ, (৫) ফটিক শর্মা (তেজপুৰ), (৬) শম্ভুৰাম বৰুৱা (উঃ লক্ষীমপুৰ), (৭) নীৰজেন্দ্র ভট্টাচার্য্য (যোৰহাট), (৮) শ্রীনাথ চক্রৱর্তী, (৯) বাবুলা ফুকন (যোৰহাট), (১০) কামেশ্বৰ দাস (বৰপেটা), (১২) বেণুধৰ শর্মা (১৩) ধর্মেশ্বৰ বৰুৱা (ডিব্রুগড়), (১৩) আৰু (১৪)ৰ মাজত কাপ্তান সুৰেন্দ্রনাথ দত্ত, (১৫) বংশীধৰ বৰুৱা (যোৰহাট), (১৭) দেবেন বৰদলৈ (নগাঁও) (১৮) কিৰণ সিং (ডিব্রুগড়), (১৯) উমাপ্রসাদ বৰুৱা (যোৰহাট), (২০) খেলিলুৰ জামান, (২১) হেমেন বৰুৱা (যোৰহাট), (২২) গিৰীন্দ্রনাথ বৰুৱা (গোলাঘাট), (২৩) শৰৎকুমাৰ শর্মা (যোৰহাট), (২৪) ভগৱতী প্রসাদ বৰুৱা (শিৱসাগৰ), (২৫) ডাঃ জীৱকান্ত শইকীয়া, (২৬) দিবাকৰ গোস্বামী (গোলাঘাট), (২৮) ৰমেশ সৰৱতী (গুৱাহাটী), (২৯) কিৰণচন্দ্র গোস্বামী, (৩০) দেবকুমাৰ বৰুৱা (ডিব্রুগড়), (৩১) কমক কোঁৱৰ (শিৱসাগৰ, (৩২) কুমুদেশ্বৰ গগৈ, (৩হ) থানেশ্বৰ শর্মা (চাৰিআলি তেজপুৰ), (৩৭) নীলেশ্বৰ শর্মা (যোৰহাট), ৩৮) শিৱ শর্মা (যোৰহাট), (৩৯) যোগসিং ক্ষেত্রী (নগাঁও), (৪১) মুকলীধৰ বৰুৱা, (৪৩) শৰৎচন্দ্র বৰুৱা, (যোৰহাট), (৪৪) উমা গোস্বামী (গুৱাহাটী), (৪৫) ঠাঃ সুৰেন বৰা (কর্নেল শিৱৰাম বৰাৰ পুতেক), (৪৬) সর্বানন্দ দাস (গুৱালপাৰ), (৪৭) ডম্বৰুধৰ ভূঞা (ধেমাজি), (১৬) আৰু (১৭)ৰ মাজত দীননাথ শর্মা (নগাঁও), (৫১) ডাঃ ভুবনেশ্বৰ বৰুৱা।

গনেশচন্দ্ৰ হাজৰিকাৰ চিঠি

[গণেশচন্দ্ৰ হাজৰিকায়েই প্ৰথমে বিহুৰ বিষয়ে দাৰ্শনিক তথ্যপূৰ্ণ পুথি লেখে আৰু বিহুৰ সৌন্দৰ্য্যৰ প্ৰতি বাইজৰ মন আকৰ্ষণ কৰে। পুৰণি পুথি উদ্ধাৰৰ কাৰণেও তেখেতৰ চেষ্টা আছিল অসীম। এইখন চিঠি হাজৰিকাই হেম গোসাঁইলৈ লিখিছিল।]

শিৱসাগৰ, কোৱঁৰপুৰ
১।৬।১৮

পূজ্যবৰেষু—, সন্মানপূৰ্বক নিবেদন ঃ—

দ্বীপিকাছন্দ পুথি এৰি আন কোনো অতি পুৰণা পুথিৰ নাম প্ৰকাশ কৰা তাৰিখে সৈতে মোক লগা হৈছে। সেই পুথিত থকা অসমীয়া ভাষাৰ sample লাগে। মাহেকীয়া কাকতত বাহিৰ হোৱা আপুনি লিখা কিছুমান খবৰ পাইছোঁ। ক্ৰমান্বয়ে যি কিখন পুথি বাহিৰ হৈছিল তাৰ তাৰিখ চনে সৈতে মোলৈ পঠাব পাৰিলে বহুত উপকাৰত আহে। আসাম বিলাসিনীত জাননী দিছোঁ কিন্তু কেতিয়া কোন ভদ্ৰলোকৰপৰা কি খবৰ পাওঁ তাৰ ঠিকনা নাই। ওপৰত উল্লেখ কৰা পুথিৰ লিখক আৰু প্ৰকাশকৰ নামে সৈতে লিখাৰ আভাস দেখুৱাবৰ কাৰণে প্ৰত্যেক পুথিৰ দৰকাৰী আৰু ভাল ভাল অংশ টোকা কৰি লেখি পঠাব লাগে। চানেকিস্বৰূপে সেই অংশ বোৰেই পুথিত থকা ভাষাৰ চিন যেনে দেখুৱাব পাৰে। এই কথাত উজানবজাৰৰ প্ৰিয় শ্ৰীযুত নাৰায়ণ চন্দ্ৰ গোস্বামীদেৱে সহায় কৰিবলৈ লৈখিছোঁ। আপুনি মাত্ৰ খবৰ দি তেখেতক মতাই আনি প্ৰত্যেক পুথিৰ দৰকাৰী অংশৰ টোকা কৰাই মোলৈ যেন পঠায়। আপোনাৰ ওচৰত যদি কোনো পুৰণা কাকত (বিজুলী-অৰুনোদইৰ নিচিনা) আছে তেন্তে তেখেতৰ হাতত দিলেই মোলৈ কিছুদিনৰ কাৰণে তেখেতে পঠাব পাৰে। সকলো খবৰলৈ বাট চাই থাকিলোঁ।

আমাৰ বৰ্ত্তমান ভাল। লৰালৰিকৈ পত্ৰ লিখাত ক্ষমা কৰে যেন।

বিনীত
শ্ৰীগণেশ চন্দ্ৰ হাজৰিকা

গোলাপ চন্দ্র বৰুৱাৰ চিঠি

[আহোম ভাষাৰপৰা অসমীয়ালৈ বুৰঞ্জী অনুবাদ কৰোঁতা, আহোম ভাষাৰ পণ্ডিত যোৰহাটৰ ৰায় চাহাব গোলাপ চন্দ্র বৰুৱাই হেম গোসাঁইলৈ লিখা চিঠি। এখেতে "যোৰহাট"ৰ সলনি "জোৰহাট" লিখিছিল।]

জোৰহাট
১৪-১২-২৭

প্রিয় গোসাঁই,

কালি গধূলি ফুৰি আহি ঘৰ পাই হঠাৎ অচিন্তনীয় বজ্রাঘাততুল্য সম্বাদ পাই সেই পোনেই মৰণান্তিক শোকে শৰীৰ অসাৰ কৰিলে। এনে হৃদয়বিদাৰক পুত্রশোক এই কালত আপুনি আৰু শ্রীযুতাই যে পাব লগা হৈছে ইয়াতকৈ আৰু একো হ'ব নোৱাৰে। কি বুলি সান্ত্বনা দিম, সান্ত্বনাৰ কথা নাই। একমাত্র পৰম পিতা পৰমেশ্বৰৰ বাহিৰে কোনেও বুজাব বা সান্ত্বনা দিব নোৱাৰে। সেই সর্ব্বশক্তিমান পৰম পিতাৰ ওচৰত কৰুণভাৱে প্রার্থনা কৰিছোঁ তেওঁ যেন আপোনা-লোকৰ গাত এই মহাশোক সহিবলৈ বল দিয়ে। বেছি কি কম। আপোনাৰ নিজৰ গাত হোৱা ঘটনাবিলাক ভাবি চালেই পাব আয়ুস থাকিলে যেনে তেনেই বক্ষা পৰে। ক্ষণস্থায়ী জীৱ আহি জন্ম ধৰি সকলোকে কন্দুৱাই গুচি গ'ল। ঈশ্বৰে যেন তেওঁৰ আত্মাক সদ্গতি দিয়ে। শ্রীমতী বোৱাৰীটীৰ অতি অসহ্য হৈছে। তেওঁকো যেন ঈশ্বৰে তেওঁৰ বাকী জীৱন পবিত্র ভাৱত নিবলৈ বল দিয়ে। শ্রীযুতা আইয়ে বৰ শোক পালে। তেখেতকো যেন পৰমেশ্বৰে শোক সহিবলৈ গাত বল দিয়ে। আমাৰ গোটেই পৰিয়ালৰ সমবেদনা জনালোঁ। মোৰ অন্তৰৰ বেদনা জনাবলৈ শব্দ বা বাক্য নাই। ঈশ্বৰৰ ইচ্ছা, শোক সহি থাকিব লগা দিনকেইটা থাকিবই লাগিব।

আপোনাৰ
শ্রীগোলাপ চন্দ্র বৰুৱা

'আসাম বন্ধু'ত বাতৰিৰ নমুনা

কলিয়াবৰৰ বাতৰি

"আমালোকৰ নগাওঁ জিলাৰ অধীন কলিয়াবৰ ঠাইখন গোটেই অলপ, তথাপি চিৰকালৰ পৰা সাতখনি দেৱালয় ও সন্ত-সাধু ও ব্ৰাহ্মণ ও প্ৰাচিন ভাল ভাল বিষয়া সকল বাস কৰা বাবে ৰীতি নীতি অন্য জাগাৰ অপেক্ষা ভাল বুলিব পাৰি। কেৱল অধ্যাপক সকল পৰলোক হোৱাৰ পৰা প্ৰায় অনেক দিন মূল সংস্কৃত বিদ্যাৰ আলোচনা শুচি বঙ্গলা পাঠশালাই সকলোৰে আশ্ৰয়ৰ ঠাই হোৱাত আজি প্ৰায় ৪।৫ বৎসৰ আমালোক কিছু আলোচনা কৰি পৰঙ্গনাৰ অধ্যাপক এজন ৰাখি দুলাল মাধৱ দেৱালয়ৰ সমিপত পঢ়াশালি পতাই সংস্কৃত বিদ্যা শিক্ষা দিয়াত গতবাৰে এজন লৰাই প্ৰথম বাৰিকত পাছ হোৱা বাবে অধ্যাপকজনে ভাৰতেশ্বৰীৰ পৰা মাসিক সাত টকা কৰি দৰমহা পাইছিল। বৰ্ত্তমান চনে লৰাই পৰীক্ষা দিয়াত দ্বিতীয় বাৰিকত শ্ৰীসোনাই শৰ্ম্মা পাছ হৈ মাসিক ৩ টকা কৰি বৃত্তি পাইছে। প্ৰথম বাৰিকত শ্ৰীদিনাই শৰ্ম্মা পাছ হৈ, বৃত্তি নেপালে, দুখৰ কথা শ্ৰীযুত অধ্যাপক জনক মাসিক ৪।৫ টকা কৰিও নিদিলে। সমাজৰ পৰাও দৰ্ম্মহা দিয়াত গোলমাল হোৱাৰ বাবদে শ্ৰীযুত ধৰ্ম্মকান্ত শৰ্ম্মা অধ্যাপক স্থানান্তৰে যাব খোজাত পূজ্যপাদ কীৰ্ত্তিপাৰ (কৰতিপাৰ) সত্ৰাধিকাৰ শ্ৰীল শ্ৰীযুত জয়দেৱ গোস্বামী প্ৰভুক আমিবিলাকে পঢ়া শালিৰ অৱস্থা জনোৱাত দেশৰ হিতৰ অৰ্থে উক্ত অধ্যাপকজনক গোস্বামীয়ে মাসিক ১০৲ টকা গত বৈশাখ মাহৰ পৰা দিছে।"

(আসাম বন্ধু, ৫ নবেম্বৰ, ১৯০৩ চন)

১৯১২ চনৰ এখন ঐতিহাসিক চিঠি

[স্কুল ইন্সপেকটৰ দুৰ্গাধৰ বৰকটকীলৈ দিয়া হেমচন্দ্ৰ গোস্বামীৰ চিঠি।]

প্ৰিয় বৰকটকী,

২২।৫।১৯১২ ঃ আপোনাৰ ১৭ তাৰিখৰ চিঠিৰ পৰা চীফ কমিশ্যনাৰে গুৱালপাৰত বঙলাৰ ঠাইত অসমীয়া চলাবলৈ স্থিৰ কৰা বুলি জানিবলৈ

পাই বৰ বং পালোঁ। এইটোৱেই আমাৰ সোণালন্ন ছেগ। এতিয়াই চলাব পাৰিলে অসমীয়া ভাষাৰ জয় আৰু নোৱাৰিলেই চিৰকাললৈ আৰু ছেগ হেৰুৱালোঁ। শ্ৰীযুত সত্যনাথ বৰা. শ্ৰীযুত তৰুণৰাম ফুকন, আৰু জনদিয়েকে সৈতে গোট খাই আপোনালৈ কিছুমান সাম্ভাব্য প্ৰশ্নৰ উত্তৰ লেখি পঠিয়ালোঁ, ন'ট দিবৰ সময়ত আমাৰ কথাখিনিয়ে আপোনাক নথৈ সহায় কৰিব। সম্প্ৰতি এই কেইটা বিষয়ে আপোনাৰ বিশেষ আৱশ্যক হৈছে ঃ—

(১) পূৰ্ব্ববঙ্গ আৰু আসামৰ দাঁতিয়ে-কাষৰে থকা জিলাবোৰত যি ভাষা চলে সেই ভাষাতকৈ অসমীয়া ভাষা কিমান মৌলিক ?

(২) অসমীয়া ভাষা বঙলাতকৈ পৃৱণি এটা স্বতন্ত্ৰ ভাষা হয় নে নহয় ?

(৩) গুৱালপাৰৰ কথিত ভাষাৰ লগত অসমীয়া ভাষাৰ সাদৃশ্য।

সম্প্ৰতি প্ৰথম দুটা প্ৰশ্নৰ উত্তৰ দিয়া যাওক ঃ

অসমীয়া এটা সম্পূৰ্ণ স্বতন্ত্ৰ ভাষা। অক্সফৰ্ড বিশ্ববিদ্যালয়ৰ অন্তৰ্গত বেলিয়ল (Balleal) কলেজৰ প্ৰাচ্য ভাষাবিদ প্ৰফেচৰ নিকলচে তেওঁৰ A Bengali Grammar also Assamese Grammer বোলা কিতাপৰ ৭২ পৃষ্ঠাত লেখিছে—"অসমীয়া ভাষাটো বঙলাৰ অপভ্ৰংশ বুলি বহুতে ভাবে। এই কথা কিন্তু সঁচা নহয়। অসমীয়া এটা একেবাৰেই স্বতন্ত্ৰ ভাষা আৰু উমৈহতীয়া মূলৰ পৰা ইয়াৰ প্ৰচলিত শব্দবিলাক ফাটি অহা বাবে বঙলাৰে সৈতে সমান পৰ্য্যায়ৰ। বঙ্গদেশৰ পৰা ইয়াৰ মূল সংস্কৃত অহা নাই। আহিছে উত্তৰ ভাৰতৰ পৰা।"

১৮৪৮ চনতে ৰেভাৰেণ্ড ব্ৰাউনে লেখি থৈ গৈছে—"বঙলা জনা বিলাকে অসমীয়া ভাষাটোক বঙলাৰ অপভ্ৰংশ বুলি কয়। শব্দবোৰ একে দেখিয়েই এনে বিশ্বাস কৰে। কিন্তু, দুয়োটা ভাষা একে সংস্কৃতৰ পৰা অহা গুণে বঙলা ভাষাটোৰেই খিচিৰি দোৱাননৈ ৰূপান্তৰ হৈ অসমীয়া ভাষা হৈছে বুলি ঠাৱৰোৱা হৈছে। অসমীয়া যে বঙলাৰ পৰা অহা নহয় এই কথা ধ্ৰুৱ সত্য---ইয়াক কোনোমতেই ওফৰাব নোৱাৰি। মুছলমান আক্ৰমণৰ আগলৈকে অসমত বঙালীৰ সঁচেই নাছিল। সেই আক্ৰমণৰ বহু আগৰেপৰা অসমত অসমীয়া ভাষা

আছে আৰু সেই ভাষা উত্তৰ ভাৰতৰ সংস্কৃত কোৱা ব্ৰাহ্মণসকলে লৈ আহিছিল।

অসমীয়া বামুণৰ লগত বঙ্গদেশৰ বামুণৰ একো সম্বন্ধ নাই। সেই দেখিয়েই, উত্তৰ ভাৰতীয় হিন্দুস্থানী ভাষাৰ লগত অসমীয়া ভাষাৰে উচ্চাৰণ মিলে। অসমীয়া মানুহে সংস্কৃতৰ উচ্চাৰণ যি ৰূপ কৰে তালৈ চালে অসমীয়া বঙলা একে বুলি ক'বই নোৱাৰি।

সৌন্দৰ্য্য আৰু কোমলতাত বঙলাতকৈ অসমীয়া ভাষা শ্ৰেষ্ঠ। ভাৰতৰ অন্যান্য ভাষাৰ দৰেই ইয়াতো ভাব প্ৰকাশ কৰিব পৰা শব্দ প্ৰচুৰ আছে।

১৯০১ চনৰ মানুহ পিয়লৰ ৰিপৰ্টত ৰিজ্‌লী আৰু গেইটেও কৈছে ঃ—

"উৰীয়াৰ দৰেই অসমীয়া ভাষা বঙলাৰ বাই বা ভনীহে, জীয়েক নহয়। ই বঙ্গদেশৰপৰা অহা নাই, আছিছে উত্তৰবঙ্গইদি বেহাৰৰ পৰা। বঙলা-অসমীয়া ভাষ্য যে দুয়োটা বেলেগ উচ্চাৰণেই কৈ দিব।"

১৮৯১ চনৰ ভাৰতীয় চেন্সৰ ৰিপ'র্টত বেনাচে লেখিছে ঃ "উৰীয়া ভাষাটোক বঙালীবিলাকে বঙলাৰে অপভ্রংশ বুলি প্ৰতিপন্ন কৰোঁতে উৰীয়াই যিদৰে যুদ্ধ দিব লাগিছিল; অসমীয়ায়ো এতিয়া সেইদৰেই দিব লগীয়া হৈছে। বঙলাৰ ক্ষেত্ৰ বহলাই বঙালীয়ে বঙালী কৰ্ম্মচাৰীৰ ক্ষেত্ৰ বহলাব খুজিছিল—নোৱাৰিলে। উৰীয়াৰ দৰেই অসমীয়াও কৃতকাৰ্য্য হৈছে।"

"লিঙ্গুইষ্টিক চর্ভে অৱ ইণ্ডিয়া" পুথিত ডাঃ গ্ৰীয়েৰ্চনে কৈছে— "ব্যাকৰণেই যদি ভাষা নিৰ্ণয়ৰ ভেঁটি হয়, তেন্তে অসমীয়া ভাষাৰ লগত বঙলাৰ একো সম্পৰ্ক নাই বুলিহে দেখিবলৈ পাওঁ। চাটগঞা ভাষাটো বঙলাৰে খিচিৰী অপভ্রংশ বুলি কোৱা হয়। অসমীয়াৰ দৰে চাবলৈ গলে, সেইফালেও আহৰিয়েই।

"প্ৰাচীন সাহিত্যৰ ফালৰ পৰা চালেও, অসমীয়া ভাষা এটা সুকীয়া জাতি অসমীয়াৰেই স্বতন্ত্ৰ সৃষ্টি বুলি দাবী কৰিবলৈ অধিকাৰ আছে। এই ভাষাৰ সুকীয়া বিশিষ্টতা আছে, অৱশ্যে কলিকতীয়া বঙালীয়ে জাপি দিয়া বৈশিষ্ট্য নহয়। অসমীয়া প্ৰাচীন সাহিত্য আছে। বঙলা-তকৈ পুৰণি নহয় বুলিলেও অসমীয়া সাহিত্য পুৰণি। এই শতিকাৰ

আৰম্ভলৈকে অসমীয়া ভাষা সমৃদ্ধিশালী আছিল। অসমীয়া সাহিত্য অসমীয়া মানুহৰ নিজা সৃষ্টি। অসমীয়া মানুহৰ প্ৰতিভা সাহিত্যৰ যোগেদি পুৰুষ-পৰম্পৰায় বিকশিত হৈ আহিছে। অসমীয়া ভাষাত আটাইতকৈ গৌৰৱ কৰিবলগীয়া সাহিত্য হৈছে বুৰঞ্জী। বঙালীয়ে বুৰঞ্জী সাহিত্যৰ নামগোন্ধকে নেপায়।

জাতি এটাই সাহিত্য সৃষ্টি কৰে নে সাহিত্যই জাতি এটা সৃষ্টি কৰে, মই ক'ব নোৱাৰো, কিন্তু দুয়োটাই বহু শতাব্দীৰ আগৰে পৰাই সৰল ভাৱে আছে। উভয়ৰে অস্তিত্বৰ ফলত নিৰ্দ্ধাৰিত সাহিত্যৰ ভাষা এটি উদ্ভৱ হ'ল। সেই ভাষাৰ ব্যাকৰণ বঙলাৰ লগত মিলকেই বা নিমিলকেই, সি যে স্বতন্ত্ৰীয়াভাৱে থাকিবলৈ অধিকাৰ দাবী কৰিব পাৰে, তাক কোৱা বাহুল্য মাথোন।"

তেওঁৰেই আকৌ কৈছে ঃ

"অকল বুৰঞ্জী সাহিত্যৰ নিমিত্তেই অসমীয়া জাতি গৌৰৱান্বিত। বুৰঞ্জী সাহিত্যত অসমীয়া জাতি ভাৰতৰ সকলোতকৈ ওপৰত। অসমীয়াৰ দৰে বুৰঞ্জী লেখা ৰীতি ভাৰতত নাই বুলিলেই বঢ়াই কোৱা নহয়। কুৰু-পাণ্ডৱৰ সমসাময়িক ভগদত্তৰ দিনৰ পৰা অসমীয়া সাহিত্যত ধাৰাবাহিক বুৰঞ্জী আছে। যোৱা ছ শ বছৰৰ বুৰঞ্জী নিখুঁট নিৰ্ভুলভাৱে লেখা আছে। তাৰ সভ্যতা একো পথ্যেই নুই কৰিব নোৱাৰি।"

ওপৰত উদ্ধৃতি কৰি দিয়া টোকাবিলাকেই অসমীয়া ভাষা যে অতি পুৰণি তাক প্ৰমাণ কৰি দেখুৱাব।

গুৱালপাৰৰ কথিত ভাষাৰ লগত অসমীয়া ভাষাৰ সাদৃশ্য ক'ত আছে, এতিয়া চোৱা যাওক। শিৱসাগৰৰ কথিত ভাষাই অসমীয়া আহি ভাষা বুলি পৰিগণিত। সেইদৰে, নদীয়া শান্তিপুৰৰ ভাষাই বঙলা সাহিত্যৰ প্ৰচলিত ভাষা।

গুৱালপৰীয়া ভাষাৰ লগত শিৱসাগৰ, নদীয়া কোন ঠাইৰ ভাষাৰ বেছি সাদৃশ্য আছে, তাক লিঙ্গুইষ্টিক চৰ্ভে অৱ ইণ্ডিয়াৰ প্ৰথমছোৱা পঞ্চম খণ্ডৰ ৪১৫ পিঠি চালেই পাব। পছিম অসমৰ অসমীয়া ভাষাটো গ্ৰীয়েৰ্চনে ৰাজবংশী বুলি কৈছে। ৰংপুৰীয়াৰ ৰাজবংশীতকৈ গুৱালপৰীয়া ৰাজবংশীৰ ভাষা অসমীয়াৰ লগতহে বৰ মিল আছে। গুৱালপাৰাৰ অধিবাসী হ'ল কোচ, ৰাজবংশী আৰু মেছ। এওঁ-

বিলাকৰ নিবাস ব্ৰহ্মপুত্ৰৰ পাৰতে। কলিতা আদি মানুহবিলাকো মানৰ দিনত উজনিৰ পৰা যোৱা। এই কথাৰ সঁচা-মিছা মিজৰ ৰিপৰ্টত পাব (পৃঃ ৩) তেওঁ লেখিছে "মানৰ দিনতে গুৱালপাৰলৈ পলাই অহা চহকী মানুহবিলাক প্ৰায়েই উজানলৈ উলটি গ'ল, দুখীয়া মানুহখিনিৰ সৰহভাগ কিন্তু থাকি গ'ল। আমি দেশ লোৱাৰ পাচতো সিবিলাক আৰু নগল। সেইবিলাকৰ সতি-সন্ততিয়েই হাওৰাঘাট আৰু খুটাঘাট এতিয়াও জুৰি আছে। এই কাৰণেই গুৱালপাৰৰ ভাষা শিৱসাগৰৰ লগত মিলাটো স্বাভাৱিক। গুৱালপৰীয়া মানুহে চ, ছ, শ, ষ, স, উচ্চাৰণ অসমীয়াৰ দৰেই কৰে। তেওঁবিলাকৰ শতকৰা ৮০টা শব্দ অসমীয়া। অসমীয়া-গুৱালপৰীয়া বুলি দুটা ভাষা হ'ব নোৱাৰে।

অসমীয়া	গুৱালপৰীয়া	বঙলা
বেলি	বেলা	সূর্য্য
জুই	জুই	আগুন

গুৱালপৰীয়া	বঙলা	ইংৰাজী
লুণ	লৱণ	Salt.
ককাই	দাদা	Elder Brother.
ভিনী	ভগ্নীপতি	Brother-in-law.
আই	মা	Mother.
বাপা	বাবা	Father.
ভন	ভগ্নী	Sister.
বোৱাৰী	বউমা	Daughter-in-law.
পেহী	পিষী	Fathr's Sister.
মাহী	মাসী	Mother's Sister.
+	+	+

গুৱালপৰীয়া---অসমীয়াৰ যোজনা---পটন্তৰ একে, বঙালীৰ পটন্তৰ একেবাৰেই সুকীয়া।

অসমীয়াই যেনেকৈ ক্ৰিয়াৰ আগত 'না' ব্যৱহাৰ কৰে গুৱালপৰীয়ায়ো কৰে। বঙালীয়ে হলে পাছত কয় যেনে ঃ---

অঃ নাযাওঁ---বঃ যাবনা।

শব্দ সাধন আৰু সৰ্ব্বনামত গুৱালপৰীয়া-অসমীয়াৰ বিভেদ নাই। "চকাডুবা", গধুলি হোৱা, ভয় খোৱা আদি খণ্ড বাক্যও গুৱালপৰীয়া-অসমীয়াৰে একেই। সেইবোৰ কিন্তু বঙলাত নাই।

গুৱালপৰীয়াই অসমীয়া বুলি হে কয়---গুৱালপাৰৰ লগত বঙ্গ দেশৰ বিয়া-বাৰু নহয়। ধৰ্ম্মপুথি, সামাজিক ৰীতি-নীতি, গুৰু-গোসাঁই, অসমীয়াৰ যেনে গুৱালপৰীয়াৰো তেনে। গুৱালপৰীয়া মাইকী মানুহে অসমীয়াৰ দৰেই মেখেলা পিন্ধে, বঙলাৰ দৰে শাৰী নিপিন্ধে। খোপাও বান্ধে অসমীয়াৰ দৰে হে। অসমীয়া তিৰোতাৰ দৰেই গুৱালপৰীয়া তিৰোতাই কাপোৰ বয়, কাপোৰত ফুল বাছে। অথচ, বঙ্গদেশৰ বঙালীৰ মানত সেইবোৰ ঘৃণনীয় কাম।

এইবিলাক কথাকে উল্লেখ কৰি আপোনাৰ টোকাটো ডহডহীয়া কৰিব। ইতি—

আপোনাৰ মৰমৰ
হেমচন্দ্ৰ গোস্বামী
২২।৫।১২

ৰৰকটকীয়ে হেম গোসাঁইলৈ দিয়া এখন চিঠি

যোৰহাট ঃ ৩০-১০-১০ ঃ-- "গুৱালপাৰৰ পৰা উত্ততি অহাৰ পিছত, আপোনাক ক'বলগীয়া কথা বহুত গোট খালে। আপোনাক গুৱালপাৰৰ বিষয়ে আৰু পৰীক্ষাৰ প্ৰশ্ন কাকত সম্পৰ্কে মাজে-সময়ে আমনি কৰি থাকিব লাগিব। বেয়া নেপায় যেন। গুৱালপাৰৰ স্কুলত অসমীয়া চলোৱা এটা সমস্যাই হৈছে। বঙালী কৰ্ম্মচাৰী আৰু ব্যৱসায়ীবিলাকৰ কথামতেই যাতে গৱৰ্ণমেণ্টে কাম নকৰে, তাৰ বাবে চেষ্টা কৰিব লাগিব।

"নলবাৰী স্কুলটো উন্নত কৰিব লাগে বুলি, চীফ কমিশ্যনাৰৰ মতামতে সৈতে ছিলঙলৈ মোৰ পৰামৰ্শ পঠিয়াইছোঁ। গৰ্ডন ছাহাবকো সকলো কথা কৈছোঁ। স্কুলটো প্ৰাদেশিক কৰিব লাগে বুলি তেওঁ সম্পূৰ্ণ মত দিছে। নাজিৰাত হিন্দু হষ্টেল এটা থাকিব লাগে বুলি মিঃ ডন চাহাবে কালি আঁচনি এটা পঠাইছে। ইনস্পেক্‌টৰেও বৰ খৰখেদা কৰিছে।

"মোক হেডক্লার্ক এজন লাগে। আপোনাৰ অফিছত শ্রীযুত প্রতাপচন্দ্র হাজৰীকাক মোক দিব নোৱাৰে নে? এতিয়া থকাজন কেৰেণীয়ে মোক হাইৰাণ কৰিছে।"

'হেমকোষ' উদ্ধাৰৰ প্রস্তুতি

[হেমকোষ প্রকাশ কৰা সম্বন্ধে বহুত লিখালিখি হৈছিল। গুৱাহাটীৰ দুলাল চন্দ্র চৌধুৰী, সত্যনাথ বৰা, শিৱসাগৰৰ হেম বৰুৱাৰ ভায়েক তুলসীৰাম বৰুৱা, গেইৰ্ট আৰু হেমচন্দ্র গোস্বামীয়েই আছিল ন্যাস সমিতিৰ প্রধান কর্তা। তদুপৰি ঠায়ে ঠায়ে কৰা অ-ভা-উ-সা সভাবিলাকৰ মতামতো লোৱা হৈছিল। এই চিঠি-বিলাকৰ দ্বাৰা 'হেমকোষ'খন উদ্ধাৰ কৰিবলৈ কেনেকৈ চেষ্টা কৰা হৈছিল তাৰ প্রমাণ পোৱা হয়।]

গোলাঘাটৰ ঘনশ্যাম বৰুৱাৰ চিঠি

Golaghat
The 27th Aug. 1896

My dear Gossain,

I must have acknowledged long ago the receipt of your Hemchandra "Memorial letter" and your foot-note there in. I am sorry you have not yet had time to write me the promised letter. I have to thank the Assam correspondent who makes the deserving criticism on your "Memorial" project. The voice seems to echo from a Kamrupi village and I am sorry that such an unbusiness-like proposal should have started from you as would leave room for a village-correspondent to find such palpable fault on the face of it. I hope you have no objection to admit that in justice to him you should call him just in his observations. If you really wish to do something, please make a definite proposal so that people may form

an idea of what would be proper for them to contribute. If the collections do not come up to the desired standard to do anything else will be always open to you. Please let me hear on this early.

I have heard that a request has gone to the Govt. to publish the Dictionary. Is it true ? If so, please let me know what the Govt. has resolved to do. I hope you will take every opportunity of showing the necessity of the Govt. undertaking the publication to the secretary.

Hoping this finds you quite well, I am yours

Ghanasyam

P.S. will you say I have not written anything to you about Bishnu ? I have intentionally avoided doing so, as I think, it would be slighting your friendship to tell anything specially about him. You will do anything without my saying.

শ্রীনাথ বেজবৰুৱাৰ চিঠি

To,

Srijut Hemchandra Goswami,
Shillong,

গোলাঘাট
৬ আগষ্ট '৯৬

যথাবিহিত সন্মানপূর্বক নিঃ

আপোনাসকলৰ চিঠি পোৱা হ'ল। আমিও গোট খাই আপোনাসকলৰ আহিৰে সেই সজ কার্য্য করিবলৈ আগ বাঢ়িছোঁ। আপোনাসকলৰ উৎসাহ বঢ়োৱা চিঠি পাই মন ৰঙ্গতে বিভোৰ হৈছে আৰু সেই বাবে সকলোৱে শলাগ লইছোহঁক।

কার্য্য কেনে হয় আৰু কি ফল ধৰে জনোৱা হব।

বাধ্য—
শ্রীশ্রীনাথ বেজবৰুৱা

দুলাল চন্দ্র চৌধুৰীৰ চিঠি

শ্রীশ্রীরাম

গুৱাহাটী ১১ জুলাই ১৮৯৬

প্রিয় গোসাঁই,

আপোনার ৭ তারিখর পত্র পাইছো। শ্রীযুত তুলসীরাম বড়ুয়ার পরা কালি পোষ্ট কার্ড এডুখরি পালো। তাত তেওঁ হেমচন্দ্র বড়ুয়ার অভিধান ছাপার সম্বন্ধে এই দরে লেখিছে---

"অভিধানখন পূর্বে ককাইদেৱে শ্রীরমাকান্ত কাকতিক ছাপা করিবর কারণ দি গৈছে। যদি ইতিয়া সিবিলাক ছাপা করিবর কারণ অসমর্থ হয় তেহে গেইট সাহাবলৈ জনাব পারি এই বিষয়। মই শ্রীসত্যনাথ বড়ালৈ লেখিছোঁ অনুগ্রহ করি আপুনিও তেওঁক সুধিব। শ্রীহেমচন্দ্র গোস্বামিএও শিলঙর পরা মোলৈ লেখিছে। মই সত্য বড়ার উত্তর পালে গেইট সাহাবলৈ জনাম।"

মই আজি শ্রীযুত সত্যনাথ বড়াক কছারিত লগ ধরি সুধিম আরু তেওঁর পরা যি উত্তর পোৱা যায় জানিব দিম। তুলসীবাবুএ নিজে জনাবর ভাব প্রকাশ করাত মোর পিনে সেই সম্পর্কে নিরব থাকিব লগিয়াত পরিছে। তেওঁ মোর ওপরত ভার দিবলৈ ভাল নাপায় হবলা।

আপোনার নিজ বিষয় আপুনি যি রূপে ভাবিছে ভবিষ্যতে সেইরূপে বিপদ হবর আশংকা থাকিলেও বর্ত্তমান কোন দুর্ঘটনা হবর সম্ভব যেন দেখা নাই। তেওঁবিলাক জ্ঞানীলোক, পরাত কেতিয়াও আপোনাক বিপদগ্রস্থ নকরায় আরু মই যিমান বুজিব পারিছো লেঠা মারিবলৈ মনোযোগী হৈএ আছে। আপুনি ইতিয়া কোনা কেথা কলে অসন্তোষহে পাব অথচ শিঘ্র একো প্রতিকারও নহব। মোর মনে অলপ অপক্ষা করি তেওঁবিলাকক সময় দিয়াই ভাল। মাজে ২ ইয়াকে জনাব পারে যে মোর ঋণ থকা সাহাবে গম পালে বেয়া হবর সম্ভব সেইএ বিশেষরূপে সতর্ক করা হব। আপুনি পূর্বেই এইবিলাক ভাবি কর্মতে প্রবর্ত বা অপ্রবর্ত হব লাগিছিল ইতিয়া ইংরাজী মতে too tale হৈছে

নিঃ দুলাল চন্দ্র চৌ,

পু ঃ---শ্রীযুত সত্যবাবু সহিত কছাৰিত আলাপ কৰা হল তেওঁ গবর্ণমেণ্টৰ পৰা ছাপা হলে বৰ ভাল পায় কোনেও আগ নবঢ়াতহে তেওঁ বিলাকে ছাপাব খুজিছিল। তুলসীবাবুলৈও সেই ৰূপে উত্তৰ দিব খুজিছে।

শ্রীদুলাল

+ + +

গৰ্ডনৰ অসমীয়া প্রীতি

[অসমতে বিষয় বাব খাই বুঢ়া হোৱা ৰুটিছ বিষয়া কর্ণেল পি, আৰ্, টি, গৰ্ডন চাহাব এচিষ্টেণ্ট কমিচনাৰৰপৰা চিফ্ কমিচনাৰ হৈছিলগৈ। এওঁৰ যত্নৰ ফলতে অসমীয়া অভিধান "হেমকোষ" ছপা হৈ ওলোৱা সম্ভৱ হ'ল। তলত দিয়া এইখন চিঠিত তেখেতৰ অসমীয়া প্রীতিৰ এটি নিদর্শন বর্ত্তমান। চিঠিখনি হেম গোসাঁইলৈ লিখা।]

My dear Hem Babu,

If the present head clerk at Dhubri is retired whom do you suggest to take his place ? Bhudhar has applied for a head clerkship, but I have returned his application to the P.A. to the C.C. saying that I was under the impression that Bhudhar was to get a permanent post in the Secretariat and there are so few Assamese in the Secretariat he ought to be taken in. Should however he be not taken into the Secretariat, do you think he would do as head clerk of Dhubri ? I think if possible an Assamese should be appointed failing a suitable local man.

Yours sincerely
(Sd) **P. R. Gurdon.**

মুকলিমূৰীয়া গোসাঁইৰ চিঠি

[সত্ৰৰ গোসাঁই মহন্তৰ শিক্ষা সম্পৰ্কে পৰামৰ্শ আগবঢ়াই পূজনীয় ৺কীৰ্তিচন্দ্ৰ মুকলিমূৰীয়া গোস্বামীদেৱে হেম গাসাঁইলৈ লিখা এখন চিঠিৰ হুবহু পাঠ তলত দিয়া হ'ল। প্ৰায় ৭০ বছৰৰ আগতে গোসাঁই মহন্তক ইংৰাজী শিকিবলৈ পৰামৰ্শ দিয়া, গোসাঁই মহন্তৰ সমানে শিষ্যকো একে টোলতে একেদৰে শিক্ষিত কৰিবলৈ ওলোৱা আদি বৈপ্লৱিক কাৰ্য্য আছিল। তাৰে নিদৰ্শন এই চিঠিত আছে।]

বালিগাঁও, যোৰহাট

শ্ৰীহৰি শৰণং

শ্ৰীযুত হেমচন্দ্ৰ গোস্বামী মহোদয়েষু,

৫ম সংখ্যা আসাম বিলাসিনীত নগাঁও ধৰ্মসভাৰ অনুমতি অনুসাৰে লিখিত আপোনাৰ এখন চিঠি দেখি মনত বৰ ৰং পাইছো। লিখিত মতে যদি কাৰ্য্য হয় তেনেহলে আসামৰ শুভ দিন বুলিব লাগে। কিন্তু এই বিষয়ে আমি অনেক যত্ন কৰি একো কৰিব পৰা নহল। আপোনাৰ প্ৰস্তাব বৰ্ণাশ্ৰম ৰক্ষিতা দয়ালু পৰমেশ্বৰে অচিৰে কাৰ্য্যত পৰিণত কৰিব লাগে।

অসমৰ গুৰু সকলৰ বিষয়ে যি লেখিছে, তাত আৰু অনেক বাক্য যোগ হে কৰিব পাৰি, বিয়োগ কৰিবৰ অলপো স্থল নাই। এবেসে বেয়াৰ ফাললৈ হে গৈছে, আৰু যাব। মতামত জানিবৰ কাৰণ অনুৰোধ কৰিছে, তদনুসাৰে আমাৰ মত আপোনাক জনালোঁ।

১। আসামৰ গোসাঁই মহন্তৰ লৰাবিলাকৰ শিক্ষাৰ নিমিত্তে এখন টোলৰ নিতান্ত আৱশ্যক।

২। স্থাপিত ধৰ্মটোলত বিবাহিত অবিবাহিত উভয় ছাত্ৰই স্থান পোৱা উচিত। ব্ৰহ্মচৰ্য্যৰ আহিৰে হলে অনেক গোসাঁই মহন্তৰ লৰা বঞ্চিত হব। আসামত গৃহস্থ গোসাঁই মহন্তৰ সংখ্যাই অধিক।

স্থাপিত ধৰ্মটোলত সংস্কৃত আৰু ধৰ্ম শিক্ষাৰ বাহিৰেও ইংৰাজী শিক্ষাৰ নিমিত্তে স্ববন্দোৱস্ত হোৱা উচিত। বৰ্ত্তমান সময়ত ইংৰাজী শিক্ষা নহলে শিক্ষা সম্পূৰ্ণ নহয়। ইংৰাজী শিক্ষা হলেও সংস্কৃত ও ধৰ্মশিক্ষাৰ প্ৰাধান্য টোলত থাকিব লাগে।

৪। টোলৰ স্থান সকলোৰে মধ্যস্থলত হলেই ভাল হব। কিন্তু স্বাস্থ্যপ্রদ স্থান হোৱা বাঞ্ছনীয়।

৫। সেই টোলত গোসাঁই মহন্তৰ লৰাৰ বাহিৰেও ব্রাহ্মণৰ লৰাও ভর্ত্তি হব লাগে। ওৰুৰ জ্ঞান বিজ্ঞান যিমান হব লাগে শিষ্যৰো তেনে হব লাগে, তেতিয়া হে শিষ্য ধাৰণক্ষম হব।

ইতি—

কীর্ত্তিচন্দ্র গোস্বামী

গুৱালপাৰত অসমীয়া ভাষাৰ প্রসাৰ

[গুৱালপাৰ জিলাত অসমীয়া ভাষা প্রসাৰৰ কাৰণে গর্ডন চাহাবে যথেষ্ট যত্ন কৰিছিল। সেই সময়ত স্কুলৰ সহকাৰী ইন্সপেক্টৰ দুর্গাধৰ বৰকটকীয়ে সেই ঠাইৰ স্কুলত অসমীয়া ভাষা প্রসাৰৰ কাৰণে হেম গোসাঁইলৈ লিখা এই চিঠি আৰু তাত গর্ডন চাহাবে দিয়া টোক এই প্রসঙ্গত উল্লেখযোগ্য। চিঠিখন তলত দিয়া হ'ল।]

Camp Dhubri
15.4.12

My dear Sir,

You will be delighted to learn that several boys of the Gauripur High School have laken up Assamese this year as a result of the movement set on foot. I give the num bers in the High School classes :

1st Class — 4
2nd " — 4
3rd " — 4
4th " —2

The lower classes are eager to follow their seniors, but want of hands to teach Bengali and Assamese separately has stood in the way.

I have visited Gauripur, Bijni, Bilasipara and Bogribari and found to my satisfaction that the people (local) are strongly in favour of Assamese. The M.E. School boys at Bilasipara came to me while I was at Bogribari and

expressed that they would prefer it to Bengali, I hear the people of Golokgunj are preparing a formal representation to me on the subject.

Thus you will see that the signs are favourable and we should take special care not to relax our efforts at this stage.

Can it not be arranged to send a set of selected Assamese books to the leading people of the District so that they may be familiar with the language.

Yours sincerly.
D. Borkataki.

এই চিঠিত হেম গোসাঁয়ে দিয়া নোট ঃ

Commissioner,

You will be pleased to see this letter addressed to me by the Asst. Inspector.

H. C. G.
17.4.12

গৰ্ডন চাহাবে পঢ়ি উঠি লিখা টোকা ঃ

P.A.

Returned with thanks. I was pleased and interested to read this letter.

P. R. G.
18.4.12

* * *

ৰসৰাজ বেজবৰুৱাৰ চিঠি

8 Hare Street
Calcutta
18.10.09

My dear Gossain,

It is evident that you do not intend taking a trip to Calcutta during the poozas and you have not dropped me a line to that effect till now. So I must leave Calcutta to go some where.

The Assamese boys are "nachorbanda" and they have compelled me to bring out a monthly magazine (Assamese). I am making preparations for it.

Now like a good boy send me your literary contributions. Every month an article from your pen must be in my journal. It will be couducted an non-political lines. So there cannot be any hitch in your contributing to it.

All well here rather all well far away in the Central Provinces where I have sent my wife and children and where I am going within a couple of days. Trusting you are keeping well.

Yours affectionately,
L. N. Bezbarua.

মথুৰা বৰুৱাৰ অসমীয়া চিঠি

Victoria Press
&
The Advocate of Assam
Upper Strand Road
Gauhati, (Assam)

Date.....1917

শ্ৰীযুত হেমচন্দ্ৰ গোসাঁই ডাঙৰীয়া মহাশয়েষু

ডাঙৰীয়া,

মই শুনিলোঁ আপুনি বোলে ৰৰদাদা কেশবচন্দ্ৰ বৰুৱাৰ অৰ্থে, এভাগ ৰুষোৎসৰ্গা পূজা কৰাব খুজিছে; আৰু, নিজে গম পালোঁ, আপুনি সেই পূজা, আমাৰ (গত ৰৰদাদা ও মোৰ) এজমালি মাটিত

সমাধা কৰাওঁ বুলিছে। যোৱা ৬ (ছয়) জানুৱাৰী ৰাতিপুৱা যেতিয়া আপোনাৰ মাকে আমাৰ ঘৰলৈ আহি আমাক মৃত্যু খবৰ দিয়েহি, তেওঁ কলে 'এতিয়া কি হ'ব' মই কলোঁ 'আই আপোনালোকে ভাবি গুণি চাই ষিটো স্থিৰ কৰে। মই উচিত দেখিলে সেইমতে শ্রাদ্ধ কার্য্য কৰাবলৈ ৰাজি আছোঁ। পাছে আই বা কেওঁ নাহিল আৰু অৱশেষত শুনিলোঁ, নাতিনীয়েকৰ হতুৱাই আদ্য শ্রাদ্ধ কৰাবলৈ প্রস্তুত হৈছে। নাতিনীয়েক ৰৰদাদাৰ অসগোত্রী, এনে স্থলত মোৰ ক্ষুদ্র বিবেচনাত ৰৰদাদাৰ নৈকট্য সগোত্রীয় ভাগি (আমি) থাকোঁতে, নাতিনীয়েক শ্রাদ্ধৰ অধিকাৰী কেনেকৈ হব পাৰে ময় বুজি নাপাওঁ। ইয়াতে মই বুজিলোঁ, আপুনি, আমি জীয়াই আছোঁ বুলি নাভাবে, বা শ্রাদ্ধৰ অধিকাৰী নহওঁ বুলি ভাবে। কিন্তু যেতিয়া এই দুইটীৰ এটাও সঁচা নহয়, আপুনি কৰোৱা আদ্যশ্রাদ্ধ আপোনাৰ পূর্ণ স্বকীয় বা নিজৰ; সেইৰকমে ভাবিব লাগিল যেতিয়া, আপুনি কৰিব খোজা ৱৃষোৎসর্গ পূজাও আপোনাৰ সম্পূর্ণ নিজৰ। আমাৰ বস্তিমাটি ভাগ হোৱাৰ আগৰ দৰে মনৰ অৱস্থা থাকিলে, বেলেগ কথা হ'লহেঁতেন; কিন্তু এতিয়া মই আশা কৰোঁ, আপুনি সেই ৱৃষোৎসর্গ পূজা আমাৰ এজমালি মাটিত কৰাবলৈ মন নেমেলিব।

বিশেষ, আমি থকা ঠাই আৰু এজমালি মাটি ডোখৰ ৰৰদাদাই আমাকহে দি গৈছে। তাৰ প্রমাণ ৰৰদাদাৰ Draft will খন পঢ়িলে জানিব পাৰিব। কিয়, আপোনাৰ হাতত Draft will নাইনে? আৰু যদি মৃত্যুৰ কেই সপ্তাহমান আগেয়ে Draft will ত লিখি থোৱা কথালৈ, আপুনি মন নকৰে তেন্তে মই ক'বলৈ বাধ্য হলোঁ, যেতিয়ালৈকে আপুনি আমাৰ এজমালি পট্টাত ৰৰদাদাৰ নামৰ ঠাইত নাতিনীয়েকৰ নাম নিগাজিকৈ কৰাব নোৱাৰে, তেতিয়ালৈকে আপুনি আমাৰ এজমালি মাটি কোনো ৰকমে ব্যৱহাৰ কৰিবৰ ইচ্ছা নকৰিব। আপুনি হাকিম মানুহ, এইটো উচিতনে অনুচিত আপুনি ভালকৈ বুজে বুলি মই বিবেচনা কৰোঁ। যদি এই প্রতিবন্ধকতালৈ মন নিদি আপুনি আমাৰ এজমালি মাটিত ৱৃসোৎসর্গ পূজা কৰিবলৈ আগবাঢ়ে, তেনেহলে তাৰ নিমিত্তে আপুনি সম্পূর্ণ দায়ী থাকিব। মই পক্ষাঘাতি ৰোগী, আজি প্রায় ৬ (ছয়) বছৰ হ'ল। আপুনি যদি এজমালি ঠাইত কার্য্য কৰাই, আমাৰ কোনো মানুহৰ সৈতে ঘঁহনি

খাই কাজিয়াৰ কাৰণ তুলি দিয়ে তেমেহ'লে আপুনি সম্পূৰ্ণ দায়ী হ'ব; যেনে (১) সেই দিনাখন আপোনালোকৰ আদ্যশ্ৰাদ্ধৰ দিনা এজমালি মাটিত থকা তামোল এডালৰ পৰা তামোল এঠোক পাৰি নিছে; (২) পৰশি দিনা আপোনাৰ ঘৈণীয়েকে হুকুম দি লৰাৰ হতুৱাই এজমালি মাটিত থকা গোহালি ঘৰ এটাৰ দুৱাৰ এখন কটাই নিয়াইছে। এই বিলাকৰ সংখ্যা ঘহনি খাই আগলৈ বাঢ়িবহে? সেই দেখি আশা কৰোঁ বৃষোৎসৰ্গ পূজা আমাৰ এজমালি মাটিত নকৰাব। কৰালে আপুনি সম্পূৰ্ণ দায়ী হ'ব। ইতি

আপুনি পানীত পেলাই দিওৱা, কিন্তু বৰদাদাৰ পৈত্তুক ভূমিত তুলি থোৱা।

শ্ৰীমথুৰামোহন

হেম গোসাঁইলৈ গোবিন্দ বেজবৰুৱাৰ চিঠি

যোৰহাট, ২৭।৭।০৮

মৰমৰ গোসাঁই,

সিদিনা দিয়া তোমাৰ চিঠিখন পাই ৰং পালোঁ। দুদিনমান জ্বৰ হৈ পৰি আছিলোঁ। এতিয়া ভাল পাইছোঁ।

মোৰ তিৰুতা মৰিবৰ ১২ বছৰ হ'ল। ছোৱালী এজনীয়ে লৰা দুটাই থাকিল।

শিৱসাগৰৰ শ্ৰীদীনধৰ বৰকটকীৰ ভতিজাক হীৰাকান্ত বৰকটকী নামে ল'ৰা এটালৈ ছোৱালী জনী বিয়া দিছোঁ। তাইৰ লৰা এটি হৈছে। জোঞাঁয়ে ক'তো কাম কাজ এটাৰ সুবিধা কৰিব নোৱৰা বাবে নাতিটোৱে সৈতে ছোৱালীজনী মোৰ লগতে আছে। বৰটো লৰাই এণ্ট্ৰেন্স পৰীক্ষা দি এতিয়া কলিকতাত এফ, এ পঢ়িবলৈ গৈছে।

সৰুটোৱে যোৰহাটত মোৰ ইস্কুলতে প্ৰথম শ্ৰেণীত পঢ়িছে।

আশা কৰোঁ তোমালোকৰ ঘৰৰ সকলোটি ভালে আছাহঁক। তোমাৰ শহুৰেৰা মোৰ তাহানিখনৰ বন্ধু মিঃ কেশৱ বৰুৱাক মোৰ কথা ক'বা।

তোমাৰ বিশ্বাসী
জি বেজবৰুৱা
(গোবিন্দ বেজবৰুৱা)

(মূল ইংৰাজী চিঠিখন তলত দিয়া হ'ল।)

Jorhat, 27.7.08.

My dear Goswami,

I was delighted to read your kind letter of the other day. For some days I was laid up with fever. Now I am doing well.

My wife died twelve years ago leaving one daughter and two sons.

My daughter is married to one Hirakanta Barkataki. nephew of Sri Dinadhar Borkataki of Sibsagar. She has got a son. My daughter & grandson are staying with me as my son-in-law has not been able to settle himself as yet.

My first son is now in Calcutta. He passed Entrance, he will be going up for the next F.A. Exam.

My second son is now reading in the first class of my Jorhat School.

Hope you are doing well with family.

Kindly remember me to my old friend Mr. Keshab Chandra Barua (your father-in-law). We are well.

Yours very sincerely
G. Bezbarua

কৰ্মবীৰ বৰদলৈৰ চিঠি

[কৰ্মবীৰ নবীনচন্দ্ৰ বৰদলৈয়ে কলিকতাৰপৰা হেম গোসাঁইলৈ লিখা এখন আপুৰুগীয়া চিঠিৰ হুবহু ইংৰাজী পাঠ তলত দিয়া হ'ল। এই চিঠিত "স্বাৰ্থপৰতা আৰু দেশপ্ৰেম একে লগে কেতিয়াও থাকিব নোৱাৰে" আদি উক্তিৰ সত্যতা এতিয়া আমি বেচিকৈহে উপলব্ধি কৰিব পাৰিম। চিঠিত থকা C. C. মানে Commissioner।]

9. Old Baithakkhana 2nd Lane. 8.7.12

My dear Gossain,

Many thanks for your letter and the question paper. I am going to submit it today. I could not go to Gauhati to join the reception of the C.C. for various reasons although I wished to do so. You made Rai Bahadur read the address and the same blunder is again committed. Why did you not all try to make the first impression on the C.C. rather favourable. However, all well that ends well. My honest idea is that a country cannot rise unless there is intense and unselfish patriotism in the hearts of the people. Patriotism never goes with selfishness. Let there be the least idea in the hearts of the leaders that they will gain some distinction or honour, not to say of other worldly goods, by their public actions and the whole effect lost. I want to identify the salvation of a country with the salvation of a soul. নিষ্কাম ভক্তি is necessary for the deliverence of the soul and নিষ্কাম স্বদেশ প্রেম is neccssary for the deliverence of a country. I see the future of my poor country rather dark and it makes my heart bleed.

I feel that henceforward the planters and the hill-tribes will be important sections for which the Government will care. The representation in the Imperial Council will be confined to the planters and every measure that the Government takes will tend to the benefit of the planters. The reason is that our Government feels assured about the dumbness of the people of the plains. The mere praising of high officials and depending upon them would do no good. Was anything said by the C.C. about the Jorhat Technical Institution or I think our leaders thought that to be of secondary importance.

I am well. Hope this finds you the same.

N. C, Bordoloi

ৰত্নেশ্বৰ মহন্তৰ চিঠি

[“জোনাকী” কাকতৰ এজন প্ৰধান লেখক, প্ৰচাৰক আৰু চিন্তাশীল সুসাহিত্যিক স্বৰ্গীয় ৰত্নেশ্বৰ মহন্তই তেওঁৰ বন্ধু-বান্ধৱসকললৈ চিঠি, চিঠি নহয় একোখন ৰচনা লেখিছিল। সেইবিলাকৰে নমুনা পণ্ডিত হেমচন্দ্ৰ গোস্বামীলৈ দিয়া চিঠিৰ পৰা তলত তুলি দিয়া হ'ল।]

চিঠি নং ১

নগাঁও

১৩ অক্‌টোবৰ, ১৮৯০ চন

গধুলি ৭॥ বজাত, শোৱাপাটীত বহি।

মৰমৰ হেম বাবু,

আপুনি “অসমীয়া ভাষাৰ বিষয়ে ৰচনা” লেখিছে বুলি শুনি সন্তোষ পাইছোঁ। শুনিছোঁহে পঢ়িবলৈ নৌপাওঁ এথোন। পঢ়িবলৈ পালে, আমাৰ মতামত কেনেকুৱা হ'ব পাৰে, ক'ব পৰা নাই। আপোনাসকলৰ ক্লাবলৈ (অ, ভা, উ, সা, সভাৰ) মই ইংৰাজীৰে যিখন ৰচনা লেখি পঠিয়াইছিলোঁ, সেই খনৰে সৈতে আপোনাৰ মত মিলিব নে? আমাৰ ছাত্ৰবৃত্তি (এম্ ভিঃ) ইস্কুলবোৰত বঙ্গলাৰ সলনি অসমীয়া ভাষা চলাব লাগে বুলি মুন্সী মুহিবুদ্দিন আহমদ বি এল্ এৰে গোট খাই এখন দৰ্খাস্ত তৈয়াৰ কৰিছোঁ। আপোনাসকলেও তেনেকুৱাকৈ দৰ্খাস্ত এখন লেখি শিক্ষা বিভাগৰ ডাইৰেক্টৰলৈ পঠিয়াওক। বাবু ঘনশ্যাম বৰুৱা আৰু লক্ষ্মীদৰ বৰাৰলৈও লেখিছোঁ। এই দৰে লেখালেখি কৰি নেথাকিলে আমাৰ মাতৃ ভাষাৰ একো উন্নতি সাধন কৰিব পৰা নহব। আমাৰ এই ফেৰা মহৎ উদ্দেশ্য সিদ্ধিৰ অৰ্থে আমাৰ মাতৃভাষা হিতৈষী প্ৰত্যেক জনেই উঠিপৰি লগা উচিত। বাবু গুণাভিৰাম বৰুৱাই-------

আপোনাসকলে কি নাটৰ থিয়েটাৰ কৰিলে, আৰু আপুনিয়েই বা কি ভাও লৈছিল, একোকে নেলেখিলে দেখোন?---মিল্টৰ চন্দ্রকুমাৰ গুপ্তলৈও (আগৰৱালা) লেখিছিলোঁ, উত্তৰ নেপালো। আপোনাতকৈও তেখেত এলেহুৱা। তেখেতে “জোনাকীৰে” সৈতে সম্পৰ্ক ছিণ্ডিলে নেকি? চৰ্কাৰী আমোলাৰ বাহিৰে আনে নজনা আসামৰ

ডাঙৰ মানুহ এজনৰ চমু জীৱনী এটি তেখেতলৈ পঠিয়াইছিলোঁ। সেইজন হৈছে তুলাৰাম সেনাপতি।

এওঁ দুমাহমান আসামৰ এছোৱা ঠাইত স্বাধীনভাৱে ৰাজত্ব কৰিছিল। শেষত সেই ছোৱাও ব্ৰটিছ সাম্ৰাজ্যৰ অন্তৰ্গত হ'ল। সেই জীৱনীটিৰ কথাবতৰাবোৰ বহুত যত্ন কৰি গোটোৱা আৰু "জোনাকী"ত ছপাবলৈ পঠিওৱাৰো আজি এবছৰ হ'ল। তথাপি "জোনাকী"ত প্ৰকাশ হোৱা নাই। মিঃ গুপ্তলৈ ইয়াৰ কথা লেখি লেখি হাইৰাণ হলোঁ। এই প্ৰবন্ধৰ পাছতে "ৰামসৰস্বতী"ৰ দ্বিতীয় ছোৱাও পঠিয়াই দিলোঁ। মিঃ গুপ্তই ভাল বুলি শলাগিলে হে পিছে, আজিলৈকে এটাও নোলাল দেখোন? আপুনি অলপ খবৰ কৰি প্ৰবন্ধকিটা ছপাব নোৱাৰিবনে? "তেজীমলা", "গোলাপ কুঁৱৰী"ৰ কবিতাতকৈ এই বিলাক প্ৰবন্ধ বহুত মূল্যবান। সেইবোৰত না ভাষা, না ছন্দ, না যতি, না মাত্ৰা, না ভাৱৰ সোঁত—একোটোৱেই নাই। "জোনাকী"ৰ নিচিনা উচ্চ শ্ৰেণীৰ কাকতত উভং-অবাইচ মাতেৰে ভৰা তেনেকুৱা কবিতাই ঠাই পোৱা অনুচিত। মোৰ কথাকিষাৰ মিঃ গুপ্তই শুনিব লাগিলে নিশ্চয় তেখেতৰ মোলৈ খং উঠিব। আপোনাকহে ভিতৰি কথাষাৰ কৈ থলো। এনে বিৰূপ মত অকল মোৰেই নহয়, নগাঁৱৰ ভালেমান ভদ্ৰলোকেও কোৱা শুনিছো। নতুন সম্পাদকৰ হাতত পৰিলে "জোনাকী"ৰ গাত এনেবোৰ ছেকা নেথাকিব বুলি বিশ্বাস কৰোঁ।

ইয়াৰ লগতে "মোৱামৰীয়া বিদ্ৰোহ" নাম দি দীঘল প্ৰবন্ধ এটা পঠিয়ালোঁ। ছোৱাছোৱাকৈ 'জোনাকী'ত প্ৰকাশ কৰিব বুলি আশা কৰিলোঁ। এই প্ৰবন্ধটো যুগুত কৰোতে, কিমান কষ্ট কৰিবলগীয়া হৈছিল, আপুনি দুপাতমান পঢ়িলেই গম পাব। মাজে মাজে ভালেমান কথা অগা-পিছা হৈছে আৰু ভাষাও আপচু হৈছে। আপুনি পঢ়ি, পোনাই-পজৱাই দিব। মোৰ "মানৰ দিন" বোলা প্ৰবন্ধটো আপোনা-সকলে পঢ়ি ভাল পোৱা বুলি শুনি বৰ ৰং পালোঁ। তৃতীয় আক্ৰমণ ছোৱা বৰ দীঘল হ'ব। একে সংখ্যাতে উলিয়াব পাৰিলে ভাল হয়। এতিয়া আহোম ৰাজত্বৰ বিষয়ে লেখিবলৈ লৈছোঁ। বহুতে আহোম ৰজাৰ দুৰ্নাম ৰটে আৰু তেওঁবিলাকৰ শাসন বেয়া বুলি কয়। মোৰ প্ৰবন্ধত কিন্তু তাৰ ওলোটাটো হে পাব। আহোম ৰাজত্ব কেতিয়াও

বেয়া নাছিল। তাৰ পিছত, এটা বুৰঞ্জীমূলক প্ৰবন্ধ লেখো বুলি মনতে পণ কৰিছো আৰু তাৰ আহিলা-পাতিও গোটাইছোঁ।

সেইটো প্ৰবন্ধ হৈছে "অসমীয়া মুছলমানৰ ইতিহাস।" মাধৱদেৱৰ বিষয়ে ক'ত কি পোৱা যায় সকলো তথ্যপাতি মোক গোটাবলৈ কৈছে হয়, পিছে আমাৰ মানুহে ধৰ্ম্মপুথিবিলাক ধোঁৱাচাওতে ধোঁৱাই খাবলৈ এৰি দিয়াটোহে ভাল পায়, আমাক চাবলৈ বা ছুবলৈ দিয়াটো বেয়া পায়। পাৰোঁমানে চেষ্টা কৰি চাম বাৰু। দক্ষিণপাট সত্ৰ প্ৰতিষ্ঠা কৰোঁতা দামোদৰদেৱৰ জীৱনীও লেখিবলৈ লৈছোঁ। এইখন প্ৰকাশ হ'লে মহাপুৰুষীয়া দামোদৰীয়াৰ ভিন্ন ভাব নেথাকিব।

'জোনাকী'ৰ বৰঙণি বাবদ ১।০ পঠিয়ালো---এই টকা আপোনাৰ বন্ধু মিঃ মামুদে দিছে---তেওঁলৈ কাকত পঠাব। মাণিক বাবু (খাউণ্ড), লোকনাথ খাউণ্ড আদি বহুতে "জোনাকী" পোৱা নাই। গুপ্তলৈ লেখিছিলো, খবৰেই নাই। মণ্ডল, কাননণ্ড, চুপাৰভাইজিং কাননণ্ড---সকলোৰে আপত্তি---কাকত পোৱা নাই। এই কেইজনলৈ "জোনাকী" পঠিয়াব---তেওঁবিলাকক গ্ৰাহক কৰিছো ঃ---যজ্ঞৰাম শৰ্ম্মা, ৰেভিনিউ অফিছ, থিৰমন বৰা, চলচলীৰ মৌজাদাৰ, ভোলানাথ গোস্বামী, ভেৰভেৰী স্কুল।

আপোনাৰ---শ্ৰীৰত্নেশ্বৰ মহন্ত।

চিঠি নং ২

You Silly Chap,

Yours with the book is just to hand. I do not care what others say but I am, when asked by you, at liberty to speak out my mind. To you my friend it is perfectly known how dearly do I love my native tongue and how often have I spent my leisure to contribute to its improvement but however dear this affection may be, we must, when such a question of vital importance is being discussed, stand impartially and pronounce our decisions looking to the status the languages now obtain amongst us and to the merits the languages contain. Let Assamese be formed into a real language first — let

there be books enough, books of substantial merit, then our hearts (?) of Assamese blood as they are will themselves urge us on to procure a room for our mother language in there and then and there we may hope or are sure for success.

Yours
Ratneswar Mahanta

পুঃ দেউতাকৰপৰা টেলিগ্ৰাম পাই কমল বাবু (কমল চন্দ্ৰ শৰ্ম্মা, কলিকতা অ ভা উ সা সভাৰ সম্পাদক) ঘপ কৰে নগাঁও এৰি গোলাঘাটলৈ গ'ল।

চিঠি নং ৩

["অধোঃমতি" শব্দটো যে ভুল, তাকে প্ৰমাণ কৰিবলৈ মহন্তই চাৰিপিঠিয়া চিঠি লেখিছিল। তাৰে অলপ তুলি দিয়া হ'ল।]

Nowgong
24-10-88

My dear Hem Babu,

I cannot but admit that our language is but an embryo & that we cannot expect to see it improving unless we coin words & borrow expressions from other languages & I therefore hope that it is needless for me to dwell at length on this point as we are one & the same in our opinion.

আকৌ কওঁ, "অধোঃমতি" শব্দটো ভুল আৰু কেতিয়াও ব্যৱহাৰ কৰিব নালাগে। আপুনি "উন্নতি" শব্দটোৰ উদাহৰণ দেখুৱাই সেইটো শুধ বুলি কৈছে। উন্নতিত উৎ উপসৰ্গ আৰু নম্ ধাতু বা মূলটো সোমাই আছে। "অধোঃমতিত" 'অধঃ' আৰু 'উৎ' দুটা উপসৰ্গ সোমাল। আপুনি দেখোন ব্যাকৰণৰ নিয়ম জানেই—"উপসৰ্গেন ধাত্বৰ্থং বলাদন্যত্ৰ নীয়তে--" উপসৰ্গৰ দ্বাৰাই শব্দাৰ্থ যে সলনি হয়, ইংৰাজী ভাষাতো আছে। ইংৰাজীত give (গিভ্) আৰু give up অৰ অৰ্থ কি, নকলেও হ'ব। সেই কাৰণে, উন্নতিৰ ওলোটা

অর্থ বুজাবলৈ হলে "অধোগতিৰে নহয়—অধৰ উন্নতি" বুলিলে হে শুদ্ধ হ'ব। ওণাডিৰাম বৰুৱাই লেখিব পাৰে। তেওঁ অসমীয়া ভাষাৰ ব্যাকৰণ নেজানে আৰু অসমীয়া ভাষাৰো পণ্ডিত নহয়। ভাষাবিদ হেমচন্দ্র বৰুৱাই লেখা মতে, "অৱনতি" লেখাই ভাল।

\+ \+ \+

চিঠি নং ৪

[হেম গোসাঁইলৈ ৰঙ্গেশ্বৰ মহন্তই দিয়া চিঠি নহয় জানিবা এখন ৰচনা হে।]

My dear Hem Babu,

The medicines for which I sent you the Money Order were to have been applied during winter. Magh has gently glided by — Phagune is also passing. If I cannot get the medicines within the first fortnight of this month, I do not want them at all. They are only ingredients of a Salcha which will have to be prepard here. It is needless to say that the preparation will take at least a week. Now you will see whether I shall get time or not for its application within proper time. I know Kamal's death has bitterly embittered your soul, but you must shake the mourning off by this time. You cannot let my wife die with the dead. You do not know from what a dreadful disease my wife is suffering — lest, I am sure, you would have taken a little interest in her & shown some eagerness to send the medicines. I could have asked some others but I know you would be of a greater help. I too do not feel less for the loss of one who was dear to us, a hope to us all, but can't help. Now you must calm your mind— Shake off despondency, proceed with your studies & take notice of your other friends who still breathe on earth. Man is mortal and it is the law of nature, know this and compose your heart.

Nowgong has since some days been full of events. Two are worth notice. 1st—The fact of the local Head Master

master Mr. S. C. Ganguli's second wife is missing away at the dead of night with a Hindustani servant. Many say, it was an elopement, a love affair, but certainly not. Head Master is a Kulin—he married many unfortunate girls of which only two are now living with him—the first one is Mr. Ganguli's favourite—second who fled is an eyesore. She lives with him quite as a female servant—she cannot approach her husband's bed, far from enjoying other privileges as a wife. Even during this chilly winter she used to sleep on earth on a common cot, taking a worn-out bag as a proof against the inclemency of the season. She could no longer suffer it & fled. She was apprehended at a village named Jhaluguti, was brought back, but she refused to go back to her husband. Bogola gave her shelter. A few days ago, Head Master with an uncle of his started for his way to Bogola's house at midnight. Bogola was severely beaten for his interference in the matter. The wife was entreated by her husband not to expose him further and to return to him. She refused flatly. She was forced, but for the immediate interference of police and some other neighbouring gentlemen the matter was cut short. The Hindustani man is still in police custody. Let the scene be drawn here to this drama. ...

অসমৰ ভূঁইকঁপ আৰু অমঙ্গলীয়া উৎপাতৰ আঁতিগুৰি

ভূঁইকঁপৰ গতি নিৰ্ণয়কাৰী সকলে ভাৰতত হোৱা বৰ বৰ ভূঁই-কপৰ যি তালিকা দিছে তাত ১৭৭২ খ্ৰীষ্টাব্দত হোৱা ভূঁইকঁপটোকেই প্ৰথম আৰু ভয়ঙ্কৰ বুলি কৈছে। অসম বুৰঞ্জীত তাতোকৈও প্ৰায় ২০০ বছৰৰ আগৰে পৰা হোৱা ভূমিকম্পবোৰৰ কথা লিখা আছে। অসমখন ভাৰতৰ জংঘলী জী (Cinderella) হোৱা বাবে তাৰ অতীত ঘটনাৱলীলৈ ভাৰতীয়সকলে চকু নিদিয়ে। ভূঁইকঁপৰ ওৰিটো

ক'ত আৰু তাৰ আচল উৎপাদিহ কেনেকৈ উলিয়াব পাৰি বৰাহ-মিহিৰৰ দিনৰ পৰা অবিৰাম তাৰ চেষ্টা চলি আহিছে। কিন্তু জ্যোতিষীসকলে আকাশৰ চন্দ্ৰ-সূৰ্য্য গ্ৰহণটোক যেনেকৈ তাৰে-কাকে মিলাই আগতে গণি কৈ দিব পাৰে, ভূঁইকঁপ হোৱাটো তেনেকৈ ঠাৰে-ঠিকে ক'ব নোৱাৰে। ১৯৫০ চনৰ ১৫ আগষ্টৰটোৰ দৰেই পৰ্ব্বত-ভৈয়াম মহতিয়াই পঘা নুবিৱাদৰে নুবিয়াই পেলোৱা আৰু তাৰ লগৰীয়া ঢল পানীয়ে জলথল সমান কৰা, ধুমুহা বতাহে গছ-গছনি মুচৰি থৈ যোৱা, তলৰ মাটি ওপৰ কৰা ভয়ংকৰ ভূমিকম্পই অসমৰ বুকু কঁপাই থৈ গৈছে। পৌৰাণিক যুগৰ মানুহবিলাক অদৃষ্টবাদী হোৱা বাবেই সেইবোৰ ধ্বংসলীলা ভগৱন্তৰেই বুলি মন তাপৰি বহি আছিল। আজিকালি বস্তুবাদৰ দিনত তেনেবোৰ ধাৰণা ভটীয়নী পানীত উটি যোৱাদি উটি যাবলৈ দিব নোৱাৰি। সেইবাবে ভূগৰ্ভৰ তত্ত্ববিচৰাসকলে বৈজ্ঞানিক উপায়েৰে তাৰ নিবাৰণ বা প্ৰতিবোধ নাইবা দমন কৰিবলৈ পৰ্ব্বত প্ৰমাণ চেষ্টা-প্ৰচেষ্টা কৰি চাইছে। এনে অৱস্থাত ভৌগোলিক, ভূতাত্ত্বিক আৰু নৈসৰ্গিক দুৰ্ঘটনাবোৰৰ সম্বন্ধ নিৰ্ণয় কৰাত হে যোৱা অতীতৰ ভূকম্পন, বানপানী, বিজুলী বৰষুণ, ধুমুহা বতাহ আৰু অন্যান্য বিবিধ অমঙ্গলীয়া উৎপাতবোৰে তথ্যান্বেষীসকলক এচেৰেঙা মানো পোহৰ নিদিয়াকৈ কেতিয়াও নেথাকে।

ৰাষ্টিচৰ সংস্ৰৱলৈ অহাৰ আগলৈকে অসমৰ দৰে ভাৰতৰ অইন ৰাজ্যত ভূমিকম্পৰ নিচিনা দুৰ্য্যোগবোৰ লেখি যোৱাৰ অভ্যাস নাছিল। অসমৰ বুৰঞ্জীত সেইবোৰতো টুকি থোৱা আছেই, তাৰ উপৰিও দেশৰ অন্যান্য উৎপাত অমঙ্গলবোৰো লিখা আছে।

অসমক পয়া লগোৱা ডাঙৰ ডাঙৰ গোটাদিয়েক ভূঁইকঁপৰ কথা বুৰঞ্জীৰ পৰা তুলি দিয়া গ'ল ঃ

১৫৪৮ খৃষ্টাব্দ ঃ স্বৰ্গদেৱ চুকেনফা বা গড়গঞা ৰজাৰ দিনত লাক্কি তাও চিঙা শকত, ১৫৪৮ খৃষ্টাব্দত এটা ভয়ঙ্কৰ ভূঁইকঁপ হয়। 'তাৰ জোকাৰণিত মাটি ফাটি শিল-বালি ওলায়। তাৰ পাচতে দীঘলমৰীয়া সন্দিকৈয়ে ৰজাৰ দ্ৰোহ চিন্তে।'

১৫৯৬ খৃষ্টাব্দ ঃ স্বৰ্গদেৱ চুখাম্‌ফা বা খোৰাৰজাৰ দিনত ডাঙৰ ভূমিকম্প যায়---লাক্কি খুত চিঙা শকত---১৫৯৬ খৃষ্টাব্দত। "তাতে

মাটি ফাটি বালি-লো-পানী ওলাল। ৰজাদেৱৰ হোলোঙত শোওঁতে মানুহ এটা মৰি আছিল।" ৰজাৰ কাৰেঙৰ চাল এখনো খহি পৰে। তাৰ অলপ দিনৰ পিচতে খোৱাৰজা স্বৰ্গী হয়।

১৬০১ খৃস্টাব্দ ঃ চুচেংফা বা বুঢ়া ৰজা বা প্রতাপ সিংহৰ দিনত লাক্সিতাও চিঙা ১৫২৯ শকত, খৃঃ ১৬০১ ত 'মুকুন্দ বাপুক ৰজাদেৱে মাৰিলে, তিনি দিন ৰৰ ভূমিকম্প গল। মাটি ফাটি পানী ওলাল। দেশত মহা প্রলয় হ'ল। তাৰ দুবছৰমান পাচত 'কাতিৰ দিনত বঙাল ওলালহি।' কাতি গল, আঘোণ গল, পুহৰ পাচ পক্ষত 'বঙালে আহি ভৰলীমুখৰ সিপাৰে কোঠ দি ৰ'লহি।"

১৬৪২ খৃস্টাব্দ---চুৰমফা বা ভগা ৰজাৰ দিনত ৰাজ্যজুৰি ভূমি-কম্প যায়। তাৰ পিচতে ভগা ৰজাৰ ৰাজ্যভোগ শেষ।

১৬৬৩ খৃ ঃ---অসমৰ চৈ-পেচ্ কচ্ লৈ ঢাকামুৱা হৈ যাওঁতে মীৰজুমলাই নগাঁৱৰ কাজলীত জিৰাই আছেগৈ। এনেতে ধুমুহা বতাহ, বিজুলী ঢেৰেকনি আহি মোগল সেনাৰ থৰযুগুতি হেঁচুৱাই দিলে। আধাঘণ্টামান সময় পৃথিবীখন চক্রাকাৰ হৈ ঘুৰি আছিল (প্রবল ভূমিকম্প হৈছিল)। ঢাকা পাওঁতে নৌ পাওঁতেই মীৰজুমলাৰ ইহলীলা সম্বৰণৰ আগলি বাতৰি।

১৬৯৬ খৃঃ-- মহাৰাজ ৰুদ্রসিংহৰ দিনত ৰৰ ডাঙৰ ভূঁইকঁপ যায়। দিনে-ৰাতিয়ে ছেদ-ভেদ নোহোৱাকৈ ফাগুনৰ পৰা শাওনলৈকে এই ছমাহ বসুমতী কঁপিয়েই থাকে। জোকাৰণিত মাটি ফাটি শদিয়াত মাগুৰ কাৰৈ মাছ ওলাইছিল। পানী-বালি ওলাই যোৱাৰ লগে লগে পৰ্ব্বতো খহি পৰিছিল।

'ধুম্রাকাৰ' হৈ আকাশত কিবা এটা ওলাই দিনতে আন্ধাৰ কৰি-ছিল। তাৰ পাচত '১৬১৯ শকৰ ভাদত মহাৰজাৰ লুৎত্যাৱেক চাৰিং ৰজায়ে তিংখঙীয়া মানুহেৰে আলচি স্বৰ্গদেৱক দ্রোহ কৰিব খুজিলে।'

১৭৩২ খৃঃ---'ৰৰৰজা ফুলেশ্বৰীৰ মৃত্যু, স্ত্রী ৰজা। শক ১৬৫৩ মাস ১০। তৎপশ্চাৎ 'দিবা ৬ দণ্ড বেলা হলত, ভূমিকম্প গল, ৭ মাস ১৬৫৪ শকাব্দ।'

১৭৫৯ খৃঃ—'স্বৰ্গদেৱ ৰাজেশ্বৰ সিংহৰ দিনত কাকতী ফৰিং উজালে। গছৰ পাত-চোত টোকালি পেলালে। সূর্য্যগ্রহণ লাগিল, নেজাল তৰা ওলাল, দেবী ঘৰত বজ্রপাত পৰিল, ৰংপুৰৰ কাৰেঙৰ টুপত হুদু পৰিল, বৰ ভুঁইকঁপো গল।'

১৭৭২ খৃঃ—স্বৰ্গদেৱ লক্ষ্মীসিংহৰ ৰাজত্ব কালত আকাশত তৰা ওলায়, শুইনতে দিনে ৰাতিয়ে জুই একুৰা জ্বলি আছিল। 'তেজ বৰষিছিল—বৰষুণৰ লগত মাছ-কাছ-শামুক উৰি পৰিছিল। জাঁজী নৈত পৰ্ব্বতৰ পৰা খহি পৰা বিয়াগোম শিল এচপৰা উটি আহিছিল। পচোৱা বতাহ বলি ৰাজ্যত তৰ্য্যাস্তি কৰিছিল। গছৰ ডাল ভাগিলত জাকে জাকে বান্দৰ উটি আহিছিল। আকাশত এজোৰ এজোৰ কৈ জোনবেলি ওলাইছিল—দুয়ো জোৰাই তয়া ময়া যুঁজ কৰিছিল। ভুঁইকঁপো গৈছিল—সৰু।

উৎপাত

১৬৪৯ খৃঃ—বুদ্ধি স্বৰ্গনাৰায়ণৰ ৰাজত্বকাল—"পাচে কিছু উৎপাত অমঙ্গল হল—ক্রমে অনেক উৎপাত হ'বলৈ ধৰিলে। মনুষ্যত গাহৰিৰ আকাৰ জন্মিল, উষুৱা ধান গজিল, উত্তৰে (কাৰেঙৰ) ফুলবাৰীত তিন চকুৱা মানুহ জন্মিল, দেশ ছানি কৌপটীয়া শেন ওলাল। ক্রমে স্বৰ্গদেৱে শৰীল বিষম পাই দেৱৰ গাঁৱৰ দেৱালয়লৈ মানুহ পঠালে, বোলে, বুপাত সোধগৈ মোৰ কিমান দিন আছে? "পিচত দেৱতাই হেনো স্বপনত কলেহি বোলে দেৱালয়ৰ ভিতৰত ফুলনিত চাই নাহৰ ফুল এটা পাব।" পিচে ফুলনিত আবতৰীয়া তিনিপহীয়া ফুল এপাহ পাই ৰজাই বুজিলে যে তেওঁৰ আৰু তিনি পষহে আয়ুস আছে—তেতিয়া ৰজাদেৱে বোলে, "বুপাৰ আজ্ঞা হল, মোৰ তিনি পষহে ভোগ আছে; এতেকে সকলো ৰাজ্য আহক মই চাই লওঁ, মোকো চাওক।"

১৮৩২ খৃঃ—উমানন্দ পৰ্ব্বত খহা—এই বছৰত আহিনৰ ২২।২৩।২৪ তাৰিখে একে লেথাৰিয়ে ছেদ ভেদ নোহোৱাকৈ ধুমুহা বতাহ দি উমানন্দ পৰ্ব্বতৰ দাঁতি এটা খহাই পেলায়। এই পৰ্ব্বত খহোতে 'কস্যচিৎ কামৰূপ নিবাসিনঃ' (সম্ভব হলিৰাম ঢেঁকীয়াল

ফুকন) বুলি এজন শিক্ষিত লোকে কলিকতাৰ সমাচাৰ দৰ্পনত এই বুলি লেখিছিল---

'---কখনও শুনা যায় নাই যে এমতে পৰ্ব্বত পড়ে। ঐ ঝড়ে তাহাত পড়িয়াছে। অর্থাৎ ব্রহ্মপুত্র নদের মধ্যস্থিত ভস্মাচল নামক পৰ্ব্বত, তাহাতে শ্রীশ্রীউমানন্দ নাম ধাৰণপূৰ্ব্বক ত্রৈলোক্যনাথ মহাদেউ বিরাজমান। ঐ পৰ্ব্বতের দক্ষিণ দিগে প্রায় দশ বার হস্ত পরিমাণ একখণ্ড খসিয়া পড়িয়াছে। এমত অসম্ভব কাণ্ড কখনও হয় নাই। গত বৎসর এই পৰ্ব্বতের এক বৃক্ষ উৎপাদিত হওয়াতে দেশের অনেক অমঙ্গল দর্শন হইয়াছিল, তাহা কি লিখিব? এ বৎসর এই কুলক্ষণ দেখিয়া রাজ্যের অলক্ষণ, রাজ্যের বিচক্ষণেরা বিবেচনা করিতেছেন।'

১৮৩৮ খৃঃ---'অজান্তি মুলুক' আৰু পুৰন্দৰ সিংহৰ ৰাজ্যত ভূমিকম্পৰ ভীষণ দৌৰাত্ম্য---বহুত টিলা-হাফলু পুখুৰী হল। ভালে-মান বিল-পুখুৰী বাম হল। কাকতী ফৰিং ওলাল। খেতি-পথাৰ নেহোৱা হল। আকাশে দেখা দিলে। পুৰন্দৰ সিংহৰ পতন সূচালে।

১৮৪১ খৃঃ--এই বছৰৰ চুৰ্চুৰীয়া ভূঁইকঁপে ৰংপুৰৰ (শিৱসাগৰ) ৰংঘৰৰ পথাৰখন দোপ লোৱালে।

১৮৯৭ খৃঃ---এই বছৰ ১২ জুনত হোৱা ভূঁইকঁপৰ কথা সৰ্ব্ব-জনবিদিত। হেমচন্দ্র বৰুৱাৰ 'হেমকোষ'খন গৱৰ্ণমেণ্টে ছপাম বুলি শিলঙৰ চেক্রেটেৰিয়েটত থৈ দিছিল। ভূঁইকঁপৰ জোকাৰণিত ছেক্রে-টেৰিয়েট ঘৰ লাং লাং ঠাং ঠাং হল আৰু 'হেমকোষ'ৰ হাতে লিখা পাতবোৰ ইটা কাঠে পুতি পেলালে। কৰুণাময়ৰ কৰুণাত হেমচন্দ্র গোস্বামীয়ে অসীম ধৈর্য্যেৰে সেই পুথি উদ্ধাৰ কৰিলে। ব, ম,

(১৯৫০ চনৰ ১ অক্টোবৰৰ 'নতুন অসমীয়া'ৰ ভূমিকম্প সংখ্যাত প্রবন্ধকাৰে প্রকাশ হৈছিল।)

হাতী চিকাৰৰ অভিধান

[নিজে হাতী-খেৰ বা হাতী মহল লৈ, হাতী চিকাৰ কৰা নাছিলোঁ যদিও, অসমৰ সাত-পুৰুষীয়া হাতী-গিৰী স্বৰ্গীয় ৰাধাকান্ত ফুকনৰ সুযোগ্য পুত্ৰ তিলকান্ত ফুকনৰ সাহায্যত, বনৰীয়া হাতীধৰা খেতত থাকি থাকি হাতী-চিকাৰী ফান্দী-মাউতৰ ৰোমাঞ্চকৰ দুঃসাহসিকতা আৰু অচল-অটল ধৈর্য্য-সততা দেখিবলৈ পাইছিলোঁ---বনৰীয়া হাতী ধৰি আনি শিকাই-বুজাই ঘৰচীয়া কৰালৈকে। ফান্দী-মাউতৰ যে কথাই নাই, হাতী-গিৰীয়াৰ জীৱনো যে পদে-পদে কিমান সংশয়াপন্ন, স্বচক্ষে নেদেখিলে একোপধ্যেই তাৰ প্ৰতিচ্ছবি এখন আঁকিব নোৱাৰি। দেখিলেও আমাৰ পক্ষে কাপৰ আগত তুলিবপৰা একেবাৰে সাধ্যৰ অতীত। সেই গুণে, বনৰীয়া হাতী ধৰা সম্পৰ্কে ব্যৱহৃত কিছুমান নাম বা শব্দ আৰু তাৰ অলপ-অচৰপ আভাস এটি দিয়া হ'ল। হাতী-চিকাৰৰ অভিধান সুকীয়া। তাৰ পৰিভাষা গোটদিয়েক তলত দিয়া ধৰণৰ।--ব, শ,]

১। কুন্‌কী---বনৰীয়া হাতী ধৰাত যি ঘৰচীয়া হাতী শিক্ষিত আৰু কাজুৱা।

২। বনুৱা---বনৰীয়া হাতী।

৩। খেদা চিকাৰ---হাবিৰপৰা হাতী খেদি আনি, গড়ৰ ভিতৰত সুমুৱাই ধৰা নিয়মটোকে খেদা চিকাৰ বোলে।

৪। মেলা চিকাৰ---কুন্‌কী হাতীৰে হাবিত সোমাই মুকলি অৱস্থাতে বনুৱা ধৰি যি চিকাৰ কৰা হয় তাকে মেলা চিকাৰ বোলে।

৫। গড়---বাঁহ বা কাঠৰ বেৰা।

৬। বাণ্ডী---গড়ৰ মুখত দিয়া চেপাৰ নিচিনা গড়।

৭। চৰ্দ্দাৰ---গড়মৰোৱা, গড়ৰ তত্ত্বাৱধান লওঁতা, গৰেয়া বা গৰৱালা বিচাৰি আনি কামত লগোৱা আৰু হাবিৰ কোন কোন ঠাইত বনুৱা হাতী থাকে বা আহ-যাহ কৰে তাৰ ভু-ভা লওঁতা।

৮। চুৰি---বনুৱা হাতী অহা-যোৱা কৰা পাট্টি বা দাণ্ডীৰ পমখেদোতা বা বিচাৰোতা। চুঙিয়ে গড়লৈ হাতীও খেদি নিয়ে।

৯। চাহন---মুখ বা জাক---থুপ পাতি থকা একোটা চল।

১০। ফান্দী—(ক) ফানেৰে বা ফান্দেৰে বনৰীয়া হাতী ধৰোঁতা। দোহোৰা ফান্দী (খ) ঃ—প্ৰথমে ফান্দ পেলাই ধৰাৰ পিচত যিটোৱে ফান্দ্ পেলায় অৰ্থাৎ দোহাৰে।

১১। মাউত—হাতী চলাওঁতা।

১২। ঘাঁহী—হাতীলৈ ঘাঁহ কাটোতা।

১৩। ধূৰা—কেম্প বা চোং অৰ্থাৎ যি ঠাইত কুন্‌কী ৰাখি অস্থায়ীভাৱে থকা হয় আৰু য'ত ধৰি অনা বনুৱা হাতীক পোহ মনোৱা হয়।

১৪। ফান্দ্—হাতী ধৰা শকত জৰী বা ৰচি; সেয়ে খোৰোচা লগোৱা। অৰ্থাৎ খোৰোচা লগোৱা শকত জৰী।

১৫। ফেৰা—গাত বন্ধা ডোল।

১৬। চুল—ফাঁচ নাখাবলৈ বন্ধা সৰু ডোল।

১৭। গাদী কচা জৰী—(অৰ্থ ওলাই আছে)।

১৮। (ক) জুল্‌চি বা ডুল্‌চি—ডিঙিত বন্ধা ভৰি সুমুৱা ডোল। (খ) কছি—গাত বন্ধা জৰী।

১৯। কমৰ—কঁকালত বান্ধ দিয়া জৰী।

২০। গাদী বন্ধা জৰী—ইও এবিধ ৰচি।

২১। হাৰি—ভৰি বন্ধা জৰী।

২২। খেটাং—বঁতৰ হাৰিবন্ধা দুটা ঠেং জোঁটাই বন্ধা।

২৩। ডেগী—পাচভৰি বন্ধা জৰী।

২৪। কলটুপীয়া—কাণৰ গুৱিত খুচিবলৈ বন্ধা জৰী।

২৫। লাংচিং—অঙ্কুশ; হাতীৰ কুমত খোঁচা যাঠী।

হাতী বশ কৰা ঃ—

২৬। খেমাৰী—খুঁটা।

২৭। গলখেঘাৰী—ঘুৰণি দি গছত বন্ধা; যাতে বান্ধি থোৱা হাতীটো ঘুৰি থাকিব পাৰে।

হাতী শিকোৱা ঃ—

২৮। হাউৰা ফুৰোৱা—দুটা হাতীৰে শিকোৱা।

২৯। একছেৰা—এটা হাতীৰে শিকোৱা। ধৰি অনাৰ ৫।৬ দিনৰ মূৰত নাকী ধৰি শিকোৱা অৱস্থাত।

৩০। টকাচুৰ ঃ---শিকাই-বুজাই লোৱাৰ পাচত বনুৱাৰ পিঠিত উঠিব পৰা হ'লেই টকাচুৰ হয়। তেতিয়া তাৰ পিচে পিচে ঘৰচীয়া এটা মাত্ৰ যায়।

৩১। **হাতীৰ ঠগ ঃ**

(ক) বৰ মিৰিকা, (খ) সৰু মিৰিকা, (গ) দোহোৰা (ছাল কোঁচখোৱা), (ঘ) কোমোৰা বন্ধ বা বন্ধীয়া, (ঙ) চাৰেঙ্গী বা চাৰিণ্ (মাইকী পোৱালী), (চ) ধুই (চেঁউৰী পোৱালী বা ডাঙৰ মাইকী)।

৩২। **হাতীৰ জাত ঃ**

(ক) মতা ঃ---দঁতাল (দাঁত থকা), ছখনা (দাঁত চুটি কিন্তু ডাঙৰ ডাঙৰ), ৰূপহী ছখনা (দাঁত পিলপিলীয়া সৰু), গণেশ (এটা দাঁত থকা), কিৰিঙা দঁতাল (সৰু কটাৰীনলীয়া দাঁত থকা), মখনা (দাঁত নোহোৰা অৰ্থাৎ ওপৰলৈ নোলোৰা)।
(খ) মাইকী---মাখুন্দী।

৩৩। **হাতী চলোৱা ঃ**

বৎ---আঠুকাড়ি বহ; চাম---পাচলৈ যা; আগেত---আগলৈ যা চাম বৎ---ঠেং মেলি বহ; তেৰে---ইলুটি-সিলুটি কৰ; ডেগ্---কমৰ বান্ধোতে ফান্ডাল ডই দে; খুল্---হাৰিডাল খুলি দে; মাইল---উঠ;

৩৪। পশাত যোৱা---ফেৰ মাৰি সমানে সমানে দুটা হাতী লৰি যোৱা।

৩৫। দঁতাল হাতীৰ নাম---জয়দত্, ভোগদত্, তেলদত্ ইত্যাদি।

৩৬। মখনা হাতীৰ নাম---মোহন প্ৰসাদ, হৰিপ্ৰসাদ, জগত প্ৰসাদ, কালিপ্ৰসাদ, পেটুৰা, গুণ্ডা ইত্যাদি।

৩৭। মাখুন্দীৰ নাম ঃ---তেলবৰী, জিলিকী, সোণতৰা ইত্যাদি।

৩৮। সৰ্ব্বানন্দ বৰসেনাপতিৰ হাতীশালত থকা হাতীৰ নাম ওপৰত কোৱা কেইবিধৰ উপৰিও আছিল---সৰুমতী, মেঘমলা, ধনেশ্বৰী, মনেশ্বৰী, ধনমলা, সোণমলা, খেংমলা, মনজাৰী, ৰূপহী, ফুল- মতী, গোলাপী, মাটীমলা, ৰংমলা, তৰাৱতী ইত্যাদি।

৩৯। বৰ সেনাপতি উঠিফুৰা হাতীজনীৰ নাম—কলিমতী।
৪০। গোধা বৰুৱাৰ জনীৰ নাম—গেদেহী।
৪১। বাঘ মৰাণৰ জনী—জয়তৰা।

(ৰাজকুমাৰ লক্ষেশ্বৰ গোহাঁইদেৱৰপৰা পোৱা)

অসমৰ প্ৰখ্যাত হাতী-ধনীসকলৰ নাম

পূৰ্ব্বে গৱৰ্ণমেণ্টে জঙ্ঘলী বিভাগৰ অফিচাৰৰ দ্বাৰায়েই হাতী ধৰোৱাইছিল। পাচতহে একোজন মহলদাৰৰ নামত বন্দোৱস্ত কৰি জঙ্ঘলৰ একো অংশত হাতী ধৰিবলৈ দিয়া হয়। কামৰূপৰ চান্দ-কুচীয়া বৰুৱাৰ ঘৰৰ বিখ্যাত চিকাৰী ভাগ্যমন্ত বৰুৱা। উজনীৰ পোনে "বনুৱা হাতী" ধৰা মহল লৈ ধনী হোৱা মানুহৰ ভিতৰত এই কেইগৰাকীৰ নাম হাতীধনীসকলৰ মাজত এতিয়াও জ্বলি আছে—গঙ্গাগোবিন্দ ফুকন, এবল্ গ্ৰে, কিংচ্‌লী, ৰাধাকান্ত ফুকন, ধনৰৰ গাম, সাধন ৰায়বাহাদুৰ, লক্ষেশ্বৰ গোহাঁই, মাণিক হাজৰিকা আৰু খামতি ৰজা।

হাতী চিকাৰৰ গীত

চিকাৰৰ পৰা ধৰি অনা বনুৱা হাতী বইছ্ কৰিবলৈ হাতী শিকোৱা মানুহে (প্ৰায়ে ভাটী ফালৰ) কিছুমান গান গায়। সেইবোৰ এনেকুৱা সুৰীয়াকৈ গোৱা হয় যে শুনি বনৰীয়া হাতী মোহ যায়। হাতীৰ হেনো ওদাল গছৰ ফইলৈ বৰ ভয়। কাৰণ, ওদালৰ ছালেৰে কৰা ফান্ সিহঁতে কেতিয়াও ছিণ্ডিব নোৱাৰে। সেইদেখি প্ৰবাদেই আছে—"ওদালৰ ওৰিত হাতী কান্দে।" বনুৱা শিকাওঁতে এনে ফই ব্যৱহাৰ কৰা হয়। প্ৰথমতে বনুৱাটো নৰচৰ কৰিব নোৱৰাকৈ তেনেকুৱা একোডাল ফইৰে বান্ধি লৈ এজন ওপৰত উঠি বাকীবিলাকে হাতীটোৰ গা-হাত মোহাৰি মোহাৰি গায়ঃ—

(১)

হলৌ-ললৌ, টলৌ-ললৌ
ঘাগৰীয়ে খায়;
পৰ্ব্বতৰ কোলে কোলে
চাৰেং চলি যায় ঐ
চাৰেং চলি যায়।
হলৌ-ললৌ টলৌ-ললৌ
ঘাগৰীয়ে যায়
পৰ্বতৰ কোলে কোলে

- - - -

পৰ্ব্বততে আছিলি তই কাকগাঁজ
খায় ঐ
কাকগাঁজ খাই;
ভৈয়ামলৈ আহিলি তই ফান্দীৰ
চেপা পাই ঐ
ফান্দীৰ চেপা পায়।
হাবিৰ কথা হাবিতে এৰিবি
ঘৰৰ কথা মনত লবি, বাবু,
চাবাইচ্ বাবু, চাবাইচ্, চাবাইচ্
বাবু ধাত—এই ধা-ত।
(সকলোৱে মাতিব)

(২)

খাৰা ৰহনা বেটা খাৰা ৰহনা
কাণ ফুটোৱাই জৰী লগাম—
তোৰে গহনা বেটা
খাৰা ৰহনা বেটা—খাৰা ৰহনা।
ঠেঙতে শিকলি লগাম—
খাৰা ৰহনা---।

আগাৰিতে হাৰি মাৰিম
খাৰ---।
পাচাৰীতে দাগী মাৰিম
খাৰা---।
ডিঙিতে জুলছি বান্ধিম
খাৰা---।
পিঠিতে কাছ কাছিম
খাৰা---।
চকুতে তেল মাখিম
খাৰা---।

মোৰ ফাইলত থকা পুৰণি কুঁজি-থেকেৰা

[লক্ষ্মীনাথ বেজবৰুৱা, হেমচন্দ্ৰ গোস্বামী, চন্দ্ৰকুমাৰ আগৰৱালা, পদ্মনাথ গোহাঞিবৰুৱা, তৰুণৰাম ফুকন, নবীন চন্দ্ৰ বৰদলৈ, কৃষ্ণকান্ত সন্দিকৈ, কনকলাল বৰুৱা, কমলাকান্ত ভট্টাচাৰ্য্য, হিতেশ্বৰ বৰবৰুৱা, চাৰ মহম্মদ চাদুল্লাই মোলৈ দিয়া চিঠিৰ সম্পূৰ্ণ টোপোলা এটাই হেৰাল আৰু পোৱা নগ'ল। গোহাঞিবৰুৱাৰ চিঠিৰ ভিতৰত মাত্ৰ এখনহে থাকিল। বেজবৰুৱাই বৰোদাৰপৰা আৰু সন্দিকৈয়ে পেৰিচৰপৰা দিয়া চিঠিও এই টোপোলাতে গ'ল। এইখিনিৰ উপৰিও বিভিন্ন লোকৰপৰা পোৱা বহুত মূল্যবান চিঠি নষ্ট হ'ল। থকাখিনিৰ ভিতৰৰে কেইখনমানহে ইয়াত দিয়া হ'ল।---বশ]

পদ্মনাথ গোহাঞিবৰুৱাৰ চিঠি

পদ্মকুটীৰ
তেজপুৰ, অসম।
ইং ২৮।৮।১৯৪৪ চন।

স্নেহস্পদেষু

মৰমৰ শ্ৰীমান বেণু বোপাদেৱ! ভালেমান দিনৰ মুৰত আজি হঠাৎ আগন্তুক 'অসম সাহিত্য সন্মিলনীৰ পুথি প্ৰদৰ্শনী কমিটি'ৰ

সম্পাদকৰ ছপা-পত্ৰৰ কুপনত তোমাৰ চিনাকী আখৰ কিটি দেখি বৰ ৰং পালোঁ। ইমান দিননো ক'ত নিটাল মাৰি আছিলা ?

ক'তা, তোমাৰ "ৰাংপতা" আজিলৈকে মোৰ হাতত পৰাহি নাই দেখোন ? হেৰাইছে, হবলা, সন্তেদ লবাঁ।

আগন্তুক পুথি প্ৰদৰ্শনীত দেখুৱাবলৈ মোৰ গ্ৰন্থাৱলী আৰু 'উষা' 'বন্তিৰ' ফাইল বিচাৰিছোঁ ; কিন্তু 'উষা' 'বন্তি' 'বিজুলী' 'জোনাকী' আদিৰ আপুৰুগীয়া ফাইল মোৰ হাতত মুঠেই একোখনকৈহে আছে। সেইবোৰ এই জীৱন-মৰণৰ সময়ত হস্তান্তৰ কৰাটো অসম্ভৱ। নধৰিবা। 'গোহাঞি বৰুৱা-গ্ৰন্থাৱলী' ৭ সাত খণ্ডৰ ভিতৰত চাৰি খণ্ড বন্ধাই উলিৱা হৈছে ; ৫ম খণ্ড (মোৰ সোঁৱৰণী) কলিকতাৰ ছপাশালত ছেপা খাই আছে। কাগজৰ উপস্থিত অভাৱ হেতুকে সি পোহৰলৈ ওলাব পৰা নাই। এতিয়ালৈকে "সোঁৱৰণী" অনুমান ৪০।৪৫, ফৰ্মাৰ মুঠেই ১৪ ফৰ্মাহে ছপাই থোৱা হৈছে। সোনকালে সম্পূৰ্ণকৈ উলিয়াবলৈ যত্নৰ ত্ৰুটী হোৱা নাই ; শ্ৰীমান মাধৱ বেজ-বৰুৱায়ো কাগজৰ যোগান দিয়াত যথেষ্ট সহায় কৰিব লাগিছে। বন্ধা হৈ ওলোৱা ৪ খণ্ড গ্ৰন্থাৱলী শিৱসাগৰৰ 'Saraswati Store'ৰ জৰিয়তে নিয়ালেই ভাল, ইয়াৰপৰা মই পঠোৱা ~ সম্ভৱপৰ নহব।

এই ছেগতে তোমাক এটি অনুৰোধ কৰোঁ, তুমি মৰম কৰি ৺ফণিধৰ চলিহা, ৺গঙ্গাগোবিন্দ আৰু মন্টাগো ডেপুটেচনিষ্টৰ একো-খনকৈ ফটো নাইবা ৰ্লক মোক যোগান দি সহায় কৰিবা যেন।

ইতি—
তোমাৰ মৰমৰ
শ্ৰীপদ্মনাথ গোহাঞিবৰুৱা।

ৰুদ্রকান্ত গোহাঞিবৰুৱাৰ চিঠি

(১)

উঃ লক্ষীমপুৰ
নকাৰী গাঁও
ইং ৩০।৬।৬২

মৰমৰ ডেকা শৰ্ম্মাদেৱ,

বহুত ন-পুৰণি কথাৰে তোমাৰ মনোৰঞ্জক আৰু অনুসন্ধিৎসু চিঠিখনি পোৱা আজি বহুত দিন হ'ল। কিন্তু বিশেষ কাৰণবশতঃ সময় মতে উত্তৰ দিব নোৱৰাত বৰ দুখ পালোঁ। আৰু তদুপৰি খৰচি মাৰিও উত্তৰ দিব পৰা নাই এথোন।

তোমালৈ চিঠি-পত্ৰ লিখিবলৈ মোৰ বৰ ভয় লাগে---তাৰ প্ৰমাণ, "যি অতি কঠিন ৰাজনীতিকো সাহিত্যৰ ৰূপ দি তাক ভাত-মাছ যেন কৰি পঢ়ুৱৈৰ হাতত দিব পৰা শক্তি"লৈ চাই। মোৰ জীৱনৰ গধূলি বেলিকা চিঠি-পত্ৰ, প্ৰবন্ধ আদি লিখিবলৈ হ'লে শুকান জেওৰা চেপি ৰস উলিয়াব লগাত পৰোঁ। ইয়াৰ সোৱাদনো কিমান হ'ব পাৰে? মোৰ বয়স জন্ম ইং ১৮৯৬ চনৰ ২০ জুনত; এতেকে তুমি মোতকৈ ১৮ মাহৰ সৰু---সুতৰাং তুমি মোতকৈ ডেকা নহয়নে?"

"মৰমৰ লাহৰী" সম্বোধনৰ অধিকাৰ প্ৰাতঃস্মৰণীয় দদাইদেও আৰু মোৰ অকৃত্ৰিম সুহৃদ স্বৰ্গীয় ভগৱতী প্ৰসাদৰহে আছিল। কিন্তু আজি তৃতীয়বাৰ তোমাৰ পৰা সেই দুটা গুণবাচক শব্দ লাভ কৰি মোৰ জীৱনৰ বিয়লি বেলাত জয় ঢোল কোবাই আছোঁ।

স্বৰ্গীয় ভগৱতী প্ৰসাদৰ স্মৃতি লিখাৰ বাহিৰেও মই শ্ৰীমান পাৰ্ব্বতিপ্ৰসাদলৈ ২৫ পিঠীয়া চিঠি এখনত ভগৱতীৰ বহুত কথা আৰু ১১খন আপুৰুগীয়া চিঠি খামৰে সৈতে পঠিইছিলোঁ। মোৰ চিঠিখনৰ প্ৰাপ্তি স্বীকাৰ কৰি ভগৱতীপ্ৰসাদৰ "অনামিকাত" হুবহু উলিয়াইছিল বুলি লিখিছিল। সেই চিঠিত মই ভগৱতীপ্ৰসাদৰ বিষয়ে প্ৰকাশ কৰিবলগীয়া কথা, তেওঁৰ সাহিত্যানুৰাগ সম্পৰ্কে আৰু চিঠি-পত্ৰ আদিৰ বিষয়ে তোমালৈ আঙুলিয়াইছিলোঁ। বোধকৰো শ্ৰীমান পাৰ্ব্বতিপ্ৰসাদে সেই কথা বৈছে।

'প্ৰতিনিধিত' ওলোৱা ছবি দুখনৰ বিষয়ে তুমি লিখা কথাখিনি সঁচা। তুমি মোক বেঙে মুতা গৰু কৰিলা---মই স্ব-ইচ্ছাই ডাঢ়ীয়া

গৰ্গ চৌধাৰীৰ নামটো লুকাই ৰাখি ঘোষাল বুলি লিখিছিলোঁ—কাৰণ স্বাৰ্থপৰ মানুহৰ ভয়ত এজন অসমীয়া ফ'টগ্রাফাৰৰ নামটো উলিয়াই দিবলৈ মোৰ ইচ্ছা নাছিল। অপ্রিয়ং সত্য ন ব্রুয়াৎ।

অ' পাহৰিছো, বিচক্ষণীয়া বুদ্ধিৰে এতিয়া স্বাৰ্থপৰ মানুহে তোমালোকৰ চিন মাৰিবলৈ ওলোৱাৰ কাৰণটো "ৰবিভক্ত" নোহোৱা "বুৰঞ্জী" ভক্তহে? এনে যুক্তি মই কোনো ন্যায়শাস্ত্রতৰ বুৰঞ্জী বা সাহিত্যত পঢ়া মনত নপৰে। মোৰ বিবেচনা মতে "বুৰঞ্জী" ভক্তৰ আসন আৰু সন্মান 'ৰবিভক্ত' সকলতকৈ বহুত ওপৰত। ইং ১৯১৯ চনৰ ফ'টোখনৰ পৰা তিনিজন অভ্যাগতক বহিষ্কৃত কৰাৰ সময়ত এই যুক্তি কিয় আগবঢ়োৱা নাছিল? মনত পৰিছে, "জোৰৰ আগত বাতিৰ পোহৰ" যুক্তিহে ডাঙি ধৰিছিল।

"প্রতিনিধিৰ" পাতত স্বৰ্গীয় দদাইদেওৰ চমু টোকাটি পঢ়ি বৰ আনন্দ আৰু সোৱাদ পালোঁ। কিন্তু এক চামৰ লিখকে তেখেতৰ নাম শুনিলেই মৰিব পাৰে। তেখেতৰ ৰচিত অসমীয়া কিতাপবোৰৰ কাঠ-সংস্কাৰ কৰি বৰ আনন্দ উপভোগ কৰে। "বিজুলী", "উষা", আৰু "বস্তিৰ" যুগ এটা আছিল বুলি কবলৈ লাজ পায়, নাক কাটে। কিন্তু জুইক কাপোৰেৰে কেতিয়াও ঢাকি ৰাখিব নোৱাৰে। আমাক জীয়াই ৰাখিবলৈ পদ্মনাথ গোহাঞিবৰুৱাক অমৰ কৰি থবলৈ যে শ্রীবেণুধৰ শৰ্ম্মা আছে তেওঁবিলাকে পাহৰিছে—যাৰ কলমে জিৰণি নেজানে।

ইং ১৯১৭ চনত পোন প্রথম অসম সাহিত্য সভা আৰু অসম এছোচিয়েচন হৈ যোৱাৰ এদিনৰ পাচত মেচাগড়ত যোৰহাটৰ প্রধান উকীল স্বৰ্গীয় কনক চন্দ্র গগৈদেৱৰ সভাপতিত্বত এখন সদৌ আহোম সভা বহিছিল। তাত 'গোহাঞি বৰুৱা' উপাধিটোৰ বিষয়ে হবহ আলোচনা হৈছিল। তাৰ পাচত উপাধিটো কেনেকৈ লিখিবলৈ পালে তাৰ বিষয়ে 'প্রতিনিধি'ৰ পাতত আমি দেখিছো। সঁচাকৈয়ে দদাইদেৱৰ "গোহাঞি বৰুৱা" উপাধিটো স্বকীয় আৰু স্বসৃষ্ট। ইং ১৯১৮ চনৰ পৰাই "গোহাঞি বৰুৱা" উপাধিটো কাগজে-পত্রে আমি দেখি আহিছো। কেতিয়াবা কোনোবাই আকৌ "গোহাঞী বৰুৱা" লিখা দেখা পাওঁ। দদাইদেওৰ এখন পুৰণি চিঠি ইং ২৬।৪।১১ চনৰ পঠালো—পূজনীয় দেউতালৈ দিছিল।

আমাৰ ঘৰত পুৰণি কাকত-পত্ৰ, জোনাকী, বিজুলী, বন্তি, টাইমচ্ অব্ আসাম, এড্‌ভোকেট্ অব্ আসাম আদি পৰ্ব্বতাকাৰ হৈ আছিল। সেইবিলাক এতিয়া আৰু নাই। সকলো বিলাক ডেকুৰিলে আৰু উঁই আদিয়ে খাই নষ্ট কৰি পেলালে। সি যি হওক, তোমাৰ "টোকোৰা বাহৰ কুটা"ত সহায় কৰিবলৈ এখন 'বিজুলী' (৬৫ পৃষ্ঠা) "আহোম বংশৰ উৎপত্তিৰ কথা" আৰু স্বৰ্গীয় পিতৃদেৱৰ কেইটামান হাতে লিখা চমু টোকা তোমাক পতালো। যি কৰা কৰিবা। দুখৰ বিষয় পূজনীয় দেউতাই আৰু স্বৰ্গীয় ৰাজখোৱাই লিখা "ডেকা-গাভৰু" ধেমেলীয়া নাটখন আমাৰ ইয়াত নাই। ভগৱতী প্ৰসাদে মোলৈ বহুত চিঠিপত্ৰ লিখিছিল। মোৰ দুৰ্ভাগ্যত সকলোবোৰ হেৰাল! মাত্ৰ ১১ খন চিঠি পাই শ্ৰীমান পাৰ্ব্বতি প্ৰসাদলৈ খামৰে সৈতে পঠালোঁ। এই চিঠি কেইখনিয়ে মোৰে সৈতে ৰাতিপুৱা গধূলি কথা পাতি আছিল।

তোমাক এটা কথা কবৰ বৰ মন গৈছে, হেপাহ হৈছে---উপদেশ নহয় দেই—অনুৰোধ হে। সেইটো হৈছে—তুমি লিখা, কোনো সাঁচত পেলাব পৰা নোৱৰা বহুত প্ৰবন্ধ, প্ৰকাশিত অপ্ৰকাশিত আৰু ২৪ খন কিতাপ লিখি ছপাই উলিওৱা আমি দেখিছো আৰু পঢ়িবলৈ পাইছো। সেইবিলাক সিঁচৰিত হৈ অ'ত ত'ত পৰি আছে। "বেণু শৰ্ম্মা" বা "বেণুধৰ" গ্ৰন্থাৱলী একে লগ কৰি অন্ততঃ ৫ টা খণ্ডত ওলালে বৰ আনন্দ পাম দেই।

জাতীয় পুৰস্কাৰ লাভ কৰা "কংগ্ৰেছৰ কাঁচিয়লি ৰ'দ"ৰ ২য় সংস্কৰণ কেতিয়াকৈ দেখা পাম? দ্বিতীয় সংস্কৰণখনৰ দাম ৫ টকা হলেহে তোমাৰ মকৰা পেস্কাৰ, ভকত গগৈ, মৰিয়া বাহাদুৰৰ নাতি পৰিনাতিয়ে কিনি পঢ়িব পাৰিব। ১ম সংস্কৰণখন মোৰ ঘৰৰ পৰা কোনোবাই চুৰ কৰি নিলে। অৱশ্যে মুখেই কিতাপ কিনে, জ্ঞানী চোৰে পঢ়ি ঘুৰাই নিদিয়ে।

মনত পৰিছে ৰোহিনী হাতীবৰুৱাৰ কথাখিনি। পঢ়িলে হাঁহি উঠে, বৰ সোৱাদ লাগে। তেখেতে ৰায়বাহাদুৰ স্বৰ্গীয় পদ্মনাথ গোহাঁঞি বৰুৱাৰ ৩য়া কন্যা লুলু আইদেউক বিয়া কৰিছিল। এগৰাকী কন্যা ৰাখি থৈ গুচি গ'ল। অসম চৰকাৰে স্বৰ্গীয় হাতীবৰুৱাক ৰাজনৈতিক আন্দোলনৰ পৰা আঁতৰাবলৈ বিলাতত

অর্থশাস্ত্র আৰু ৰাজনীতি শাস্ত্র পঢ়িবলৈ মাহে ৩০০ টকীয়া এটা বৃত্তি উপযাচি দিছিল। শহৰেকে জোৱায়েকক মাস্তিও কৰাইছিল। কিন্তু হাতীবৰুৱাই চৰ্কাৰী চুক্তিনামা পত্রত ভাৰতৰ যেই সেই ঠাইত চাকৰিত আৱদ্ধ থাকিব লাগিব বোলা ঘৰটো পূৰ নকৰিলে। জল-পানীৰ লোভত নপৰিল আৰু গোটেই জীৱন চাকৰি কৰিবলৈ অপাৰগ বুলি ৩০০ টকীয়া জলপানীকো প্রত্যাহাৰ কৰিলে। ২য় সংস্কৰণত এইকেইটা কথা যোগ দিবা।

ইং ১৯১৯ চনত কটন কলেজত হোৱা জাকৰুৱা ফটোখনৰ তিনি চাৰিজন মানৰ বাহিৰে বাকীবিলাকৰ পৰিচয় ক্রমান্বয়ে তলত দিলোঁ। বাকীবিলাক ভুল হোৱা নাই। (২) পিয়াৰী মোহন চৌধুৰী (তেজপুৰ) (৫) আটাউল হক (ছিলং) (১২) কন্দর্পনাথ শর্ম্মা (নগাঁও) (১৩) ঈশান চন্দ্র গোহাঁই (নগাঁও) (১৭) গুৰু প্রসাদ চলিহা (মুখ্যমন্ত্রীৰ ভায়েক, শিৱসাগৰ) (২৩) বুধেশ্বৰ চেতিয়া (শিৱসাগৰ) (২৮) অম্বেশ্বৰ চেতিয়া (শিৱসাগৰ) (২১) তুলসীনাথ শর্ম্মা (যোৰহাট) (৩৩) পুৰন্দৰ শর্ম্মা (উকীল, মঙ্গলদৈ) (৩৪) ইৰাং গোহাল সিং (প্রফেছাৰ, ইম্ফল) (৩৬) প্রফুল্ল কুমাৰ সেন (প্রফেচাৰ, কটন কলেজ) ( ) হর্ষনাথ সেন (প্রফেচাৰৰ ল'ৰা) (৪৪) ৰুদ্রকান্ত গোহাঞিবৰুৱা (লাহৰী গোহাঞি বৰুৱা নহয়)--উঃ লক্ষীমপুৰ (৫৭) বনমালী ভট্টাচার্য্য (পেঞ্চনপ্রাপ্ত হেড মাষ্টৰ নলবাড়ী) (৬৪) প্রফুল্ল চন্দ্র বৰুৱা (এম, পি, শিৱসাগৰ) (৬৫) সাৰ্দা দুৱৰা (ডিব্রুগড়) (৬৫) মৃত ডাক্তৰ সুৰেন্দ্র নাথ দাস (গুৱাহাটী)।

সিদিনা শ্রীমান অজিতে অসমৰ শিক্ষা বিভাগৰ অধ্যক্ষ আৰু সন্দিকৈ কলেজৰ পৰিচালকৰ ওপৰত ভাৰতীয় সংবিধানৰ ২২৬ ধাৰা অনুচ্ছেদৰ মতে দিয়া পৰমাদেশ দেখা পালোঁ। ভালেই হৈছে—হওক নহওক অলপ সেকা দিবই লাগে।

সৌ সিদিনা গুৱাহাটীৰ পৰা অনাতাঁৰ বাতৰিটো "পুৰণি ৰংপুৰৰ কথা" শুনি বেজাৰহে পালোঁ। তাত কৈছিল বহুত কথা—"ভগৱতী প্রসাদে শ্রীঅতুলচন্দ্র হাজৰিকাই লিখা 'কণৌজ কুঁৱৰী' নাটকখন চাবলৈ সপৰিয়ালে শিৱসাগৰলৈ আহিছিল। বাটত আহোতে মটৰ গাড়ীৰে সৈতে দিচাঙ নৈত পৰি সপৰিয়ালে মৃত্যু ঘটিল। মটৰ গাড়ীখন তেওঁৰ ভায়েক শ্রীপার্ব্বতি প্রসাদ বৰুৱাই চলাইছিল

ইত্যাদি।" আমি শ্ৰীমান পাৰ্ব্বতি প্ৰসাদৰ নামটো সদাই লুকুৱাই থৈছিলো। এই বয়সত পাৰ্ব্বতিক আৰু জড়িত কৰিব নেলাগিছিল। তেওঁ কিমান চাগৈ বেজাৰ পাইছে দেহি।

গত ইং ২৪ জুন দেওবাৰে ৰাতি সাত বজাৰ পাচত গুৱাহাটীৰ অনাতাঁৰ যন্ত্ৰৰ সহায়ত আকাশবাণীত তোমাৰ মুখৰ পৰা আমি সকলোৱে অৰ্থাৎ গৃহিনী, শ্ৰীমান ডিগন্তৰ (এতিয়া এম এচ চি পঢ়ে) শ্ৰীমতী গীতা (মেট্ৰিক দিছে) আৰু ৪ টা ল'ৰা-ছোৱালীয়ে স্বৰ্গীয় চন্দ্ৰধৰ বৰুৱাৰ চমু টোকা এটি শুনি বৰ আমোদ আৰু সোৱাদ পালোঁ। স্বৰ্গগত সাহিত্যিকসকলৰ জীৱনীৰ টোকা এইদৰে মাজে সময়ে শুনিবলৈ পালে পুনৰ জন্মত "চাহাব" নহৈ সাহিত্যিকহে হবলৈ মন যায়।

আৰু নেলেখোঁ—তুমি ঐতিহাসিক আৰু প্ৰত্নতত্ব সম্বন্ধীয় সৰহ কিতাপ লিখি "টোকোৰা বাহৰ কুটা" গোটাই আৰু "বেণুধৰ" বা "বেণু শৰ্ম্মা" গ্ৰন্থাৱলী (অন্ততঃ ৫ খণ্ডত) পঢ়ুৱৈসকলৰ হাতত দিবলৈ ভগৱানে তোমাক বল শক্তি দিয়ক আৰু দীৰ্ঘজীৱি কৰক—এয়ে মোৰ প্ৰাৰ্থনা।

পূৰ্ব্বৰ মৰম চেনেহবিলাকৰ সৈতে—

শ্ৰীৰুদ্ৰকান্ত গোহাঞিবৰুৱা।

শ্ৰীবেণুধৰ শৰ্ম্মা
অসম জ্যোতি—বিহাবাড়ী—গুৱাহাটী।

উত্তৰ লক্ষীমপুৰ।
ইং ৯।৪।৬৬

(২)

প্ৰিয় শৰ্ম্মাদেৱ,

শ্ৰীযুত সৰ্ব্বেশ্বৰ বৰুৱা ডাওৰীয়াই ৫০ বছৰো ওপৰ কাল ওকালতি কৰি আছে। এই চেগতে, তেখেতৰ 'সোণালী জয়ন্তী' উৎসৱ পতাই মই এই চমু জীৱনীখনি লিখিব লগাত পৰিলোঁ। তাৰ এখন কিতাপ তোমালৈ দিলোঁ।

স্বৰ্গীয় পদ্মনাথ গোহাঞিবৰুৱা ডাওৰীয়াৰ এখন জীৱন চৰিত মোৰ হাতে লিখা অৱস্থাতে পৰি আছে। কেনেকৈ ছপা হলে ভাল হয় মোক জনাবানে? বিশেষ মোৰ হাতত ধন-বিতৰ অভাব।

ভগৱানে তোমালোকক ভালে কুশলে ৰাখক। ইতি, তোমাৰ

শ্ৰীৰুদ্ৰকান্ত গোহাঞিবৰুৱা

অমিয় কুমাৰ দাসৰ চিঠি

(১)

গুৱাহাটী
১৭।২।৩৪

মৰমৰ শৰ্ম্মা

আপোনাৰ পৰা ভালেমান দিন একো চিঠিপত্ৰ পোৱা নাই। আশাকৰোঁ ভালেই আছে। কালিলৈ শ্ৰীমণিৰাম দেৱান আৰু পিয়ালী বৰুৱাৰ উৎসৱ পাতিছে। যোৱাবাৰৰ কথাবোৰ বৰকৈ মনত পৰিছে। আপোনালোকৰ মৰম আৰু চেনেহ---। এই বহুৰৰ উৎসৱৰ বাবে আপোনাসকলে হোতা পাইছে অসমীয়া ৰাইজৰ মুকুট মণি শ্ৰীলশ্ৰীযুত গৰমূৰীয়া গোস্বামী প্ৰভু। তেখেতৰ নেতৃত্বত আপোনালোকৰ উৎসৱ সফল হ'ব তাত কোনো সন্দেহ নাই।

আশাকৰো আপুনি ভালে আছে। মই 'বাঁহীখ'ন লোৱা বুলি শুনি পাইছেনে? "বাঁহী"ৰ বাবে আপোনাৰ পৰা যথেষ্ট সহায় আৰু সমৰ্থন পাম বুলিও আশা কৰিছোঁ। সময় কৰিব পাৰিলে প্ৰবন্ধ-দিও পঠাব।

আন আন সমজুৱা সহকৰ্ম্মীসকল আৰু আপুনি মোৰ অন্তৰৰ সম্ভাষণ আৰু শ্ৰদ্ধা গ্ৰহণ কৰক।

ইতি আপোনাৰ
শ্ৰীঅমিয় কুমাৰ দাস।

(২)

Date—12th Nov.
Gauhati

প্ৰিয় শৰ্ম্মা,

সিদিনা শ্ৰীমান অজিতক পাই আপোনাৰ খবৰ সুধিছিলোঁ। আপুনি কলিকতালৈ যোৱা বুলি কৈছিল। মই জুলাই মাহত আপো-নালৈ এখন চিঠি লিখিছিলোঁ। বোধকৰো পোৱা নাছিল। বেজ-বৰুৱাৰ সম্পৰ্কে সাহিত্য সভাই প্ৰবন্ধ লিখিবলৈ অনুৰোধ কৰাত আপোনাৰ পৰামৰ্শ পাবলৈ আৰু পুৰণি বাঁহীৰ সমিধান ল'বলৈ চিঠি লিখিছিলোঁ। লগতে সুধিছিলোঁ—মই যি সময়ত (১৯৩৪ চনৰ

পৰা ১৯৩৬) বাঁহীৰ সম্পাদনা কৰিছিলোঁ। সেইকালৰ বাঁহীৰ সকলো কপি আপোনাৰ আছেনে?

আপুনি ৺মণিৰাম দেৱানৰ বহুবেকীয়া তিথিৰ বাবে চাৰিওঁলৈ মোক নিমন্ত্রন কৰি নিছিল (বোধকৰো ১৯৩৫ চনত) সেই সময়ত মই দিয়া ভাষণ বাঁহীত প্রকাশ কৰা হৈছিল। সেই সংখ্যাৰ বাঁহী মোৰ নাই। যদি আপোনাৰ হাতত আছে মোক দিব পাৰিবনে? জুলাই মাহত অসুস্থ হৈ মই গুৱাহাটীত এমাহ মান থাকিবলগীয়া হৈছিল। ইয়াৰ পৰা গৈ আগষ্ট মাহত মোৰ 2nd heart attack হৈ চেপ্তেম্বৰলৈ বিছনাত পৰি থাকিবলগীয়া হয়। অক্টোবৰ মাহৰ শেষত মই check up ৰ বাবে আহি পুনৰ চেকীয়াজুলীলৈ যাবলৈ ওলাইছোঁ। যদি কপিটো আছে জনাব। কেতিয়াবা আহিলে মই খবৰ কৰাই নিয়াম।

আশা কৰো আপোনালোকৰ ভাল। মোৰ সম্ভাষণ জানিব।

ইতি—

শ্রীঅমিয় কুমাৰ দাস

লক্ষ্মীনাথ ফুকনৰ চিঠি

(১)

Noonmati Road
Gauhati 25.7.50

মৰমৰ শৰ্ম্মাদেও,

আপোনাৰ কার্ডটো পাই ৰং পালোঁ। চেক এখন পঠাম বোলোঁ-তেই গুৱাহাটী বেঙ্কে দুৱাৰত দাং দিলে। গতিকে পঠাব নোৱাৰিলোঁ। সিদিনা শ্রীমান অজিতক লগ পাইছিলোঁ। আপুনি অলপতে আহি এই মাহৰ শেহত নহলেও আগষ্টৰ প্রথম সপ্তাহতে আহিব বুলি ক'লে। যদি আপুনি তাত কিছুদিন থাকে তেনেহ'লে আগষ্ট মাহৰ ১০-১২ তাৰিখমানে টকা পঠাব পাৰিম। আপুন ইয়াৰ ভিতৰত আহে যদি বন্দৰস্ত যি পাৰে কৰি থৈ আহিব। মই প্রেছলৈকে টকা পঠাম। আপুনি প্রেছৰ পৰা মোলৈ এখন ফর্ম লিখায়ো দিব পাৰে। দাম-দৰৰ এষ্টিমেট এটা দি আৰু দুমাহমানৰ ভিতৰতে কিতাপটো

ছপাই উলিয়াই দিব পাৰিব বুলি। অৱশ্যে আগধন আপুনি কোৱা মতেই ১৫০।২০০ মই পঠাম। মই এতিয়াও পঠাব পাৰিলোঁহেতেন, কিন্তু এই মাহত মোৰ খৰচ কিছু বেছি হৈছে। শ্রীমান মুনুৰ বিষয়ে আপুনি জানেই। সিদিনা শ্রীমান ৰুণুও গ'ল। কাশীত এম-এচ্‌চি. পঢ়িবলৈ সুবিধা কৰিব নোৱাৰি এতিয়া আলিগড় পাইছেগৈ। আগ্রা এলাহাবাদ ঘুৰি। এতিয়াও ঘুৰিয়েই আহে নে, নাম লগাব পাৰে কব পৰা নাই।

মৰম ল'ব।

ইতি আপোনাৰ

শ্রীলক্ষ্মীনাথ ফুকন

(২)

বঙলা---৪৪

ডিগবৈ ২১-৬-৬৫

মৰমৰ শৰ্ম্মা

আপোনাৰ আগৰখন চিঠি পাই মই ভাবিছিলোঁ আপুনি এই ফাললৈকে আহিছে বুলি। সেইদেখি চিঠিৰ উত্তৰ দিয়া নাছিলোঁ। পৰহি আকৌ ইখন চিঠিও পালোঁ। আপুনি চাৰিওলৈ নাহে নেকি ?

ইয়াৰ লগতে আপুনি পঠোৱা পোহৰ ছবিখন ঘুৰাই পঠালোঁ। আপোনাৰ অভয়াপুৰীয়া কাকতীয়ে ভুল কৰিছে। মোৰ সৰুটো ল'ৰাৰ নামেই অনিল, আৰু সি বিয়া কৰালে, এতিয়া দুটা ল'ৰাৰ বাপেক। তাৰ ওপৰৰটোহে বিয়া কৰোৱা নাই, নাম অৰবিন্দ, কলিকতাত আমেৰিকান ফার্ম এখনত কাম কৰে। এই বছৰতে তাৰ বিয়াখন পাতিম বুলি ভাবিছো, তাৰ বয়সো অলপ হৈছে ৩৪-৩৫, অন্ততঃ ২৫-২৬ বছৰীয়া ছোৱালী লাগে। কলিকতাত থাকিব-মেলিব লাগিব। কাকতীৰ ছোৱালীৰ বয়স কম আৰু সিমান স্মার্ট নহ'ব যেন লাগে। আপুনি কথাটো বুজাই কাকতীলৈ লিখিব বুলি আশা কৰিলোঁ।

নলবাৰীত বহা অসম সাহিত্য সভাৰ অধিবেশনৰ সম্পর্কত তাৰ পৰা কিতাপ এখন ওলাইছিল, নামটো মনত নাই। তাত বোলে ৰত্নকান্ত বৰকাকতীৰ বিষয়ে লিখা এটা প্রবন্ধ ওলাইছে। মোৰ

পৰা এটা সৰু প্ৰৱন্ধ নগাৱঁৰ এজনে নিছিল কিবা আনৰ পৰা ছপাই উলিয়াব বুলি। নোলাল। প্ৰৱন্ধটো ঘুৰাই পঠাবলৈ লিখাত জনালে বোলে সাহিত্য সভাৰ কোনোবা এজনে কপিটো নিলে। সেইটো প্ৰবন্ধ ওলাইছে নে কিতাপখনত? আপুনি অলপ চাই-মেলি জনাব নে? যদি ওলোৱা নাই তেনেহলে সেইটোকে দীঘল কৰিম—মোৰ অতীতৰ ৰেওনিতো ছপাম আৰু আপোনালৈকো থম। কিন্তু অহা মাহতহে। আপোনাৰ পৰা এই বিষয়ে জানিবলৈ বাট চালোঁ।

"আশাত উৎফুল্ল প্ৰাণ" নামেৰে মোৰ গল্প-সংগ্ৰহ এখন শিল-পুখুৰীৰ ওৱাহাটী বুকষ্টলে উলিয়াইছে। গোটেইখন° ভুলেৰেই ভৰা। টকা-পইচা একো দিয়া নাই, লিখিছোঁহে লিখিছো উত্তৰ নাই। এবাৰ টুটু (জগদীশ) ওৱাহাটীলৈ যাওঁতে দহখন কিতাপ দি পঠাইছিল ৫০ খনৰ ঠাইত। যোৰহাটতে আদায় হ'ল। বাকী ৪০খন পঠাবলৈ লিখিছোঁ হে লিখিছোঁ কাণেই নকৰে দেখোন। মোৰ আমনি লাগি গৈছে। আকৌ কালি নে পৰহি লিখিছোঁ, পালেই আপোনালৈ ৩খন পঠাই দিম। ওৱাহাটীত থকা মোৰ সৰু ল'ৰাটোলৈকো লিখিছোঁ। আপোনাক আৰু দুই-তিনিজনৰ কিতাপ একোখন দিব নোৱাৰি লাজ পাই আছোঁ। কিন্তু দেৰি হলেও আপুনি কিতাপ পাব।

আপুনি পঠোৱা "অৰ্ঘ্যাৱলী"ও পোৱা নাই। দুই-এদিন আৰু বাট চাওঁ। তেতিয়াও নেপালে আপোনালৈ লিখিম। ভালে আছোঁ। মৰম লব।

ইতি আপোনাৰ
শ্ৰীলক্ষ্মীনাথ ফুকন

(৩)

10/36 F Charu Chandra Avenue
Calcutta 33
28-3-68

মৰমৰ শৰ্ম্মা,

আপোনাৰ কার্ডটো পাইছিলোঁ। আপোনাৰ নো কিহৰ অশান্তি? স্থানান্তৰ হ'ব লগা নো কিয় হৈছে? আপত্তি নেথাকিলে জানিবলৈ দিবনে? আমাৰ এই বয়সত আমি এতিয়া বহুত কথা সহি থকা দৰকাৰ; নহলে অশান্তি অনিবাৰ্য্য। আমাৰ দিনতকৈ পৃথিৱীখনৰ

এতিয়া বহুত সালসলনি হ'ল, মানুহবোৰ আৰু মানুহৰ মনবিলাকো। কিন্তু আগৰ দিনতো আৰু এতিয়াও এৰা-ধৰা ভাৱে নচলিলে উপায় নাই।

মোৰ হার্টৰ অসুখৰ কথা আপোনালৈ আগতে লিখিছিলোঁ নেকি পাহৰিলোঁ। অলপ ভুগিলোঁ। এতিয়াহে ভাল পাইছো। তথাপি দুৰ্ব্বলতা আছে। ঘৰৰ ভিতৰতহে থাকোঁ। বাহিৰলৈ ওলোৱা নাই। মোৰ "ওফাইদাং" কিতাপখন আকৌ ছপা হৈছে। তাৰ কামো পিছ পৰিছে মোৰ অসুখৰ বাবেই। অৱশ্যে ছপা শেষ হৈছে, পিছে বেটুপাত আদি ছপোৱা হোৱা নাই। তাৰ ৰলকেই ঠিকমতে হোৱা নাই। প্ৰেছত অযথা গাফিলী কৰিছে। তথাপি বিহুৰ আগতে ওলাব বুলি ভাবিছো। ভাবিহোহে, খাটাংকৈ কব নোৱাৰো।

এই এপ্ৰিলৰ শেহৰ ফালে ডিগবৈলৈ ঘুৰিম। গুৱাহাটীত সোমাওঁ নে নোসোমাওঁ ঠিক নাই। সোমালে দুদিনমান থাকিম আৰু তেতিয়া আপোনাক লগ ধৰিম। মৰম শ্ৰদ্ধা লব। ইতি---

আপোনাৰ
শ্ৰীলক্ষ্মীনাথ ফুকন

10/36 F Charu Chandra Avenue
Calcutta—33
15-1-69

(৪)

মৰমৰ শৰ্ম্মা

কালি আপোনাৰ চিঠিখন পাই বৰ ভাল পালোঁ। উত্তৰ পোৱাত দেৰি হোৱাত মই আকৌ ভাবিছিলো আপুনি ছাগৈ গুৱাহাটীত নাই, কোনোবা ফালে গৈছে। মাটি-বাৰীৰ লেঠা দেখিছোঁ আপোনাৰো আছে। মই আজিলৈকে লেঠা মাৰিব পৰা নাই। মই আপোনাৰ দৰে তেনেকৈ অহা-যোৱা কৰিবও নোৱাৰো, কব নোৱাৰো কি হয়গৈ। অৱশ্যে মুখত আৰু কাগজতো ভাগ কৰা আছে, তাকে কি কৰিব লাগে কৰি ভগাই পেলাব লাগে। চৰ-জৰ্ড (অৱসৰ প্ৰাপ্ত) শ্ৰীৰাধা নাথ হাজৰিকাৰ লগত পৰামৰ্শ কৰি তেওঁৰ দিহা মতেই কাগজ

এখন কৰি আমাৰ তিনিওটাৰে চহী দি মোৰ নিজৰ ডাইজনক দি আহিছোঁ, চেটেলমেণ্ট অফিচাৰৰ আগত দাখিল কৰিবলৈ। হাজৰিকাই কোৱা মতে কামটো উজু। কাৰ্য্যত কি হয় কব নোৱাৰোঁ। পিছে এতিয়াও কাগজখন দাখিল হোৱাই নাই হবলা।

বেজবৰুৱা শতবাৰ্ষিকীত ফুলজাৰি বহুত উৰুৱা হ'ল, উদ্দীপনাও বহুত দেখা গ'ল। কলিকতা, ছম্বলপুৰ, দিল্লীতো বেজবৰুৱাক সোঁৱৰা হ'ল। কিন্তু সকলোৱে যেন ফুটুকাৰ ফেন। অসম সাহিত্য সভাই প্ৰকাশ কৰিব খোজা কিতাপ এতিয়ালৈকে ওলোৱা নাই। শ্ৰীমহেশ চন্দ্ৰ দেৱ গোস্বামী সম্পাদিত যিখন ওলাইছে তাত ভুল বৈ গৈছে। ছপা কাগজ আদিও নিচেই সাধাৰণ। কলিকতাৰ ষ্টেটচ মেন, দিল্লীৰ হিন্দুস্থান টাইমচ, বোম্বাইৰ টাইমচ্ অৱ ইণ্ডিয়া, মাদ্ৰাজৰ হিন্দুত যদি বেজবৰুৱাৰ সম্বন্ধে একোটা প্ৰবন্ধ উলিয়াবৰ ব্যৱস্থা কৰা হলহেঁতেন। কথাটো অসম্ভৱ নহলহেঁতেন—ঠিক মতে লিখক বাছিব পৰা হ'লে, অসমীয়া বা অনা-অসমীয়াই। ডক্তৰ সুনীতি কুমাৰ চাটাৰ্জীয়ে বেজবৰুৱাৰ "জীৱন-সোৱঁৰণ"খন বিশেষ ভাৱে শলাগিছে। তেওঁ পঢ়িছেও বেজবৰুৱাৰ কিতাপ। ইংৰাজীত বেজবৰুৱাৰ বিষয়ে এখন স্মৃতি গ্ৰন্থ লিখাই সেইখন ডক্তৰ চাটাৰ্জীৰ ভূমিকাৰে সৈতে উলিয়াব পৰা হলে কি সে সুন্দৰ কথা হলহেঁতেন! কিন্তু সেইবিলাকলৈ অসম সাহিত্য সভাৰ কৰ্মকৰ্তাসকলৰ মন কাশ নহল। বৰ পৰিতাপৰ কথা। বেজবৰুৱাৰ "জীৱন-সোঁৱৰণ"খন নতুনকৈ অসম সাহিত্য সভাই বোলে ছপাইছে, কিন্তু এতিয়ালৈকে ওলোৱা নাই। মই যোৱা মাহতে কৈ আহিছিলোঁ মোলৈ তখন ভি-পি কৰি পঠাবলৈ। আকৌ অলপতে লিখাত উত্তৰ পালোঁ সহকাৰী সম্পাদকৰ পৰা কিতাপখন ওলোৱা নাই। শ্ৰীঅতুল হাজৰিকাই বেজবৰুৱাৰ সেই উদ্দীপনামূলক কথাখিনিতে আউল লগালে "নুগুনোৱ ঠাইত 'নুবুজো" কৰিলে। ক'ত তেনেকৈ তেওঁ লিখিছে মোক জনাবচোন, মোৰ দৰকাৰ হব পাৰে। ইচ্ছা আছিল বেজবৰুৱাৰ জন্ম শতবাৰ্ষিকী হৈ যোৱাৰ পিছত এইবোৰকে আলচ কৰি প্ৰবন্ধ এটা লিখিম, কিন্তু লিখা নহবগৈ যেন দেখিছোঁ।

মনলৈ মোৰ এইবাৰ হতাশাৰ ভাব আহিছে—আগতে অহা নাছিল। আপুনি মোতকৈ বহুত ভালে আছে, মই নিজে একেবাৰে

ঢুকুলা হলো। জোৰ কৰি জীয়াই আছোঁ যেন লাগিছে। আজি ইটো কালি সিটো লেঠা লাগিয়েই আছে—শৰীৰৰ লেঠা। এদিন শুনিব ভুটুং কৰে গলোঁৱেই। আপোনালৈ চিঠিখন লিখাত অৱশ্যে কিছু এতিয়া ভাল পাইছোঁ। মৰম লব।

ইতি আপোনাৰ
শ্ৰীলক্ষ্মীনাথ ফুকন

(৫)

৯১-২২ টালিগঞ্জ ৰোড।
কলিকতা—৩৩
২৪-৩-৭১

মৰমৰ শৰ্ম্মা

আপোনাৰ চিঠিখন পাই বৰ ভাল পালোঁ। অসম সাহিত্য সভাই উপযুক্ত মানুহকে হেমচন্দ্ৰ গোস্বামীৰ জীৱনী লিখিবলৈ দিছে। শ্ৰীহৰেন্দ্ৰনাথ বৰুৱা, শ্ৰীকীৰ্তিনাথ হাজৰিকা আৰু মোৰ নাম বাৰু উল্লেখ কৰিছিলে, হেমচন্দ্ৰ বৰুৱাৰ ন্যূন উল্লেখ কৰিছিল নে নাই? তেৱোঁ দেৱগাৱঁৰ মানুহ—মিছামৰা মৌজাৰ ৰজাবাহৰ গাওঁ তেওঁৰ ওপজা ঠাই। সৰু থাকোতেই অৱশ্যে তেও শিৱসাগৰলৈ যায়।

যমৰ ঘৰৰ পৰা এইবাৰ সাৰি আহিলোঁ। কিন্তু বেছি দিন সাৰি থাকিব নোৱাৰিম। তেনেকৈ সাৰি থাকিবৰ ইচ্ছাও নাই। ইমানতে যোৱা হে ভাল যেন দেখিছোঁ। এতিয়া মোৰ অৱস্থা আগতকৈ বহুত ভাল, তথাপিও বৰ দুৰ্ব্বলবোধ কৰোঁ। ঘৰৰ ভিতৰতেহে আছোঁ, বাহিৰ ওলোৱা নাই। গাত ভাল বল পালে অসমলৈ যোৱাৰ কথা ভাবিছোঁ। এপ্ৰিল মাহৰ শেহৰ ফালে বা মে' মাহৰ আগ পযতে যাব পাৰিম কিজানি।

কলিকতালৈ আহিব খুজিছে যদি মই থাকোঁতেই আহক। আমাৰ ইয়াতে দুখে-সুখে থাকিব পাৰিব। মই অৱশ্যে আপোনাৰ লগত ঘুৰি ফুৰিব নোৱাৰিম। মই এতিয়া ঘৰ বুঢ়া হৈছোঁ। মৰম লব।

ইতি আপোনাৰ
শ্ৰীলক্ষ্মীনাথ ফুকন

(৬)

Gauhati
Noonmati Road
17-8-50

মৰমৰ শৰ্ম্মা

আপোনাৰ কার্ডটো পালোঁ। শ্রীমান অজিতৰ পৰা খবৰ পাই-ছিলোঁ আপুনি চেকখন ডঙাব নোৱাৰিলে বুলি। গুৱাহাটী বেঙ্কে মোকো পঠিয়াই দিলে। সেই দেখিয়েই কিতাপখন ছপোৱাৰ বিষয়ে হোঁহকা-পিছলা কৰি আছোঁ। আপুনি তাত এমাহ মান আৰু থাকিব বুলি শ্রীমান অজিতে ক'লে। যদি আপুনিও থাকে আৰু প্রেছে যদি পূজাৰ আগতে কিতাপখন উলিয়াই দিবলৈ গাত লয়। তেনেহলে ছপাবলৈকে ইচ্ছা কৰোঁ। আপুনি প্রেছক সুধি খাটাং জনাব--- ৭০-৮০ পিঠিৰ কবিতাৰ কিতাপ ইচ্ছা কৰিলে ছপাই দিব পাৰিব। আপোনাৰ চিঠি পালেই টকা ১৫০৲ মান পঠাই দিম, আপোনাৰ ৩০৲ টকাও পঠাম।

আমাৰ ইয়াত পৰহি ৰাতি ভূইকঁপ হোৱাৰ বাতৰি কাগজত পঢ়িবলৈ পাব পায়। ডিব্রুগড়, যোৰহাট, আৰু উত্তৰ লক্ষীমপুৰতে কোব বেছি বুলি খবৰ আহিছে। মানুহো দুই-চাৰিজন মৰিছে। মৰম লব।

ইতি আপোনাৰ
শ্রীলক্ষ্মীনাথ ফুকন

(৭)

9-22 Tallygunnja Road
Calcutta—33
12-3-71

মৰমৰ শৰ্ম্মা,

যমৰ বৈঠকখানা পোৱাইছিলগৈ। তাতে কোনোবা এজনক কোৱা শুনিলোঁ, "ইয়াক আনিছে কেলে? হওঁতে ইয়াৰ সময় হৈছে। পিছে লেলাই ধেন্দাই থাককচোন অলপ দিন পৃথিৱীতে। ইয়াক আকৌ থৈ আহিব লাগে।" এই বুলি কলত কোনোবা এজনে আকৌ মোক বিছনাত শুৱাই থৈ গ'লহি।

আপোনাৰ কার্ডটো আৰু পিছৰ চিঠিখন পাইছোঁ। কার্ডটো পাওঁতেই মোৰ নৰিয়া টানেই। জগদীশ আৰু ইদুটা ল'ৰা আহিছিল—বৰ বোৱাৰী আৰু মাজু বোৱাৰীও। এখন চিঠি তেতিয়াই জগদীশৰ হতুৱাই আপোনালৈ লিখাই দিছিলোঁ। সিহঁত কেইদিনমান থাকি গ'লগৈ। ময়ো অলপ ভালনৈ আহিলোঁ। পিছে ভাল বুলিও সিমান ভাল নহয়। এতিয়াও ঘৰৰ বাহিৰ ওলোৱা নাই, বেছিভাগ সময় বিছনাতেহে কটাওঁ। বৰ দুৰ্ব্বল হৈ আছোঁ। দিল্লীলৈ যাব নোৱাৰিলোঁ।

বিশেষ আৰু কি লিখিম। মই একাডেমী পুৰস্কাৰ পোৱাত আপুনি ভাল পাবই। তথাপি আপোনাৰ চিঠি পাই উৎসাহ পাইছো এই বেমাৰী অৱস্থাতো। পিছে লিখা পঢ়া, বিশেষকৈ লিখা, মোৰ দ্বাৰা আৰু নহব। মৰম শ্রদ্ধা যাচিলোঁ। ইতি

আপোনাৰ
শ্রীলক্ষ্মীনাথ ফুকন

ডক্টৰ সূর্য্যকুমাৰ ভুঞাৰ চিঠি

(১)

13 Glenmore Road
Oize Parke
London, N. W. 3.
33.9.36, 10 p. m.

মৰমৰ শর্মা

আপোনাৰ ১৯।৩৬ তাৰিখৰ চিঠিখনি এই মাত্র পালোঁ। সি যে কতনা মোহৰ খালে কতনা ঠাই দেখিলে তাৰ সীমা নাই। তেও আহি মোৰ ওচৰ পালে যে পালেই। British Postal System ৰ ইমান মহিমা চাওক। বাস্তৱিকে চিঠিখনি পাই বৰ ভাল পালোঁ। আহিয়েই—"অসমীয়া ল'ৰাৰ মিত্র" আৰু "অৰুনোদই" সোপাকে দেখিলোঁ। পঢ়োতে পঢ়োতে বৃটিছ মিউজিয়মৰ দুৱাৰ বন্ধ কৰিব-লগীয়া হ'ল। কোনোমতে হে ওলাই আহিছোঁ। ইয়াত নথকা কিতাপ নাই। আপুনি নোপোৱা সন্ধান কেতবোৰ সময়ত জনাম। Gurdon

চাহাবৰ লগত দেখা হৈছিল। ভালে আছে। Gait আৰু Smiles (W.D.) চাহাবক অলপতে দেখা কৰিম।

এইবাৰলৈ ইমানতে। এতিয়া টোপনিয়ে মাতিছে। ইতি, মৰমৰ—

শ্রীসূর্য্যকুমাৰ ভূঞা

(২)

Gauhati
5.1.36.

মৰমৰ শর্মা

আপোনাৰ চিঠি পালোঁ। ধন্যবাদ। "বাতৰিত" আগকৈ দিয়াৰ কাৰণেও (ৰায়বাহাদুৰ হোৱা) ধন্যবাদ। তাকে দেখি আমাৰ ঘৰত আপোনালৈ ঠেলিয়াই কৈছিল "অ' আমাৰ বায়নে পালে!" আপোনাৰ মৰম আৰু ব্রাহ্মণৰ আশীৰ্বাদ দুয়োৰে সংমিশ্রণৰ অধিকাৰী মই—মোঁৰ সেই দেখি বৰ আনন্দ আৰু অভিমান।

—শ্রীসূর্য্যকুমাৰ—

(৩)

Gauhati
16.8.33.

My dear Sarma,

আপোনাৰ একে লেঠাৰীয়ে কেবাখনিও চিঠি পালোঁ। চিঠি পত্রই আপোনাক ঢুকি নাপায় বুলি মই লিখা নাছিলোঁ। এইবাৰ দেখিলোঁ চাৰিঙত থিত লৈছে। সেইদেখি লিখিলোঁ। আমাৰ বুৰঞ্জী সাহিত্য প্রচাৰত আপুনি materially help কৰা দেখি ৰং পাইছোঁ। ভিঃপি বিলাক accepted হৈছে।

"তুঙখুঙীয়া" বুৰঞ্জী ওলাওঁ ওলাওঁ হৈছে। পাত ৩২+২৬২, ১৮২৬ চনলৈকে অনা হৈছে। হেমো ৰঙিলী কাকো বাদ দিয়া নাই। আপোনাকো লগুণ গাঁঠি পিন্ধাই থৈছোঁ। আপুনি পঢ়ি ভাল পাব।—

যতীন্দ্র মোহন ভট্টাচার্য্য নামে বঙালী ভদ্রলোক এজনে হলিৰাম ফুকনৰ সম্পূর্ণ বুৰঞ্জী আৱিষ্কাৰ কৰিছে। আমাৰ গ্রন্থত আছে ৩-৮২ পিঠি, তেওঁৰ তাত ১, ২, ৮৩, ৮৬ এই কেইটা পাতো আছে। কিন্তু কিতাপখন নো ক'ত আছে, ভট্টাচার্য্যাই নকয়। চেষ্টাত আছোঁ।

পাচত, ভটীয়াৰ কেতিয়া? জনাব আৰু আহিব। নিমন্ত্রণ কৰিলোঁ। অনুসন্ধান কৰিব লগীয়া বহুত কথা আছে।

আজিলৈ ইমানতে। চিঠি লিখিলে তাৰ লগতে Tour Programme দিব, তেহে আমি গম পাম, আপুনি ক'ত আছে। ইতি,

আপোনাৰ
---শ্রীসূর্য্যকুমাৰ---

(৫)

গুৱাহাটী
মৰমৰ শর্মা, ৯৬।৪।৬৩

আপোনাৰ মৰম সনা হাতৰ আখৰ কেইটা পাই বৰ ভাল লাগিল।

কত কেনেকৈ আছে জানিবলৈ বৰ মন গৈছিল। সভাপতি হোৱাৰ সম্বাদ পাওঁ। গুৱাহাটীলৈ অহাৰ সম্বাদ পাওঁ। চাবলৈ মন গৈছে।

এতিয়া গা কেনে? বিকাৰ এতিয়াও আছে নেকি? সবিশেষ জনাব।

দিনকেইটা চলি গৈছে। গা-মূৰ সিমান ভাল নহয়। বল শক্তি টুটি আহিছে।

সাহিত্য সভালৈ যাবৰ মন আছিল। যাব নোৱাৰিলোঁ; ২৭ এপ্রিল তাৰিখে নাতিজনীৰ বিয়াৰ দিন। বেছিকৈ ঘূৰা-ফুৰা কৰিবৰ হ'ব।

মৰম ল'ব। চিঠি দিব।

হাতৰ আখৰ কুব্জচ হ'ল, ক্ষমা কৰিব।

ইতি
শ্রীসূর্য্য

(৪)

গুৱাহাটী
১১।১১।৪১

মৰমৰ শর্মা,

আপোনাৰ সাদৰী চিঠিখন পোৱা আজি কেবাদিনো হ'ল, তাৰ লগতে আপোনাৰ কাকতীয়া আশীৰ্ব্বাদ। নতুন জীৱনত সোমাই চোন উশাহকে নোপোৱা হলোঁ। যোৰহাটত এদিন মাথোন অফিচ

কৰি মফচললৈ ওলাব লগাত পৰিলোঁ, এতিয়ালৈকে উত্ততিৰ পৰা নাই। পৰহিলৈ আকৌ ছিলঙলৈ যাত্রা, ২১।২২ তাং মানেহে কিজানি যোৰহাটলৈ উত্তিম, ঠিক নাই। তাৰ পাছত অলপতে ডিব্রুগড়লৈ যাম, তেতিয়া লগ পাম জৰুৰ। চিঠিৰ উত্তৰ দিয়াত দেৰি হ'ল, বেয়া নাপাব দেই।

এই কামত কষ্ট বহুত, আৰ্থিক লাভো নাই, এশ টকা যি উপৰি এলাৱেন্স সি যোৰহাটত চৰকাৰী বঙলাৰ ভাৰা আৰু টেক্সিতে যাব। তথাপি দেশৰ উপকাৰ কৰিবলৈ কিবা সুৰুঙা যদি পাওঁ, তাৰে আশাতে আহিছোঁ। কাৰণ দেশৰ উপকাৰ কৰাৰ সুবিধা পোৱাতো সৌভাগ্যৰ কথা। মাজে মাজে আপোনাৰ পৰামৰ্শ আদি পাওঁ যেন।

আজিলৈ ইমানতে দেই। মোৰ মৰম চেনেহ ল'ব । ইতি।

আপোনাৰ
শ্রীসূর্য্য

নীলমণি ফুকনৰ চিঠি

Jorhat
১২।১২।৭৪

প্রিয় শৰ্ম্মাদেৱ,

সবিতা সভাই আপোনাৰ জন্ম-জয়ন্তী যিটো আন্তৰিকতা আৰু গাম্ভীৰ্য্যপূৰ্ণ পৰিবেশত পালন কৰিলে বাতৰি-কাকতত দেখি ৰোগশয্যাত পৰি থাকিও পৰম আনন্দ পালোঁ। কিন্তু মোৰ দুৰ্ভাগ্য, যি বেণুধৰ শৰ্মাই আমাকো সময়ে সময়ে দেশবাসীয়ে আৰু এই সবিতা সভায়ো সম্বৰ্দ্ধনা দিছিল, তাত আমাৰ জীৱনৰ কথা আমাতকৈয়ো ভালদৰে মন কৰি অহা ধোঁৱাচাঙৰ মচ যোৱা এলাঙ্গুকলীয়া সাঁচিপাতকেইটাও ভেওঁৰ শেনচকুৰে ফটফটীয়াকৈ লেখিত কথাবোৰ পঢ়িব পাৰে, সেই শুং একোডাল বগাই গৈ গবেষণাৰ একোটা হেন্দোলনিৰপৰা মাটি চোঁচৰা লাওৰ অসমীয়া চেনি-সোৱাদ ঔটেঙা আৰু পাত্ত মাছ যি একোখন অসমীয়া জিভাত সোৱাদ লগাকৈ পেটকো সুজাকৈ আঙা সদায় ৰান্ধি দি আহিছে, তেনেজন লোকৰ সম্বৰ্দ্ধনাত ভাগ

লবলৈ এখন বিশেষ আসন যাঁচিও শেষত আমাৰ সেই আসন অইনক দি আমাক শুভেচ্ছা যাঁচিবলৈকো সুবিধা নিদিলে আৰু যোৱা সবিতা সত্তালৈ এখন নিমন্ত্রণ পত্রও নিদিলে। গতিকে এটা শুভেচ্ছা-বাণী পঠিয়াবলৈও মনত অলপ টান পালোঁ। সেইকাৰণে আজি আপোনালৈ মনে নমনাত এই কেইআষাৰ দুখৰ কথা কৈ অতি শ্রদ্ধাৰে মনৰ আনন্দেৰে দেৰিকৈ হ'লেও আমাৰ নিজৰ সম্বর্দ্ধনা জনালোঁ। গ্রহণ কৰিব যেন।

মই এতিয়াও ঘৰতেই আস্পতলাত আছোঁ। শ্রীমান অজিত প্রমুখ্যে পৰিয়ালৰ সকলোটিলৈকে মোৰ আন্তৰিক মৰম-চেনেহ শুভেচ্ছা জনালোঁ।

ইতি—

শ্রীনীলমণি ফুকন

মোহনৰাম শইকীয়াৰ চিঠি

['ভ্রমৰ' আলোচনীৰ আদি সম্পাদক ভ্রমৰ শইকীয়াৰ সুযোগ্য পুত্র। পাচত এওঁৰ সম্পাদনাতে 'ভ্রমৰ' ওলাইছিল—সম্পাদক।

ডিমৌ

৩১।১২।৬৯

শ্রদ্ধাস্পদেষু,

আপোনাৰ বাতৰি পখিলীয়ে মনত আনন্দ দিলে। চিঠি এখন দিম দিম বুলি থাকোতেই পাই অতি হৰষিত হলোঁ।

এইবাৰ অধিবেশন যোৰহাটৰ চৰাইবাহীত বহিব। যোৰহাটৰ পৰা গোলাঘাটলৈ চলা বাটৰ দাঁতিতে। সম্ভৱতঃ যোৰহাটৰ পৰা ৭।৮ মাইল মান হ'ব।

আপোনাৰ উপদেশ মৰ্ম্মে মৰ্ম্মে উপলব্ধি কৰিছো। তথাপি ঘৰুৱা জঞ্জালত আৱদ্ধ থকা হেতুকে লিখা আদি কৰা তল পেলাব লগা হৈছে। তথাপি আপোনাৰ বহুমূলীয়া উপদেশত এলাহ কাতি কৰি থবলৈ সম্বল পাইছো।

ল'ৰাহঁতক উচ্চ শিক্ষা দিব লগা হোৱাত অর্থকৰী ফালৰপৰাও বাধাপ্রাপ্ত হৈ আছোঁ। তথাপি চেষ্টাত ত্রুটী নকৰো।

আপোনাৰ নতুন কিতাপ পঠাব। আগ্রহেৰে গ্রহণ কৰিম।

গৃহস্থী ৰহতেই হ'ল। ল'ৰা ৫টি, ছোৱালীয়ো ৫ জনী। ডাঙৰ ল'ৰাটোৱে B. E. পাচ কৰি বর্তমান গুৱাহাটীতে কাম কৰি আছে। আমবাৰী (ফটাশিল) Research Factory ত। ২য় ল'ৰাটিয়ে যোৱা বছৰ M. B. Bs. পাচ কৰি বর্তমান ৰৰবাৰীতে House Surgeon হৈ আছে। ৩য় ল'ৰাটিয়ে যোৱা বছৰ B. Sc. পাচ কৰি বর্তমান গুৱাহাটীতে M. Sc. পড়িছে। ৪র্থটি জালুকবাৰী ইঞ্জিনীয়াৰিং কলেজৰ ৪র্থ বার্ষিকত আছে। ৫মটি VIII ৰ ছাত্র।

ডাঙৰ ছোৱালীটি উলিয়াই দিয়া হ'ল। বাকী ৪টি ক্রমান্বয়ে P. U. Matric পৰীক্ষার্থী আৰু VII, V ৰ ছাত্রী।

এনে এখন খৰছী সংসাৰ চলাওঁতে যথেষ্ট কষ্ট কৰিবলগীয়া হৈছে। ভগবানে ৰখালে আপোনাসকলৰ আশীষ শিৰত লৈ ২।১ বছৰৰ পাচৰ পৰা সকাহ পাম বুলি আশা ৰাখিছোঁ।

"ভ্রমৰ" প্রকাশ কৰিবলৈ ইচ্ছা আছে। নিজে হাজিৰা কাম কৰিব নোৱাৰিলে পৰত আশা বনত বাস বুলি মনে মনে আছো।

আপোনাৰ পৰা চুতীয়া জাতি সম্পর্কে এটি বুৰঞ্জী তথ্য সম্পন্ন প্রবন্ধ পাবলৈ হেঁপাহ থাকিল। চুতীয়া জাতি সম্পর্কে বর্তমানলৈকে যিবিলাক প্রবন্ধ প্রকাশ পাইছে সেই সকলো একে লগ কৰি এখন গ্রন্থ প্রকাশ কৰিবৰ মন আছে। আৰু সেই বিষয়ে যত্ন কৰি আছোঁ। কথাটো কেনে দেখে জনাব আৰু আপোনাৰপৰা সুপৰামর্শ পাবলৈকো আশা কৰিলো।

স্বর্গীয় দেউতাৰ প্রবন্ধাদি সংগ্রহৰ চেষ্টাত আছো।

ইয়াত জাৰ বাৰুকৈয়ে পৰিছে। বোধকৰোঁ তাতো। আপোনাক লগ পোৱা, কথা-বার্তা পতা আদিত সদায়েই আগ্রহ। কি কৰিম মনেপতা পুখুৰীত পানী খাবলৈ নোপোৱাৰ নিচিনা।

আশা ৰাখিছো সম্মিলনতে নিশ্চয় লগ পাম। এইবাৰ আপোনাক সভাপতি কৰি অনা কথাকে ভাবিছিলো। নিয়মাৱলীয়ে বাধা দিলে। বার্ষিক সম্মিলনত নিয়মাৱলী সংশোধন কৰি হলেও আপোনাৰ ভাষণাৱলী এখন পাবলৈ হেঁপাহ বান্ধি ৰাখিছো।

ঘৰত ভাল। বৌটিৰ সিমান ভাল নহয়। বুঢ়ী মানুহ। থেন্ বেন একোটা আছেই।

আপোনাসকলৰ শুভ কামনা কৰি সামৰণি মাৰিলো। ইতি—

আপোনাৰ
শ্রীমোহনৰাম শইকীয়া।

পার্বতিপ্রসাদ বৰুৱাৰ চিঠি

সোণাৰি
১৮।৯।৬২

মৰমৰ শৰ্ম্মা,

তোমাৰ কার্ড পাই ভাল পালোঁ। "বাৰ ভূঞাৰ বুৰজীৰ" দুকপি বন্ধাই এলম প্রেছে মোলৈ পঠাই কেনে হৈছে, কেনেকৈ পঠাম আদি সুধি চিঠি দিছিল। মই ৰেলেৰে পঠিয়াই R/R United Bank, Jorhat লৈ পঠাবলৈ নির্দ্দেশ দিছিলোঁ। কালি চিঠি পাইছোঁ Railway Booking এতিয়া বন্ধ কাৰণে Steamer বা Roadways ৰে পঠাব নেকি সুধিছে। মই Roadway ৰে পঠাবলৈ চিঠি দিম বুলি ভাবিছো। তুমি কি বোলা?

শ্রীযুত ৰুদ্রকান্ত গোহাঞি বৰুৱাৰ পৰা কেইমাহমানৰ আগতে চিঠি পাইছিলোঁ—তেওঁ ককাইদেওৰ বিষয়ে জনা কথাবোৰ লিখা প্রবন্ধ এটা শ্রীমান অজিতৰ হাতেৰে পদ্ম কটকীলৈ 'প্রতিনিধি'ত উলিয়াবলৈ পঠাইছিল বুলি। মই সেইটো পঢ়িবলৈ হেপাহেৰে বাট চাই আছো। পদ্মই মোক তেওঁৰ চিঠিৰ উত্তৰ পাবৰো অযোগ্য ভবাৰ নিচিনাকৈ সেই প্রবন্ধ ওলোৱা 'প্রতিনিধিও পঠাবলৈ পাহৰিলে হ'ব পাই। তোমাৰ হাতত আছে যদি মোলৈ পঠিয়ালে ভাল পাম। মৰম লবা।

তোমাৰ—
শ্রীপার্বতিপ্রসাদ বৰুৱা

হেম গোসাঁইৰ ৰৰপুতেক শৰৎ গোসাঁইৰ চিঠি

জেটেকুজান
Date—10/4/ 1971

মৰমৰ হৰিভকত,

আপোনাৰ কার্ডখন বহুত ঘূৰি পকি আহি আজি এসপ্তাহমানৰ ভিতৰতহে পাইছেহি। ডাক বিভাগৰ কৃপাত। মোৰ গা এতিয়া আগতকৈ ভাল পাইছোঁ, ভগা ভৰিখন জোৰা লাগিল, খোজ অলপ অলপ কাঢ়িবপৰা হৈছোঁ।

আপুনি বিচৰা খবৰটো—৺পেহীদেউৰ নাম আছিল স্বর্গেশ্বৰী দেৱী, বিয়া হৈছিল যজ্ঞেশ্বৰ নেওগৰ লগত। তেখেতৰ (পেহাৰ) দেউতাক আছিল ৺দুতিৰাম পণ্ডিত---চাহবাগানৰ মালিক আছিল। পণ্ডিতৰ বাগান আজিও আছে Negheriting বাগানৰ Section হিচাবে।

Brahmaputra Tea Co. এ এই পণ্ডিতৰ বাগানৰ নামটোকে ৰাখিছিলে। আজিও সেই নামেৰেহে জনাজাত। আশাকৰোঁ আপোনাৰ ভাল। মোৰ সাদৰ সম্ভাষণ গ্ৰহণ কৰিব। ইতি

আপোনাৰ
শ্ৰীশৰৎ গোসাঁই (হৰি ভকত)

দক্ষিণাকান্ত বৰুৱাৰ চিঠি

(১)

শিৱসাগৰ
দিনাংক—১।১২।৭৮

শ্ৰদ্ধাস্পদেষু,

শ্ৰীযুত ককাইদেউ, আপোনাৰ ২৩।১১ তাৰিখৰ দীঘলীয়া চিঠিখন পাই বৰ ৰং পালোঁ। মাজু ককাইদেৰেও আপোনাৰ চিঠি পাইছে। ৺দেউতাৰ পোহৰ ছবিখন পালে বুলি জানি ভাল পালোঁ—সেইখনৰ সদব্যৱহাৰ আপুনি কৰিব নোৱাৰিম বুলি ভাবিছে কেলৈ? ঈশ্বৰে

নিশ্চয় তেনে সজ কামবোৰ কৰিবলৈ আপোনাৰ লগতেই সহায় হব আৰু আপোনাৰ স্বাস্থ্য অটুট ৰাখি দেশৰ আৰু দহৰ সেৱাত ব্ৰতী হ'বলৈ শতবছৰ পৰমায়ু প্ৰদান কৰিব।

"দেউতাৰ জন্ম-মৃত্যুৰ তাৰিখ-শক তিথি আৰু চনৰ বিবৰণ দিলোঁ লগতে, কেনেবাকৈ আপোনাৰ আৱশ্যক হ'ব পাৰে। "বৌৰ শক-তিথি আদিও পঠালোঁ।

" দেউতাৰ জন্ম—১৭৮৫ শক (ইং ১৮৬৩) কাতি মাহৰ কৃষ্ণ সপ্তমী
মৃত্যু—১৮৭৩ শক (ইং ১৯৫১) জেঠ মাহৰ শুক্লা ত্ৰয়োদশী।
" বৌৰ জন্ম—১৭৯২ শক (ইং ১৮৭০) কাতি মাহৰ অমাৱস্যা
(দীপান্বিতা) তিথি
" মৃত্যু—১৮৫২ শক (ইং ১৯৩০) বহাগ মাহৰ, পূৰ্ণিমা (বৌদ্ধ
পূৰ্ণিমা) তিথি।

আপুনি দিল্লীলৈ গৈ অলপমান গাটো উতাৰ পাৰিছে বুলি জানি বৰ ভাল লাগিছে। শ্ৰীমান অজিতে নিশ্চয় পুত্ৰৰ কৰ্ত্তব্য কৰিলে, টানি আঁজুৰি নিয়াদি নিলে বুলি আপুনি ভাবিছে যদিও। চকুৰ একো নহ'ল বুলি লেখিছে যদিও দেখোন আপোনাৰ লেখাখিনি দেখি মই আপোনাৰ লগতে লেখা চিঠি কেইখনৰ আখৰ-পানীৰ লগত এই চিঠিখনৰ আখৰ পানীৰ বহুত উন্নতি দেখি মোৰ হলে আপুনি চকুৰ ভালেখিনি শক্তি ঘুৰাই পাইছে যেনে লাগিছে।

আমাৰ ৰংপুৰ সাহিত্য সভাৰ কালি এখন কাৰ্য্য নিৰ্বাহক সমিতিৰ অধিবেশন বহিছিল। তাত আমাৰ সকলোটিয়েই আপোনাক অদূৰ ভবিষ্যতে আমাৰ মাজত পাবলৈ বৰ হেঁপাহ কৰি আপোনাক আমন্ত্ৰণ জনাবলৈ এটি প্ৰস্তাৱ গ্ৰহণ কৰি আপোনাৰ সময় আৰু সুবিধা মতে অৱশ্যে মোকে আপোনাৰ লগত যোগাযোগ কৰিবলৈ ভাৰ দিছে। আপোনাৰ পৰা এই বিষয়ত এটি সন্মতিসূচক উত্তৰ পালে—আমি আপোনালৈ আনুষ্ঠানিক আমন্ত্ৰণ আগবঢ়াব পাৰিম। মোৰ বোধেৰে জাৰে মেলানি মগাৰ পিছত ফাগুন চ'ত মহীয়া আপোনাৰ ৰংপুৰলৈ আহি থাকিবৰ মন যাব ছাগে। তেতিয়ালৈ কিজানি আমাৰ সভাৰ বছেৰে-কীয়া অধিবেশনো হ'বগৈ আৰু আমাৰ নতুনকৈ সাজিবলৈ লোৱা অকণমানি কাৰ্য্যালয় ঘৰটোও হৈ উঠিবগৈ পাৰে।

আপুনি কোৱা মতে 'নীলাচল'ৰ বিহু/পূজা সংখ্যা কাকত বিষয়ে খা-খবৰ কৰিছো আৰু মহকুমা পুথিভঁৰালৰ বাহিৰেও দুই এজনকো কৈছো। পালেই আপোনালৈ পঠাম।

আমি সাহিত্য সভাৰ পৰা "জনজাতীয় লোকগীত" নামৰ কিতাপ এখন যুগুত কৰি কলিকতাৰ ছপাশাললৈ পঠাইছোঁ। "পার্ব্বতী বৰুৱাৰ বিষয়ত উলিয়াব খোজা সংকলনটোৰো প্রাৰম্ভিক কাম-কাজ আগ-বাঢ়িছে। আপুনি এতিয়া আগতকৈ গাটো অলপ ভাল পাইছে যেতিয়া আপোনাৰ পৰা তেখেতৰ বিষয়ে দুআষাৰমান আশা কৰিব পাৰোঁনে বাৰু? চমুকৈ হলেও হ'ব। আপোনাৰ চেমনীয়া জীৱনৰ স্মৃতি বিজৰিত দুআষাৰ।

আপোনাৰ তাহানিৰ স্মৃতিৰ বোকোছাত ওলমি থকা বৰবাইদেউ, মাজুবাইদেও আৰু সৰুবাইদেউহঁতৰ সাধু কোৱা কালটোৰ কথাবোৰ শুনি ইমান ভাল লাগিছে যে আমি আটায়ে আপোনাৰ চিঠিখন ঘুৰাই ঘুৰাই বাৰে বাৰে পঢ়ি থাকিবৰ মন গৈছে। "দেউতাই খৰম পিন্ধা মোৰ পিছে মনত পৰা নাই---বোধকৰো বয়স হলত খৰম এৰি 'ছিলপাৰ' জোতাহে পিন্ধিবলৈ লৈছিল, মোৰ মনত পৰা কালত।

আপোনাৰ চিঠিত উল্লেখ কৰা আপোনাৰ পুৰণিকলীয়া সহপাঠী-সকল শ্রীযুত বৰকটকী, পদ্মৰঞ্জন বৰুৱা আৰু অম্ব বৰুৱা এতিয়াও ভালে কুশলে আছে---যদিও অম্ব বৰুৱাই হে কাণেৰে একেবাৰে নুশুনা হোৱাৰ দৰে। মই যোৱা বছৰ চেপ্টেম্বৰ মাহত তেখেতৰ ওচৰলৈ ১৯৯৭ চনত বহা সাহিত্য সভাৰ অধিবেশনৰ বিষয়ে কিবা সমল পাওঁ নেকি বুলি যাওঁতে তেখেতে মোৰ কথা এবাৰো নুশুনিলে। মাত্র অসহযোগ আন্দোলনত "বৰকটকীদেৱে কেনেকৈ কি কি কৰিছিল তাৰ কিছুমান কথা আপোন মনেৰে কৈ গ'ল।

চিঠিখন আৰু দীঘলীয়া কৰি আপোনাৰ আমনি লগাবলৈ মোৰ সাহ নাই। কিন্তু আপোনাৰ পৰা হলে ইমান সুৱদী দীঘলীয়া চিঠি পাবলৈ আমি আটায়ে হেঁপাহেৰে বাট চাই থাকিম।

অ' মোৰ সংসাৰৰ খবৰ সুধিছিল---মোৰ ল'ৰাটোৱে ইয়াতে ডাক্তৰী প্রেক্‌টিছ আৰম্ভ কৰিছে। বছেৰেকমানৰ পৰা। ডিগবৈত কিছুদিন অস্থায়ীভাৱে চাকৰি কৰি আছিল ভাল নাপালে। শুচি আছিল। ঘৰৰ ল'ৰা ঘৰলৈ। এতিয়া খোপনি পুতিৰ পৰা হৈছে—

আপোনালোকৰ আশীৰ্বাদত। ছোৱালীজনী Physics অৰ অধ্যাপিকা হৈ আছিলে অস্থায়ীভাবে শিৱসাগৰৰ কলেজতে প্ৰায় ১৫ মাহ। পৰাগ চলিহাৰ কোপত পৰিল। এতিয়া দৰং কলেজত। ইমানেই।

মোৰ শ্ৰদ্ধা গ্ৰহণ কৰিব। আমাৰ ৰংপুৰীয়াহঁতৰ হেঁপাহৰ প্ৰতি সঁহাৰি জনাব বুলি আশা কৰি আজিলৈ সামৰিছোঁ। ইতি—

আপোনাৰ
দক্ষিণাকান্ত বৰুৱা

পুনঃ—'পোহৰ-ছবি' নামটো ‘বৰ ককাইদেউৰ দিয়া বুলি তাহানিতেই শুনা মনত আছে। আমাৰ সাহিত্য সভাৰ পৰা প্ৰকাশিত স্মৃতি গ্ৰন্থখনিত থকা মোৰ "অসম সাহিত্য সভাৰ পোন প্ৰথম অধিবেশনৰ জিলিঙনি" বোলা প্ৰবন্ধটোত মই ফট'ৰ পৰিবৰ্তে সেইটো নাম ব্যৱহাৰ কৰিছোঁ।

(২)

শিৱসাগৰ
১৮।৯।৭৭

শ্ৰদ্ধাস্পদেষু,

আপুনি মৰমকৈ পঠোৱা বহুমূলীয়া টোকাটো পাই বৰ ভাল পালোঁ। বিশেষকৈ আপোনাৰ চকুৰ অসুখৰ মাজতো যে ইমানখিনি লাগতিয়াল আৰু আপুৰুগীয়া বা-বাতৰি ইমান সোনকালে পঠিয়াব পাৰিলে তাৰ বাবে আপোনাক "কৃতজ্ঞতা জনাইছো" বুলি ক'লেও যেন যথেষ্ট নহ'ব এনে অনুভৱ কৰিছো।

আপুনি শুনি ভাল পাব যে আপুনি পঠোৱা সমলখিনিকে ভিত্তি কৰি লৈ ইয়াতো দুই চাৰিজনক লগ ধৰি "অসম সাহিত্য সভাৰ পোন প্ৰথম অধিবেশনৰ জিলিঙনি" বুলি এটি সৰু প্ৰবন্ধ যুগুতাই লেখ্যক শিবিৰ উপলক্ষে প্ৰকাশ কৰিবলগীয়া "স্মৃতিগ্ৰন্থ"খনৰ বাবে সিদিনা লিখি উলিয়ালো। বেজবৰুৱাক সম্বৰ্দ্ধনা জনাবৰ বছৰি হোৱা সাহিত্য সভাৰ অধিবেশন মোৰ প্ৰবন্ধটোৰ সীমাৰ ভিতৰত নপৰে বাবে আপনি সেই বিষয়ে দিয়া বা-বাতৰিখিনি মোৰ হাততে ৰাখি থৈছো। যদিবা

কেনেবাকৈ পিছত দৰকাৰ হ'ব পাৰে, বিশেষকৈ আপুনি দিয়া 'বুৰঞ্জী শাখাৰ" অধিবেশনৰ কথাখিনি বৰ আপুৰুগীয়া ধৰণৰ। গোন প্ৰথম অধিবেশন বহাৰ ঠাই "দৰ্বাৰ ফিল্ডো" নহয় আৰু "বডিং ফিল্ডো" নহয়, শ্ৰীপদ্মৰঞ্জন বৰুৱা আৰু শ্ৰীহাদয়া ভৰালীৰ পৰা আৰু আমাৰ মাজু ককাইদেউৰ পৰাও গম পালো যে বডিং ফিল্ডৰ সমুখৰ খালি ঠাইখিনি—অৰ্থাৎ আগৰ বডিং থকা ঠাই আৰু এতিয়া হাইস্কুল হোৱা ঠাইতে অসম এছোচিয়েছনৰ ৰঙাৰ লগতে সাহিত্য সভাৰে অধিবেশন বহিছিল। গতিকে মই সেই মতেই লিখিলো আৰু। আপুনি তেতিয়া নিজে উপস্থিত নাছিল বাবে সভা বহা ঠাইডোখৰৰ বিষয়ে আপোনাৰ সঠিক মনত নথকাটো সম্পূৰ্ণ স্বাভাৱিক।

আৰুনো বিশেষ কি লিখিম। এইখিনি পঢ়িয়ে আপুনি আমনি পাব যেনহে লাগিছে। আমি একপ্ৰকাৰ ভালে আছো। আশাকৰো পৰমেশ্বৰে আপোনাসকলোকো মঙলে ৰাখিছে।

মোৰ শ্ৰদ্ধা গ্ৰহণ কৰিব।

ইতি—

আপোনাৰ

শ্ৰীদক্ষিণাকান্ত বৰুৱা

(৩)

শিৱসাগৰ

২৭।৮।৭৭

শ্ৰদ্ধাস্পদেষু,

আপোনাৰ চিঠিখন পাই বৰ ভাল পালোঁ। আপোনাৰ চকুৰ অসুখৰ কথা শুনিহে বৰ বেয়া লাগিছে। অপাৰেচন কৰাব পৰা হৈছে যদি কৰাই পেলোৱাই ভাল হ'ব ছাগে। অৱশ্যে আপুনি নিশ্চয় এই বিষয়ে ডাক্তৰৰ পৰামৰ্শ নোলোৱাকৈ থকা নাই।

আপোনাৰ অসুবিধা যেতিয়া, আপুনি তিনিওখন অধিবেশনৰ বিষয়ে টোকা একোটা দিব নালাগে আৰু। প্ৰথম অধিবেশনখনৰ বিষয়ে জানিবলগীয়া কেইটামান মাত্ৰ কথা মোলৈ চিঠিৰ যোগেদিয়ে জনাব পাৰিলেই তাকে মই ডাওৰকৈ আকাৰত ঘুগুত কৰি লঁম। সেইখন অধিবেশনৰ জানিবলগীয়া কথা খিনিৰ বিষয়ে আপুনি যিকেইটা উচিত বুলি ভাবে তাকেই দিব। লগতে মোৰো মনলৈ অহা কথাকেইটা

যেনে—(১) অসম এচোচিয়েচনৰ কাৰ কাৰ অনুপ্রেৰণাৰে সাহিত্য সভাৰ জন্ম হৈছিল। (২) প্রথমতে নামটো অসম সাহিত্য সম্মিলনী আছিল নেকি? (৩) অভ্যর্থনা সমিতিৰ ওৰিয়াল সকলৰ ভিতৰত ৺গুণানন বৰুৱাৰ বাহিৰে আৰু কোন কোন আছিল? (৪) সভা কোন কোন তাৰিখে আৰু ক'ত বহিছিল—যেনে দৰৰাৰ ফিল্ড নে বডিং ফিল্ড নে আন কোনো ঠাইত? (৫) প্রতিনিধি সকলৰ সংখ্যা কিমান আছিল আৰু তাৰ ভিতৰত বিশিষ্ট লোকসকল কোন আছিল? (৬) সভাত কি কি ধৰণৰ প্রস্তাৱ লোৱা হৈছিল—ইত্যাদি ইত্যাদি।

আপোনাক আমনি দিয়াৰ কাৰণে মোৰ নিজৰে বেয়া লাগিছে। কিন্তু এই বিষয়ত মোক সহায় কৰোঁতা কাকো ইয়াত বিচাৰি পোৱা নাই। সেয়েহে আকৌ লিখিলো।

মোৰ ল'ৰাটোৱে ইয়াত ডাক্তৰী কৰিছে Private practice। ছোৱালীজনীয়ে শিৱসাগৰ কলেজত Physics অৰ Lecturar হৈ আছে।

আমি ভালে আছোঁ। ককাইদেউহঁতৰো ভাল। আপোনাৰ কথা কৈছিলো মাজুককাইদেউক। শেহত মোৰ শ্রদ্ধা গ্রহণ কৰিব।

ইতি
আপোনাৰ
শ্রীদক্ষিণা।

শশীচন্দ্র বৰবৰুৱাৰ চিঠি

সুৰেন্দ্র বুঢ়া গোহাঁই পথ,
যোৰহাট—১
৮।৮।৭১

প্রিয় শ্রীশৰ্ম্মাদেৱ,

"গোহাঁই বৰুৱা"ৰ বিষয়ে লিখা ৭ আগষ্টত ওলোৱা আপোনাৰ প্রবন্ধ পঢ়িলোঁ। "গোহাঁই বৰুৱা" যে থাওকক বুঢ়াগোহাঁইৰ সন্ততি এই কথা অসত্য। আপুনি বহুত কথাই টপৰাই লিখি পেলায়। আউল লগা কথা থাকিলে আগলৈ আৰু পিছৰ পুৰুষে লেখকসকলক জকল দোষাৰোপ কৰিব। বিশেষকৈ বৃৱজীৰ অপলাপ বৰ দোষনীয়।

গোহাঁই বৰুৱা উপাধিটো আপোনাৰ ভাষাতে "স্বয়ম্ভূহে"। তেখেতে পিছত লিখি ভাল পাইছিল। আহোমৰ মধ্যবিত্ত খাপৰ বা বিষয়াখাপৰ গগৈ, বৰুৱা, ফুকনকো সাধাৰণ খাপৰ মানুহে বা কাঁড়ী মানুহে "গোহাঁইদেউ" বুলি সম্বোধন কৰে। গাঁৱত এতিয়াও কৰে। গতিকে তেখেতে এনেকুৱা ভাবিয়েই গোহাঁইবৰুৱা লিখিছিল। গোহাঁই বৰুৱা উপাধি আহোম ৰাজত্বৰ দিনত নাছিল।

বংশাৱলী সভাবোৰ অলপ ওপুতীয়া ধৰণৰ। উপৰি পুৰুষৰ আঁত বিচাৰি নেপালে বা সূতা ছিগিলে জোৰা দিয়া কাম বংশাৱলী সভাত হয়। ই কাৰো অপকাৰত নাহে, বৰং কোনোবা এজনৰ সন্তুষ্টিৰ কাৰণ হয়। সেই বুলি ই বুৰঞ্জী হ'ব নোৱাৰে বা পিছলৈ বুৰঞ্জীৰ ভেটিত সজোৱা ভুল হ'ব।

বুঢ়াগোহাঁইৰ ফৈদৰ যিমান আছে একে থাওৰুৰু বুঢ়াগোহাঁইৰ পৰাই নামি আহিছে। আহোমৰ ২য় স্বৰ্গদেউ চুতেওফাৰ দিনত ডাঙৰীয়া হোৱা। ৺বালি গোহাঁয়ে গোহাঁই বৰুৱাক থাওৰুৰুৰ সন্ততি বোলাতকৈ 'আমাৰ ককাই ভাই' বুলিব পাৰিলেহেঁতেন দেখো। কথাটো তাতে পাক লাগি আছে।

আমাৰ ঘৰত বিষয়া পৰিয়ালবোৰৰ সকলো বংশাৱলী আঁতি-গুৰি আদিৰে আছে। বুঢ়াগোহাঁই বংশাৱলীৰ কোনো পুৰুষতে কোনোডালৰ পৰা গোহাঁইবৰুৱাৰ পৰিয়াল নামি অহা পোৱা নাযায়। আৰু বুঢ়াগোহাঁই পৰিয়ালৰ কোনো "মৰাণ বৰুৱা" হোৱা নাই।

"মৰাণৰ ডেকা" খেলৰ আচুক "মৰাণ বৰুৱা" হৈছিল আৰু এই আচুকৰ পৰা ৺পদ্মনাথ গোহাঁইবৰুৱালৈ সাত পুৰুষ। বুঢ়াগোহাঁই ফৈদৰ পৰা 'মৰাণৰ ডেকা' খেল এটা হোৱা বুৰঞ্জীত ক'তো নাই।

আহোমসকলৰ বংশৰ ভিতৰত যিমান পুৰুষেই হক, বিয়া হোৱা নাই। ৰাজ পৰিয়ালত কিবা সূত্রে এখন বিয়া হৈছিল, কিন্তু সেই বিবাহৰ ফলত সেই ডালৰ পুলি-পোখা নাইকিয়া হৈ গ'ল। গোহাঁই বৰুৱা বুঢ়াগোহাঁই ফৈদৰ হোৱা হলে বাইদেৱাকক সেই দিনত ৺কৃষ্ণানন্দ বুঢ়াগোহাঁইলৈ বিয়া দিব নোৱাৰিলেহেঁতেন।

৺বালি গোহাঁই পৰিয়ালৰে সেই দিনৰ শিক্ষিত লোক ৺উমাচৰণ গোহাঁই, বি, এ। তেওঁলোকক আমি পাইছিলোঁ। কোনেও নকয় গোহাঁই বৰুৱা বুঢ়াগোহাঁই পৰিয়ালৰ বুলি। পোনে পোনে নামি অহা,

পূর্ণানন্দ বুঢ়াগোহাঁইৰ আজুনাতি ৺লোকেশ্বৰ সিংহ বুঢ়াগোহাঁয়ে কোনো দিন কোৱা নাই, ববং সুধিলে বাঘৰ দৰে ওঁজৰি উঠিছিল।

থাওকৰু চাৰি পুৰুষৰ পিছৰ খুনলুঙ খামপেঙৰ ৪র্থ পুত্ৰ ত্যাও-ফ্ৰংডামৰ পৰা এঘাৰ পুৰুষৰ পিছৰ ৺উমানাথ গোহাঁই, বি, এ। এখেতে হাকিম হৈ অৱসৰ লৈছিল। এখেতে আদিতে কমিশ্যনাৰৰ 'পাৰ্মনেল এচিষ্টেণ্ট' আছিল আৰু সেই সুবিধাতে আহোম বুৰঞ্জী-বোৰ লুৰুকি গোটাই লৈ ঘুলুকিব পাৰিছিল। তেখেত এজন বুৰঞ্জী-বিজ্ঞ আছিল আৰু দদাইদেউ ৺হিতেশ্বৰ ববৰুৱা আৰু ৺উমা গোহাঁই আহোমৰ, বিশেষকৈ বংশাৱলী সম্বন্ধীয় কথাত, যেন বিশ্ব কোষ আছিল। ৺হিতেশ্বৰ ববৰুৱাই লিখি যোৱা বংশাৱলীবোৰত তেখেতে (৺উমা গোহাঁয়ে) নিজ হাতে য'ত যেনেকৈ পোনাব লাগে আৰু যোগ দিব লাগে বা শুধৰাব লাগে, লিখি থৈ গৈছে।

তেখেত নিজে থাওকৰুৰ সন্ততি হৈ গোহাঁই বৰুৱা বুঢ়াগোহাঁই ঘৰৰ বুলি কোৱা নাই, আৰু ক'তো লিখা নাই।

৺তীর্থেশ্বৰ গোহাঁইৰ শিক্ষা-দীক্ষা এখেতসকলৰ নিচিনা নাছিল। বিশেষ কিবা সৎ উদ্দেশ্য লৈ কিবা এটা কৈছিল যদিও সি এটা ভিতৰুৱা কথা যেন আছিল।

গোহাঁই বৰুৱা ডাঙৰীয়াই ৺হিতেশ্বৰ ববৰুৱালৈ নিজৰ বংশাৱলী আলোচনা কৰি লিখা চিঠি তেখেতৰ ৺ববৰুৱাৰ সংৰক্ষিত লিপি বহীত এতিয়াও আছে। ক'তো তেখেতে নিজে বুঢ়াগোহাঁইৰ সন্ততি বুলি বুলি লিখা নাই। এতিয়া অন্যে বলেৰে কোৱাটো সমীচীন নহ'ব আৰু বুৰঞ্জীৰ অপলাপ কৰা হ'ব।

এই সূত্ৰতে আপোনাক আমাৰ আহোমৰ উপাধি লিখাৰ নিকপ-কপীয়াকৈ বান্ধি যোৱা ৰীতিৰ কথা কওঁ। আপুনি নেজানিব পাৰে। এই ৰীতিমতে আমাৰ দেউতাহঁতৰ পুৰুষলৈকে চলিছিল, এতিয়াহে ৰীতি ভঙ্গ কৰিছে।

শেষলৈকে যি বিষয় খাইছিল, সেইজনৰ নাতি পুতিয়েই সেই উপাধি লিখাৰ নিয়ম, বা এনেকুৱাও আছিল যে কোনোবা এজন হয়তো গদাধৰ সিংহৰ দিনত এটা বিষয় খাইছিল, কিন্তু তাৰ পিচত তেওঁৰ নাতি-পুতি কোনেও আৰু বিষয় খাবলৈ নেপালে, তেতিয়াও উপাধি টানিব পাৰে। কিন্তু বুঢ়াগোহাঁইৰ কোনোবা এজন কিবা

ফুকন বা বৰুৱা হ'ল, আৰু সেই ডালৰ পিচতো কোনো বুঢ়াগোহাঁই নহ'ল, তেতিয়া সেই ডালৰ নাতি-পুতিবোৰে বুঢ়াগোহাঁই নিলিখি পিচৰ বিষয়ৰহে উপাধি লিখে। বা অকল গোহাঁই লিখে। এই নিয়ম আগতে ভঙ্গ কৰিব নোৱাৰিছিল; সমাজৰ মাৰ আছিল।

৺ৰমাকান্ত গোহাঁই, ৺মহেন্দ্র নাথ গোহাঁই, ৺যোগেন্দ্রনাথ গোহাঁই, ৺উমাচৰণ গোহাঁই, ৺উমানাথ গোহাঁই, ৺বালি গোহাঁই—এই সকল বুঢ়াগোহাঁই ফৈদৰ লোক, কিন্তু ৰীতিৰ বশৱৰ্তী হৈ বুঢ়া গোহাঁই নিলিখিছিল, গোহাঁই লিখিছিল। নাওবৈচা ফুকনৰ নাতি-পুতিয়ে ফুকন লিখিছিল। সুৰেন্দ্র বুঢ়াগোহাঁইৰ পৰিয়ালেই হে বৰ্তমানত বুঢ়াগোহাঁই উপাধি লিখিবপৰা।

৺ৰায় বাহাদুৰ ৰাধা সন্দিকৈ বৰাগী বৰবৰুৱাৰ সন্ততি। কিন্তু বৰাগী বৰবৰুৱাৰ পিচত সেই ডালত অন্য তলৰ বিষয় খাইছিল। সেই কাৰণে সন্দিকৈৰ ফৈদৰ কাৰণে তেখেতে সন্দিকৈ বা "হেণ্ডিক্' লিখিছিল।

মোমাই তামুলী বৰবৰুৱাৰ পুতেক লাচিত বৰফুকনৰ পৰিয়াল যোৰহাটৰ কৰঙ্গাত আছে। পিচৰ পুৰুষত গুৱাহটীয়া ডেকাফুকন এজন হৈছিল কাৰণে সেই পৰিয়ালে এতিয়া ডেকা ফুকন লিখে; বৰফুকন নিলিখে।

স্বৰ্গদেৱসকলৰ পোনে পোনে নামি অহা নাতি-পুতি এতিয়া নাই। কেশৱকান্ত যুৱৰাজ অপুত্রক হোৱাত তাতে চন্দ্রকান্ত সিংহৰ পৰিয়ালৰ অন্ত পৰিল। কন্দর্পেশ্বৰ চাৰিং ৰজাৰ পুত্রদ্বয়ক বৃটিছে ঢাকাত আৰু চিলেটত পঢ়াবলৈ বুলি নি মাৰি পেলালে। তাতে পুৰন্দৰ সিংহ ৰজাৰ পৰিয়ালো শেষ হ'ল। কেদিনমানৰ কাৰণে হ'লেও, মানে পতা হ'লেও সিংহাসনত বহা যোগেশ্বৰ সিংহৰ মাত্র নাতি-পুতি এতিয়াও হোলোঙাপাৰত আছে। তেওঁলোকেই হে একমাত্র ৰাজকুমাৰ উপাধি লিখিব পাৰে। যদি অন্যেও ৰাজকুমাৰ লেখে তেন্তে অনুমোদন কৰি থোৱা লাকুৱাৰ কোঁৱৰসকলো তুংখুঙীয়া ৰাজ ফৈদৰ, তেওঁলোকেও লিখিব পাৰে। তেওঁলোকে আগৰ ৰীতিত কোঁৱৰ লিখে।

তুংখুঙীয়া ফৈদৰ মাজুমেলীয়া গোহাঁই পৰিয়ালৰ (Duke ৰ নিচিনা) ৺ৰাজকুমাৰ চন্দ্রনাৰায়ণ সিংহক বৃটিছ চৰকাৰে নামৰ আগত লিখিবলৈ "ৰাজকুমাৰ" (ৰায়বাহাদুৰ আদি উপাধিৰ দৰে) উপাধি দি

ৰাজপত্ৰত লিপিবদ্ধ কৰিছিল। তেখেত পৰলোক হোৱাৰ পিছত তেখেতৰ পুত্ৰই একে উপাধি নামৰ আগত লিখিবলৈ আবেদন জনোৱাত ৰাষ্ট্ৰপতি চৰকাৰে আৰু অনুমতি নিদিলে। সেইদৰে "ৰাজাবাহাদুৰ" উপাধি বৰ্তমানৰ গৌৰীপুৰৰ কুমাৰসকলক নিদিলে।

এজন পুৰুষৰ জীৱনী আলোচনা কৰোঁতে প্ৰামাণিক আহিৰে বুৰঞ্জীত নেথাকিলে, আলোচনালৈ অনাটো সমীচীন নহ'ব। দেশৰ কাৰণে যি ৰৱঙনি যোগায় তাৰ আলোচনা হে লাগে। অৱশ্যে যাৰ পৰিয়ালৰ অটুট বুৰঞ্জী আছে আৰু যাৰ পৰিয়ালে আগৰ পুৰুষতো দেশক নানাভাৱে সেৱা কৰিছিল, যেনে বেজবৰুৱাৰ পৰিয়াল, তামুলী ফুকনৰ পৰিয়াল, তেতিয়া ব্যতিক্ৰমী ৰূপে আলোচনালৈ আনিলে অৱশ্যে উদ্দীপনামূলক হয়।

ডঃ সূর্য্য ভূঞাদেৱে দেশক ইমানখিনি দি গ'ল। উপাধিৰ ওৰি বিচাৰি হে তেখেতৰ আহি আলোচনা কৰিমনে? আৱশ্যক কি? বুৰঞ্জীত উপাধিৰ পুং নথকা কিমানখিনিয়ে দেশৰ সেৱা কৰিছে আৰু কৰি আছে তাৰ লেখ-জোখ নোই। সেইবোৰৰ আলোচনা কিয় লাগে? সকলোবে সেৱাইহে উপাধি, আৰু যি যেনেকৈ উপাধি লিখিছে সেইবোৰ প্ৰতিজনৰ নাম বুলিয়েই ধৰি ল'ব লাগে। তাতকৈ বেচি যোৱাটোৱে আউল লগায় মাত্ৰ।

এই চিঠি আপুনিহে পঢ়িব, আৰু মোলৈ প্ৰাপ্তি স্বীকাৰ কৰিব। বহুতে ভুল বুজিব পাৰে। আপুনি, মোৰ বোধমতে, সত্য ঘিটো তাকে বুজিব। আমিও ভুল কৰোঁ; ভুল নহয় বুলি হলস্থূল কৰাৰ আৱশ্যক নাই। গতিকে এনেকুৱাবোৰ কথা বহল ক্ষেত্ৰলৈ আনিলে, যিমানেই সত্য হওক, বহুতৰ কাৰণে অসন্তুষ্টিৰ কাৰণ হ'ব পাৰে।

শৰ্ম্মাদেৱ, মই এতিয়া অন্য এটা বৰ আৱশ্যকীয় কথালৈ আহোঁ। আজি শিক্ষা বিভাগটোৱে অসমীয়া ভাষা সাহিত্যক ধ্বংস কৰিছে। পাঠ্যপুথিবোৰ দেখিছে জানো? পশ্চিম ফালে বেলি ওলোৱাৰ নিচিনা কথা কৰিছে। আপোনালোকে সাহিত্য সভাৰ হতুৱাই ইয়াৰ এটা ভেটা নিদিলে ভবিষ্যত পুৰুষে আমাক আৰু বিশেষকৈ আপোনালোকক, যেহেতু আপোনালোক সভাপতি, শাও দি থাকিব। সাহিত্য

সভাইতো "চন্দ্রকান্ত অভিধান' উলিয়াই পৃষ্ঠাই প্রতি অমার্জ্জনীয় ভুল কৰি অসমীয়া ভাষাক দোৱানত পৰিণত কৰিলে।

শিক্ষা বিভাগেও তাকে কৰিছে। আপোনালোকে মাত মতা নাই কিয়, বুজিব পৰা নাই। চন্দ্রকান্ত অভিধানৰ সমালোচনা আৰু পাঠ্যপুথি বোৰৰ সমালোচনা তাহানি বাতৰি-কাকতত মই বহুৰ ধৰি কৰিছিলোঁ। কিছু পোন কৰিব পাৰিছিলোঁ। নৰনাৰায়ণক আহোম ৰজা কৰিলে, জয়মতীক ৰুদ্রসিংহৰ ঘৈণীয়েক কৰিলে, ইত্যাদি।

ইয়াৰ লগত আমাৰ অসম সংযুক্তি সদাচাৰ সমিতিৰ প্রতিবেদন এখন পঠালোঁ। ইয়াত পৃষ্ঠা ৩ ৰ পৰা ১০ পৃষ্ঠালৈ আৰু ১৮-২০ পৃষ্ঠাৰ পৰিশিষ্টখিনি ভালকৈ মন দি পঢ়িব আৰু আপোনাৰ মতামত এটা মোলৈ পঠাব। এইদৰে মনে মনে থাকিলে হ'ব জানো? অসম সাহিত্য সভাৰ সম্পাদককো এই কথা জনাইছোঁ।

আৰু নিলিখোঁ আপুনি আমনি পাব।

মই বৰ ব্যস্ত আছোঁ। ধৰ্ম্ম বিষয়ক সৰু সৰু কিতাপ কেবা-খনো ওলাই গৈছে। গীতাখন অসমীয়া ছন্দত ভাঙিলোঁ। ছপা হৈ আছে। ওলালে পঠাম। "উন্নয়ন সাৰথি" বা "Development guide" বুলি এখন ডাঙৰ কিতাপ শ্রীসুৰেশচন্দ্র গোস্বামীয়ে ছপাম বুলি নিছে। গান্ধী জন্ম শতবাৰ্ষিকীতে "গান্ধীৰ জীৱন-নীতি বাণী" নামত প্রায় আৱশ্যকীয় সকলো বাণী অসমীয়াতে লিখিলোঁ। প্রকাশক পোৱা নাই। কিতাপখন ভাল হৈছে বুলি সকলোৱে কৈছে।

মঙ্গল কামনা কৰিলোঁ। উত্তৰ দানে আনন্দ দিব।

ইতি—
আপোনাৰ
শ্রীশশীচন্দ্র বৰবৰুৱা

নাৰায়ণপ্রসাদ দাসৰ চিঠি

তাং—২১।৮।৭৮
জপৰাজান

পৰম শ্রদ্ধাভাজন শৰ্ম্মা দেউতা,

জয় জয়তে আপোনালৈ সেৱা ও নমস্কাৰ জনালোঁ। আপুনি অসমীয়া জাতিৰ জনক। আপুনি অসমীয়া জাতিৰ প্রতি আগবঢ়োৱা

অসমীয়া সাহিত্য, সাহিত্য বুৰঞ্জী, প্ৰবন্ধ আদি সাহিত্য ভঁৰালৰ অমূল্য সম্পদ। এই মহামূল্য সম্পত্তিৰ কাৰণে সমগ্ৰ অসমীয়া জাতিয়েই আপোনাৰ ওচৰত চিৰঋণী হৈ থাকিব।

শৰ্ম্মা দেউতা, আপোনাৰ পৰা আৰু এটি সম্পদ পোৱাৰ মানসেৰে এই ক্ষুদ্ৰ পত্ৰৰ যোগেদিয়েই আকৌ এবাৰ কাষ চাপিলোঁ। জানিব পাৰিলে সুখী হ'ম,—অসমৰ কৈৱৰ্ত্ত সম্প্ৰদায়টিৰ গুৰি-গোষ্ঠী ক'ত। ইয়াৰ উৎপত্তি কিভাৱে কেনেকৈ হ'ল। মৎস্যজীৱী হোৱাৰ কাৰণ কি? মৎস্যজীৱী বৃত্তি নিজে নিজেই বাছি লৈছিল, নে ইয়াৰ অন্তৰালত কিবা কাৰণ আছে? আৰু শৰ্ম্মা দেউতা এই সম্প্ৰদায়টোৱে অস্পৃশ্যতাৰ গৰ্ভত কেনেকৈ ঠাই পালে? নে ইয়াৰ নেপথ্যত কোনোবা দুৰভিসন্ধি লোকৰ স্বেচ্ছাচাৰিতা চলিছিল, বা এই সম্প্ৰদায়টি নিজেও এই কাৰ্য্যত কিভাৱে দোষী, অনুগ্ৰহ কৰি জানিবলৈ দিবনে?

পূজনীয় শৰ্ম্মা দেউতা, অসমৰ তথাকথিত উচ্চ বৰ্ণ লোকসকলে কৈৱৰ্ত্ত সম্প্ৰদায়ক মাছ বেচা 'দোম' বুলি ঘৃণা কৰে। যদি একমাত্ৰ মাছ বেচাটোৱেই অস্পৃশ্যতাৰ ঘাই কাৰণ হয়, তেন্তে বৰ্তমান সময়ত সকলো সম্প্ৰদায়ৰ লোকেই মাছ বেচা দেখা গৈছে। আনকি অকৈৱৰ্ত্তৰ সংখ্যাই এই ব্যৱসায়ত সৰহ। তেতিয়া হ'লে অন্য সম্প্ৰদায়ৰ পৰা অহা মাছ বিক্ৰেতাসকলক ন-কৈৱৰ্ত্ত বুলি ক'ব পৰা যাব নেকি? নে তেওঁলোক অকৈৱৰ্ত্ত হৈয়েই ৰব? যদি মাছ বিক্ৰী কৰা অপৰাধতেই অসমৰ কৈৱৰ্ত্ত সম্প্ৰদায়ৰ লোকসকল অস্পৃশ্য হ'ল যাৰ ফলত সৰ্ব্বভাৰতীয় অচ্যুত বৰ্গৰ শাৰীলৈ ঠেলি দিয়া হ'ল, যাক অনুসূচীত জাতি হিচাবেহে গণ্য কৰা হ'ল। অনুসূচীত জাতি (Scheduled Castes) অৰ্থাৎ আমাৰ ভাৰতবৰ্ষৰ অন্যান্য অনুসূচীত জাতিৰ মাজত এই কৈৱৰ্ত্ত সম্প্ৰদায়ৰ কোনো ক্ষেত্ৰতেই মিল দেখা নাযায়। অসমৰ অন্যান্য জাতি বা সম্প্ৰদায়ৰ লগত সামাজিক ৰীতি-নীতি কোনো ক্ষেত্ৰতেই অমিল দেখা নাযায়। তেনে স্থলত এই কৈৱৰ্ত্ত সম্প্ৰদায়ৰ লোকসকলৰ ওপৰত তেনে ধৰণৰ 'অচ্যুত' মোহৰ এটি লাগি থকাৰ কি ৰহস্য হ'ব পাৰে আপোনাৰপৰা সবিকৈ জানিবলৈ আশা কৰি ৰলো। মোৰ বিশ্বাস আপোনাৰ পৰা নিখুঁতভাৱে সম্পূৰ্ণ তথ্য নিশ্চয় পাম। সেইয়ে অপকটভাৱে উক্ত সম্প্ৰদায়ৰ আদ্যোপান্ত বিৱৰণ এটি দি জ্ঞানৰ পৰিসীমা বৃদ্ধি কৰত

সহায় কৰে যেন, লগতে এটি পতিত সম্প্রদায়ৰো কণমান উপকাৰ কৰিব পাৰিলে পৰম সন্তোষ পাম। শেষত আপোনাৰ বহুমূলীয়া চিন্তনৰ মাজতে বাধা স্বৰূপ হোৱাত ক্ষমা প্রার্থনা কৰিলো।

ইতি
শ্রীনাৰায়ণ প্রসাদ দাস
কাৰবি আংলং

কেৰামত আলিৰ চিঠি

Jorhat
9.12.66

My dear Benudhar,

Many thanks for your letter of 2.12.66. I am not quite well now. My eye-sight is falling. So, this letter is in the hand of a grandson of mine. I am afraid you wrote the letter to me through mistake. I am not a man of Sibsagar. I belong to Jorhat town. I was born and brought up in our ancestral Jorhat house situated by the side of the New Balibat Road.

Perhaps I may tell you that late Derazuddin Ahmed who passed the pleadership examination from the Law Class of late Akhoy Chandra Ghosh belong to Sibsagar town. He was born and brought up at Sibsagar town. He however started his practice as a pleader of Jorhat. He had in fact permanently shifted to Jorhat from where he had his own land and house.

I hope this finds you in good health. I presume you are thinking of writing a book on the lives of Sibsagaria leaders. God help you.

Yours affectionately,
Keramat Ali

ধ্বনিকবি বিনন্দ বৰুৱাৰ চিঠি

(১)

শ্রীহৰি

টীয়ক
অচ্যুত ভৱন
১৬।৬।৬৭

শ্রদ্ধাস্পদেষু,

আপোনাৰ বিহৰ শুভ ইচ্ছাৰ ভাৰ বহন কৰি আনি আমাক দিয়া, ডাক পখিলী, আহি বহাগৰ শেহত পালেহি। অৱশ্যে এই ঘূৰাঘূৰিকৈ পোৱাহিৰ দোষটো আমাৰেই। আপোনাৰ পলম হোৱা নাই, গুৰিতে পলমৰ বাবে দায়ী আমিহে। এইবাৰো আমাৰ নিজা দোষতেই জেঠৰ শেষ পালেহি। আপোনালৈ দিবলগীয়া উত্তৰটোৰ বাবে এমাহ ৰবলগীয়া হ'ল। লিখো লিখো বোলোতেই পিচ পৰি গৈ থাকে। মাজতে অপহৃতা অসুৰা একোটা ওলাই বাধা দিয়ে। আজি-কালি চৰ্কাৰৰ ঘৰৰ চিঠিবোৰৰ এনে অৱস্থা, দেখিলে একে জাতৰে মানুহ চৰ্কাৰী কৰ্মচাৰীসকলক দোষ দিবলৈ ঠাঁয়েই নাথাকে। যেইহক আজি আপোনাৰ উদ্দেশ্যে আমাৰ 'ডাক পখিলী' উৰালো, পায়গৈ কেতিয়া ক'বপৰা নাই। আজিকালি ডাক বিভাগৰ মন্থৰ গতি সৰ্বজন বিদিত। ডাক পখিলী জিৰাই সঁতাই ওলোৱাটো একো কথাই নহয়। বিজুলী বাতৰিও আজলী হৈ ক'ৰবাত পৰি থকাটোহে আচৰিত কথা।

যেই হক আপোনাৰ কথা কিধাৰ পঢ়ি হাঁহিমেই নে কান্দিমেই থিৰ কৰিব নোৱাৰিলো। বাইজৰ তথাকথিত উন্নতিত হাঁহিবৰ মন যায় আৰু আপোনাসকলৰ নিচিনা আশাগুধীয়া দেশসেৱক সকলৰ দুখ দেখিলে বেজাৰ পাওঁ। আপুনি সুখে-সন্তোষে নিশ্চিন্তমনে থাকিলে আমাৰেই কিমান উপকাৰ হয়। মানুহ বুলিলেই স্বাৰ্থৰ দাস—যি যেনে বিধৰে হওক লাগিলে। আমাৰ স্বাৰ্থৰ কাৰণে হ'লেও আপোনাৰ অময়া অৱস্থা ভাল পাওঁ। আজিকালি বহুত মানুহেই 'পাচ নুগুণি গুণি আগ, ৰবশীত খুটি ধৰে মাছ' ফকৰাটোৰ সাৰ্থকতা দেখুৱাই নগৰলৈ লৰ মাৰি 'আও মৰণে মৰিবৰ' কাৰবাৰ কৰিছে। অৱশ্যে

মোৰ এই কিষাৰ কথা আপোনাৰ গাত নাখাটে। আপুনি গুৱাহাটীৰ নিচিনা নগৰলৈ গৈ তাত থকাৰ আৱশ্যক যথেষ্ট আছে।

মহাত্মা গান্ধীয়ে নগৰ গাঁও একে কৰি, দেশখন ভাল কৰিবৰ কাৰণে কৈছিল, 'বেক টু ভিলেজ।' পিচে আজিকালি দেখা গৈছে, মহাত্মা গান্ধীৰ প্ৰসন্ন শিষ্যসকলেও গাঁৱৰ ফালে 'বেক' অৰ্থাৎ পিঠিহে দিছে। সময়ত গাঁৱত স্বাৰ্থৰ খাতিৰত গাঁৱলীয়াৰ দুখত গদ্‌গদ্ হৈ পাৰ পালেই নগৰত ঘৰ লৈ, এইফালে পাহৰে। তেওঁবিলাকে নগৰীয়া ল'ৰা পঢ়িবৰ কাৰণে লাখ টকা খৰছ কৰি 'পাঠশালা' পাতে, গাঁৱৰ ল'ৰাই ভগাছালিত পঢ়ে। নগৰীয়া ল'ৰাক তুলি পাৰি বহুৱাবলৈও চেষ্টা চলাইছে। গাঁৱলীয়া ল'ৰাই বহিবলৈ মূৰত ফটা থৈলা একোখন বা ভগা চাৰি একোডোখৰ ভাৰ বৈ নিব লাগে। এনেবোৰ বৈষম্যৰে উন্নত হৈ থকাৰ কাৰণেই বোধকৰোঁ, আৱশ্যক হকেই বা নহকেই মানুহবোৰ নগৰমুখী। অভিজাত বা ধনুৱা শ্ৰেণীৰ লেখত পৰিবলৈ হ'লে, নগৰত থকাটো অপৰিহাৰ্য্য হৈ পৰিছে। গাঁৱৰ ঘৰৰ দাঁতিতে থকা স্কুলৰ হেডমাষ্টৰ হৈ, ঘৰত থাকি স্কুল কৰিবলৈ বেয়া পায়, ১৫।১৬ মাইল আঁতৰৰ নগৰত মাটিবাৰী লৈ তাত থাকি, তাৰ পৰা দৈনিক 'বাছ'ত অহা-যোৱা কৰি স্কুল কৰাও দেখা গৈছে। তেওঁ আকৌ গৈছে মানদণ্ডটো ওখ কৰিবৰ নিমিত্তে। গাঁৱত তেনে সুবিধা নাই। এইটোৱেই যদি মানুহৰ মানসিক প্ৰবৃত্তি হয়, তেন্তে গাঁও.বাৰ ভাল কৰিব কোনে? সেইদৰে গোটেই জীৱনৰ ঘাইছোৱা কাল বাগি-হাত কাম কৰি, পিছত নগৰত থকা চখ শতকৰা চাৰি কুৰি জনৰে।

যিসকল নগৰলৈ গৈ কাম নকৰিলে বা ব্যৱসায়-বাণিজ্য নকৰিলে নহয়, সেইসকল তালৈ যোৱাৰ আৱশ্যকতা আছে। ঔষধ আৰু ভাল ভাল ডাক্তৰ কবিৰাজৰ ওপৰত নিৰ্ভৰ কৰি জীয়াই থাকিবলগীয়া সকল নগৰত থাকিবলৈ লোৱাটোও এক কথা, নানাবিধ উচ্চ চৰ্চ্চা কৰিবৰ কাৰণে একচেতীয়াকৈ জীৱনৰ কালটো কটাব খোজাসকল, অনেক সুবিধাৰ নিমিত্তে নগৰলৈ যোৱাটো এটা কথা আছে, নগৰতে চৰ্কাৰী কাম কৰি অৱসৰ লৈ অভ্যাসবশতঃ তাত থাকিবলৈ লোৱাটোও অস্বা-ভাবিক নহয়। কিন্তু এইদৰে চৰ্কাৰী কাম কৰি গোটেই দেশতে ঘূৰি ফুৰা মানুহবোৰ বহুতকে গাঁৱলৈ ঘূৰি অহা দেখা যায়। তেওঁবিলাকৰ পৰা গাঁৱৰ যথেষ্ট উন্নতি হয়, আমিও তেনে লোকক বিচাৰো।

মানুহে বুঢ়া হ'লেহে কামৰ পৰা অৱসৰ পায়। আমি বুঢ়া হ'লে ল'ৰাৰ নিচিনা হয় বুলি কওঁ। লগৰ ল'ৰা পালে ল'ৰাই উমলিবলৈ বা কাল কটাবলৈ ভাল পায়। জীৱনৰ উপযুক্ত সময়ছোৱা কামে-কাজে কটাই নিজৰ গাঁৱলৈ ঘূৰি আহিলে মানুহজনে নিজৰ লগৰ বুঢ়া ল'ৰাবোৰ পাই যিমান সন্তোষেৰে কাল কটাব পাৰে নগৰত সেইদৰে বাৰ ঠাইৰ বাৰজন গোট খাই সেই সুখ নাপায়। হাতত বেচি ধন থাকিলে বা বেচি সম্পত্তিৰ মালিক হলে 'মো-চাহেব' দুই-চাৰি চাপিব কিন্তু আচল অন্তৰ থকা মানুহ সাধাৰণতে নাপায়। নগৰৰ বৰ বৰ ধনী আৰু ভেমপুৰীয়াবিলাকে আপোন হ'লেও চিনাকি দিবলৈকে টান পায়। নগৰত ঘৰ-বাৰী কৰিবৰ সমৰ্থ থকাসকলেও সেই সম্পত্তি উপার্জনৰ দ্বাৰা গাঁৱত থাকিবলৈ ঘূৰি আহিলে নিজৰো সুখ, দেশৰো উপকাৰ। আজিকালি দিনত তেনে লোকে গাঁৱৰ লগত সাধাৰণ যোগাযোগ ৰাখিবলৈও টান পায়। কোনো বিশেষ উদ্দেশ্য নোহোৱাকৈ অকল 'চখ' আৰু বিলাসিতাৰ নিমিত্তেই নগৰত বাহ ল'বলৈ যোৱা বৰ ভাল যেন নালাগে।

গাঁওবোৰ এৰি যদি মানুহবোৰ নগৰলৈকে গৈ থাকে, তেন্তে গাঁও-বোৰ উপযুক্ত মানুহৰ অভাৱত ৰিঙা হৈ পৰিব আৰু নগৰবোৰ ক্ৰমে 'মানুহেৰে উঁই হাফলু' হোৱাদি হ'ব। নগৰতো ৰবৰ নহয়, মানুহ বাঢ়ি থকাৰ লগে লগে বাঢ়ি থাকিবলৈ। গাঁৱৰ পৰা নগৰলৈ সাধা-ৰণতে শিক্ষিত, ধনী আৰু উপযুক্ত মানুহবোৰেই যায়। এনে মানুহৰ অবিহনে গাঁওবোৰ নিঃকিন হৈ পৰে।

মানৰ দিনত বোলে শক্তি সামৰ্থ্য থকাবোৰ দেশ এৰি পলাই গ'ল, যাব নোৱৰাবোৰ হে খালে দোঙে সোমাই চেপেটা লাগি থাকিল। সেই কাৰণেই অসমীয়া মানুহবোৰ আজি প্ৰায় ডেৰশ বছৰেও নিজৰ পূৰ্বৰ শৌৰ্য্য বীৰ্য্য ঘূৰাই আনিবপৰা নাই। আমাৰ গাঁওবিলাকৰো দশা একেই হ'ব, যদি ৰাইজক নগৰৰ মোহৰ পৰা ঘূৰাই আনিব নোৱাৰে।

এই বিষয়ত চৰ্কাৰৰো কৰ্তব্য যথেষ্ট আছে। আজিকালি বিকেন্দ্ৰী-কৰণৰ কথা ৰাইজ, চৰ্কাৰ সকলোৱে কয়। কিন্তু বিকেন্দ্ৰীকৰণতকৈ কেন্দ্ৰীকৰণৰ ফালেহে বিশেষ মনযোগ দিয়া দেখা যায়। যি বিকেন্দ্ৰী-কৰণ হৈছে সিও ৰাজনৈতিক স্বাৰ্থৰ খাতিৰতহে। এটা মহকুমাৰ সকলো ঠাইৰ, একোটা একোটা কেন্দ্ৰ সমানে, বা কম-বেচি, আকৰ্ষণীয়

কৰিব খুজিলে চৰকাৰে বিভিন্ন কাৰ্য্যালয়বোৰ ভাগ ভাগ কৰি বা একেটা কৰিয়েই গোটেই অঞ্চলটোৰ কেন্দ্রবোৰত সিঁচৰতি কৰি দিব পাৰে আৰু এনে কেন্দ্রবোৰলৈ অতি আঁতৰত থকা গাঁওবিলাকৰ পৰাও তিনি-চাৰি মাইলতকৈ বেচি দূৰ হ'ব নেলাগে। এই বিভিন্ন কার্য্যালয়-বিলাকৰ পাৰস্পৰিক যোগাযোগ আৱশ্যক বুলি সকলোৱে বুজে, আজি-কালি এনে যোগাযোগ সকলো সময়তে ৰাখিব পৰাৰ উপায় আছে। একেটা ঘৰতে থকাৰ দৰে এইবিলাকৰ ভিতৰত যোগাযোগ ৰাখিব পাৰে।

কথা ওলালে ওলায়েই থাকে। কথাৰ কোৱতে বহুত পোন্ধাগৈ হ'ল। সাময়িক হিচাপে অবান্তৰ কথাও বহুত সোমাল। থং নকৰিব। আজিকালি কোৱাৰ মুখ আৰু লিখা কাপ সংযত কৰিবলৈ টান হৈ পৰিছে, বিশেষকৈ আমাৰ নিচিনা তৰাং মনৰ মানুহৰ পক্ষে। অৱশ্যে ওপঁৰত কোৱা কথাবিলাক যেয়ে ভুক্তভোগী সেয়ে বুজি পাব। আপুনি গুৱাহাটী হেন শিক্ষা, কলা-কৃষ্টি, শিল্প-বাণিজ্য আদিৰ কেন্দ্র নগৰখনত থাকিবলৈ যোৱা ভালেই আছিল। আপুনি এতিয়া নিজৰ লঁৰালুৰি আৰু পৰিয়ালৰ লগত থকাত তেওঁবিলাকো নিশ্চিন্ত আছে। কিন্তু এইবিলাক সুবিধাৰ কাৰণে যদি আচল জীয়াই থকাৰ উপায়টোও নোহোৱা হয়, তেন্তে তাৰ পৰা কি লাভ হ'ব? 'সকলোতকৈ আগ চাউল কঠাহে, এতিয়া দেখা গৈছে তাত চাউলৰ যি অভাৱ হৈছেই, তাৰ সলনি ব্যৱহাৰ কৰিবপৰা বস্তুবোৰ অভাৱ। গতিকে আপুনি য'ত এই অভাৱটো নাই, আৰু অন্য সুবিধাবোৰবোৰ একেবাৰে অনাটন নহয়, ত'ত থকাই কিজানি ভাল হ'ব। এনেয়েও আপুনি, কিতাপ দুখনৰ কাম শেষ হলেই তাৰ পৰা ওচি আহিব বুলিছিল।

আপোনাৰ চাৰিওৰ মাটি-বাৰী-ঘৰতে শ্রীযুতাৰ সৈতে, তাহানিৰ বানপ্রস্থী ঋষি মুনিসকলৰ দৰে থাকি নানান চর্চ্চা কৰি থাকিলে কি বেয়া? আপোনাৰ নিজৰ ভাল পোৱা চর্চ্চাৰ কাৰণে যিমানবোৰ সামগ্রী লাগে, সেইবিলাক ইতিমধ্যে গোটালেই, আকনো কিতান গোটাব। সেইবিলাকৰ সৈতেই নিজক ব্যস্ত ৰাখিব পাৰিব। চাৰিওত লগ ভাগবো অভাৱ নহ'ব, আৰু আপুনি তালৈ আহিলেই, আপোনাকে কেন্দ্র কৰি এখন বেলেগ সমাজো গঢ়ি উঠিব। আপোনাৰ গৃহস্থালি চিন্তাৰ ভাৰ লোৱা লোক ঘৰতেই আছে। আমিও আপোনাক ওচৰত

পালে ভাল পাম। বিশেষ আৱশ্যক হ'লে ওৱাহাটী আদিলৈ মাজে মাজে যাবলৈও অসুবিধা নাথাকিব। সেইকালে আপোনাক আনৰ দৰ্কাৰ হলে, বয়সীয়া লোক এজনক যেনেকৈ নিব লাগে তেনেকৈ নিওঁতাও ওলাব।

আপুনি ভালে-কুশলে থকাটোকে মইহে নালাগে অনেকে আশা কৰে। এইটো দেশৰ আৰু জাতিৰ স্বাৰ্থই বোলক বা নিজৰ স্বাৰ্থই বোলক, ইও একৰকম স্বাৰ্থ। স্বাৰ্থ সকলোতে আছে। অৱশ্যে ই নানা প্ৰকাৰৰ। আপুনি আমাক আৰু বহু কিবাকিবি দিব পাৰিব বুলি আশা কৰোঁ। যি কাৰণেই হক, আমি আপোনাক ওচৰত পালে ভাল পাম আৰু আপুনি সুখেসন্তোষে থকা দেখিলে আৰু ভাল পাম। ওৱাহাটীত শ্ৰীমান অজিতে আপোনাৰ কাৰণে বৰ চেষ্টা কৰে আৰু এইটো উপযুক্ত পুত্ৰৰ স্বাভাবিক কৰ্ত্তব্য, কিন্তু বস্তুবাৰী নহলে তেওঁ কৰিব কি? তেওঁ তাতে যেনেতেনে সদায় থাকিবই লাগিব। নতুনৰ স্বভাৱে তেওঁক সুজিছে, আপোনাক নুসুজে। আপোনাৰ এটা বেলেগ অভ্যাস হৈ গ'ল।

বেজবৰুৱাৰ 'কেলেণ্ডাৰ'ৰ বিষয়ে আপোনাৰ মত পালো। আমি 'নাই মোমাইতকৈ কণা মোমায়েই ভাল' বুলি, দেখিও নেদেখাৰ ভাও ধৰি আছো। বহুতে এই বিষয়ে একো নেজানে, বেজবৰুৱাৰ নামতে সকলো পাহৰি কেলেণ্ডাৰ বিচাৰি ল'লে। ছপাওঁতে বোলে তাকৰকৈ ছপালে। বহুতে কিনিবলৈ নেপাই বেয়াহে পাইছে। অকল সম্পাদকজনে কিমান কাম কৰিব? সভাপতি, সভাপতি হোৱাৰ পৰাই অসুখীয়া। আমি যেনেকৈ প্ৰত্যেক বিষয়তে দুষাৰ ক'বলৈ বিচাৰো আৰু কওঁ, এতিয়া বোধকৰোঁ সভাপতিৰ পৰা তেনে সঁহাৰি নাই। বেজবৰুৱাৰ বিষয়ে গোটেই আঁচনিটো মোৰ দিনতে ললে যদিও, কামৰ সময়ত মই নোহোৱাই হলোঁ। বেজবৰুৱা সমিতি যিখন আছে, মই তাত সভাপতি হিচাপে থাকিলেও, এতিয়া সভ্য হিচাপে ৰাখি থোৱা হ'লে, পৰাই-নোৱৰাই অলপ চেষ্টা কৰি চাব পাৰিলোহেঁতেন।

আপোনাৰ ঘৰ এৰি যাবলৈ বাধা দি থকা কিতাপকিখন বোধকৰোঁ ওলালে। আপুনি, বোধকৰোঁ মৌ ছপাছে ওলাওঁতেই এই বিষয়ে লিখিছিল। আপোনাৰ কথাটো মনত আছে। চেলু পাজেই

যি পাৰো কৰিম। গা মোৰো বৰ ভাল নহয়। পানী লগা নুগুচাই হ'ল, মাজে মাজে বুকুৰ বিষো হৈছে। ঘৰতো বৰ ভাল নহয়। সাধাৰণ হিচাপে সকলোৰে ভাল। আশা কৰোঁ আপোনালোকৰো ভাল। দুয়ো শ্ৰদ্ধা ল'ব। শ্ৰীমান শ্ৰীমতীহঁতক আমাৰ স্নেহপূৰ্ণ আশীৰ্বাদ জনালোঁ।

চিঠিখন এইদৰে লিখা বাবে খং নকৰিব। কিবা এটা মন গ'ল। যিহকে মনলৈ আহিল তাকেই লিখিলো। 'বাজহাঁহৰ' দৰে গ্ৰহণ কৰিব বুলি আশা কৰিলোঁ। ইতি—

আপোনাৰ
শ্ৰীবিনন্দচন্দ্ৰ বৰুৱা

(২)

শ্ৰীহৰি

টীয়ক
অচ্যুত ভৱন
১২।৯।৮০

শ্ৰদ্ধাস্পদেষু,

বহুত দিন আপোনালোকৰ বা-বাতৰি পোৱা নাই, অৱশ্যে সকলোটি ভালে আছে বুলি, যাৰে তাৰে পৰা শুনো। আপোনাৰ কুশল বদন বাতৰি পাবলৈ সকলোৰে আগ্ৰহ। আমাৰ ঘৰত, আপুনি আমাৰ ঘৰলৈ অহা কথাটো মাজে মাজে ওলায়েই আছে। অভ্যৰ্থনা কেনেকৈ কৰিব, সেই বিষয়ে আলোচনাও চলে, আমাৰ ঘৰলৈ আপোনাৰ শুভাগমন আমাৰ ভাগ্যত নাই যেন লাগিছে।

আজি দুলীয়াজানৰ পৰা ওলোৱা 'উৎসৰ্গা' নামৰ আলোচনীখনত আপোনাৰ গহীন গম্ভীৰ ছবিটো দেখি বহুত কথা মনত পৰিছে। আপুনি আৰু অলপ ওখ হোৱা হ'লে "গঙ্গা গোবিন্দ ফুকনৰ নিচিনাই হ'লহেঁতেন। কথা বাৰ্ত্তাবোৰো সেই চামৰ স্বনামধন্য পুৰুষসকলৰ লগত মিলে। বহুত দিনৰ আগতে আপুনি 'চাইকেলেৰে আহোঁতে ময়ো 'চাইকেলেৰে' স্কুললৈ আহোঁতে হাঁহচৰা চাৰি আলিত লগ পাই-ছিলোঁ। আপুনি ঘামত তিতি বুৰি কৈছিল, "মোৰ এতিয়া ৭০ বছৰ চলিছে। "দিন যায় বে যায়", তেতিয়াৰ পৰা এতিয়ালৈকে আপুনি যিমান সক্ৰিয় হৈ আছে, আন বহুত তেনেকৈ নাই। জাঁজী, চাৰিং

থেকেচি গৰু, স্কুল, কলেজ, মাৰ্গবন্তি, পানীকল আদি বহুত হৈছে। মানহৰ অন্তৰবোৰ কিবা হৈ গৈছে। খেৰৰ জুপুৰি আৰু গাঁৱলীয়া আলিবাটেদি যি কাম কৰিব পাৰিছিল আজিকালি 'পকাঘৰ' পকাআলিয়ে সেইবোৰ কাম কৰিব পৰা নাই। চৰকাৰে ভাও ধৰি শুই থকা যেন হে লাগিছে।

আপোনাৰ দক্ষিণপাট সত্ৰৰ লগত বিশেষভাৱে উত্তৰ হোৱা সম্বন্ধটোৰ আঁতিগুৰি খিনিৰ চমুটোকা এটা কাৰোবাৰ হতুৱাই লিখাই দিয়া হ'লে বৰ ভাল পালোঁহেঁতেন।

আশাকৰো ঘৰৰ সকলোৰে মঙ্গল। আমি একৰকম আছো।

ইতি

আপোনাৰ

শ্ৰীবিনন্দ চন্দ্ৰ বৰুৱা

বকুলবনৰ কবিৰ চিঠি

ওঁ

বকুল বন
যোৰহাট
২।২।৬৫

প্ৰিয় শৰ্মা,

মোৰ প্ৰতি আপোনাৰ অকপটীয়া চেনেহ আছে বুলি ভাবোঁ। দুই-চাৰিজন এনেকুৱা বন্ধুৰ কলীয়া আখৰেই মোক জীয়াই থৈছে। আপোনাৰ চিঠিত লিখা কিতাপখন যুগুত কৰি দিব পাৰিম বুলি বিশ্বাস হয়। কিন্তু এটা কথা মই ধাৰত পোত গৈ আছোঁ। নিৰুপায় অৱস্থাত জীৱন কটাইছো। কিন্তু ক'বলৈ ঠাই নাই বাবে পেটতে আছে। কিতাপখন লিখি দিয়া বাবে মোক কিবা দিবনে? দিলে কিমান দিব। মই Copy right দি দিম মাত্ৰ লিখকৰ নামটো থাকিব। কালিলৈ দিলে কাম হাতত লম আৰু ফেব্ৰুৱাৰীৰ শেহত কিতাপ দিম। সোনকালে জনাব। বিষয়টো মোৰ প্ৰিয়। এইফালে কেতিয়াবা আহিব নেকি? কমলাবাৰীত সংঘটিত Convocation কেতিয়া হ'ব?

আমাৰ ফটো লোৱা ল'ৰাটিক মোৰ ধন্যবাদ দিব। শ্ৰীমান নলিনীৰ ডায়েকলৈ চন্দনৰ ছোৱালীটি দিয়াৰ প্ৰস্তাৱ দিছিলো। আপুনিও এবাৰ কৈ চাবচোন। আন্তৰিক শ্ৰদ্ধাৰে। কিজানি ১০।২ তাং শ্ৰীআনন্দ বৰুৱাৰ জীয়েকৰ বিয়ালৈ যাম। যদি সুবিধা পাওঁ।

ইতি—
আপোনাৰ
শ্ৰীআনন্দচন্দ্ৰ বৰুৱা

যতীন্দ্ৰৰাম খাউণ্ডৰ চিঠি

১৯।৫।৬৪
শদাশিৱ চাহ বাগিছা

প্ৰিয় শ্ৰীযুত শৰ্ম্মা,

আপোনাৰ কাৰ্ডটি পাই সঁচাকৈয়ে বৰ ৰং পালো। আপোনাৰপৰা কিতাপটোৰ বিষয়ে ইমানদিন কোনো সমিধান নেপাই আচৰিততো হৈছিলোৱেই, তদুপৰি খঙো উঠিছিল। ভাবিছিলো যে ৰাধাকৃষ্ণৰ হাত জোকাৰিবলৈ পাই সেইপাত ওফন্দি গণ্ডাটোপ হ'ব পায়। কেতিয়াবা ক'ৰবাত এবাৰ লগ পালে হয়।

আচল কথা হ'ল যে বহুতো প্ৰশংসাপত্ৰ পাইছো যদিও সঁচাকৈয়ে নো কিটো লেখিলো সেইটো জানিবলৈ হ'লে যিবোৰ মানুহে সদায় সাহিত্যকে ঘেটকালি আছে তেনেবোৰ মানুহেনো কি কয় সেইটো জানিবৰ ইচ্ছা হোৱা স্বাভাৱিক। শেটত কি বেয়া উদ্দেশ্য লৈ লেখিছিলো অজিতলৈ লেখা চিঠিত দেখিব পায়। তাৰে এপাত শৰে ভালকৈয়ে লক্ষ্যভেদ কৰিব পায়। দুই কিলাবলৈহে বাকী ৰাখিলে। বাকী আটায়ে ভাল হৈছে বুলিছে। তাৰ ভিতৰতে আমাৰ লেখত ল'ৰ লগা সাহিত্যিক কেৰাগৰাকীও আছে।

এইবোৰ দেখি-শুনি মই স্তম্ভিত। এনে ছলস্থল লাগিব বুলি মোৰ স্বপ্নৰো অগোচৰ। বিনামূল্যে দিম বুলি কৈ দুবাৰ ছপোৱা কিতাপ শেষ হ'ল। আকৌ চপাবলৈ দিছো। এইদৰে হলে মাটিয়ে ভোটিয়ে যাব। সাতে-পাচে তাৰ পন্না বক্সা পাবলৈ খবৰ কাগজত নিজেই মৰিলো বুলি Obituary notice এখন দিয়াৰ কথাও ভাবিছোঁ। বুদ্ধিটো কেনে বোলে?

কালি মঙ্গলদৈৰ পৰা চাৰিপাত বখানি এজনে লেখিছে যে বিনা-মূল্যে দিছে যেতিয়া, লেখক, কবি, সাহিত্যিকসকলক দিয়াতকৈ আমাৰ যিবোৰ মানুহে সদায় বেলৰ তৃতীয় শ্রেণীতহে ফুৰে সেইবোৰৰ মাজত বিতৰণ কৰিলেহে বেচি সুফল হ'ব। মই ভাবি-চিন্তি তেখেতৰ উপদেশ মতে কাম নকৰাকে স্থিৰ কৰিলো। মই যদি চাৰিচুকীয়া কাঠৰ ডলা এখনত কিতাপ কিছুমান ডিঙিত ৰচি লগাই ওলোমাই লৈ ফেৰি কৰি ফুৰোঁ আৰু ষ্টেশনত গাড়ী ৰাখিলেই ইখন তৃতীয় শ্রেণীৰ পৰা সিখনলৈ জপিয়াই ফুৰো তেন্তে আপোনালোকে দেখিলেনো মোক কি বুলিব? সেইদেখি তেনে কাম নকৰাই সাব্যস্ত কৰিলো।

আপোনাৰ এটি নহয় দুটিকৈ মানসপুত্ৰ জন্ম হোৱাত অভিনন্দন জনাইছো। সেই দুটিৰে গাখীৰৰ খৰছ বুলি তিনটকি পঠিয়ালোঁ।

সম্ভাষণ জানিব। ইতি---

শ্রীযতীন্দ্ৰৰাম খাউণ্ড *

ৰূপনাথ ব্রহ্মৰ চিঠি

ওঁ তৎসৎ

তপোবন,
শিলং।
২৯-৩-৫৮ ইং

শ্রদ্ধেয় শৰ্ম্মা ডাঙৰীয়া,

'সাতাৱন ছাল' বা স্বাধীনতাৰ প্রথম যুদ্ধ সম্বন্ধে লিখা আপোনাৰ প্রেৰিত দুয়োখন কিতাপ যথাসময়তে পাইছিলোঁ। কামত বৰ ব্যতিব্যস্ত হৈ থকাৰ কাৰণে উত্তৰ দি প্রাপ্তি স্বীকাৰ কৰাত পলম হৈ গ'ল।

---

* ডঃ যতীন্দ্ৰৰাম খাউণ্ড উজনী অসমৰ এজন প্রখ্যাত ডাক্তৰ আছিল। পিচত ডাক্তৰী ব্যৱসায় এৰি সদাশিৱ বাগিছাত থাকিবলৈ লওঁতে সাহিত্য-চর্চ্চাত হাত দি অসমীয়া সাহিত্যত অপূৰ্ব্ব অৱদান দি থৈ যায়। "জীৱ-জন্তু, চৰাই-চিৰিকতি আৰু মই" বোলা তেখেতৰ কিতাপখন অসমীয়া সাহিত্যৰেই নহয়, ভাৰতীয় সাহিত্যৰো মূল্যবান সম্পদ।

চিঠিত উল্লিখিত তেখেতৰ কিতাপখনৰ নাম হ'ল "এজন পুৰণি অসমীয়াৰ দৃষ্টিত আধুনিক অসমীয়া ভাষা।" ---সম্পাদক

মই বৰ আগ্রহেৰে কিতাপ দুখন গঢ়িলোঁ। অসমীয়া আৰু ইংৰাজীত লিখা দুয়োখন কিতাপ ভাল হৈছে। মই পঢ়ি বৰ সন্তোষ পাইছোঁ। চমুকৈ হলেও কিতাপত ভাৰতৰ স্বাধীনতা যুদ্ধৰ আগভাগত আমাৰ অসমৰ সমসাময়িক ঘটনাৰ বিৱৰণ বৰ ভালকৈ ফুটি ওলাইছে। ভাষা আৰু ঘটনাৰ বৰ্ণনা সৰল, প্রাঞ্জল আৰু বৰ হৃদয় গ্রাহী হৈছে। আপোনাৰ নিপুণ লিখনী প্রসূত এই কিতাপ দুখন অসমীয়া জাতিৰ সুপ্ত প্রাণত নতুন চেতনা আনি দিব বুলি আশা কৰিছো।

অৱশেষত শ্রদ্ধাৰে সৈতে আপোনাক আকৌ মোৰ আন্তৰিক ধন্যবাদ জনাইছোঁ। ইতি

ভৱদীয়
শ্রীৰূপনাথ ব্রহ্ম।

বাল্য বন্ধু মহেন্দ্র নাথ বৰুৱাৰ চিঠি

(১)

Dalowjan T. E.
Oating P. O.
Assam
২৬।১১।৩৩

মৰমৰ বেণু,

আজি বহুত দিনৰ মূৰত পোৱা তোমাৰ চিঠিখনে যেনে আনন্দ দিলে তাৰ আৰম্ভতে ভগৱতীৰ নামটো দেখি পাহৰিবলৈ ধৰা লোমহর্ষক ঘটনাটোৰ কথা চাঁত কৰে মনত পৰি তেনে আকৌ দুখ দিলে। ঘটনাৰ পাচদিনাই মই শ্রীমান পার্ব্বতীলৈ এখন চিঠি দিছিলো। পালে নে নাই ক'ব নোৱাৰো। মই হলে আজিলৈকে উত্তৰ নাই-পোৱা। অৱশ্যে পার্ব্বতীৰ এতিয়াও চিঠি লেখিবপৰা অৱস্থা নহব পাৰে।

"The tragedy is too awful for words" সঁচাকৈয়ে। এনে ঘটনা যাৰে তাৰে হোৱা শুনিবলৈও মনে যথেষ্ট আঘাত পাব তাতে আকৌ "ভগৱতীৰ। কাজেই মই কিমান দুখ পাইছিলোঁ বুজিবা। "ভগৱতীৰ লগে লগে মোৰ ব্যক্তিগত হিচাবে সেই পৰিয়ালৰ লগত ঘনিষ্ঠ সম্বন্ধ একৰকম বন্ধই হ'ল।

"ভগৱতীৰ স্মৃতি মালিকা লেখিবলৈ তুমি চেষ্টা কৰা জানি ভাল পাইছো। অৱশ্যে শ্ৰীযত পদ্ম চলিহাৰ লগতে উজান দি মই কওঁ যে তোমাৰ বাহিৰে এই কাম হাতত ল'বপৰা আৰু যোগ্য মানুহ নাই বুলিলেও অত্যুক্তি নহ'ব।

মোৰ হাতত "গিৰীনৰ file টো নাই। আমাৰ ইয়াত তাহানিখন থকা হৰিপদ দত্তই সেইবোৰ হস্তগত কৰিলে। তেওঁৰ আজিকালিৰ ঠিকনা—Dhalpur village. Dist. N. Lakhimpur। তেওঁলৈ লেখিলে পাবা বুলি আশা কৰো। পোৱা নে নোপোৱা, সময়ত জানিবলৈ দিলে ভাল পাম।

যোৱা কেইবছৰৰ চাহৰ বজাৰে আমাক (অৱশ্যে মোক) মূৰত টাঙোনীয়াই সংজ্ঞাহীন কৈ পেলাই থৈছে। এই বছৰতকৈও ভাল বজাৰ ৰূপী চেঁচা পানী ক্ৰমান্বয়ে আৰু ২।৩ বছৰ মূৰত আৰু চকুত নপৰিলে সংজ্ঞা ঘূৰাই পোৱাৰ আশা নাই। গতিকে এই বছৰৰ অকণমান কুহমীয়া পানীয়ে কি গতিবিধি লৰচৰ কৰিব দেও।

কৃপাবৰ বৰবৰুৱাই আমাৰ ওপৰত দেখুৱা কৃপাৰ কথা তোমাৰ চিঠিৰ পৰা জানি নিজকে ভাগ্যৱান বুলি ভাবিছোঁ। যদিও কাগজে-পত্ৰে এই বিষয় মই নিজ চকুৰে দেখাৰ এতিয়াও ভাগ্য জোটা নাই। অৱশ্যে 'বাঁহী'ৰ লগত আজি কেইমাহমানৰ পৰা মোৰ বিচ্ছেদ ঘটিছে।

তোমাৰ বন্ধু-বান্ধৱ-বিহীন অৱস্থাৰ কথা লেখা মনে বিশেষ বুজিব নোৱাৰিলো কাৰণ কাগজে-পত্ৰে ওলোতাটোৰহে আভাস পাওঁ; অৱশ্যে পূৰণা বিচ্ছেদ ও নতুন প্ৰাপ্তি যদি তোমাৰ কথাই বুজাইছে তেন্তে মোৰ ভুল স্বীকাৰ কৰাই মঙ্গল হ'ব। তোমাৰ উক্তিটো মোতহে তেনেই আজিকালি খাটিছে। লগ পালে বাহুল্য কম।

মোৰনো সংসাৰখনৰ কথা কি কম। বোধকৰোঁ ওপৰৰ পৰাই অলপ আভাস পাইছো। তাতোকৈ ভিতৰুৱা ভাৱে ক'ব লাগিলে মই উপস্থিত কৰুণাময়ৰ কৃপাত 'পঞ্চৰত্ন'ৰও এটি পুত্ৰৰ 'পিতৃ দেৱতা'। ইয়াতোকৈ ভিতৰুৱা ভাবে ক'বলৈ যদিও তোমাৰ আগত একো সঙ্কোচ নাই তথাপি কাগজে-কলমে যে অক্ষম অৱশ্য বুজিবা।

ইংৰাজীৰ 'give & take' পলিছিটোৰ পৰা কিন্তু তোমাক মোৰ সংসাৰৰ ভু লওঁতে বহুত আঁতৰাই ৰাখিলা। আন কথা নেথাকিলেও এই ব্যৱধানটো চপাবলৈকে তোমাৰখনৰ বিষয়ে ঘূৰি ঘাকত লেখিবা

বুলি আশা কৰিলো। পাৰা যদি সশৰীৰে এবাৰ দেখা দিয়েই যাবাহি কাৰণ অলপ 'এৰাঁ চৰা' যেন ও অনুভৱ কৰিছো। আগৰটোৰেই হৈ আছো আৰু মোৰ ধৰণো নতুন ভাঁজে চুব নোৱৰা শিলৰ খুটি যেন হৈ এতিয়াও দণ্ডায়মান দেও। তোমাৰ মৰম মানে আগৰটোকে বুজো। তাৰে মইও পঠাইছোঁ লৰা দেই।

আজিলৈ আৰু ইতি—
শ্রীমহেন্দ্র নাথ

(২)

শ্রীহৰি

গোলাঘাট
12.6.67

ভাই বেণু,

তোমাৰ ২৫।৫।৬৭ তাৰিখৰ চিঠি মোৰ হাতত ৩১।৫।৬৭ তাৰিখেহে পৰিলহি। মোৰ আগৰ খনতকৈ কিছু কোবেৰে আহিল যাহক।

চিঠিখন পাই বৰ আনন্দ পালো। কিন্তু শৰীৰৰ লেঠাৰ কাৰণে উত্তৰ ইয়াৰ আগতে দিব নোৱৰাত অসন্তোষ নকৰিবা বুলি আশা কৰিলোঁ।

তোমাৰ 'মণিৰাম দেৱান' খন ইয়াৰ ডাকঘৰে মোক ৪।৫।৬৭ তাৰিখে দিলে। পাই বৰ ভাল পালো বিশেষকৈ মোৰ আগৰখন কোনোবাই ফাক মৰাত। দুপইচা বেহাই কৰিবলৈ বেচটো M.O. নকৰি P.O. এখনকে ইয়াৰ লগতে পঠালো। আশা কৰোঁ নিবিঘ্নে তোমাৰ হাতত পৰিবগৈ।

মোৰ লেখাখন তোমালৈ পঠাবলৈ কোবাকোবিকৈ মানুহ এজনৰ হতুৱাই নকল কৰাইছো। পাচে তেওঁক মোতকৈও পণ্ডিত যেন লাগিছে। কাৰণ যি অলপ তেওঁ কৰা নকল দেখিছো মোৰ ভুলৰ ওপৰত তেওঁ অলপ জাপিছেহে। উপাই নাই গতিকে তুমি চাই পোনাই-পোজোৰাই আন বহীত নকল কৰোৱাই মই finally চাৰৰ কাৰণে পঠাই দিলে বৰ সন্তোষ পাম। এইবোৰৰ কাৰণে তোমাৰ যি খৰছ হয় মই সমুদায় দিম। লেখাখন আৰু ১০ দিন মানৰ মূৰত পঠাব পাৰিম বুলি আশা কৰিছোঁ। আশা কৰোঁ তোমাৰ সৰ্ব্বপ্রকাৰে মঙ্গল।

মোক মাজে মূধে কৰুণাময়ে চলাইছে।

মৰম লৰা। ইতি
তোমাৰ
শ্রীমহেন

(৩)

শ্রীহৰি

10.7.67

ভাই বেণু

তোমাৰ ১৭।৬।৬৭ তাৰিখৰ চিঠি মোৰ হাতত ২১।৬।৬৭ তাৰিখেই পৰিলেহি। নানা এৰাব নোৱৰা কামত আৰু মোৰ বস্তুটি সম্পূৰ্ণ কৰোৱাত লাগি থাকোতেই তোমালৈ উত্তৰ পঠোৱাত ইমান বেলি হ'ল।

মোৰ 'বস্তুটি'ৰ নাম "ব্যৰ্থ জীৱনৰ কাহিনী" দিব খোজো। তুমি কেনে পোৱা লেখিবা। আজি পৃথককৈ ৰেজিষ্টাৰী ডাক যোগে বস্তুটি তোমালৈ পঠালোঁ। যিজনে মোৰ Scriblings ৰ পৰা নকল কৰিলে তেওঁ মোতকৈও পণ্ডিত। বৰ্ণাশুদ্ধি বহুত হৈছে। ভাষা মই কথা কোৱাৰ দৰেই লেখিছো। মাজত বহুত ইংৰাজী শব্দ সুমৱাই। তুমি উচিত ভাৱে সংশোধন কৰি বস্তুটি ৰাইজৰ আগত উলিয়াব পৰাকৈ তোমাৰ মন্তব্যৰে সৈতে দিবা বুলি আশা কৰিলোঁ।

কিতাপখন ছপালৈ পঠোৱাৰ আগতে বহীত ভালকৈ লেখাৰ লাগিব হ'বলা। মই এই বিষয় একেবাৰে অনভিজ্ঞ। তুমি যে ভাল বুজা মোক হাঁহিয়াতৰ পাত্ৰ নকৰাকৈ কৰাবা।

ছপা কৰোৱাৰ ভাৰ তোমাকে দিয়াৰ ইচ্ছা; আশাকৰোঁ বিমুখ নকৰিবা। ছপালৈ পঠোৱাৰ আগতে সংশোধনী Copy টো মোৰ চাবৰ ইচ্ছা তোমাৰ মন্তব্যৰে সৈতে। পঠাবা দেই। এইবোৰৰ বাবে তোমাৰ যি খৰছ হয় মই সকলো দিম।

কিতাপখনৰ ভিতৰত কিছু Photo দিয়াৰো ইচ্ছা। সেইবোৰ কেনেকৈ পঠালে ভাল হ'ব সবিশেষ লেখিবা।

তোমাৰ 'দেৱান'খন পঢ়ি চালোঁ। আগৰখন ভালকৈ পঢ়িবলৈ নেপালো। কোনোবাই ফাক মাৰিলে। আসামৰ বিষয়ে বহুত নজনা কথাৰ ভেদ পালো। কিন্তু আমাৰ 'সোণোৱাল কছৰী'ৰ বংশৰ বিষয়ে একো নেপালো। মইও ইয়াৰ ইতিহাস বিশেষ নেজানো। গতিকে মোৰ 'বংশ পৰিচয়ও' যি লেখিছো ইতিহাসসম্মত নহলে শুধৰাই দিবা। মই ৰাধাৰাণী বাগিছাৰ মালিক মাহৰা সত্ৰৰ ৺ৰাধামাধৱ গোস্বামীদেৱৰ মুখে শুনা কথাহে তাত লেখিছো।

ৰাষ্টিছৰ প্ৰথম ২০।২৫ বছৰ শাসনত দেশৰ যি অৱস্থা হৈছিল আমাৰ স্বাধীন শাসনতো তেনেই হৈছে যেন লাগিছে---খোৱা-পিন্ধা, বস্তুৰ অনাটন, কৰ-কাটলৰ বৃদ্ধি, নতুন নতুন কৰৰ পাতনি, উচ্চক নমোৱা নীচক উঠুৱা আদি। আকৌ '৫৭ চন হ'লেহে দেশৰ এক গতি লাগিব বুলি ধাৰণা হৈছে। কিন্তু তেতিয়াৰ পৃথিৱী ৰাষ্টিছৰ বাহিৰে প্ৰায় গুপ্ত---আজিৰ পৃথিৱী কেউফালে জাঙুৰ খাইছে। শেষত কি হয় ককণাময়েহে জানে।

আশা কৰোঁ তোমাৰ সৰ্ব্বপ্ৰকাৰ মঙ্গল। মইও এই ভাল বেয়াৰে চলি আছোঁ। ইতি---

মৰমেৰে তোমাৰ
মহেন।

(৩)

শ্ৰীহৰি

21.8.67

ভাই বেণু,

মোৰ 'ব্যৰ্থ জীৱনৰ কাহিনী'খনেৰে সৈতে পঠোৱা তোমাৰ ৯।৮।৬৭ তাৰিখৰ চিঠিখন ১৪।৮।৬৭ তাৰিখেই পালো। তুমি মোক 'তুমি' বুলি সম্বোধন কৰিবলৈ এৰিলে মই অপমান হে অনুভৱ কৰিম। মই হলে এতিয়াও শিৱসাগৰৰ হাইস্কুলৰ চতুৰ্থ শ্ৰেণীৰ ১৯১০ চনৰ ছাত্ৰ 'বেণু' আৰু 'মহেন' হিচাপেই আছো। এই কথাষাৰ নো কিয় লেখিলা তাৰ উৱাদিহ ভাবি একো নাপালো।

বৰ্ণাশুদ্ধি কৰি তাৰ লগতে যিবোৰ ইংৰাজী শব্দ অসমীয়ালৈ তৰ্জ্জমা কৰা উচিত যেন দেখিছিলা সেইবোৰ ও কৰি পঠোৱা হলে বৰ ভাল পালোহেঁতেন। কিতাপখনৰ বিষয়ে ছপা কৰিব পৰাকৈ তোমাৰ মন্তব্যও আশা কৰিছিলো। এতিয়াও পঠাবা বুলি আশা কৰি থাকিলো।

মোৰ আগৰখন চিঠি মানে ১০।৭।৬৭ ৰ খন ভালকৈ পঢ়ি নেচালানে কি? অৰ দুটামান কথাৰ উত্তৰ নেপাই হে সুধিছো।

তোমাৰ 'অৰ্ঘ্যাৱলী'খন পঢ়ি বৰ ভাল পালোঁ। কিন্তু দুটা কথাতহে মোৰ সন্দেহ হৈ মই জনা ধৰণে তলত লেখিলো।

(১) গোলাঘাটৰ বেজবৰুৱা হাইস্কুলখন ১৯১১ চনৰ আদিতে Govt. Aided কৰি বেজবৰুৱাৰ তত্বাৱধানৰ পৰা এৰুওৱা হৈছিল। ১৯১৫ চনত সম্পূৰ্ণ Provincialised হে কৰিলে।

(২) 'নৱন্যাস যুগৰ সাৰথি জনদিয়েক'ৰ photo সোঁফালৰ প্ৰথমজনৰ নাম "ৰমানাথ ফুকন"হে "দীননাথ" নহয় হ'বলা।

তোমাৰ 'অর্ঘ্যাৱলী'ৰ বাবে P.O. এখন ইয়াৰ লগতে পঠালো। বাল্যবন্ধুৰ উপহাৰ বুলি আশাকৰোঁ গ্ৰহণ কৰিবা।

তোমাৰ ভৰিত কিহৰ বিষ হৈছে? আশা কৰো এতিয়া সম্পূৰ্ণ ভাল পাইছা। ইতি—

তোমাৰ
মহেন

শ্ৰীহৰি

গোলাঘাট
4.9.67

ভাই বেণু,

তোমাৰ ২২ আগষ্টৰ চিঠিখন ২৫ তাৰিখে আৰু ২৪ আগষ্টৰ খন ২৮ তাৰিখে পালো। নানা এৰাব নোৱৰা কামত ব্যস্ত থাকিব হৈ উত্তৰ ইয়াৰ আগতে পঠাব নোৱৰাত বেয়া নেপাবা দেই।

গোলাঘাটৰ বেজবৰুৱা হাইস্কুলখন Govt. Aided ১৯১১ চনৰ আদিতে কৰি আগৰ হেড্ মাষ্টৰ শ্ৰীমান বেজবৰুৱাক গুচায় আৰু তাৰ কিছুদিনৰ পাছতে শ্ৰীশঙ্খধৰ বৰুৱা হেড্ মাষ্টৰ হৈ আহে। এখেতেই ১৯১৫ চনলৈকে মোৰ মতদুৰ মনত পৰে, অর্থাৎ স্কুলখন সম্পূৰ্ণ Provincialised হোৱালৈকে হেড্ মাষ্টৰ আছিল। তেখেতৰ পাছত কাশীৰাম দত্ত হেড্ মাষ্টৰ হৈ আহে।

স্কুলখন বেজবৰুৱাৰ পৰা এৰুৱাই Govt. Aided কৰোৱাৰ গুৰি কাৰণ ময়েই। ১৯২০ চনত মই মাইনৰ পাছ কৰাৰ পাছত মোৰ পঢ়ালৈ দেউতা বৰ বিমোৰত পৰিল। কাৰণ বেজবৰুৱা স্কুলৰ ওপৰত তেখেতৰ অলপো আস্থা নাছিল। মোৰ সেই বয়সতে ঘৰ এৰি শিৱসাগৰত পঢ়িবলৈ যাব লগা হোৱাত দেউতাই আৰু মায়ে মনত বৰ কষ্ট পালে। গতিকে দেউতা স্কুলখন সোনকালে Provincialised কৰিবলৈ উঠি পৰি লাগি গ'ল। সিমান বেগতে সম্পূৰ্ণ Provincialised কৰাত কিবা আঁসোৱাহ আছিল হবলা। সেইবাবেই মোৰ ১৯১১ চনত শিৱসাগৰৰ পৰা অনাই ঘৰত ৰাখি পঢ়োৱাৰ সুবিধাৰ অর্থেই স্কুলখন বেগাবেগিকৈ ১৯১১ চনৰ আদিতে Govt. aided অকে কৰোৱালে।

তাৰ পাছত স্কুলখনৰ নাম কি হ'ব এই লৈ বেজবৰুৱাৰ লগত লাগিল গোলমাল। তেখেতে demand কৰিলে "Bezbarua Govt. High School হ'ব লাগে বুলি আৰু Govt. আৰু বাইজে ক'লে কেৱল "Govt. High School" হে হ'ব লাগে বুলি। এই লৈয়েই কিছুদিন প'ল। তাৰ পাছত বেজবৰুৱা আঁকোৱ-গোজালী হৈ লগাত শেষত "Govt. Bezbarua High School" নাম থোৱাকে সিদ্ধান্ত কৰিলে।

ৰমানাথ ফুকনৰ পৰিচয় মইও নেজানো। তোমাৰ অৰ্ঘ্যাৱলীত দিয়া photo খনৰ copy এটা যোৰহাটৰ K. K. Barouah ৰ পৰা আনিছিলো। আমাৰ এলবামটো উঁইয়ে খাই নষ্ট কৰাত। তেখেতেই মোক এই নাম দিছিল।

মোৰ পাণ্ডুলিপিখন এজন মানুহক ছপোৱা খৰছৰ estimate এটা কৰিবলৈ দিছো। উপস্থিত মোৰ হাতত নাই। গতিকে তুমি খোজা টকাখিনি পঠাব নোৱাৰিলো। লিপিখন ঘূৰাই পালে পঠাম। পাছে তোমাৰ মন্তব্য এটি নপঠালা কিয়? পঠাবা বুলি আকৌ আশা কৰিলোঁ।

ইংৰাজী শব্দবোৰ আমাৰ আখৰেৰে উচ্চাৰণ ঠায়ে ঠায়ে বিকৃত হয় আৰু ইংৰাজী কথাবোৰ অসমীয়ালৈ তৰ্জ্জমা কৰিলে আচল ভাব প্ৰকাশ নহয় যেন লাগে দেখিহে আমাৰ আধুনিক সমাজে কথা কোৱাৰ দৰে লেখিছো। আজি কালিৰ শিক্ষিতা তিৰোতাইও শিক্ষিত মতা মানুহৰ দৰে ইংৰাজী শব্দ সুমাই কথা পতা হৈছে যেতিয়া ইংৰাজীখিনি অসমীয়ালৈ তৰ্জ্জমা নকৰাকৈ আৰু ইংৰাজী শব্দবোৰ আমাৰ আখৰেৰে নেলেখিলেও আশা কৰো বিশেষ আহুকাল নহ'ব। তোমাৰ মতামত পালে ভাল পাম।

প্ৰেছত ওধি কিতাপখনৰ ৫০০ কপি ছপালে কিমান খৰচ পৰিব মোক জানিব দিলে বৰ সন্তোষ পাম।

দেউতাৰ জীৱনীখন কেতিয়াবাই লেখিব লাগিছিল। তাৰ বাবে যিবোৰ সমল গোটাইছিলো সোপাকে উঁইয়ে খালে। দুৰ্ভাগ্য, কি কৰিম, 'টোকোৰা বাহৰ কুটা'ৰ দৰে দুই এক এতিয়াও পোৱা যাব। তুমি কামটো হাতত ল'বলৈ মান্তি হ'লে বিচাৰি খোছাৰি পঠাব পাৰোঁ।

মহাপুৰুষীয়া (বৈষ্ণৱ) ধৰ্ম দেউতাই ইচ্ছা কৰা মতে সম্পূৰ্ণ প্ৰচাৰ কৰিব নোৱাৰিলে। দেশৰ কামতেই তেখেতৰ বেচি ভাগ সময় কটাবলগীয়া হৈ। বেজবৰুৱা ডাঙৰীয়াই এই বিষয়ে কিবা লেখিছিল যদি মই নেজানো। দেউতা ভুকুৱাৰ পাচত বাঁহীত বেজবৰুৱাই article এটা লেখিছিল। সেইটোও মোৰ হাতত নাই। তোমাৰ হাতত এইবোৰৰ কি আছে পঠাই দিলে সন্তোষ পাম।

বহুত লেখিলোঁ। আজিলৈ আৰু হাত লৰৰ-ফৰৰ কৰিছে। সোনকালে উত্তৰ পোৱাৰ আশাত থাকিলো।

আশাকৰো তোমাৰ সম্পূৰ্ণ মঙ্গল।

মৰমেৰে তোমাৰ
মহেন।

শ্ৰীহৰি

16.10.67

ভাই বেণু,

তোমাৰ ২৪।৯।৬৭ তাৰিখৰ চিঠিখন পাবৰ আজি বহু দিন হ'ল। গা মোৰ ভাল নথকাত উত্তৰ দিয়াত ইমান বেলি হ'ল। বেলি হোৱাৰ বাবে বেয়া নাপাবা বুলি আশা কৰিলো।

পাণ্ডুলিপিখন এতিয়াও মোৰ হাতত ঘুৰি পৰাহি নাই। ঘুৰাই পালে তুমি খোজা quotation কেটা পঠাম। ইতিমধ্যে কিতাপখনৰ বিষয়ে তোমাৰ মন্তব্য এটা পালে বাধিত হম।

গা একেবাৰে ভাল লগা নাই। সেই কাৰণে চিঠি আৰু দীঘল কৰিবলৈ মন যোৱা নাই। বেয়া নেপাবা দেই।

আশা কৰোঁ তোমাৰ সৰ্ব্বপ্ৰকাৰ মঙ্গল। মৰম লবা। ইতি—

তোমাৰ
মহেন।

শ্ৰীহৰি

7.12.67

ভাই বেণু,

তোমালৈ ১৬।১০।৬৭ তাৰিখেই চিঠি এখন দিছিলো। তাৰ উত্তৰ আজিলৈকে নোপোৱাৰ কাৰণ একো বুজিব পৰা নাই। আজি-কালি ডাকৰহে যি বেমেজালি, চিঠিখন তাৰবাবে তোমাৰ হাত পালেগৈ

নে নাই সিও সন্দেহ হৈছে। গ্ৰাহক সবিশেষ ইয়াৰ উত্তৰত লেখিবা বুলি আশা কৰি থাকিলো।

কিতাপখন ছপোৱাৰও বিশেষ একো কৰিব পৰা নাই। এটা প্ৰেছত দিছোঁ। তেওঁবিলাকে অহা বছৰ হে ছপাব পৰা হ'ব বুলি কৈছে। ছপোৱাৰ খৰছ খনে তিনি টকা মান পৰিব হেনো।

আগতে খোজা মতে তোমাৰ মন্তব্যটিও আজিলৈকে নোপোৱাৰ কাৰণো একো বুজিব পৰা নাই। যদি দিবলৈ সুবিধা অনুভৱ কৰা নাই জনালেই ভাল পাম।

আশাকৰো তোমাৰ সম্পূৰ্ণ মঙ্গল। মৰম লবা। ইতি—

তোমাৰ
মহেন

(৪)

শ্ৰীহৰি

7.6.68

ভাই বেণু,

মোৰ "বিফল জীৱনৰ কাহিনী"ত সুমাই দিবলৈ দিয়া তোমাৰ কথাখিনি কালি পাই অত্যন্ত আনন্দ ও সন্তোষ পালো। তুম এই বিষয় বহুত দিন নিস্তব্ধ থকাত আওকাণ কৰিয়া বুলিয়েই ভাবি লৈছিলো। গতিকে তোমাৰ লেখাখন পাই আপুৰুগীয়া হেৰোৱা বস্তু এটা ঘূৰাই পোৱাৰ দৰে আনন্দ পালোঁ।

কিতাপখন ছপোৱাৰহে বিশেষ একো কৰিব পৰা নাই। মোৰ গাৰ অৱস্থা মাজে-মুধে চলি আছে। আগৰ বল শক্তি নো এতিয়া কেনেকৈ ঘূৰাই পাম। ইতি—

আন্তৰিক মৰম ও শ্ৰদ্ধাৰে তোমাৰ
মহেন।

(৫)

শ্ৰীহৰি

ভাই বেণু,

তুমি ৭৫ বহুৰত ভৰি দিয়াৰ বাবে মোৰ আন্তৰিক শুভেচ্ছা জনালো।

আজিকালিৰ অসমে ওৱাহাটী হ'বলৈ শিকাতো, তোমাক ঠাইয়ে ঠাইয়ে অভ্যর্থনা দিয়াৰ পৰা যি দেখিছো আনন্দৰ কথা। আগতে এনে মনোভাবৰ অভাৱতেই আমাৰ ওপৰ পুৰুষৰ বহুত গুণমুক্ত মানুহৰ কথা তলপৰি থাকিল। আৰু এই কাৰণেই অসমত ডাঙৰ মানুহৰ সংখ্যা বিৰল। নোহোৱা হ'লে আমাৰ অসমী আইও এই বিষয়ত আন প্রদেশতকৈ বৰ পিচ পৰা নহ'লহেঁতেন। যাহক বেলিকৈ হলেও অসমীয়াৰ এতিয়া এনে চেতনা দেখি আনন্দ আৰু সন্তোষ পাইছো।

তুমি যে বয়সত মোতকৈ অলপ ডাঙৰ মোৰ ইয়াৰ আগতে ধাৰণাই নাছিল। তোমাৰ নিচিনা অগ্রজ এজন পাই এতিয়া মই বৰ আনন্দ পাইছো আৰু এই ভাব জীৱনৰ শেষৰ দিনলৈকে যাতে থাকে তাকে করুণাময়ৰ ওচৰত প্রার্থনা কৰিছো।

আশাকৰো তোমাৰ সম্পূর্ণ মঙ্গল। মই মাজে মুধে চলি আছো।

ইতি—মৰমৰ

মহেন।

(৬)

BARUA HOUSE
GOLAGHAT
ASSAM
১-৯-৬৯

ভাই বেণু,

তোমাৰ ২৬।৮।৬৯ তাৰিখৰ চিঠি পাই বৰ আনন্দ পালো।

'অভিনন্দন'খন পঢ়ি তোমাৰ যশ ও মান বৃদ্ধি হোৱাত অত্যন্ত সন্তোষ পাইছো। করুণাময়ে যেন বয়সৰ লগে লগে আৰু বৃদ্ধি কৰে এইয়ে প্রার্থনা।

'ফুল চন্দন' যেন সঁচাসঁচিকৈয়েই ফুল চন্দন। বুঢ়া বয়সত এতিয়া ইয়াৰ পৰা বহুত ভু-নোপোৱা কথা জানিছো।

মোৰ জীৱন টোকা সেইদৰেই পৰি আছে, একো কৰিব পৰা নাই।

দেউতাক আজিকালি কাঠফুলা ৰাজনৈতিকে ওপৰলৈ তুলিব নোখোজাৰ অর্থ হ'ল দেউতা আছিল Stateman আৰু আজিকালিৰ ৰাজনৈতিকসকল হ'ল ধুৱন্ধৰ, স্বার্থান্ধ আৰু দেশ উচ্ছন্ন কৰা পলিটিছীয়ান।

দেউতাই আজি প্ৰায় ৫০ বছৰৰ আগতে মোক কৈছিল যে, "ভাৰতে পূৰ্ণ স্বাধীনতা কেতিয়াবা পালে ৰাইজে ১০।১৫ বছৰৰ ভিতৰতে পন্তাবলগীয়া হ'ব। ভাৰতৰ কাৰণে Dominion Status under British Crown এই উপযুক্ত স্বাধীনতা হ'ব। ইয়াৰ কাৰণেই আমি moderate দলে সদায় চেষ্টা কৰি আহিছোঁ।"

"পূৰ্ণ স্বাধীনতাক আমাৰ জাতীয় স্বভাৱ ঈৰ্ষা আক্ৰোশ বিশ্বাস ঘাতকতাই নুশুজিব। অলপ দিনৰ পাছতে 'কুৰুক্ষেত্ৰ' হ'ব। তাপৰ যুগৰে পৰা ভাৰতত ঈৰ্ষাৰপৰা আক্ৰোশ, আক্ৰোশৰ পৰা বিশ্বাস ঘাতকতা আৰু বিশ্বাস ঘাতকতাৰপৰা ধ্বংস চলি আহিছে আমাৰ পূৰ্ণানন্দ-বদনৰ দিনলৈকে। বৃটিছ থকাত আমাৰ এই স্বভাৱ কিছু দমি আছিল। তৰ্জু ধৰিবলৈ বাহিৰা শক্তি এটি নেথাকিলে পূৰ্ণ স্বাধীনতাই আমাৰ দেশক ভুছুং পহু কৰিব।"--ঘিটো এতিয়া হৈছে

গতিকে আধুনিক কাঠফুলা ৰাজনীতিকে এইবোৰ হাদ-য়াচ্ছন্ন কৰিবলৈ অভিজ্ঞতাই বা ক'ত জানেই বা ক'ত? এওঁ বিজ্ঞাক বাদুলী। তুমি উল্লেখ কৰা ধুৰন্ধৰজনৰ নামটো জানিবলৈ দিয়ানে?

দেউতাই আৰু কৈছিল ঃ " unconstitutional উপায়েৰে যদি কেডিয়াবা স্বৰাজ আহে তেনে তাৰ কাৰণে অবলম্বন কৰা প্ৰথাবোৰ এনেভাৱে দেশৰ মানুহৰ ভিতৰত শিপাব, তাৰ পিচত উঘলোৱা টান যে হ'বই বৰং পোষাব হে। দেশক এইবোৰ কি শিকাইছে এক কৰুণাময়েহে জানিছে।"

আজি এই কথাবোৰেই ঠিক ঘটা নাই জানো? যিজন পুৰুষে এনে ভবিষ্যত বাণী দিব পাৰিছিল সেইজন যে আজিৰ তুলুঙ্গা ৰাজ-নৈতিকতকৈ বহু ওপৰ স্তৰৰ যেয়ে সেয়ে ক'ব। মোতকৈ দেশৰ দুৰ্ভাগ্য আৰু আমি দিনে দিনে নিঃসহায় অনুভৱ কৰি আহিছোঁ।

দেউতাৰ বিষয়ে ঘি সৰল গোষ্টাইছিলো তাৰ বহুত দুৰ্ভাগ্যবশতঃ উঁয়ে খালে। সেইবোৰ আকৌ গোটোৱাৰ চেষ্টাত আছোঁ। পাওঁ নে নেপাওঁ ক'ব পৰা নাই।

মোৰো ৭৩ বছৰ হ'লহি। বয়সে কোবোৱা যেন লাগিছে কাৰণে বৰ দুৰ্বল যেন অনুভৱ হৈছে। আশাকৰোঁ তুমি উমটনীয়া হৈয়ে আছা।

দুৰ্বলতাৰ বাবে চিঠিখন আনৰ হস্তুৰাই লেখালো, সেইবাবে বেয়া নাপাবা বুলি আশা কৰিলো।

মৰম আৰু শুভেচ্ছাৰে তোমাৰ—

মহেন বৰুৱা।

(৭)

শ্ৰীহৰি

13.12.69

ভাই বেণু,

তোমাৰ ১৪।১২।৬৭ তাৰিখৰ চিঠি পোৱা আজি এমাহেই হ'লহি। গা ভাল নথকাত আজিকালি বৰ এলাহ হ'ল। এইবাবে চিঠিৰ উত্তৰ দিয়াত মোৰ নিয়ম ভঙ্গ হৈছে। বেয়া নাপাবা।

যিটো কোম্পানীয়ে কিতাপখন ছপাই দিব বুলি নিজে তেওঁবিলাকে যিদিনা খবৰ দিছে আহা ফেব্ৰুৱাৰীৰ আগতে প্ৰেছে নলব বুলি। ছাপাই দিলে প্ৰুফ তোমালৈ পঠাম।

দেশ ছিৰাল ফাটি থকা ঘা হোৱাৰ লক্ষণ হে দেখিছো। এৰা ইয়াৰ আগতে পাৰ হোৱা হলেই ভাল আছিল।

ভোগালী বিহুৰ বাবে মোৰ সাদৰ-সম্ভাষণ লবা।

মান সন্মিলন কেনে হ'ল জনাবা। ইতি---

তোমাৰ মৰমৰ

মহেন

পুৰণি বন্ধুৰ এখন চিঠি

[১৯০৫ চনতে লগ পোৱা আমাৰ প্ৰথম শিক্ষাগুৰু মৌঃ ডিল্ল মহম্মদ হাজৰিকাৰ পুত্ৰ, মোৰ সহপাঠী ফাইজুৰ ৰহমান হাজৰিকাৰ চিঠি। চিঠিখন এতিয়াৰ। তথাপি, আমাৰ পুৰণি মৰমচেনেহৰ মৌকণ জিবাত দি চাব বুলি পাঠকসকলৰ আগলৈ উলিয়াই দিলোঁ। —বঃ শঃ।]

২।১।৬৬

মৰমৰ বেণু

তোমাৰ ২৭ তাৰিখৰ চিঠিখন মোৰ হাতত ১ আগষ্টৰ দিনা পৰিলহি। তোমাৰ চিঠিখন পঢ়ি আনন্দতে মোৰ চকুলো বাগৰি পৰিছিল। তুমি যে মোৰ পিতাৰ কাৰণে ইমান কষ্ট কৰিছা লগতে যে তুমি ৭৫ বছৰীয়া তোমাৰ পুৰণা বন্ধু ফাইজৰ নামটো গাহৰা

নাই, তোমাক ধন্যবাদ ৰ'ল। মোৰ বৰ্তমান শৰীৰ বৰ দুৰ্ব্বল। compound ৰ ভিতৰতে ইফাল সিফাল কৰি থাকোঁ। পল্টন বজাৰ Police station ত মোৰ জোঁৱাই আনোৱাৰ হুচেইন (S.I.) আৰু জী আছে। তুমি কেতিয়াবা এপাক মাৰিবা। তোমাৰ পৰিয়ালৰ ল'ৰা-ছোৱালী কেইটিলৈ মোৰ আশীৰ্ব্বাদ থাকিল। কেতিয়াবা এইফালে আহিলে দেখা পাম বুলি আশা কৰিলো। তোমাৰ প্ৰশ্নবোৰৰ উত্তৰ অতি সোনকালে পঠিয়াইছো।

তোমাৰ মৰমৰ
ফাইজুৰ ৰহমান।
আমগুৰি ঘাট
শিৱসাগৰ।

ডিব্ৰুগড়ৰ পদ্মনাথ বৰঠাকুৰৰ চিঠি

(১)

Ethelwood
20.3.61

প্ৰিয়বৰেষু,

গা মূৰ তেনে ভাল নাথাকিলেও বা চিঠি লিখাৰ অভ্যাসটো মৰি যোৱাদি গলেও, মনৰ সন্তোষে সময়ত গোটেইখিনিকে জীপ দি টনকিয়ালে কৰিব পাৰে, সেই কাৰণেই আপোনালৈ আজিহে লিখা পৰিল। আপুনি কথা এটা নিশ্চয় নিজৰ অভিজ্ঞতাৰ পৰা তকি চাইছে যে আমাৰ "লাহে লাহে" চৰকাৰে যিটো শকাব্দত আমাক লোকৰ ঠাইত আনকি, বেচেৰা মৰিও স্বৰ্গলৈ গ'ল, সেই যে আমাৰ পণ্ডিৎ পন্থৰ হতুৱাই অকথ্য মাতেৰে গালি খুৱালে। বাহিৰৰ পৰা Inquiry Commission ৰ আপাহত মানুহ আনি আমাক আমাৰ ঘৰৰ ভিতৰতে জাউৰিয়ে জাউৰিয়ে গালি খুৱালে, ঠিক সেই ১৮৮২ শকৰ ভিতৰতে ভগবানে আপোনাক আৰু আপোনাৰ জৰিয়তে আমাৰ ভাষা-সাহিত্যৰ কিবা এটা স্তৰৰ স্বীকৃতি দিয়া হৈছে এনেটো "ভাষা আন্দোলনৰ" দিনত বঙালীক ভেবা লগোৱাই,—ভাবি ভাবি ভাল লাগিছে।

বোধকৰোঁ দুই এদিনতে নিশ্চয় দিল্লীলৈ যাবই। এইবাৰ বিহ ইয়াতে মাৰিবহি। আহোতে সপৰিয়ালে আহিব বুলি আশা কৰি

নিমন্ত্রণ জনালোঁ। আজি, ক'বলৈ গলে ঈদৰ দিনা। শ্রীমান পুলিনক লগ পাইছো। ভাল। শ্রীমান অজিতকে আদি তেওঁবিলাকৰ সকলো-টিকে আমাৰ মৰম জনাব আৰু আপুনি সপৰিবাৰে আমাৰ সাদৰ প্রীতি গ্রহণ কৰিব যেন।

ইতি
আপোনাৰ
মৰমৰ
শ্রীপদ্মনাথ।

(২)

ইঠেলুদ বাগিছা
স্বাধীনতা দিৱস ১৯৬২

পৰম সুহৃদবৰেষু,

তেতিয়াই শ্রীমান অজিত আহিল বুলি খবৰ লৈছোহে বোলে তেওঁ আহি পায়েই ততাতৈয়াকৈ গুৱাহাটী মুৱা হৈ ফিৰিল। টেলিগ্রাফ পালে। আপুনি হাচপাটেলত বোলে। কাগজতো নৰীয়া পাটিত পৰাৰ বাতৰি, আৰোগ্য কামনাৰ প্রার্থনা আদি তেতিয়াই ওলাল। লগে লগে ডাক্তৰ মহন্তৰ ওপৰত হোৱা মোৰ ৰোষ ভাব মাৰ গ'ল। নিজৰ সমকক্ষ এজন Surgeon ক বদলি নিদিয়াকৈ তেওঁ আসাম মেডিকেল কলেজটোৰ পৰা সাউৎ কৰে ওলাই ঘোৱাত বেয়া পাই-ছিলো। পিছে আমি বেয়া পালে কি হ'ব, তাৰ ভিতৰতে আমি অতি ভাল পোৱা যাৰো লুকাই আছিল। ঈশ্বৰৰ ইচ্ছাত তেওঁ গুৱাহাটীত বুলিহে আপোনাৰ অপাৰছেনটো ভালমতে হৈ যাব বুলি তেনেই ধৰি ললো। মানুহটিৰ হাতখন এনেও ভাল—মই কেইবাটাও প্রমাণ পাই থৈছো। ভগবানে বিশ্বাস ফেৰা ৰাখিলে।

আপুনি বেমাৰী পাটিত পৰি থাকোতে দেখা হৈ শ্রীভূপেন হাজৰি-কাই কথাখিনি বেচ মধুৰ কৰি অলপ দীঘলীয়াকৈয়ে 'জনমভূমি'ত দিলেহি। পঢ়ি তৃপ্তি পালো। শ্রীমান পুলিনকো দেখুৱাইছিলো মই।

পিছৰ বিলাক খবৰ শ্রীমান অজিতৰ চিঠি আৰু সকলো ফালৰে পৰা সকলো ধৰণেৰে পাই আছো। এতিয়া নিশ্চয় ঘৰলৈ যাব পৰাকৈ হাসপাটেলে আজৰি কৰি দিলে। গা ভাল পাবই, ধুৱাপ। পিছে জিৰণিটো অলপ দীঘলীয়া কৈ ল'ব দেই।

আশা কৰোঁ এভিয়া শ্ৰীমান অজিতৰো গা ভাল।

আমাৰ সাদৰ প্ৰীতি গ্ৰহণ কৰিব আৰু শ্ৰদ্ধা সাদৰ আপোনাৰ ভিতৰতো জনাইছো। শ্ৰীমান শ্ৰীমতীহঁতক আমাৰ স্নেহাশীষ দিছো।

ইতি—

আপোনালোকৰ মৰমৰ
শ্ৰীপদ্মনাথ

(৩)

ইঠেলুদ
৯।৫।৬৮

পৰম সুহৃদবৰেষু,

সেইদিনা অতি খৰপোছেৰে আপোনাৰ "দক্ষিণ পাট সত্ৰ"খন আত্মসাৎ কৰিয়েই ক্ষান্ত হলো। পিচ দিনা এইখিনি পাই ডুবিলোহি কামৰ মাজতে। কিন্তু কিতাপখন এৰিব পৰা নাই। যিমানেই পঢ়িছো সিমানে আকৰ্ষণৰ মাত্ৰা চৰিহে গৈছে। সঁচাকৈয়ে আপুনি উদ্ধাৰ কৰিলে বুলিয়েই এইখিনি কথা ৰব। আৰু ৰব ছবিখিনি। মহা-ৰাসৰ নৃত্য অংশৰ দুয়োটা চিত্ৰ, ৰাসলীলাৰ সূত্ৰধাৰৰ নৃত্য। মহাপ্ৰভু যাদৱৰাই কৈল্যাণ ৰাই। মহাপ্ৰভু বৃন্দাবন চন্দ্ৰ আৰু বেটুপাতৰ মণিৰ দৰে ইমানখিনি ৰঙিন ছবিৰে কিতাপ উলিয়াবলৈ সাহ কৰা কম কথা নহয়। কিতাপখনিয়ে মোহিছে। ৰৰ ভাল লাগিছে।

শ্ৰীমান অজিতৰ লগত মোৰ এইবাৰ ৰাশি নিমিলিল। উভয়ে উভয়ৰ কাৰণে খপি হতাশ হ'বলগাত পৰিলো। তেওঁৰ পৰা চিঠি পালে পামেই, নহলেও লিখিম।

সম্প্ৰতি শ্ৰীমান হৰেন (পঞ্চম জামাতাক) মেডিকেল কলেজত ভৰ্ত্তি কৰি উশাহ লৈছো মাত্ৰ। আশা কৰো আপোনালোকৰ ভাল। আমাৰ স্নেহাশীৰ্বাদ শ্ৰীমান অজিত আৰু তেওঁৰ পৰিয়ালক জনাব। আপোনালোক উভয়ে আমাৰ শ্ৰদ্ধা সাদৰ গ্ৰহণ কৰিব যেন।

ইতি—

আপোনাৰ মৰমৰ
শ্ৰীপদ্মনাথ

[মই বাহিৰত থাকোতে অহা আপোনাৰ চিঠিখনি পালোহি। "অসম ৰাতৰিত" মোৰ "স্বাধীনতা ৰণৰ সংস্পৰ্শত"খনি বিতোপন সমালোচনা এটি পঢ়িবলৈ পালো। ৫ মেৰ কাগজত।]

(৪)

মন্দিৰ ৰদ
উত্তৰ জালান নগৰ
পো ঃ ডিব্রুগড়
১১।৪।৭০

পৰম সুহৃদবৰেষু,

বিষুব সংক্ৰান্তিলৈ মনত পৰিছে। সিয়ে দেখোন মনত পেলাই দিছেহি আপোনালোকৰ কথাও। নতুবা বিহু বোলাটোৱে আমাৰ, মানে মোৰ লগত, লুকলুকীও নেখেদা হ'ল।

আমাৰ সাদৰ সম্ভাষণ নিজে ল'ব, শ্ৰীযুতাক এভাগ দিব, আৰু শ্ৰীমান অজিতকে মুখ্য তেওঁৰ গোটেই পৰিয়ালটিকে এই চিঠিয়ে বৈ নিয়া আমাৰ স্নেহাশীৰ্বাদ কণ আপুনিয়ে জনাব।

আপুনি পোৱাৰে পৰা সিদিনা শ্ৰীমতী নলিনীবালা দেবীয়ে পোৱা-লৈকে সাহিত্য একাদমীৰ বটাৰ সন্দৰ্ভত এবাৰ ঘোষণা হয় আৰু মাহচেৰেকৰ মূৰত এদিন বিতৰণ হয়। পিচে মঞ্চলেখাৰ ক্ষেত্ৰত ঘোষণা আৰু বিতৰণ লগে লগে হব লাগিছিল দেখোন। তাতো কেৰোণে পাইছেহি নে কি?

১০ মেত গুৱাহাটীলৈ যোৱাৰ কথা আছে। আপোনালোকৰ দৰ্শন পামগৈ নে?

ঠিকনা সলালো দেই। সেইবুলি আকৌ পেঞ্চন নাপাওঁ। আমাৰ কোম্পানীটো ইংৰাজৰ নহয় যে সি পেঞ্চন দিব; আৰু অনা-অসমীয়াৰহে, যিবিলাকৰ কাৰণে পহিলা নম্বৰ শত্ৰু হ'ল "ছাল্লা অছমীয়া" যাৰ ভৰিত তিল তেল দি দি সিহঁতে কোটিপতি হৈ পৰিছে।

শ্ৰদ্ধাপূৰ্ণ সাদৰেৰে। ইতি---

আপোনালোকৰ মৰমৰ
শ্ৰীপদ্ম

(৫)

উত্তৰ জালাননগৰ।
পো ঃ ডিব্রুগড়
২৮।১।৭১

পৰম সুহৃদবৰেষু,

কাকত পত্ৰ একোতে ইমান দিন আপোনাৰ একো বাতৰি নিদিয়াত সময়ে সময়ে মনটোত লাগিছিল জানোচা মোৰ পালিয়েই আপোনাকো

পালেহি। অনুমানক আপোনাৰ চিঠিখনিয়ে সঁচা বুলি প্ৰমাণ কৰি দিলে। এতিয়া আকৌ কামত হাত দিয়াৰ জোখাৰে আৰোগ্য হোৱা বুলি ভাল লাগিল। এতিয়া বাহিৰ ওলাইছোঁ যদিও ডাক্তৰে ৰিক্‌চাত উঠিবলৈ মানা কৰিছে। এতিয়াতো মেনেজাৰ নহওঁ। গতিকে মটৰৰ কথা পাহৰিলোঁ।

কিতাপখন মোৰ অশেষ উপকাৰত আহিল। আধৰুৱা হৈ আছে যদিও মোৰ হাতে লিখা "অসমৰ চাহ-তলি"খন আপোনাক কেনেবাকৈ দেখুৱাবলৈ পালে হাততে স্বৰ্গ পোৱাদি পাম।

ঈশ্বৰে আপোনাক "অসমৰ বুৰঞ্জীমূলক ঠাইবোৰৰ ইতিবৃত্ত" আধৰুৱাকৈ এৰিবলৈ কেতিয়াও এৰি নিদিয়ে। কাৰণ সেইখিনি কামৰ কাৰণে আজি আপোনাতকৈ বেচি উপযুক্ত এজন অসমীয়া নাই। মই লিখি থকা সেই কিতাপখনত নামবোৰত ঐতিহাসিক তত্ত্বৰ অভাৱৰ কথা উল্লেখ কৰিছিলো। চাহ বাগিছাৰ ভিতৰত গাভৰু পৰ্ব্বত, ৰজাবাৰী, ৰাজমাই, ৰজা আলি, ৰাজগড়, গোহাঁই বাৰী, গোসাঁই বাৰী, চাউলখোৱা, চাবুৰা মানকটা, নগাঘুলি, চীনামৰা, চীনা-তলী, দেওপানী, দেওহাল, ৰৰবাৰী, মটক, ৰৰৰুৱা, ৰৰুৱা পুখুৰী, ৰৰছলা, বামুণ-বাৰী, মধুৰাপুৰ, লেপেতকটা, হলঙৰি, হ্‌ৎলী (হাঁহ তলী নে শাওঁ-তলীৰ পৰা) হাঞ্চাৰা (হাঁহ চৰা) লিগিৰি পুখুৰী, বামুণ পুখুৰী, আদি বাগিচা অকল উজনি খণ্ডতে বহুত ওলাব। ৰজাবাৰী, ৰৰবাৰী, ৰাজগড় এনে একোটা নামৰ কেইবাখনোকৈ বাগিচা।

মই কিতাপখন আপোনালৈ এসপ্তাহ মানৰ ভিতৰতে পঠিয়াম। বুকপষ্ট কৰা নেমাব। হেৰাব। মানুহৰ হাতত দিলেও হেৰাব। গতিকে V.P. কৰম আৰু তাৰ মূল্যটো M.O. কৰিম আপোনালৈ।

এইবাৰ আহিলে মোৰ ইয়াত সোমাবই দেই। অৱশ্যে বিশেষকৈ মোৰ স্বাৰ্থৰ খাটিৰতহে কৈছো।

আপোনাৰ ভিতৰলৈ শ্ৰদ্ধা জনোৱাৰ পিছত বাকীবিলাকলৈ স্নেহ জনাইছোঁ। আপোনালৈ সাদৰ সম্ভাষণেৰে। ইতি—

আপোনালোকৰ মৰমৰ
শ্ৰীপদ্মনাথ বৰঠাকুৰ।

কুলধৰ চলিহাৰ চিঠি

(১)

Jorhat, Assam
৮।৩।১৯৬১

মৰমৰ বেণু,

তুমি বঁটা পোৱা শুনি বৰ আনন্দ পালো। আমাৰ ঘৰৰ সকলোৱে তোমাৰ কথা কৈছে। তোমাৰ কিতাপ যে খুব ভাল হৈছে, আমাৰ আগৰে সম্পূৰ্ণ বিশ্বাস। এতিয়া বঁটা পোৱাত সেই ধাৰণা দৃঢ়ভূত হ'ল।

শ্ৰীঅতুল হাজৰিকাইচোন এদিন গুৱাহাটীত কৈছিল যে এইখন কিতাপ হোৱাই নাই।

মোৰ শ্ৰদ্ধা গ্ৰহণ কৰিবা। ইতি—

তোমাৰ মৰমৰ
শ্ৰীকুলধৰ চলিহা।

(২)

মৰমৰ বেণু,

তোমাৰ চিঠি পালোঁ। অলপ জেপধন পঠাবলৈ চেষ্টা কৰিম। তুমিয়ে ময়ে পয়ছাৰ বিষয়ে প্ৰায় একে ধৰণৰেই।

মই চিঠিখন পালোঁ। 28th March অত লিখাটো আৰু for বোলা আখৰ কেটা ৺লিখন গোস্বামীৰ, চহীটো মোৰ। লিখন আমাৰ অভিভাৱকৰ দৰে আছিল। কিন্তু তেওঁ কলেজত পঢ়া নাই। সদায় আমাৰ হোষ্টেলত আহি আছিল।

মই A.S.L. Club অৰ Ex. Committee ৰ মেম্বৰৰ বাবে কিবা এটাত আছিলোঁ। আৰু যথেষ্ট সহযোগ কৰিছিলোঁ। আৰু সেইবাবেই এই চিঠি ছপাই লিখিছিলোঁ। আৰু আমাৰ হোষ্টেলতে meeting বিলাক হৈছিল।

মই ডায়েৰী কিছু চাইছো। specimen ডায়েৰী কৰিহে প্ৰকাশ কৰিব লাগিব। শিৱসাগৰৰ মানুহৰ নিমিত্তে অৱশ্যে প্ৰত্যেক দিনৰ ডায়েৰীয়েই উপভোগ্য কিন্তু আনৰ আমনি লাগিব। সেইবাবে বিষয়ৰ তলে তলে উদাহৰণ কিছুমান দিলে ভাল হ'ব বুলি ভাবো। তুমি এই বিষয়ে বেচি জানা।

মোৰ ভাল। মৰম জানিবা।

৭।২।৫৬
শিলং লেক হাউচ

তোমাৰ মৰমৰ
শ্ৰীকুলধৰ চলিহা

সৰ্ব্বেশ্বৰ বৰুৱাৰ চিঠি

(১)

উত্তৰ লক্ষীমপুৰ
২৫।১০।৬৮

প্ৰিয় শ্ৰীশৰ্ম্মাদেৱ---

সিদিনা বহুত দিনৰ মূৰত আপোনাক লগ পাই যি আনন্দ উপভোগ কৰিলো তাক পাহৰা নাই। আপুনি সেইদিনা উল্লেখ কৰা মিলচ্ চাহাবৰ ৰিপৰ্টখনত আমাৰ পূৰ্ব্বপুৰুষ (ককাদেউতা) ৺মহেশ্বৰ বাপু বৰুৱাই লক্ষীমপুৰ জিলাত মৌজাদাৰী পদ পোৱা বিষয়ে কি দৰে লিখা আছে জানিবলৈকে বৰ আগ্ৰহ জন্মিছে দেখি সেই কথা কেই আষাৰ মোলৈ সোনকালে লিখি পঠাবলৈ অনুৰোধ কৰিলো।

মোৰ গাঁ ভাল নহয়। তথাপি এই পুৰণি কথাবোৰ পাওঁলি ভাল লাগে কাৰণে আপোনাক এইদৰে আমনি কৰিব লগা হৈছে। হেলা নকৰি উত্তৰ দিব বুলি আশা কৰিলোঁ।

আশা কৰো আপোনাৰ মন আৰু গা সম্পূৰ্ণ নিৰাময় অৱস্থাত আছে। স্নেহ সম্ভাষণ ল'ব। ইতি---

আপোনাৰ
শ্ৰীসৰ্ব্বেশ্বৰ বৰুৱা

পুনশ্চ---

১। ব্ৰিটিছৰ প্ৰথম আমোলত অৰ্থাৎ ১৮২৩ চনৰ পিছতে অসমীয়া সম্ভ্ৰান্ত বংশীয় লোকসকলক আহোম ৰজাঘৰীয়া বিষয়ৱাৰ মতে চলি অহা পদবী বা খিতাববোৰ নামৰ পিছত পৰিয়ালৰ নাম (surname) ৰূপে কৰা নিয়ম নিষেধ কৰা হৈছিল। কিন্তু সেই লোকসকলৰ প্ৰতিবাদমূলক আবেদন শুনি ১৮৫০ চন মানৰ পিছত সেই নিষেধাজ্ঞা উঠাই লোৱা হ'ল। সেই নিবন্ধ মতে ১৮৩৮-৩৯ চনৰ চনদত ডাঙৰীয়া মহেশ্বৰ বাপু বৰুৱাৰ নাম মহেশ্বৰ শৰ্ম্মা (মৌজাদাৰ) বুলিহে লিখা হৈছে। ১৮৫৭ চন মানত দেৱৰগাঁৱত ৺পদ্মকান্ত বৰুৱা কি তেখেতৰ পিতাকক দিয়া চনদত বৰুৱা খিতাপ লিখা আছিল।
মিলচ চাহাবৰ ১৮৫৪ চনৰ ৰিপৰ্টখনত এইবোৰ আছে নেকি ?

(২)

উত্তৰ লক্ষীমপুৰ
২৯।১২।৬৮

মৰমৰ শ্রীশৰ্ম্মাদেৱ,

মোৰ চিঠিৰ তত্তালিকে উত্তৰ দিয়া বাবে আপোনাক নহৈ ধন্যবাদ জনাইছো। ইয়াৰ বাবে মই এতিয়া মুওত কৰা বংশাৱলীত আপোনাৰ নাম লৈ এক্ষাৰৰ উনুকিয়াবলৈকো থিৰ কৰিছোঁ।

আপুনি লিখা "ককাদউতাৰ মৌজা ৪ টা তেতিয়া লক্ষীমপুৰ জিলাত ভুক্ত আছিল। "ককাদেউতাৰ মৃত্যুৰ অব্যাহিত পিছত হে কলাবাৰী আৰু গহপুৰ মৌজা দৰং জিলাত চামিল হয়। গতিকে যিগ্লচ্ চাহাবৰ ৰিপৰ্টৰ তাৰিখটো লাগে। মোৰ অবগতি মতে এটা ৰিপৰ্ট ১৮৫৪ চনত লিখা। এইখিনি কথা সেই ৰিপৰ্টতে আছে নে কি নাই কোন ৰিপৰ্টৰ পন্না দিছে জনাব। তাৰ উপৰি সেই ৰিপৰ্টৰ কোন কোন পিঠিত কথাখিনি পোৱা গৈছে তাকো জনাব।

স্নেহপূৰ্ণ সম্ভাষণ লব। ইতি—

আপোনাৰ
শ্রীসৰ্ব্বেশ্বৰ বৰুৱা।

মহেন্দ্র বৰাৰ চিঠি

গোৱালপাৰা
১৬ মাৰ্চ ১৯৬৯

পৰম শ্রদ্ধাভাজনেষু,

আপোনাৰ চিঠি পালোঁ। বাতৰি কাকতত বাতৰিটো পায়েই মনত কৰ সন্তোষ লাগিল। বহুদিনৰ মূৰত যে সাহিত্য একাডেমীৰ এলা-গীলৈ মনত পৰিল। এই কথাই আমাৰ সকলোৰে মনত সন্তোষ দিছে। আৰু খুব ভাল লাগিছে, যিজনক সঁচাকৈয়ে সন্মানিত কৰা উচিত, সেইজনকে সন্মানিত কৰিছে। পুথিখন লিখি থাকোঁতেই মই আপোনাক কৈছিলোঁ, ই আপোনাৰ জীৱনৰ অমৰ সৌধ স্বৰূপ হৈছে। 'আৱাহন'ৰ সমালোচনাটো কাইলৈ পঠাম। এই কেইদিন বিদ্যালি-মেলি আহি পুৱাহে উদ্ধাৰ কৰিব পাৰিছোঁ।

আৰু কিতাপখন ইংৰাজীলৈ অনুবাদ কৰিবলৈ মোৰ একান্ত ইচ্ছা। কেৱল সময়ৰ বৰ নাটনি কাৰণেহে ভয় লাগিছে—জানোচা সময় মতে উলিয়াই দিব নোৱাৰোঁগৈ। আপোনাক কেতিয়া মানে দিলে হ'ব, সেই কথা জনাই লিখিব। বৰ লৰালৰিকৈ নেলাগে যদি মই কামটো আৰম্ভ কৰি দিম।

শেষত আকৌ ক'ৰ খুজিছোঁ, আপুনি এইদৰে সম্মানিত হোৱা শুনি অসমীয়া সাহিত্যৰ লগত যাৰ সামান্যতম সম্পৰ্কও আছে সেই সকলোৱেই নিজে সম্মানিত হোৱাৰ আনন্দ পাইছে। আমি নিজেও এই সম্মানৰ অংশীদাৰ হোৱাৰ আনন্দ লাভ কৰিছোঁ।

পৰম শ্ৰদ্ধাৰে—

আপোনাৰ মৰমৰ
মহেন্দ্ৰ বৰা।

শ্ৰীজিতেন বৰাৰ চিঠি

P. O. Hawraghat
Hawraghat Dev. Block
H. 20.8.74
Dt. Mikir Hills
(Assam)

শ্ৰদ্ধাৰে,

আপোনালৈ মোৰ আন্তৰিক শ্ৰদ্ধা ভৰা প্ৰণাম জনাইছো। আপোনাৰ চিঠি পালো। আপুনি মোৰ পৰিচয় সুধিছে, মোৰ ঘৰ নগাঁও জিলাৰ চামগুৰিত। পিতৃৰ নাম স্বৰ্গীয় উপেন বৰা।) মই ইয়াত চাকৰি কৰোঁ। ইয়াৰ আগতেও আপোনালৈ চিঠি দিছিলো।

বিভিন্ন আলোচনী কাকত আদিত দুই এটা প্ৰবন্ধ (বুৰঞ্জীমূলক) প্ৰকাশ পাইছে। গোভাৰ বুৰঞ্জী, কপিলি যমুনা উপত্যকাৰ সভ্যতা নামক কিতাপ আৰু পুস্তিকা এখন হাতে লিখা অৱস্থাতে আছে। আৰ্থিক অভাৱত প্ৰকাশ কৰিব পৰা নাই। যেই নহওক ডিমাছা লোকসকলৰ মাজত থকা তুলাৰাম সেনাপতিদেৱৰ কাহিনীয়ে মোক আকৃষ্ট কৰে আৰু সংগ্ৰহৰ প্ৰচেষ্টা কৰিছো। স্থানীয় বহু কেইজন মুখিয়াল লোকে মোক সহায় কৰিছে আৰু জিলা পৰিষদৰ সভ্য শ্ৰীহানু ৰাম মেছদেৰেও উৎসাহ দিছে।

আপুনি লেখা তুলাৰাম সেনাপতিদেৱৰ বিষয়ক প্ৰবন্ধ নগাঁত হোৱা সাহিত্য সভাৰ অধিবেশনৰ মুখপত্ৰত পঢ়িছোঁ। সেই প্ৰবন্ধ তেওঁলোকৰ মাজত মই পঢ়ি শুনাইছো। ডিমাছা লোকসকলৰ গভীৰ বিশ্বাস যে তেওঁৰ মৃত্যু হোৱা নাই। গতিকে এইখিনিতেই তেওঁলোকে আপোনাৰ প্ৰতি অসুখী। যেই নহওক মই অন্যপ্ৰকাৰে এই কথাষাৰ তেওঁলোকৰ মাজত দাঙি ধৰিম। গোটেই কথাখিনি সংগ্ৰহ হ'লে মই আপোনাক জনাম।

ৰেডৰ কিতাপ এখন মোৰ নিজা ব্যৱহাৰৰ কাৰণে পঠাব। উত্তৰৰ কাৰণে ইয়াৰ লগতে ডাক টিকট পঠালো। কিতাপৰ (V.P.P.) ডাক টেপোলা পালে মই তৎকালে মোকোলাম। পুনৰ শ্ৰদ্ধা জনালো। ভবিষ্যতে আপোনাৰ আশীৰ্বাদৰ আশা কৰোঁ।

ইতি--
শ্ৰীজিতেন বৰা।

শ্ৰীৰংবং তেৰাঙৰ চিঠি

ডিফু ঃ মিকিৰ পাহাৰ
২৮ আগষ্ট, ১৯৭২

পৰম পূজনীয়
ককাদেউতা,

কাৰ্‌দম আৰু ভক্তিৰে মোৰ বিৰ্‌তা গ্ৰহণ কৰিব। কাৰ্‌বি বুৰঞ্জীৰ পাত এখিলা নকল কৰিবলৈ পাই মনত আনন্দ পাইছোঁ। নকল কৰি পঠাওঁতে যথেষ্ট পলম হ'ল। বেয়া খং নলব। আমাৰ কাৰ্‌বিসকল বেচি দূৰলৈ চাৰ শিকা নাই। ইমান পুৰণি কাকত খিলা আপোনাৰ হাতত থকাত মই আচৰিত হৈছোঁ। সযত্নে এনেবোৰ কাকত থোৱাৰ আহি আমাৰ কেইজন কাৰ্‌বিৰ আছে ক'ব নোৱাৰোঁ। আপোনাৰ এনেবোৰ মৰম জাতিটোৰ ককাদেউতাৰ স্বৰূপ।

আশা কৰোঁ আপোনাৰ ভাল। মোৰ কাৰ্‌বি অভিধানখন ছপাব পৰা নাই। কোনো প্ৰেছেই যোগাযোগ কৰিবলৈ ইচ্ছা কৰা নাই। আপোনাৰ কোনোবা চিনাকি প্ৰেছৰ লগত যোগাযোগ কৰাব পাৰিব নেকি? খৰছৰ ফালৰ পৰা অভাৱ নহ'ব। অনুগ্ৰহ কৰি জনালে, বৰ সুখী হম। শেষত মোৰ কাৰ্‌দম জনালোঁ। ইতি

আপোনাৰ
শ্ৰীৰংবং তেৰাং

[ডিমাচম পৰা এজন ছেমনীয়া আমো ছাত্রই এই চিঠিখন ১৯২৭ চনত লিখিছিল। চিঠিখনৰ ইংৰাজী পূৰ্ণ পাঠ দিয়া হ'ল।]

Jaiaw Hostel, Shillong, Assam.
Feb. 17.1.927

My Dear Benudhar,

It is a very long time since I have heard nothing from you. Most probably you must have thought that I have forgotten you. I have not forgotten you, Mr. Benudhar Don't think that.

Will you please do me a favour this time in answering this letter ? I have been highly interested to hear once that you know very well about the history of the Garo's You once wrote to me last year that Dr. Wades' 'History of Assam,' wherein is given the comprehensive history of the Garos, was going to be out of print then. I shall be highly obliged to you if you please let me know now its price. I told some of my friends about it and some of them ask me to write to you. I also would be glad to secure a copy of it. So please let me know of it as soon as possible without fail.

I am now in class IX. I will try to work hard, so that I may come off successfully in the Matric in 1929. I have some Assamese friends in our school. I used to talk with some of them about Assam and what each of us can do to her. Surely we are born in Assam to make her better. Therefore it is our duty to do something in our life to make her better than before. I have been highly interested in reading the chapter 35 of Rubindranath Tagore's "Geetanjali". I wish that his prayer for motherland be granted soon.

Yesternight I attended a meeting held to congratulate Rev. J.J. M. Nichols Roy on his appointment as Minister

to the Government of Assam. It was a splendid gathering. There were several speakers who spoke highly of him and of his services in the legislative council. He earned his position by his sheer force of sterling work. I also had a talk with him once. He is bent on doing some good to Assam in his new office. Righteousness, impartiality and justice are his watchwords now. I also congratulate him on his appointment as Minister. He is one who implicitly believes in God and Christianity. By his influence Assam may be drawn nearer to the realization of true God.

Well Benudhar, I hope you are busy now in doing something for our country. We should look to the time when there will be a complete self-Government in Assam. Should Providence bring it to pass, I also have a mind to enter political arena, and try to hasten the day when we shall enjoy complete self-Government in Assam.

I wish you all success in you good work for your motherland.

I am well and hope you too be the same.

With kindest thoughts and all good wishes for the New Year.

Your sincere friend,
Dewansing S. Rongmuty

প্রফুল্ল চন্দ্র বৰুৱাৰ চিঠি

শিৱসাগৰ ঃ অসম
১১-৪-৮০

মৰমৰ শৰ্ম্মাদেও,

আপোনাৰ ৫।২।৮০ তাৰিখৰ চিঠি চতুৰ্থ মাটৰ দুঘটনাত পৰি আৰোগ্য লাভৰ পথত দুলীয়াজানত কনিষ্ঠ পুত্ৰৰ ঘৰত থকা অৱস্থাত পাই পৰম সুখী হৈছোঁ। লগতে ১৯৮২ চনৰ শেহতীয়াকৈ লিখিত আপুকলীয়া চিঠিখনি পাই আমি এটাৰে কিমান যে আনন্দ পাইছো

তাক আৰু ক'ৰৰ প্ৰয়োজন নাই। জগতে আনৰ চকুত নপৰা আৰু নিজৰ কোনো প্ৰয়োজনত নহা আনৰ ফটা-চিতা কাগজেও যে আপোনাৰ সযতনে ৰখাৰ তীব্ৰ স্পৃহাৰ পৰা ৰক্ষা নপৰে তাৰ নিদৰ্শন পোৱা হ'ল। আপোনাৰ এই মহৎ গুণৰ ওচৰত আমি নতমস্তক হওঁ। "পুৰণিক নেযাবা পাহৰি"ই আপোনাৰ ধ্যান। পুৰণিৰ প্ৰতি প্ৰীতিসুলভ ৰভাৱ আৰু অভ্যাসে আপোনাৰ ইতিহাসপ্ৰাণক মূৰ্ত কৰি ৰাখিছে।

আপুনি লেখা "মৰিবলৈ দিন নাই, যমে চুলিত ধৰি টানি আছে" এইফাকি কথা মোৰ ক্ষেত্ৰতো সমানে প্ৰযোজ্য। ঘিকেইটা দিন বহি থাকো কৰ্ম কৰি শেষ হ'ব। ফলাফল চিন্তা কৰাৰ প্ৰয়োজন নাই। ই ঈশ্বৰৰো ইচ্ছা।

"দেউতাৰ নামত সাজিব ধৰা সদনটি মোৰ মানত জকাহে; তাক জীৱন্ত কৰি তুলিবলৈ হ'লে লাগিব আধুনিকৰ পৰিধি, অসমৰ পুৰণি গীত, বাদ্য, নৃত্য, ভাওনা আদিৰ উদ্ধাৰ সাধন, গবেষণা, অনুশীলন আৰু দেশ-বিদেশত তাৰ বিকাশ আৰু প্ৰদৰ্শনৰ ব্যৱস্থা কৰা। জানো, এই মহৎ কাৰ্য্যৰ আৰম্ভণী কৰিবলৈ সময় পাওঁনে নেপাওঁ ক'ব নোৱাৰোঁ। কিন্তু ভাবিকালৰ সংস্কৃতিপ্ৰাণ মানুহে তাক কৰিব লাগিব। নহ'লে এই সকলো আমাৰ প্ৰচেষ্টা, চিন্তা-শ্ৰম আদি আপুনি সংশয় কৰা অনুসৰি Historical & Antiquarian Studies ৰ দশাপ্ৰাপ্ত হ'বগৈ। ঈশ্বৰে যেন তাকে নকৰক এইয়ে কামনা। প্ৰীতি সম্ভাষণেৰে—ইতি, আপোনাৰ

শ্ৰীপ্ৰফুল্লচন্দ্ৰ বৰুৱা

পুনঃ আপোনাৰ মোলৈ দিয়া চিঠি আৰু দেউতাৰ আখৰকেইটিৰ photostat কপি কৰা হৈছিল। তাৰে এটা কপি আপোনাৰ জ্ঞাতাৰ্থে আৰু সংৰক্ষণাৰ্থে ইয়াৰ লগত পঠালোঁ ভাল পাব বুলি।

শ্ৰীপৰনাথ শৰ্ম্মাৰ চিঠি

সোণাৰি
২৬।৮।৭৬

শ্ৰদ্ধাস্পদেষু,

পত্ৰে আমাৰ সেৱা গ্ৰহণ কৰিব। আপোনাৰ চিঠি পাই বৰ ভাল পালো। আৰু "কেসাৰ গোস্বামীৰ সম্পৰ্কত আপুনি ঘিকেইটা

বহুমূলীয়া মন্তব্য কৰিলে আমাৰ টোকাবহীত ৰাখিছোঁ। ৺গোস্বামীৰ গুণাৱলী পুথিখনত প্ৰকাশ নেপালে বুলি আপুনি লিখিছে। এই সম্পৰ্কে আমাৰ মন্তব্য হ'ল, ৺গোস্বামীৰ সহকৰ্মী আৰু তেখেতৰ বিষয়ে জনা বহুতো ব্যক্তিৰ ওচৰ চাপি আমি বিফল হ'লোঁ—দুই তিনিবাৰকৈ চিঠি দিও তেওঁলোকৰ পৰা মাত এষাৰো নেপালো। আপুনি প্ৰথমতে চকুৰে নমনো বুলিও আমি চীনা জোক লগাদি লগাত জানিবা পিছত বাণী এষাৰকে পঠালে। বহুতে আকৌ আমাৰ অনুৰোধক্ৰমে কেৰেপকে নকৰিলে। "গালো গান গ'ল উৰি, গৰুও মৰিল, ঘোলে পোকো সৰিল।" ৺গোস্বামী মৰি গ'ল, তেওঁৰ লগতে সকলো ডাহ গ'ল—আমাৰ অসমীয়া জাতিটোৰ গুণাৱলী বা গুণমালা এখন লেখিব পৰা হলে! জীৱন্ত অৱস্থাত কোনো গুণী শিল্পী সাহিত্যিক বা ব্যক্তিয়ে একো সন্মান নেপাই, মৰাৰ লগে লগে হৈ-চৈ কান্দোন কাটোন আৰু কত কি। মৃত ব্যক্তিজনক মানুহৰ শাৰীত নথয় গৈ। কাকতে-পত্ৰে কেৱল তেওঁৰ গুণগান। দুদিন মানৰ পিছত সকলো ফুটুকাৰ ফেন, সকলো ধান খেৰৰ জুই। ৺গোস্বামীৰ ক্ষেত্ৰতো সেয়ে হ'ল। আমাৰ মাজতো মানুহ নামধাৰী মোম-নেগুৰ বজ্জিত এনে পোকো আছে। যি তেওঁৰ সা-সম্পত্তি নিজৰ কৰিতো ললেই দুই এজনে তেওঁৰ ফাইল, লেখা প্ৰবন্ধ পাতি, দিনলিপি বোৰ "গাইব" কৰি পেলালে। এনে অৱস্থাত স্মৃতি গ্ৰন্থখনিৰ দ্বাৰা তেওঁক মৰিশালিৰ পৰা উলিয়াই আনিবলৈ কৰা প্ৰচেষ্টা মাথোন। গতিকে ভুল-চুক থাকি যোৱাটো স্বাভাৱিক। এমাহমানৰ আগতে মেলেং চেলেং আদি লৈ অহা খবৰ পাইছিলো। ইয়াৰ পৰাই অনুমান কৰিছো, আপোনাৰ মেচিনটো এতিয়াও 'চালু' হৈ আছে। আমি ইয়াকে বিচাৰো। মঙ্গল বাতৰি পাবলৈ বাট চাই থাকিলোঁ ইতি---

আপোনাৰ
শ্ৰীপৰ নাথ শৰ্ম্মা।

ছৈয়দা আকেলা বেগমৰ চিঠি

শ্ৰদ্ধাস্পদেষু,

প্ৰণাম জনাইছোঁ।

আপোনাৰ ২।১০।৬৮ তাৰিখৰ চিঠিখন কালিহে পাইছোঁ। কলেজ বন্ধ থকাত মই ঘৰলৈ গৈছিলো বাবে পোৱাত পলম হৈ গ'ল।

আপোনাব চিঠিখন মই মোব জীবনব পবম লভ্য আশীর্ব্বাদ বুলি লৈছো। আশা বাখিছোঁ ভবিষ্যত জীবনতো আপোনাব আশীর্ব্বাদব উপযোগী হৈ যেন থাকিব পাবোঁ।

"মেজবকন্যাব কবিতা" পঢ়ি আপুনি ভাল পাইছে বুলি লিখা বাবে মই কৃতার্থ মানিছো। এইটোবেই মোব প্রথম প্রবন্ধ চপা আকাশবত। কলেজত কাম কবি পেট প্রব্রর্ত্তালেও সাহিত্যব বিষয়ে (ওপবত নহয়) কিবা লিখাব সাহ মোব নাই। ডিব্রুগড়বাসী ডঃ ভোলানাথ চক্রবর্ত্তী ভাওবীয়াই সম্পাদনা কবি উলিওবা "সূর্য্য প্রণাম" মোলা কিতাপখনত প্রকাশ হৈছে। আপুনি লিখিছে এইটো প্রবন্ধ তেজপুবব "মহাজাতি" বোলা কাকতখনত পঢ়িছে বুলি। ক'বলাত কিবা বিদ্যুতি ঘটিছে, মইহে বুজি পোবা নাই।

আপুনি জনোবাব সিচত প্রবন্ধটো মই নিজে এবাব পঢ়ি চালোঁ বিশেষ একো ধবিব নোবাবিলো। ভাব হৈছে মোব প্রবন্ধটো আপুনি অলপ বেচিকৈ ভাল বুলি কৈছে। সেয়া যদি মোব প্রতি আপোনাব সজ ইচ্ছা হয়, আশীর্ব্বাদ হয় তেন্তে মই নতশিবে গ্রহণ কবিছোঁ।

আপোনাব চিঠিয়ে কিন্তু মোব খুব প্রেবণা দিছে। ইয়াব আগতে গুৱাহাটীব পবা প্রকাশ হোবা "অসমীয়া" বোলা আলোচনীখনিলৈ চর্য্যাপদ (বচনা আৰু বচক) সম্পর্কে অলপ কথা লিখি পঠিয়াইছিলোঁ। প্রকাশ নহ'ল। (পঠিওবা চাবি মাহ হৈ গৈছে) ভাবিছিলোঁ লিখাব যোগ্যতা মোব নাই। আপোনাব চিঠি পঢ়িও মই নিজকে উপযুক্ত (নে উপযুক্তা) বুলি ভাবিব পবা নাই যদিও আগলৈ আশা এটি পুহিবলৈ সাহকণ গোটাব খুজিছোঁ। ভুল হৈছে যদি ক'ব নোবাবোঁ। চর্য্যা সম্পর্কে লিখাব ইচ্ছা মোব এই কাবণেই যে অসমীয়া ভাষাব আদি স্তব পঢ়োতে আমি চর্য্যাব কথা পঢ়িব লাগে। কিন্তু এতিয়ালৈ এই পুথিখনিব বহল আলোচনা আমি নিজা ভাষাত পোবা নাই। চর্য্যাব ধর্ম্মমত সম্পর্কে আন এটি প্রবন্ধ মই লিখি থৈছো। ডিব্রুগড় বিশ্ববিদ্যালয়ব অধ্যাপক ডঃ সত্যেন গোস্বামীদেবক চাই দিবলৈ অনুবোধ কবিছো। প্রবন্ধটো পঢ়ি তেখেতে কি মন্তব্য দিয়ে ক'ব নোবাবোঁ। "একো হোবা নাই" বুলি ক'ব বুলি ভাবিহে বুকু কঁপি আছে। সাহিত্য আলোচনা বা সমালোচনা কবিবলৈ যি প্রতিভা লাগে, যিমানখিনি অধ্যয়ন লাগে সেয়া মোব নাই। কলেজ আৰু ঘবব

কাম কৰি সময় পালে কেতিয়াবা পত্ৰো, লিখোঁ। তেনে ধৰণেই 'বেজৰবৰুৱাৰ কবিতা' লিখিছোঁ। সেইবাবে "বেজৰবৰুৱাৰ কবিতা"ত মোৰ অধ্যয়নৰ পৰিচয় আছে বুলি আপুনি কোৱাত মই লাজ পাইছোঁ। বহুত কথা লিখিলোঁ—বেয়া নাপাব।

আপুনি ঠিকেই কৈছে মই আপোনাৰ ছোৱালী বা বোৱাৰীৰ বয়সৰ। ১৯৬৩ চনত গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা মই স্নাতকোত্তৰ পৰীক্ষাৰ দেওনা কথমপি পাৰ হৈ ১৯৬৫ চনৰ পৰা ডিগবৈ কলেজত অধ্যাপনাৰ কাম (কবিবৰ লায়ক মই নহও যদিও) কৰি আছোঁ। ১৯৬৪ চনত মোৰ বিয়া হয় শিৱসাগৰৰ আমগুৰি ঘাউত। এতিয়া মই আৰু মোৰ স্বামী দুয়ো একেখন কলেজত অধ্যাপনা কৰোঁ। তেখেত উদ্ভিদ বিদ্যা পঢ়ুৱায়। আমাৰ দুটি ল'ৰাও আছে। (ভগবানৰ মহিমা) বয়স মথাক্রমে ৩ আৰু ২ বছৰ। মোৰ নিজা ঘৰ গোৱালপৰীয়া জিলাৰ অভয়াপুৰীত। অর্থাৎ মই গোৱালপৰীয়া অসমীয়া (বহুতে বঙালী বুলিও কয়) আপুনি মোৰ পিতৃ স্থানীয়। গতিকে তুমি বুলি সম্বোধন কৰাত বেয়া পোৱাৰ প্রশ্ন নুঠে। আমাৰ গোৱালপৰীয়া মানুহে নিজৰ ল'ৰা-ছোৱালীক 'তই' বুলিহে সম্বোধন কৰে। আপুনি তুমি বা "তই" যিহকে মন যায় লিখিব মই ভাল পাম। মুঠতে আপোনাৰ আশীৰ্ব্বাদ আৰু সহায় মোৰ কাম্য—কৈ থলোঁ। আশা কৰোঁ আমনি পোৱা নাই। আজিলৈ আৰু নিলিখোঁ। আপোনালৈ দিহা বিচাৰি কেতিয়াবা চিঠি দিলে উত্তৰ দিয়ে যদি ভাল পাম।

দুনাই শ্রদ্ধা জনাইছোঁ।

ইতি
আশীৰ্ব্বাদ কামী
ছৈয়দা আকেলা বেগম
ডিগবৈ
২৪।১০।৬৮

শ্রীভুবনচন্দ্র সন্দিকৈৰ চিঠি

জয়সাগৰ
২৯।৪।৫৭

শ্রদ্ধেয় দাদা,

আপোনাৰ পৰা হঠাৎ কৰোঁ চিঠিখন পাই হঠাৎ মনত বৰ লাগিল। সেই কিতাপ খোৱা যে আপুনি পঢ়িবলৈ সময় পাব আৰু পঢ়িয়েই যে

কিবা লিখিব তেনে আশাকে কৰা নাছিলো। চিঠি দুবাৰমান পঢ়ি ধন্যবাদ নিদি নোৱাৰিলো। চিঠিত প্ৰথম ভাগত মোৰ সম্পৰ্কে দিয়া কথাবিলাক (সাহিত্য সেৱাৰ) কিমান ভাগী হ'ব পাৰিছো তাৰ বিচাৰ মোৰ হাতত নাই---আপোনালোকৰ হাততহে। মাজত দিয়া কথাখিনি তেনেই সঁচা। এক পৃষ্ঠা লিখোতে মোৰ বানান ভুল ১—১৫ টা হয়। বহুক্ষেত্ৰত এইটো ভুল বুলি জানিও হেঁচা মাৰি যি হয় হ'ব ভাবি ধমাধম লিখি যোৱাটো মোৰ এটা জঘন্য অভ্যাস হৈ পৰিছে। শ্ৰীযুত পদ্মধৰ চলিহাদেৱেও সেই কথাকে কয়। তথাপি মই তাৰ পৰা নিষ্কৃতি পোৱা নাম্ন।

বুৰঞ্জীৰ কথাখিনি মোৰ নিজা নহয়। য'ৰ পৰা পালোঁ তাতো মোৰো অলপ অচৰপ সন্দেহ আছে। লিখিলোঁ মাথোন বহুল আলোচনাৰ কাৰণেহে। আলোচনা-বিলোচনা হ'লেই তথ্যপাতি ওলাব আৰু সাহিত্যত বহুল হ'ব। ৰূপচন কোঁৱৰৰ আৰু পিয়লীৰ গীত আছে বুলি শুনিছো। কিতাপখন লিখিবৰ সময়ত দুজনমানক কাকুতি-মিনতি কৰিয়ো গীতৰ দুই এফাকি সংগ্ৰহ কৰিব নোৱাৰিলো। বৰ লৰালৰিকৈ লিখা হ'ল যদিও ছপাশালত গোটাই লিখাত আকৌ আধা কৰি পেলালে। আপোনালোকে ভাল পালেহে, ভাল হ'ল বুলি ময়ো পতিয়ন যাব পাৰো।

ডেকা লিখকসকলে কেতিয়াবা য'তে ত'তে বুৰঞ্জীমূলক আৰু গবেষণামূলক নানা কথা লিখে। সেই লিখাবিলাক লিখোতে তেওঁলোকে কিমান দিনত লিখে আৰু কিমানদিন পঢ়ে আৰু কিমানদূৰ তাক ভালকৈ বুজিবলৈ চেষ্টা কৰে ক'ব নোৱাৰো। মোৰ ক্ষেত্ৰত এটা প্ৰবন্ধ লিখিবলৈ হলে দেখোন ৬ মাহ এবছৰ লাগে। তথাপি প্ৰকাশ হোৱাৰ পাছতো নিজৰ মনত অসম্পূৰ্ণ হোৱা যেন লাগে। এই কিতাপত দিব লগা প্ৰয়োজনীয় কেবাটাও কথা পাহৰি গলো। আপুনি কোৱা সকলো কথা আৰু নতুনকৈ পোৱা কথাবিলাক যদিহে কেতিয়াবা পাৰো বা হয় ২য় তাওঁৰণ প্ৰকাশ কৰোতে নিশ্চয় সংশোধন কৰিম।

মৈদামটো ওলাল ঠিক ফাগুৱাদ'লৰ কাষতে। এক দেওবাৰে আমাৰ ইয়াত থকা পঞ্চায়ত চেক্ৰেটৰীসকলক লগত লৈ হাবি কাটিলো। আৰু এদিন মাটি খান্দি তলত থকা পকা ঘৰটো বাহিৰ কৰিলো।

কিন্তু ওপৰৰ পকী চালখন ভাগি জহি-খহি তাতে পৰি গাওঁ পুৰ হৈ আছে। বৰ বৰ শিল, ইটা, গছৰ মুঢ়া আৰু চুকিওবিয়ে পোট খাই আছে। সেইবিলাক সম্পূৰ্ণৰূপে নতৰালে তাৰ ভিতৰত কি আছে ক'ব নোৱাৰি। ল'ৰাবিলাক ভাগৰিল—মোৰো খৰহ কৰিবলৈ অন্তৰ। গতিকে মনৰ আশা মনতে থাকিল। বাৰিষা পুনৰ তাত চোৰাৎ, বান্দৰকেকুৱা গজিব। সাপো আহিব, কেউফালে পানীও হ'ব। এইবিলাক জনসাধাৰণৰ দৰ্শনত হকে সম্পূৰ্ণকৈ উলিয়াই ৰাখিবলৈ চৰ্কাৰৰ ফালৰ পৰাও অলপ কাৰবাৰ হব লাগে। আপোনালোকেও অলপ এই বিলাকৰ প্ৰতি দৃষ্টি আকৰ্ষণ কৰোৱাব। চৰাইদেওত থকা বিলাক বৰ ৰহত। নিজে নাচালে ভাবিবকে নোৱাৰি। মই চাই আহিলোগৈ। একো একোটা ১০০ হাত—৮০ হাত পৰ্য্যন্ত আছে। সম্পূৰ্ণ পকীঘৰত। অধিক নাই। নমস্কাৰ আৰু সম্ভাষণ গ্ৰহণ কৰিব। ইতি---

আপোনাৰ
ভুবন চন্দ্ৰ সন্দিকৈ

শ্ৰীহোমেন ৰৰগোহাঞিৰ চিঠি

যোৰহাট
৪।৬।৬৮

পূজ্যবৰেষু,

অজিতদাৰ মুখত শুনিব যে মই প্ৰায় তেৰ বছৰ চৰকাৰী চাকৰি কৰি এতিয়া এখন সাপ্তাহিক আলোচনীৰ সম্পাদক হ'বৰ মনেৰে চাকৰি এৰিছোঁ। অসমীয়া আলোচনীৰ infant mortality ৰ হাৰ অতি বেচি বুলি জানিও সমাজৰ সেৱা কৰাৰ অদৃশ্য প্ৰেৰণাত মৰসাহ কৰি এই কামলৈ আগবাঢ়িছোঁ। গতিকে মোক আপোনাৰ আশীৰ্ব্বাদ লাগে। পিছে আটাইতকৈ ডাঙৰ আশীৰ্ব্বাদ হ'ব---যদিহে আপুনি মাজে-মধ্যে মোৰ কাকতলৈ আপোনাৰ বহুমূলীয়া ৰচনা দি মোক সহায় কৰে। মই আপোনাক অসমৰ সৰ্বশ্ৰেষ্ঠ বুৰঞ্জীবিদ্ আৰু জীৱন চৰিতকাৰ বুলি ভাবোঁ। আপুনি অৰ্ঘ্যাৱলীত সন্নিবিষ্ট কৰা প্ৰবন্ধমালাৰ দৰে আৰু এলানি স্মৃতি চিত্ৰ লিখিলে সি আমাৰ সাহিত্যৰ আপুৰুগীয়া সম্পদ হৈ ৰ'ব। অহা বছৰৰ ভিতৰত আপুনি মোৰ কাকতৰ কাৰণে তেনেকুৱা ছটা স্মৃতি-চিত্ৰ (portaits from memory) লিখি দিব বুলি পৰম আশা কৰিলোঁ। লিখি নিদিলে

মোৰ পৰা বহুতো অত্যাচাৰ সহিব লাগিব। সদ্যহতে কিন্তু মোক বেলেগে এটা প্ৰৱন্ধ অতি সোনকালে লাগে। আপুনি গোটেই জীৱন ভূ-ভাৰতত অসমীয়া জাতিৰ সুকীয়া জীৱন-ধাৰা, সুকীয়া মনুষ্যত্বৰ সাধনা আৰু সুকীয়া ঐতিহাসিক ভূমিকা অধ্যয়ন কৰি কটালে। জীৱিত লোকসকলৰ ভিতৰত অসমীয়াৰ জাতীয় চৰিত্ৰ বা অসমীয়া মানুহৰ নাড়ী-নক্ষত্ৰ আপোনাতকৈ আন কোনেও ভালকৈ নেজানে। গতিকে আপুনি "এজন অসমীয়া মানুহৰ চানেকি (portrait of a typical Assamese) এই শিতানত এটা দীঘলীয়া প্ৰৱন্ধ লিখি জুলাই মাহৰ ভিতৰত মোৰ হাতত পৰাকৈ পঠাব বুলি পৰম আশা কৰিলোঁ। মই আপোনাৰ পৰা আশীৰ্ব্বাদ বিচাৰিছিলোঁ, আপুনি মোক এই প্ৰৱন্ধটো আশীৰ্ব্বাদ হিচাবে দিব লাগিব। মোৰ ইচ্ছা যে আপুনি এই দীঘলীয়া প্ৰৱন্ধত এজন typical অসমীয়া মানুহৰ দৈহিক গঠন, সাজপাৰ, ভোজন ৰুচি, মানসিক প্ৰকৃতি, ধৰ্মীয় দৃষ্টি-ভংগী, জীৱন সম্বন্ধে ধাৰণা, স্বভাৱ, পাৰ্থিব আৰু অপাৰ্থিব আশা-আকাঙ্খা—এই সকলোখিনি খৰছি মাৰি লিখি এটা সম্পূৰ্ণ চিত্ৰ ফুটাই তুলিব। আপোনাৰ অনুপম, অননুকৰণীয় ভাষাত এই চিত্ৰ যে সকলোৰে হৃদয়হৰণকাৰী হৈ উঠিব, সেই কথা ক'লে আপুনি নিশ্চয় তোষামোদ কৰা বুলি নেভাবিব। এই প্ৰৱন্ধৰ উপযুক্ত মূল্য দিবলৈ আমাৰ স্পৰ্দ্ধা বা সামৰ্থ্য এটাও নাই, তথাপিও যি পাৰোঁ প্ৰণামী নিশ্চয় আগবঢ়াম। এষাৰিমান বাক্যেৰে হ'লেও আপোনাৰ পৰা উত্তৰ পালে বৰ সন্তোষ পাম। আমাৰ সেৱা ল'ব। ইতি—

আপোনাৰ
হোমেন বৰগোহাঞি

অধ্যক্ষ সদানন্দ চলিহাৰ চিঠি

বিশ্বনাথ কলেজ
চাৰিআলি
২।৬।৭২

শ্ৰদ্ধাস্পদেষু,

হেম গোস্বাঁইৰ জীৱনী পঢ়িলোঁ। তেওঁৰ 'ৰচনাৱলী'ও পঢ়া প্ৰায় শেষ হৈ উঠিছে। ইমানবোৰ পুৱলিফলীয়া আলোচনী আৰু বাতৰি

ৰাকতৰ অ'ত ত'ত সিঁচৰতি হৈ থকা সম্বন্ধবোৰ একেলগে থুপাই পূৰ্ণাংগ জীৱন-চৰিত এখন ৰচনা কৰিব পৰাটোৱে আপোনাৰ অনুসন্ধিৎসা, অধ্যৱসায় আৰু একনিষ্ঠ সাধনাৰ পৰিচয় দিছে। নতুন ধাননৰ কোনো সাহিত্যিকৰ পক্ষে এনে ধৰণৰ গ্ৰন্থ সংকলন বা সম্পাদন কৰাটো সম্ভৱপৰ নহ'লহেঁতেন।

আপুনি যে মোলৈ লিখিছিল, হেম গোসাঁইৰ স্মৃতি পুনৰুদ্ধাৰৰ প্ৰয়াসে আপোনাৰ চকু ঘূণীয়া কৰিলে বুলি; এতিয়া দেখিছোঁ, চকু ভাল হৈ থকা হ'লেহে অস্বাভাৱিক হ'লহেঁতেন। এইটো বৰ ডাঙৰ কাম সমাধা কৰিলে। যদি স্বাস্থ্যই কুলায় তেন্তে আৰু দুটামান কথাৰ ওপৰত আপুনি আলোকপাত কৰি যে গ'লে পৰপুৰুষ আপোনাৰ ওচৰত কৃতাৰ্থ হ'ব। সেই কথাবৰইটা হ'ল :—

(১) বিশ বছৰমানৰ আগতে নলবাৰীত এবাৰ পণ্ডিত প্ৰতাপচন্দ্ৰ গোস্বামী বিদ্যাবিনোদ ভাওৰীয়াক দেখা কৰিছিলো। তেওঁৰ সত্ৰখনৰ আঁতি-গুমি সোধাত তেওঁ মোটামুটি আভাস এটা দিলে আৰু বংশনাথ-ষেবামায়ে ভণিত 'গুৰু-বংশাৱলী' (মলবাৰী, ১৯৪২) শীৰ্ষক পুস্তিকা এখন দি ক'লে যে সেইখন পঢ়ি চালেই চৈতন্যপন্থী অসমীয়া সত্ৰ কেইখনৰ সংক্ষিপ্ত ধাৰণা এটা পোৱা যাব। কথা প্ৰসংগত তেওঁ আৰু ক'লে, "তোমালোকৰ ফালে (অৰ্থাৎ উজনি অসমৰ ফালে) এনেকুৱা সত্ৰ নাই। যিবা এখন আছিল, সিও নহ'লগৈ। আহোম ৰজাৰ অনুগ্ৰহ পোৱাৰ আশাত তেওঁলোকে আউনিআটীৰ পন্থাকে অনুসৰণ কৰিলে।"

এই সত্ৰখন ক'ত সোধাত প্ৰতাপ গোসাঁইয়ে ক'লে, "সেইখন হ'ল গোলাঘাট চেঁকীয়ালৰ গৌৰাং সত্ৰ। এই সত্ৰৰ প্ৰতিষ্ঠাপক কানুৰামৰ উপৰিপুৰুষ গৌৰাংগদেৱ চৈতন্যপন্থী আছিল; কিন্তু উজনিত চৈতন্যপন্থী ধৰ্মৰ অনুকূল পৰিবেশ নাপাই তেওঁ সত্ৰ প্ৰতিষ্ঠা কৰিব নোৱাৰিলে। তেওঁৰ পৰিনাতি কানুৰামেহে অহোমশেষত আউনিআটীৰ সহযোগত আহোম ৰজাৰ পৃষ্ঠপোষকতাত 'গৌৰাং' নাম দি সত্ৰ এখন প্ৰতিষ্ঠা কৰিলেগৈ।

এই তথ্য তেওঁনো ক'ত পালে, মই সুধিছিলোঁ। প্ৰতাপ গোসাঁইয়ে ক'লে যে এই কথা তেওঁ হেমচন্দ্ৰ গোস্বামীৰ পৰাই জানিব পাৰিছিল। হেম গোসাঁইৰ লগত তেওঁৰ গভীৰ সৌহাৰ্দ আছিল আৰু মলবাৰীৰ

কালে আহিলে গোসাঁয়ে (হেম গোসাঁয়ে) সাধাৰণতে তেওঁৰ ঘৰতে আলহী হৈছিল, তাৰ তেওঁ কেবাটাও উদাহৰণ দিছিল।

এতিয়া দেখিলো, আপুনি হেম গোসাঁইৰ যি বংশতালিকা দিছে, তাত উল্লিখিত 'ৰাম কানাই' ষোলাজনেই প্ৰতাপ গোস্বামীদেৱে কোৱা 'কানুৰাম'। কিন্তু ৰামকানাইৰ উপৰিপুৰুষৰ আপুনি যি ইতিবৃত্ত দিছে, তাৰ লগত প্ৰতাপ গোসাঁইৰ বক্তব্যৰ ক'তো মিল নাই। অথচ যদি হেম গোসাঁয়ে নিজে প্ৰতাপ গোসাঁইক ওপৰত উল্লেখ কৰা মৰ্মে কৈছিল, তেন্তে তেওঁ নিশ্চয় ফাঁকি দিয়া নাছিল বা ছদ্মাহী কথাও কোৱা নাছিল; তাৰ কিবা এটা ভিত্তি থাকিব লাগিব। হেম গোসাঁইৰ আদি পুৰুষজনৰ নাম 'গৌৰাংগ' হোৱাত (এইটো সঁচাকৈয়ে প্ৰকৃত নাম নে মানুহে দিয়া সন্মানসূচক নাম?) প্ৰতাপ গোস্বামীদেৱে কোৱা কথাখিনি একেবাৰে অমূলক বুলি ভাবিব নোৱাৰি।

আপুনি পাৰে যদি এই কথাটোৰ অলপ বুজ ল'বচোন। প্ৰতাপ গোসাঁই অৱশ্যে ইহলোকত নাই আৰু হেম গোসাঁইৰ ঘনিষ্ঠ সহযোগলৈ অহা সেইটো বয়সৰ আন লোকো বৰ্তমান এই জগতত জীৱিত থকা নাই। গতিকে সেই ভাষ্যৰ সত্যাসত্য নিৰূপণ কৰা টান হৈ পৰিছে।

আন এটা কথা। গৌৰাংগ সত্ৰৰ ইতিবৃত্ত আপুনি লিখিনি মুওত কৰিলে, তাৰ প্ৰামাণ্য কোনোবা সাঁচিপতীয়া পুথিত পাইছিল নে তেওঁলোকৰ বৰ্তমান বংশধৰসকলক সুধি-মেলি ঠিক কৰিছে? যদি দ্বিতীয়োক্ত সহায়েৰে সংগ্ৰহ কৰিছে, তেন্তে তেওঁলোকে নজনা কথাও থাকি যাব পাৰে।

(২) ১৯১৫ কি '১৬ চনত গুৱাহাটীত বংগীয় সাহিত্য পৰিষদৰ এখন সভা বহিছিল। তাত হেমচন্দ্ৰ গোস্বামীয়ে "আসামে শ্ৰীচৈতন্য" শিতান দি প্ৰবন্ধ এটা পাঠ কৰিছিল। এই প্ৰবন্ধ তেওঁ বাংলা ভাষাতে লিখিছিল। অসমত থকা চৈতন্যপন্থী সত্ৰবোৰৰ আভাস এটাও হেনো এই প্ৰবন্ধত দিয়া হৈছিল। এই প্ৰবন্ধৰ বাবে বেজবৰুৱাই পিচত তেওঁক নথৈ কৈফিয়ৎ কৰিলে; অৱশ্যে ঐতিহাসিক কাৰণবশতঃ নহয়, আবেগজনিত কাৰণবশতঃহে।

"সৰ্বেশ্বৰ কটকীয়ে এই ঘটনাটো তলত দিয়া মতে বিবৃত কৰিছে:

"গুৱাহাটী বংগীয় সাহিত্য পৰিষদত "আসামে চৈতন্য" নামে এটি

প্ৰবন্ধ বঙলাত পাঠ কৰিছিল। সাহিত্য পৰিষদৰ দ্বাৰা এই প্ৰবন্ধ প্ৰকাশিত হওঁতে বেজবৰুৱা ডাঙৰীয়াই কিন্তু 'বাঁহী'ত ইয়াৰ তীব্ৰ সমালোচনা প্ৰকাশ কৰিছিল। ১৯১৪ চনত বৰ্ধমানত অষ্টম বাৰ্ষীয় বংগীয় সাহিত্য সম্মিলন বহোঁ ত ৰায়বাহাদুৰ কালীচৰণ সেন, হেমচন্দ্ৰ গোস্বামী, পদ্মনাথ ভট্টাচাৰ্য্য, শ্ৰীযুত সিদ্ধিনাথ শৰ্ম্মা, শ্ৰীযুত হৰমোহন দাস, শ্ৰীযুত ৰত্নকান্ত বৰকাকতী, ৺চন্দ্ৰনাথ শৰ্মা আৰু এই প্ৰবন্ধ লিখক ওৱাহাটীৰ পৰা একেলগে সেই সম্মিলনলৈ গৈছিল। আমি তাত স্বচক্ষে দেখি আহিছিলোঁ, হেমচন্দ্ৰ গোস্বামীয়ে বংগীয় সাহিত্য ৰত্ন-সকলক অসমৰ প্ৰাচীন পুথি কেইখনমান দেখুৱাই অসমীয়া সাহিত্যৰ প্ৰাচীনত্ব আৰু শ্ৰেষ্ঠত্বৰ বিষয়ে কিদৰে সেইসকলৰ চিত্ত আকৰ্ষণ কৰিছিল।"

এতিয়া মোৰ বক্তব্য হ'ল, হেমচন্দ্ৰ গোস্বামীৰ এই প্ৰবন্ধটো ৰৰ মূল্যবান হ'ব। এইটো বিষয়ৰ আলোচনা কৰা অসমীয়া সাহিত্যিক তেৱেঁই বোধহয় সৰ্বপ্ৰথম আৰু সৰ্বশেষ। তদুপৰি বাংলাভাষাতো যে তেওঁৰ অবাধ দখল আছিল, তাকো প্ৰমাণ এই প্ৰবন্ধটোৱে দিছে। প্ৰবন্ধটো বংগীয় সাহিত্য পৰিষদে প্ৰকাশ কৰিছিল যেতিয়া বিচাৰিলে ক'ৰবাত নিশ্চয় পোৱা যাব। এই প্ৰবন্ধটো মই 'ৰচনাৱলী'ত পাম বুলি ভাবিছিলোঁ, পিচে নাপালোঁ। 'জীৱনী'খনতো আপুনি ইয়াৰ একো উল্লেখ কৰা নাই। শ্ৰীচৈতন্যদেৱৰ প্ৰতি হেমচন্দ্ৰ গোস্বামীৰ ইমান তীব্ৰ অনুৰাগ কিয় হ'ল, সেইটোও ভাবিবলগা বিষয়। মোৰ অনুমান গৌৰাংগদেৱ চৈতন্যপন্থী (?) হোৱাটোৱেই ইয়াৰ মূল কাৰণ।

আন এটা গৌণ বিষয়ৰ প্ৰতিও আপোনাৰ দৃষ্টি আকৰ্ষণ কৰিব খোজোঁ। 'হেমচন্দ্ৰ গোস্বামী সম্পৰ্কে প্ৰকাশিত টোকা-পুথি প্ৰবন্ধাদি'ৰ তালিকা এখন আপুনি দিছে। তাত সৰ্বেশ্বৰ কটকীৰ দুটা প্ৰবন্ধৰ উল্লেখ আছে। মই জনামতে তেওঁ হেমচন্দ্ৰ গোস্বামীৰ জীৱনী প্ৰবন্ধকাৰে 'চেতনা'তো প্ৰকাশ কৰিছিল আৰু সেইটোহে বেচি তথ্য-পূৰ্ণ আৰু বেচি নিৰ্ভৰযোগ্য প্ৰবন্ধ। "হেমচন্দ্ৰ গোস্বামীৰ জীৱন-চৰিত" নাম দি তেওঁ সৰু জীৱনী এখনো প্ৰকাশ কৰিছিল। অস-মীয়াত ওলোৱা হেম গোসাঁইৰ জীৱনী সেইখনেই প্ৰথম, সাহিত্য আৰু পুৰাতত্ত্বৰ গৱেষণাত লাগি থাকি সৰ্বেশ্বৰ কটকীদেৱ প্ৰায় সৰ্ব্বস্বান্ত হৈ পৰিছিল, তেওঁৰ স্বাস্থ্যও বেয়াকৈ ভাঙি পৰিছিল। আপুনি

'হেমচন্দ্ৰ গোস্বামী'ত প্ৰসংগক্ৰমে তেওঁৰ মহহ অৱদানৰ পলাগ লোৱা দেখি নথৈ বং পালো। আশা কৰো, "হেমচন্দ্ৰ গোস্বামীৰ জীৱন-চৰিত"খনো সাহিত্য সভাৰ হতুৱাই প্ৰকাশ কৰাৰ চেষ্টা কৰিব।

(৩) 'ঘোঁৰা নিদান' সম্পৰ্কে আপুনি যি লিখিছে, সি সঠিক নহয় (৯৯ পৃষ্ঠাত দ্ৰষ্টব্য)। মূল 'ঘোঁৰা নিদান' পুথিখন নগাঁৱৰ ব্ৰাহ্মণ এজনৰ ঘৰত পাই হেমচন্দ্ৰ গোস্বামীয়ে আনি কামৰূপ অনুসন্ধান সমিতিৰ পুথি-ভঁৰালত ৰাখিছিল। তেওঁৰে বন্ধু, সহযোগী আৰু সমনীয়া অৱসৰপ্ৰাপ্ত ছাব-ডেপুটি কলেক্টৰ তাৰিণীচৰণ ভট্টাচাৰ্যই এই পুথিখনকে সম্পাদনা কৰিবলৈ লয়; কিন্তু পাঠোদ্ধাৰ কৰাত আছকাল পাই তেওঁ (ভট্টাচাৰ্য্যই) কুলৰিল সন্ধ্যাধিকাৰ "পদ্মকান্ত গোস্বামীৰ পৰা 'ঘোঁৰা নিদান'ৰ আন এটা প্ৰতিলিপি সংগ্ৰহ কৰে। দুয়োটা কপি মিলাই তেওঁ মূল অসমীয়া আৰু তাৰ সমান্তৰাল ইংৰাজী ভাওনিসহ পুথিখন সম্পাদনা কৰি শেষ কৰে। কিন্তু ১৫ ডিচেম্বৰ, ১৯২৭ তাৰিখে ভট্টাচাৰ্যদেৱে শেষ নিশ্বাস এৰে। কিতাপখন অসম চৰকাৰৰ প্ৰত্নতত্ত্ব ১৯৩২ চনত প্ৰকাশিত হয়।

"তাৰিণীচৰণ ভট্টাচাৰ্য্য এজন নামজাদা লোক। তেওঁ হেম গোসাঁইৰ সমলাময়িক এছ-ডি-চি আছিল আৰু হেম গোসাঁইৰ তেজপুৰৰ পৰা বদলি হৈ যোৱাৰ পিচতে তেওঁ (ভট্টাচাৰ্য্য) তেজপুৰত সদৰ ছাব-ডেপুটি কলেক্টৰ নিযুক্ত হৈছিল। তেওঁৰ ঘৰো তেজপুৰতে। সম্ভৱ ১৯২৬ চনত তেওঁ অৱসৰ পায়। ঘোঁৰাত তেওঁৰ বৰ মিচা আছিল। সেইকালত বাহনো আছিল ঘাইকৈ ঘোঁৰা। পুৰণিকলীয়া অসমীয়া পশু বিজ্ঞান আৰু বনৌষধি সম্পৰ্কে গৱেষণা কৰাৰ বাসনা লৈ তেওঁ ১৯২৬ চনত ভৱাহাটীলৈ যায় আৰু তাতে 'ঘোঁৰা নিদান'খন সম্পাদনৰ কাৰ্য্যত হাত দিয়ে। মৃত্যুৱে তেওঁৰ নৱতনু সামৰি ঘোৱাত 'ঘোঁৰা নিদান'খনৰ বাহিৰে আন কিতাপ তেওঁৰ কাপৰ পৰা আৰু নোলাল।

তেজপুৰৰ ৰাজহুৱা জীৱনত "ভট্টাচাৰ্য্যৰ পৰিয়াল-স্বজনে বিশেষ গুৰুত্বপূৰ্ণ ভূমিকা লৈ আছিছে। তাৰিণী ভট্টাচাৰ্য্যৰ ডাঙৰজন পুতেক শ্ৰীদুলালচন্দ্ৰ ভট্টাচাৰ্য্য তেজপুৰ একাডেমীৰ প্ৰতিষ্ঠাতা, উকীল সাহিত্য সভাপতি, তেজপুৰৰ দুয়োখন কলেজৰ—তেজপুৰ কলেজ আৰু দৰং কলেজ—সভাপতি আৰু বহুতো ৰাজহুৱা অনুষ্ঠানৰ উদ্যোক্তা।

তেওঁৰ (শ্রীদুলাল ভট্টাচার্য্যৰ) ভায়েক কেইজনো তেজপুৰৰ ৰাজহুৱা জীৱনৰ জাকত জিলিকা নেতা। এনেস্থলত তেওঁলোকৰ পিতৃপুৰুষৰ অৱদান সম্পর্কে আপুনি এনে আওকণীয়া হৈ আছে বুলি জানিলে তেওঁলোকে বৰ মনোকষ্ট পাব (যদিহে তেওঁলোকে পিতৃৰ অৱদানৰ কিবা ভু-ভা ৰাখিছে। তেওঁলোকে যিমানেই নেকি নাজানক, মোৰ সমান যে নাজানে, সিও ঠিক)।

আশা কৰোঁ, 'হেমচন্দ্র গোস্বামী'ৰ দ্বিতীয় সংস্কৰণত আপুনি 'ঘোঁৰা নিদান' সম্পর্কীয় কথাখিনি শুধৰাই দিব। 'ঘোঁৰা নিদান' মূল পুথিখন যে হেমচন্দ্র গোস্বামীয়ে আৱিষ্কাৰ কৰিছিল, সিও সঁচা। সম্পাদক ভট্টাচার্যই মুক্তকণ্ঠে সেই কথা স্বীকাৰ কৰিছে ঃ

"In June last when I attempted for the first time to read "Ghora-Nidan" as it is, after having received a copy from the Kamrup Anusandhan Samiti through Pandit Hemchandra Goswami. I found myself quite at sea with regard to its vocabulary, much of which is unknown and obsolete, and the text all jumbled up together and the stops are so misplaced that they served only to render the confusion worse confused.. ..

"It is said the "puthi" was found with an Assamese Brahmin gentleman of Nowgong District where his grandfather for certain reasons went to settle on the boundary of Darang and Kamrup".

এই উদ্ধৃতিটো 'ঘোঁৰা নিদান'ৰ (শিলং, ১৯৩২) প্ৰতিনিৰ (preface) পৰা লোৱা হৈছে। পাতনিৰ শেষত তাৰিখ দিয়া হৈছে "নবেম্বৰ, ১৯২৭"। গতিকে "June last" মানে ১৯২৭ চনৰ জুন মাহ হ'ব। সম্পাদকৰ নিজৰ 'preface'ৰ উপৰিও বুৰঞ্জী আৰু পুৰ তত্ত্ব অধ্যয়নৰ অবৈতনিক "সহকাৰী" ডাইৰেক্টৰ সূর্যকুমাৰ ভূঞাই "Introductory" এটা লিখি দিছে। তাত তাৰিখ দিয়া হৈছে "ডিচেম্বৰ ৯, ১৯৩১"। (সেই সময়ত ডাইৰেক্টৰনো কোন আছিল ? ভূঞা Assistant Director হে।)

'হেমচন্দ্র গোস্বামী'ৰ ভৱিষ্যত সংস্কৰণ উলিয়ালে আৰু দুই এটা কথা আপুনি চকু ফুৰাই দিব। ইয়াৰে কেইটামান অৱশ্যে ছপাৰ

ভুলহে; সেইকেইটা অবাঞ্ছিত ঠাইত হোৱা দেখিহে আপোনাৰ দৃষ্টিগোচৰ কৰিব খুজিছো।

(ক) 'কাম ৰত্নতন্ত্ৰ' ১৯২৯ চনত প্ৰকাশিত হ'ল বুলি ছপা হৈছে (পৃষ্ঠা ৯৯)। এইটো "১৯২৮ চন" হ'ব। এই কিতাপখনত হেম গোসাঁয়ে পাতনিৰ শেষত তাৰিখ দিছে "১৭ এপ্ৰিল ১৯২৬"। কিতাপখন প্ৰকাশিত হৈ ওলায় ১৯২৮ চনত। সঙ্গত গোসাঁই তেতিয়া জীৱিত আছিল; কাৰণ কিতাপখনত তেওঁ যে সেই বছৰৰে ২ মে' তাৰিখে চুকাল, তাৰ কোনো উল্লেখ নাই।

(খ) ৬০ পৃষ্ঠাৰ পাদটীকাত মিছেছ পি, এইচ, এছ, মুৰৰ ইংৰাজী উদ্ধৃতি এটা দিয়া হৈছে। ইয়াত "Goswami" শব্দটোৰ পৰিবৰ্তে "Barua" হ'ব।

(গ) ৮৭ পৃষ্ঠাত হৰ্জৰবৰ্মাৰ তেজপুৰ শিলালিপিৰ তাৰিখ "৪১০ গুপ্তাব্দ" বুলি দিয়া হৈছে। এইটো "৫১০ গুপ্তাব্দ" হ'ব। ইংৰাজী খৃষ্টাব্দটো ঠিকেই আছে।

এই শিলালিপিৰ পাঠোদ্ধাৰ কৰা ঐতিহাসিকসকলৰ ভিতৰত হেমচন্দ্ৰ গোস্বামী প্ৰথম নহয়, বৰঞ্চ সৰ্বশেষ হে। হৰ্কলী, কিলহৰ্ণ, নগেন্দ্ৰনাথ বসু প্ৰমুখ্যে পণ্ডিতবৰ্গ তেওঁতকৈ আগ। ৺লক্ষ্মীকান্ত মিশ্ৰ ভাগৱতীৰ সময়ত তেওঁ অৱশ্যে এইখনৰ আৰু তেজপুৰৰ ওচৰে-পাজৰে থকা অন্যান্য কিছুমান শিলালিপিৰ নতুনকৈ পাঠোদ্ধাৰ কৰে।

(ঘ) ৫৭ পৃষ্ঠাত আপুনি চান্দকুচীয়া, কমাৰকুচীয়া বৰুৱা দুঘৰৰ" নাম লৈও একেটা লাইনতে আকৌ উত্তমচন্দ্ৰ বৰুৱাক বেলেগে লেখত ধৰিছে। মই জনামতে কুমাৰকুচীয়া বৰুৱা আৰু উত্তমচন্দ্ৰ বৰুৱা দুঘৰ বেলেগ নহয়; উত্তমচন্দ্ৰ বৰুৱাৰ দৰেই কমাৰকুচীয়া বৰুৱাৰ ঘৰ। উত্তমচন্দ্ৰ বৰুৱা ডাওৰীয়াৰ ডাওৰ জন পুতেক শ্ৰীপ্ৰফুল্ল চন্দ্ৰ বৰুৱাই পিতাকৰ আত্মজীৱনী এখন ছপা কৰি উলিয়াইছিল। সেইখন কিজানি আপোনাৰ অবগতিলৈ আহিছে।

মোটামুটিভাৱে ক'ব লাগিলে, 'ঘোঁৰা নিদান' সম্পৰ্কীয় কথাখিনিৰ বাহিৰে 'হেমচন্দ্ৰ গোস্বামী'ত আন একো খণ্ডাব লগা কথা নাপালোঁ। কিন্তু হেম গোসাঁইৰ প্ৰত্নপুৰুষ গৌৰাংগদেৱ চৈতন্যপন্থী আছিল বুলি

মোৰ ইমান বদ্ধমূল ধাৰণা এটা হৈ আছে যে নতুন তথ্য কিছুমান পোহৰলৈ আনি আপুনি সেইটোৰ একেবাৰে চয়-নিশ্চয় কাৰ নিদিলে নচলিব। ইতি— সদানন্দ চলিহা

ঘন শইকীয়াৰ চিঠি

সাং শলগুৰি
পো ঃ শলগুৰি
ভায়া জামুগুৰিহাট
দৰং ১৯।৮।৭৫

সেৱাভাজনেষু,

সেৱা শ্ৰদ্ধা গ্ৰহণ কৰিব। আশাকৰোঁ ভালে আছে। মোৰো এক প্ৰকাৰ ভালেই। আপোনাৰ প্ৰণীত আগেয়ে পঢ়া এখন কিতাপ আজি আকৌ নকৈ পঢ়ি বিমোহিত হৈ আপোনালৈ এখন চিঠি লিখিবৰ মন গ'ল। কিতাপখনৰ বিষয়বস্তুৰ বাবে নহয়, ভাষাৰ স্বতন্ত্ৰত্য আৰু ওজস্বীতাৰ বাবে মই অভিভূত হৈ পৰিছোঁ। অৱশ্যে অকল আপোনাৰ মই আজি পঢ়া 'ৰাংপতা' নামৰ সৰু সাধুকথাৰ পুথিতে এই গুণ থকা নাই আপোনাৰ সমগ্ৰ লিখাতে এই গুণ বিৰাজমান। আমাৰ সশ্ৰদ্ধ প্ৰণিপাত গ্ৰহণ কৰিব। মোৰ দুৰ্ভাগ্য যে আপোনাৰ সমগ্ৰ ৰচনাৱলী পঢ়াৰ মোৰ আজিও সুযোগ ঘটা নাই। পঢ়াখিনিৰ ভিতৰত মই সবাতোকৈ ভাল পোৱা আপোনাৰ পুথি হ'ল 'মণিৰাম দেৱান'। সাহিত্য একাডেমীৰ দ্বাৰা পুৰস্কৃত 'কংগ্ৰেছৰ কাঁচিয়লি ৰ'দত' পঢ়িও বিমোহিত হৈছোঁ। কিন্তু তথাপি যেন মণিৰাম দেৱানৰ কথা সুকীয়া। মণিৰাম দেৱান নামটোৰ লগত মোৰ মনত বেণুধৰ শৰ্ম্মা নামটো অভিন্ন। এই কথা কেইবছৰমানৰ আগতে জামুগুৰি ত্যাগবীৰ হেমবৰুৱা কলেজত আপুনি ভাষণ দিয়া এখন সভাৰ সভাপতি হিচাবেও মই সভাতে কৈছিলো। আশাকৰোঁ ভগৱানে আপোনাৰ শতায়ু কৰক—ইতি

প্ৰণত
শ্ৰীঘন শইকীয়া



কটন কলেজৰ ছাত্ৰৰ মাজত ৰবীন্দ্ৰনাথ ঠাকুৰ (১৯১৯)

সিপিঠিৰ ছবিত থকা সকলৰ চিনাকি

কটন কলেজৰ ছাত্ৰৰ মাজত ৰবীন্দ্ৰনাথ ঠাকুৰ (১৯১৯)

(২) পিয়াৰীমোহন সেন, (৫) আতাউৰ হক, (৯) বীৰেন বৰদলৈ, (১০) গুণেশ ভট্টাচার্য্য (শিৱসাগৰ), (১১) সুৰেন্দ্ৰনাথ বেজবৰুৱা (যোৰহাট, (১২) কন্দৰ্পনাথ শর্মা (নগাঁও), (১৩) ঈশানচন্দ্ৰ গোহাঁই, (১৪) লোকেশ্বৰ ফুকন, (১৫) ধর্মৰঞ্জন বৰুৱা (শিৱসাগৰ), (১৬) পীতাম্বৰ হাজৰিকা (শিৱসাগৰ), (১৭) গুৰুপ্ৰসাদ চলিহা,(১৮) ×, (১৯) ডিম্বেশ্বৰ নেওগ, (২১) বুদ্ধেশ্বৰ চেতিয়া (শিৱসাগৰ), (২২) মফিজুদ্দিন আহম্মদ (গুৱাহাটী), (২৩) ইন্দ্ৰেশ্বৰ গগৈ (শিৱসাগৰ), (২৪) ক্ষণী ভাগৱতী (শিৱসাগৰ), (২৮) অম্বেশ্বৰ চেতিয়া (শিৱসাগৰ), (২৯) তুলসীনাৰায়ণ শর্মা, (৩৩) পূৰন্দৰ শর্মা, (মঙ্গলদৈ), (৩৪) ইবাং গোহান সিং (মণিপুৰ), (৩৫) গিৰীন্দ্ৰনাথ বৰুৱা (গোলাঘাট), (৩৬) প্ৰফুল্ল কুমাৰ সেন (গুৱাহাটী), (৩৭) তুৰাৰাম দত্ত, (৩৮) বেণুধৰ শর্মা, (৩৯) ক্ষীৰেশ্বৰ শর্মা (নগাঁও), (৪) হেম বৰুৱা, (৪১) বিমলা বৰুৱা, (৪২) অধ্যাপক লক্ষ্মী চাটার্জি, (৪৩) খেতেকধৰ বৰুৱা, (৪৪) ৰুদ্ৰকান্ত গোহাঞিবৰুৱা (উঃ লক্ষীমপুৰ), (৪৫) কবিগুৰু ৰবীন্দ্ৰনাথ ঠাকুৰ, (৪৮) ভগৱতীপ্ৰসাদ বৰুৱা, (৪৯) জয়চন্দ্ৰ বৰুৱা, (৫০) নবাব ৰফিউল্লা, (৫১) ললিত ঘোষ, (৫৪) হৰিপ্ৰসন্ন তামুলী ফুকন, (৫৭) বনমালী ভট্টাচার্য্য (বঙ্গালী), (৫৯) ডিম্বেশ্বৰ বৰঠাকুৰ, (৬০) ইন্দ্ৰনাথ কাকতী (শিৱসাগৰ), (৬১) আনৱাৰ হুছেইন, (৬২) সীতানাথ শর্মা (মঙলদৈ), (৬২) বিষ্ণুচন্দ্ৰ গোস্বামী (গোলাঘাট), (৬৪) প্ৰফুল্ল বৰুৱা (শিৱসাগৰ), (৬৫) সাৰদা দুৱৰা (ডিব্ৰুগড় (৬৬) ডাঃ সুৰেন্দ্ৰনাথ দস, (৬৭) ৰামেশ্বৰ ভট্টাচার্য্য, (৬৮) বিদ্যাধৰ শর্মা, (৬৯) শুকদেব গোস্বামী।



যোৰহাটত আসাম মুছলিম এছছিয়েছনৰ সভা (২২ অক্টোবৰ, ১৯৩৪ খৃঃ)

ঠিয় হৈ প্ৰথম শাৰীত ঃ—(৯) ৰুকুনুদ্দিন আহম্মদ, (১০) মহম্মদ তৈয়বুল্লা, (১২) দেবেশ্বৰ শৰ্মা (জিপি), (১৩) হেৰম্বপ্ৰসাদ বৰুৱা, (১৫) তফজল হছেইন (১৭) মহম্মদ ছাদুল্লা (২৫) দেৰাজুদ্দিন আহম্মদ, উকীল, (৭) আৰু (৮) ৰ মাজত বাপুতা (বাকীসকল চিনাক্ত কৰিব পৰা নহ'ল)।



১৯১৯ চনৰ নবেম্বৰ মাহত ৰবীন্দ্রনাথ ঠাকুৰ গুৱাহাটীলৈ আহোঁতে তোলা ছবি

চকীত বহি বাঁওফালৰ পৰা—

৫ম হেমচন্দ্র গোস্বামী, ৬ষ্ঠ মহম্মদ ছাদুল্লা, ৭ম সত্যনাথ বৰা, ৮ম ৰবীন্দ্রনাথ ঠাকুৰ ৯ম তাৰাপদ্ভিৰাম বৰুৱা। সৌষমজে চকীত বহি একেবাৰে মুৰত [illegible] শেহৰ শাৰীত থিয় হৈ সোঁফালৰ পৰা ৭ম জন হ'ল ত্যাগবীৰ হেম বৰুৱা।



গুৱাহাটী আইন কলেজত লক্ষ্মীনাথ বেজবৰুৱাক সম্বৰ্দ্ধনা জনাওঁত (৩১ ডিচেম্বৰ, ১৯২৪)

চকীত বহি বাঁও ফালৰ পৰা—যতীন দত্তৰা, জ্ঞানদাভিৰাম বৰুৱা, প্ৰাণনাথ বুঢ়ৰবৰুৱা, লক্ষ্মীনাথ বেজবৰুৱা, অকণা বেজবৰুৱা, পম্পু সিং, ×, কমলা বৰুৱা, আলোক ৰাজখোৱা।